重訪中国

আবার চীন দেখে এলাম

হেমাঙ্গ বিশ্বাস

[দ্বিতীয় খণ্ড]

STATE CENTRAL LIBRARY
Call No ----
★ ASSAM. ★

প্ৰথম প্ৰকাশ ˙ বহাগ ১৮৯৯ শক, মে, ১৯৭৭। প্ৰকাশক : শ্ৰীভূমি পাবলিচিং কোম্পানী, ৭৯, মহাত্মা গান্ধী ৰোড, কলিকতা-৭০০০০৯। মুদ্ৰক : শ্ৰীনিৰঞ্জনকুমাৰ দাস, শংকৰনাৰায়ণ প্ৰেছ, ৬এ, অখিল মিস্ত্ৰী লেন, কলিকতা-৭০০০০৯

বেটুপাত : তুষাৰ সান্যাল

ĀKOU CHIN CHAI ĀHILON [CHINA REVISITED]

2nd Vol

A Travelogue on China in Assamese

by

HEMANGO BISWAS

First Edition, May, 1977 Published by Arun Purkayastha, Sribhumi Publishing Co, 79, Mahatma Gandhi Road, Calcutta 700 009

Cover & Illustration Tushar Sanyal

বেচ : পোন্ধৰ টকা মাথোন

সূচী

ৰবীন্দ্ৰনাথৰ ভৱিষ্যদ্বাণী য'ত সফল হ'ল ১
সাধুকথা কেনেকৈ বাস্তৱ হৈ উঠিল ৮
গণ-কমিউন : কমিউনিজমৰ বাটত দীৰ্ঘ পদক্ষেপ ১৩
চীনদেশৰ কৃষিৰ পৰিপ্ৰেক্ষিতত ছোভিয়েত কৃষি ২০
চীনদেশত চিকিৎসা-বিপ্লৱ ২৯
নতুন চীনৰ নাৰী ৪৫
সাংস্কৃতিক বিপ্লৱত বৰটোপৰ প্ৰথম গোলা ৬৩
নাট্য-বিপ্লৱত চিয়াং চিঙৰ ভূমিকা ৬৯
চীনৰ চলচ্চিত্ৰৰ স্ফূৰ্তিযেদি ৮২
চীনদেশত অতীত অনাদৃত নে ? ১৩০
চীনত ক্লাছিক শিল্প-সাহিত্য বৰ্জিত নে ? ১৩৬
চীনৰ সাহিত্যত সংঘৰ্ষ ১৪৯
শিল্প-বিপ্লৱত নতুন ধাৰা : তা-চিন উদ্দীপনা ১৭৬
'বিদগ্ধ সকলেই সবাতোকৈ অজ্ঞ' ১৮৫
সেতুবন্ধৰ কাহিনী ১৯১
এটি শ্ৰমিক পৰিয়ালৰ মাহিলী আয়-ব্যয়ৰ হিচাপ ১৯৫
চীনত খাদ্যবস্তুৰ বজাৰ-দাম ১৯৭
মুক্তদ্বাৰ শিক্ষা-প্ৰণালী আৰু শিক্ষা-বিপ্লৱ ২০১
পিকিং বিশ্ববিদ্যালয়ত ২০৫
মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱৰ ধাৰা ২১০
জানুৱাৰি বিদ্ৰোহ ২২০
ভূগৰ্ভ চীন ২৩০
'বিৰিখে বিশ্ৰাম ল'ব খুজিলেও বতাহে বিৰাম নলয়' ২৩৪
লিন্ পিয়াও-ৰহস্য ২৪৯
বিৰামবিহীন শ্ৰেণী-সংগ্ৰাম ২৬৫

পৰিশিষ্ট

চীনৰ সাংস্কৃতিক বিপ্লৱৰ ১৬ পয়েণ্ট নিৰ্দেশাবলী	২৬৯
সদৰ দপ্তৰলৈ বৰটোপ টোঁওৱা : ডাঙৰ আখৰৰ প্ৰাচীৰ পত্ৰ	২৮৩
জানুৱাৰি ধুমুহাৰ প্ৰাক্-মুহূৰ্তত : জৰুৰী বিজ্ঞপ্তি	২৮৪
পিকিং অপেৰা-বিপ্লৱ প্ৰসংগত : চিয়াং চিং	২৮৯
চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ দ্বাৰা প্ৰচাৰিত ছাকুৰ্লাৰ	২৯৬
অংকৰ ভাষা	৩০৭
পৰিসংখ্যানৰ দাপোণত চীনদেশ	৩১০
চীনা অৰ্থনীতিৰ নিৰ্বাচিত পৰিসংখ্যান	৩১১
কেইটিমান চীনা শব্দ, অনুবাদ আৰু উচ্চাৰণ	৩১২

আকৌ——————

চীন চাই আহিলোঁ

কৈফিয়ৎ

[দ্বিতীয় খণ্ডৰ পাতনি]

১৯৭৪ চনত পুনৰ চীনলৈ গৈ উভতি অহাৰ পাছত কিঞ্চিদধিক আঠ বছৰ পাৰ হৈ গ'ল। 'আকৌ চীন চাই আহিলোঁ' কিতাপখনৰ প্ৰথম খণ্ডৰ প্ৰথম তাঙৰণ প্ৰকাশিত হোৱাৰ পাছতো দুবছৰমান উকলিল। কিন্তু এইছোৱা সময়ৰ মাজত চীনৰ ঘটনাৱলীয়ে আমাৰ চিন্তাৰ গতিক চেৰাই বহুখিনি আগ বাঢ়ি গৈছে। এই কাল ছোৱাত প্ৰকাশিত বিদেশৰ প্ৰখ্যাত Sinologist অৰ্থাৎ চীন-বিশেষজ্ঞসকলৰ গ্ৰন্থসমূহ ইতিমধ্যেই সাঁচিপতীয়া হৈ উঠিছে। এতেকে, মোৰ কিতাপখনৰ কিছুমান বক্তব্যই যদি আগ্ৰহী অসমীয়া পাঠক-ৰাইজৰ পৰা তীক্ষ্ণ প্ৰশ্নৰ সম্মুখীন হয়, সেই কথাত আচৰিত হ'বলগীয়া একো নাই। চীনৰ ঘটনাৱলীৰ জটিল আৰু কুটিল চাকনৈয়াত পৰি যেতিয়া আমাৰ নিচিনা নিৰীক্ষক আৰু লেখকসকলে ককবকাই থাকিবলগীয়া হওঁ, তেতিয়া সেই চাকনৈয়াই সমাজতন্ত্ৰী সমাজৰ শ্ৰেণী-সংঘাতৰ তীব্ৰতা আৰু তাৰ সমাধানাৰ্থে মাও-নিৰ্ধাৰিত ডায়ালেকটিকেল বা দ্বান্দ্বিক পদ্ধতি অনুধাৱন কৰাৰ ক্ষেত্ৰত আমাৰ অক্ষমতাৰ প্ৰমাণ দাঙি ধৰে।

১৯৭৭ চনৰ মাৰ্চত দ্বিতীয় খণ্ডৰ পাতনি লিখিবলৈ লৈ এৰি থৈ অহা ১৯৭৬ চনটোৰ কথা ভাবি আছোঁ। মহাচীনত এটাৰ পাছত আনটোকৈ যিবোৰ ঘটনা ঘটিল—সমগ্ৰ বিশ্ব-ৰাজনীতিত তাৰ প্ৰভাৱৰ পৰিমাপ আমি এতিয়ালৈকো কৰিবলৈ সক্ষম হৈছোঁ নে ?

যোৱা বছৰটোৰ আৰম্ভণিতেই, জানুৱাৰিৰ ৮ তাৰিখে মুক্তিযুদ্ধ আৰু সমাজ-তন্ত্ৰৰ গঠনত মাও চেতুঙৰ সোঁহাত স্বৰূপ, চীনৰ শ্ৰেষ্ঠ প্ৰশাসক আৰু এই যুগত বিশ্বৰ শ্ৰেষ্ঠ কূটনীতিবিদ চৌ এন লাই-এ পৰলোক গমন কৰিলে। জুলাই মাহৰ ৬ তাৰিখে ৰূপকথাৰ লালফৌজৰ সেনাধ্যক্ষ লংমাৰ্চৰ কিংবদন্তীৰ এগৰাকী নায়ক, চীনৰ গণ-পৰিষদৰ চেয়াৰম্যান—চু তে'ৰ জীৱনাৱসান ঘটিল।

জুলাই মাহৰ ২৮ তাৰিখে অভূতপূৰ্ব বিধ্বংসী ভুঁইকঁপৰ ফলত চীনৰ বৃহত্তম কয়লাখনি থকা শিল্পনগৰী তানশ্বান ধ্বংসস্তূপত পৰিণত হ'ল। প্ৰায় ১০ লাখ

মানুহৰ মৃত্যু ঘটিল। তাৰ পাছতো একে একে তিনিবাৰ সৰ্বনাশীয়া ভুঁইকঁপে অন্যান্য প্ৰদেশ সমূহকো জোকাৰি থৈ গ'ল।

কিন্তু চীনদেশৰ বৃহত্তম ভূকম্পন ঘটিল ছেপ্তেম্বৰৰ ৯ তাৰিখে। এই ভূকম্পনৰ কেন্দ্ৰবিন্দু যদিও চীন, তথাপি এই ভুঁইকঁপে গোটেই পৃথিৱীখন জোকাৰি থৈ গ'ল —বিশেষকৈ কোটি কোটি দুৰ্গত, শোষিত, নিপীড়িত মানুহৰ হৃদয় বিদীৰ্ণ হ'ল। ১৯৭৬ চনৰ এই দিনটিত নতুন চীনৰ ভাস্কৰ, এই যুগত মাৰ্কছবাদ-লেনিনবাদৰ শ্ৰেষ্ঠ অধিবক্তাজন, বিশ্বজনতাৰ মহান নেতা চেয়াৰম্যান মাও চেতুং লোকান্তৰিত হ'ল। পৃথিৱীৰ শোষিত জনগণ যেতিয়া শোকাচ্ছন্ন, চীনৰ ভৱিষ্যৎ লৈ গভীৰ চিন্তাত মগ্ন—তেতিয়া আনুষ্ঠানিক শোক প্ৰকাশ কৰাৰ পাছ মুহূৰ্ততে ধনতন্ত্ৰী দুনিয়াৰ ৰাজনৈতিক মহলত জল্পনা-কল্পনা আৰম্ভ হৈ গ'ল—'মাওৰ পাছত কি?' বহুতেই স্তালিনৰ পাছত খ্ৰুশ্চফৰ অভ্যুদয়ৰ দৰে চীনৰ ৰঙা সূৰ্য্য লহিউৱাৰ পাছত কোনোবা এটা দুষ্টগ্ৰহৰ অভ্যুদয়ৰ ভৱিষ্যদ্বাণী কৰিবলৈ ধৰিলে।

ঠিক তেতিয়াই, অক্টোবৰৰ ১২ তাৰিখে খবৰ বিয়পি পৰিল আৰু আমাৰ বাতৰি-কাকতবিলাকতো সোৎসাহেৰে প্ৰকাশিত হ'ল—ৱাং, চাং, চিয়াং, ইয়াওক গ্ৰেপ্তাৰ কৰা হৈছে। এওঁলোকৰ আটাইকেউজনেই উচ্চতম পলিটব্যুৰ'ৰ সদস্য। ওৱাং হুং ওৱেন আছিল কমিউনিষ্ট পাৰ্টিৰ দ্বিতীয় ভাইছ চেয়াৰম্যান আৰু চাং চুং চিয়াও আছিল প্ৰথম উপ-প্ৰধানমন্ত্ৰী। ইয়াও ওৱেন ইউৱান আছিল এগৰাকী আগশাৰীৰ তাত্বিক। কিন্তু চিয়াং চিং মাও-ৰ পত্নী হোৱা হেতুকে সকলো ধৰণৰ প্ৰচাৰৰ মূখ্য নায়িকা ৰূপে তেওঁকেই পাদপ্ৰদীপৰ আলোকত লৈ অহা হ'ল। আজিৰ চীনৰ অগণিত সংঘবদ্ধ জনসাধাৰণে এওঁলোকক Gang of Four বা 'চাৰিজনীয়া চক্ৰ' বুলি ককৰ্থনা কৰিছে। সমগ্ৰ চীনদেশৰ নগৰ-চহৰত খনি কাৰখানাত, কমিউনৰ খাত-পামত, শিক্ষালয়ত, সৈন্যবাহিনীত এই 'চাৰিজনীয়া চক্ৰ'ৰ স্বৰূপ উদঘাটনৰ অভিযান দিনে-নিশাই চলিছে। এই ক্ষুদ্ৰ কিতাপখনৰ পাতনিত সেই আলোচনা কৰা সম্ভৱ নহয়।

কিন্তু মোৰ কিতাপখনত সাংস্কৃতিক বিপ্লৱৰ অগ্ৰগামী নেতৃত্বৰ মাজত এই 'চাৰিজনীয়া চক্ৰ'ক এক বিশেষ স্থান দিয়া হৈছে, বিশেষকৈ 'জাহুৱাৰি-ধুমুহা'ৰ নেতা ওৱাং হুং ওৱেন আৰু নাট্য-বিপ্লৱৰ নেত্ৰী চিয়াং চিঙৰ ভূমিকাক মই দাঙি ধৰিছোঁ। মোৰ কিতাপখনত পিকিং অপেৰাৰ বিপ্লৱৰ বিশদ বিৱৰণ থকা হেতুকে চিয়াং চিং সম্পৰ্কে এটি বিশেষ অধ্যায় লিখিবলগীয়া হৈছোঁ। পৰিশিষ্টত তেওঁৰ এটি ভাষণো

যুক্ত কৰিছোঁ। এতিয়া পাঠক-ৰাইজে নিশ্চয় প্ৰশ্ন কৰিব—তেনহলে সকলো ভুল নে? এইদৰে ভবাটো অবৈজ্ঞানিক হ'ব বুলিয়েই মোৰ ধাৰণা। মাৰ্শাল পেং তে হুৱাই বা মাৰ্শাল লিন্ পিয়াও সুদক্ষ সেনানায়ক নাছিল নে বাৰু? এই চাৰিজনীয়া চক্ৰতকৈ তেওঁলোকৰ খ্যাতি বহু বেছি আছিল।

সমাজতন্ত্ৰৰ গঠনত মাও ৰ অবিচ্ছিন্ন বিপ্লৱৰ তত্ত্ব, Continue revolution under the dictatorship of the proletariat, সমাজতন্ত্ৰী সমাজতো বুৰ্জোৱা আৰু সৰ্বহাৰাৰ জীৱন মৰণ শ্ৰেণী-সংগ্ৰাম প্ৰধান চালিকাশক্তিৰূপে গণ্য কৰি সৰ্বস্তৰত বিশেষকৈ Superstructure বা ওপৰিসৌধৰ অভ্যন্তৰত অবিৰাম গতিৰে চলাই লৈ যোৱাৰ তত্ত্বৰ আলোকতহে আমি বিচাৰ কৰি চাব লাগিব। সমাজতন্ত্ৰী সমাজ গঠনৰ তত্ত্ব আৰু প্ৰয়োগৰ জটিল আৱৰ্তত প্ৰতিটো স্তৰ অতিক্ৰম কৰাৰ বাটত বিগত স্তৰৰ ডা-ডাঙৰীয়াইতৰ বহুতেই ৰথৰ ৰছী টানি ধৰিব খুজিছে —কিন্তু ৰথৰ ঐৰাৱত হ'ল মাৰ্কছবাদ-লেনিনবাদ আৰু মাও চেতুঙৰ চিন্তাৰে শিক্ষিত শ্ৰমজীৱি জনতা—তেওঁলোক ক'তো নৰয়।

এসময়ত সাম্ৰাজ্যবাদ আৰু তাৰ টেমেকা চিয়াং চক্ৰৰ যুদ্ধৰ বিৰোধী বীৰসকল —মুক্তিৰ পাছত নয়া গণতন্ত্ৰৰ বাটৰ পৰা উকৰি পৰা দেখা গ'ল। আকৌ নয়া গণতান্ত্ৰিক বিপ্লৱৰ স্তৰৰপৰা সকলো ক্ষেত্ৰতে যেতিয়া সমাজতান্ত্ৰিক বিপ্লৱ সমাধা কৰাৰ অভিযান চলিল—তেতিয়া নয়া-গণতান্ত্ৰিক স্তৰৰ বহুতো বীৰেই ৰণথলী এৰি আহিল। আগৰ সকলো ধৰণৰ পশ্চাদ্‌গামী চিন্তাৰপৰা মনৰ মুক্তি নঘটিলে নতুন স্তৰ অতিক্ৰম কৰা সম্ভৱ নহয়। যিসকলে লংমাৰ্চ্চ বা জাপ-বিৰোধী যুদ্ধত অসীম সাহসিকতা আৰু ৰণদক্ষতা প্ৰদৰ্শন কৰিছিল—বুৰ্জোৱা ভাবাদৰ্শৰ বিৰুদ্ধে সংগ্ৰামৰ ক্ষেত্ৰত তেওঁলোকৰ মাজত এক বৃহৎ অংশয়েই পিছ হোঁহকা দিলে। আকৌ, এওঁলোকৰ মাজৰ কেন্দ্ৰীয় নেতৃত্বৰ কোনো কোনোৱাই পথভ্ৰষ্ট হৈ চৰম বিশ্বাসঘাতকতাৰ বাট ল'লে। ছেন্ তু শিউ, ওৱাং মিং, চাং কুও তাও-ৰপৰা আৰম্ভ কৰি লিউ শাও চি, লিন্ পিয়াওলৈকে কেন্দ্ৰীয় নেতৃত্বৰ মাজত ১০ বাৰ এই বিশ্বাসঘাতকতাই পোখা মেলিছিল। কিন্তু মহানায়ক মাও চেতুঙৰ নিৰ্ভুল বিপ্লৱী ৰণনীতি আৰু ৰণকৌশলে এইবোৰক পৰাজিত কৰি পৃথিৱীৰ বিশালতম জনতাক সমাজতন্ত্ৰৰ বাটলৈ দ্ৰুত গতিত আগবঢাই লৈ গৈছে।

কিন্তু এইবাৰৰ 'চাৰিজনীয়া চক্ৰ'ৰ ঘটনা মাও চেতুং আৰু মাও-তত্ত্বৰ শ্ৰেষ্ঠ প্ৰয়োগ-শিল্পী চৌ এন্ লাই-ৰ মৃত্যুৰ পাছত হে ঘটিছে। হুৱা কুও ফেং আমাৰ

নিচেই অচিনাকি ব্যক্তি। গতিকে, প্ৰথমৰ ফালে ভালেমান দিন ধৰি এই ঘটনাৰ ফলত আমাৰ সকলোটিৰ মন আশংকা আৰু উদ্বেগত আচ্ছন্ন আছিল। এতিয়ালৈকে বহুতো অকৃত্ৰিম চীন-সুহৃদৰ মনৰপৰা আশংকা আঁতৰা নাই। 'মাও আছে, গতিকে সকলো ঠিক আছে'—এই নিঃচিন্ত ভাব নথকাটো বৰ অস্বাভাৱিক একো নহয়। স্তালিনৰ মৃত্যুৰ পাছত খ্ৰুশ্চভৰ অভ্যুদয়ৰ কথাটো বিশ্ব-জনতাই পাহৰিব কেনেকৈ ? সেয়েহে, বিশ্বমুক্তি পথৰ বাটকটীয়া পূব দিগন্তৰ ৰঙাসূৰ্য্য লহিউৱাৰ পাছত বিশ্ব-বিপ্লৱৰ কেন্দ্ৰভূমি চীনত উদিত নতুন গ্ৰহ শুভ নে অশুভ—এই চিন্তা প্ৰগতিশীল মানুহৰ মনত ভুমুকিয়াবই।

সেয়েহে, এই বিষয়ত এই পাতনিৰ ক্ষুদ্ৰ পৰিসৰতো সামান্য আলোচনা নকৰিলে এই কিতাপখন কেৱল অসম্পূৰ্ণ থকায়েই নহয়, পাঠকৰ চুচকুৰ আগত বিভ্ৰান্তিৰ কুঁৱলীৰহে সৃষ্টি কৰিব। মই নিজক এজন Sinologist বা চীন-বিশেষজ্ঞ বুলি নাভাবোঁ। আৰু চীন-বিশেষজ্ঞ সকলৰ মাজত বহুতেই False Prophet বা ফাংফুং বিশেষজ্ঞ বুলি বাৰে বাৰে প্ৰমাণিত হৈছে। তথাপি চীনদেশ সম্পৰ্কে মোৰ প্ৰত্যক্ষ অভিজ্ঞতাক বহুতেই খুব মূল্য দিয়ে আৰু সেই বাবে যোৱা ১২ অক্টোবৰত চীনৰ উচ্চতম নেতৃত্বৰ মাজত চাৰিজনক গ্ৰেপ্তাৰ কৰাৰ পাছৰপৰা কোনো কোনোবাই মোৰ ঘৰলৈ আহি, আকৌ কোনো কোনোৱে পত্ৰযোগে এইবিষয়ে প্ৰশ্ন কৰিছে। কিন্তু প্ৰথমৰ ফালে কেৱল ঘটনাৰ ৰেহ-ৰূপ বিশ্লেষণী মনেৰে অনুধাৱন কৰাৰ বাহিৰে আন কোনো উপায় নাছিল। তদুপৰি, চীনৰ কাকত-আলোচনী প্ৰায় পাবলৈ নাই। পিছে এটা কথা মই প্ৰথমৰেপৰাই কৈছোঁ—এই ঘটনাক চীনৰ জনসাধাৰণে কেনেদৰে গ্ৰহণ কৰে সেই কথাহে আমাৰ মন কৰিবলগীয়া। সাংস্কৃতিক বিপ্লৱোত্তৰ চীনৰ জনতা পৃথিৱীৰ সবাতোকৈ অগ্ৰগামী ৰাজনীতি-সচেতন জনতা। মাৰ্কছবাদ-লেনিনবাদৰ তত্ত্বত আৰু তাৰ প্ৰয়োগত—চিন্তাত আৰু চৰিত্ৰত এওঁলোক প্ৰকৃততেই চীনৰ চালিকাশক্তি। শ্ৰমিক-কৃষকৰ সন্তানৰ চীনা মুক্তিফৌজ মাও-ৰ শিক্ষাৰ আলোক বৰ্তিকাৰ অগ্ৰণী বাহক। গতিকে তেওঁলোকক জনতাতকৈ আছুতীয়াকৈ ভবাটো ভুল হ'ব। চীনৰ এই জনতা আৰু সেনাবাহিনীয়ে সেই দেশত আন এজন খ্ৰুশ্চভক ক্ষমতা কবায়ত্ত কৰিবলৈ নিশ্চয় নিদিয়ে। এইখিনিতে স্তালিনোত্তৰ ৰুছিয়া আৰু মাও-উত্তৰ চীনৰ মাজত পাৰ্থক্য। পৰৱৰ্তী ঘটনাৱলী যেতিয়া এই দাপোণত প্ৰতিফলিত হ'ল, যেতিয়া বিপ্লৱী ঐতিহ্যত আটাইতকৈ অগ্ৰণী লিউ

ৰাও চি-ৰ বুৰ্জোৱা সদৰ দপ্তৰ দখলকাৰী সাংহাইৰ লাখ-বিলাখ শ্ৰমিকে, পিকিঙৰ লাখ লাখ নাগৰিকে 'চাৰিজনীয়া চক্ৰ'ৰ বিৰুদ্ধে ধ্বনি দি আনন্দৰে সৈতে নাচি-বাগি গান গাই হুৱা কুও ফেঙৰ নেতৃত্বৰ সমৰ্থনত সমাবেশ কৰিলে, যেতিয়া তা-চিনৰ আদৰ্শ শ্ৰমিক আৰু তা-চাইৰ আদৰ্শ কৃষক, বা সাংস্কৃতিক বিপ্লৱৰ আগৰণুৱা পিকিং বিশ্ববিদ্যালয়, ছিনহুৱা বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে দলে দলে চাৰিজনীয়া চক্ৰৰ চক্ৰান্ত বিফল কৰাৰ বাবে হুৱা কুও ফেঙলৈ অজস্ৰ শলাগৰ শৰাই আগ বঢাবলৈ থিয়েন আন মেন স্কোৱেয়াৰত সমবেত হ'ল—ঠিক ১৯৬৬ চনৰ ৰেডগাৰ্ড-সকলৰ সমাবেশৰ ৰং-ৰহণেৰে—তেতিয়াহে অলপ অলপকৈ সকলো ফৰকাল হ'বলৈ ধৰিলে। এইবোৰ ঐতিহাসিক সমাবেশত মুক্তিফৌজৰ বিভিন্ন বাহিনীয়েও যোগ দিছিল।

কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ চেয়াৰম্যানৰ পদত হুৱা কুও ফেং মাও-ৰ স্থলাভিষিক্ত হোৱাত আৰু ওৱাং-চাং চিয়াং-ইয়াও চক্ৰই ৰাষ্ট্ৰ আৰু পাৰ্টিৰ ক্ষমতা দখলৰ চক্ৰান্তক চূৰ্ণ কৰাৰ বিজয় উছৱত যোগদানকাৰী ১০ লাখ ছাত্ৰ, সৈনিক আৰু নাগৰিকসকলৰ পিকিঙত ২৪ অক্টোবৰ তাৰিখে অনুষ্ঠিত এক বিশাল সমাবেশত কেন্দ্ৰীয় কমিটিৰ পলিটব্যুৰ'-সদস্য আৰু পিকিং নগৰপালিকা পাৰ্টি-কমিটিৰ প্ৰধান সম্পাদক আৰু পিকিঙৰ মেয়ৰ উ তে-ই যি ভাষণ দিছিল, সেই ভাষণৰ যোগেদিয়েইহে আমি পোন প্ৰথমে চৰকাৰীভাবে 'চাৰিজনীয়া চক্ৰ'ৰ বিষয়ে বক্তব্য পালোঁ। সেই ভাষণৰ যোগে আমি অৱগত হ'লোঁ যে ১৯৭৫ চনৰ ৭ অক্টোবৰ তাৰিখে কেন্দ্ৰীয় কমিটিয়ে হুৱা কুও ফেঙৰ পাৰ্টিৰ চেয়াৰম্যান হিচাপে নিৰ্বাচিত কৰিছে। এই ভাষণৰ যোগেদি আমি আৰু জানিলোঁ যে ১৯৭৬ চনৰ এপ্ৰিল মাহত কেন্দ্ৰীয় কমিটিৰ প্ৰথম চেয়াৰম্যানেও প্ৰধানমন্ত্ৰী হিচাপে হুৱা কুও ফেঙৰ নাম নিজেই প্ৰস্তাৱ কৰিছিল। উ তে-ই ক'লে যে, ৩০ এপ্ৰিল তাৰিখে মাও-এ স্বহস্তে হুৱা কুও ফেঙলৈ লিখিছিল: "তোমাৰ হাতত দায়িত্ব থাকিলে মই নিঃচিন্ত।"

উ তে-ই কয়: 'চাৰিজনীয়া চক্ৰই মাও-ৰ নিৰ্দেশ অমান্য কৰি ভিতৰি ভিতৰি পাৰ্টিৰ মাজত বিভেদৰ সৃষ্টি কৰি চলিছিল আৰু মাও যেতিয়া গুৰুতৰভাবে অসুস্থ হৈ পৰিল তেতিয়া আৰু মাও-ৰ মৃত্যুৰ অব্যৱহিত পাছত সিহঁতে ক্ষমতা দখলৰ বাবে মৰি-পৰি লাগিল। উ তে-ই তেওঁৰ ভাষণৰ আৰম্ভণিতেই মন্তব্য কৰিলে: 'আমি তেৰ মাহৰ আগতে আমাৰ মহান নেতা আৰু শিক্ষক

চেয়াৰম্যান মাও চেতুঙক হেৰুৱাইছোঁ। দেশ গভীৰভাৱে শোকাচ্ছন্ন। পাৰ্টি আৰু সেনাবাহিনী উদ্বিগ্ন। আমাৰ কেন্দ্ৰীয় কমিটিয়ে চেয়াৰম্যান মাওৰ বিপ্লৱী পথক সাৰোগত কৰি লৈ প্ৰলেতাৰীয় বিপ্লৱক চৰম সাফল্যৰ পথলৈ আগবঢ়াই লৈ যাব পাৰিব নে নাই। এই উদ্বেগ আৰু আশংকা ভিত্তিহীন নাছিল, তেতিয়া এটুকুৰা ক'লীয়া ডাৱৰে আমাৰ দেশৰ আকাশখন আবৰি ধৰিছিল। আমাৰ পাৰ্টি শোধনবাদী পাৰ্টিলৈ পৰিণত হোৱাৰ আৰু আমাৰ দেশে তাৰ ৰাজনৈতিক মোট সলোৱাৰ প্ৰকৃত বিপদৰ সম্মুখীন হৈছিল। দুই পথ আৰু দুই লাইনৰ এই জীৱন-মৰণ সংগ্ৰামত আমাৰ পাৰ্টি, শ্ৰমিকশ্ৰেণী আমাৰ জনতা বিজয় গৌৰৱে উত্তীৰ্ণ হৈছে'।

সেই তাৰিখেই, অৰ্থাৎ অক্টোবৰৰ ২৪ তাৰিখে ৰেন্‌মিন্ ৰিপাও (পীপ'ল্‌ছ ডেইলী), হোংছি (ৰেড্‌ফ্লেগ), চি্য়ে ফাং ৰিপাও (লিবাৰেশ্যন ডেইলী) যে "এক মহান ঐতিহাসিক বিজয়" শিৰোনামেৰে অতি গুৰুত্বপূৰ্ণ সম্পাদকীয় মন্তব্য লিখিছিল। এই সম্পাদকীয়ৰ জৰীয়তে আমি সৰ্বপ্ৰথমে বহুতো মূল্যৱান তথ্য অৱগত হ'লোঁ। চাৰিজনীয়া চক্ৰই 'পাৰ্টিত ভাঙোনৰ সৃষ্টি কৰি ক্ষমতা হস্তগত কৰাৰ চক্ৰান্ত' সম্পৰ্কে মহান নেতা চেয়াৰম্যান মাও-এ বহু আগৰেপৰাই জানিছিল। তেওঁ সিহঁতক কঠোৰ সমালোচনা কৰিছিল আৰু বাৰে বাৰে উপদেশ দিছিল আৰু এই সমস্যা সমাধানৰ বাবে কিছুমান ব্যৱস্থা অৱলম্বনো কৰিছিল। ১৯৭৪ চনৰ ১৭ জুলাই তাৰিখে চেয়াৰম্যান মাও-এ এইবিলাকক সমালোচনা কৰি কয় যে, 'তোমালোক সাবধান হোৱা উচিত, চাৰিজনীয়া ক্ষুদ্ৰ চক্ৰ সৃষ্টি নকৰিবা।' সেই বছৰ ডিছেম্বৰৰ ২৪ তাৰিখে পুনৰ সমালোচনা কৰি কৈছিল: 'উপদলৰ সৃষ্টি নকৰিবা, যিসকলে এই কাম কৰিব, তেওঁলোকৰ পতন অনিবাৰ্য্য'।

সেই বছৰৰে নৱেম্বৰ আৰু ডিছেম্বৰ মাহত যেতিয়া পাৰ্টিৰ কেন্দ্ৰীয় বিভাগ সমূহ জাতীয় গণ-পৰিষদৰ চতুৰ্থ কংগ্ৰেছৰ প্ৰস্তুতিৰ বাবে ব্যস্ত আছিল, তেতিয়া চেয়াৰম্যান মাও-এ কৈছিল: চিযাং চিঙৰ মাজত উগ্ৰ ক্ষমতাৰ লিপ্সা আছে। তেওঁ ওৱাং হুং ওৱেনক জাতীয় গণ-পৰিষদৰ ষ্টেণ্ডিং কমিটিৰ চেয়াৰম্যান হিচাপে নিযুক্ত কৰিবলৈ আৰু নিজে পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ চেয়াৰম্যান হ'বলৈ বিচাৰে। ১৯৭৫ চনৰ মে' মাহৰ ৩ তাৰিখে পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ পলিটব্যুৰ'ৰ সভাত চেয়াৰম্যান মাও-এ 'তিনিটা কৰণীয় আৰু তিনিটা অ-কৰণীয়' সম্পৰ্কে গুৰুত্ব প্ৰদান কৰে আৰু এওঁলোকক সাবধান কৰি কয় যে:

শোধনবাদ নহয়, মাৰ্কছবাদ-লেনিনবাদ অনুসৰণ কৰা, ঐক্যবদ্ধ হোৱা—বিভেদ সৃষ্টি নকৰিবা। গোপনতাৰ আশ্ৰয় নলৈ খুলিমেলি কোৱা, ঘুকটি নাথাকিবা আৰু ষড়যন্ত্ৰ নাপাতিবা। চাৰিজনীয়া চক্ৰৰ দৰে কাম নকৰিবা।"

এই সম্পাদকীয়কত কোৱা হ'ল যে, 'চাৰিজনীয়া চক্ৰ'ই মুখেৰে তেওঁলোকৰ অপৰাধ স্বীকাৰ কৰি, মাও-ৰ অনুজ্ঞা আৰু উপদেশৰ প্ৰতি ওপৰি ওপৰি বিশ্বস্ততাৰ ভাও জুৰি ভিতৰি ভিতৰি সৰ্বনশীয়া চক্ৰান্তৰ বাটেৰেই চলিবলৈ ধৰিলে আৰু মাও-ৰ অসুস্থতাৰ সময়ত আৰু মৃত্যুৰ অব্যবহিত পাছতেই থিতাতে ক্ষমতা দখলৰ বাবে সিহঁত বেপৰোৱা হৈ উঠিছে। এনেকৈয়েই পাৰ্টিৰ ভিতৰত দুই শ্ৰেণী, দুই পথ আৰু দুই লাইনৰ ভিতৰুৱা দ্বন্দ্বই আকৌ এক চৰম সংকটমুহূৰ্ত পালেহি। সেই সম্পাদকীয়ত কোৱা হ'ল যে, সেই জীৱন-মৰণ সংকটত হুৱা কুও ফেঙৰ সুযোগ্য নেতৃত্বত শ্ৰমিক শ্ৰেণীয়ে বুৰ্জোৱা আক্ৰমণৰ প্ৰত্যাঘাতৰ ফলত এক চূড়ান্ত বিজয় লাভ কৰিলে।' এই বিজয়ক 'অসাধাৰণ ঐতিহাসিক তাৎপৰ্য্যপূৰ্ণ এক মহানন্দময় বিজয়' বুলি ওপৰোক্ত সম্পাদকীয়ত মন্তব্য কৰা হৈছিল।

ঐতিহাসিক গুৰুত্বপূৰ্ণ উ তে-ৰ ভাষণ আৰু ওপৰোক্ত সম্পাদকীয় প্ৰকাশিত হোৱাৰ ঠিক এমাহৰ পাছত—অৰ্থাৎ ২৪ নভেম্বৰ তাৰিখে চেয়াৰম্যানৰ স্মৃতি-ভৱনৰ ভিত্তিপ্ৰস্তৰ স্থাপন অনুষ্ঠানত ভাষণদান উপলক্ষে চেয়াৰম্যান হুৱা কুও ফেঙে প্ৰথমবাৰৰ বাবে জনসমক্ষে 'চাৰিজনীয়া চক্ৰান্ত' সম্বন্ধে সংক্ষিপ্ত মন্তব্য দিলে। তেওঁ ক'লে—'চাৰিজনীয়া চক্ৰৰ দ্বাৰা পাৰ্টি আৰু ৰাষ্ট্ৰ-ক্ষমতা দখলৰ চক্ৰান্তক চূৰ্ণ কৰি আমাৰ পাৰ্টিয়ে এক মহান ঐতিহাসিক বিজয় অৰ্জন কৰিলে । এতিয়া আমাৰ দেশৰ পৰিস্থিতি অতি সুন্দৰ।'

ইয়াৰ পাছৰ অধ্যায় হ'ল—চাৰিজনীয়া চক্ৰক কেন্দ্ৰ কৰি সমগ্ৰ দেশত জনসাধাৰণৰ মাজত মাৰ্কছীয় তত্ত্বগত বিতৰ্কৰ যি বা-মাৰণী বলিছিল—সেই কথাৰ সাম্যক বুজ লোৱা এই দেশৰ সাধাৰণ শিক্ষিত মানুহ বাদেই—বহুতো পণ্ডিত লোকৰ পক্ষেও দুৰূহ। ঘাই বিপদ (main danger) কি, ঘাই যোগসূত্ৰ (Key link) কি ইত্যাদি বিষয় লৈ কোটি কোটি মানুহৰ মাজত তৰ্কৰ উজান। মাজতে গণ-প্ৰচাৰৰ মাধ্যমসমূহ আছিল তত্ত্ববিদ হিচাপে খ্যাত ইয়াও ওৱেন ইউৱান, চাং চুন চিয়াও আৰু তেওঁলোকৰ লগৰীয়া চিয়াং চিং আৰু ওৱাং হুং

জেনেৰ হাতত। সেই কাল ছোৱাত হেনো মাও-তত্ত্বৰ সৈতে নানান ধৰণৰ মিশ্ৰণ ঘটোৱাৰ চেষ্টা চলিছিল।

১৯৭৫ চনৰ ১ মাৰ্চ তাৰিখে ৰাজনৈতিক বিভাগৰ ডিৰেক্তৰৰ নিচিনা অতি গুৰুত্বপূৰ্ণ পদাধিকাৰী চাং চুন চিয়াও-এ সেনাবাহিনীৰ এক সভাত অভিজ্ঞতাবাদৰ (empiricism) বিৰুদ্ধতাৰ বিষয়ে এটি সুদীৰ্ঘ ভাষণ দিয়ে। সেই ভাষণত তেওঁ তেওঁৰ লগৰীয়া ইয়াও ওৱেন ইউৱান-লিখিত 'লিন্ পিয়াও পাৰ্টি-বিৰোধী চক্ৰৰ সামাজিক ভিত্তি প্ৰসংগত' প্ৰবন্ধটোৰ ভেটিত 'অভিজ্ঞতাবাদেই এতিয়া ঘাই বিপদ' এই তত্ত্ব দাঙি ধৰিলে আৰু অভিজ্ঞতাবাদৰ বিৰুদ্ধে সংগ্ৰামক 'ঘাই যোগসূত্ৰ' বুলি ঘোষণা কৰিলে।

সেই বছৰৰে ২৩ এপ্ৰিল তাৰিখে 'চাৰিজনীয়া চক্ৰ'ৰ তত্ত্বৰ সমালোচনা কৰোঁতে মাও-এ এখন প্ৰতিবেদনৰ কাষত সংক্ষিপ্ত টোকা দিছিল:

> 'অভিজ্ঞতাবাদ (Empiricism) নহয়, শোধনবাদেই হ'ল ঘাই বিপদ। অভিজ্ঞতাবাদ আৰু মতান্ধতাবাদ (Dogmatism) দুয়োটাই শোধনবাদৰ অন্তৰ্গত। দুয়োটায়েই মাৰ্কছবাদ-লেনিনবাদক শোধন কৰিবলৈ বিচাৰে। ইটোক বাদ দি সিটোৰ উল্লেখ নকৰিবা।'

এই চাৰিজনীয়া চক্ৰই মাও-ৰ 'বিপ্লৱক আঁকোৱালি লৈ উৎপাদন বঢ়োৱা' (Grasp revolution and promote production)—এই নীতিৰ অপব্যাখ্যা কৰি উৎপাদনৰ ক্ষেত্ৰত নিৰুৎসাহতাৰ সৃষ্টি কৰি উৎপাদন-ব্যৱস্থাৰ আধুনিকীকৰণক ব্যাহত কৰি সমাজতন্ত্ৰক নিৰ্মাণৰ আৰু প্ৰতিৰক্ষা-ব্যৱস্থাৰ প্ৰভূত ক্ষতি সাধিছিল বুলি অসংখ্য সভা-সমিতি, প্ৰাচীৰ-পত্ৰ ইত্যাদিৰ যোগেদি চীনৰ শ্ৰমিক শ্ৰেণীৰপৰা কঠোৰ সমালোচনা কৰা হৈছে।

এই সুচতুৰ চতুৰ্মুখৰ বিৰুদ্ধে মাও চে তুঙৰ 'চেন্ জে কুৱাশুৱা'ই অৰ্থাৎ Politics in Command নীতিৰ অপপ্ৰয়োগ কৰি নিয়মানুবৰ্তিতা আৰু শ্ৰম-শৃংখলাক অৱহেলা কৰি, শিল্পৰ আধুনিকীকৰণত বাধাৰ সৃষ্টি কৰি উৎপাদনত বিশৃংখলা সৃষ্টি কৰি পুনৰ ধনতন্ত্ৰৰ বাট কাটিবলৈ চেষ্টা চলোৱা বুলি অভিযোগ কৰা হয়। তেওঁলোকৰ শ্ল'গান আছিল 'শোধনবাদৰ ৰেলগাড়ী সঠিক সময়ত যোৱাতকৈ সমাজতন্ত্ৰৰ ৰেলগাড়ী পলমকৈ যোৱাও ভাল।' লিউ শাও চি ৰ কথা হ'ল 'মেকুৰী বগা নে ক'লা সেই কথা অৰ্থহীন—মেকুৰীয়ে এন্দুৰ মাৰিব পাৰিলেই হ'ল।' এই চাৰিজনীয়া চক্ৰৰ বক্তব্য আছিল যে এন্দুৰ মাৰিব পাৰক-

নোৱাৰক মেকুৰীটো ৰঙাহে হ'ব লাগে। মাও-ৰ নীতি হ'ল: মেকুৰী ৰঙাও হ'ব, আকৌ এন্দুৰ মাৰিবলৈকো আটাইতকৈ দক্ষ হ'ব লাগিব। 'ইও হোং, ইও চুৱান'—'Both Red and Expert' ৰঙাও, বিশেষজ্ঞো।

যি কি নহওক, এই কূটতত্ত্বৰ তৰ্কৰ আঁৰত চলি আছে দুই লাইনৰ সংগ্ৰাম। শিল্প-বাণিজ্য, শিক্ষা, বৈজ্ঞানিক গৱেষণা, কলা-কৃষ্টি আদিৰ ক্ষেত্ৰত চাৰিজনীয়া চক্ৰৰ নীতিৰ কি প্ৰতিফলন ঘটিছিল—হুৱা কুও ফেঙৰ নেতৃত্বত চীনৰ প্ৰচাৰ মাধ্যমসমূহত এতিয়া প্ৰতিদিনেই অবিচ্ছিন্নভাবে তাৰ বহুল বিবৰণ ওলাইছে। যেনে—বৈদেশিক বাণিজ্য-বিভাগৰ কৰ্মীবৃন্দই মাও-ৰ স্বনিৰ্ভৰতাৰ নীতিৰ বিকৃতি ঘটাই 'ৰুদ্ধ দ্বাৰ' নীতিক সাৰোগত কৰি চাৰিজনীয়া চক্ৰই বিদেশৰ উন্নত অভিজ্ঞতাকো বৰ্জন কৰিছিল বুলি অভিযোগ দাঙি ধৰিছে।

সকলো কথা ফটফটীয়াকৈ উপলব্ধি কৰিবলৈ হ'লে—আৰু কিছু দিনলৈ চীনৰ ঘটনাৱলীৰ গভীৰ অনুধানৰ আৱশ্যক। চীনৰপৰা প্ৰকাশিত পত্ৰ-পত্ৰিকা এতিয়ালৈকো নিয়মিতভাবে ভাৰতলৈ অহা নাই। এয়ে হ'ল এক প্ৰধান অন্তৰায়। মোৰ এই কিতাপখনত শিল্প-সাহিত্যৰ ক্ষেত্ৰত দুই লাইনৰ দ্বন্দ্বক এক বিশেষ প্ৰাধান্য দিয়া হৈছে। শিল্প-সাহিত্য আৰু প্ৰচাৰৰ অন্যান্য মাধ্যমসমূহ 'চাৰিজনীয়া চক্ৰ'ই সম্পূৰ্ণকৈ নিজৰ মুঠিত নিছিল বুলি অভিযোগ দাঙি ধৰা হৈছে। মোৰ এই কিতাপত সাংস্কৃতিক বিপ্লৱৰ প্ৰাৰম্ভণিত বিশেষকৈ পিকিং অপেৰাত দুই লাইনৰ সংগ্ৰামত চিয়াং চিঙৰ ভূমিকা সম্পৰ্কে বিশেষ অধ্যায় এটি সংযোজিত হৈছে। এই বিষয়ে পঢ়ুৱৈ ৰাইজৰ মনত নিশ্চয়েই বহুতো প্ৰশ্ন মূৰ দাঙিব।

মই মোৰ কিতাপত আৰু অন্যান্য আলোচনাত চীনৰ দুই লাইনৰ সংঘাতৰ জাননী দূৰাগত ঘণ্টাধ্বনিৰ দৰে শিল্প সাহিত্যৰ বিতৰ্কতহে প্ৰথমে কাণত পৰে বুলি মন্তব্য দিছোঁ। ৰাজনৈতিক বিতৰ্ক আৰম্ভ হোৱাৰ বহু আগতেই টিলিঙাৰ এই টিঙটিঙনি শুনা যায়—কিন্তু চীনা সংগীতত সম্পূৰ্ণ অনভ্যস্ত বিদেশী পৰ্য্যবেক্ষক-সকলৰ কাণত সেই সুৰীয়া সুৰ ধৰা নপৰে।

১৯৭৫ চনৰ ফেব্ৰুৱাৰিত এখন ৰঙীন চীনা বোলছবি মুক্তিলাভ কৰিছিল। তা-চিন্ তেল-উৎপাদন কেন্দ্ৰত শ্ৰমিকসকলৰ শিল্পত অগ্ৰগামী ভূমিকাক কেন্দ্ৰ কৰি 'অগ্ৰণী দল' (Pioneers)। চীনৰ শ্ৰমজীৱি জনতাই বোলছবিখনক প্ৰচণ্ড ভাবে আদৰিলে। কিন্তু বোলছবিখনৰ দহটা ক্ৰটিৰ উল্লেখ কৰি চিয়াং চিঙৰ

নেতৃত্বত সংস্কৃতি-দপ্তৰে ছবিখনৰ তীব্ৰ বিৰূপ সমালোচনা কৰিলে। সেই বিতৰ্কত অৱশেষত চেয়াৰম্যান মাওৱে হস্তক্ষেপ কৰিবলগীয়া হৈছিল। বোল-ছবিখন চোৱাৰ পাছত তেওঁ এইখনক অকুণ্ঠভাবে শলাগিলে। এই ছবিখনৰ বিৰুদ্ধে চিয়াং চিঙৰ দহোটা অভিযোগ সম্পৰ্কে বিৰক্তি প্ৰকাশ কৰি তেওঁ ১৯৭৫ চনৰ ২৫ জুলাই তাৰিখে মন্তব্য প্ৰকাশ কৰিলে : 'ইমান খিংখিঙাই নাথাকিবা। এই ছবিখনৰ বিৰুদ্ধে দহটা অভিযোগ দাঙি ধৰাৰ অৰ্থ হ'ল সীমা চেৰাই যোৱা'।

পিকিঙৰ সংগীত বিশ্ববিদ্যালয়ৰ অধ্যাপক লি ছুন্ কুৱাঙে মাও-ৰ এই মন্তব্যৰ গইনা লৈ সংস্কৃতি-দপ্তৰৰ বিৰুদ্ধে প্ৰথম ডাঙৰ আখৰৰ প্ৰাচীৰ-পত্ৰ লিখিলে। কিন্তু সেই অপৰাধত বিভিন্ন অজুহাতত সংস্কৃতি-দপ্তৰে অধ্যাপক লি ছুন্ কুৱাঙক অপদস্থ কৰিবলৈ ধৰিলে। সোধ-পোছ কৰাৰ চলত তেওঁক আৰু তেওঁৰ সমৰ্থনকাৰীসকলক বিভিন্নভাবে অপদস্থ কৰি থাকিল। ভীতি প্ৰদৰ্শনো বাদ নপৰিল। এই বোলছবিখন প্ৰচাৰৰ বাবে প্ৰধানমন্ত্ৰী চৌ এন্ লাই-ৰ সুস্পষ্ট নিৰ্দেশ থকা সত্বেও সংস্কৃতি-দপ্তৰে চিয়াং চিঙৰ নেতৃত্বত সেই নিৰ্দেশ অমান্য কৰিছিল।

ঠিক তেনেকৈয়ে, ১৯৬৪ চনত নিৰ্মিত আৰু মাও-ৰ প্ৰশংসাধন্য ঐতিহাসিক বোলছবি 'পূবদিশ ৰঙা' বোলছবিখনৰ প্ৰচাৰ বন্ধ কৰি দিয়া হৈছিল। ঠিক এই একেই কাণ্ড ঘটিল মাও চে তুং আৰু চৌ এন্ লাই-প্ৰশংসিত 'হুংখু সৰোবৰৰ লাল ৰক্ষী বাহিনী' বোলছবিখনৰ ক্ষেত্ৰতো। কেৱল বোলছবিয়েই নহয়—সংগীত আৰু সাহিত্যৰ ক্ষেত্ৰতো অতিবিপ্লৱী সংস্কৃতি-দপ্তৰে এই উৎপাৎ চলাবলৈ ধৰিলে। আটাইতকৈ উল্লেখযোগ্য বিষয় হ'ল যে, চৌ এন্ লাইৰ মৃত্যুৰ পাছত যি পূৰ্ণ দৈৰ্ঘ্য ডকুমেণ্টাৰী বা তথ্যচিত্ৰখন নিৰ্মিত হৈছিল—যিখন বোলছবি আছিল চৌ ৰ প্ৰতি চীনৰ শোকবিহ্বল অগণিত জনতাৰ অপৰিসীম মৰমৰ এক প্ৰাণৱন্ত দলিল—বিভিন্ন ত্ৰুটি দেখুৱাই সেই তথ্যচিত্ৰখন মুকলি কৰিবলৈ নিদিয়াটো। সম্প্ৰতে কোটনীছ প্ৰতিনিধিদলৰ ১০ জন সদস্যই এই বোলছবিখন চাই আহিছে। চাই এওঁলোক অভিভূত হৈছিল—এই ছবিখন প্ৰদৰ্শন কৰিবলৈ নিদিয়াত বিস্মিত হৈছিল।

যোৱা ডিচেম্বৰ মাহত পিকিঙত সাহিত্য আৰু শিল্প-জগতৰ দহ হাজাৰ কৰ্মীৰ এক বিৰাট জনসভাত শিল্প-সাহিত্য ক্ষেত্ৰত 'চাৰিজনীয়া চক্ৰ' অনুসৃত নীতিৰ বিপদ সম্পৰ্কে এইবোৰ দৃষ্টান্ত দাঙি ধৰি শিল্প-সাহিত্য ক্ষেত্ৰত মাও-ৰ

বিপ্লবীনীতিক এওঁলোকে অতিবিপ্লবী তত্ত্বৰ আঁৰত উলংঘা কৰি চলিছিল বুলি অভিযোগ কৰা হৈছিল।

মুক্তিফৌজৰ জেনাৰেল ষ্টাফৰ থিঅ'ৰিটিক্যাল গ্ৰুপ বা তত্ত্বগত পাঠচক্ৰই পীপ'লছ ডেইলীত প্ৰকাশিত এটি দীঘল প্ৰবন্ধৰ যোগে সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত লিউ শ্বাও চি-বিৰোধী অভিযানত লিন্‌পিয়াও আৰু চেন পো তা-চক্ৰই অভিযান নীতি অৱলম্বন কৰি সাংস্কৃতিক বিপ্লৱক আওবটীয়া কৰিবলৈ চেষ্টা-প্ৰচেষ্টা চলাইছিল আৰু এই চাৰিজনীয়া চক্ৰ যে সেই চক্ৰৰেই অন্তৰ্গত আছিল সেইবোৰ কথা তথ্য প্ৰমাণৰে সৈতে প্ৰমাণ কৰিছিল। লিন পিয়াও এ বাৰে বাৰে চিয়াং চিঙক লৈ সেনাবাহিনীৰ কাষ চাপিছিল আৰু এওঁক সাংস্কৃতিক বিপ্লৱৰ এগৰাকী 'উজ্জ্বল নায়িকা' ৰূপে বৰ্ণাইছিল। আৰু চিয়াং চিঙে লিন্ পিয়াওক মাও-ৰ উত্তৰাধিকাৰী বীৰ সমৰনায়ক হিচাপে দাঙি ধৰিছিল।

আৰ্টৰ ক্ষেত্ৰত মাও ৰ নীতিয়ে পিকিং অপেৰাত বিপ্লৱ ঘটাইছিল। চিয়াং চিঙে সৰহভাগ ক্ষেত্ৰত মাও-ৰ নিৰ্দেশসমূহ নিজৰ নামত প্ৰচাৰ কৰিছিল। ইয়াও ওৱেন ইউৱান বা চাং চুং ছিয়াওইংতে তেওঁলোকৰ প্ৰচাৰ মাধ্যমেৰে চিয়াং চিঙকেহে মডেল অপেৰা সৃষ্টিৰ বীৰাংগনা হিচাপে বাৰে বাৰে চিত্ৰিত কৰিছিল। কিন্তু আচলতে তেওঁ হিয়া উবুৰিয়াই ভাল পাইছিল সামন্তীয় ভাবধাৰাৰে লালিত প্ৰাচীন অপেৰাকহে।তা-চাই ব্ৰিগেডৰ পাৰ্টি-ছেক্ৰেটাৰী কুও কেং লিয়েনৰ দৰে দায়িত্বশীল মহিলা, যোৱা ডিছেম্বৰ মাহৰ ১৪ তাৰিখে পিকিঙত অনুষ্ঠিত কৃষিত তা-চাইৰপৰা শিক্ষালাভৰ দ্বিতীয় জাতীয় সন্মিলনত যি অভিযোগ দাঙি ধৰিছিল, তাত তেওঁ কৈছিল: তেওঁ তেওঁৰ লগত 'পীচ ফুলৰ পাংখা'ৰ (Peach Blossom Fan) দৰে অপেৰাৰ বোলছবি তাত প্ৰদৰ্শনৰ বন্দবস্ত কৰিছিল।

যি কি নহওক, মই যেতিয়া পিকিং অপেৰাৰ শিল্পীসকলৰ স'তে সাক্ষাৎ কৰিছিলোঁ—তেতিয়া তেওঁলোকৰ মুখত চিয়াং চিং সম্পৰ্কে যি শুনিছিলোঁ, মোৰ কিতাপত সেইবোৰ কথা লিপিবদ্ধ কৰিছোঁ। এই প্ৰসংগত মাও ৰ নামৰ সৈতে সদায় চিয়াং চিঙৰ নাম এনেদৰে সাঙোৰা হৈছিল যে—চিয়াং চিঙৰ জানিবা তাত এক অতি উল্লেখযোগ্য ভূমিকা আছিল। ময়ো সেই কথা এই কিতাপখনত লিখিছোঁ।

মাও-পৰৱৰ্তী চীনৰ দুৰ্বাৰ দুই লাইনৰ সংঘাতৰ ফলত আমাৰ কিছুমান

বদ্ধমূল ধাৰণা হয়তো মূলোৎপাটিত হ'ব, যেনেকৈ অতীততো হৈছিল। কিন্তু সেইবোৰ বিশ্লেষণ কৰিবপৰা প্ৰচুৰ তথ্য-পাতি এতিয়ালৈকে৷ আমাৰ হাতত আহি পৰাহি নাই। এটা কথা সৰ্বজনস্বীকৃত যে আজিৰ চীনত এটা 'মুক্তিৰ আনন্দ' সকলোতে পৰিলক্ষিত হৈছে। হুৱা কুও ফেঙৰ প্ৰতি চীনৰ জনতাৰ ঐতিহাসিক সমাবেশৰ কথা সকলো বিদেশী সংবাদৰ দ্বাৰায়েই স্বীকৃত। কিছুদিনৰ আগতে কোটনীছ প্ৰতিনিধি দলৰ যি ১০ গৰাকী ভাৰতীয় চীনলৈ গৈছিল—তেওঁলোকৰ মাজত বিভিন্ন মতাৱলম্বী আছিল, যদিও উভতি আহি তেওঁলোকৰ আটাই-কেউজনেই কৈছে যে, চীনৰ সকলোতেই তেওঁলোকে জনতাৰ মাজত এক স্বতঃস্ফূৰ্ত স্বস্তিৰ আনন্দ উপলব্ধি কৰি আহিছে।

মই আগতেই কৈছো—মাও-ৰ চিন্তাৰ শ্ৰেষ্ঠ ৰূপকাৰ চৌ এন্ লাই আছিল মাও চে তুঙৰ পাছত চীনৰ আটাইতকৈ প্ৰিয় নেতা। প্ৰধানমন্ত্ৰী চৌ-ৰ স্মৃতিক মচি পেলাবলৈ চাৰিজনীয়া চক্ৰৰ চক্ৰান্ত সম্পৰ্কে যিবোৰ তথ্য এতিয়া উদঘাটিত হৈছে সি অতি মাৰাত্মক। গ'ল বছৰ ১৯৭৬ চনৰ ৪।৫ এপ্ৰিলত চীনৰ মৃতক-সকলৰ সোঁৱৰণৰ উদ্দেশ্যে অনুষ্ঠিত ছিং মিং উৎসৱৰ সময়ত থিয়েন আন মেনত চৌ এক লাইৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা নিবেদনাৰ্থে সমাবেশত যি প্ৰচণ্ড হাই-কাজিয়া আৰু দৰিৰা-দবৰি লাগি পৰিছিল তাৰ বাবে তেং শ্বিয়াও পিঙক দায়ী কৰা হৈছিল। আচলতে এই চাৰিজনীয়া চক্ৰইহে এই কামটো কৰিছিল। পলিটব্যুৰ'ৰ মাজত থকা শক্তিশালী উপদলটিয়ে প্ৰচাৰ মাধ্যমৰ অধিকাৰী হৈ চৌ-ৰ স্মৃতিক মচি পেলাবলৈ যো-জা কৰিছিল। এই প্ৰসংগক্ৰমে স্মৰণীয় যে ৰেডগাৰ্ডসকলৰ মাজত লিন্ পিয়াও পন্থী কুখ্যাত '১৬ মে' গোষ্ঠী'য়ে সাংস্কৃতিক বিপ্লৱৰ কালত চৌ এন্ লাইক তিনিদিনলৈ ঘেৰাও কৰি ৰাখিছিল আৰু তাৰ ফলস্বৰূপে বৃদ্ধ বয়সত চৌ অসুস্থ হৈ পৰিছিল। এই চাৰিজনীয়া চক্ৰ তাৰে উত্তৰসাধক হিচাপে আজি চীনত প্ৰমাণিত আৰু ধিকৃত হৈছে।

সৌ সিদিনা চৌ এন্ লাই-ৰ প্ৰথম মৃত্যু-বাৰ্ষিকী যেনে ব্যাপকভাবে পালন কৰা হৈছিল আৰু তেওঁৰ ভাবমূৰ্তিক যিদৰে মাও-ৰ সৈতেই দাঙি ধৰা হৈছিল তাক পূৰ্ণগ্ৰাস গ্ৰহণৰ পাছত ৰাহুমুক্ত জোনৰ পুনৰাবিৰ্ভাৱৰ লগতহে ৰিজাব পাৰি।

চীনৰ অতি জনপ্ৰিয় গীতত মাও চেতুঙক উত্তাল মহাসাগৰত নিৰ্ভৰযোগ্য নিভূ'ল নাবিক হিচাপে বৰ্ণোৱা হৈছে। সেই নাবিকজনৰ মৃত্যুৰ পাছত চীনৰ সমাজতন্ত্ৰৰ জাহাজ এতিয়া উত্তাল সাগৰত, সম্মুখৰ ফালে বন্দৰলৈ আগ বাঢ়িব

—নে কছিয়াব দবে পিছ হুঁহকি ধনতান্ত্রিক বন্দবত নঙব পেলাব—এই কথা লৈ আমাব দেশব কোনো কোনোৱে আশংকা প্ৰকাশ কৰিছ। কিন্তু মই তেনে আশংকাৰ কোনো কাৰণ নেদেখোঁ। চীনব পাৰ্টিৰ ওচৰত বাৰে বাৰে মাথোন শত্রু শ্ৰেণীয়েই নহয়, বিদেশী সাম্রাজ্যবাদৰ বিপদে যেনেকৈ মুৰ দাঙিছে, তেনেকৈয়ে পাৰ্টিৰ অভ্যন্তৰতো পাৰ্টি-নেতৃত্বৰ মাজৰ গৰীয়াখোদাই ধনতন্ত্ৰৰ বাটকৰা (Capitalist roader) বা শোধনবাদী বা হঠকাৰী মতান্ধ একাংশৰপৰাও বিপদে মুখ মেলিছে। প্ৰচুৰ ক্ষয়-ক্ষতিৰ মাজত মহান নেতা মাও চেতুঙে চীন বিপ্লৱৰ পতাকা উড্ডীন ৰাখি মাৰ্কছবাদ-লেনিনবাদক সমৃদ্ধ আৰু সম্প্ৰসাৰিত কৰি গৈছিল।

সমাজতন্ত্র গঢ়াৰ দ্বান্দ্বিক পদ্ধতি হ'ল মাও-ৰ অবিনশ্বৰ অৱদান। মাও-ৰ শিক্ষা অনুসাৰেহে—একমাত্ৰ ঝঞ্ঝা-বিক্ষুব্ধ সাগৰৰ উত্তাল তৰংগ ভাঙি ভাঙি সমাজতন্ত্ৰৰ জাহাজ বন্দৰলৈ আগুৱাই যাব পাৰে—, শান্ত-স্নিগ্ধ, নিস্তৰংগ সাগৰে সেই জাহাজখনক ধনতান্ত্রিকতাৰ বন্দৰলৈ ঠেলি নিয়ে। চীনদেশত যিকোনো অশান্তি হ'লেই ভয়খোৱা লোকসকলৰ পক্ষে মাও-ৰ এষাৰ কথা মন কৰিব লাগিব—Disequilibrium is normal and absolute, whereas equilibrium temporary and relative। ভাৰ-সাম্যহীনতায়েই স্বাভাৱিক আৰু অনাপেক্ষিক। ভাৰসাম্য হ'ল সাময়িক আৰু আপেক্ষিক।

মাও-সৃষ্ট সৰ্বহাৰা সাংস্কৃতিক বিপ্লৱ—চীনৰ তথা বিশ্বৰ জনতাৰ হাতত এক অমোঘ পাশুপাত অস্ত্র। চিন্তা-জগতৰ এই বিপ্লৱ বিৰামবিহীন। চীনৰ ৮০ কোটি জনতাক এই অস্ত্ৰৰ সজাই-পৰাই থৈ মাও-এ মেলানি মাগিলে। মাও-ৰ বিপ্লৱী কক্ষপথৰপৰা চীনক বিচ্যুত কৰাৰ সকলো ধৰণৰ অপচেষ্টাক চীনৰ জনতাই ব্যৰ্থ কৰিবই। স্বয়ং মাও এ হুৱা কুও ফেঙক প্ৰথম ভাইছ চেয়াৰম্যান ৰূপে নিযুক্ত কৰি গৈছিল।

মাও-ৰ স্থলাভিষিক্ত হৈয়েই, হুৱা কুও ফেঙে এটুপি ৰক্তপাতো নঘটোৱাকৈয়েই পাৰ্টি আৰু ৰাষ্ট্ৰক এক সৰ্বনাশীয়া গৃহযুদ্ধৰ বিপদৰপৰা ৰক্ষা কৰি মাও-ৰ নিৰ্বাচনৰ যুক্তিযুক্ততা প্ৰমাণ কৰিছে। প্ৰলেতাৰীয় আধিপত্য হ'ল সকলোবিধৰ বুৰ্জোৱা অধিকাৰৰ বিৰুদ্ধে। কিন্তু সি আকৌ জনতাৰ পক্ষে ব্যাপক স্বাধীনতা আৰু আত্মপ্ৰকাশৰ স্ফুৰণ ঘটায়—মাৰ্কছবাদ-লেনিনবাদ এই তত্ত্বৰ পৰিপূৰ্ণ বিকাশ ঘটাইছিল মাও-এ। ১৯৫৭ চনত শুদ্ধি আন্দোলনৰ (rectification campaign) কালছোৱাত মাও-নিৰ্ধাৰিত বাটেৰে সমাজতন্ত্ৰী সমাজৰ অন্তৰ্দ্বন্দ্বৰ স্বৰূপ

নির্ধাৰণ আৰু তাৰ সমাধানৰ বাবে উচ্চতম পাৰ্টি আৰু চৰকাৰৰ নেতাসকলৰ, কাৰখানাৰ বা বিশ্ববিদ্যালয়ৰ বৰমূৰীয়াসকলৰ বিৰুদ্ধে তাহছি পাও বা ডাঙৰ আখৰৰ প্ৰাচীৰ পত্ৰৰ জৰীয়তে কঠোৰ সমালোচনাৰ এক বিস্ময়কৰ দৃশ্য সমগ্ৰ দেশত প্ৰত্যক্ষ কৰিলোঁ। তাৰ পাছত সেয়া অসংখ্য 'থাই হুৱে' বা ক্ষুদ্ৰ জমায়েত বা সমাবেশৰ ৰূপ লৈছিল। লিউ শাও চি-পন্থী পাৰ্টিৰ আৰু চৰকাৰী আমোলা-সকলে সেইবোৰ ক্ৰমাত কাটি লবলৈ ধৰিলে। তাৰ প্ৰতিৰোধাৰ্থে মাও-ৰ নেতৃত্বত মহান সৰ্বহাৰা সাংস্কৃতিক বিপ্লৱত লিউ শাও চি-ৰ বিৰুদ্ধে যিসকলে যুঁজিছিল তেওঁলোকৰ এজন ডাঙৰ নেতা লিন্ পিয়াও আৰু তেওঁৰ অনুগামীসকলে ক্ষমতা লাভ কৰি জনসাধাৰণৰ মত প্ৰকাশৰ এই নিৰংকুশ অধিকাৰ বিভিন্ন উপায়ে খৰ্ব কৰিবলৈ চেষ্টা চলাবলৈ ধৰিলে—আৰু পাৰ্টিত আৰু দেশত প্ৰলেতাৰীয় একাধিপত্যক খৰ্ব কৰি বুৰ্জোৱা একাধিপত্য প্ৰতিষ্ঠাৰ ষড়যন্ত্ৰ চলাই থাকিল। কিন্তু লিন্ পিয়াও শোচনীয়ভাবে ব্যৰ্থ হ'ল। '৭৪ চনত আকৌ চীনলৈ গৈ চালোঁ যে, লিন্ পিয়াও আৰু তেওঁৰ ভাবাদৰ্শৰ গুৰু কন্‌ফুছিয়াছৰ বিৰুদ্ধে সমগ্ৰ দেশত আন্দোলনৰ উজান উঠিছে। ভাবিছিলোঁ—সৰ্বহাৰাৰ সাংস্কৃতিক বিপ্লৱৰ শেষ অধ্যায় চাই আহিম—কিন্তু দেখিলোঁ আৰু শুনিলোঁ—পুতুয়ান্ গমিং—বা 'নিৰৱচ্ছিন্ন বিপ্লৱ'ৰ কথা।

'তোমালোকে সমাজতান্ত্ৰিক বিপ্লৱ কৰিছা অথচ ক'ত বুৰ্জোৱা আছে বিচাৰি ফুৰিছা। বুৰ্জোৱা কমিউনিষ্ট পাৰ্টিৰ মাজতে বহি আছে।' মাও-এ আঙুলিয়াই দিছিল। লিন্ পিয়াও মৰিল। কিন্তু লিন্ পিয়াওৰ ক্ষমতালিপ্সু '১৬ মে' উপদল জীয়াই আছে। সিহঁতে আন বাটেৰে লিন্ পিয়াওৰ আধৰুৱা কাম চলাইছিল। জনসাধাৰণৰ অবাধ মত প্ৰকাশ ৰুদ্ধ কৰি এক শ্বাসৰুদ্ধকৰ আবহাৱাৰ সৃষ্টি কৰিছিল। কিন্তু চীনৰ জনসাধাৰণে আকৌ সেই আমোলাতন্ত্ৰৰ বেহুক ছিন্ন-ভিন্ন কৰি প্ৰাণময় বিমুক্তিৰ পুৱালী বায়ুত পৰিপূৰ্ণ উশাহ লবলৈ আৰম্ভ কৰিছে। বাটে-পথে, কাৰখানাই-কমিউনে সকলোতে নিজৰ নাম-ঠিকনা লিখি ডাঙৰ আখৰৰ প্ৰাচীৰপত্ৰ আঁৰিবলৈ ধৰিছে। ২৫ ডিচেম্বৰ তাৰিখে পিকিঙত হুৱা কুও ফেঙৰ নেতৃত্বত তা-চাইৰপৰা শিক্ষা গ্ৰহণৰ দ্বিতীয় সন্মিলনৰ যি অধিবেশন অনুষ্ঠিত হৈছিল—তাত চীনৰ কৃষকসকলৰ অগ্ৰণী প্ৰতিনিধিবৃন্দই প্ৰতিজ্ঞা কৰিছে যে—১৯৮৫ চনৰ ভিতৰত সমগ্ৰ চীনত তা-চাইৰ দৰে কৃষি-কমিউন গঢ়ি তুলিব। যিসকলে ভূঁইকঁপত বিধ্বস্ত চীনৰ কথা শুনিছিল—তেওঁলোকেই

আকৌ বিদেশী সাহায্য নোলোৱাকৈয়েই /৪ মাহৰ ভিতৰত সকলো যন্ত্ৰ সচল কৰাৰ কথা শুনিছে। যিসকলে চীন গৃহযুদ্ধৰ দুৱাৰদলিত' বুলি শুনিছিল—তেওঁলোকেই আকৌ শুনিছে খবৰে কোবাই যোৱা সমগ্ৰ দেশত তা-চাই গঢ়াৰ সংকল্পৰ কথা। এই বৈপৰীত্যত দিশহাৰা হৈ আমাৰ দেশত যিসকলে সন্দেহগ্ৰস্ত হৈছে, তেওঁলোকে মাও-ৰ এই কথাষাৰৰ মৰ্মাৰ্থ উপলব্ধি কৰাত ব্যৰ্থ হৈছে—There is great disorder under the heaven—the situation is excellent দুনিয়াত বিশৃংখলা, পৰিস্থিতি চমৎকাৰ।

—১ মাৰ্চ, ১৯৭৭।

ৰবীন্দ্ৰনাথৰ ভৱিষ্যদ্বাণী
ষ'ভ সফল হ'ল

১৯৫৯ চন। ৮ মে'। ৰবীন্দ্ৰ জন্ম-দিৱস। চীনদেশৰ অন্যতম বাতৰি-কাকত 'ৰেন্‌মিন্‌ ৰিপাও' বা 'পীপ'লছ্‌ ডেইলী'ত ৰবীন্দ্ৰনাথৰ বিষয়ে মোৰ লেখা এটি প্ৰবন্ধ ওলাইছিল। এই ঘটনা আছিল মোৰ লেখক জীৱনৰ এক দুৰ্লভ সন্মান। প্ৰবন্ধটোৰ শিৰোনাম আছিল: 'ৰবীন্দ্ৰনাথ আৰু চীনদেশ'। চীনদেশৰ চিত্ৰশিল্পী স্যু পাঈ হোং, যিগৰাকী চিত্ৰশিল্পী 'জুপিও' নামেৰে বিশ্ব-বিদিত, সেই শিল্পী গৰাকীয়ে অঁকা শান্তিনিকেতনত আৰামীচৰাত বহি থকা অৱস্থাত ৰবীন্দ্ৰনাথৰ প্ৰতিকৃতি মোৰ প্ৰবন্ধটিৰ লগত ছপোৱা হৈছিল। সম্পাদকীয় চ'ৰাত পূৰা দুকলম জোৰা প্ৰবন্ধটি প্ৰকাশিত হৈছিল।

আৰু ঠিক তেতিয়াই চীন-ভাৰতৰ দুহাজাৰ বছৰ জোৰা সম্পৰ্কৰ দিগন্তত পোন প্ৰথম বাৰৰ বাবে ক'লা মেঘে ভুমুকিয়াইছিল। তিব্বতৰ ঘটনা-প্ৰবাহে তেতিয়া পোখা মেলিছেহে মাথোন। হয়তো এই পটভূমিকাই মোৰ প্ৰবন্ধটোক গুৰুত্ব প্ৰদান কৰিছিল।

প্ৰবন্ধটোৰ আৰম্ভণিতেই, ১৯১৬ চনত 'তোছামাৰু' জাহাজত উঠি জাপানলৈ যাওঁতে হংকং বন্দৰত শ্ৰমৰত চীনা ডক শ্ৰমিকসকলৰ মাজত ৰবীন্দ্ৰনাথে প্ৰত্যক্ষ কৰা চীনৰ ভৱিষ্যৎ ৰূপৰেখাৰ কথা উন্নুকিয়াইছিলোঁ। তেওঁ লিখিছিল:

'পোন প্ৰথমেই চকুত পৰিল বন্দৰত কাম কৰি থকা চীনা শ্ৰমিক সকললৈ। তেওঁলোকৰ পিন্ধনত নীলা পাযজামা, গা উদং। এনেহেন সুঠাম দেহ ক'তো দেখা নাই, দেখা নাই এনেহেন কৰ্মস্পৃহা। প্ৰাণশক্তিৰে ভৰপূৰ আটিল দেহ, ক'তো বাহুল্যৰ লেশমানো নাই।

কৰ্মৰ ছন্দে ছন্দে সমগ্ৰ দেহৰ মাংসপেশী তুলি তুলি উঠিছে। গধুৰ গধুৰ বোজাবিলাকক এওঁলোকে ইমান অনায়াসে আৰু ইমান দ্ৰুতভাৱে আয়ত্তাধীন কৰি লৈছে যে, সেই দৃশ্য চাই থাকিবৰ মন যায়। মুখৰপৰা ভৰিলৈকে ক'তো অনিচ্ছা, অৱসাদ, বা এলাহৰ কোনো চিন-ছাব নাই। এওঁলোকক কোনেও পৰিচালনা কৰাৰো প্ৰয়োজন নহয়। এওঁলোকৰ কৰ্মস্পৃহা দেহৰ বীণাযন্ত্ৰৰপৰা সংগীতৰদৰে উৎসাৰিত হৈ উঠিছে। কোনোবা জাহাজ-ঘাটত বস্তু-বেহানিৰ উঠোৱা-নমোৱা চাই যে ইমান আনন্দ লাভ হ'ব পাৰে, সেই কথা ইয়াৰ আগতে মোৰ কল্পনাযো ঢুকি পোৱা নাছিল। পূৰ্ণশক্তিৰ কাম বৰ সুন্দৰ, তাৰ প্ৰতিটো আঘাততে শৰীৰ মনোহৰ হৈ উঠে, আৰু সেই শৰীৰে কৰ্মকো মনোমোহা কৰি তোলে। ইয়াত, মোৰ দুচকুৰ আগত কাব্য আৰু মানুহৰ দেহ-ছন্দই বিস্তীৰ্ণ হৈ দেখা দিলে। মই এই কথা দৃঢ়ভাৱে ক'ব পাৰোঁ, এওঁলোকৰ দেহতকৈ কোনো নাৰীৰ দেহ-সৌষ্ঠৱো অধিক হ'ব নোৱাৰে, কিয়নো শক্তিৰ স'তে সুষমাৰ এনেহেন নিখুঁত সংগতি নাৰীদেহত নিশ্চয় বিচাৰি পোৱা নাযাব। আমাৰ জাহাজখনৰ ঠিক বিপৰীত ফালে ৰৈ থকা আন এখন জাহাজত আবেলি পৰতে কাম-বন কৰি আজৰি হোৱা চীনা নাবিকসকলে পোছাক পাতি সোলোকাই থৈ গা ধুই আছিল, মানুহৰ দেহৰ এই স্বৰ্গীয় শোভা ইয়াৰ আগতে কোনোদিনেই মই দেখা নাছিলোঁ।

'কৰ্মৰ শক্তি, কৰ্মৰ নৈপুণ্য আৰু কৰ্মৰ আনন্দক এইদৰে পুঞ্জীভূত ভাবে একেলগে দেখি মই মনতে বুজিলোঁ, এই বৃহৎ জাতিৰ মাজত কিমানখিনি ক্ষমতা সমগ্ৰ দেশ জুৰি সঞ্চিত হৈছে। ইয়াত মানুহে নিজক পূৰ্ণ পৰিমাণে প্ৰয়োগ কৰিবলৈ বহু কালৰেপৰাই সাজু হৈছে। যি সাধনাত মানুহে নিজক নিজে ষোল অনা ব্যৱহাৰ কৰাৰ শক্তি প্ৰাপ্ত হয়, তাৰ কৃপণতা নোহোৱা হয়, কোনো ক্ষেত্ৰতেই নিজক নিজে ফাঁকি নিদিয়ে, সেয়া হ'ল বিৰাট সাধনা। চীনদেশে সুদীৰ্ঘকাল ধৰি সেই সাধনাৰে পূৰ্ণভাৱে কাম কৰিবলৈ শিকিছে,

সেই কৰ্মৰ মাজতেই তাৰ নিজৰ শক্তিয়ে উদাৰ ভাবে নিজৰ মুক্তি আৰু আনন্দ লাভ কৰিছে—ই এক পৰিপূৰ্ণতাৰ চিত্ৰ। চীনৰ এই শক্তি থকা বাবেই আমেৰিকা চীনৰ ভয়ত ত্ৰস্তমান, কৰ্মৰ উন্মত্ত সি চীনক হকুৱাব নোৱাৰে, তাক গাৰ বলেৰেহে ভেটিবলৈ বিচাৰে।

'ইমান ডাঙৰ শক্তিয়ে যেতিয়া আমাৰ আধুনিক কালৰ বাহনক কৰায়ত্ত কৰিব, অৰ্থাৎ বিজ্ঞান যেতিয়া তাৰ আয়ত্তাধীন হ'ব, তেতিয়া পৃথিৱীৰ কোন শক্তিয়ে নো তাক বাধা দিব পাৰিব? তেতিয়া তাৰ কৰ্মৰ প্ৰতিভাৰ স'তে তাৰ উপকৰণৰ যোগ সাধন হ'ব। এতিয়া যি সকল জাতিয়ে পৃথিৱীৰ সম্পদ ভোগ কৰি আছে তেওঁলোকে চীনৰ সেই অভ্যুত্থানলৈ ভয় খাইছে, সেই দিনটোক বাধা দিব খুজিছে।'

মই মোৰ প্ৰবন্ধৰ এঠাইত ৰবীন্দ্ৰনাথৰ স্বপ্ন চীনদেশত দিঠকত পৰিণত হৈছে বুলি লিখিছিলোঁ। লগতে আন এষাৰ কথা লিখিছিলোঁ যে, ৰবীন্দ্ৰনাথে ছুটীৰ গীতেই গাইছিল। ধনতন্ত্ৰী সমাজৰ শ্ৰমৰ বন্ধনৰপৰা মুক্তি বিচাৰিছিল—ছুটীৰ মাজত। কিন্তু ইয়াত ই হ'ল এক বিস্ময়কৰ ব্যতিক্ৰম। ৰবীন্দ্ৰনাথে কায়িক শ্ৰমৰ এই জয়গান আন ক'তো কেতিয়াও কৰা নাছিল। সেই কায়িক শ্ৰমৰ সেই হাত দুখনে আনৰ দাসত্বৰ পৰা মুক্তি লাভ কৰি—নতুন চীনত হাৰকিউলিছৰ শক্তি লাভ কৰিছে। সেই কায়িক শ্ৰমে—লেনিনৰ মতেঃ সমাজতন্ত্ৰী সমাজে কমিউনিষ্ট সমাজ নোপোৱালৈকে 'শ্ৰমৰ জোখাৰে পাৰিশ্ৰমিক' —এই নীতিতে আবদ্ধ থাকে।

কিন্তু গণ্ডীৰ পৰাও শ্ৰমক মুক্তি দিব লাগিব। তেতিয়াহে সি হ'ব গৈ 'কমিউনিজম'। মাৰ্ক্সৰ ভাষাত—যেতিয়া শ্ৰম হৈ উঠিব 'জীৱনৰ মৌল কাম্য' (Life's prime want) নাইবা এংগেলছৰ ভাষাত —'শ্ৰম যেতিয়া আৰু বোজা নহৈ হৈ উঠিব আনন্দৰ উৎস'। এই বাবেই লেনিনে 'ছাবট্‌নিক' বা 'শ্ৰমদানৰ আন্দোলন' আৰম্ভ কৰিছিল। ষ্টালিনৰ আমোলত সি ষ্টাখান'ভাইট আন্দোলন বা Socialist Emulation আন্দোলনলৈকে বিকাশ লাভ কৰিছিল।

তথাপি, তাৰ পাছত পাৰিশ্ৰমিকৰ পৰিমাণৰ হিচাপে ছোভিয়েতত পৰিশ্ৰমক তাৰ মহত্বৰ বিকাশৰ বাটত যাবলৈ নিদিলে।

সেই বিকাশ বাস্তৱায়িত কৰি তুলিলে—চীনদেশত মাও চে তুং প্ৰৱৰ্তিত 'লাও তুং' আন্দোলনে। 'বিগ্ লীপ্ ফৰ'ৱাৰ্ড' বা 'দীঘল খোজেৰে আগ বঢ়া'ৰ নীতিয়ে-শ্ৰম সম্পৰ্কে এক নতুন attitude বা মনোভাব সৃষ্টি কৰিলে। সেই কাল ছোৱাত পাৰিশ্ৰমিক বিহীন শ্ৰমৰ সহায়ত অসংখ্য প্ৰকল্প গঢ়ি উঠিবলৈ ধৰিলে। সেই দিনবোৰত চীনৰ মানুহে বিনা পাৰিশ্ৰমিকত খাল, খাৱৈ, মথাউৰি, জলাধাৰ গঢ়ি তুলিবলৈ যি পৰিমাণৰ মাটি খান্দি উলিয়াইছিল তাৰে আন এখন গ্ৰেট ওৱাল বা চীনৰ প্ৰাচীৰ সহজেই গঢ়ি তুলিব পৰা গ'লহেঁতেন। শ্ৰম সম্পৰ্কে এই নতুন দৃষ্টিকোণৰ পৰাই নতুন জাতীয় চৰিত্ৰ গঠনৰ সূত্ৰপাত। সেই দিনবোৰত শ্ৰমৰ ছন্দেৰে কী সংগীতৰ সৃষ্টি হৈছিল নিজ চকুৰে তাৰ ৰেহৰূপ দেখিছোঁ, নিজ কাণেৰে সেই সুৰলা গীতৰ ৰণধ্বনি শুনিছোঁ। কিন্তু সিদিনা সি আছিল সূত্ৰপাত মাথোন। যি সকল মানুহে বৈষয়িক প্ৰেৰণাত শ্ৰম কৰাৰ পক্ষপাতী আছিল—নেতৃত্বৰ চৌহদত তেওঁলোক বুজন সংখ্যকেই আছিল। সেয়েহে, দ্ৰুত গতিত সমাজতন্ত্ৰী দেশ গঢ়াৰ আত্মিক প্ৰেৰণাৰ উৎস লাওতুং আন্দোলন তেতিয়া বেছি দূৰলৈ আগ বাঢ়িব পৰা নাছিল।

মাও চে তুঙৰ নেতৃত্বত অনুষ্ঠিত মহান সাংস্কৃতিক বিপ্লৱে বৈষয়িকতাৰে আবদ্ধ শ্ৰমৰ সেই বান্ধ ভাঙি দিলে। দুৰন্ত বেগেৰে উফাই আহিল আত্মিক প্ৰেৰণাত উদ্বুদ্ধ শ্ৰম। কোটি কোটি মানুহৰ এই আত্মিক প্ৰেৰণালব্ধ শ্ৰমে চীনৰ এক অবিশ্বাস্য ৰূপান্তৰ ঘটালে। এইবেলি চীনদেশলৈ গৈ চালোঁ এই অবিশ্বাস্য চীনক। জ্যোতির্বিদৰ নিৰ্ভুল ঘোষণা মতে এক অনাগত গ্ৰহৰ আবিৰ্ভাৱৰ দৰেই বোধ হ'ল ৰবীন্দ্ৰনাথৰ ভৱিষ্যদ্বাণীৰ এই চীনদেশ। জনগণৰ যি অপৰিসীম সৃজনীশক্তি—সাংস্কৃতিক বিপ্লৱে যেন নিউট্ৰনৰ দৰে সেই সৃজনী-শক্তিত আঘাত কৰি বিস্ফোৰণ ঘটালে। তাৰেই শৃংখলাবদ্ধ প্ৰতিক্ৰিয়া চাই

আছিলোঁ সামগ্ৰ চীন দেশত। যোৱাবাৰ চীনত থাকোঁতে জনসাধাৰণৰ মাজত এটা স্ল’গান শুনিছিলোঁ : ‘ক্ষুঃ চান্ ছ্বান্ নিযেন্, ছিন্ ফু ওৱান্ নিযেন্’ অৰ্থাৎ ‘তিনি বছৰৰ কঠোৰ শ্ৰম—দহ হাজাৰ বছৰৰ অৰ্থাৎ চিৰকালৰ সুখ-সমৃদ্ধিৰ বাবে’।

কিন্তু কথাষাৰৰ মাজত অলপ আসোঁৱাহ নথকা নাছিল। যেনিবা সুখ-সমৃদ্ধিৰ স’তে শ্ৰম যুক্ত নহয়। তেতিয়া ‘লাও ড়ং’ অৰ্থাৎ ‘স্বেচ্ছাই কাযিক শ্ৰম’-টো আছিল ‘শ্ৰম দান’ৰ দৰে। কিন্তু এইবেলি দৃষ্টিভংগী সম্পূৰ্ণ বেলেগ। শ্ৰমদান নহয়—শ্ৰমেই হ’ল সৃষ্টিশীল জীৱনৰ অভিব্যক্তি। তেওঁলোকে মাও-ৰ কথা কবিতাৰ দৰে গায়—‘চ্লি কান্ শ্বেন্, চিযেন্ ক্ষু ফান্ তৌ,’ অৰ্থাৎ ‘নিজৰ ভৰিত থিয় দিয়াঁ, কঠোৰ শ্ৰমত ব্ৰতী হোৱাঁ।’ কিন্তু বিদেশীসকলৰ অভিধানত এই শ্ৰমৰ সংজ্ঞা নাই। ৰবীন্দ্ৰনাথৰ ‘বসুন্ধৰা’ কবিতাত আছে—‘প্ৰবীণ প্ৰাচীন চীন নিশি-দিনমান, কৰ্ম-অনুৰত’। কিন্তু নতুন চীনৰ এই কৰ্ম অনুৰক্তিৰ চৰিত্ৰ আৰু লক্ষ্য সম্পূৰ্ণ সুকীয়া কথা। ই হ’ল নতুন মানুহ গঢ়ি তোলাৰ আঁচনি। আজিৰ চীনৰ শিক্ষা আৰু সংস্কৃতিক উৎপাদনশীল কাযিক শ্ৰমৰ সৈতে ঘনিষ্ঠভাবে যুক্ত কৰা হৈছে, তাৰ পৰা জাগি উঠিছে এক নতুন নীতিবোধ। চীনদেশলৈ ভৰি দিয়াৰ লগে লগেই এষাৰ কথা আপোনাৰ চকুত পৰিব—সকলোতে লেখা আছে—‘ওৱেই ৰেন্মিন্ ফু উ’—‘জনগণৰ সেৱাৰ্থে’। এযে হ’ল মূল ‘মটো’ বা মূলমন্ত্ৰ। আমাৰ দেশত ‘সেৱা’ শব্দটো যেন ধৰ্মীয় প্ৰতিষ্ঠানৰ লগত সাঙোৰ খোৱা। কোনো কোনো বিপ্লৱীয়ে হয়তো ইয়াৰ মাজত সংস্কাৰবাদৰ গোন্ধ পাব পাৰে। কিন্তু চীনত জনগণৰ সেৱাযেই হ’ল সকলো কৰ্মৰ উৎস। নগৰৰ শিক্ষিতশ্ৰেণী—জনগণৰ সেৱা কৰাৰ প্ৰেৰণাৰে—চিৰদিনৰ বাবে গাঁৱোসা হ’বলৈ গৈ আছে। এনে ধৰণৰ শিক্ষিত সেৱকৰ সংখ্যা এতিয়ালৈ ৮০ লাখৰো ওপৰত। সেৱামূলক শ্ৰমৰ প্ৰেৰণাত চীনৰ মানুহৰ মাজত এক অতি সৰল, অনাড়ম্বৰ জীৱনচৰ্য্যাই গা কৰি উঠিছে। এতিয়া তেওঁলোকৰ দাৰিদ্ৰ্য

আৰু নাই। যোৱাবাৰ দাৰিদ্ৰ্যৰ চিন-ছাব চকুত নপৰাকৈ নাছিল। কিন্তু সেই দাৰিদ্ৰ্য আছিল সমভাবে বণ্টিত দাৰিদ্ৰ্য। এইবেলি চাই আহিলোঁ স্বাচ্ছন্দ্যৰ পৰিপূৰ্ণতা, গাঁৱৰ যি কোনো কাউণ্টিৰ ডিপাৰ্টমেণ্টাল ষ্টʼৰ চালেই সেই কথাৰ আলেখ লেখ লʼব পাৰি। কিন্তু তেওঁলোকে স্বাচ্ছন্দ্যক কেতিয়াও বিলাসিতাৰ স্তৰলৈ লৈ যাবলৈ নিবিচাৰে। ইংৰাজীত যাক বোলা হয় affluence—ধন-প্ৰাচুৰ্য্য—সেই অৱস্থা তেওঁলোকৰ কাম্য নহয়। আমি সমাজতন্ত্ৰৰ বাণী প্ৰচাৰ কৰিবলৈ ওলাই কৈছিলোঁ—মালিক শ্ৰেণীৰ গাড়ী ঘৰ দুৱাৰ-খাৱন-দাৱনৰ উভৈনদী—আৰু শ্ৰমিকৰ বেলিকা একো নাই। যেনিবা সমাজতন্ত্ৰক কেনেবাকৈ যুচুলাই লৈ আহিব পাৰিলেই বহু—সেইবোৰ খাৱন দাৱন, চলন ফিৰণ শ্ৰমিকসকলে পাই যাব। সমাজতন্ত্ৰত সামাজিক সমৃদ্ধিৰ সৃষ্টি নোহোৱাকৈ নাথাকে। কিন্তু ব্যক্তিগত, পৰিয়ালগত গাড়ী-ঘোঁৰা, ঘৰ-দুৱাৰৰ হিচাপ দাঙি ধৰি যিসকলে সমাজতন্ত্ৰৰ অগ্ৰগতিৰ হিচাপ দিয়ে—তেওঁলোকে সমাজ-তন্ত্ৰৰ নতুন মানুহ গঢ়ি তোলাৰ পদ্ধতিটোকে পাহৰি যায়। আমাৰ দেশৰ অতীজৰ দিনৰ মনীষীসকলৰ কাম্য আছিল: মহৎ চিন্তা আৰু সৰল জীৱন—plain living and high thinknig। আজিৰ চীনত উক্ত কথাষাৰ বাস্তৱত ৰূপায়িত হোৱা চাই আহিলোঁ। ইযাৰ লগত আন এষাৰ কথাও যুক্ত কৰিব পাৰি—সৰল জীৱন, কঠোৰ সংগ্ৰাম আৰু মহৎ চিন্তা।

চীনদেশে Consumer's Society বা ভোগ-বিলাসী সমাজ গঢ়ি তুলিবলৈ নিবিচাৰে, তেওঁলোকক লাগে Ideological Society—আদৰ্শবাদী সমাজ।

লেনিনে কৈছিল: সমাজতন্ত্ৰতো আয়-উপাৰ্জনৰ প্ৰভেদ থাকিব। কিন্তু চীনদেশে এই প্ৰভেদ যি স্তৰলৈ তাকৰাই আনিবলৈ সমৰ্থ হৈছে, পচিমীয়া জগতখনে সেই কথা কল্পনাতো ঢুকি নাপায়।

উৰাজাহাজৰ পাইলট এজন আৰু এজন ট্ৰাক ড্ৰাইভাৰ এজনৰ

দৰমহাত গুটিদিয়েক ইউৱানৰহে পাৰ্থক্য। চীনদেশত সাধাৰণ বেতনৰ হাৰ ৫০ ইউৱানৰ পৰা ১৫০ ইউৱান। সৰ্বোচ্চ হ'ল ২০০ ইউৱান।

আত্মিক ৰূপান্তৰ নঘটোৱা হ'লে এই কাম কেতিয়াও সম্ভৱ হৈ নুঠিলহেঁতেন। চীনদেশত যিসকলে আটাইতকৈ বেছি অৰ্থ উপাৰ্জন কৰিছিল, যেনে—পিকিং অপেৰাৰ নামজলা প্ৰাচীন শিল্পী তু চিং ফঙে মোক ক'লে যে সাংস্কৃতিক বিপ্লৱৰ পাছত তেওঁ নিজেই দৰ্খাস্ত কৰি মাহেকত ১০০০ ইউৱানৰ পৰা ২০০ ইউৱানলৈ নিজৰ দৰমহা তাকৰাই আনিছে।

এই চাৰিত্ৰিক বিপ্লৱেই হ'ল আজিৰ চীনদেশৰ শক্তিৰ সঁচাৰ কাঠী।

[১৯৭৪ চনৰ ১৭ ডিচেম্বৰ তাৰিখে শান্তিনিকেতনৰ চীন-ভৱনত আয়োজিত লেখকৰ ভাষণৰ সংক্ষিপ্তসাৰ।]

সাধ কথা কেনেকৈ বাস্তৱ হৈ উঠিল

স্যু কুং য়্যু ছান্

অজলা বুঢ়াই পাহাৰ গুচালে

উত্তৰ চীনৰ এজন বুঢ়াক লৈ চীনত এটি সাধুকথা প্ৰচলিত আছে। এই সাধুকথাটিৰ নাম 'অজলা বুঢ়াই পাহাৰ গুচালে'।

অজলা বুঢ়াজনৰ নাম আছিল য়্যু কুং। তেওঁৰ দখিণ-দুৱৰীয়া ঘৰটোৰ সমুখতে থিয় হৈ আছিল বিৰাট দুটা পাহাৰ—তাইহাং আৰু ৱাং উ। এই দুটা পাহাৰে তেওঁৰ বাহিৰলৈ ওলোৱাৰ বাট ভেটি ধৰিছিল। সেয়েহে, এদিন বুঢ়াই বিকুচিনা লাগি দৃঢ় প্ৰতিজ্ঞ হৈ এই পাহাৰ দুটাৰ খান্দি উৰালি পেলাবৰ যো-জা কৰিলে। তেওঁৰ লগত আছিল তেওঁৰ দুজন পুত্ৰ আৰু দুখন কোৰ। ভবা মতে কাম আৰম্ভ হৈ গ'ল। পাহাৰৰ গাত কোৰৰ চাব পৰিল।

কাণ্ড দেখি এগৰাকী জ্ঞানৱন্ত বৃদ্ধ আগবাঢ়ি আহিল। এইজনা জ্ঞানৱন্ত বুঢ়াৰ নাম চী শৌ। তেওঁ ইতিকিঙৰ সুৰতে ক'লে, 'হেৰা মইনাহঁত, তোমালোকে কি কৰিছা হে? একেবাৰে অজলাৰ দৰে কাম কৰিছা দেখোন। ইমান ডাঙৰ পাহাৰ দুটাক তোমালোকে এইদৰে গুচাবা নো কেনেকৈ? এই কাম জীৱনতো শেষ নহ'ব নহয়?'

য়্যু কুঙে ক'লে, 'কি হ'ল তাত। মই মৰিলে মোৰ ল'ৰাহঁত থাকিব, সিহঁত মৰিলে সিহঁতৰ ল'ৰাহঁত থাকিব, এনেকৈয়েই অনন্ত-কাললৈকে চলিব মাটি খান্দি পাহাৰ গুচোৱাৰ কাম। কথা হ'ল— পাহাৰ দুটা ওখ হ'বৰ ওখ হৈছেই, কিন্তু কোৰৰ প্ৰতিটো চাব পৰাৰ লগে লগেই ইহঁত অকণমানকৈ হ'লেও দোঁ খাবই, দোঁ হৈ খাব, বাঢ়ি

নাযাব তো। তেনেহলে খান্দি চোৱাত আপত্তি কিহৰ?' অজলা বুঢাই বুধিযক বুঢাক শুধৰাই দিলে।

তাৰ পাছত দিনৰ পাছত দিন, শ্ৰান্তি-ক্লান্তিহীন, কোৰৰ চাবৰ শব্দেৰে ঠাইডোখৰ মুখৰ হৈ থাকিল। অৱশেষত এই নিৰন্তৰ চেষ্টাই ঈশ্বৰৰো অন্তৰ পৰশিলে। তেওঁ মুগ্ধ হৈ তেওঁৰ দুজন দেৱদূতক তললৈ পঠিযালে। দেৱদূত দুজনে পাহাৰ দুটাক বোকোচাত বান্ধি লৈ উৰি গুচি গ'ল।

'আজি চীনা জনগণৰ পিঠিৰ ওপৰতো দুটা প্ৰকাণ্ড পাহাৰ আছে। এটা সাম্ৰাজ্যবাদ, আনটো হ'ল সামন্ততন্ত্ৰ। এই দুটাক পুলিযে-পোখাই উঘালিবলৈ চানৰ কমিউনিষ্ট পাৰ্টিযে বহুদিনৰ আগতেই মনস্থিৰ কৰিছে। আমিও অৱশ্যেই অধ্যৱসাযী হ'ব লাগিব। বিৰামবিহীন ভাবে কাম কৰি যাব লাগিব। তেতিযা আমিও ঈশ্বৰৰ অন্তৰ স্পৰ্শ কৰিব পাৰিম। অৱশ্যে আমাৰ এই ঈশ্বৰ চানৰ জনগণ। তেওঁলোকে যদি আমাৰ লগত হাত উজান দিযে আৰু আমাৰ কান্ধত কান্ধ মিলাই কোৰৰ চাব্ মাৰে, তেন্তে আমি এই পাহাৰ দুটাকো বা উভালি পেলাব নোৱাৰিম কিয?'

আজিৰ চীনদেশৰ বিস্মযকৰ সৰ্বমুখী ৰূপান্তৰত—জনগণৰ মাজত যি প্ৰেৰণাই কাম কৰি আছে—সেই প্ৰেৰণাক তেওঁলোকৰ ভাষাত কোৱা হয 'য়্যু কুং য়্যু ছান্'। চীনদেশৰ এই প্ৰাচীন উপকথাটো মাও চে তুঙে ১৯৪৫ চনত চীনৰ পাৰ্টিৰ ৭ম কংগ্ৰেছৰ ৰিপ'ৰ্টত নতুন তাৎপৰ্য্যেৰে ব্যৱহাৰ কৰি ওপৰোক্ত কথাবোৰ কৈছিল।

উড়নীয়া ড্ৰেগন

দুটা প্ৰতীক। দুযোটাই কাল্পনিক প্ৰাণী। হযতো সুদূৰ অতীতত 'হান্' জাতিৰ কোনোৱা নৃগোষ্ঠীৰ 'টোটেম' আছিল। কিন্তু আজি সমগ্ৰ দেশৰ স্থাপত্যত, ভাস্কৰ্য্যত, কাব্যত, সাহিত্যত এই কল্পিত

প্ৰাণী দুটা জীৱন্ত হৈ উঠিছে। 'লুং' আৰু 'ফং'-ক (এই কল্পিত প্ৰাণী যুগল) ইংৰাজীত ড্ৰেগন (Dragon) আৰু ফিনিক্স (Phoenix) বোলে। কল্পিত ম'ৰা চৰাই ফিনিক্স হ'ল দীৰ্ঘায়ু আৰু সমৃদ্ধিৰ প্ৰতীক, ড্ৰেগন হ'ল শক্তি আৰু পৰাক্ৰমৰ প্ৰতীক।

পিকিঙৰ প্ৰাচীন ৰাজকাৰেঙলৈকে যাওক, যা বিশ্ব-বিদিত স্বৰ্গীয মন্দিৰ 'থিয়েন্ তান'লৈ যাওক, বা চীনৰ হৃদপিণ্ড 'থিয়েন্ আন্ মেন্ স্কোযেযাৰ'লৈকে যাওক মৰ্মৰ পাথৰৰ ওপৰত খোদিত সেই ড্ৰেগন আৰু ফিনিক্স দেখা পাবই পাব।

এই দুটাৰ মাজত লুং হ'ল প্ৰধান প্ৰতীক। পাহাৰ-পৰ্বত, নৈ-জান, সৰোবৰ, নগৰ-দ্বাৰ আদিৰ সকলোতে লুং-যুক্ত শব্দৰ সমদল। সকলো প্ৰাচীন, সকলো ধৰণৰ আচৰিত বস্তু, ভযংকৰ বস্তু— আনহাতে যি অপৰূপ সুন্দৰ সেই সকলো এই লুং শব্দৰ লগত সাঙোৰ খাই আছে।

চীনদেশৰ প্ৰাচীন সভ্যতাৰ কেন্দ্ৰ লোইযাং নগৰ—য'ত দুই হাজাৰ বছৰৰ আগতে পোন প্ৰথমে বৌদ্ধ সংস্কৃতিৰ বিকাশ লাভ ঘটিছিল, সেই নগৰৰ প্ৰধান তোৰণৰ নাম 'লুং মেন' অৰ্থাৎ 'ড্ৰেগন গেট'। ক্লাছিকেল পিকিং অপেৰাৰ সম্ৰাটৰ দেহাবৰণৰ দুযোকাষে সোণ-ৰূপৰ সূতাৰে বনকৰা ড্ৰেগন আছিল প্ৰধান আকৰ্ষণ।

যিযেই উৎকৃষ্ট সিযেই ড্ৰেগন। যেনে—আটাইতকৈ ভাল চাহ হ'ল লুংচিং চাহ। এই নামটোৰ উৎস হ'ল উদ্যান-নগৰী হেংচাও-ৰ 'ড্ৰেগন নাদ'। চাৰিওফালে ক'লা গ্ৰেনাইট শিল—তলত অদৃশ্য এক উৎসৰপৰা ফটিক পানীৰ প্ৰস্ৰৱণ। গ্ৰেনাইট শিলবোৰ ড্ৰেগনৰ মুখাকৃতিৰ। মিং সম্ৰাট ছিযেং লুং হেনো ইযালৈ আহিছিল আৰু এই নাদৰ নাম থৈছিল 'ড্ৰেগন নাদ'।

আনহাতে ড্ৰেগনৰ নেজ, ড্ৰেগনৰ দাঁত, ড্ৰেগনৰ দাড়ি আদি ভযংকৰতাৰ স'তে যুক্ত হৈ আছে। মুক্তিৰ আগৰ পিকিঙত আছিল এশ বছৰৰ পুৰণি এটা সাতামপুৰুষীযা পঁচা নলা। তাত দ'মে দ'মে

পূতিগন্ধময় আৱৰ্জনা দম খাই খাই এনেকুৱা এক নৰককুণ্ডৰ সৃষ্টি হৈছিল যে মানুহে ইয়াক 'ড্ৰেগন-দচীযা নলা' বুলি কৈছিল। মুক্তিৰ পাছতেই নতুন জনগণতান্ত্ৰিক চৰকাৰে এই নলাটোকো মুক্ত কৰি দিছিল। প্ৰখ্যাত নাট্যকাৰ আৰু ঔপন্যাসিক লাও শ্ব-ই ইযাৰ আলমত এখন নাটক লিখি উলিযাইছিল। নাটকখনৰ নাম 'ড্ৰেগন-দচীযা নলা'। তেওঁ এই নলাটোক মুক্তিৰ আগৰ চীনৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছিল। এই নলাৰ দুযোকাষে থকা অধিবাসী সকলেই আছিল তেওঁৰ নাটকৰ পাত্ৰ-পাত্ৰী। ড্ৰেগন-দচীযা নলা এওঁলোকৰে জীৱনৰ প্ৰতীক।

১৯৫৭ চনত থিযেন্ আন্ মেন্ স্কোযেযাৰত মে' দিৱসৰ পেৰেডত দেখিলোঁ আন এটা বিৰাট ড্ৰেগনক। সমুখত থকা 'সুদীৰ্ঘ শান্তিৰ পথ' 'ছাং আন চিযে'দি সেই ড্ৰেগনেও মাৰ্চ্চ কৰি গৈ থকা অগণিত জনগণৰ লগে লগে নাচি নাচি গৈ আছে। চাই—পোনতে উচপখাই উঠিছিলোঁ। পেভেলিযনৰ ওপৰৰ পৰা, সেই ড্ৰেগনৰ পেটৰ মাজতো যে ভালেকেইজন মানুহ বিশেষ ছন্দত নাচি-বাগি গৈ আছিল, সেই কথা সমূলি বুজি পোৱা নাছিলোঁ।

তাৰ পাছত ১৯৫৮ চনত জাৰকালি 'বিগ্ লীপ্ ফৰ'ৱাৰ্ড' বা সমাজতন্ত্ৰী সমাজ গঠনত 'দীঘল খোজেৰে আগ বঢ়া'ৰ কালছোৱাত সমগ্ৰ দেশৰ দেৱাল-চিত্ৰত কোৰ-কোদাল, হাতুৰী, লোৰ কাঠি আদি কান্ধত লৈ শ্ৰমবীৰ সকলে উড়ন্ত ড্ৰেগনৰ পিঠিত উঠি গৈ থকা দেখিলোঁ।

মুক্তিৰ পাছত প্ৰশ্ন উঠিল—ড্ৰেগন হ'ল সামন্ত-সম্ৰাটৰ প্ৰতীক। জনগণে তাক ব্যৱহাৰ কৰিব কিয ?

কিন্তু এই সিদ্ধান্ত গ্ৰহণ কৰি বিতৰ্কৰ সামৰণি পৰিল যে, এসময়ত সম্ৰাটসকলে গণশক্তিক তেওঁলোকৰ স্বাৰ্থত ব্যৱহাৰ কৰিছিল। আদিতে ড্ৰেগন আছিল গণশক্তিৰ প্ৰতীক। জনগণৰ লগে লগে সামন্তীয় প্ৰভাৱৰ পৰা ড্ৰেগনো আজি মুক্ত।

এই লৈ এটা গল্প প্ৰচলিত আছে। গল্পটো হ'ল :

প্ৰাচীন যুগৰ ৰজা ইয়ে কোঙে ড্ৰেগনক বৰ ভাল পাইছিল। তেওঁ তেওঁৰ অস্ত্ৰ-শস্ত্ৰ, হাতিয়াৰবোৰ, আনকি সমগ্ৰ প্ৰাসাদটোকেই ড্ৰেগনৰ চিত্ৰ আৰু ভাস্কৰ্য্য-মূৰ্তিৰে সজাইছিল। তেওঁৰ এই অনুৰাগৰ কথা শুনি আকাশৰ পৰা এদিন এটা আচল ড্ৰেগন নামি আহিল। ড্ৰেগনটোৱে খিৰিকীৰে ইয়ে কোঙৰ ঘৰৰ ভিতৰলৈ জুমি চালে আৰু নেগুৰডাল দুৱাৰেদি সুমুৱাই দিলে। সোঁশৰীৰে এটা জীৱন্ত ড্ৰেগন দেখি ইয়ে কোং বেবুৱা লাগিল আৰু ভয়ত কঁপিজপি চোঁচা ল'লে। দেখা গ'ল যে বাস্তৱত ইয়েকোঙে ড্ৰেগনক ভাল পোৱা নাছিল, তেওঁ ভাল পাইছিল ড্ৰেগনৰ চিত্ৰক হে মাথোন।

১৯২৭ চনত কৃষক বিদ্ৰোহৰ ফলত ভীত চেন্ তু চিউ প্ৰমুখ্যে কমিউনিষ্টইঁতক উদ্দেশি মাও-এ তেওঁৰ বিখ্যাত হুনান্ ৰিপ'ৰ্টত এই গল্পটো উনুকিয়াইছিল ঃ

'দিনে-নিশাই জনসাধাৰণকক জাগ্ৰত কৰা সম্পৰ্কে হৈ-হাই কৰা, আৰু জনসাধাৰণ যেতিয়া সঁচাযে জাগি উঠে তেতিয়া ভয়তে পেপুৱা লগাৰ লগত মহামান্য ইয়ে কোঙৰ ড্ৰেগন-প্ৰীতিৰ পাৰ্থক্য কোনখিনিত ?'

যোৱাবাৰ সত্যে-জাগ্ৰত ড্ৰেগনক চাই আহিছিলোঁ। এইবাৰ চালোঁ গৈ কী অসাম অবিশ্বাস্য তাৰ পাহাৰ গুচোৱাৰ শক্তি। বাঘ, সিংহ, বা হাতী—আটাইবিলাকৰে শক্তিৰ পৰিমাপ আছে—কিন্তু জনগণৰ প্ৰতীক এই ড্ৰেগনৰ শক্তি অপৰিমেয়। শুই থকা ড্ৰেগন আজি মহাকাশচাৰী। নাম তাৰ 'ফেই লুং'—'উড়নীয়া ড্ৰেগন'।



গণ-কমিউন

কমিউনিজমৰ বাটত দীৰ্ঘ পদক্ষেপ

গণ-কমিউনৰ উদ্ভৱৰ কালছোৱাত মই চীনত। এইবাৰ সাংস্কৃতিক বিপ্লৱৰ পাছত কেইটামান কমিউনলৈ গৈ মই প্ৰথম বাৰৰ বাবে উপলব্ধি কৰিলোঁ যে মাও চে তুঙে তেতিয়া কিয় গণ-কমিউনক কমিউনিজমৰ অংকুৰ বুলি আখ্যা দিছিল।

ভাৰতৰ যশস্বী ঐতিহাসিক আৰু গণিতজ্ঞ পণ্ডিত প্ৰয়াত অধ্যাপক ডি ডি কোশাম্বিয়ে ১৯৫৯ চনত চীনদেশৰ গণ-কমিউন পৰিদৰ্শনান্তে যি মন্তব্য কৰিছিল, তাৰ ভিতৰত কেইষাৰমান কথা উল্লেখযোগ্য। তেওঁ কৈছিল :

> 'Far more significant than the productive achivements are those in the administrative field The local administration was simply abolished and the personnel absorbed within the commune, not necessarily as administrators The commune takes over such of their functions directly with the higher state organs That is, certain small but nevertheless important parts of the state machinery have vanished altogether. To that extent the state mechanism has begun to wither away Control over people has been replaced by the people's control over things '

গণ-কমিউনৰ পুলিটিয়ে যদিও তেতিয়াইহে মাত্ৰ গজালি মেলিছিল, তথাপি অধ্যাপক কোশাম্বিৰ সূক্ষ্ম বৈজ্ঞানিক দৃষ্টিত গণ-কমিউনৰ সুদূৰপ্ৰসাৰী তাৎপৰ্য্য ধৰা নপৰাকৈ নাছিল।

ছোভিয়েতৰ যোথ কৃষি-সমবায় সমূহৰ দৰে চীনৰ গণ-কমিউন মাথোন এক বৃহৎ আকাৰৰ কৃষি-উৎপাদক ইউনিট নহয়। কৃষিৰ লগত যুক্ত হৈছে—শিল্প, বাণিজ্য, শিক্ষা, স্বাস্থ্য আৰু মিলিস্যা।

যদিও খাদ্য-শস্যযেই তাৰ 'মূল যোগসূত্র', তথাপি পশু-পালন, মীন (মাছ) পালন, বন-বিভাগ, জল-সিঞ্চন, আলি-পদুলি নির্মাণ, কৃষি-গৱেষণা আদিকৰি—তাৰ লক্ষ্য সর্বতোমুখী।

আটাইতকৈ ডাঙৰ কথা হ'ল এযে যে, কমিউনসমূহ হ'ল ৰাষ্ট্রীয় ক্ষমতাৰ যন্ত্র (organs of state power)। গণ-কমিউন ছোভিয়েতৰ যৌথ কৃষি-সমবায় সমূহৰ দৰে মাথোন কৃষি উৎপাদনৰ ইউনিট নহয়।

কমিউনত ৰাষ্ট্রীয় ক্ষমতা গণতান্ত্রিক কেন্দ্রিকতাৰ নীতিৰে তিনিটা স্তৰত -পৰিচালিত হয়, যেনে—উৎপাদন-টীম, উৎপাদন-ব্রিগেড, আৰু কমিউন। প্রতিটো স্তৰত নির্বাচিত প্রতিনিধি-পৰিষদ আছে। এই পৰিষদ সমূহৰ ফালৰপৰা নেতৃত্ব দিবলৈ যি কমিটি সমূহ নির্বাচিত হৈছিল, সাংস্কৃতিক বিপ্লৱৰ পাছত সেইবিলাকক 'বিপ্লৱী কমিটি' বুলি আখ্যা দিয়া হ'ল। এই নেতৃত্ব অর্থনৈতিক নেতৃত্ব নহয়, ই মূলতঃ ৰাজনৈতিক নেতৃত্ব।

'প্রতিজনৰপৰা তেওঁৰ সাধ্যানুযায়ী, প্রতিজনক তেওঁৰ কাম অনুযায়ী'—গণ-কমিউনত এই সমাজতান্ত্রিক নীতিৰে বণ্টন কৰা হয়। অর্থাৎ অধিক কাম কৰা সকলে পাবও অধিককৈ।

> কিন্তু এটা কথা বিশেষভাৱে লক্ষ্যণীয় যে, কমিউনে কমিউনৰ প্রতিজন সভ্যক, শিশু, যুৱক, বৃদ্ধৰ বয়স অনুসাৰে বিনামূলীয়াকৈ খাদ্যৰ যোগান ধৰে। খাদ্যৰ এই যোগানৰ লগত কামৰ পৰিমাণৰ (work points) কোনো সা-সম্পর্ক নাই। সেই ফালৰপৰা ভাবি চালে গণ-কমিউন কমিউনিজমৰ পিনে এক সুস্পষ্ট পদক্ষেপ।

এইবাৰ চীনলৈ গৈ গাঁৱলীয়া জীৱনৰ যিটো দিশ ফটফটীয়াকৈ চকুত পৰিল—সেয়া হ'ল গাঁৱত ব্যাপকভাবে সৰু সৰু কল-কাৰখানাৰ বিকাশ। ই মাথোন কৃষি-ভিত্তিক বা থলুৱা প্ৰয়োজন-ভিত্তিক নহয়। মাথোন থলুৱা প্ৰযোজনত নহয়, সমগ্ৰ দেশব্যাপী চাহিদা থকা বহু বস্তু বহুতো কমিউনত তৈয়াৰ হোৱা দেখিছোঁ। যেনে— লিং শ্বিযেন কাউন্টিৰ এটা কাৰখানাত ব্যাপক পৰিমাণে বিজুলী চাকি আৰু টিউব লাইট তৈয়াৰ হোৱা দেখিছোঁ। বহু কমিউনে আযৰ প্ৰায আধাখিনি শিল্পোৎপাদনৰপৰাই পায়। বিখ্যাত মাৰ্কিন অৰ্থনীতিবিদ ভাছিলি লিঅ'নটিয়েভ ১৯৭৩ চনত চীনলৈ গৈছিল। তেওঁ কৈছে ঃ

> 'The prosperous commune which I visited some 96 km from Shanghai allocates only one fifth of its labour force to industrial production, but this accounts for a full half of the commune's total revenue'

চীনদেশৰ গাঁওবিলাকৰ লেণ্ডস্কেপ এতিযা বদলি গৈছে। তেওঁলোকৰ ট্ৰেডিশ্যনাল চিত্ৰতো এই অৱস্থা প্ৰতিফলিত। চীনৰ ঐতিহ্যবাদী চিত্ৰকলাত আজিৰ নিসৰ্গচিত্ৰ সমূহত চিত্ৰকৰে যেতিযা উচ্চ-ক্ষমতা সম্পন্ন বিজুলীবাহী তাঁৰৰ টাওৱাৰ আঁকে, তেতিয়া তেওঁ আজিৰ নতুন চীনৰ নিসৰ্গ-চিত্ৰকহে চিত্ৰিত কৰিবলৈ চেষ্টা কৰে। আজিৰ গণ-কমিউনত সাগ্ৰাম দিনৰ শ্ৰমিক শ্ৰেণী তৈয়াৰ কৰা হৈছে। কৃষি আৰু শিল্পই হাত ধৰাধৰিকৈ আগ বাঢি গৈছে। ছাযাবীথিৰে শুউৱা পকী বাট-পথ, লোৰ বা পানী নিৰ্গমনৰ প্ৰণালী, ক্ষুদ্ৰ ক্ষুদ্ৰ বিজুলী উৎপাদন-কেন্দ্ৰ, নিত্য-ব্যৱহাৰ্য্য ৰং-বিৰঙী বস্তু-বেহানিৰে ভৰপূৰ ডিপাৰ্টমেণ্টাল ষ্ট'ৰ ইত্যাদিলৈ চালে গাঁও বুলি ভবা টান হৈ পৰে। কমিউনিজমত গাঁও আৰু নগৰৰ ব্যৱধানৰ বিলুপ্তি ঘটিব— এইবেলি সাংস্কৃতিক বিপ্লৱোত্তৰ চীনত দেখিলোঁ তাৰেই সুস্পষ্ট

প্ৰতিশ্ৰুতি। কমিউনিজমৰ আন এটা ডাঙৰ লক্ষণ হ'ল দৈহিক আৰু মানসিক শ্ৰমৰ ব্যৱধানৰ অৱসান। আজিৰ চীনদেশও সেই বাটেদিযেই দ্ৰুত গতিৰে আগুৱাই গৈছে। চীনৰ বিশ্ববিদ্যালয় সমূহত ছাত্ৰ সংখ্যাৰ শতকৰা ৪০ জন কৃষক আৰু ৪০ জন শ্ৰমিক-শ্ৰেণীৰ মাজৰপৰা ভৰ্তি কৰা হৈছে। কৃষকৰ ল'ৰাই শিক্ষা সমাপ্ত কৰি নিজা নিজা কমিউনলৈ উভতি গৈ কমিউনৰ কামত লাগিছে। কমিউন বিলাকত কৃষি-গৱেষণাকেন্দ্ৰ, ভূতত্ত্ব, খনিজ বিজ্ঞান ইত্যাদি বিষযত গৱেষণা-কেন্দ্ৰত কৃষকৰ সতি-সন্ততিসকলেই কাম কৰিছে।

১৯৫৭ৰ পৰা ১৯৫৯ চনৰ মাজত ৬ মাহ মান যিখন গাঁৱত আছিলোঁ, যিখন গাঁৱত তেতিযা খেতিযকৰ ঘৰত বিজুলী চাকি নাছিল, সেইখন গাঁৱতে এইবেলি গৈ চালোঁ যে সেই কমিউনৰ খেতিযকসকলেই এহেজাৰ কিল'ৱাটৰ হাইড্ৰ' পাৱেৰাৰ ষ্টেশ্যন পৰিচালনা কৰিছে।

আজিৰ দিনৰ, অৰ্থাৎ সাংস্কৃতিক বিপ্লৱোত্তৰ কমিউনক এতিযা আৰু কৃষি-কমিউন বুলি কোৱাৰ যুক্তি নাই। সাংস্কৃতিক বিপ্লৱৰ পাছত ডাঙৰ ঘটনা হ'ল—ডাক্তৰ, ইন্‌জিনীযাৰ, শিক্ষক, অফিছকৰ্মী আদি চহৰৰ শিক্ষিত সমাজৰ লোকসকল দলে দলে গাঁৱলৈ গৈছে—চিৰদিনৰ বাবে গাঁৱলীযা জন-সমাজত নিগাজীকৈ বসবাস কৰিবলৈ। ১৯৫৭-৫৮ চনত যেতিয়া 'চিযে ফাং' অৰ্থাৎ 'গাঁৱলৈ ব'লা' আন্দোলনৰ ঢৌ উঠিছিল—তেতিযা শিল্পী-সাহিত্যিকসকলে গাঁৱলৈ গৈ উৎপাদনী শ্ৰমৰ (productive labour) অংশীদাৰ হোৱা দেখিছিলোঁ। কিন্তু বছৰটোৰ এক বিশেষ সময়ৰ বাবে হে। এতিযাও চহৰৰ বুদ্ধিজীৱি আৰু বিশেষজ্ঞসকলে মাজে মাজে গাঁৱলৈ গৈ কাযিক শ্ৰম কৰে। কিন্তু তাৰ ভিতৰত এক বুজন অংশই চিৰদিনৰ বাবেই কমিউন-সমাজৰ সভ্য হৈছেগৈ। এইদৰেই

গণ-কমিউনত কায়িক আৰু মানসিক শ্ৰমৰ ব্যৱধান ক্ৰমাত তাকৰীয় হৈ আহিছে।

কিন্তু কমিউনিজমৰ বাটত পদক্ষেপৰ আটাইতকৈ ডাঙৰ চালিকা শক্তি হ'ল—কোটি কোটি খেতিয়কৰ ক্ষুদ্ৰ উৎপাদনজাত সংকীৰ্ণ মানসিকতাৰপৰা মুক্তিৰ সংগ্ৰাম। তেওঁলোকে কয়ঃ

'হ্ ছিশ্বিযাং চিযেফাং' অৰ্থাৎ 'চিন্তাৰ মুক্তি'। সহস্ৰ সহস্ৰ বছৰ জোৰা নিজা নিজা ক্ষুদ্ৰ স্বাৰ্থচিন্তাৰ পৰা কৃষকসকলৰ যিমানখিনি মনৰ মুক্তি ঘটিছে—সেইখিনিৰেই চীনত আজি অবিশ্বাস্য ঘটনাবোৰ ঘটোৱা হৈছে।

'বিপ্লৱী তত্বক যিমান আযত্ত কৰিবা, উৎপাদন সিমানেই বাঢিব'—(Grasp Revolution, promote Production) এই নীতিত বিশ্বাসী হৈ কৃষকে আজি মাৰ্কছবাদ-লেনিনবাদ আৰু মাও-চিন্তা আযত্ত কৰিবলৈ হাতে-কামে লাগি পৰিছে। কেতিযাবা পথাৰৰ দাঁতিত কেতিযাবা গছৰ তলত, কেতিযাবা কেতিযাবা ৰাতি গাঁৱৰ পঢাশালিত মাৰ্কছবাদ-লেনিনবাদৰ ক্লাছ পতা হয়। মাৰ্কছীয় তত্ত্ব আৰু তাৰ প্ৰযোগে আজি তেওঁলোকৰ নতুন মানসিকতা গঢি তুলিছে

লিউ শ্বাও চি-পন্থীসকলে কৈছিলঃ মেকুৰী বগা হওক বা ক'লা,যেই হওক, এন্দুৰ মাৰিব জানিলেই হ'ল। অৰ্থাৎ যিকোনো উপাযেৰেই হওক উৎপাদন বঢোৱাটোৱেই আচল কাম। সেয়ে লিউ শ্বাও চি-যে তেওঁৰ 'ছান্জে ঈপাও' নীতিত ব্যক্তিগত খেতি-মাটি বৃদ্ধি কৰি, মুকলি বজাৰৰ প্ৰচলন কৰি, নিজা নিজা লাভ-লোকচানৰ ভেটিত ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰকল্পসমূহৰ পৰিচালনা আৰু পৰিযাল-ভিত্তিক উৎপাদনৰ নিৰ্দিষ্ট পৰিমাণ (quota) ধাৰ্য্য কৰি—অৰ্থাৎ বৈষযিক প্ৰেৰণাৰ নীতি প্ৰচলন কৰি, উৎপাদন-বৃদ্ধিৰ নামত, গণ-কমিউনৰ কৃষকসকলৰ মাজত ধনতান্ত্ৰিক মুনাফাৰ চেতনা সৃষ্টি কৰিব খুজিছিল। কোনো কোনো ক্ষেত্ৰত তেওঁলোকে সাময়িক সাফল্যও অৰ্জন নকৰা নহয়।

কিন্তু সাংস্কৃতিক বিপ্লৱৰ বা-মাৰলীৰ অন্তত আজি সমগ্ৰ চীনৰ গণ

কমিউনৰ মেঘমুক্ত আকাশত ৰামধনুৰ দৰে জিলিকি উঠিছে 'তা-চাই'।

'চীনৰ প্ৰান্তৰে প্ৰান্তৰে ফুলিছে তা-চাইৰ ফুল'—এয়ে হ'ল এঙ-লোকৰ সৰ্বজনপ্ৰিয় গীতৰ কলি। তা-চাই উৎপাদন ব্ৰিগেডৰ নেতা ছেন্ ইয়ুং কুয়েই-এ মাও-ভাবধাৰা আয়ত্ত কৰি ল'ব পাৰিছিল বুলিয়েই তেওঁ অসাধ্য সাধন কৰি লিউ শাও চি-ৰ ধনতন্ত্ৰৰ পুনৰুজ্জীৱনৰ পথ নাকচ কৰি মাও-ভাবধাৰাৰ বিপ্লৱী বাটেৰে উত্তৰ চীনৰ শিলাময় অহল্যাৰ শাপমোচন কৰিবলৈ সক্ষম হৈছিল।

সেয়েহে আজি সমগ্ৰ চীনদেশত খেতিয়কৰ মুখত একেটা মন্ত্ৰ: 'চুৱা গমিং ছু শ্বেনছা'—অৰ্থাৎ 'বিপ্লৱক আঁকোৱালি লোৱা—উৎপাদন বঢ়োৱা'।

আক'বলি চীনৰ প্ৰতিখন গাঁৱতে 'তিনি বছৰ ডোবা কঠোৰ শ্ৰম—দহ হাজাৰ বছৰ জোৰা সুখ-সমৃদ্ধিৰ বাবে'—এই ধ্বনি শুনিছিলোঁ, দেৱালে দেৱালে ডাঙৰ ডাঙৰ আখৰেৰে আঁকা বা লেখা দেখিছিলোঁ।

ই আছিল বিগ্ লীপ ফৰ'ৱাৰ্ড বা দীঘল খোজেৰে আগ বঢ়াৰ আন্দোলনৰ কালত গাঁৱে গাঁৱে চীনদেশৰ কৃষকে নিজে নিজে সৃষ্টি কৰা ধ্বনি (slogan)। তেতিয়াৰ কথাত শ্ৰম আৰু সুখ-সমৃদ্ধিক লেলেগ লেলেগ ভাবে গণ্য কৰা হৈছিল কিন্তু এইবেলি দেখিলোঁ, অনুভৱ কৰিলোঁ—তেওঁলোকৰ জীৱনত শ্ৰম আৰু সুখ, দুয়োটা সমাৰ্থবোধক হৈ উঠিছে। কমিউনিজমৰ মানসিকতাত ইয়েই হ'ল প্ৰধান সংজ্ঞা।

কমিউনিজমলৈ উত্তৰণৰ পথত যি মানসিকতা, তাত এংগেলছৰ ভাষাত:

'Labour will become a pleasure instead of a burden'—'শ্ৰম বোজা নহৈ হৈ উঠিব আনন্দৰ উৎস'।

আজিৰ চীনৰ শ্ৰমিক-কৃষকৰ মাজত সেই সুন্দৰ মানসিকতাৰেই সবল স্পৰ্শ দেখা পাইছোঁ।

সাংস্কৃতিক বিপ্লৱৰ সামৰণি পৰা নাই। লিন্ পিয়াও আৰু কনফুছিয়াছৰ সমালোচনাৰ ফলত সেই বিপ্লৱে এক নতুন স্তৰ পাইছে গৈ।

কাৰখানাত, শিক্ষালয়ত আৰু কমিউনৰ দেৱালে দেৱালে ডাঙৰ আখৰৰ প'ষ্টাৰত লিন্ পিয়াও আৰু কনফুছিয়াছৰ কাৰ্টুন। লিন্ পিয়াও-ৰ উদ্ভৱৰ সামাজিক ভিত্তি কি, সেই আলোচনাত চীনৰ দুহাজাৰ বছৰৰ ইতিহাস মথন হোৱা চাই আহিলোঁ, আৰু চালোঁ যে সেই আলোচনাত গণ-কমিউনৰ কৃষকসকলেও সমানে অংশ গ্ৰহণ কৰিছে।

কনফুছীয় ধ্যান-ধাৰণাত ডুব গৈ থকা চীনৰ কৃষকৰ চিন্তাৰ মুক্তিয়ে গণ কমিউনৰ উৎপাদনক আৰু দ্ৰুত গতিৰে আগ বঢ়াই নিব। এই নিৰবচ্ছিন্ন বিপ্লৱ আৰু উৎপাদনে আজি চীনৰ কৃষকক বিশ্বৰ বিস্ময় কৰি তুলিছে।

চীনদেশৰ কৃষিৰ পৰিপ্ৰেক্ষিতত

ছোভিয়েত কৃষি

চীনৰ সমাজতান্ত্ৰিক কৃষিৰ অবিশ্বাস্য সাফল্যৰ লগতে খ্ৰুশ্চফোত্তৰ বৰ্তমান ছোভিয়েত কৃষিৰ সংকটৰ স্বৰূপটো এবাৰ টেলিস্ক’পত চাই ল’লে বোধ হয় বেযা নহ’ব।

বৰ্তমানে ছোভিয়েত ইউনিযনত ৩২,৩০০ যৌথ কৃষি-সমবায়—আৰু ১৫,৫০০ ৰাষ্ট্ৰীয় পাম আছে। কৃষিত এই যৌথ মালিকানা আৰু ৰাষ্ট্ৰীয় মালিকানাৰ এই বিৰাট ব্যৱধানে ছোভিয়েত সমাজত যি অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰিছে, সেই বিষয়ত আলোচনা কৰি স্তালিনে তেওঁৰ ‘সমাজতন্ত্ৰৰ অৰ্থনৈতিক সমস্যাৱলী’ত সেইবোৰৰ সমাধানৰ সুস্পষ্ট নিৰ্দেশ দি থৈ গৈছিল। স্তালিনৰ মতে ঃ

‘যদি একেটা সময়ত মন কৰা নহয যে এই কাৰণবোৰে ইতিমধ্যেই আমাৰ উৎপাদন-ব্যৱস্থাৰ বৃদ্ধিক ব্যাহত কৰিবলৈ আৰম্ভ কৰিছে—তেনেহলে ই হ’বগৈ এক অমাৰ্জনীয দৃষ্টিহীনতা। কিযনো, এইবোৰে আমাৰ জাতীয অৰ্থনীতি, বিশেষকৈ কৃষিৰ পূৰ্ণ বিকাশৰ বাটত বাধাৰ সৃষ্টি কৰিছে। এতেকে লাহে-ধীৰেকৈ যৌথ কৃষি-সমবায় সমূহৰ সম্পত্তিক ৰাষ্ট্ৰীয সম্পত্তিত পৰিণতকৰণ আৰু ক্ৰমে ক্ৰমে পণ্য-সঞ্চালনৰ সলনি বিনিময-প্ৰথাৰ প্ৰচলন কৰি এই দ্বন্দ্বসমূহক নিৰ্মূল কৰণ হ’ল আমাৰ এতিযাৰ কাম।’

খ্ৰুশ্চফ যেতিযা ক্ষমতাত অধিষ্ঠিত হ’ল তেতিযা তেওঁ যে কেৱল স্তালিনৰ এই বাণীক উলংঘা কৰিলে তেনে নহয—কৃষি ক্ষেত্ৰত তেওঁ এনে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিলে, যাৰ ফলত ছোভিয়েত কৃষিযে দ্ৰুত গতিত ধনতান্ত্ৰিক কৃষিৰ বাটেৰে ঢপলিযাই গ’ল। যৌথ কৃষি-সমবায় সমূহত ৰাষ্ট্ৰায়ত্ত মেচিন আৰু ট্ৰেক্টৰ ষ্টেচনবোৰ বেচি দিবলৈ

ছানিনা আৰু ভেন্‌জাৰে যি প্ৰস্তাৱ দাঙি ধৰিছিল তাৰ ভয়ংকৰ পৰিণাম যে কি হ'ব সেই বিষয়ে সাবধান কৰি স্তালিনে কৈছিল : 'তাৰ ফলত প্ৰথমতে যৌথ-পাম বিলাকেই হৈ উঠিব মৌলিক উৎপাদন-যন্ত্ৰবিলাকৰ গৰাকী, অৰ্থাৎ তেওঁলোকৰ পদমৰ্যাদা আমাৰ দেশৰ আন কোনো সংস্থা বা উদ্যোগত নথকা ধৰণে অলপ বিশেষ ধৰণৰ হৈ উঠিব। কিযনো, আমি জানো যে, আনকি ৰাষ্ট্ৰায়ত্ত উদ্যোগসমূহৰো উৎপাদন-যন্ত্ৰৰ মালিকানা নাই।'

এই ব্যৱস্থা ল'লে যৌথ সমবায়ৰ সম্পত্তি আৰু সমগ্ৰ জনগণৰ সম্পত্তিৰ মাজত থকা প্ৰভেদ আৰু প্ৰশস্ত হ'ব আৰু সি কমিউনিজমৰ পথলৈ নগৈ ঠিক তাৰ বিপৰীত পথেৰে গতি কৰিব বুলি সাবধান কৰি দিছিল।

কিন্তু খ্ৰুশ্চফে ক্ষমতা লাভ কৰিয়েই এই কামটোকে প্ৰথমে কৰিলে। তেওঁ মেচিন আৰু ট্ৰেক্টৰ ষ্টেচন যৌথ-কৃষি-সমবায় সমূহক বেচিলে আৰু যৌথ কৃষিত কৃষক পৰিয়ালৰ নিজৰ প্ৰয়োজনত ব্যৱহৃত মাটিৰ পৰিমাণ কেইবাগুণো বঢ়াই দিলে। তাৰ ফলত কিছুমান পাৰ্টি-সভ্য, চৰকাৰী কৰ্মকৰ্তা আৰু যৌথ সমবায়ৰ চেয়াৰমেন আৰু তেওঁৰ লগা-ভগাইঁত একগোট হৈ যৌথ পামৰ সম্পত্তিক নিজা নিজা মুনাফা অৰ্জনৰ স্বাৰ্থত ব্যৱহাৰ কৰিছিল। আনহাতে চহকী যৌথ পাম আৰু দৰিদ্ৰ যৌথ পাম বিলাকৰ মাজত দুটা ভাগ হৈ গ'ল আৰু দৰিদ্ৰ যৌথ পামবিলাক চহকী পামবিলাকত ওপৰত নিৰ্ভৰশীল হৈ পৰিল।

সময়ৰ লগে লগে পৰস্পৰৰ মাজত দৰ-দাম লৈ টনা-আঁজোৰাৰ সম্পৰ্কযেই হৈ উঠিল আচল সম্পৰ্ক। মুকলি বজাৰৰ বাবে পণ্য-উৎপাদনৰ উদ্যোগ বাঢ়িল। তাৰ ফলত সমাজতান্ত্ৰিক যৌথ কৃষিয়ে মোট সলাই ক্ৰমাত ধনতান্ত্ৰিক কৃষিৰ ৰূপত জিলিকি উঠিবলৈ ধৰিলে।

১৯৬৪ চনত ছোভিয়েত কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ মুকলি

চিঠিৰ জৱাবত চীনৰ কমিউনিষ্ট পাৰ্টিযে ‘খ্রুশ্চফৰ নকলী কমিউনিজম’ শিৰোনামত যি ৯ নম্বৰ উত্তৰ দিছিল—তাত ছোভিয়েত সমাজ-ব্যৱস্থাত ধনতন্ত্ৰৰ উদ্ভৱৰ কাৰণসমূহ বিশ্লেষণ কৰি ছোভিয়েতৰ কাকত-পত্ৰাদিত প্ৰকাশিত কিছুমান ঘটনাক সেই দেশত ধনতান্ত্ৰিক পুনৰুজ্জীৱনৰ কুৎসিং উপসৰ্গৰ নমুনা হিচাপে দাঙি ধৰা হৈছিল। তাৰ মাজত ১৯৬১ চনৰ ১৬ জুনৰ ‘চলস্কায়া ঝিজন’ত প্ৰকাশিত এটি বাতৰিৰ উদ্ধৃতি দিয়া হৈছিল।

বাতৰিটোত কোৱা হৈছিল ঃ

> ‘উজবেকিস্তানৰ এখন যৌথ কৃষি-সমবায়ৰ চেয়াৰম্যানে নিজৰ পামৰ সকলো গুৰুত্বপূৰ্ণ পদত তেওঁৰ জেঠেৰী, খুলশালি আদি বৈবাহিক সম্পৰ্কিত লোক সকলক নিযুক্ত কৰি সেই যৌথ-পামৰ ওপৰত একাধিপত্য চলাইছে। তেওঁ স্বয়ং সেই পদৰ অপব্যৱহাৰ কৰি ১ লাখ বত্ৰিচ হাজাৰ ৰুবল ব্যক্তিগত প্ৰয়োজনত খৰচ কৰিছে। তেওঁৰ এখন মটৰ গাড়ী, দুটা মটৰ ছাইকেল আৰু তিনিজনী ঘৈণীয়েক আছে। প্ৰতিজনী ঘৈণীয়েকৰ বাবে এখনকৈ ঘৰ আটোমটোকাৰীকৈ সাজি দিয়া হৈছে।’

সেই দলিলখনত এনে ধৰণৰ আন বহুতো দৃষ্টান্তও আছিল। এইবোৰ কথাই তেতিয়া বহুতৰে মনত বিস্ময়, আৰু লগতে অবিশ্বাসৰো সৃষ্টি কৰিছিল।

কিন্তু পাছত এই ঘটনাবোৰেই খ্রুশ্চফ-ব্ৰেজনেফ পৰিচালিত ছোভিয়েত সমাজ-ব্যৱস্থাৰ নিত্য-নৈমিত্তিক ঘটনা হৈ উঠিছিল। অৰ্থনীতিৰ নিয়মসমূহে মানুহৰ ইচ্ছা-অনিচ্ছা-নিৰপেক্ষ ভাবেই কাম কৰে। ষ্টালিনীয় নীতি বৰ্জন কৰাৰ ফলত খ্রুশ্চফোত্তৰ পণ্য, উৎপাদনমুখী ছোভিয়েত কৃষিত ধনতন্ত্ৰৰ বিকাশৰ পথ সুগম হৈ উঠিল।

মূল ৰাষ্ট্ৰ-ব্যৱস্থাৰ ক্ষেত্ৰত ২২তম পাৰ্টি কংগ্ৰেছত ‘সমগ্ৰ জনগণৰ ৰাষ্ট্ৰ’ ‘সমগ্ৰ জনগণৰ পাৰ্টি’ ধ্বনি (slogan) দি ছোভিয়েত

ৰাষ্ট্ৰই শ্ৰমিক-শ্ৰেণীৰ একনায়কত্বক বাতিল কৰি ৰাষ্ট্ৰায়ত্ত সম্পত্তি আৰু যৌথ সম্পত্তিৰ মাজত থকা অন্তৰ্দ্বন্দ্বক যৌথ সম্পত্তি বিকাশৰ সপক্ষে সমাধান কৰি শিল্প আৰু কৃষিত ধনতান্ত্ৰিক বিকাশৰ সকলো প্ৰতিবন্ধকতাকেই নিৰ্মূল কৰিছিল।

ক্ষমতাত অধিষ্ঠিত হোৱাৰ পাছত খ্ৰুশ্চফে ছাইবেৰিয়া আৰু কাজাখস্তানত ৬০ লাখ হেক্তৰ অনাবাদী মাটিত আৰু পাছৰ বছৰটোত আঠ কোটি হেক্তৰ অনাবাদী মাটিত ফচল উৎপাদনৰ আঁচনিৰ বৰঢোল বজাই দুনিয়াখনত প্ৰচাৰ কৰিছিল। কিন্তু খ্ৰুশ্চফৰ নীতিয়ে কৃষিত বিৰাট সংকটকহে মাতি আনিলে। অহল্যাভূমিৰ শাপমোচন কৰিবলৈ লৈ অৱশেষত স্বয়ং খ্ৰুশ্চফ চাহাবেই পদত্যাগ কৰিবলগীয়া হৈছিল। ব্ৰেজনেফে খ্ৰুশ্চফৰ পৰিকল্পনাক বাতিল কৰি দি ছোভিয়েত কৃষিৰ নাঙল খ্ৰুশ্চফৰ বন্দহালেৰে চলাবলৈ গৈ ছোভিয়েত কৃষিক অঠাই সাগৰত বুৰাই পেলালে।

লিবাৰমেন অৰ্থনৈতিক সংস্কাৰে মুনাফা আৰু ব্যক্তিগত বৈষয়িক প্ৰেৰণাৰ নীতিক আজি ছোভিয়েতৰ অৰ্থনীতিত সৰ্বক্ষেত্ৰতে সুপ্ৰতিষ্ঠিত কৰিছে। কৃষিত সংকটকে তীব্ৰতৰ কৰিছে। পৰিসংখ্যানৰ কাৰচাজিৰে ব্ৰেজনেফে সেই সংকটক আঁৰ-কাপোৰেৰে ঢাকিবলৈ চেষ্টা কৰা সত্বেও হঠাতে এদিন প্ৰচাৰৰ বিয়াগোম বেলুনটো ফুটি থাকিল। বাতৰি ওলাল, আমেৰিকাৰপৰা ঘেঁহু কিনাৰ বাবে ছোভিয়েতৰ পৰা সোণৰ চেঁকুৰাবোৰে আমেৰিকালৈ বুলি চেঁকুৰ লৈছে।

ছোভিয়েত ইউনিয়নৰ ১৯৭৪ চনৰ পৰিসংখ্যানৰ বৰ্ষপঞ্জীৰ (Year Book of Statistics) মতে :

'১৯৭৪ চনত ছোভিয়েত ইউনিয়নত চহ কৰা খেতিমাটিৰ পৰিমাণ হ'ল ১৯৬১ চনত চহ কৰা খেতি-মাটিতকৈ ১৬৫ নিযুক্ত হেক্তৰ কম। আৰু এই কালছোৱাৰ মাজতে ছোভিয়েতৰ চৰণীয়া পথাৰৰ পৰিমাণ ১০% শতাংশ কমি গৈছে।'

ছোভিয়েত আলোচনী 'কৃষি-অৰ্থনীতি'ৰ (Agricutural Economy) ৮ম সংখ্যা, ১৯৭৫-ত কোৱা হৈছে যে ঃ

'ত্ৰুটিপূৰ্ণ ব্যৱস্থাৰ বাবে কোনো কোনো অঞ্চলৰ সাৰুৱা মাটি ক্ৰমাত ক্ষাৰধৰ্মী (Alkaline) পতিত বা ছুনপৰা মাটি বা ভূমিক্ষয়ৰ গৰাহত পৰিছে—যাৰ ফলত মাটিয়ে তাৰ কৃষি-যোগ্যতা হেৰুৱাই পেলাইছে।'

এইখন আলোচনীৰ বক্তব্য অনুসাৰে ঃ জৰ্জিযা, আজেৰবাইজান আৰু আৰ্মেনিযাৰ গৰাহত পৰা মাটিৰ পৰিমাণ হ'ল ৯ ৬ নিযুত হেক্তৰ, যাৰ পৰিমাণ ১৯৭৩ চনত মূল মাটিৰ পৰিমাণৰ ৫২ শতাংশ।

ছোভিয়েতৰ কৃষি-সমস্যাৰ হাতৰপৰা মুক্তি লাভ কৰিবলৈ এদিন খ্ৰুশ্চফ-ব্ৰেজনেফ নীতি অনুসাৰে এই শিলাময় ভূমি উদ্ধাৰৰ বাবে কাজাখস্তান, ছাইবেৰিযা, উৰাল ইত্যাদি ঠাইত অভিযান চলোৱা হৈছিল। কিন্তু তাৰ ফলাফল নো বাৰু কি?

কাজাখ্-ভূমি ইত্যাদি উদ্ধাৰৰ ক্ষেত্ৰত খ্ৰুশ্চফৰ বিশেষ উদ্যোগৰ ব্যৰ্থতাৰ বাবে তেওঁৰ হাতৰপৰা ব্ৰেজনেফে দায়িত্ব-ভাৰ কাঢ়ি ল'লে। কিন্তু ফল হ'ল আৰু বেযা।

১৯৭৫ চনত কাজাখস্তানত যি খাদ্যশস্য উৎপাদিত হৈছিল, সেই খাদ্যশস্যৰ পৰিমাণ ১৯৭১ চনৰ পৰিমাণতকৈ আৰু ৬০% কম।

১৯৭৫ চনৰ ডিচেম্বৰ মাহত চুপ্ৰীম ছোভিয়েতৰ আয়-ব্যয়ক (বাজেট) সম্পৰ্কিত অধিবেশনত যি প্ৰতিবেদন দাঙি ধৰা হৈছিল, সেই প্ৰতিবেদনৰপৰা বিশেষজ্ঞসকলে পৰিসংখ্যান সংগ্ৰহ কৰিছিল। তাত দেখা গ'ল যে খাদ্যশস্যৰ বাৰ্ষিক উৎপাদন ১৩৭ নিযুত টন মাথোন—যি পৰিমাণ আছিল নিৰ্দিষ্ট লক্ষ্য মাত্ৰাতকৈ ৮০ নিযুত টন কম।

কাৰ্য্যক্ষেত্ৰত, এই বিপৰ্য্যয হেতুকেই আজি ছোভিয়েত ইউনিযনে আমেৰিকা, কানাডা আদি দেশৰপৰা প্ৰায ৩ কোটি টন খাদ্যশস্য আমদানী কৰাৰ দিহা লোৱা দেখা গৈছে। ছোভিয়েতৰ

এই কাৰ্য্যৰ ফলত পৃথিৱীৰ খাদ্য আমদানীকাৰী দেশসমূহৰ ক্রয় ক্ষমতাৰ ওপৰত এক বিৰূপ প্রতিক্রিয়াৰ সৃষ্টি নোহোৱাকৈ থকা নাই। লগতে ছুপ্রীম ছোভিয়েতত পৰিকল্পনা-মন্ত্রী নিকোলাই বাইবাকফে কৃষিত ব্যৰ্থতাৰ ফলত ১৯৭৬ চনত শিল্পোৎপাদনৰ নির্ধাৰিত লক্ষ্যমাত্রা কমাই আনিবলৈ বাধ্য হৈছে বুলি কৈছে। ১৯৭৪ চনত যি স্থলত শিল্প উৎপাদনৰ বৃদ্ধি হৈছিল ৮% আৰু ১৯৭৫ চনত ৭.৫%, সেই স্থলত ১৯৭৬ চনত এই বৃদ্ধি মাত্র ৪.৩% বুলি ধৰা হৈছে।

আনহাতে চীনদেশত মৰুভূমি-সদৃশ অনুৰ্বৰ মাটি উদ্ধাৰৰ বাবে চীনৰ কৃষকৰ চেষ্টা-প্রচেষ্টাৰ কথা মই ইয়াৰ আগতে ৰেড ফ্ল্যাগ খাল বা তা-চাই উৎপাদন ব্রিগেডৰ বৰ্ণনাত দাঙি ধৰাৰ চেষ্টা কৰিছিলোঁ* থাইহান্ পার্বত্য উপত্যকাৰ লিং খ্রিযেন কাউন্টিত মানুহে নির্মাণ কৰা ৯০০ মাইল নৈ ৰেড ফ্ল্যাগ খালে অতীতৰ সেই শিলাময় অনুৰ্বৰ কাউন্টিক কেনেদৰে সেউজীয়া কৰি তুলিছিল সেই কথা আগতেই কোৱা হৈছে। জল-সিঞ্চিত চহ কৰা মাটিৰ পৰিমাণ এইদৰে ২০০০ হেক্তৰৰপৰা বঢ়াই ৪০,০০০ হেক্তৰত পৰিণত কৰা হৈছে। এই খাল নির্মিত হোৱাৰ আগতে য'ত উৎপাদন আছিল হেক্তৰেপ্রতি ০.৭৫ টন, এতিয়া তাত ৩.৭৫ টন উৎপাদন হৈছে।

১৯৭৪ চনৰ জুন মাহত আমি তালৈ গৈছিলোঁ। এবছৰৰ পাছত, ১৯৭৫ চনৰ ছেপ্তেম্বৰ-অক্টোবৰ মাহত অহা পাঁচ বছৰত তা-চাইৰ অনুসৰণত সমগ্র চীনৰ কমিউনবোৰ গঢ়ি তোলাৰ আহ্বানত অগ্রণী কৃষক কৰ্মীসকলৰ ৭০০০ প্রতিনিধিৰ এক অতি গুৰুত্বপূর্ণ জাতীয় সন্মিলন অনুষ্ঠিত হৈছিল। তাত চীনৰ আদর্শ কৃষক—পলিটব্যুৰ'ৰ সদস্য ছেন্ ইযং কুয়েই প্রমুখ্যে নেতৃবৃন্দয়ো আলোচনাত যোগ দান কৰিছিল। সেই জাতীয় সন্মিলনত তা-চাই ব্রিগেডৰ কমিউনিষ্ট পার্টি ছেক্রেটাৰী শ্রীমতী কুও ফং লিযেনে যি প্রতিবেদন দাঙি ধৰিছিল—

* আকৌ চীন চাই আহিলোঁ—১ম খণ্ড চাওক।

সেই প্ৰতিবেদন আছিল চীনৰ কৃষিৰ অগ্ৰগতিৰ বাটত তেনেই তাৎপৰ্য্যপূৰ্ণ। প্ৰতি বছৰ চীনৰ এই আদৰ্শ কমিউনৰ অবিশ্বাস্য অগ্ৰগতিৰ বিভিন্ন তথ্য দিবলৈ গৈ তেওঁ কৈছিল :

'১৯৭১ চনৰপৰা ১৯৭৪ চনলৈকে আমাৰ অঞ্চলত গুৰুতৰভাৱে খৰাং বতৰে কচৰকামোৰ মাৰি ধৰিলে। কিন্তু আমি খৰৰ ভয়ত ঘৰত সোমাই নাথাকিলোঁ। খৰক জয় কৰিবলৈ আমি গণ-সমাবেশৰ আয়োজন কৰিলোঁ। সাঙিভাৰেৰে কটিযাই, চৰিযা, এচবাযা হাতগাডী ইত্যাদিৰ সহাযত আমি দূৰ দুৰণিৰপৰা পানী আনিলো। ৪০ দিন ধৰি দিনে-নিশাই নিৰলস শ্ৰম কৰি কৰি, আমি খৰৰ খং উঠি ৰঙা হোৱা চকুৰ বিৰুদ্ধে যুঁজি আমাৰ খাদ্যশস্যৰ পৰিমাণ বঢালোঁ। সমবায গঠিত হোৱাৰ পাছত প্ৰথম ১০ বছৰত আমি পাহাৰ আৰু নৈক হাতৰ মুঠিত লৈ আহিবলৈ ১,১০,০০০ শ্ৰম-দিৱস নিযোগ কৰিলোঁ আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ ৩,৭০০ টুকুৰা টুকুৰা হৈ থকা মাটিক ২,৯০০ বৃহৎ ভূখণ্ডত ৰূপান্তৰিত কৰিলোঁ। যোৱা চাৰি বছৰত শীত আৰু বসন্ত কালত একেদৰে কাম কৰি কৰি সেই ২,৯০০ টুকুৰা খণ্ডীকৃত মাটিক আকৌ আগতকৈযো বৃহৎ আকাৰৰ ১,৫০০ ভূখণ্ডত পৰিণত কৰিলো। এই কাম কৰিবলৈ সৰু-ডাঙৰ মিলাই ৩৩ টা টিলা কাটি সমান কৰিবলগীযা হৈছোঁ। আৰু ১৫ টা পাহাৰী দ খাদ মাটিৰে পূৰ্ণ কৰি তুলিছোঁ। এই কাম কৰোঁতে ৭,০০,০০০ কিউবিক মিটাৰ মাটি, পাথৰ খান্দিবলগীযা হৈছোঁ। যি পাহাৰ আছিল একেবাৰে টকলা, আজি তাত ৰিব ৰিব বতাহত হালিছে-জালিছে ৪০০,০০০ ফলৰ গছ।'

কিন্তু এটা ব্ৰিগেডে কেনেকৈ এই কাম সম্ভৱ কৰি তুলিছিল নো? এই প্ৰশ্নৰ উত্তৰত শ্ৰীমতী কুও ফং লিযেনে কৈছে :

> 'কিয়নো, আমাৰ পাৰ্টি-সভ্য আৰু অগ্ৰণী কৰ্মীবৃন্দই অকল আমাৰ ৪৫০ জন গাঁওবাসীৰ কথাই নহয, সমগ্ৰ চীন আৰু সমগ্ৰ বিশ্ব-জনতাৰ কথা ভাবিবলৈ শিকিছে। আমি পৰম নিষ্ঠাৰে মাৰ্কছ, এংগেলছ, লেনিন, ষ্টালিন আৰু চেয়াৰম্যান

মাও-ৰ ৰচনা অধ্যয়ন কৰিছোঁ আৰু সেইবোৰ কামত খটুৱাবলৈ চেষ্টা কৰিছোঁ।

'প্ৰথমতে, আমি খোড়ে প্ৰতি শোধনবাদ আৰু সকলো বিধৰ বুৰ্জোৱা চিন্তাধাৰাৰ বিৰুদ্ধে সংগ্ৰাম দিন সংগ্ৰাম কৰিছোঁ।

'দ্বিতীয়তে, প্ৰত্যেক পাৰ্টি সভ্য আৰু অগ্ৰণী কৰ্মীবৃন্দই সমবেত শ্ৰমত অংশ গ্ৰহণ কৰিছোঁ। আমাৰ শাখা পাৰ্টি-কমিটিৰ প্ৰতিজন সভ্যই গড় হিচাপে বছৰি ৩০০ দিনকৈ কায়িক শ্ৰম কৰিছোঁ। আমি নিঃস্বাৰ্থ সেৱাৰ আদৰ্শৰে উদ্বুদ্ধ হৈ কাম কৰিছোঁ। কেতিয়াও কোনো বিশেষ সুবিধাৰ বাবে প্ৰাৰ্থী হোৱা নাই।

'তৃতীয়তে, জনসাধাৰণৰ তত্বাৱধান (supervision) আমি গ্ৰহণ কৰিছোঁ। কেতিয়াও কোনো অৱস্থাতেই কোনো প্ৰকাৰেই আমি তেওঁলোকতকৈ নিজক—অৰ্থাৎ আমাক বেলেগ কিবা এটা বুলি কেতিয়াও কোনো অৱস্থাতেই ভবা নাই। এই কথাত আমি বিশ্বাস কৰোঁ যে মাৰ্কছবাদ-লেনিনবাদ আৰু মাও-চিন্তাৰ সুমহান নেতৃত্বত জনগণে অসম্ভৱকো সম্ভৱ কৰি তুলিব পাৰে।'

ইতিমধ্যে—যোৱা কেইবছৰত তা-চাইৰ পথেৰে আগ বাঢ়ি গৈ এসময়ৰ উত্তৰ চীনত অতীতত নিচেই স্বল্প পৰিমাণৰ উৎপাদনকাৰী ৩ কোটি ৪০ লাখ হেক্তৰ মাটিক আজি সম্পূৰ্ণৰূপে প্ৰকৃতিক সেও মনাই বিৰামবিহীন প্ৰচেষ্টাৰে চিৰস্থায়ী উচ্চ ফলনক্ষম সেউজীয়া গছে-বনে ভৰপূৰ কৰি তোলা হৈছে বুলি ঘোষণা কৰা হৈছে।

এতেকে, আমি এই কথা ক'লে বাহুল্য নহ'ব যে, ছোভিয়েত কৃষিৰ ব্যৰ্থতাৰ মূল কাৰণ প্ৰাকৃতিক দুৰ্য্যোগ নহয়, কৃষিত ধনতান্ত্ৰিক ব্যৱস্থা আৰু সেই মনোভাবৰ পুনৰাবিৰ্ভাৱেই এই ব্যৰ্থতাৰ বাবে দায়ী।

উপসংহাৰ

ছোভিয়েত কৃষি-নীতিৰ সংকটৰ পৰিপ্ৰেক্ষিতত চীনৰ কৃষি-নীতিক ৰিজাই, বিশ্লেষণ কৰি চালে, তাৰ সাফল্যৰ মূল কাৰণসমূহ আমাৰ ওচৰত আৰু ফটফটীয়া হৈ উঠিব বুলিয়েই ছোভিয়েত শোধনবাদীসকলৰ কৃষি-নীতিৰ নিচেই চমুকৈ আলোচনা কৰিলোঁ। পাৰস্পৰিক সহায়তাৰ স্তৰৰপৰা কেনেদৰে দোপত দোপে আজিৰ উন্নত স্তৰৰ গণ-কমিউনত চীনৰ কৃষিয়ে বিকাশ লাভ কৰিছে সেই কথাটো দেখ দেখকৈ ওলাই পৰিছে। কিন্তু এই বিকাশ লাভৰ প্ৰতিটো স্তৰত ভাবাদৰ্শৰ তীব্ৰ সংগ্ৰামৰ মূল্যায়ন কৰিব নাজানিলে বাট হেৰুউৱাৰ ভয় আছে। খ্ৰুশ্চফ আৰু ব্ৰেজনেফৰ বাটেৰে নহয়, তা-চাইৰ ছেন্ ইয়ুং কুয়েইৰ বাটেৰেই এই বন্ধ্যা অহল্যাৰ শাপমুক্তি ঘটিব পাৰে। লিউ শ্বাও চি আৰু লিন্ পিয়াওৱে দক্ষিণ আৰু বাঁওপন্থাৰ বচনৰ ফুলজাৰিৰ আঁৰত চীনৰ কৃষিক খ্ৰুশ্চফীয় বাটেৰেই পৰিচালনা কৰিব খুজিছিল। সেই সংগ্ৰামত চীনৰ মাও চে তুঙৰ প্ৰলেতাৰীয়-নীতি অনুসৰণ কৰি—বৈষয়িক প্ৰেৰণাৰে নহয়, ভাবাদৰ্শৰ প্ৰেৰণাৰে, ব্যক্তিগত আদৰ্শৰে উদ্বুদ্ধ হৈ নহয়, সমাজতান্ত্ৰিক সমাজ গঠনৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ—অবিশ্বাস্য সাফল্য আৰ্জিছে।

এইবেলি কমিউনবিলাকে আন এক ভাবাদৰ্শৰ সংগ্ৰাম কৰা চাই আহিলো। যি কনফুছীয় ধ্যান-ধাৰণাৰ ওপৰত লিন্ পিয়াও নিৰ্ভৰশীল আছিল, দুহাজাৰ বছৰ জোৰা সেই কনফুছীয়-নীতি আৰু আচৰণ-বিধিৰ মাজত লালিত চীনৰ খেতিয়কে কনফুছীয় ভাবাদৰ্শৰ বিৰুদ্ধে চিন্তাৰ ক্ষেত্ৰত এক যুগান্তকাৰী বিপ্লৱ সবাব বাটত আগুৱাই গৈছে। এই বাটেদিয়েই গৈ গৈ চীনৰ গণ-কমিউনে আৰু অধিক উন্নত সমাজতান্ত্ৰিক স্তৰত প্ৰলেতাৰীয় একনায়কত্বক আৰু দৃঢ়মূল কৰি, ফেডাৰেশ্যন গঠন কৰি, যৌথ-সম্পত্তিক সমগ্ৰ জনগণৰ সম্পত্তিত পৰিণত কৰি তোলাৰ বাটেৰে আগ বঢ়াই লৈ যাব।

চীনদেশত
চিকিৎসা-বিপ্লব

১৯৫৮ চনৰ শেষৰ ফালে পিকিং হস্পিটালত মোৰ গল্ ব্লাডাৰ বা পিত্তকোষ অপাৰেশ্যন হৈছিল। অপাৰেশ্যন কৰিছিল চীফ ছাৰ্জন ডা. ওৱাঙে। কেবিনত অকলশৰীয়াটো শুই আছোঁ। গধূলি পৰত নাৰ্ছ ইযাং সোমালহি। তেওঁৰ হাতৰ আঙুলিবোৰত ৰঙা ৰং সনা-পিটিকা হৈ পৰিছে। সোধাৰ লগে লগেই ক'লে, 'প'ষ্টাৰ লিখি আহিলোঁ।'

সুধিলোঁ আকৌ, 'কিহৰ প'ষ্টাৰ ?'

নিৰ্বিকাৰভাবে ক'লে, 'ডা. ওৱাঙৰ সমালোচনা কৰি লেখা প'ষ্টাৰ।'

'কি কৈছা। এই হস্পিটালৰে নাৰ্ছ এজনী হৈ তুমি চীফ ছাৰ্জনৰ বিৰুদ্ধে প'ষ্টাৰ লিখিলা। তাত কি লিখিছা নো ?'

মোৰ প্ৰশ্নৰ উত্তৰত নাৰ্ছ গৰাকীয়ে যি ক'লে তাৰ সাৰমৰ্ম হ'ল : তেওঁ অপাৰেশ্যন থিয়াটাৰত ছুৰীৰে অপাৰেশ্যন কৰিযেই তেওঁৰ কৰ্তব্য সামৰে। তাৰ পাছত ৰোগীৰ সম্পৰ্কে তেওঁ আৰু একো খা-খবৰ নলয়।

পাছ-দিনা পুৱাৰ ফালে ডা. ওৱাং আহিল মোৰ কেবিনলৈ। তেওঁ প্ৰতিদিনেই আহে এবাৰকৈ। আমেৰিকাত শিক্ষাপ্ৰাপ্ত ডা. ওৱাং মুক্তিৰ আগতেই এগৰাকী খ্যাতিমান ছাৰ্জন আছিল। আজি কিন্তু তেওঁ ৰুটিন মতে সুধিযেই দায নাসাৰিলে। তেওঁ লাহে-ধীৰে আগুৱাই আহি মোৰ বিচনাৰ কাষতে বহিল। মোৰ গাত লাহেকৈ কম্বলখন দি দিলে। মনতে ভাবিলোঁ—এযা নিশ্চয সেই ইয়াঙজনীৰ সমালোচনাৰ ফলেই হ'ব।

তেওঁ বহিল। বহি মোৰ লগত বহুতো কথা আলোচনা কৰিলে। বিশেষকৈ অতীতৰ চীনদেশত চিকিৎসাৰ অভাৱত লাখ-বিলাখ মানুহৰ মৃত্যুৰ কথা। তেওঁ হেনো তেতিয়াই ভাবিছিল যে সমাজ-ব্যৱস্থাক বদলিহে দেশৰ তথা সমূহ ৰাইজৰ আচল ব্যাধি গুচাব লাগিব। সেয়ে, সুবিধা সুযোগ পায়ো তেওঁ বিদেশলৈ গুচি যোৱা নাছিল। ইযাতেই, তেওঁ অতি সামান্য বেতন লৈ থাকি গ'ল, দেশৰ দহো ৰাইজক সেৱিবলৈ।

ইকথা-সিকথাৰ পাছত মই আৰু ৰ'ব নোৱাৰি তেওঁক কৈয়েই পেলালোঁ, 'কিন্তু—এটা কথা। ইযাত আপোনাৰ নিচিনা এগৰাকী প্ৰৱীণ সন্মানিত চিকিৎসকক সৌ সিদিনা অহা নিচেই নতুন হস্পিটাল কৰ্মীহঁতে যিদৰে সমালোচনাৰে থকা-সৰকা কৰিছে—আপুনি বাৰু এইবোৰ কাণ্ড-কাৰ্খনা বৰ্দাস্ত কৰিছে কেনেকৈ ?'

তেওঁ হাঁহি ক'লে, 'আপুনি দেখোন সকলো খবৰেই জানে। এওঁলোকে মাথোন মোকেই সমালোচনা নকৰে, এওঁলোকে নিজকো সমালোচনা কৰে আৰু এই সমালোচনা আৰু আত্ম-সমালোচনাৰ পদ্ধতিৰেই আমি আমাৰ মাজত এক নতুন সম্পৰ্ক গঢ়ি তুলিছোঁ। প্ৰাচীন দিনৰ সমাজৰ বিভিন্ন দোষ, আভিজাত্য আৰু অহমিকাৰ পৰা নিজক মুক্ত কৰা ইমানেই উজুনে ? পোনতে এইবোৰ সমালোচনাত মোৰ বৰ বিকৃচিনা লাগি গৈছিল। কিন্তু আজি সমাজতান্ত্ৰিক সমাজ গঢ়াৰ বাটত আমি আটায়ে সমান অংশীদাৰ হ'বলৈ হ'লে পাৰস্পৰিক সম্পৰ্কৰ ৰূপান্তৰ ঘটোৱা আৱশ্যক।

'মাথোন নতুন সম্পৰ্কযেই নহয়, বিগ্ লীপ্ ফৰ'ৱাৰ্ড আন্দোলনৰ কালছোৱাৰ পৰাই চিকিৎসা জগতত এক নতুন দৃষ্টিভংগী বিস্তাৰ লাভ কৰিছে। ১৯৫৮ চনৰ এটা ঘটনাৰ ফলত সমগ্ৰ চীনদেশত এই নতুন যুগটো চিহ্নিত। ঘটনাটো হ'ল ঃ

'সাংহাইৰ এজন তাখা শ্ৰমিক কাৰখানত কাম কৰি থকা অৱস্থাত ভয়ংকৰভাবে অগ্নিদগ্ধ হ'ল। গলিত লো প ৰ তওঁৰ দহৰ প্ৰায় ৯০

শতাংশ পুৰি গ'ল। পাশ্চাত্য চিকিৎসা-বিধিত ইমান পুৰি যোৱা ৰোগীৰ নিৰাময়ৰ ব্যৱস্থা নাই। কিন্তু হস্পিটাল্ পাৰ্টি-কমিটি, সাংহাই নগৰ-পালিকা পৰিষদ, আৰু কাৰখানাৰ পাৰ্টি কমিটিৰ পৰা ধ্বনি উঠিল: যেনেদৰেই নহওক, এই শ্ৰমিকজনক বচাবই লাগিব।

'ইয়াকে কেন্দ্ৰ কৰি চিকিৎসা-জগতত এক নতুন নাটকৰ আঁৰ পট উঠিল, চিকিৎসা শাস্ত্ৰত চিৰাচৰিত আৰু বৈপ্লৱিক চিন্তাৰ সংঘৰ্ষ আৰম্ভ হ'ল। এই এজন শ্ৰমিকৰ বাবে চীনৰ সকলো চিকিৎসা-বিশেষজ্ঞ সাংহাইত গোট খালেহি। হাজাৰ-বিজাৰ জনসাধাৰণে তেজ, প্লাজমা, গাৰ ছাল ইত্যাদি দিয়াৰ বাবে আবেদন জনালে। এই এজন মাত্ৰ বেমাৰীৰ কাৰণে শ্ৰমিকসকলে ২৪ ঘণ্টাৰ ভিতৰত এটা শীতাতপ-নিয়ন্ত্ৰিত চুটি তৈয়াৰ কৰিলে। এই অভিনৱ নতুন সংগ্ৰামৰ কাহিনী বাতৰি-কাকত বিলাকত প্ৰত্যেকদিন ওলাই থাকিল, আৰু অৱশেষত এই যুদ্ধত নতুন চিন্তাত উদ্বুদ্ধ চীনৰ চিকিৎসকসকল জয়ী হ'ল।'

তাৰ পাছত মই সাংহাইলৈ গৈছিলোঁ। তাত গৈ চাওঁ যে তাৰ ফিল্ম ষ্টুডিঅ'ত এই ঘটনাক কেন্দ্ৰ কৰি এখন পূৰ্ণ দৈৰ্ঘ্যৰ বোলছবি নিৰ্মিত হ'ব ধৰিছে। তেতিয়াৰ দিনৰ চীনৰ অন্যতম এগৰাকী শ্ৰেষ্ঠ অভিনেত্ৰী পাই ইযাঙৰ সৈতে মোৰ সাক্ষাৎকাৰ হ'ল। তেওঁ তেতিয়া এই নাটকত মুখ্য নাৰ্ছৰ ভাগত অভিনয় কৰিছে, চিকিৎসা-জগতৰ এই নতুন নাটকৰ পূৰ্ণ কাহিনী তেওঁৰ মুখতে শুনিলোঁ।

ড. যোশুৱা হৰ্নে (Dr Joshua Horn) তেওঁৰ বিখ্যাত গ্ৰন্থ 'Away with all Pests'-ত এই ঘটনাৰ এ অনবদ্য বৰ্ণনা দাঙি ধৰিছে। তেওঁ লিখিছে:

> 'Experts in related fields such bacteriology, pharmacology, biochemistry, plastic surgery, hæmotology and immunology were flown into Shanghai from all over China. I was among them, and like most of the others,

I learned more than I taught, received more than I gave.'

ই কোনো বিচ্ছিন্ন ঘটনা নহয়। এই প্ৰসংগক্ৰমে ড° হৰ্নে লিখিছে :

'China is a poor country, but when I showed the case, records of a severe burn treated in my hospital in Peking to a leading British burn expert, he said no other country in the world could afford to devote so many human and material resources to save an ordinary worker.'

মাথোন নতুন সম্পৰ্কযেই নহয়, এতিয়া সাধাৰণভাৱে সকলো মানুহেই চিকিৎসা আৰু দৰৱ-পাতি সহজে পোৱা হৈছে। চহৰৰ ট্ৰেড ইউনিয়ন বা অফিছ ইউনিয়নৰ হতুৱা চিকিৎসা যেনেকৈ সুলভ, তেনেকৈ গাঁৱত কমিউনৰ সমবায় চিকিৎসাৰ (Co-operative medical care) ব্যৱস্থাও আছে। ঔষধাদিৰ দাম নামমাত্ৰ। সাংস্কৃতিক বিপ্লৱৰ পাছত ১৯৬৯ চনত সকলো ধৰণৰ ঔষধৰ দাম ৩৭ শতাংশ কমাই দিয়া হৈছে। তাৰ ফলত, ১৯৫০ চনৰ তুলনাত এতিয়া দৰৱ-পাতিৰ দাম প্ৰায় ৮০ শতাংশ কম। ২ লাখ ইউনিটৰ পেনিছিলিনৰ দাম আছিল ২৩ ফে'ন্ (৬৯ পইচা), এতিয়া তাৰ দাম ১৪ ফে'ন (৪২ পইচা)। ১ গ্ৰামৰ ষ্ট্ৰেপট'মাইছিন আছিল ৪৪ ফে'ন্, এতিয়া হৈছে গৈ ২৪ ফে'ন্ (১ ফে'ন্ আমাৰ প্ৰায ৩ পইচা)। ০ ২৫ গ্ৰাম টেট্ৰাছাইক্লিন ১২ ফেনৰপৰা ৫ ফেনলৈ নামি আহিছে।

বিশ্ববিখ্যাত মাৰ্কিন অৰ্থনীতিবিদ আৰু কূটনীতিবিদ জন্ কেনেথ গলব্ৰে'থ-এ তেওঁৰ 'A China Passage'-ত লিখিছে : 'ঔষধ আৰু চিকিৎসাৰ ক্ষেত্ৰত চীনদেশে বিৰাট সাফল্য আৰ্জিছে। এই কথা মই মুক্তকণ্ঠে ক'ম যে ১ কোটি ২০ লাখ জনসংখ্যা অধ্যুষিত বৃহত্তৰ সাংহাইত ১,১৫০০ চিকিৎসক-বিশিষ্ট (ইযাৰ মাজত প্ৰাচীন

চিকিৎসকসকলকো অন্তৰ্ভুক্ত কৰা হৈছে), ৪৪ হাজাৰ শয্যা-সমন্বিত ৪১২ খন হস্পিটালত যি ধৰণৰ মেডিকেল ছাৰ্ভিছৰ ব্যৱস্থা আছে সেই ব্যৱস্থা মাৰ্কিনতকৈও ভাল। চিকিৎসাৰ গড উৎকৰ্ষতা অৱশ্যে মাৰ্কিনত বেছি। কিন্তু তাত একেবাৰে চিকিৎসা নোপোৱাৰ সম্ভাৱনাও বেছি।'

সাংস্কৃতিক বিপ্লৱৰ পাছত

সাংস্কৃতিক বিপ্লৱৰ পাছত চীনলৈ গৈ কি চালোঁ নো ? ইয়াৰ আগতে চাই অহা চীনৰ লগত আজিৰ চীনৰ তুলনা কৰোঁতে পোন প্ৰথমেই মই মোৰ নিজৰ দৃষ্টান্ত দাঙি ধৰিছোঁ।

১৯৫৮ চনত পিকিং হস্পিটালত মোৰ পিত্তকোষৰ পাথৰ (stone) অপসাৰণৰ বাবে অস্ত্ৰোপচাৰ কৰা হৈছিল। আমাৰ দেশত কৰা দৰেই, তাতো সাধাৰণ এনেস্থেছিয়াৰ প্ৰক্ৰিয়াৰে মোক অজ্ঞান কৰি লৈ অস্ত্ৰোপচাৰ কৰা হৈছিল। এইবাবে হস্পিটালত মই তিনি সপ্তাহ কটাবলগীয়া হৈছিলোঁ।

এইবাৰ চীনলৈ গৈ যেতিয়া হোপেই প্ৰদেশৰ ৰাজধানী শ্বিজিয়াচুৱানত ডা. কোটনীছৰ স্মৃতি-বিজড়িত মুক্তিফৌজৰ ডা. বেথুন আন্তৰ্জাতিক মৈত্ৰী হস্পিটাল পৰিদৰ্শনলৈ ওলালোঁ—তেতিয়া সেই হস্পিটালত গৈ চাওঁ এক তাজ্জৱ কাণ্ড—আমাৰ চকুৰ আগতেই অপাৰেশন থিয়েটাৰত এজন বেমাৰীৰ পেট কাটি গল্-ব্লাডাৰৰ পৰা ক'লা বৰণৰ এটা তিনিকোণীয়া পাথৰ উলিয়াই অনা হৈছে। কিন্তু বেমাৰীয়ে তেতিয়া আমালৈ চাই আছে আৰু—তেওঁৰ মুখতো মিঠা হাঁহি!

মই ভুলহে দেখিছোঁ নে কি পৰীক্ষা কৰি চোৱাৰ মনেৰে পোনেই

বেমাৰীজনৰ কাষ চাপিলোঁ আৰু চীনা ভাষাত তেওঁক সুধিলোঁ, 'থং পু-থং' অৰ্থাৎ 'দুখ পাইছে নে?'

তেওঁ মোলৈ চাই হাঁহি স্পষ্ট মাতেৰে ক'লে, 'পু থং।' অৰ্থাৎ— 'নাই, দুখ পোৱা নাই।'

কাষতেই আন এজন বেমাৰী আধা শোৱা অৱস্থাত বহি আছে। আমাৰ চকুৰ আগতেই ডাক্তৰে এই বেমাৰীজনৰ ডিঙিৰপৰা দুটা টনছিল ফৰছেপেৰে এনেদৰে উলিযাই আনিলে যেন তেওঁ উৰহী গছৰপৰা দুটা উৰহীহে ছিঙি আনিলে। এই বেমাৰীজনে আমাৰ লগত কোনো মাত-বোল কৰা নাছিল, যদিও আমাক মিঠা চাৱনিৰে আদৰা লক্ষ্য কৰিছিলোঁ।

আমাৰ দলটোৰ নেতা লতিফী একেবাৰে গান্ধীপন্থী। তেজ তেওঁৰ চকুত নসহে। তেওঁ আগতেই কাষৰীযা খোঁটালীটোত বহিছিল গৈ। অপাৰেশ্যন হোৱাৰ পাছত মই আৰু মনোৰমা কোটনীছ তেওঁৰ ওচৰলৈ গ'লোঁ। হস্পিটালৰ ভাইছ-ডাইৰেক্টৰ আৰু চীফ ছাৰ্জনো আমাৰ লগত আহিছিল। তেওঁলোকে আমাৰ লগত-হস্পিটাল প্ৰসংগত আলোচনা কৰিছিল। চাহৰ সুদৃশ্য পিযলাৰপৰা সেউজ-চাহৰ ধোঁৱা বলি আছিল। এনেতে মোক মনোৰমাই ক'লে, 'বিশ্বাস, চোৱাঁ, সেই টনছিল অপাৰেশ্যন কৰা বেমাৰীজন আমাৰ আগত থিয হৈ আছে।'

ভালকৈ চালোঁ। সঁচাযে আমাৰ সমুখত সেই মূৰ্তিমান ৰোগী, মাত্ৰ পাঁচ-সাত মিনিটৰ আগতে যিজনৰ টনছিল অপাৰেশ্যন কৰা আমি চাই আহিছোঁ। আমি তেওঁৰ লগত কৰমৰ্দন কৰি একেলগে ফটো তোলাৰ লোভ চম্ভালিব নোৱাৰিলোঁ।

মই সুধিলোঁ, 'আপুনি এতিযা যায ক'লৈ?'

তেওঁ উত্তৰ দিলে, 'হুই চালা'—অৰ্থাৎ 'ঘৰলৈ যাওঁ আৰু।'

যেনিবা ছেলুনত চুলি-দাঢ়ি খুৰোৱাই গৈ আছে।

কিমাশ্চর্য্যমতঃপৰম্! পাঠকবর্গই বুজিছেই, এই ঘটনাৰ আটাইখিনিয়েই হ'ল আকুপাংচাৰৰ ভোজবাজী। আমি ভাইছ ডাইৰেক্টৰ আৰু চীফ ছাৰ্জনৰ লগত কথা পাতি আছিলোঁ। চীফ ছাৰ্জনে ক'লে, 'চিকিৎসা শাস্ত্ৰত মাও-ৰ চিন্তাক প্ৰয়োগ কৰিয়েই আমি এই সাফল্য আৰ্জিছোঁ। আমি জানো, চিকিৎসা-শাস্ত্ৰত মাও-ৰ চিন্তা বুলি কোৱাৰ লগে লগেই পাশ্চাত্যৰ চিকিৎসা-বিজ্ঞানীসকল জাণ্ডুৰ খাই উঠিব।'

মোৰ মনত পৰিল, ১৯৫৯ চনৰ জুন মাহত মই আঠে বছৰ চীনদেশত কটাই, ইউনান প্ৰদেশৰ ৰাজধানী কুন্‌মিং হৈ দেশলৈ উভতি আহিব ধৰোঁতে কুন্‌মিং হোটেলত আমাৰ দেশৰ বিশিষ্ট চিকিৎসা-বিজ্ঞানী হফকিন্স ইনষ্টিটিউটৰ তদানীন্তন ডাইৰেক্টৰ আৰু লেনিন শান্তি-পুৰস্কাৰেৰে সম্মানিত মেজৰ জেনাৰেল শোখে-ই উম্মাৰে সৈতে কোৱা কথাবোৰ। বতৰ বেযা হোৱা বাবে কুন্‌মিঙৰপৰা ৰেংগুনৰ প্লে'ন চলা-চল তিনি দিনৰ বাবে বন্ধ আছিল। হোটেলখনত আমি দুজনহে ভাৰতীয। এতেকে অতি স্বাভাৱিকভাৱে আৰু সহজতেই আলাপ জমি উঠিল। তেওঁ ইমান কম দিনৰ ভিতৰতে নানা দিশত চীনদেশৰ বিকাশ লাভ চাই মুগ্ধ হৈছিল। সেই বিষযে সপ্ৰশংসভাৱে কৈ কৈ হঠাতে কোৱাৰ সুৰ সলাই মোক সুধিলে, 'বাৰু মিঃ বিশ্বাস, আপুনি তো ইযাত বহু দিন ধৰি আছে। মাও চে তুং নিশ্চয় মেডিকেল ম্যান নহয। চীনত পাৰ্টিৰ কেন্দ্ৰীয কমিটিত মেডিকেল ছায়েন্সৰ মানুহ কেইজন আছে বাৰু? তেওঁলোক চিকিৎসা-বিধিৰ ওপৰত হুকুমনামা জাৰী কৰে কেনেকৈ নো? এই অধিকাৰ বাৰু তেওঁলোকৰ আছে নে? চীনৰ কেইটামান হস্পিটালত মাও চে তুঙৰ নিৰ্দেশত ডাক্তৰসকলৰ লগত চীনৰ প্ৰাচীন বেজ-বেজিনীহঁতকো একেদৰেই সমান অধিকাৰ দিযা হৈছে। মাও-এ হেনো কৈছে, চীনৰ চিকিৎসা-বিধিৰ লগত পাশ্চাত্য-চিকিৎসা-বিধিৰ সমন্বয় ঘটাব লাগিব। বিজ্ঞান বিজ্ঞানেই—ই এক আৰু অবিভাজ্য, তাৰ আকৌ

প্রাচ্য-পাশ্চাত্য নো কি? চীনৰ প্ৰাচীন চিকিৎসা-বিধি কিমান দূৰলৈ বিজ্ঞানসম্মত তাৰ বিচাৰ-খোচাৰ নকৰাকৈয়েই অকল চৈনিক বুলিয়েই সেই প্ৰথাৰ প্ৰচলন কৰিব লাগিব নে? ই হ'ল এবিধ জাতীয় গোৱাৰামিহে।'

শ্বিজিয়াচুৱানত চৈনিক পদ্ধতিৰ এনেস্থেছিয়া চাই অহাৰ পাছতো মেজৰ জেনাৰেল শ্বোখেই জী থকাহেঁতেন তেওঁলৈ শ্বেক্সপীয়ৰীয় ভাষাৰে চিঠি লিখি ক'ব পাৰিলোঁহেঁতেন: 'স্বৰ্গ আৰু মৰ্ত্যত বহুতো বিষয় আছে হোৰেশ্বিঅ', যি তোমাৰ দৰ্শনৰ স্বপ্নাতীত।'

কিন্তু অকল শ্বোখেই নহয়, চীনদেশতো শ্বোখেৰ মনোভাবাপন্ন বহুতো চিকিৎসক আছিল, যিসকলে বিজ্ঞানৰ দোহাই দি মাও-ৰ নিৰ্দেশক বহু দিন ধৰি অগ্ৰাহ্য কৰিছিল, আৰু তেওঁলোকেই লিউ শ্বাও চি-ৰ তথাকথিত 'বিজ্ঞান আৰু বিশেষজ্ঞ' নীতিক জীপাল কৰি তোলাত অৰিহণা যোগাইছিল।

কিন্তু সাংস্কৃতিক বিপ্লৱে তেওঁলোকৰ বাধাৰ সকলো ভেটা ভাঙি দিলে।

১৯৫৮ চনত, বিগ লীপ ফৰ'ৱাৰ্ডৰ কালছোৱাত চীনদেশৰ সুপ্ৰাচীন চিকিৎসা-বিধিৰ প্ৰচলনৰ আন্দোলন আৰম্ভ হ'ল। মই তেতিয়া যিখন স্বাস্থ্যনিবাস আৰু হস্পিটালত আছিলোঁ তাতেই প্ৰথম চীনা বেজৰ আবিৰ্ভাৱ ঘটিছিল। ঠিক আমাৰ গাঁৱলীয়া কবিৰাজী চিকিৎসাৰ ধা-ধৰণেৰে বিভিন্ন ৰকমৰ গছ-গছনি-শিপা-গুল্ম-লতা-পাতেৰে আৰম্ভ হৈ গ'ল দৰৱ বনোৱাৰ ধুমধাম। ব্যস্ততাৰ ব্ৰহ্মযজ্ঞ লাগি পৰিল। গোটেইখন হাস্পতাল দৰবৰ গোন্ধত আমোল-মোলাই গ'ল। ঠিক তেতিয়াই এটা আন্দোলন আৰম্ভ হোৱাৰ কথা মোৰ মনত আছে।

কিহৰ আন্দোলন?

গাঁৱে-ভূঁএে জৰা-ফুকা বেজালি জনা যিমান মানুহ-মুনিহ আছে তেওঁলোকৰপৰা সেইবোৰৰ সন্তেদ উলিউৱাৰ আন্দোলন। এই বিষয়তো চীনদেশৰ অন্যান্য বিষয়ৰ দৰেই এটা উল্লেখযোগ্য গণ-

অভিযান আৰম্ভ হৈছিল। আমাৰ দেশৰ দৰেই, চীনদেশতো এইবোৰ বেজালি জনা মানুহে এই বেজালিৰ ৰহস্য বংশানুক্ৰমে গুপুতে ৰাখিছিল। তাৰ এটা কাৰণ আছিল অৰ্থকৰী, আনটো হ'ল কুসংস্কাৰ। গোপনতা ভংগ কৰিলে হেনো দৰবৰ গুণ নষ্ট হৈ যায় বুলি তেওঁলোকৰ বিশ্বাস আছিল। বিপ্লৱোত্তৰ চীনত অৰ্থকৰী প্ৰশ্নটো নাছিল। কিন্তু বংশানুক্ৰমে গোপন ৰখাৰ অভ্যাসটো সেইবুলি নো এদিনতে এৰে কেনেকৈ? ব্যাপক গণ-প্ৰচাৰৰ ফলত এজন-দুজন-দহোজনকৈ হেজাৰে-বিজাৰে তেওঁলোকৰ দৰবৰ গুপুত সূত্ৰ লৈ ওলাই আহিবলৈ ধৰিলে। চীনৰ চিকিৎসকসকলে এইবোৰ বিশ্লেষণ কৰি বহুতো অমূল্য দৰব পালে। এইবোৰ দৰব চীনদেশতকৈ আমাৰ দেশৰ জলবায়ুৰ বহু বেছি অনুকূল। আমাৰ দেশতো—গাঁৱৰ ফালে—ডাক্তৰে যমৰ আলহী হোৱাৰ লাইছেন্স দি থৈ যোৱা বেমাৰীযে এইবোৰ দৰবেৰে কেতিয়াবা কেতিযাবা ভাল হৈ উঠা দেখিছোঁ। কিন্তু অবজ্ঞাৰ ফলত, এক অবুজ অৱহেলাৰ ফলত আৰু পাশ্চাত্য বিজ্ঞানৰ অন্ধ দাসত্বৰ ফলত আমি এনেবোৰ বহুতো সোণসেৰীযা দৰব হেৰুৱালোঁ।

মাও-ৰ 'দুই ভৰিৰে খোজ লোৱা'ৰ নীতিৰ ফলতেই পাশ্চাত্য আৰু চৈনিক চিকিৎসা-প্ৰণালীযে সমান মৰ্য্যাদা পালে। কিন্তু মই যিমান সহজে লিখিছোঁ, বা আপুনি পঢ়িছে, সিমান সহজে ঘটা নাছিল। সেইবাবে হস্পিটালৰ প্ৰশাসক, ডাক্তৰ, নাৰ্ছ, জাৰুদাৰ, মেতৰ, আটাইৰে মানুহ সম্পৰ্কত এটা নতুন পৰিৱৰ্তনৰ আন্দোলনে গা কৰি উঠিছিল আৰু এই আন্দোলনৰ ঘাই মাধ্যম আছিল কায়িক শ্ৰম।

সেই দিনটাৰ কথা মই পাহৰিব পৰা নাই, যিটো দিনত হস্পিটালৰ ছুপাৰিনটেণ্ডেণ্টৰপৰা আৰম্ভ কৰি মৰং-চোৱালৈকে আটাইয়েই ধোৱা-পখলা কৰি, চাফ-চিকুণাই হসস্পিটালখনক ফু মাৰি ভাত খাব পৰা কৰি তুলিবলৈ ব্যস্ত। কল্পনা কৰক, আমাৰ মেডিকেল কলেজৰ চুপাৰিনটেণ্ডেণ্টে জাৰুদাৰ-মেতৰহঁতৰ লগ লাগি হস্পিটাল চাফা কৰিবলৈ লাগি গৈছে।

এই ঘটনাটোক তেতিয়া বৰ অদ্ভুত বুলি বোধ হৈছিল, যদিও আজিৰ চীনদেশত ইয়েই অতি স্বাভাৱিক হৈ উঠিছে আৰু এই কাযিক শ্ৰমৰ যোগদিয়েই পাশ্চাত্য শিক্ষাত শিক্ষিত ডাক্তৰ সকলৰ অভিমান চূৰ্ণ হৈছে।

কিন্তু ১৯৫৯ চনৰপৰা ১৯৬৬ চনলৈকে লিউ শ্বাও চি-পন্থীহঁতে এই 'ছুই ভৰিৰে খোজ লোৱা'ৰ নীতিক প্ৰাণপণে বাধা দি আহিছিল। সাংস্কৃতিক বিপ্লৱে এই বাধা চূৰ্ণ কৰিছে আৰু চীনা চিকিৎসাবিধিত যে কি অবিশ্বাস্য ৰূপান্তৰ ঘটাইছে এতিযা সেই কথা আলোচনা কৰিম।

প্ৰাচীন চীনৰ চিকিৎসা-বিধি আৰু পাশ্চাত্য চিকিৎসা-বিধিৰ সমন্বয় ঘটাবলৈ মাও চে তুঙৰ নীতিক প্ৰযোগ কৰিবলৈ লৈ ১৯৫৮ চনৰপৰা যি সংগ্ৰাম চলাবলগীয়া হৈছিল সেই বিষযে ছেগা-চোৰোকাকৈ আগতেই কৈ আহিছোঁ। সাংস্কৃতিক বিপ্লৱোত্তৰ চীনদেশীয় চিকিৎসা-বিধিৰ ৰূপান্তৰ বুজিবলৈ হ'লে চীনা চিকিৎসা-বিধি সম্পৰ্কে অলপ জানি লোৱা আৱশ্যক।

আঠৈ হেজাৰ বছৰৰ আগতে যিখন গ্ৰন্থত চৈনিক চিকিৎসা-শাস্ত্ৰীয সূত্ৰ লিপিবদ্ধ হৈছিল সেই গ্ৰন্থখনৰ নাম 'নেই-চিং'। চীনৰ বিখ্যাত পীত সম্ৰাট 'হোৱাং তি'ৰ নাম নেই চিঙৰ লগত জড়িত। গ্ৰন্থখন ছুটা খণ্ডত, ওঠৰটা ভল্যুমত প্ৰকাশিত হৈছিল। চৈনিক চিকিৎসা-বিধিৰ প্ৰামাণ্য গ্ৰন্থ হিচাপে আজিও এই গ্ৰন্থখন আদৃত। তাং সম্ৰাট সকলৰ আমোলত (৬০০—৯০০ খ্ৰিঃ) এই চিকিৎসা-বিধিযে বিৰাট ব্যাপ্তি লাভ কৰিছিল আৰু চীনদেশত তেতিযাই হে প্ৰথম ৰাজকীয চিকিৎসা-বিদ্যা সন্থা স্থাপিত হৈছিল।

প্ৰাচীন চীনা চিকিৎসা-বিধি 'চুং ঈ' তাওবাদী (Taoist) দৰ্শনৰ ভেটিৰ ওপৰত থিয় হৈ আছে। মানুহৰ দেহ, তাৰ জীৱনী-শক্তি আৰু ব্যাধিৰ আক্ৰমণৰ ব্যাখ্যা শুনিলে ইযাক এক আধিদৈৱিক বিষয বুলিহে বোধ হয। আমাৰ দেশৰ বাউল বা ফকীৰৰ সাধনাৰ বা দেহা-বিচাৰৰ কথাটো মনত ভাহি উঠে। 'মূলাধাৰ চক্ৰ', 'মণিপুৰ চক্ৰ'

আদি ষট্‌চক্রৰ অৱস্থিতি আৰু ইডা, পিঙ্গলা, সুষুম্না নাডী-বাহিত ত্রিস্রোত ধাৰা আদি যেনেকৈ আমাৰ শৰীৰ-বিজ্ঞানী সকলে ঢুকি পোৱা নাই, ঠিক তেনেকৈয়ে চীনা শৰীৰ তত্বৰ বিশ্লেষণকো পাশ্চাত্য বিজ্ঞানে ঢুকি নাপালে।

নেই চিঙত কোৱা হৈছে যে, মানুহৰ শৰীৰৰ ভিতৰত যি জীৱনী-শক্তি (vital energy) আছে, সেই জীৱনী-শক্তি দুটা পৰস্পৰ বিপৰীত-ধৰ্মী শক্তিৰ যোগেদি প্ৰবাহিত হয়। এটাৰ নাম 'ইন্', আনটোৰ নাম 'ইযাং'। ইন্ হ'ল ঋণাত্মক (negative) আৰু ইয়াং হ'ল ধনাত্মক (positive)। ইন্ হ'ল স্ত্ৰী, ইযাং হ'ল পুৰুষ, ইন্ চন্দ্ৰ, ইয়াং সূৰ্য্য। এই দুযোৰো ভাৰসাম্যয়েই দেহক সুস্থ ৰাখে। এই ভাৰসাম্য নষ্ট হ'লে দেহ অসুস্থ হয়। দেহৰ যি চৌধ্যটা প্ৰণালীযেদি দেহৰ জীৱনী-শক্তি 'ছি' প্ৰবাহিত হয় তাৰ নাম 'চিং মাই'—ইংৰাজীত যাক বোলা হয় meridian। 'চিং মাই'ৰ বহুতো শাখা প্ৰণালী আছে যিবোৰক চীনা ভাষাত 'চিং লুও' বুলি কোৱা হয়। এই চিং মাই আৰু চিং লুৰ ওপৰতে প্ৰায় সাতশটা 'শুৱে ৎৱে' বা point আছে—যিবোৰ pointত আকুপাংচাৰ কৰা হয়। আমাৰ দেশৰ কবিৰাজ সকলৰ দৰেই চীনৰ প্ৰাচীন চিকিৎসক সকলৰ ৰোগ নিৰ্ণযৰ প্ৰধান উপায় হ'ল নাডী-পৰীক্ষা।

কেণ্টনত আছিল এগৰাকী খ্যাতনামা প্ৰাচীন চীনা চিকিৎসক। ১৯৫৭ চনত মই প্ৰথম বাৰৰ বাবে চীনলৈ যোৱাৰ পাছত মোক এওঁৰ ওচৰলৈ লৈ অহা হ'ল। তেওঁ কেণ্টন চহৰৰ এমূৰত ধুনীযা দুমহলীয়া ঘৰ এখনত বাস কৰিছিল। এই ঘৰখন চৰকাৰে তেওঁক তেওঁৰ গৱেষণাৰ সুযোগ-সুবিধাৰ বাবে দিছে। তেওঁৰ চেহেৰা-পাতিও আমাৰ দেশৰ প্ৰাচীন কবিৰাজ সকলৰ দৰেই। গাত এটা সৰু চোলা, ভৰিত কাঠৰ খৰম, থুতৰিত একোচা দাঢ়ি, চুলি বৰ চুটি চুটিকৈ কটা, নাকৰ ওপৰত ওলমি পৰা চচমাৰ তলত চকুযুৰি মুদি নানান পদ্ধতিৰে

প্ৰায আধা ঘণ্টা ধৰি মোৰ নাড়ী টিপি-টাপি চাই-চিঁতি চীনা ভাষাত এখন প্ৰেছক্ৰিপছন লিখি দিলে মোক একো নোসোধাকৈয়েই।

আমাৰ দেশত চীনা চিকিৎসা-পদ্ধতি বুলি ক'লে মানুহে সাধাৰণতে আকুপাংচাৰৰ কথাটোহে বুজে। কিন্তু সি ঠিক নহয়। চীনা চিকিৎসা-বিধি এটা সামগ্ৰিক শাস্ত্ৰ। চীনৰ শ্ৰেষ্ঠ ভেষজ-বিজ্ঞানী নামেৰে খ্যাত লি শ্বি চেনে তেওঁৰ আজীৱন সাধনাৰে চীনা চিকিৎসা-বিধিৰ যি মেটেৰিযা মেডিকা সৃষ্টি কৰি গ'ল সি আজিও চীনৰ চিকিৎসা শাস্ত্ৰৰ এক বিৰাট বিস্ময। এই মেটেৰিযা মেডিকাত আছে ১৮৯২ টা ঔষধৰ নাম আৰু দহ হেজাৰতকৈও বেছি ব্যৱস্থা-পত্ৰ বা প্ৰেছক্ৰিপশ্যন। মাথোন ঔষধতেই নহয, শল্য-চিকিৎসাতো প্ৰাচীন চীনদেশ আছিল অতি উন্নত।

হান্ ৰাজবংশৰ আমোলত হুযা তো নামৰ এগৰাকী বিখ্যাত শল্য চিকিৎসকৰ নাম জনা যায। তেওঁ ফিজিঅ'থেৰাপিৰ এটা ছিষ্টেম বা প্ৰণালী আৱিষ্কাৰ কৰিছিল।

ডাঃ হুৱা তো-ৰ সম্পৰ্কে চীনদেশৰ প্ৰাচীন উপন্যাস 'ছান্ কুযো'ত (The Romance of the Three Kingdoms) উল্লেখ পোৱা যায।

সম্ৰাট ছাওৎছাও প্ৰচণ্ড শিৰঃপীড়াত (মূৰৰ বেমাৰ) আক্ৰান্ত হ'ল। তেওঁ সম্ৰাটৰ মূৰত টিউমাৰ হোৱা বুলি সাব্যস্ত কৰি মূৰত অপাৰেশ্যনৰ ব্যৱস্থা দিলে। সম্ৰাটে এই ব্যৱস্থাক তেওঁক হত্যা কৰাৰ আঁচনি বুলি ভাবিলে। তেতিযা সম্ৰাটৰ আদেশ মতে হুৱা তো-ৰ শিৰশ্ছেদ কৰা হ'ল।

এইবেলি চীনলৈ গৈযেই পাশ্চাত্য আৰু চৈনিক চিকিৎসা বিধিৰ সমন্বযৰ যি প্ৰথম দৃষ্টান্তটো দেখিলোঁ, সি হ'ল তিয়েনছিং অৰ্থোপিডিছ হস্পিটালত ভগা হাড যোৰা লগোৱাৰ নতুন পদ্ধতি। ডাক্তৰসকলে ক'লে যে হাড যোৰা লগোৱাৰ চৈনিক আৰু পাশ্চাত্য দুযোটা পদ্ধতিযেই ত্ৰুটিপূৰ্ণ। সেয়েহে, তেওঁলোকে এই পদ্ধতিত সমন্বয় ঘটাই

এই নতুন পদ্ধতিটোৰ উদ্ভাৱন কৰিছে। তেওঁলোকৰ উদ্ভাৱিত নতুন প্লাষ্টাৰিং পদ্ধতিটোক ইংৰাজীত কোৱা হ'ল একাধাৰে mobilise-immobilise system। সাধাৰণ ভাবে যি স্প্ৰিণ্ট ব্যৱহাৰ কৰা হয় তাতকৈ বহুতো সৰু এটি স্প্ৰিণ্ট এই প্লাষ্টাৰিঙত ব্যৱহাৰ কৰা হয়। লগে লগে পৰ্য্যায়-ক্ৰমে অচল আৰু সচল পদ্ধতিৰে বেমাৰীক দ্ৰুত নিৰাময়ৰ কৰি তোলা হয়।

হস্পিটালত ঘূৰি ঘূৰি আমি বহুতো হাড-ভগা বেমাৰী চালোঁ। তিয়েনছিঙৰ এক নম্বৰ ফুটবল খেলুৱৈজনৰ সোঁ ভৰিৰ পিন্-বোন ভাগি গৈছিল। এই নতুন পদ্ধতিৰে চিকিৎসা কৰি তেওঁক ছয়-সপ্তাহৰ পাছত হস্পিটালৰ পৰা এৰি দিয়া হ'ল। তেওঁ কিছু দিনৰ ভিতৰত আকৌ খেলিবলৈ ধৰিলে আৰু তেওঁৰ খেলাৰ মানদণ্ড অলপো নিম্নগামী হোৱা নাছিল। ফুটবল খেলুৱৈজনৰ এই ঘটনাটোৰ আটাইখিনিযেই আমাক ফিল্মত দেখুউৱা হ'ল। এইবোৰ কথা-কাণ্ড সাংস্কৃতিক বিপ্লৱত নতুন চিন্তাৰ ফচল।

আমাৰ দেশত আৰু বিদেশতো আকুপাংচাৰ এনেস্থেছিযাই সাংস্কৃতিক বিপ্লৱোত্তৰ চীন সম্পৰ্কে সকলোকে আগ্ৰহী কৰি তুলিছে। কিন্তু সাংস্কৃতিক বিপ্লৱত মাথোন আকুপাংচাৰ এনেস্থেছিয়াই নহয় —চিকিৎসা-শাস্ত্ৰৰ অন্যান্য দিশতো একেদৰেই বিপ্লৱ সংঘটিত কৰিলে। আজিৰ চীনদেশত যি দহলাখ বেযাৰ ফুট বা নগ্নপদ ডাক্তৰ আছে (এওঁলোক শুদা ভৰিত নাথাকে। কিন্তু গাঁৱত খেতি-বাতিৰ কাম চলি থকা সময়ত এওঁলোকে শুদা ভৰিৰে চলিছিল বুলি বিদেশীয়ে এওঁলোকক বেযাৰ ফুট বা নগ্নপদ ডাক্তৰ বুলি কৈছিল) তেওঁলোকৰ মাজত কোনো এজনো পূৰাপূৰিকৈ ডাক্তৰ নহয়।

কিন্তু তেওঁলোকে কামৰ মাজেদি যিধৰণৰ আকুপাংচাৰ আৰু অন্যান্য চৈনিক পদ্ধতিৰে আৰু প্ৰাথমিক পাশ্চাত্য চিকিৎসাবিদ্যাত

পাকৈত হৈ উঠিছে—তাৰে পুৰণি শিক্ষালয়ৰ ধ্যান-ধাৰণাকো চীনে বদলি দিছে।

সাংস্কৃতিক বিপ্লৱোত্তৰ চীনৰ এনেকুৱা এজন চিকিৎসা-শাস্ত্ৰত অজ্ঞ মুক্তিফৌজৰ চিকিৎসক সকলৰ এজন আৰ্দালী, এক অচিন্ত্যনীয় ঘটনাৰ নায়ক হৈ উঠিল। আৰ্দালীৰ কাম কৰি থাকোঁতেই চিকিৎসাৰ প্ৰতি তেওঁৰ মনত গভীৰ আগ্ৰহৰ সৃষ্টি হ'ল। তেওঁ মাও চে তুঙৰ দুটা কথা গভীৰ ভাবে হৃদয়ংগম কৰিছিল এটা হ'লঃ প্ৰযুক্তিৰপৰা কামৰ উৎপত্তি, আৰু দ্বিতীয়টো হ'লঃ চিকিৎসা আৰু স্বাস্থ্য-সংক্ৰান্ত কামত প্ৰধান লক্ষ্য হ'ব গ্ৰামাঞ্চল।

এওঁৰ নাম চাও পু-ইউ। ১৯৬৮ চনৰ মাৰ্চ মাহত কিৰিন প্ৰদেশৰ লিযাও ইউযান চহৰত কলা আৰু বোবাসকলৰ স্কুলত মুক্তি-ফৌজৰ এটি মেডিকেল টীম পঠোৱা হ'ল। ডাক্তৰৰ সাহায্যকাৰী মানুহ হিচাপে সেই টীমটোৰ লগত চাও পু ইউ গৈছিল। এই টীমত কাম কৰোঁতে চাও পু ইউৱে দ্ৰুত-গতিত আকুপাংচাৰ আযত্ত কৰিবলৈ ধৰে আৰু এই বিষযে-অধ্যযন কৰে। ওৱাং কুযেই নামৰ এজন শ্ৰমিকে প্ৰায দহ বছৰলৈকে আৰ্থ্ৰাইটিছ-বেমাৰত ভুগি জীযাতু ভুগি জুৰুলা হৈছিল। চাও পু-ইউযে এওঁক চিকিৎসা কৰি সুস্থ কৰি তুলিলে।

তেওঁৰ এই প্ৰথম সাফল্যত অনুপ্ৰাণিত হৈ চাও পু-ইউৱে নিজৰ দেহৰ ওপৰতে নানা ধৰণৰ জটিল আকুপাংচাৰৰ পৰীক্ষা-নিৰীক্ষা দিনে-নিশাই চলাবলৈ ধৰিলে।

এই টীমটো, লিযাও ইউৱান চহৰত বোবা-কলা স্কুল যেতিযা পালেগৈ তেতিযা তাৰ শিশুইঁতে তেওঁলোকক আগুৰি ধৰিলে। এই শিশুসকলৰ মাজৰ এজনী ছোৱালী, নাম তাইৰ ওৱাং ইযা চিন্, চাও পুই-ৰ চোলাত ধৰি আঁজুৰিলে। চাও পু-ইউযে ছোৱালীজনীলৈ চালে।

ছোৱালীজনীয়ে মাও চে তুঙৰ ফটোৰ পিনে চাই কিবা ক'ব খুজিছে যেন।

স্কুলৰ শিক্ষকসকলে চাও পু-ইউক বুজালে যে বোবা ছোৱালী-জনীয়ে চিঞৰি ক'ব খুজিছে 'মাও-চু-শ্বি ওৱান শ্বোৱে' অর্থাৎ 'চেয়াৰম্যান মাও দীর্ঘজীৱি হওক'। কিন্তু তাই যে চিঞৰি ক'ব নোৱাৰে, সেযেহে তাইৰ কষ্ট। চাও পু-ইউ আৰু মেডিকেল টীমৰ সকলোটিয়েই অভিভূত হৈ পৰিল আৰু বোবা-কলাইঁতৰ চিকিৎসাত আত্মনিযোগ কৰিলে। চাও পু-ইউয়ে ওৱাং ইয়া চিনৰ ওপৰত পৰীক্ষা চলাই থাকিল। তেওঁ যিটো পয়েণ্টত বেজি বিন্ধাইছিল, মূৰৰ পিছ ফালে ডিঙিৰ ওপৰৰ সেই পয়েণ্টটোৰ নাম 'ইয়ামেন'। চীনা চিকিৎসা-বিধিত ই হ'ল এক নিষিদ্ধ অঞ্চল। তাত ৫ ফে'নতকৈ অধিক গভীৰত বেজি বিন্ধোৱাটো বৰ বিপদজনক কথা। ফে'ন হ'ল বেজিৰ দৈর্ঘ্যৰ এটা ইউনিট।

চাও পু ইউয়ে-সেই নিষিদ্ধ-অঞ্চলত পাঁচ ফে'নতকৈ বহু দলৈকে বেজি বিন্ধাই থাকিল। কিন্তু এই কাম বিপদজনক বুলি জানিছিল। আৰু সেয়ে পোনতে নিজৰ ওপৰত নিজে কেইবাৰ মান পৰীক্ষা কৰিহে-ছোৱালীজনীৰ ওপৰত প্ৰযোগ কৰিছিল। নিজৰ ওপৰত এই পৰীক্ষাত যিকোনো সময়ত কিবা অঘটন ঘটিব পাৰে বুলি জানি তেওঁ সদায় এই ফলাফল লিখি ৰাখিছিল। অৱশেষত এদিন তেওঁ সফল হ'ল। বোবা-কলা ছোৱালীজনীয়ে—ওযাঙে এ দিন তাইৰ পিছফালৰ পৰা তেওঁৰ হাত-চাপৰিৰ শব্দ শুনিলে। ক্ৰমে ক্ৰমে ওয়াঙৰ পূর্ণ শ্ৰৱণশক্তি ঘূৰি আহিল। চাও পু-ইউৰ এই সাফল্যত অনুপ্ৰাণিত হৈ গোটেই মেডিকেল টীমটোৱে সেই কলা-বোবা স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলক চাও পু-ইউৰ পদ্ধতিৰে চিকিৎসা কৰি অবিশ্বাস্য ফল লাভ কৰিলে। এইদৰে সেই স্কুলৰ ৯০ শতাংশ কলা-বোবা ল'ৰা-ছোৱালীয়ে স্বাভাৱিক জীৱন ঘূৰাই পালে।

চীনদেশত এটি প্ৰবাদ আছে—'লৌহ-বিৰিখত ফুল ফুলাটো, বোবাই কথা কোৱাৰ দৰেই'।

আজি, সাংস্কৃতিক বিপ্লৱোত্তৰ চীনদেশত সঁচাযে লৌহ-বিৰিখতে ফুল ফুলিছে আৰু বোবাসকলে একেলগে গাইছে—'তুং ফাং হোং'—'পূব দিশ ৰঙা, সূৰুযৰ আভাৰে'।

নতুন চীনৰ নাৰী

এইবাৰ চীনলৈ গৈ এটা বস্তু একদম চকুত নপৰিল। চুটি চুটি ভৰিৰে লেহেৰাই লেহেৰাই খোজ দি দি শামুকীয়া গতিৰে লেচাৰিৰ ছন্দেৰে গৈ থকা আইতাক-বুঢ়ী আইতাক সকলৰ সেই অদ্ভুত খোজ-কাটল। ই আছিল অতীতৰ চীনৰ বন্দিনী নাৰীত্বৰ এক জীৱন্ত চিত্ৰ।

যোৱা ১৫ বছৰত এই বন্দিনী আইতাক-বুঢ়ী আইতাক সকলৰ বংশ লোপ পাইছে। অথচ প্ৰাচীন কাব্য-সাহিত্যত সেই পেঙুৱা ভৰিক কোৱা হৈছিল 'চিন্ লিযেন্' অৰ্থাৎ 'সোণৰ পদুম' বুলি। যিখন সামন্ত সমাজৰ মূল কথা হ'ল 'নাৰী নৰকস্য দ্বাৰঃ', সেইখন সমাজৰে বাহিৰ ফালৰ ছাইনৱ'ৰ্ডখনত পণ্ডিতবৰ্গই লিখিলে: 'যত্ৰ পূজ্যতে নাৰী ৰম্যন্তে তত্ৰ দেৱতা'।

মুক্তিৰ বহু আগতে, ১৯১৯ চনত যিখন চহৰত মাও চে তুঙৰ বাল্য-কাল অতিবাহিত হৈছিল সেই চাংছা চহৰত চাও নামৰ এজনী ছোৱালীয়ে, তাইৰ মাক-দেউতাকে জোৰ কৰি তাইৰ বিয়া দিয়াৰ প্ৰতিবাদত আত্মঘাতী হৈছিল। এই ঘটনাৰ ফলত চহৰখনত আলোড়নৰ সৃষ্টি হ'ল। এই ঘটনাক কেন্দ্ৰ কৰি সামন্ত আৰু সাম্ৰাজ্যবাদ-বিৰোধী মুক্তি-সংগ্ৰামৰ পৰিপ্ৰেক্ষিতত চীনৰ নাৰীমুক্তি সম্বন্ধে মাও-এ কেইটিমান প্ৰবন্ধ লিখিছিল। সেই প্ৰবন্ধসমূহৰ এঠাইত তেওঁ কৈছিল যে, যিস্থলত চীনৰ পুৰুষৰ ওপৰত থিয় হৈ আছে তিনিটা শোষণৰপাহাৰ, সেইস্থলত নাৰীৰ ওপৰত আছে চাৰিটা, কিয়নো পুৰুষে আকৌ নাৰীকো শোষণ কৰে।

এই তিনিটা পাহাৰক চূৰ্ণ-বিচূৰ্ণ কৰিযেই চীনৰ মুক্তি সাধিত হৈছিল। কিন্তু চতুৰ্থ পাহাৰটো মুক্তিৰ পাছৰপৰাহে ভঙাৰ পাল পৰিছিল আৰু এইবেলি দেখিলোঁ গৈ যে সেই পাহাৰটোৰো প্ৰায়

যাওঁ যাওঁ অৱস্থা। চীনৰ মুক্তিৰ কেই সপ্তাহ মানৰ ভিতৰতেই সমাজ ৰূপান্তৰৰ প্ৰথম কৰণীয় হিচাপে যিটো কাম চৰম গুৰুত্ব সহকাৰে হাতত লোৱা হৈছিল আৰু সুসম্পন্ন কৰা হৈছিল, সেই কামটো হ'ল—গণিকা-বৃত্তিৰ অৱসান আৰু গণিকাসকলক সমাজত পুনঃপ্ৰতিষ্ঠা কৰা। গণিকাবৃত্তি-জাত ছিফিলিছ, গণোৰিযা ইত্যাদি ব্যাধিয়ে প্ৰাচীন সমাজত ব্যাপ্তিলাভ কৰিছিল। গণিকাসকলৰ পুনৰ্বাসন আৰু এইবোৰ ব্যাধিৰ নিৰ্মূলীকৰণত চীনবাসী এগৰাকী আমেৰিকান চিকিৎসকে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁৰ চীনা নাম হ'ল ডা. মাও হাইতে। এই নামটিৰ অৰ্থ হ'ল 'সাগৰপাৰৰ মহত্ব'।

চীনৰ বিপ্লৱত আত্ম-নিবেদিত-প্ৰাণ মোৰ এইজনা বন্ধু ডা. মা হাইতেৰপৰা সিদিনাৰ সেই কাহিনী শুনিলোঁ—যি কাহিনী আজিৰ চীনৰ সমাজত সাধুকথাৰ দৰে হৈ আছে।

১৯৫০ চনত চীনদেশৰ বিবাহ আইনত আৰু ১৯৫৪ সংবিধানত কিন্তু সমাজত নাৰী আৰু পুৰুষৰ সৰ্বত্ৰ সমানাধিকাৰ বিধিবদ্ধ কৰা হয়। কেৱল আইন পাচ্ কৰিযেই যেনেকৈ গণিকা বৃত্তিক বন্ধ কৰিব নোৱাৰি, তেনেকৈয়ে নাৰী-পুৰুষৰ সমানাধিকাৰ আইন পাচ্ কৰিলেই প্ৰতিষ্ঠিত নহয়। তিনি হাজাৰ বছৰীযা সামন্তীয় ধ্যান-ধাৰণাৰ পৰিৱৰ্তন নঘটিলে, আৰু নতুন মানসিকতা গঢ়ি নুঠিলে, আইন যিমানেই নকৰক, সেই আইন ব্যৰ্থ হ'বই।

সেযেহে দেখিছোঁ, চীনত সমাজতান্ত্ৰিক পুনৰ্গঠনৰ লগে লগে অতি সচেতনতাৰে সৈতে প্ৰাচীন সমাজ-চিন্তাৰ বিৰুদ্ধে শিল্প-সাহিত্যত সকলোতে চিন্তাৰ মুক্তিযুদ্ধও চলোৱা হৈছে। এই কাম মুক্তিৰ দিনৰেপৰাই আৰম্ভ হৈছিল।

১৫ বছৰৰ আগতে, প্ৰথমবাৰ চীনলৈ গৈয়েই কনফুছীয সমাজ-চিন্তাৰ বিৰুদ্ধে প্ৰথম স্বাধিকাৰলব্ধ নাৰী সকলৰ অগ্ৰগতি সকলো ক্ষেত্ৰতেই লক্ষ্য কৰিছিলোঁ। আমাৰ মনুৰ বিধানৰ দৰেই কনফুছীয়-বিধানতো নাৰী আছিল বাল্যকালত পিতৃৰ অধীন, যৌৱনত;

স্বামীৰ আৰু বাৰ্ধক্যত পুত্ৰৰ অধীন। চীনৰ গাঁৱত কোনো মহিলাৰ নামটোও জনা নগৈছিল, কিযনো তেওঁক অমুকৰ মা, তমুকৰ ছোৱালী বা তেওঁৰ পৰিবাৰ বুলিযেই মতা হৈছিল। আমাৰ গাঁৱলীয়া জীৱনত এতিয়ালৈকো এই স্মৃতি নিৰবধি বৈ চলিছে।

প্ৰথমবাৰ চীনদেশলৈ গৈ এটা কথাত মই বৰ আচৰিত হৈছিলোঁ। তাত স্ত্ৰীয়ে স্বামীৰ উপাধি ব্যৱহাৰ নকৰে। তাত কোনো বিবাহিত মহিলাক মিছেছ বা শ্ৰীযুতা অমুকা বুলি সম্বোধন কৰা নহয়। সকলো বিবাহিতা মহিলাযেই পিতৃ-উপাধি ব্যৱহাৰ কৰে। আমি যিগৰাকী মহিলাক মাদাম ছান ইযাৎ সেন বুলি জানো, চীনৰ মানুহে তেওঁ স্যুং চিং লিং নামেৰেহে জানে।

তেতিয়া কোৱাণ্টুং প্ৰদেশৰ এক উষ্ণ-প্ৰস্ৰৱণ স্বাস্থ্য-নিবাসত থাকোঁতে আমাৰ 'কটেজ'ৰ কাষতেই আন এটা 'কটেজ'ত এগৰাকী মহিলা আছিল। মোৰ লগত প্ৰথম চিনাকিতে তেওঁৰ নাম তান্ ইং ছাও বুলি জানিলোঁ। কিন্তু এই বয়সিয়াল বগাচুলীয়া মহিলা গৰাকীক সকলোটিযেই তান্ তা-চিযে বুলি মাতে। তা-চিযে-ৰ অৰ্থ হ'ল বাইদেউ। সাধাৰণতে চীনৰ মানুহে এইদৰে কাৰোবাক সম্বোধন কৰা শুনা নাযায। অতি শ্ৰদ্ধাশীল সৰ্বজন-সন্মানিত কোনো বযসস্থ লোকৰ নামৰ পিছত 'লাও' যোগ কৰে তেওঁলোকে, আকৌ, সেইদৰে সন্মানিতা মহিলাৰ নামৰ পিছত 'তা-চিযে' শব্দটো ব্যৱহাৰ কৰে। কোন তেন্তে এই মহিলা গৰাকী? মোৰ মনত কৌতূহলে বাহ ল'লে। কোন এই মহিয়সী মহিলাগৰাকী? চীনত বহুদিন ধৰি পাৰ্টিৰ অতিথি হৈ থকতা কিছুমান সুবিধা মোৰ ওলাইছিল। সেই সূত্ৰ ধৰি অনুসন্ধান কৰি জানিলো তেওঁ হ'ল চীনৰ প্ৰধানমন্ত্ৰী চৌ এন্ লাই-ৰ পত্নী।

কিন্তু চৌ এন্ লাই-ৰ পত্নী হোৱা হেতুকেই তেওঁ তা-চিয়ে হ'ল নে? নহয়। মুঠেই নহয়। এটা তথ্য মই আগবে পৰাই জানিছিলোঁ

যে, যি কেইগৰাকী মহিলা লং মাৰ্চ্চত যোগ দিছিল চৌ এন্ লাই-ৰ পত্নী আছিল তেওঁলোকৰ অন্যতম।

এদিন তান্ তা-চিয়েই, মোৰ বিশেষ আমন্ত্ৰণত মোৰ ঘৰলৈ আহিল। বহু পৰলৈকে মোৰ লগত ঘৰুৱা আলাপ-আলোচনাত কটালে। তেওঁৰ অনিচ্ছা সত্বেও তেওঁৰ অতীত জীৱনৰ কথা লৈ আলোচনাৰ পাতনি তৰিলোঁ।

তেওঁ আৰু চৌ এন্ লাই একেলগেই তিয়েনছিং নৰ্মাল স্কুলত পঢ়িছিল। তেওঁলোক তেতিয়াই বিপ্লৱী ছাত্ৰ-আন্দোলনত সক্ৰিয় হৈ উঠিছিল। তেওঁ চৌ-ৰ লগত ফ্ৰান্সলৈ গ'ল। তাত তেওঁলোকে কমিউনিষ্ট যুৱ লীগ গঢ়ি তুলিলে। চীনলৈ উভতি অহাৰ পাছত ১৯২৭ চনত চিযাং কাই শ্বেকৰ বিৰুদ্ধে বিখ্যাত নানচাং বিদ্ৰোহত তেওঁ অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। সেই তেতিযাৰেপৰা বিপ্লৱৰ সুদীৰ্ঘ ওখোৰা-মোখোৰা বাটেদি দৃঢ় পদক্ষেপেৰে আগ বাঢ়ি আহিছে তা-চিয়েই। তেওঁ তেতিয়া চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ সভ্যা (১০ নং কংগ্ৰেছতো তেওঁ কেন্দ্ৰীয় কমিটিত নিৰ্বাচিতা হৈছে)। এই বিপ্লৱী নাযিকাই নিজৰ মাহাত্ম্যতেই হৈছে গৈ—চীনৰ জনসাধাৰণৰ তান্ বাইদেউ।

তেওঁৰ উপাধি চৌ নহয়, তান্। মাও চে তুঙৰ আজীৱন-বন্ধু আকাদেমী ছিনিকাৰ সভাপতি, বিশ্ববিখ্যাত ঐতিহাসিক, কবি-নাট্যকাৰ কুও মোজোৰ পত্নী আছিল মোৰ কাষৰীযা কেবিনটোতে—পিকিং হস্পিটালত। প্ৰতিদিন আবেলি পৰতে হস্পিটালৰ পিছ ফালৰ বাগিচাত গছ এজোপাৰ ছাঁত বেঞ্চিত বহি তেওঁৰ লগত মোৰ বিভিন্ন বিষয়ে আলাপ-আলোচনা জমি উঠিছিল। কুও মোজোৰ স'তে মোৰ গভীৰ চিনাকি। তেওঁৰ লগত মোৰ চিনাকি হৈছিল পিকিঙতে, বহু আগতেই। একেৰাহে দুদিন ধৰি মোৰ কাষৰীয়া কেবিনলৈ কুও মোজোক অহা দেখিলোঁ। মোৰ কৌতূহল হ'ল।

মই পোনে পোনেই সেই মহিলাগৰাকীক সুধিলোঁ, 'কুও মোজোৰ সৈতে আপোনাৰ বাৰু কিবা আত্মীয়তা আছে নেকি ?'

তেওঁলোকৰ মাজৰ সম্পৰ্কটোৰ কথা তেওঁ হাঁহি হাঁহি ক'লে। মই কেনেকৈ জানিম ? মোৰ কোনো উপায় নাছিল। তেৰেঁা মিছেছ কুও নহয়—তেৰেঁা তেওঁৰ পিতৃ-উপাধিয়েই ব্যৱহাৰ কৰে।

ৰুছীয় সকলৰ মাজতো দেখিছোঁ, মাখোতিনৰ পত্নী মাখোতিনা, গুৰ্গেনফৰ পৰিবাৰ গুৰ্গেনোফা—এনেকৈয়ে পৰিচিত আৰু ইযেই ৰেওয়াজ। পৃথিৱীৰ অন্যান্য দেশতো যিমানদূৰ জানো ৰেওযাজ এযেই। মাথোন আমাৰ দেশতে নহয়, 'তোমাৰ গৰৱতে গৰৱিনী মই' ভাবটো পৃথিৱীৰ নাৰী-সমাজৰ সকলোতে ব্যাপ্ত। কিন্তু আনৰ কথা বাদেই দিযক, চৌ এন্ লাই-ৰ পত্নী, কুও মোজোৰ পত্নীও 'স্বামীৰ গৰৱত গৰৱিনী' নহয়, তেওঁলোকৰ উপাধিৰ জেঁাৱাহি পিন্ধা নাই—ই নো কেনে কথা ? ইনো কেনেখন দেশ ?

কিন্তু সেই বুলি পাশ্চাত্য নালাগে, ভাৰতীয় ষ্টেণ্ডাৰ্ডতো (মাপ-কাঠিত) এওঁলোক মুঠেই আধুনিকা নহয। সাজ-পাৰ চলন-যুৰণ ধা-ধৰণ সকলোতে তেওঁলোকে প্ৰাচীন সমাজৰ শালীনতাবোধক পূৰাপূৰিকৈযে বজায ৰাখিছে। মহিলা সকলৰ মাজত ছিগাৰেট হোপাৰ প্ৰচলন প্ৰায চকুতেই পৰা নাই। যদিও, কোনো মহিলাই ছিগাৰেট হুপিলেও এই কথা লৈ কোনেও মূৰ নঘমাব। ডেকাল'ৰাইঁতৰ কোনো কোনোবাই বিশেষ বিশেষ অনুষ্ঠানত অলপ-অচৰপকৈ মদ নোখোৱা নহয়। কিন্তু মহিলাসকলে মদ পান কৰাটো মই জনাত নাই। তেওঁলোকে অৱেঞ্জ স্কোযাশ্ (সুমথিৰা টেঙাৰ ৰস) হাতত লৈয়েই স্বাস্থ্য পান কৰে। মুখত ৰুজ-লিপষ্টিক বাদেই, কৃত্রিম শোভাবৰ্ধক একো এটাও ব্যৱহাৰ নকৰে। অতীতৰ অভিজাত সমাজখনৰ প্ৰসাধন আৰু বিলাস-বিশেষজ্ঞইঁত নিবনুৱা হৈ পৰিছিল, যদিও এতিয়া তেওঁলোকক আন জীৱিকাত নিযুক্ত কৰা হৈছে। পাৰ্কত বহু ডেকা-গাভৰুক একেলগে বহি থকা দেখিছোঁ, দেখিছোঁ লে'কৰ পানীত

নাৱত উঠি ডেকা-গাভৰুৱে মিলি নৌকা-বিহাৰ। বুজাত অকণো কষ্ট নহয় যে এওঁলোক চাকৈ-চকোৱা। কিন্তু কোনো প্ৰকাৰ দৃষ্টিকটু বা অসংযত ব্যৱহাৰ মোৰ আঢৈ-বছৰীয়া দিনবিলাকৰ এদিনো মোৰ চকুত পৰা নাই। এই যে সংযম বোধ—এই সংযম দেখিছোঁ চীনৰ নাটক, অপেৰা, আৰু বোলছবিতো। মুক্ত চীনৰ সাহিত্য, উপন্যাস, চুটি গল্পতো এই সংযম সমভাবে লক্ষ্যণীয়।

আনহাতে দেখিলোঁ, কেৱল আইনৰ সমানাধিকাৰেই নহয়, কৰ্ম-জগততো সহস্ৰ বছৰ জোৰা বন্ধন দলিযাই পেলাই পুৰুষৰ লগত নাৰীযে সমভাবে কল-কাৰখানাত, যৌথ-পামৰ খেতিৰ পথাৰত, খনিত, বিশেষকৈ চিকিৎসা-বিভাগত, তেওঁলোকে পুৰুষৰ স'তে একে গতিৰে আগ বাঢ়ি গৈছে। সমাজতন্ত্ৰ গঠনৰ ক্ষেত্ৰত অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰি পুৰুষসকলে যেনেকৈ শ্ৰমবীৰ আখ্যা পাইছে, তেনেকৈয়ে মহিলাসকলেও শ্ৰম-বীৰাংগনা আখ্যাৰে ভূষিত হৈছে। চীনত পদবী গোলোঁতে এই একেটাই আছে, আৰু এই পদবীযেই আটাইৰে কাম্য।

যোৱা বাৰ মোৰ লগত বহুকেইগৰাকী শ্ৰম-বীৰাংগনাৰ চা-চিনাকি হৈছিল। দুগৰাকীৰ নাম মোৰ বিশেষকৈ মনত পৰিছে। এগৰাকী হ'ল টিযেনছিং সূতাকলৰ শ্ৰমিক ৱেৱাং শু্য চেন্। তেওঁ পাঁচবাৰ শ্ৰম-বীৰাংগনা আখ্যাত ভূষিতা হৈছিল। আন এগৰাকী হ'ল চাং ছিউ খ্বিযাং। এওঁ শ্বেংছি প্ৰদেশৰ এগৰাকী কৃষক মহিলা। তেওঁ কপাহ উৎপাদনৰ অভিনৱ পদ্ধতি উদ্ভাৱন কৰি সমগ্ৰ চীনদেশত খ্যাতি আৰ্জিছে। আকাদেমী ছিনিকাৰ তেৱেঁই প্ৰথম কৃষক-সদস্যা।

কিন্তু তেতিয়ালৈকো গাঁৱত কোটি কোটি কৃষক-পৰিয়ালৰ নাৰীয়ে আৰু চহৰাঞ্চলৰ বহু গৃহিণীযে ঘৰুৱা কাম-বন, সন্তান-পালন ইত্যাদি লৈযেই ব্যস্ত থাকিব লাগীযা হৈছিল। তেতিয়ালৈকো সমাজতান্ত্ৰিক-অৰ্থনৈতিক বুনিযাদ সিমান মজবুত হৈ উঠা নাই, আৰু চিন্তাৰ ক্ষেত্ৰতো কনফুছীয-ধ্যান-ধাৰণাৰ প্ৰভাৱো আছিল যথেষ্ট।

সাংস্কৃতিক বিপ্লৱেহে ওপৰিসোঁধৰ প্ৰাচীন ধ্যান-ধাৰণাৰ ওপৰত প্ৰচণ্ড আঘাত কৰি সামাজিক-অৰ্থ নৈতিক দিশৰপৰা নাৰীজাতিৰ সৰ্বাংগীণ মুক্তিৰ বাট মুকলি কৰিলে।

পোন্ধৰ বছৰৰ আগতে (মযো তেতিয়া চীনত) চীনৰ নাৰীৰ অতি সাধাৰণ সাজ-পাৰ—সেই নীলা চোলা আৰু নীলা পায়জামা আৰু অতি সংযত ধৰণ-কৰণলৈ চাই কিছু কিছু বিদেশীয়ে বিৰূপ মন্তব্য কৰা কাণত পৰিছিল। এইবেলি গৈ চালোঁ, এওঁলোকৰ জীৱনত প্ৰাচুৰ্য্য আহিছে। কমিউনৰ বিভাগীয় বিপণিবিলাক (departmental store) ৰং-বিৰঙী বস্তু-বেহানিৰে উপচি পৰিছে। ক্ৰেতাৰ ভিৰ দেখিলেই তাৰ প্ৰমাণ পোৱা যায়। চীনৰ তৈয়াৰী টেৰিলিন, টেৰিকট, নাইলন আদিৰে বজাৰ উপচি পৰিছে। ছোৱালীসকলৰ সাজ-পাৰতো উনৈছে বা বোলাব ধৰিছে। এওঁলোকৰ সাজ-পাৰতো বৰ্ণ-বৈচিত্ৰ্যৰ ধল। কিন্তু ইমান ৰং-ৰহণৰ মাজতো এটা কথা মন কৰিব-লগীয়া। এওঁলোকৰ সাজ-পাৰত নিতে-নৱ ফেশ্যনৰ ফস্তি নাই। আৰু এটা উল্লেখযোগ্য কথা হ'ল যে, উত্তৰ চীনৰ সিমূৰৰ এজনী গাঁৱলীয়া ছোৱালীৰ সাজ-পাৰৰ লগত সাংহাই নগৰৰ এজনী গাভৰুৰ সাজ-পাৰত মই কোনো পাৰ্থক্য দেখা নাই। কৃত্ৰিম সৌন্দৰ্য্য-বৰ্ধক কোনো বস্তুৰ সঁচো বিচাৰি পাবলৈ নাই এইখন দেশত। ডেকা-গাভৰুৰ সম্পৰ্ক অতি মাত্ৰাই সংযত। তেওঁলোকে ব্যক্তি-প্ৰেমক বৈপ্লৱিক চেতনাৰ উৰ্ধত স্থান নিদিয়ে। মাদাম লো, যিগৰাকীয়ে আমাৰ দোভাষীৰ কাম কৰিছিল, তেওঁৰ ভাষাত: 'প্ৰেম নিযোজিত হ'ব প্ৰলেতাৰীয় ৰাজনীতিৰ সেৱাত', অৰ্থাৎ বিপ্লৱৰ প্ৰেৰণাৰে ব্যক্তিগত প্ৰেমক মহত্বৰ স্তুতিৰে বোওৱা হ'ব।

স্বাচ্ছন্দ্য আহিলেই বিলাসিতাই মূৰ দাঙি উঠিব—তেনে কোনো কথা নাই। স্তালিন-আমোলত ৰুছিয়ালৈ যোৱা বুৰ্জোৱা ভ্ৰমণকাৰীহঁ'ত দেশলৈ উভতি গৈ কৈছিল: ৰুছ ছোৱালীহঁত বৰ খহটা। সৌন্দৰ্য্যচৰ্চা যে নাজানেই, প্ৰেম কৰিবলৈকো নাজানে ইহঁতি। বুৰ্জোৱা ভ্ৰমণকাৰী-

ইঁতে তেওঁলোকৰ লগত চটচটাই ফুৰা ৰচকী ছোৱালী নাপায়েই খণ্ডতে এইবোৰ কথা কৈছিল।

কিন্তু খ্ৰুশ্চফ চাহাবে ক্ষমতা হাতত পাই 'লৌহ যৱনিকা' গুচাই দশোদিশেদি বুৰ্জোৱা ভাবধাৰাৰ অবাধ স্ৰোত প্ৰবেশৰ বন্দবস্ত কৰি দিলে। আজিৰ ৰুছিয়াৰ যুৱক-যুৱতীসকলৰ ধৰণ-কৰণ চাল-চলনত তাৰ প্ৰত্যক্ষ প্ৰতিফলনো ঘটিছে।

এই প্ৰসংগত, এগৰাকী ছোভিয়েত-অনুৰাগী খ্যাতনামা বাঙালী লেখকৰ কিতাপৰপৰা অলপ উদ্ধৃতি দাঙি ধৰিলে আশা কৰো পাঠক-ৰাইজে বেযা নাপাব। এই কিতাপখনক ১৯৭৩ চনত 'ছোভিয়েত দেশ-নেহৰু পুৰস্কাৰেৰে' ভূষিত কৰা হৈছে। কিতাপখনৰ নাম: 'আজিৰ ৰাছিয়া'। লেখক মহোদযৰ নাম: ডঃ দিলীপ মালাকৰ। পেৰিছ-বাসী এই ভাৰতীয সাংবাদিকজন তিনি বাৰ ছোভিয়েতলৈ গৈছে। শেহতীয়া ভ্ৰমণৰ কালেছোৱাত এই সাংবাদিকজনৰ দৃষ্টিত ৰুছিয়াৰ যি পৰিৱৰ্তন ধৰা পৰিছিল, এওঁৰ সপ্ৰশংস দৃষ্টি আকৰ্ষণ কৰিছিল, এই কিতাপখনত তেওঁ সেইবোৰ কথা লিখিছে। তেওঁ লিখিছে:

> " অকল মস্কোতেই নহয, ছোভিয়েত দেশৰ যিকোনো চহৰলৈ গ'লেই মিনি স্কাৰ্ট, হট্ পেণ্ট, মেক্সি বেল-বটম আৰু সোলোক-ঢোলোক পেণ্ট বিস্তৰ দেখা যাব। দীঘল চুলি আৰু জুলফিৰ সংখ্যাও কম নহয। আজি-কালি বহু ধৰণৰ পচিমীয়া খাদ্য আৰু পানীয মস্কোত সুলভ্য, যিবোৰ বস্তু আজিৰপৰা দহ বছৰৰ আগতে আছিল দুৰ্লভ্য। সকলো কথাৰ আলেখ-লেখ লৈ এতিযা তাত আৰু সিমান কঠোৰতা নাই বুলিযেই ধাৰণা হৈছে। সকলোতে এতিযা এক উদাৰ-নৈতিক মনোভাব দেখা গৈছে।"

কিতাপখনৰ আন এঠাইত তেওঁ এজন ছোভিয়েত নাগৰিকৰ উক্তিৰ উদ্ধৃতিৰে তেওঁ লিখিছে:

"মোৰ কৌতূহলী দৃষ্টিলৈ চাই ইভানে ক'লে, 'আজি-কালিৰ ল'ৰা-ছোৱালীহঁতে কল-কাৰখানাত, অফিছত বেছ ভালেই আয়-উপাৰ্জন কৰিছে। সিহঁতৰ ৰুচিবো সলনি হৈছে। আৰু সেযে চোৱানা—কিমান যে ৰকম-বিৰকমৰ সাজ-পোছাক পিন্ধি-উৰি সাজ-কাচ কৰিছে চোৱা। অৱশ্যে সেইবুলি আমাৰ দেশত হিপি-টিপি নাই।"

তাৰ পাছত ড. মালাকাৰে লিখিছে :

"হাতত বাৰু পৰিমাণৰ পইচা আহিছে বাবে ইযাৰ মানুহে ফটিকাত পইচা নষ্ট কৰি স্বাস্থ্য নষ্ট কৰা দেখি ছোভিয়েত চৰকাৰে নতুন বাট বিচাৰি উলিযাইছে। মদ খোৱাৰ মাত্ৰা যাতে কমে, তাৰ বাবে মদৰ দাম পাঁচগুণ বঢ়োৱা হৈছে ।"

তাৰ পাছত এই একেখন কিতাপৰে আন এঠাইত লেখকে মন্তব্য কৰিছে :

"যোৱা কেইবছৰ মানৰপৰা ছোভিয়েত চৰকাৰে 'ভদ্‌কা' (এবিধ মদ) পান-বিৰোধী অভিযান চলাই আছে । কিন্তু তথাপি মদ খোৱাৰ মাত্ৰা অলপো তাকৰা নাই। জহকালিৰ নিশা বহুতৰেই টলং-ভটং অৱস্থা।"

আধুনিক ৰুছ ছোৱালীহঁতৰ সৌন্দৰ্য্য-চৰ্চা সম্বন্ধে লেখকে কৈছে :

"বহুতো ছোভিয়েত-ছোৱালীয়ে কৈছে যে, অন্যান্য দেশৰ ছোৱালীহঁতৰ দৰে তেওঁলোকেও বিভিন্ন ধৰণৰ গহনা-পাতিৰে সাজ-কাচ কৰি ভাল পায়, ভাল পায় সুগন্ধ আতৰ সানি, আৰু মুখশ্ৰী বৃদ্ধি কৰিবলৈ সকলো বিধৰ প্ৰসাধন-দ্ৰব্য ব্যৱহাৰ কৰাতো বৰ আগ্ৰহী, আৰু এতিয়া কৰিছেও। পঞ্চাছ বছৰীয়া এগৰাকী মহিলা ইনজিনীয়াৰে কৈছিল যে, দ্বিতীয় মহাযুদ্ধৰ আগছোৱাত, ষ্টালিনৰ আমোলত ইমান সৌন্দৰ্য্য-চৰ্চা নচলিছিল। এতিয়া সুগন্ধি বস্তুৰ প্ৰচলন কৰিছে। আনকি

তেওঁও তেওঁৰ বয়স কমাবলৈ নানাবিধৰ প্ৰসাধন-দ্ৰব্য এতিয়া ব্যৱহাৰ কৰিছে ।”

ছোভিয়েত-পৰিয়াল সম্পৰ্কে মালাকাৰ মহোদয়ৰ মন্তব্য বৰ প্ৰণিধানযোগ্য। তেওঁ লিখিছে :

“আজিৰ ৰুছ সমাজত পাৰিবাৰিক বন্ধন বহু দুৰ্বলৈকে শিথিল হৈ পৰিছে : সমাজত ব্যক্তি-স্বাধীনতা অতি প্ৰখৰ। তাৰ ফলত নিচেই কম বয়সত বিবাহাদি হয় আৰু বিবাহ-বিচ্ছেদো হয় বেছ ক্ষিপ্ৰগতিত।”

আৰু উদ্ধৃতি দিয়াৰপৰা বিৰত থাকিলোঁ। এইখিনিয়েই যথেষ্ট। প্ৰেম, পৰিয়াল, ব্যক্তি-স্বাধীনতা আদি সম্বন্ধে বুৰ্জোৱা অৱক্ষয়ী ধাৰণাত আচ্ছন্ন মালাকাৰ মহাশয়ে স্তালিন আমোলৰ ‘কঠোৰতা’ৰ পৰিৱৰ্তে বৰ্তমান ৰুছিয়াত ‘উদাৰনৈতিক’ মনোভাব চাই যে উলাহৰ মাদলি হৈ উঠিছে আৰু এই কথা যে সবৰে প্ৰচাৰ কৰিছে, সেই প্ৰচাৰৰ পুৰস্কাৰ স্বৰূপেই ভাৰতৰ ছোভিয়েত দূতাবাসে সগৰ্বে তেওঁক পুৰস্কৃত কৰিলে।

মস্কোৰপৰা প্ৰকাশিত ‘ছোভিয়েত উওমেন’ (Soviet Woman) নামক আলোচনীখনৰ যিকোনো সংখ্যাৰ পাত লুটিয়ালেই আপোনাৰ চকুত পৰিব ‘ফেশ্যন হাউছ’ৰ ৰং-বিৰঙী চিত্ৰৰ জিলমিলনি। এতিয়া ছোভিয়েতত পৰিয়াল, প্ৰেম আৰু নৰ-নাৰীৰ সম্পৰ্কই এনে এটা স্তৰ পাইছেহি যে সেই দেশৰ ডাঙৰ ডাঙৰ মনস্তত্ত্ববিদসকলে গধুৰ-গুৰু প্ৰবন্ধ-পাতি লেখি এই সংকটৰ সমাধানৰ উপায় উলিয়াবৰ চেষ্টা কৰিবলগীয়া হৈছে।

Soviet Features-ৰ March 7, 1975 সংখ্যাত উৰলানিছে, আন্তৰ্জাতিক নাৰী-দিবস উপলক্ষে যি প্ৰবন্ধটি লেখিছিল, তাৰ নাম হ’ল ‘How to keep love alive’ ‘প্ৰেমক কেনেকৈ জীয়াই ৰাখিব পাৰি’। এই প্ৰবন্ধত এই বিদুষী লেখিকাই ড. আলেকছান্দৰ আলেক্সেইচিকৰ ‘Theory of Cog and Wheels’-ক প্ৰেছক্ৰিপশ্যন

(ব্যৱস্থাপত্ৰ) হিচাপে প্ৰত্যেক দম্পতিৰ আগত দাঙি ধৰিছে। এই 'চকা আৰু দাঁত'ৰ তত্ত্বৰ মৰ্মাৰ্থ হ'ল ঃ

> স্বামী-স্ত্ৰী সদায় বৰ ওচৰা-উচৰিকৈ থাকিব নালাগিব। অৰ্থাৎ দাঁত নিচেই ওচৰত থাকিলে চকা ঠিক মতে নুঘূৰিব। আকৌ, বৰ বেছি দূৰত থাকিলেও লেঠা। চকা তেতিয়া একেবাৰে নচলিব। তেনেকৈয়ে স্বামী-স্ত্ৰীযেও বৰ বেছি ওচৰত বা অতি দূৰত্বা থকা উচিত নহয়।

মাৰ্কছবাদ-লেলিনবাদৰ সামগ্ৰিক জীৱনদৰ্শনৰপৰা বিচ্ছিন্ন কৰি প্ৰেম আৰু পৰিয়ালক চোৱাৰ ফলত এই মনস্তত্ত্ববিদইঁতে এনে ধৰণৰ ফাংফুং বেজালিৰ বিধানেৰে সমাজ-ব্যাধি নিৰাময় কৰি তুলিব খুজিছে।

লেনিনে তেওঁৰ বান্ধৱী জাৰ্মান বিপ্লৱী-নেত্ৰী ক্লাৰা জেট্‌কিনৰ সৈতে আলোচনা-প্ৰসংগত নৰ-নাৰীৰ সম্পৰ্কৰ ক্ষেত্ৰত এক অতি মূল্যবান মন্তব্য দিছিল। তেওঁ কৈছিল ঃ 'শিথিল দাম্পত্য জীৱন এটা অসুস্থ ক্ষয়িষ্ণু সমাজৰহে লক্ষণ—কোনো বিপ্লৱীয়েই যৌন-জীৱনত শিথিল হ'ব নোৱাৰে।

চীনৰ নৰ-নাৰীৰ ক্ৰমবৰ্ধমান বিপ্লৱী চেতনায়েই হ'ল তেওঁলোকৰ অতি সংযত যৌন জীৱনৰ মূল কাৰণ। প্ৰেম, বিবাহ বা পৰিয়ালক তেওঁলোকে শ্ৰেণী-সংগ্ৰামৰপৰা বিচ্ছিন্নভাৱে নেদেখে।

এংগেলছে তেওঁৰ 'পৰিয়াল, ব্যক্তিগত সম্পত্তি আৰু ৰাষ্ট্ৰ' নামৰ গ্ৰন্থত দেখুৱাইছে যে, আদিম সমাজ ভাঙি তাৰ ঠাইত শ্ৰেণী-দ্বন্দ্ব আৰু ব্যক্তিগত সম্পত্তিৰ উত্তৰণৰ লগে লগে নাৰীয়ে প্ৰাধান্য হেৰুৱালে আৰু সমাজত পুৰুষৰ আধিপত্য প্ৰতিষ্ঠিত হ'ল। কাজেই ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধন আৰু শোষক-শ্ৰেণীৰ অৱসানৰ লগতে নাৰী-মুক্তিও ওতঃপ্ৰোতভাৱে জড়িত। ৰাজনৈতিক কৰ্তৃত্ব, গোষ্ঠীগত কৰ্তৃত্ব, ধৰ্মগত কৰ্তৃত্ব আৰু স্বামীৰ কৰ্তৃত্ব— মাও চে তুঙৰ ভাষাত—'

এইবোৰেই হ'ল চীনা জনগণক, বিশেষকৈ কৃষকক বান্ধি থৈ দিয়া চাৰিডাল মস্ত-মোটা ৰছী।

১৯৪৯ চনৰ জন-গণতান্ত্রিক বিপ্লৱে সামন্ততান্ত্রিক পিতৃ-প্রধান সমাজৰ এই জৰী-ফহটিবোৰ ছিঙি দিলে। নতুন ভূমি-সংস্কাৰৰ লগে লগেই নাৰীয়ে পুৰুষৰ সৈতে সমানাধিকাৰ প্রাপ্ত হ'ল।

১৯৫০ চনৰ বিবাহ আইনত আৰু ১৯৫৪ চনত সংবিধানত নাৰী আৰু পুৰুষৰ সমানাধিকাৰ বিধিবদ্ধ কৰি আঠৈ হাজাৰ বছৰীয়া পুৰুষ-প্রধান সমাজৰ যৱনিকা পেলোৱা হ'ল। কিন্তু তেতিয়াই পৰিপূৰ্ণ সমানাধিকাৰ প্রতিষ্ঠিত নহ'ল। তাৰ বাবে বাস্তৱ অর্থনৈতিক আৰু ভাবাদর্শগত সকলো উপকৰণ সদ্যমুক্ত সমাজত উপস্থিত নাছিল। চীনত সাংস্কৃতিক বিপ্লৱৰ পাছত যি তীব্র ভাবাদর্শগত শ্রেণী-সংগ্রাম চলোৱা হৈছে, তাত লিউ শ্বাও চি আৰু লিন্ পিয়াও-ৰ মতাদর্শৰ ভিত্তি যে কনফুছীয় ধ্যান-ধাৰণা—নাৰী-সমাজ যাৰ দ্বাৰা বিশেষভাবে প্রভাৱিত আছিল—তাৰ বিৰুদ্ধে-নাৰী-সমাজৰ এক বিৰাট বৈপ্লৱিক জাগৰণ চাই আহিলোঁ। এই আন্দোলনৰ মাজেদিয়েই চীনত যিটো নতুন নাৰী-সমাজ গঢ় লৈ উঠিছে—এতিয়া সেই নাৰী-সমাজৰ সম্পর্কে দুষাৰ ক'ম।

১৯৫৮ চনৰ নভেম্বৰ-ডিছেম্বৰ মাহত চীনৰ কমিউনিষ্ট ইয়ুথ লীগৰ উদ্যোগত পিকিঙত চীনৰ গ্রামাঞ্চলৰ যুৱক-যুৱতী সকলৰ সন্মিলন অনুষ্ঠিত হোৱাৰ কথা মোৰ মনত পৰিছে। তেতিয়া সমাজতন্ত্র গঠনৰ অর্থে বিগ্ লীপ্ ফৰ'ৱাৰ্ডৰ ধুমাৰ্জয় গতি। ইয়াৰে লগে লগে উঠিছে গণ-কমিউন গঠনৰ জোৱাৰ। গ্রামাঞ্চলৰ এই দ্রুত ৰূপান্তৰত যি সকল ডেকা-গাভৰুৱে আগৰণুৱাৰ ভূমিকা লৈছিল—এই সন্মিলন আছিল তেওঁলোকৰে প্রতিনিধি। তেওঁলোকৰ পৰস্পৰৰ অভিজ্ঞতা বিনিময়েই আছিল এই সন্মিলনৰ প্রধান উদ্দেশ্য। তেওঁলোকৰ মাজৰ এটি দল পিকিং হোটেলত আছিলহি। হোটেলৰ বহল লাউঞ্জ আৰু চোতাল সাতদিন ধৰি তেওঁলোকে মুখৰ কৰি ৰাখিছিল। বিদেশী

ভ্ৰমণকাৰী সকলৰ এই গোমা আৰু বিদগ্ধ পৰিবেশত হঠাতেই যেন গাঁৱলীয়া চীনৰ পথাৰৰ কোবাল বতাহ বলিল।

তেওঁলোকৰ মাজৰ এজনী ছোৱালীৰ লগত আলাপ হৈছিল। তেওঁৰ পৰা জানিলোঁ যে প্ৰতিনিধি-দলৰ আধামানেই ছোৱালী। বিশাল চীনৰ বিভিন্ন গ্ৰামাঞ্চলৰপৰা তেওঁলোক ইযাত আহি গোট খাইছেহি। এওঁলোকৰ ৯৫ শতাংশয়েই কোনোদিনে পিকিং দেখাই নাছিল।

পিকিঙলৈ অহাটোৱেই আছিল এওঁলোকৰ মানত সপোন। তদুপৰি উঠিছেহি বিদেশী ভ্ৰমণকাৰী সকলৰ বাবে নিৰ্দিষ্ট এই অভিজাত হোটেলখনত।

মুক্তিৰ পাছত তেতিয়াও দহ বছৰ পূৰ হোৱাই নাই। মই তেতিযা ভাবি আছিলোঁ যে, দহ বছৰৰ আগতে এই ছোৱালীহঁতেই বাল্য বিবাহত আবদ্ধ হৈ সামন্তীয পৰিযালৰ দাস্যবৃত্তিক বৰণ কৰি লবলৈ বাধ্য হৈছিল।

'দিন সলনি হ'ল, ল'ৰাহঁতে যি কাম পাৰে সেই কাম ছোৱালীযেও পাৰে'—মাও চে তুঙৰ এই উক্তিত সঁহাৰি জনাই চীনৰ এই নতুন যুগৰ ছোৱালীহঁত সমাজতন্ত্ৰ গঠনত সিহঁতৰ সাৰ্থক অৱদান যোগাবলৈ জাকে জাকে ওলাই আহিল।

৩/৪ বছৰৰ আকাল আৰু তাৰ পাছত আৰ্থিক সংকটৰ কালত লিউ শ্বাও চি-ৰ লগ লগা প্ৰাচীনপন্থী সকলৰ বক্তব্য আছিল: ছোৱালীহঁতে ঘৰুৱা কাম-বনত-আত্মনিযোগ কৰিলেহে সমাজতন্ত্ৰ গঠনৰ কামত সহায়ক হৈ উঠিব। তদুপৰি কনফুছিযাছ আৰু মেনছিয়াছৰ বিধানৰ প্ৰভাৱ তেতিয়াও সমাজত আছিল প্ৰচণ্ড শক্তিশালী। গতিকে ১৯৬৬ চনৰ সাংস্কৃতিক বিপ্লৱে চীনৰ নাৰী-সমাজৰ মুক্তি আৰু লগতে সৰ্বাংগীণ বিকাশৰ বাটো মুকলি কৰিলে।

কৰ্ম-বীৰাংগনা বাহিনী

ইয়াৰ আগতে নতুন চীনৰ নতুন বীৰাংগনাৰ কথা অলপ কৈছিলোঁ। কল কাৰখানাত, গণ-কমিউনত, বৈজ্ঞানিক উদ্ভাৱনৰ ক্ষেত্ৰত তেতিয়াও তেওঁলোকৰ সংখ্যা আছিল চীনৰ জনতাৰ তুলনাত মুষ্টিমেয় মাথোন।

কিন্তু এইবেলি চালোঁ গৈ—এজনী-দুজনী-এশজনী নহয়, সমাজতন্ত্ৰ গঠনৰ সকলো ক্ষেত্ৰতে চীনৰ বীৰাংগনা বাহিনীৰ দিগ্বিজয়। খালকটা নাৰী-বাহিনী, দলং নিৰ্মাণকাৰী নাৰী-বাহিনী, তেল নিষ্কাশনকাৰী নাৰী-বাহিনী, নাৰী বিমান আৰু পেৰাছুট-বাহিনী—এনেহেন অসংখ্য নাৰী-বাহিনীৰ অসাধাৰণ কৃতিত্বৰ কাহিনী এইবেলি চাবলৈ গৈ প্ৰত্যক্ষ কৰিলোঁ।

থাই হাং পৰ্বতত ১০ বছৰত ৯০০ মাইল ৰেড ফ্ল্যাগ খাল কাটি আন প্ৰদেশৰপৰা এখন নৈক কেনেকৈ বোৱাই আনিলে, সেই নাভূত-নাশ্ৰুত কাহিনী মই আগতেই বিবৰিছোঁ। সেই বিস্ময়কৰ খালটো চাবলৈ লিন্ শ্বিয়েন্ কাউন্টিত আমি গৈছিলোঁ যেতিয়া—তেতিয়া তাত এটি আচৰিত সংগ্ৰহশালা দেখিছিলোঁ। তাত থৈ দিয়া হৈছে একেবাৰে ভোটা হৈ যোৱা, ক্ষয় যোৱা ভগা বটালি, কোৰ, লোৰ কাঠি ইত্যাদি। এইবোৰ খাল কটা নাৰী-বীৰাংগনা সকলে ব্যৱহাৰ কৰিছিল।

এওঁলোক আটাযেই গাঁৱলীয়া ছোৱালী। চাৰিত্ৰিক দৃঢ়তা, কষ্ট-সহিষ্ণুতা, বৈপ্লৱিক উন্মাদনা আৰু কৰ্মপটুত্বৰ ক্ষেত্ৰত তেওঁলোক পুৰুষ সকলৰো আগৰি হৈ উঠিছিল। আমি বোলছবিত যেতিয়া চাই আছিলোঁ—নাৰী-বাহিনীৰ কিছু সংখ্যক সভ্যাই থিয়-দণ্ডা শিলাময় পৰ্বতৰ খাদৰ বা গভীৰ গহ্বৰত, কঁকালত বন্ধা জৰীৰ ওপৰত ভৰ দি দি দোলনি খাই খাই তললৈ নামি আহিছে আৰু হাতুৰী-বটালি হাতত

লৈ ডিনামাইট স্থাপন কৰিবলৈ গাঁত খান্দিবলৈ বটালিযাইছে—আন এদল ছোৱালীয়ে ডিনামাইট স্থাপন কৰি, ফিউজত জুই লগাই দি বছী বগাই থিতাতে ওপৰলৈ উঠি আহিবলৈ নোপাওঁতেই প্রচণ্ড আৱাজে বিস্ফোৰণ ঘটিছে, তেতিয়া আমি, প্রতিনিধি দলটোৱে, বোলছবিত এই কথা-কাণ্ডবোৰ চাযেই উচপখাই উঠিব লগীয়া হৈছিলোঁ।

আমি নান্‌কিঙৰপৰা ৰেলগাড়ীৰে গৈ আছিলোঁ। শুনিলোঁ যে ট্রেনৰ ড্রাইভাৰৰ পৰা আৰম্ভ কৰি কণ্ডাক্টৰ আৰু পৰিচাৰিকালৈকে সকলো নাৰী। এওঁলোকৰ নাম হ'ল '৮ মাৰ্চ' নাৰী-বাহিনী।

৮ মাৰ্চ তাৰিখটো হ'ল আন্তর্জাতিক নাৰী-দিৱস।

দুপৰীয়া ডাইনিং কাৰত আকণ্ঠ আহাৰৰ অন্তত যেতিয়া আৰাম-বিৰামৰ আযোজনত ব্যস্ত তেতিয়া '৮ মাৰ্চ' নাৰী-বাহিনীৰ কেইগৰাকী মান পোনে পোনেই মোৰ ডবাত সোমালহি আৰু চিঞৰি দাবী জনালে: 'কমৰেড, গান শুনাব লাগিব।'

মোৰ চীনা লগৰীয়া সকলৰ পৰাই বোধ হয এওঁলোকে মোৰ পৰিচয জানিছিল। সংগীতৰ পৰিবেশহীন ভৰদুপৰীয়া এই চলন্ত ৰেলগাড়ীৰ শব্দক তল পেলাই সুউচ্চকণ্ঠেৰে গীত গাব লাগিব—তাকো এই ক্ষীণ বপুটি লৈ!

কিন্তু তথাপি গালোঁ। এটা ভাৰতীয আৰু এটা চীনা গীত। ভাগেখিনি কষ্ট হৈছিল, যদিও '৮ মাৰ্চ' নাৰী-বাহিনীৰ আগত গান গোৱাটো আছিল মোৰ আনন্দ আৰু গৰ্ব। তেওঁলোকক সুধি জানিলোঁ—তেওঁলোকৰ সৰহ ভাগেই খেতিযকৰ ছোৱালী। বযস ১৮-ৰ পৰা ২৫-ৰ ভিতৰত।

শ্বেন্‌ছি প্রদেশত লোহো নৈৰ পাৰত টালি কাউন্টিত চিযা লা ছিযাং-ৰ নেতৃত্বত কপাহ-উৎপাদনকাৰী নাৰী-বাহিনীয়ে কপাহ উৎপাদনৰ ক্ষেত্রত নতুন ৰেকৰ্ড স্থাপন কৰি সমগ্র চীনত খ্যাতি আৰ্জিছে।

কিন্তু এই বিষযে তা-চিং তেল-উৎপাদন কেন্দ্রৰ নাৰী ব্রিগেডেই

চীনৰ নাৰী-সমাজৰ ওচৰত আদৰ্শ হৈ আছে। তা-চিঙৰ লৌহ মানৱ ওৱাং চিং শ্বি আৰু তেওঁৰ ১২০৫ নং ড্ৰিলিং টিমৰ কথা জানি লোৱা ভাল—আহিব চীনদেশখনক জানিবলৈ হ'লে।

১৯৬০ চনলৈকে চীনৰ তেল-উৎপাদন বোলোঁতে একোৱে নাছিল। কিন্তু এতিয়া তেলৰ ক্ষেত্ৰত চীন মাথোন স্বয়ম্ভৰেই নহয় —বিশ্বৰ তেল-সংকটৰ মাজতো চীনে বিদেশলৈ তেল ৰপ্তানী কৰিছে।

তা-চিঙৰ প্ৰধান স্ৰষ্টা শ্ৰমিক ওৱাং চিং-শ্বি-ৰ ১২০৫ নম্বৰ ড্ৰিলিং টিমৰ লগতে আন এটি নামো সমভাৱে উচ্চাৰিত হয়। তেওঁ হ'ল নাৰী শ্ৰমিক স্যুয়ে কুয়েই ফাং। তেওঁৰ নেতৃত্বত তেল গোট মৰা ঠৰঙা লগা জাৰতো নিমাওমাও প্ৰান্তৰত তা-চিং চহৰ গঢ়ি উঠিল।

তেওঁ তা-চিং তেল-শিল্পৰ শ্ৰমিক সকলৰ পত্নীসকলক সংগঠিত কৰি চাৰিওফালে বিয়পি থকা ছন পৰা মাটি উদ্ধাৰ কৰাৰ কামত দেহে-কেহে লাগি গৈছিল, সম্বল আছিল মাথোন কোৰ, লোৰ কাঠি আৰু পাচি। তম্বু তৰি, তম্বুত থাকি, দিনৰ পাছত দিন, বছৰৰ পাছত বছৰ তেওঁলোকে কাম কৰিলে। ৰাতিৰ পৰতে, তম্বুত বহি যুক্তভাৱে মাও চে তুং-বিশ্লেষিত মাৰ্কছবাদ-লেনিনবাদ অধ্যয়ন কৰিছে। পাছ দিনা ৰাতি পুৱাৰ লগ লগে আকৌ বৈপ্লৱিক উৎসাহেৰে কামত লাগি গৈছে।

এইদৰেই ৩০ হাজাৰ স্কোয়েযাৰ কিল'মিটাৰ ঠাই জুৰি বাসগৃহ, স্কুল, হস্পিটাল আদিৰ সৃষ্টি হ'ল। মাথোন সিমানেই নহয়—সেই নাৰী বাহিনীয়ে আন পুৰুষ শ্ৰমিক সকলৰ লগ লাগি ৮০০০ 'মু' ছন পৰা মাটিত কৃষিৰ দলিচা তৰিলে। আজি তাত শস্যৰ সমাৰোহ। আজি তাত কি নাই? ট্ৰেক্‌টৰ, হাৰ্ভেষ্টাৰ কম্বাইন, অন্যান্য কৃষি-যন্ত্ৰপাতি সকলো তাত অনা হৈছে।

লিউ শ্বাও চি-যে যেতিয়া চীনৰ সাময়িক অৰ্থনৈতিক সংকটৰ সমাধানত নাৰীসকলক পুনৰ গৃহকোণলৈ ওভতাই পঠিয়াবলৈ যো-জা কৰি আছিল, তেতিয়া স্যুয়ে কুয়েই ফাঙৰ নেতৃত্বত তা-চিঙৰ

শ্ৰমিক সকলৰ পত্নীসকলে 'বিপ্লৱী-তত্ত্বক আয়ত্ত কৰাঁ, উৎপাদন বঢোৱাঁ'—মাও চে তুঙৰ এই নীতিক সফল কৰি তুলি লিউ-পন্থীহঁতৰ যোগ্য প্ৰত্যুত্তৰ দিলে। সেয়ে, আজি সেই মহিয়সী মহিলা গৰাকী চীনত সন্মানিতা।

'আধেক আকাশ নাৰীৰ হাতত'

মাও চে তুঙৰ ওপৰোক্ত উক্তিষাৰ চীনদেশত এতিয়া বৰ জনপ্ৰিয়। তাত আজি নাৰীসকলে পুৰুষসকলৰে সৈতে সমান গৌৰৱৰ অধিকাৰ আৰ্জি লৈছে। যোৱা জানুৱাৰি মাহত অনুষ্ঠিত চতুৰ্থ নেশ্যনাল পীপ'ল্ছ্ কংগ্ৰেছৰ ৬০০-তকৈয়ো অধিক সংখ্যাত আছিল নাৰী-প্ৰতিনিধি, অৰ্থাৎ সৰ্বমুঠ প্ৰতিনিধি সকলৰ ২২ শতাংশতকৈয়ো অধিক। কংগ্ৰেছৰ ষ্টেণ্ডিং কমিটিত যি ১৪৪ জন ডেপুটি নিৰ্বাচিত হৈছিল তাৰ মাজত ৪২ গৰাকী আছিল মহিলা।

এইবেলি, চীনৰ য'লৈকে গৈছোঁ—অফিছ, কাৰখানা, কমিউন, শিক্ষালয়, বিজুলী-উৎপাদন-কেন্দ্ৰ, গৱেষণা-প্ৰতিষ্ঠান—সকলোতে নাৰীসকলৰ ভূমিকা লক্ষ্যণীয়। পিকিঙত ভৰি দিয়েই যিটো মেচিন-টুল কাৰখানা চাবলৈ গৈছিলোঁ—তাত অ'ভাৰহেড ক্ৰেন আমি নাৰী-সকলেহে চলোৱা দেখিছিলোঁ। ৬ হাজাৰ টন হাইড্ৰ'লিক প্ৰেছ এজনী ২৩ বছৰীয়া ছোৱালীয়ে চলাই থকা দেখিলোঁ। হাজাৰ হাজাৰ ছোৱালীয়ে টাৰ্নাৰ, ফিটাৰ, ওৱেল্ডাৰৰ কাম কৰি থকা চকুত পৰিল।

১৯৫২ চনৰ সমগ্ৰ চীনত অফিছ আৰু কাৰখানাসমূহত কাম কৰা ছোৱালীৰ মুঠ সংখ্যা আছিল প্ৰায় ৯,৯০,০০০। আৰু, এতিয়া একমাত্ৰ পিকিঙৰ অফিছ আৰু কাৰখানাবিলাকত কাম কৰা ছোৱালী সংখ্যা ৭,০০,০০০ পাইছেগৈ।

আগতে, সংবিধানত সমানাধিকাৰৰ কথা উল্লেখ থকা সত্বেও ঘৰুৱা কাম-বন, শিশু-পালন ইত্যাদিৰ বাবে সমৰ্থবান নাৰীসকলে

খেতি-পথাৰৰ কামত যোগ দিব পৰা নাছিল। এতিয়া কমিউন-ব্যৱস্থা ইমানেই উন্নত যে, সমৰ্থবান নাৰীসকলৰ শতকৰা ৯৫ জনীয়েই কৃষিকাৰ্য্যত আত্মনিয়োগ কৰিবলৈ সমৰ্থ হৈছে। আজি, গাঁৱে গাঁৱে অসংখ্য সেতু, খাল, জলাধাৰ আছে—যিবোৰৰ নাম হ'ল '৮ মাৰ্চ', অৰ্থাৎ যিবোৰ নাৰীসকলেহে নিৰ্মাণ কৰিছে। একেলেথাৰীয়ে ১৩ বছৰ ধৰি ফচলৰ ক্ষেত্ৰত চীনদেশৰ অসামান্য সফলতাৰ আঁৰত নাৰী সকলৰ বৰঙণি অসামান্য।

ৰাজনৈতিক চিন্তাৰ ফালৰপৰাও নাৰী সকল পিছপৰা হৈ থকা নাই। তেওঁলোক পুৰুষৰ সৈতে সমানে আগ বঢ়া। মাৰ্কছবাদী-লেনিনবাদী ৰাজনৈতিক চিন্তাত আগ বঢ়া বাবেই চীনৰ নাৰী সকলে আজি অসাধ্য-সাধন কৰিছে। মাৰ্কছ, এংগেলছ, লেনিন, স্তালিন আৰু মাও চে তুঙৰ নিৰ্বাচিত ৰচনাবলী নিয়মীয়াকৈ মিলিতভাবে পাঠ কৰাৰ সান্ধ্য বৈঠক আজি চীনদেশৰ নাৰী সমাজৰ নিয়মিত ৰুটিন হৈ উঠিছে। লিন্ পিয়াও-ৰ চিন্তাৰ গইনা লৈ কনফুছিয়াছ-মেনছিয়াছৰ চিন্তা-চৰ্চাৰ বিষয়ে আজিৰ চীনত যি তৰ্কবাদৰ উজান উঠিছে, শ্ৰেণী-সংগ্ৰামৰ, দৃষ্টিত চীনৰ তিনি হাজাৰ বছৰৰ যি ইতিহাস মথিত হৈ আছে, তাত চীনৰ নাৰীয়ে এক গুৰুত্বপূৰ্ণ অংশগ্ৰহণ কৰিছে। তত্ত্ব আৰু কৰ্মৰ সমন্বয়ত তেওঁলোক আজি নতুন চীনৰ সাৰ্থক উত্তৰাধিকাৰিণী।

সাংস্কৃতিক বিপ্লৱত বৰটোপৰ প্ৰথম গোলা

চীনৰ সাংস্কৃতিক বিপ্লৱত বৰটোপৰ প্ৰথম গোলা আছিল এখন নাটক। এখন নাটক আৰু তাৰ নাট্যকাৰক লৈ পৃথিৱীৰ সৰ্বাতোকৈ জনবহুল দেশখনত যি আলোড়ন উপস্থিত হ'ল, বিশ্বৰ নাট্য-সাহিত্যৰ ইতিহাসত তাৰ তুলনা পাবলৈ নাই।

কি সেই নাটক?

কোন সেই নাট্যকাৰজন?

—নাটকখনৰ নাম 'হাযৰুইৰ পদচ্যুতি'।

—নাট্যকাৰ হ'ল 'উ হান্'।

নাটকৰ ঘটনা মিং ৰাজবংশৰ (১৩৬৮—১৬৪৪) আমোলৰ। এই নাটকত মিং ৰজা সকলৰ আমোলত ৰাজ-কৰ্মচাৰীহঁতৰ হাতত সু্য চাও অঞ্চলৰ কৃষক সকলৰ লটি-লাঞ্ছনাৰ বৰ্ণনা আছে। ৰাজ-কৰ্মচাৰী সকলৰ মাজত এজন আছিল সুবিবেচক আৰু কৃষক-দৰদী। তেওঁৰ নাম হাযৰুই। তেওঁ অন্যান্য আমোলাৰ বিৰুদ্ধে সম্ৰাটৰ ওচৰত গোচৰ তৰিলে আৰু, যিসকল কৃষকৰ মাটি অন্যাযভাবে বাজেযাপ্ত কৰা হৈছে সেই মাটি ঘূৰাই দিবলৈ সম্ৰাটক খাটিলে। কিন্তু তেওঁৰ এই সাহস আৰু ন্যায-পৰায়ণতাৰ বাবে সম্ৰাটে তেওঁক পদচ্যুত কৰে। হায়ৰুইৱে নিজৰ পদ আৰু পদবী হেৰুৱালতো অন্যাযৰ ওচৰত আত্মসমৰ্পণ কৰা নাছিল। এয়ে হ'ল নাটকৰ বিষযবস্তু। ইয়াৰ মাজত আপত্তিকৰ কি আছে নো?

নাট্যকাৰ উ হান্ আছিল ডেম'ক্ৰেটিক লীগেৰ নেতা। পিকিং বিশ্ববিদ্যালয়ৰ খ্যাতনামা ইতিহাসৰ অধ্যাপক আৰু চীনৰ প্ৰথম শাৰীৰ এগৰাকী বুদ্ধিজীৱি তেওঁ। তেওঁ পিকিঙৰ ভাইছ মেযৰৰ পদত নিৰ্বাচিত হৈছিল। এই নাটক প্ৰকাশিত হোৱাৰ সমযত তেওঁ সেই

পদত অধিষ্ঠিত আছিল। এনেকুৱা এক গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত এগৰাকী-নামজ্বলা ইতিহাসৰ অধ্যাপকে প্ৰাচীন মিং ৰাজবংশৰ কাকতপত্ৰ উলিযাই-মেলি এখন 'পৌৰাণিক' নাটক ৰচনা কৰিছিল নো কিয়? ৰচনা-কাল আছিল ১৯৬১ চন।

সাঁথৰটোৰ তলা-নলা জানিবলৈ হ'লে আমি আৰু দুবছৰ হুঁহকি যাব লাগিব—উৰহী গছৰ ওৰ বিচাৰি উভতি খোজ লব লাগিব সেই ১৯৫৯ চনলৈ। সেই চনৰ ছেপ্তেম্বৰ মাহত লুছানত অনুষ্ঠিত চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয কমিটিৰ এক অতি গুৰুত্বপূৰ্ণ অধিবেশনত গণ-প্ৰজাতান্ত্ৰিক চীনৰ প্ৰতিৰক্ষা মন্ত্ৰী-মাৰ্শ্বাল পেং তে হুৱাইৰ ভাগ্য নিৰ্ধাৰিত হৈছিল।

চীনৰ এগৰাকী দুৰ্ধৰ্ষ সেনাপতি হিচাপে পেং তে হুৱাই বিশ্বখ্যাতি আৰ্জিছিল। তেওঁ আছিল অষ্টম ৰুট আৰ্মিত চু-তেৰ সহকাৰী ডেপুটি কমাণ্ডাৰ ইন-চাফ। তেওঁ জাপানৰ বিৰুদ্ধে (১৯৩৮—৪৫) গেৰিলা যুদ্ধত অপৰিসীম দক্ষতা প্ৰদৰ্শন কৰিছিল, আকৌ দ্বিতীয গৃহযুদ্ধত (১৯৪৬—৪৯) উত্তৰ চীনত কুওমিণ্টাং বাহিনী তেওঁৰ নেতৃত্বত পৰিচালিত অষ্টম ৰুট আৰ্মিৰ হাতত পৰাজিত হৈছিল। কিন্তু তেওঁৰ আচল কৃতিত্ব হ'ল কোৰিযাৰ যুদ্ধত। ১৯৫০ চনত তেওঁ উত্তৰ কোৰিযাত মাৰ্কিন সৈন্যবাহিনীৰ বিৰুদ্ধে চীনা ভলাণ্টিযাৰ বাহিনীৰ অধিনাযক ৰূপে নিযুক্ত হয। মাৰ্কিন সৈন্য বাহিনীৰ চৰম পৰাজযে সমৰ-নাযক হিচাপে পেং তে হুৱাইৰ মৰ্য্যাদাক গগনচুম্বী কৰি তুলিলে। তেওঁ চীনৰ প্ৰতিৰক্ষা-মন্ত্ৰী হ'ল। চীনৰ সামৰিক বাহিনীক শক্তিশালী কৰি তুলিবলৈ আৰু সমৰ-শিল্প গঢ়ি তুলিবলৈ ছোভিযেত প্ৰতিৰক্ষা আৰু সামৰিক নেতৃত্বৰ সৈতে তেৱেঁই হ'ল প্ৰধান সংযোগ ৰক্ষাকাৰী।

১৯৫৭ চনৰপৰা ১৯৫৯ চনলৈকে চীনত সমাজতন্ত্ৰ গঠনৰ পদ্ধতি আৰু আন্তৰ্জাতিক ক্ষেত্ৰত খ্ৰুশ্চফ-পৰিচালিত ছোভিয়েত ৰাজনীতি লৈ চীন আৰু ছোভিযেতৰ পাৰ্টিৰ মাজত ভিতৰি ভিতৰি যি মতাদৰ্শগত দ্বন্দ্ব চলি আছিল—সাময়িক ভাবে হ'লেও পেং তে হুৱাই সেই

বিষযত খ্রুশ্চফৰ লগত এক আপোচ-মীমাংসাৰ পক্ষপাতী আছিল। পেং তে হুৱাই-এ কমিউন গঠন আৰু দীঘল খোজেৰে আগবাঢ়ি যোৱাৰ (Big Leap Forward) নীতিক হঠকাৰী-নীতি বুলি সমালোচনা কৰে। স্থানীয মিলিস্যা গঠনৰো তেওঁ বিৰোধিতা কৰে। তেওঁ সেনা-বাহিনীক পার্টি-নেতৃত্বৰ পৰিবৰ্তে সামৰিক নেতৃত্বৰ অধীনস্থ কৰাৰ দাবী জনায। তেওঁ গেৰিলা আৰু 'মোবাইল' পদ্ধতিৰে বাহিনী গঠন নকৰাকৈ ৰুছিযাৰ দৰে অতি আধুনিক অস্ত্র-সজ্জিত সামৰিক বাহিনী গঢ়ি তুলিবলৈ যত্নপৰ হ'ল আৰু এই কামত ৰুছ সমৰনায়ক-ইঁতৰ সহায লোৱাৰ পক্ষপাতী হৈ উঠিল। আৰু, এই মূল্যবান সহায পাবলৈ হ'লে আপাততঃ 'ছোভিয়েত পার্টিৰ লগত এই মতাদর্শগত সংগ্ৰাম ধোঁৱাচাঙত তুলি থ'ব লাগিব' বুলিও দাবী জনালে।

আনহাতে, ১৯৫৯ চনত মাও চে তুঙে নিজৰ ভৰিত থিয় হৈ সমাজতন্ত্র গঢ়াৰ যি আহ্বান জানাইছিল সেই আহ্বানক তেতিয়াৰ চীনৰ বাস্তৱ অৱস্থাত অসম্ভৱ বুলি মত প্ৰকাশ কৰিছিল তেওঁ।

পার্টিৰ কেন্দ্রীয় কমিটিৰ লুছান অধিবেশনত পেং তে হুৱাইৰ নীতি প্রত্যাখ্যান কৰা হয আৰু তেওঁক পদচ্যুত কৰা হয। তেওঁৰ পৰিবৰ্তে প্ৰতিৰক্ষা মন্ত্রী হিচাপে লিন্ পিযাওক নিযুক্ত কৰা হয। পেং তে হুৱাইৰ গোপন সমৰ্থক সকলৰ মাজত আছিল পিকিঙৰ মেযৰ আৰু পিকিং পার্টি কমিটিৰ ছেক্রেটাৰী আৰু পলিটব্যুৰ'ৰ সভ্য পান্ জেন্।

চীনৰ অভ্যন্তৰীণ অর্থনৈতিক সংকটৰ সুযোগত ১৯৬৯ চনত পান্ জেন্ইঁতে পার্টিৰ মাজত পেং তে হুৱাইক প্রতিৰক্ষা মন্ত্রীৰ পদত পুনৰ বাহাল কৰাৰ প্রস্তাৱ উত্থাপন কৰিলে। ঠিক তেতিযাই ডেপুটি মেয়ৰ উ হান্-এ তেওঁৰ নাটক 'হাযৰুইৰ পদচ্যুতি'খন প্ৰকাশ কৰিলে।

নাটকখন প্রকাশিত হোৱাৰ পাছত পার্টিৰ মাও চে তুং-অনুগামী সকলে ভালকৈ বুজিলে যে এই নাটকত বর্ণোৱা কৃষকসকল হ'ল কমিউনত সংগঠিত কৃষক আৰু যিজন ন্যায়ৱন্ত হায়ৰুই এই কৃষক-

সকলৰ ফলীয়া হৈ যুঁজাৰ অপৰাধত পদচ্যুত হৈছিল তেওঁ হ'ল সঁচে পদচ্যুত পেং তে হুৱাই।

তেতিয়া চিযাং চিং-এ (মাও চে তুঙৰ পত্নী) পিকিঙৰ বিভিন্ন কাকত-পত্ৰত উহান্-ৰ নাটকৰ বিৰুদ্ধে সমালোচনা লেখাৰ চেষ্টা কৰিলে। কুওমিণ্টাং আমোলত চিযাং চিং আছিল সাংহাইত বিপ্লৱী-নাট্য আন্দোলনৰ এগৰাকী অগ্ৰণী কৰ্মী আৰু অভিনেত্ৰী। তেওঁ ইযেনানত লু শ্যুন আকাদেমীত শিল্প-সাহিত্য লৈ অধ্যয়ন কৰিছিল আৰু পাছত মুক্তিফৌজৰ সাংস্কৃতিক উপদেষ্টা হিচাপে কাম কৰিছিল। ১৯৬৩ চনৰপৰা চিযাং চিঙে পিকিং অপেৰাৰ বিপ্লৱী ৰূপান্তৰৰ ক্ষেত্ৰত নেতৃত্ব দিছিল।

কিন্তু ইপিনে উহান্-ৰ হৈ যুঁজি আছিল পান্ জেন আৰু পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ প্ৰ'পাগাণ্ডা ব্যুৰ'ৰ প্ৰধান লু টিং ঈ। গতিকে, পিকিঙৰ কোনো এখন কাকত-আলোচনীৰ সম্পাদকেও উ হান্-ৰ নাটকৰ সমালোচনা ছপোৱাত মান্তি নহ'ল।

পিকিঙত সমৰ্থন লাভ কৰাত ব্যৰ্থ হৈ চিযাং চিং গ'ল সাংহাইলৈ। তাতে তেওঁ ইযাও ওৱেন-ইউৱান আৰু চাং চুন্ ছিযাও-ৰ সমৰ্থন লাভ কৰে। বৰ্তমানে এই দুযোজনেই উচ্চতম নেতৃত্ব পলিটব্যুৰ'ৰ সভ্য। এই তিনিওজনে মিলি 'হাযৰুইৰ পদচ্যুতি' নাটকৰ আৰু নাট্যকাৰ উ হান্-ৰ সমালোচনা অতি গোপনে লিখি প্ৰস্তুত কৰিলে। তেতিযা লিউ-পন্থী পাৰ্টিৰ নেতৃত্বই পাৰ্টিৰ অভ্যন্তৰীণ গণতন্ত্ৰক বিসৰ্জন দি পাৰ্টিৰ ভিতৰত এক শ্বাসৰোধী অৱস্থাৰ সৃষ্টি কৰিছিল, আৰু সেযে, এই দলিল তেওঁলোকে অতি সংগোপনে আৰু সাৱধানতাৰে যুগুতাবলগীযা হৈছিল।

১৯৬৫ চনৰ ১০ নভেম্বাৰ তাৰিখে সাংহাইৰ 'ওৱেন হুই পাও' বা 'সান্ধ্য সংবাদ' নামৰ বাতৰি-কাকতত 'ইযাও ওৱেন ইউৱান'ৰ নামত এই সমালোচনাটি প্ৰকাশিত হ'ল। আৰু ওলোৱাৰ লগে লগেই এক প্ৰচণ্ড আলোড়নৰ সৃষ্টি হ'ল। উ হান্ আৰু তেওঁৰ সমৰ্থক

পান্ জেনৰ দলটো এই কথা কাণ্ড চাই আতংকিত হৈ উঠিল। ইপিনে পিকিঙত 'চিয়েফাং ৰিপাও'ৱে (Liberation Daily) ওৱেন হুই পাও-ত ওলোৱা সেই প্ৰবন্ধটো পুনৰ মুদ্ৰিত কৰিলে। এই প্ৰবন্ধৰ প্ৰতিক্ৰিয়া যে সুদূৰপ্ৰসাৰী হ'ব সেই কথা অনুধাৱন কৰি পান্ জেনে আত্মৰক্ষাৰ বাবে এইপ্ৰবন্ধটোক পিকিং পীপ'লছ ডেইলীত ছপাবলৈ নিৰ্দেশ দিলে।

১৯৬৬ চনৰ ৬ ফেব্ৰুৱাৰিত এই নাটকখনক কেন্দ্ৰ কৰি চেয়াৰম্যান মাও-ৰ অজ্ঞাতে লিউ শ্বাও চি-ৰ সমৰ্থনত পান্ জেনে 'সমাজতান্ত্ৰিক সংস্কৃতিৰ সমস্যা' বিষয়ক কেন্দ্ৰীয় কমিটিৰ ছাকু´লাৰ প্ৰচাৰ কৰিলে। এই ছাকু´লাৰৰ বক্তব্য আছিল এয়ে যে, 'হাযকুইৰ পদচ্যুতি' নাটকৰ বিতৰ্ক হ'ল প্ৰাচীন ইতিহাস-সম্পৰ্কিত এক একাডেমিক বিষয় হে, এই বিতৰ্কক ৰাজনীতিৰ লগত সাঙুৰি লোৱাটো অসমাচীন।

পান্ জেনৰ ছাকু´লাৰৰ প্ৰতিটো বক্তব্যক খণ্ডন কৰি আৰু এই ছাকু´লাৰৰ চৰম প্ৰতিক্ৰিয়াশীল চৰিত্ৰক উদ্‌ঘাটিত কৰি, আৰু 'হাযকুইৰ পদচ্যুতি' নাটকৰ প্ৰকৃত স্বৰূপ ব্যাখ্যা কৰি মাও চে তুঙৰ নেতৃত্বত ১৯৬৬ চনৰ ১৬ মে' তাৰিখে পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ যিখন ছাকু´লাৰ প্ৰচাৰিত হ'ল—সেই ছাকু´লাৰখনেই চীনৰ ৰাজনীতিক সৰ্বপ্ৰথমে দুই লাইনৰ মুখামুখি সংঘৰ্ষ-থলীত থিয় কৰোৱালে। এই ঘটনাৰ এসপ্তাহৰ পাছতেই, ২৫ মে' তাৰিখে পিকিং বিশ্ববিদ্যালযৰ দৰ্শনৰ অধ্যাপিকা নিযে ইউৱান জু-ৱে সেই বিভাগৰে আন ৬ জন ছাত্ৰ-ছাত্ৰীক লৈ পিকিং বিশ্ববিদ্যালযৰ উপাচাৰ্য্য লু পিঙৰ বিৰুদ্ধে এখন 'তা হুছি পাও' বা 'ডাঙৰ আখৰৰ প'ষ্টাৰ' লগালে বিশ্ববিদ্যালযৰ চৌহদত। সেই প'ষ্টাৰত লু পিঙৰ আমোলাতান্ত্ৰিক মইমতালিৰ, যথেচ্ছাচাৰৰ কঠোৰ সমালোচনা আছিল। এই প্ৰাচীৰপত্ৰত 'হাযকুইৰ পদচ্যুতি' নাটকখন লৈ খোলাখুলিকৈ সমালোচনা কৰাৰ অধিকাৰৰ দাবী জনোৱা হ'ল। লু পিঙে এই বিষযটো মাথোন ইতিহাসৰ বিতৰ্কমূলক বিষয় বুলি কৈ ছাত্ৰসকল মাজত ৰাজনৈতিক আলোচনা বন্ধ কৰি দিছিল।

লু পিং মাথোন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যয়েই নাছিল, তেওঁ আছিল শিক্ষাক্ষেত্ৰত লিউ শ্বাও চি আৰু পান্ জেন প্ৰমুখইঁতৰ এক প্ৰধান অবলম্বন। তেওঁৰ বিৰুদ্ধে পিকিং বিশ্ববিদ্যালযৰ ছাত্ৰ-ছাত্ৰীসকলৰ এই প্ৰকাশ্য প্ৰাচীৰপত্ৰ আছিল এক দুঃসাহসিক কাম। এই প'ষ্টাৰত মাথোন লু পিঙেই নহয, লু পিঙৰ পৃষ্ঠ-পোষক পাৰ্টি-নেতৃত্বৰ একাংশক সমাজতন্ত্ৰ-বিৰোধী শোধনবাদী-চক্ৰ বুলি অভিযোগ উত্থাপন আৰু তেওঁলোকৰ অপসাৰণৰো দাবী জনোৱা হয।

চেয়াৰম্যান মাও-ৰ ব্যক্তিগত উদ্যোগত জুন মাহৰ ১ তাৰিখে সেই প'ষ্টাৰৰ বক্তব্য পিকিং ৰেডিযৰপৰা প্ৰচাৰিত হ'ল। তাৰ প্ৰতিক্ৰিযাই সমগ্ৰ চীনদেশত তুমুল আলোডনৰ সৃষ্টি কৰিলে। বিশেষকৈ স্কুল আৰু কলেজৰ লাখ লাখ ছাত্ৰ আগ বাঢ়ি আহিল। সাংস্কৃতিক বিপ্লৱৰ শ্বক্-ট্ৰুপাৰ 'হুং ওৱেই পিং' বা 'ৰেড গাৰ্ড' ৰ অভ্যুদয ঘটিল। পিকিং বিশ্ববিদ্যালয় আৰু ছিন্ হুৱা বিশ্ববিদ্যালয আৰু ছিন্ হুৱা বিশ্ববিদ্যালযে নেতৃত্ব গ্ৰহণ কৰিলে। কিন্তু সোঁ-পন্থী কৰ্তৃপক্ষৰ প্ৰতি-আক্ৰমণৰ ফলত পোনতে ছাত্ৰইঁত শ'লঠেকত পৰিল।

তাৰ পাছত আহিল সেই স্মৰণীয দিন। ১৯৬৬ চনৰ আগষ্ট মাহৰ ৫ তাৰিখ। মাও চে তুঙে পিকিং বিশ্ববিদ্যালযৰ ছাত্ৰসকলৰ প'ষ্টাৰৰ সমৰ্থনত নিজেই এখন প'ষ্টাৰ লিখি উলিযালে। প'ষ্টাৰৰ শিৰোনাম হ'ল 'সদৰ দপ্তৰলৈ বৰটোপৰ গোলা ফুটোৱাঁ।'

নতুন বলেৰে বলীযান হৈ ৰেড গাৰ্ডসকলে বৰটোপৰ গোলাৰে সাংস্কৃতিক বিপ্লৱৰ যি পূতাগ্নি প্ৰজ্বলিত কৰিলে সাংহাইৰ শ্ৰমিকসকলে তাক ক্ষমতা দখলৰ সফল পৰিণতিত পৰ্য্যৱসিত কৰি বিশ্ব-কমিউনিষ্ট আন্দোলনত এক সম্পূৰ্ণ নতুন পৰ্বৰ পাতনি তৰিলে।

নাট্য-বিপ্লৱত চিয়াং চিঙৰ ভূমিকা

চীনৰ শিক্ষা, শিল্পকলা আৰু সাহিত্যত যি দুই লাইনৰ দ্বন্দ্ব সেই দ্বন্দ্ব আটাইতকৈ তীব্ৰ আকাৰত কেন্দ্ৰীভূত হৈছিল প্ৰাচীন চীনা নাট্যমঞ্চত—বিশেষকৈ পিকিং অপেৰাত। কিয়নো, চীনৰ সাধাৰণ মানুহৰ নিকটতম শিল্প-মাধ্যম হ'ল আঞ্চলিক আৰু ক্লাছিকেল অপেৰা। চীনদেশৰ অসংখ্য অপেৰা-ষ্টাইলৰ আহৰণৰ যোগেদি পিকিং অপেৰাৰ শ্ৰেষ্ঠতম বিকাশলাভ ঘটিছে। এই যুগৰ চীনৰ শ্ৰেষ্ঠ অপেৰা-শিল্পী মেই লাং ফাং-ৰ নিজস্ব অৱদান এই ক্ষেত্ৰত যথেষ্ট পৰিমাণেই পৰিলক্ষিত হৈছিল।

মুক্তি-পূৰ্ব চীনৰ অপেৰাত, আনকি পিকিং অপেৰাতো, ব্যৱসায়িক কু-প্ৰভাৱ নপৰাকৈ নাছিল। তেতিয়াৰ দিনৰ ইউৰোপ ভ্ৰমণকাৰী পিকিং অপেৰা দলৰ অভিনয় চাই চাৰ্লি চেপলিনে কৈছিল: 'ধূলিসনা অমূল্য ৰত্ন' বুলি।

১৯৩৫ চনত মেই লাং ফাং যেতিয়া মস্কোলৈ গ'ল অভিনয় কৰিবলৈ, তেতিয়া বেৰ্টোল্ট ব্ৰেশ ট তাতে আছে। তেওঁ হিটলাৰৰ সন্ত্ৰাসগ্ৰস্ত জাৰ্মানিৰপৰা আহি তাত আশ্ৰয় লৈছেহি। তেওঁ তাত মেই লাং ফাং অভিনীত 'মাছমৰীযাৰ প্ৰতিশোধ' (The Fisherman's Revenge) পিকিং অপেৰা চোৱাৰ পাছত সহৰ্ষ মন্তব্য দিছিল: 'যোৱা বহু বছৰ ধৰি মই নাট্যকলাৰ বিষয়ে যি বক্তব্য দাঙি ধৰিবলৈ নানাভাবে নানান কথা ক'বলৈ চেষ্টা চলাইছোঁ, সেই খিনিযেই মেই লাং ফাঙে অতি সুন্দৰ, সংক্ষিপ্ত, সুস্পষ্ট আৰু সাৰগৰ্ভ ব্যঞ্জনাৰে মঞ্চত সাৰ্থকভাবে ব্যক্ত কৰিছে।' অভিনয় চাই তেওঁ ইমানেই মুগ্ধ হৈছিল যে, ১৯৩৬ চনত মেই লাং ফাঙৰ অভিনয় তথা চীনা অপেৰাক কেন্দ্ৰ কৰি তেওঁৰ নিজৰ পদ্ধতি বিশ্লেষণ কৰি এটি

দীঘলীয়া প্ৰবন্ধ লিখিছিল।* সেই প্ৰবন্ধত ব্ৰেশ্‌টে মস্কোত প্ৰায় একেটা সময়ত স্তানিস্লাভ্‌স্কি প্ৰযোজিত 'অ'থেলো' নাটকত ভেনিছৰ গণ্ডোলা নাও চলোৱাৰ এটা দৃশ্য দেখুৱাবলৈ গৈ প্ৰযোজকে মঞ্চত যি বিস্তাৰিত যান্ত্ৰিক কৌশলৰ আশ্ৰয় লৈছিল তাৰ বৰ্ণনা দি তাৰে লগতে মেই লাং ফাঙে 'মাছমৰীয়াৰ প্ৰতিশোধ' অপেৰাত একেবাৰে উদং মঞ্চত মাথোন এপাত বঠা হাতত লৈ নাও চলোৱা, ঢৌৰ দোলনি, নৈৰ কেঁকুৰি আদি সকলো দৃশ্যপটেই সম্পূৰ্ণভাবে অভিনয়ৰ যোগেদি প্ৰদৰ্শন কৰি কেনেকৈ দৰ্শকৰ মনত সাঁচ বহুৱাই দিছিল সেই আলোচনা কৰি পিকিং অপেৰাৰ অতি সমৃদ্ধ ষ্টাইলৰ কাৰ্য্যকাৰিতালৈ শলাগৰ শৰাই আগবঢ়ালে। তেওঁ ক'লে: 'মঞ্চ-বিশেষজ্ঞ আৰু সমালোচক সকলৰ লগত আলোচনাত বহি মেই লাং ফাঙে মেকআপ নোহোৱাকৈ, উপযুক্ত সাজ-পাৰ নোহোৱাকৈ অতি সাধাৰণ পোছাক-পাতি পিন্ধিয়েই অভিনয় কৰি আমাক যেনেকৈ মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল —ইউৰোপৰ কোনো অভিনেতাই সেই দক্ষতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব নে?'

১৯২৪ চনত পিকিং অপেৰাত ৰবীন্দ্ৰনাথে মেই লাং ফাঙৰ 'লো নদীৰ দেৱী'ৰ (Goddess of the Lo River) অভিনয় চাই তেনেকৈয়ে মুগ্ধ হৈছিল।

পিকিঙৰ এই ঐশ্বৰ্য্যশালী ঐতিহ্য যি বিষয়বস্তুক অৱলম্বন কৰি গঢ়ি উঠিছিল, সমাজতান্ত্ৰিক জীৱন-দৰ্শনৰ তাগিদাৰ ফলত সেই পৌৰাণিক আৰু ৰোমান্টিক বিষয়বস্তু পৰিৱৰ্তনৰ দাবী উত্থাপিত হ'ল যেতিয়া, তেতিয়া আংগিক আৰু বিষয়বস্তুৰ মাজত যি সংঘাতে মূৰ দাঙি উঠিল সেই সংঘাত সাহিত্য আৰু শিল্পৰ অন্যান্য শাখাতকৈ বহু-খিনি বেছি তীব্ৰ আৰু জটিল হৈ উঠিল। এটি উপমাৰে ক'ব পাৰি যে, ধৰক, আমাৰ দেশৰ দক্ষিণ ভাৰতৰ জাগ্ৰত জনমতে যদি কেতিয়াবা

*Verfremdungseffekte auf der Chinesischen Buhne

দাবী কৰে যে কথাকলি নৃত্যনাট্যত তেওঁলোকে 'তেলেংগানা'-বীৰ সকলক হিৰ' হিচাপে চাব খোজে—তেতিয়া কথাকলি-বিশেষজ্ঞ আৰু সামাজিক গোড়াপন্থীহঁতৰ মাজত যি প্ৰতিবাদৰ ধুমুহা বলিব—ইও হ'ল প্ৰায় তেনেকুৱা কথা।

১৯৫৮ চনত মই তাত থাকোঁতে 'বগাচুলীয়া ছোৱালীজনী'ক পিকিঙৰ অভিজাত অপেৰাত উপস্থিত কৰাৰ কথা লৈ বিতৰ্কৰ ধুমুহা বলিছিল। তেতিয়া, মেই লাং ফাঙৰ সৰ্বশ্ৰেষ্ঠ ছাত্ৰী তু চিং ফঙে বগাচুলীয়া ছোৱালীজনীৰ ভাও দিছিল। কিন্তু সি আছিল এক ব্যতিক্ৰম—গোড়াপন্থীহঁতে এই ধাৰাক অধিক দূৰলৈ আগুৱাবলৈ দিয়া নাছিল। তদুপৰি, গোটেইখন দেশ জুৰি অসংখ্য আঞ্চলিক অপেৰা আছে—তেওঁলোকেও তাহানিদিনীয়া গতানুগতিকতাৰ বাটেৰেই বাট বুলিবলৈ ধৰিলে। অথচ, আগতেই উন্নুকিয়াই অহা হৈছে যে, চীনৰ জনতাৰ আত্মপ্ৰকাশৰ ভাষা হ'ল অপেৰা। আৰু, এই অপেৰাসমূহৰ স্যমন্তক মণি হ'ল পিকিং অপেৰা। তেনেহেন পিকিং অপেৰাত বিপ্লৱ সাধন হ'ল চীনৰ সামাজিক ওপৰিসৌধৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দুৰ্গটিত শ্ৰমিক-শ্ৰেণীৰ নেতৃত্বৰ বিজয়-পতাকা উড্ডীন কৰা।

মাও-নিৰ্দেশিত বাটেৰে এই বিজয়-পতাকা উৰুৱাৰ যুদ্ধত যিগৰাকীয়ে প্ৰধান সেনানায়িকাৰ মৰ্য্যাদা পালে—তেওঁ হ'ল চিয়াং চিং।

প্ৰথমবাৰ যেতিয়া চীনদেশলৈ গৈছিলোঁ, তেতিয়া আমাৰ স্বভাৱ অনুসাৰে মাও চে তুঙৰ পত্নী সম্পৰ্কে কিবা জানিব খুজিলে, আন কি তেওঁৰ নামটো জানিবলৈ সুধিলেও 'পুচ্ তাও' 'নাজানো' বুলি শুনিবলগীয়া হৈছিল। লাহে লাহে যেতিয়া বুজি পোৱা হ'লোঁ যে এই প্ৰশ্নটো তাত বৰ সৌজন্যমূলক নহয়, তেতিয়াৰ পৰা ময়ো এই বিষয়ে আৰু আগ্ৰহ প্ৰদৰ্শন কৰা নাছিলোঁ কেতিয়াও। কিন্তু তেতিয়া, যেতিয়া মোৰ চীন প্ৰবাসৰ দিনবোৰ নিচেই চুটি হৈ আহিল,

ভাগ্যক্রমে চিনাকি হৈ পৰিলোঁ। মাদাম কুও মো জো-ৰ স'তে আৰু সোনকালেই আমি ঘনিষ্ঠ হৈ উঠিলোঁ। আমি দুয়ো ভালেমান দিন ধৰি একেলগেই পিকিং হস্পিটালৰ একটা ৱাৰ্ডত আছিলোঁ। তেওঁ সাংহাইৰ অধিবাসী। সাংহাইৰ অধিবাসী সকল বৰ আলাপচাৰী। মাদাম কুও মো জো-ও তাৰ ব্যতিক্ৰম নাছিল।

এদিন কথা-প্ৰসংগত তেওঁ অতীতৰ চীনৰ জাপান আৰু কুওমিণ্টাং অধিকৃত অঞ্চলত বাটৰ-নাট বা পথ-নাটিকা আন্দোলনৰ কথা কওঁতে মাও-পত্নী চিয়াং চিঙৰ কথা ওলাল। তেওঁ আৰু চিয়াং চিঙে তেতিয়া একেলগেই সাংহাই চলচ্চিত্ৰত অভিনয় কৰিছিল। কিন্তু ব্যৱসায়িক চলচ্চিত্ৰৰ মোহ পৰিত্যাগ কৰি তেওঁলোকে জাপ আৰু কুওমিণ্টাং-বিৰোধী নাট্য-আন্দোলনত যোগ দিলে। তেতিয়া চিযাং চিঙৰ নাম আছিল লান্ পিং। কিন্তু এই দুযোটা নামেই ছদ্ম নাম। আচল নাম-হ'ল লি চুন্ চিং। ইযেনানলৈ যোৱাৰ পাছত তেওঁ চিযাং চিং নাম ল'লে। চিযাং চিং-ৰ অৰ্থ হ'ল 'সেউজীযা নৈ'। ১৯৩৩ চনত তেওঁ কমিউনিষ্ট পাৰ্টিৰ সদস্যপদ লাভ কৰে। তাৰ পাছত ইযেনানৰ মুক্ত অঞ্চললৈ গৈ তেওঁ লু শুন নাট্য-একাডেমীত নাম লগায। তাতেই মাও চে তুঙৰ স'তে তেওঁৰ প্ৰথম চিনাকী। ১৯৩৮ চনত তেওঁলোক বিবাহ-বন্ধনত আবদ্ধ হয। কিন্তু তেতিযালৈকে চীনৰ ৰাজনৈতিক জগত বা নাট্য-জগততো চিয়াং চিঙৰ নাম শুনা নগৈছিল। সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত কেন্দ্ৰীয় কমিটি নিযোজিত সাংস্কৃতিক বিপ্লৱ পৰিচালক পৰিষদৰ অগ্ৰণী সদস্যা হিচাপে তেওঁৰ নাম পৃথিবীবিযপা হ'ল। এডগাৰ স্নৰ লেখাত তেওঁৰ জীৱনীৰ বিষয়ে-বহুখিনি কথা জনা গৈছে। তেওঁ প্ৰাথমিক বিদ্যালযৰ ডেওনা পাৰ হৈযেই চাণ্টুং প্ৰদেশৰ প্ৰাদেশিক চৰকাৰৰ খৰচত প্ৰাদেশিক থিযেট্ৰিকেল স্কুলত নাম লগায। নাট্যকলাত শিক্ষা সাং কৰি তেওঁ সাংহাই-চলচ্চিত্ৰত যোগ দিযে, আৰু তাৰ পাছত ইযেনানলৈ আহি লু শুন আৰ্ট আকাদেমীত এই বিষযে শিক্ষকতা কৰে আৰু যুদ্ধ ফ্ৰণ্টৰ

বাবে নাটকৰ দল সংগঠিত কৰে। তেওঁ ইয়েনান পার্টি স্কুলত যোগ দিয়ে আৰু মাও-পৰিচালিত ক্লাছত অধ্যয়ন কৰে। বিশ্ববিখ্যাত লেখিকা হান্ স্যুইনৰ মতে ঃ চিযাং চিঙে মাও চে তুঙক শিল্পকলাৰ সমস্যাৱলীৰ গভীৰতাৰ উপলব্ধিৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিছিল। তেওঁৰ নাম বহিৰ্জগতত প্ৰচাৰিত নোহোৱা সত্বেও দীৰ্ঘকাল ধৰি শিল্প-কলা আৰু সাহিত্যৰ সমস্যা অধ্যয়নত মাও চে তুঙৰ ঘনিষ্ঠ সহযোগী হিচাপে তেওঁৰ অৱদান উল্লেখযোগ্য। গতিকে, সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত চিযাং চিঙৰ নেতৃত্বৰ ভূমিকাক যিসকলে মাও চে তুঙৰ পত্নী বুলিয়েই 'কোনোবা ধুবুৰিৰপৰা আহি ৰাজপাট খাবলৈ লোৱা' বুলি ভাবিছিল তেওঁলোক সম্পূৰ্ণ ভ্ৰান্ত।

এই কথাটো এতিয়া সকলোটিয়েই জানে যে, সাংস্কৃতিক বিপ্লৱত যি নাট্য সমালোচনাই বৰটোপৰ প্ৰথম গোলা হিচাপে কাম কৰিছিল —উ হান্ লিখিত সেই নাটক 'হায়কইৰ পদচ্যুতি'ৰ সমালোচনাত প্ৰথমে উদ্যোগী হ'ল চিযাং চিং। পিকিঙত এই সমালোচনা প্ৰকাশ কৰাৰ কোনো সুবিধা উলিয়াব নোৱাৰি তেওঁ সাংহাইলৈ গৈ তাত ইয়াও ওৱেন ইউৱানক লিখিবলৈ প্ৰভাৱিত কৰিছিল। ইয়াও ওৱেন ইউৱান (বৰ্তমান পলিটব্যু'ৰ সদস্য) আৰু চিযাং চিঙে যুটীয়াভাৱে এই দলিলৰ খচৰা প্ৰস্তুত কৰিছিল। খচৰাটো ভালেকেইবাৰ মাওৰ মতানুসাৰে সাল-সলনি কৰা হৈছিল আৰু মাও-ৰ মতামতক সঠিক-ভাৱে যুগুতোৱাত সহায় কৰিছিল চিযাং চিঙে। এইবাৰ চীনলৈ যোৱাৰ পাছত অতি কম সময়ৰ ভিতৰত বিভিন্ন চহৰত পিকিং অপেৰাৰ বিপ্লৱৰ তাৎপৰ্য্য অনুভৱ কৰিবলৈ চেষ্টা কৰিছিলোঁ। সেইবোৰ আলোচনাত এটি নাম অৱধাৰিত ভাবে শুনিছিলোঁ—সেই নামটি, হ'ল চিযাং চিং। নাটক-ৰচনাত, চৰিত্ৰ সৃষ্টিত, অভিনয়ত, মঞ্চসজ্জাত আৰু সংগীতত তেওঁ দুই লাইনৰ সংঘাত পৰিপ্ৰেক্ষিতত অবিচলিতভাৱে মঞ্চৰ সংগ্ৰামত নেতৃত্ব দিছিল।

১৯৬৩ চনৰেপৰাই এই সংগ্ৰামে মহা সংগ্ৰামৰ ৰূপ লবলৈ

ধৰিলে। ইয়েনানত পিকিং অপেৰাই মঞ্চস্থ কৰা নতুন অপেৰা 'লিংশান্ পৰ্বতৰ বিদ্ৰোহী' চোৱাৰ পাছত ১৯৪৪ চনৰ ৯ জানুৱাৰি তাৰিখে মাও চে তুঙে ইয়েনান পিকিং অপেৰা-দললৈ ধন্যবাদ জ্ঞাপন কৰি যি পত্ৰ প্ৰেৰণ কৰিছিল তাত তেওঁ কয়: 'জনগণেই ইতিহাস সৃষ্টি কৰে। তথাপি প্ৰাচীন অপেৰাই (আৰু সকলো প্ৰাচীন সাহিত্য আৰু শিল্প—যি জনগণৰ স'তে সম্পৰ্কশূন্য) জনগণক জাবৰ-জোথৰৰ দৰেহে উপস্থাপিত কৰে আৰু অভিজাত শ্ৰেণীৰ প্ৰভু আৰু প্ৰভু-পত্নী আৰু সিহঁতৰ মৰমৰ সতি-সন্ততিহঁতকহে সুন্দৰকৈ দাঙি ধৰে। এতিয়া, আপোনালোকে ইতিহাসৰ এই বিপৰীত সোঁতক বিপৰীতে বোৱাইছে আৰু ঐতিহাসিক সত্যৰ পুনৰুজ্জীৱন ঘটাইছে। এইদৰে, প্ৰাচীন অপেৰাৰ সন্মুখত এক নৱ-জীৱনৰ নিজৰা মুকলি হ'ল। আৰু এই বাবেই ই অভিনন্দনযোগ্য। আপোনালোকৰ এই উদ্যোগ প্ৰাচীন অপেৰাক বৈপ্লৱীকৰণৰ বাটত এক যুগান্তকাৰী সূচনা। এই কথাটো ভাবিলেই মোৰ আনন্দ হয়। মই আশা কৰোঁ, আপোনালোকে আৰু অধিক সংখ্যক নাটক লিখিব, অধিক সংখ্যক অভিনয়ো কৰিব; আৰু এইদৰে এনে ধৰণৰ নাটকৰ অভিনয় সমগ্ৰ দেশত সৰ্বসাধাৰণ ৰাইজৰ মাজত বিয়পোৱাত বৰঙণি যোগাই থাকিব।'

কিন্তু ১৯৪৪ চনত বিপ্লৱী অপেৰালৈ মাও-এ এই অভিনন্দন বাণী পঠোৱা সত্বেও ১৯৬৩ চনত, প্ৰায় ২০ বছৰৰ পাছত মাও-এ কিয় আক্ষেপৰে সৈতে ক'বলগীয়া হৈছে—'এতিয়ালৈকো সকলো বিভাগতে মৃতকেই আধিপত্য বিস্তাৰ কৰি চলিছে, বিশেষকৈ নাটক বিভাগত সমস্যা অতি গুৰুতৰ'—বুলি ?

পিকিং অপেৰাত সমাজতান্ত্ৰিক বুনিয়াদৰ প্ৰতিফলন ঘটোৱাৰ বিৰুদ্ধশক্তি যে কিমান প্ৰবল আছিল ওপৰোক্ত উক্তিৰ পৰাই সেই কথাৰ প্ৰমাণ পাব পাৰি। নাটকৰ ক্ষেত্ৰত এই গুৰুতৰ সমস্যাক মাও-চিন্তা-চৰ্চাৰে সমাধান কৰিবলৈ আৰু মঞ্চত বুৰ্জোৱা-ঘাঁটি দখল কৰিবলৈ নেতৃত্ব দিছিল চিয়াং চিঙে।

১৯৬৪ চনৰ জুলাই মাহত সমসামযিক বিষযবস্তু সমন্বিত পিকিং অপেৰা উৎসৱত অংশগ্ৰহণকাৰী থিযাটাৰ-কৰ্মীসকলৰ সভাত প্ৰদত্ত ভাষণত চিযাং চিঙে সমাজতান্ত্ৰিক বাস্তৱতাৰ পৰিপ্ৰেক্ষিতত পিকিং অপেৰাৰ সংস্কাৰৰ যি আহ্বান জনাইছিল, সেই আহ্বানলৈ সহাৰি জনাই অপেৰা কৰ্মীসকল কঠিন সংগ্ৰামত জঁপিযাই পৰিল। চিয়াং চিঙে সেই আহ্বানত কৈছিল : 'পিকিং অপেৰাই বিপ্লৱী সমসামযিক বিষযবস্তু পৰিবেশন কৰাটো ৎৰ উজু নহ'ব। দুৰ্ঘটনা ঘটিবই। কিন্তু দুৰ্ঘটনা ঘটিলেও কথা নাই। বুৰঞ্জীযে সদায একাবেঁকা বাটেৰেই গতি কৰে, কিন্তু তাৰ চকৰিক কেতিযাও হোঁহকাব নোৱাৰি।'

তাৰ পাছত সেই ভাষণত চিযাং চিঙে নতুন নাটক ৰচনাক আচল সমস্যা হিচাপে দাঙি ধৰে আৰু সেই বাটত নেতৃত্ব, নাট্যকাৰ আৰু জনগণ—দৃষ্টান্তৰে সৈতে এই তিনিওটাৰ সমন্বযৰ সমাধানৰ ইংগিত ('পৰিশিষ্ট' শিতানত 'চিযাং চিঙৰ ভাষণ' দ্ৰষ্টব্য) দিযে।

যিকেইটি নতুন পিকিং অপেৰাই বিষযবস্তু, চৰিত্ৰ-চিত্ৰন আৰু নাট্যকলাৰ উৎকৰ্ষতাত চৰম সাফল্য অৰ্জন কৰি ঐতিহ্যবাহী পিকিং অপেৰাত বিপ্লৱক সুপ্ৰতিষ্ঠিত কৰিছিল, তাৰ প্ৰায প্ৰতিটোৰ নাট্য-ৰচনাৰ পৰা আৰম্ভ কৰি উপস্থাপনালৈকে সকলো পৰ্য্যাযতেই চিয়াং চিঙে নিৰ্দেশনাৰ স্বাক্ষৰ ৰাখি হৈছে।

'কৌশলেৰে দস্যুৰ ঘাঁটি দখল' (Taking the Tiger Mountain by Strategy) বৰ্তমান চীনৰ এই সুবিখ্যাত অতি জনপ্ৰিয নাটকখনৰ কথাটোকে ধৰা যাওক। ১৯৪৬ চনত উত্তৰ-পশ্চিমাঞ্চলত কটকটীয়া স্থাযী ঘাঁটি অঞ্চল তৈয়াৰ কৰিবলৈ মাও-এ মুক্তিফৌজক নিৰ্দেশ দিলে। তেতিযা সেই অঞ্চলত মাৰ্কিন আৰু চিযাং-সমৰ্থিত বহুতো দস্যুৰ (Bandits) অন্যতম ঘাই ঘাঁটি আছিল 'ব্যাঘ্ৰ পৰ্বত'ত। দস্যুটোৰ ডাকনাম আছিল 'শকুনি'। কুওমিণ্টাং-পন্থী দস্যু চৰ্দাৰ শকুনিৰ সন্ধান উলিযাই প্লেটুন লীডাৰ ইযাং জু ৰুং আৰু তেওঁৰ সহযোগী সৈন্যসকলৰ ওপৰত তাৰ ঘাঁটি উছন কৰাৰ দায়িত্ব দিযা হয়।

উত্তৰ পশ্চিমত এই ৰণাংগনত তেতিয়া সম্পূৰ্ণ বিপৰীত দুটা সামৰিক লাইনৰ অস্তিত্ব আছিল। এটা হ'ল মাও—লাইন-প্ৰথমে জনগণক সংগঠিত কৰা, চহৰক গাঁৱেৰে ঘেৰাও কৰা, তাৰ পাছত চহৰ দখল কৰা। আনটো লাইন আছিল হঠকাৰিতা, চহৰত শ্ৰমিক অভ্যুত্থান—যি অভ্যুত্থান আপাতদৃষ্টিত বাঁওপন্থী হ'লেও মূলগতভাবে সোঁ-পন্থী—যি অনুসৰণ কৰিলে চিয়াং চক্ৰৰ হাতৰ পুতলা হিচাপেহে কাম কৰা হ'লহেঁতেন।

ইযাং জু কুং-এ মাও-ৰ ৰণকৌশল অৱলম্বন কৰি স্থানীয় জনতাক সংগঠিত কৰিলে। সেই অঞ্চলটা দস্যু-চৰ্দাৰৰ অত্যাচাৰত জুৰুলা হৈ পৰিছিল। ইযাং জু কুঙে স্থানীয় জনগণৰ মাজত কাম কৰি তেওঁলোকৰ মাজত সাহস, সংকল্প আৰু সংহতিৰ সৃষ্টি কৰিলে আৰু লগে লগে জয়ৰ বাটো সুচল কৰি তুলিলে। সেয়ে, নাটকত এই দুই ৰণকৌশলৰ সংঘাতটোৱেই আছিল প্ৰধান। এই নাটকৰ প্ৰযোজনাৰ ক্ষেত্ৰত সাংহাইৰ পিকিং অপেৰা আৰু অপেৰা কৰ্মীসকলৰ ফালৰপৰা যি বক্তব্য দাঙি ধৰা হৈছিল, সেই বক্তব্যত কোৱা হৈছিল:

'এই অপেৰাৰ প্ৰস্তুতি-পৰ্বত কমৰেড চিযাং চিঙে আমাক বাৰে বাৰে চেযাৰম্যান মাও-ৰ ৰচনা "উত্তৰ-পূৰ্বাঞ্চল ৰণাংগনত এই দুই লাইনৰ সংগ্ৰামৰ ইতিহাস" বিশদভাৱে বিশ্লেষণ কৰিছে। তেওঁ ৰাজনৈতিক পটভূমি বিশ্লেষণ কৰিলে আৰু প্ৰকৃত আক্ৰমণৰ আৰম্ভণিতে মাৰ্কিন সাম্ৰাজ্যবাদৰ লগত ষড়যন্ত্ৰমূলক সহযোগিতাত চিযাং কাই শ্বেকৰ ভুৱা আলাপ-আলোচনাৰ চক্ৰান্তৰ অন্তৰ্নিহিত তাৎপৰ্য্যক পৰিষ্কাৰভাবে উদ্ঘাটিত কৰিলে। দস্যু-চৰ্দাৰ 'শকুনি'ক মাৰ্কিন-চিযাং প্ৰতিক্ৰিয়াশীল গোষ্ঠিৰ ৰাজনৈতিক দুৰ্বৃত্ত হিচাপে ৰূপায়িত কৰিব লাগিব আৰু তাৰ নৃশংস উৎপীড়নৰপৰা জনগণৰ মুক্তিৰ কামনাকো দাঙি ধৰিব লাগিব। এই দৰেইহে মাথোন যুদ্ধৰ বিৰাট গুৰুত্বপূৰ্ণ তাৎপৰ্য্যৰ সম্যক প্ৰকাশ আৰু জনযুদ্ধ সম্বন্ধে চেযাৰম্যান মাও-ৰ সামৰিক লাইনৰ অপৰাজেয় শক্তিৰ সংগীতায়ন সম্ভৱ।'

এই নাটকত দুটা ৰাজনৈতিক লাইনৰ মাজৰ সংঘৰ্ষ তীব্ৰভাৱে প্ৰতিফলিত হোৱা বাবে ১৯৬৪ চনত অনুষ্ঠিত সমসাময়িক বিষয়বস্তু সমন্বিত পিকিং অপেৰা উৎসৱত এই নাটকখন প্ৰচণ্ডভাৱে আক্ৰান্ত হৈছিল। এই অপেৰাৰ বিষয়বস্তু পৰিবৰ্তন কৰি তাৰ বিপ্লৱী সাৰমৰ্মক এওঁলোকে পংগু কৰিবলৈ বিচাৰিছিল। যিস্থলত ছদ্মবেশী বীৰ নায়ক ইযাং জু কুঙে ৰণ-কৌশলেৰে শকুনিৰ ঘাঁটি দখল কৰি শকুনি আৰু তাৰ দল-বলক নিচ্ছিন্ন কৰাৰ কথা আছিল—সেইস্থলত তেওঁলোকৰ কাহিনী অনুসাৰে হঠকাৰী দৃশ্যৰ যোগেদি ইযাং জু কুঙে হাত-বোমা দলিযাই দস্যুইঁতৰ লগত নিজেও অসহায ভাৱে আত্মহত্যা কৰিবলৈ বাধ্য হৈছিল। সাংহাইৰ পিকিং অপেৰা-কৰ্মী আৰু শ্ৰমিক আৰু গণমুক্তি ফৌজৰ কৰ্মীসকলৰ আলোচনাত বুদ্ধিমত্তা আৰু তেওঁলোকে এই বিষয়ে তেওঁলোকৰ সংগ্ৰামৰ অভিজ্ঞতাৰ বৰ্ণনা দাঙি ধৰি কৈছে: "কৌশলেৰে দস্যু ঘাঁটি দখলৰ ক্ষেত্ৰত কমৰেড চিযাং চিঙে বিপ্লৱী নায়ক নিৰ্মাণৰ কেন্দ্ৰবিন্দুটোক দৃঢ় মুঠিত ধৰিছিল, কিয়নো, বিশেষকৈ বিপ্লৱী বীৰ চৰিত্ৰসমূহৰ যোগেদিযেইহে চেযাৰম্যান মাও-ৰ বিপ্লৱী লাইন আৰু তেওঁৰ মহান চিন্তাধাৰা মঞ্চত উজ্জ্বল আৰু সতেজ হৈ উঠে। ইযাং জু কুং আৰু শ্বাও চিযেন পো-ৰ দৰে সৰ্বহাৰা বীৰ চৰিত্ৰৰ ৰূপাযণত তেওঁ তেওঁৰ সাগ্ৰহ আবেগ উৎসাৰিত কৰিলে। অপেৰাটোৰ সঠিক উপস্থাপনাৰ বাবে কমৰেড চিযাং চিঙে ব্যাপক অথচ বাস্তৱ প্ৰস্তাৱ দাখিল কৰিলে, আমাৰ দখলত থকা শৈল্পিক মাধ্যমসমূহৰ ফলপ্ৰসূ প্ৰযোগৰ বাবে, সুন্দৰ কবিতা, সূক্ষ্মতম স্বৰ, উজ্জ্বলতম বৰ্ণ আৰু অতি কাৰ্য্যকৰী-প্ৰযোজনাক কামত খটুৱাবলৈ ক'লে তেওঁ, যাতে ইযাং জু কুঙৰ চৰিত্ৰৰ আজিৰ সৰ্বহাৰা বীৰৰ বিপুল সমুন্নতি উপস্থাপিত হয়"।

যিসকল চিয়াং চিঙৰ মতৰ পৰিপন্থী আছিল, অৰ্থাৎ আৰ্টৰ ক্ষেত্ৰত যিসকল আছিল লিউ শ্বাও চি-পন্থী, তেওঁলোকে এই নাটকত ইতিবাচক দস্যু-চৰ্দাৰ 'শকুনি' আৰু তাৰ দলটোক মঞ্চত আধিপত্য

বিস্তাৰ কৰালৈ উপস্থাপিত কৰিবলৈ চেষ্টা কৰিছিল আৰু ইয়াং জু কং আৰু তেওঁৰ লগৰীয়াসকলৰ চৰিত্ৰসমূহক মোলান কৰিব খুজিছিল। গভীৰ বাস্তৱতা বা বিশ্বস্ত ৰচনা আদি তত্ত্বৰ আৱৰণত তেওঁলোকে ইতিবাচক (Positive) আৰু নেতিবাচক (Negative) চৰিত্ৰবিলাকক একেটা পৰ্য্যায়ৰ কৰিবলৈ প্ৰচেষ্টা কৰিছিল। ইয়াং জু কং যিহেতু ছদ্মবেশত দস্যু-চৰ্দাৰৰ ঘাঁটিত সোমাইছিলগৈ—সিহেতুকে তেওঁক গুণ্ডা প্ৰকৃতিৰ আও-ভাও, লেতেৰা দুৰ্বৃত্তৰ দৰে টেটকুটীয়া সংলাপ, গীত মাত আদি গোৱাব খুজিছিল, অৰ্থাৎ সৰ্বহাৰা বীৰ নায়কৰ ভাবমূৰ্তিক দৰ্শকৰ আগত উলুং-পাতলা কৰি পেলাব খুজিছিল।

কিন্তু চিয়াং চিঙে ইয়েনান ফ'ৰামত মাও-নিৰ্দেশিত বাটত অবিচল থাকি এওঁলোকৰ কু-প্ৰচেষ্টাক উদ্‌ঘাটিত কৰি ক'লে: 'তুমি কোন ফালে থিয় দিবা সেই কথাটো তুমি ভাবি থিৰাং কৰিবই লাগিব—ইতিবাচক চৰিত্ৰৰ ফালে নে নেতিবাচক চৰিত্ৰৰ ফালে। জনগণক শিক্ষিত আৰু অনুপ্ৰাণিত কৰিবলৈ, তেওঁলোকক আগ বঢ়াই লৈ যাবলৈ, আমি অগ্ৰণী বিপ্লৱীসকলৰ শিল্পমূৰ্তি সৃষ্টিৰ ওপৰতহে গুৰুত্ব দিব লাগিব'।

প্ৰলেতাৰীয় পক্ষপাতিত্বৰ পৰিপ্ৰেক্ষাত চৰিত্ৰ-সৃষ্টি আৰু চৰিত্ৰক মঞ্চত উপস্থাপনাৰ ক্ষেত্ৰত দ্বান্দ্বিক দৃষ্টিকোণ লৈ চিয়াং চিঙে মঞ্চত দীঘ আৰু কঠোৰ সংগ্ৰাম কৰিবলগীয়া হৈছিল। জনগণক নিপীড়নকাৰী কুওমিণ্টাং-পন্থী দস্যু-চৰ্দাৰৰ বিশেষ অৱস্থান মঞ্চত কেনেকুৱা হ'ব—আনহাতে জনগণৰ প্ৰতিনিধি বীৰ নায়ক ইয়াঙেই বা কিদৰে অৱস্থান কৰিব—এই কথা লৈও নাট্যকৰ্মীবৃন্দৰ মাজত বাদানুবাদ হৈছিল আৰু চিয়াং চিঙেইহে নেতৃত্ব দিবলগীয়া হৈছিল। এই বাদানুবাদ আৰু আলোচনা-পৰ্য্যালোচনাৰ দৃষ্টিৰেই নাটকখনক বাৰে বাৰে পৰিবৰ্তিত-পৰিবৰ্ধিত কৰিবলগীয়া হৈছিল। নাটকখন চূড়ান্তভাৱে মঞ্চস্থ কৰাৰ আগতেই পাণ্ডুলিপি ৰচনাৰপৰা আৰম্ভ কৰি প্ৰতিটো দৃশ্যতে, প্ৰতিটো অংকতে দুই লাইনৰ দ্বন্দ্ব চলিছিল। এই দ্বন্দ্বৰ

প্ৰথম পৰ্য্যায়তেই সংগ্ৰামৰ এক সংকট মুহূৰ্ত্তত ১৯৬৪ চনৰ ১৭ জুলাইৰ এক অনুষ্ঠানত স্বয়ং মাও চে তুং উপস্থিত হ'লহি।

মাও চে তুঙৰ উপস্থিতি আৰু উৎসাহ দানৰ ফলত সাংহাইৰ পিকিং অপেৰা থিয়াটাৰৰ বিপ্লৱী কমৰেডসকলৰ মাজত বিপুল উছাহ-উদ্দীপনাৰ সৃষ্টি হ'ল। তাৰ পাছৰেপৰাই প্ৰতিক্ৰিয়াশীল গোডাপন্থীইঁতে প্ৰত্যক্ষভাবে এই নাটকৰ বিৰোধিতা নকৰি অওপকীয়া উপায় ল'লে —যি হ'ল চিয়াং চিঙৰ মতে—অন্তৰ্ঘাতমূলক কাৰ্য্য। অৰ্থাৎ চৰিত্ৰ-চিত্ৰণত, মঞ্চ-উপস্থাপনত, সংলাপ আৰু সংগীতত ইতিবাচক চৰিত্ৰ-সমূহক নেতিবাচক চৰিত্ৰৰ কাষত দুৰ্বল কৰাৰ ষড়যন্ত্ৰ। কিন্তু সেই অন্তৰ্ঘাতক কেনেকৈ ব্যৰ্থ কৰা হ'ল চিয়াং চিঙৰ নেতৃত্বত সেই কথা ওপৰত ছেগা-চোৰোকাকৈ উনুকিয়াই অহা হৈছে।

মাথোন এই নাটকতে নহয়, সাংস্কৃতিক বিপ্লৱৰ বিজয়-বৈজয়ন্তী-উৰুৱাই যিকেইখন নাটকে পিকিং অপেৰাত প্ৰথমে শ্ৰমিক-শ্ৰেণীৰ ভাবাদৰ্শৰ আধিপত্য প্ৰতিষ্ঠা কৰিলে 'ৰঙা লণ্ঠন' 'শ্বা চিয়া পাং' আদি প্ৰতিখন নাটকৰ সাৰ্থক ৰূপায়ণৰ মাজত চিযাং চিঙৰ নিভু'ল নেতৃত্বৰ স্বাক্ষৰ আছে।

পিকিঙৰ ১নং পিকিং অপেৰা থিয়াটাৰৰ বিপ্লৱী কমিটিয়ে 'ৰঙা লণ্ঠন'ৰ সফল মঞ্চায়নৰ বিষয়ে তেওঁলোকৰ প্ৰতিবেদনত কৈছে: "কমৰেড চিযাং চিঙৰ অবিৰাম ব্যাখ্যা আৰু নিৰ্দেশলৈ ধন্যবাদ। আমি সৰ্বহাৰা শ্ৰেণীৰ নায়ক লি য়ু হো-ৰ চৰিত্ৰায়ণৰ অপৰিহাৰ্য্য গুৰুত্ব উপলব্ধি কৰিলোঁ। তেওঁ সৰ্বহাৰা শ্ৰেণীৰ বীৰমূৰ্তি, বিশেষকৈ লি য়ু হো-ৰ ভাবমূৰ্তি সৃষ্টিৰ প্ৰযোজয়নীয়তাৰ ওপৰত গুৰুত্ব দিলে। 'সৰ্বহাৰাৰ ৰাজনৈতিক ক্ষমতা বৰ সহজে অৰ্জিত নহয়'—এই সত্য সম্পৰ্কে কেৱল উত্তৰপুৰুষৰ শিক্ষাদানৰ বাবে দেশীয় দৰ্শকসকলকেই আস্থাবান কৰি তুলিব—সমগ্ৰ বিশ্বৰ মুক্তিযোদ্ধা জনগণৰ ওচৰতো এটি শিক্ষামূলক অবদান হৈ থাকক—সেই বাবে তেওঁ 'ৰঙা লণ্ঠন'ৰ এটা স্পষ্ট চৰিত্ৰ থকাটো বিচাৰিছিল। আমি দেখিছোঁ যে, সামন্ত জমিদাৰ-শ্ৰেণীয়ে

আগতে সামন্ত শাসকশ্ৰেণীৰ ভৰি-চেলকা সেৱাদাস হুৱাং থিয়েন পাৰ দৰে নায়কৰ সৃষ্টি কৰিবলৈ সততে সক্ৰিয় আছিল। আজি আমাৰ সমাজতান্ত্ৰিক মঞ্চৰ বাবে লি যু হো-ৰ দৰে সৰ্বহাৰাৰ মহান প্ৰতিমূৰ্তি গঢ়ি তোলাৰ উদ্দেশ্যে আমি আমাৰ সৰ্বশক্তি নিযোগ নকৰিম কিয়?"

যিসকল লোকে বিপ্লৱী সমসাময়িক অপেৰা সম্বন্ধে প্ৰথমৰেপৰাই নাক কোঁচাইছিল তেওঁলোকৰ প্ৰত্যক্ষ বিৰুদ্ধতা ব্যৰ্থ হৈ যোৱাৰ পাছত নাটকখন পৰিমাৰ্জনাৰ নামত তেওঁলোকে সেই 'অন্তৰ্ঘাতী কৌশল'ৰ আশ্ৰয় ল'লে। জাপানী সমৰনায়ক হাতোইযামাক মঞ্চত ইমানেই প্ৰাধান্য দিয়া হ'ল—যাৰ কাষত লি যু হো-ৰ বীৰ চৰিত্ৰ বহুখিনি জঁই পৰি যায়। লি-ৰ জীয়েক থিমেইৰ 'মানসিক দ্বন্দ্ব'—নিদাৰুণ যন্ত্ৰণা আৰু দোদুল্যমানতা দেখুউৱাৰ অজুহাতত তাইক এনেদৰে দেখুউৱা হ'ল যাতে তাই তাইৰ দেউতাক-আইতাকক উৎপীড়িত হোৱা দেখি থৰকাছুটি হেৰুৱাই পলাই যায়। আতংক আৰু নিৰ্যাতনৰ ওপৰত অত্যধিক গুৰুত্ব দি সিহঁতে তাইক বুৰ্জোৱা ভাৱোচ্ছ্বাসৰ স্পৰ্শত বিপৰ্য্যস্ত আৰু বিষাক্ত কৰি তুলিবলৈ চেষ্টা কৰিলে। আকৌ, বিশ্বাসঘাতক ওয়াঙৰ 'মানসিক যন্ত্ৰণা' প্ৰদৰ্শন কৰাৰো যথাসাধ্য চেষ্টা কৰা হ'ল। কিন্তু চিযাং চিঙে অপেৰা-কৰ্মীসকলক সদায় শ্ৰেণী চেতনাত সজাগ ৰাখি বিভিন্ন চৰিত্ৰ সৃষ্টিৰ সংগ্ৰামত অবিচলিত ভাৱে নেতৃত্ব দান কৰি শক্তিশালী প্ৰতিপক্ষৰ এইবোৰ অপচেষ্টাক ব্যৰ্থ কৰে।

পিকিং অপেৰাদলৰ বিপ্লৱী কমিটি-ৰচিত প্ৰতিবেদনত কোৱা হ'ল: 'লি যু হো-ৰ বীৰ চৰিত্ৰ ৰূপায়ণত প্ৰধান আৰু গৌণ ইতিবাচক আৰু নেতিবাচক চৰিত্ৰ-সংস্থানত কাহিনী, সংগীত আৰু গীতি-বিন্যাসৰ ক্ষেত্ৰত, মঞ্চ-পৰিচালনাত, আৰু দৃশ্যসজ্জাত, আৰু সাজ-পাৰ, সা-সৰঞ্জাম আৰু আলোক-সম্পাতৰ কামতো কমৰেড চিযাং চিঙে আমাৰ লগত কঠোৰ পৰিশ্ৰম সহকাৰে কাম কৰিলে। লি যু হো-ক কেন্দ্ৰ কৰি অপেৰাখন বিকশিত হৈ উঠিল, নেতিবাচক চৰিত্ৰবিলাকে

সিইতৰ ওপৰত অবিসম্বাদিত প্ৰাধান্য লাভ কৰাৰ বাবে ইতিবাচক চৰিত্ৰবিলাকক ঠাই এৰি দিলে।

'ৰঙালণ্ঠন'ৰ আখৰাত, প্ৰতিটো দৃশ্যৰ কি পৰিবৰ্তন আৰু পৰিবৰ্ধন কৰা হৈছে সেই কথাৰ বৰ্ণনা দি, পিকিং অপেৰা-দলৰ বিপ্লৱী কমিটিৰ প্ৰতিবেদনত কোৱা হৈছে :

'সৰ্বহাৰা শ্ৰেণীৰ বীৰনায়ক লি যু হো-ৰ সুন্দৰ ভাবমূৰ্তি ৰচনাক কেন্দ্ৰ কৰি যি সংগ্ৰাম হ'ল, সেই সংগ্ৰাম হ'ল সৰ্বহাৰা আৰু বুৰ্জোৱাৰ মাজৰ সৰ্বহাৰা আৰু পুঁজিবাদী পন্থাৰ সংগ্ৰাম। ··· কমৰেড চিযাং চিঙে আমাক সৰ্বহাৰাৰ বিশ্বদৃষ্টিৰ অনুগত থকাৰ বাবে পৰিচালিত কৰিলে, আমাক সৰ্বহাৰা শ্ৰেণীৰ বীৰনায়কৰ মহান মূৰ্তি সৃষ্টি কৰাত সক্ষম কৰি তুলিলে। এটি কাহিনী, এটা গীত, এটাৰ বচন, এটি সামান্য খোজ, আনকি সাজ-পাৰ বা ৰূপসজ্জা—যিয়েই নহওক কিয—যিটো বিন্দুমাত্ৰ অবাস্তৱ, যিবোৰেই লি যু-হো-ৰ পৰিয়ালত তিনিও পুৰুষৰ বিপ্লৱী চৰিত্ৰৰ ক্ষতিকাৰক সি প্ৰত্যাশিত স্তৰলৈ নহালৈকে বাৰে বাৰে পৰিৱৰ্তিত কৰা হৈছিল। সংগীত, শব্দ, সক্ৰিয়তা-সম্পৰ্কিত এইবোৰ পৰিবৰ্তনৰ সৰহভাগেই কৰিছিল কমৰেড চিযাং চিঙে। তেওঁ আন্তৰিকতাৰে আমাক পৰিচালিত কৰিছিল, 'ৰঙা লণ্ঠন'ৰ গভীৰ সৃজনশীল ৰচনা আৰু আখৰাৰ সেই দিনবোৰ আমি সদায় সুঁৱৰিম। 'ৰঙা লণ্ঠন'ৰ ক্ষেত্ৰত যে তেওঁ কি পৰিমাণৰ শক্তি ব্যয় কৰিছে তাৰ পৰিমাপ কোনে কৰিব? মহান সৰ্বহাৰা শ্ৰেণীৰ সাংস্কৃতিক বিপ্লৱত তেওঁৰ অৱদান অসামান্য।'

চীনৰ চলচ্চিত্ৰৰ স্মৃতিৰেদি

[চীনৰ চলচ্চিত্ৰৰ বলিষ্ঠ ধাৰাটোক বিকৃত কৰি তুলিবলৈ মুক্তিৰ পাছৰ পৰা পাৰ্টিৰ সাংস্কৃতিক দপ্তৰৰ ভাৰপ্ৰাপ্ত এ দল শোধনবাদীয়ে যি অপপ্ৰচেষ্টা চলাইছিল, সেই কথাৰ বুজ ল'বলৈ হ'লে চীনা চলচ্চিত্ৰৰ সংক্ষিপ্ত ইতিহাস জনা আৱশ্যক। প্ৰথমবাৰ চীনৰপৰা উভতি অহাৰ পাছত ১৯৬০ চনত এই প্ৰবন্ধটি লেখিছিলোঁ।]

নতুন চীনৰ চলচ্চিত্ৰৰ কথা ক'বলৈ ল'লেই মনৰ পৰ্দাত স্মৃতিৰ বীসবোৰ প্ৰক্ষিপ্ত হয়। চলন্ত, নিৰ্বাক বিলীয়মান সমদলৰ ওপৰত মস্তাজত ক্লজআপৰ যি মুখবোৰ ভাহি উঠে, সেই মুখবোৰ হ'ল কৃষক-শ্ৰমিক বা লালতৰা-খচিত হেলমেট-পিন্ধা মুক্তি-সেনাৰ মুখ। এওঁলোকেই হিৰ'। মুক্ত প্ৰাংগণত এই সকল মানুহৰ মাজত বহি কত যে নিশা বোলছবি চাই নিযাইছোঁ। দৈনন্দিন জীৱনত এওঁলোক নিচেই সাধাৰণ, পৰ্দাত কিমান যে অসাধাৰণ!

পিকিঙৰপৰা পঁয়ত্ৰিছ মাইল দূৰৈত খিয়াও থাং খান্ গৰম পানীৰ উহ। মই থকা স্বাস্থ্যনিবাসৰ কাষতেই আছিল শ্ৰমিক আৰু সৈনিক সকলৰ স্বাস্থ্য-নিবাস। চীনলৈ গৈয়েই গৰমৰ চাৰিমাহ তাতে কটাইছিলোঁ মই। সকলোটিয়ে মিলি সপ্তাহত দুই-তিনদিনকৈ বোলছবি চাবলৈ একেলগ হৈছিলোঁ উন্মুক্ত প্ৰাংগণত। ৰাতিৰ আহাৰ গধূলিৰ আগে আগে শেষ কৰি, সুবিধামতে ঠাই উলিয়াই বহিবলৈ লৰা-ঢপৰা লগাইছিলোঁ। কাষৰীয়া কো-অপাৰেটিভৰ এহাল বুঢ়া-বুঢ়ী আৰু স'ৰা-ছোৱালীহঁতে কাষলতিৰ তলত চুটি চুটি পীৰা লৈ আহিছিল আমাৰ লগত বহিবলৈ আৰু মেল মাৰিবলৈ। বোলছবি আৰম্ভ হোৱাৰ আগতে তাছৰ আড্ডাও জমি উঠিছিল—এনেকুৱা ঘৰুৱা পৰিবেশ। তিনিও ফালে গোমধানৰ খেতি, দুৰ-দুৰণিত উটৰ

কুঁজৰনৰে তা থাং ছাং টিলা। মোৰ নিচেই কাষতে বহিছিল ডাক্তৰ ফং লান চো। বোলছবিৰ সংলাপ তেওঁ মোক বুজাই দিছিল। তেৱেঁই মোৰ চীনাভাষাৰ শিক্ষাগুৰু। তেওঁ হ'ল সমগ্ৰ চীনখ্যাত প্ৰাণীতত্ত্ববিদ। আকাদেমী ছিনিকাৰ সভ্য। পৃথিৱীৰ বহু দেশ ভ্ৰমিছে। ভাৰতলৈকো আহিছিল দুবাৰ। সৰল আপোন-পাহৰা মানুহজন।

মাৰ্কিন, জাপান আৰু কুওমিণ্টাং আক্ৰমণৰ বিৰুদ্ধে যি সকলে বিছ বছৰ ধৰি ধুমুহাই কোবাই যোৱা জাৰকালিৰ নিশা অমিতবিক্ৰমে মুক্তিৰ জেঁাৰ জ্বলাই ৰাখিছিল, তেওঁলোকৰ বহুতেই মোৰ ওচৰে-পাঁজৰে বহিছিলহি দৰ্শকৰ আসনত। সেয়ে, বোলছবিৰ মানুহ আৰু এই তেজ-মঙহৰ মানুহবোৰ মোৰ মনত একাকাৰ হৈ পৰিছিল।

এদিন চাই আছিলোঁ ঐতিহাসিক ছবি ছং কং লিং (The Sang-Kong Range)। ইযাতেই আমেৰিকান বাহিনী কোৰিযাৰ যুদ্ধত চীনা ভলণ্টিযাৰ সকলৰ হাতত নগুৰ নাগতি হৈছিল। সেই বাবে মাৰ্কিন সৈন্যইঁতে এই ঠাইৰ নাম থৈছিল Heart-break Range। এই বোলছবি খনক যদিও ফিচাৰ ছবি বুলিযেই কোৱা হৈছিল, তথাপি ই আছিল ডকুমেণ্টাৰী-ধৰ্মী। কিন্তু তথাপি, জীৱনত আন বহুতো ফিচাৰ ছবি মই পাহৰি গৈছোঁ, যদিও এই ছবিখনক কেতিয়াও পাহৰিব পৰা নাই। যেতিযা ইতিহাসৰ কোনো যুগান্তকাৰী ঘটনা কেমেৰাৰ চকুৰে প্ৰত্যক্ষ কৰোঁ, তেতিযা সি ডকুমেণ্টাৰীৰ পৰিধি পাৰ হৈ-এপিক ফিচাৰলৈ উত্তীৰ্ণ হয। বন্ধু যঙ-ৰ লগতে বহি আছিল চৌ ইং। তেওঁ চো ইঙক বাৰে বাৰে কিবা কথা সুধিছিল যেন। প্ৰশ্ন কৰাত ফাঙে মোৰ কাণে কাণে ক'লে, 'এই যে ছবিখন চাইছে—ৰাতিৰ দূৰান্তগামী ফ্ল্যাশ্ব লাইটৰ সহাযত হাজাৰ-বিজাৰ মাৰ্কিন বোমাৰু বিমানে যে ছং কং পৰ্বতৰ এটি গিৰিপথ ৰক্ষাকাৰী এশ-চল্লিছজন বীৰ যোদ্ধাৰ ওপৰত যে অনবৰতে বোমাবৃষ্টি কৰি আছে—এওঁ আছিল সেই বীৰ যোদ্ধাসকলৰে এজন।'

'হয় নেকি!' মই পৰ্দাৰপৰা মুখ ঘূৰাই মোৰ অতি-পৰিচিত সদাহাস্যময় ৰভীয়াল স্বাস্থ্যনিবাসৰ সংগীজনলৈ চালোঁ। আঘাতেৰে থকা-সৰকা হোৱা চৌ ইঙৰ বলিষ্ঠ মুখখনেই কেতিয়া যেন ছবিৰ নায়কজনৰ মুখলৈ পৰিৱৰ্তিত হৈ গ'ল—মই নজনাকৈয়েই।

ফ্ল্যাশ্ব্যেক

[প্ৰথম অধ্যায় ১৯৩২-৩৭]

ঘটনা মাথোন এটা নহয়।

চীনৰ চল্লিছ বছৰৰ জোৰা চলচ্চিত্ৰৰ ইতিহাস জাতিৰ এই ঝটিকা বিক্ষুব্ধ সংগ্ৰামৰে ইতিহাস। ১৯৩০ চনত, সাংহাইত 'লিযেন্ হুৱা' ষ্টুডিয় স্থাপনৰ পাছৰেপৰাই এই প্ৰচেষ্টা সংঘবদ্ধভাবে আৰম্ভ হয়। চীনদেশৰ প্ৰথমটো ষ্টুডিয মিং শ্বিং ১৯২১ চনত স্থাপিত হয়। তাৰ আগতে ফৰাছী সকলে চীনৰ জনগণক যি 'নিৰ্বাক তামাচা' দেখুৱাই পইচা আৰ্জিছিল সেইবোৰক ঠিক চলচ্চিত্ৰ বুলি কোৱা টান। চীনৰ চলচ্চিত্ৰৰ জন্মকাল ১৯২১ চনত বুলিযেই ক'ব পাৰি। সেই কাল-ছোৱা সমৰপ্ৰভুহঁতৰ ৰাজত্বকাল। মিং শ্বিং ষ্টুডিযৰপৰা ওলোৱা ছবি কেইখনত কোনো সমাজ-সচেতনতা নাছিল। সামন্ততন্ত্ৰীয ভাবধাৰাৰে প্ৰভাৱিত আছিল অতিমাত্ৰাই। কিন্তু লিযেন হুৱাৰ পৰিচালক, টেকনিশ্বিযানৰ সৰহ ভাগেই আছিল কমিউনিষ্ট পাৰ্টিৰ গোপন নেতৃত্বত সংগঠিত। চীনৰ গোৰ্কি, লু শ্বুনৰ পৰিচালনাত 'চো ঈ' বা বাঁওপন্থী লেখক আৰু শিল্পী-আন্দোলনে তেতিয়া চীনৰ সাহিত্য আৰু শিল্পত এক নতুন যুগৰ সূচনা কৰিছে। চলচ্চিত্ৰত লিযেন হুৱা ষ্টুডিয় আছিল তাৰেই প্ৰতিভূ। বৰ্তমান চীনৰ ভুগবাকী প্ৰাচীনতম চলচ্চিত্ৰ-পৰিচালক ছেন টুইন লী আৰু ছাই ছু শেং

সেইকাল ছোৱাতেই লিয়েন হুৱাত যোগ দিছিল। গুপ্ত কমিউনিষ্ট সকলৰ ফালৰপৰা তেওঁলোকৰ লগত বৰ্তমান চীন চৰকাৰৰ সংস্কৃতি-দপ্তৰৰ উপমন্ত্ৰী নাট্যকাৰ খিয়া ইয়েন-এ প্ৰত্যক্ষভাৱে যোগাযোগ ৰাখিছিল।

১৯৩২ চনত সাংহাইত জাপানী সৈন্য অৱতৰণ কৰিলে। জাপ-বিৰোধী প্ৰতিৰোধ আন্দোলনত দেশাত্মবোধ জাগ্ৰত কৰাৰ ক্ষেত্ৰত বোলছবিয়ে এক ব্যাপক ভূমিকা গ্ৰহণ কৰিলে। তেতিয়া, সাময়িকভাৱে হ'লেও, জাপ সাম্ৰাজ্যবাদ-বিৰোধী সমবেত গোট বা মোৰ্চাত ধনিক শ্ৰেণীযেও অংশ গ্ৰহণ কৰিছিল। প্ৰগতিশীল ছবিৰ চাহিদা থকাৰ ফলত ষ্টুডিয়-মালিক আৰু প্ৰযোজক সৰশে মূলধন বিনিয়োগ কৰাত মান্তি হ'ল। সেয়ে, কুওমিণ্টাং শাসনৰ লৌহ যৱনিকাৰ আঁৰত থাকিও লিয়েন হুৱাই খনদিয়েক যুগান্তকাৰী চলচ্চিত্ৰৰ সৃষ্টি কৰিলে। এই কালছোৱাতেই প্ৰতিৰোধ-আন্দোলনৰ ওপৰত সাৰ্থক ছবি 'ধুমুহাৰ সন্তান' নিৰ্মিত হয়। সেই চলচ্চিত্ৰখনৰ সংগীত-পৰিচালক আছিল চীনৰ বৈপ্লৱিক সংগীতৰ জনক নিএ আৰ। তেওঁৰ সুৰাৰোপিত গীত 'ছিলাই—জাগা, তোমাৰ দেহেৰে নতুন চীনৰ প্ৰাচীৰ গঢ়া' প্ৰতিজন যুঁজাৰুৰ মুখে মুখে শুনা গৈছিল। বৰ্তমান, এই গীতটো হ'ল চীনৰ জাতীয় সংগীত। সেই কালছোৱাতে 'মাছমৰীয়াৰ জীৱন', 'মধ্যৰাত্ৰিৰ সংগীত', 'ৰাজপথ' আদি প্ৰগতিশীল চলচ্চিত্ৰৰ সমূহ একে একে আত্মপ্ৰকাশ কৰিছিল। চিত্ৰনাট্য অতি সাবধানতাৰে লেখা হৈছিল, চৰকাৰে যাতে হস্তক্ষেপ কৰিব নোৱাৰে সেই কথা ভাবি। কিন্তু ফিল্ম-জগতত প্ৰগতিশীল সকলৰ ক্ৰমবৰ্ধমান প্ৰভাৱৰ ফলত চৰকাৰ আতংকিত হৈ উঠিল। তেতিয়া কটকটীয়াকৈ ছেন্সৰ ব'ৰ্ড গঠন কৰা হ'ল। শিল্পী আৰু পৰিচালক সকলকো নানা ধৰণে ডাবি-ধমকি দিয়া হ'ল। কেতিযাবা কেতিয়াবা প্ৰহাৰৰো আশ্ৰয় লোৱা হ'ল। এটি উদাহৰণ দিওঁ: জাপানী আক্ৰমণৰ পাছত ৰ'মাঁ ৰ'লাঁ-ই প্ৰতিষ্ঠা কৰা যুদ্ধ আৰু ফেছীবাদৰ বিৰুদ্ধে আন্দোলন

পৰিচালনাৰ বাবে গঠিত কমিটিয়ে সাংহাইলৈ এক তদন্ত কমিশ্যন প্ৰেৰণ কৰিলে। মাদাম ছান ইযাৎ সেন আৰু কেইজন মান পৰিচালক আৰু শিল্পীয়ে তেওঁলোকৰ সন্মানার্থে এখন ৰেস্তোৰাঁত ভোজমেলৰ আযোজন কৰিলে। ৰেস্তোৰাঁৰ মালিকৰ লগত কুওমিণ্টাং পুলিছৰ দোস্তী আছিল—সেয়ে, এই নৈশ-ভোজনত কোনো ব্যাঘাত ঘটা নাছিল। কিন্তু অতিথিসকল বিদায় লোৱাৰ পাছত চলচ্চিত্র-শিল্পী সকল ঘৰলৈ বুলি উভতি খোজ লোৱাৰ বাটতে পুলিছে তেওঁলোকক নির্দয়ভাৱে প্ৰহাৰ কৰিলে।

কিন্তু কমিউনিষ্ট সকলৰ সুদৃঢ় নেতৃত্বত শিল্পী আৰু কলা-কুশলী সকল সম্ভাব্য আক্ৰমণৰ আগতো আছিল সুদৃঢ়।

দ্বিতীয় অধ্যায়: ১৯৩৭-৪৯

১৯৩৭ চনত সাংহইৰ পতনৰ পাছত চুং কিঙলৈ ৰাজধানী স্থানান্তৰ কৰা হয়। তেতিয়া সৰহভাগ চিত্রাভিনেতা আৰু টেকনিশ্বিয়ান আছিল চুংকিঙলৈ। তাত Central Film Studio আৰু China Film Studio নামেৰে দুটা নতুন ষ্টুডিয় স্থাপিত হ'ল। কিন্তু কুওমিণ্টাং চৰকাৰৰ কটকটীয়া নিযম-কানুন আৰু শেন চকুৰ দৃষ্টিক ফাঁকি দি প্ৰগতিশীল ছবি উলিউৱাটো তেনেই টান হৈ উঠিল। সেয়ে, সেইকাল ছোৱাত চুং কিঙৰপৰা কোনো সার্থক চলচ্চিত্র ওলোৱা নাছিল। কিন্তু এই কথাত প্ৰগতিশীল চিত্ৰতাৰকা সকল নদমিল। উপায নাপাই তেওঁলোকে অৱশেষত 'বাটৰ নাট' প্ৰচলন কৰি গাঁৱে গাঁৱে ওলাই পৰিল নৱনট্য-আন্দোলন সৃষ্টি কৰিবলৈ। চীনদেশত এইদৰেই বাটৰ নাটৰ জন্ম হ'ল।

ইপিনে কমিউনিষ্ট-শাসিত ইয়েনানৰ মুক্তাঞ্চলতো কেইগৰাকীমান বিপ্লবী চলচ্চিত্র-শিল্পী সমবেত হ'ল। তাত এক নতুন চলচ্চিত্র

বিকাশৰ প্ৰচেষ্টা কৰা হ'ল। হলিউডৰ প্ৰগতিশীল শিল্পী সকলৰ আৰ্থিক সহায়ত ডকুমেণ্টাৰী ছবি Four hundred millon-ৰ চিত্ৰ গ্ৰহণ কৰিবলৈ তেতিয়া ওলন্দাজ প্ৰযোজক Torris Ivans ১৯৩৮ চনত চীনলৈ গৈছিল। হেংকাওত তেওঁৰ লৈতে ইযেনানৰ এগৰাকী আলোকচিত্ৰ-শিল্পীৰ সাক্ষাৎ হয়। Ivans-এ তেওঁক এটি আমেৰিকান কেমেৰা আৰু কেই হাজাৰ ফুটমান কেঁচা ফিল্ম উপহাৰ দিয়ে। এইখিনিৰ সহাযতে ইযেনানত চলচ্চিত্ৰ গ্ৰহণৰ প্ৰচেষ্টা আৰম্ভ হৈছিল। কিন্তু ষ্টুডিয আৰু অন্যান্য-যন্ত্ৰ-পাতিৰ অভাৱত তেতিযা সেইফালে সিমান আগ বাঢি যাব পৰা নহ'ল। মাথোন কেইখনমান ডুকমেণ্টাৰীহে নিৰ্মিত হৈছিল।

১৯৪৫ চনত জাপান পৰাজিত হ'ল। উত্তৰ চীনৰ ছাং ছুং চহৰত জাপানীইঁতে এটা ষ্টুডিয নিৰ্মাণ কৰিছিল। জাপানীইঁত পাছ হোঁহকাৰ লগে লগেই এই ষ্টুডিযৰ দখলদাৰী লৈ কমিউনিষ্ট গেৰিলা আৰু চিযাং কাই শেকৰ সৈন্যদলৰ মাজত যি যুদ্ধ হৈছিল—সেই যুদ্ধ চীনৰ চলচ্চিত্ৰ-ইতিহাসত এক চমকপ্ৰদ অধ্যায়। কুওমিণ্টং-অধিকৃত সেই ষ্টুডিয কমিউনিষ্ট গেৰিলা সকলে আকস্মিকভাৱে আক্ৰমণ কৰি সকলো সা-সৰঞ্জাম আঁতৰাই নিবলৈ সমৰ্থ হয়। সেইবোৰ সা-সৰঞ্জামেৰে হেইলুংচিযাঙত কমিউনিষ্টসকলে এটা ষ্টুডিয় স্থাপন কৰিলে। সেই ষ্টুডিযৰ পৰা খনদিয়েক সাৰ্থক ফিচাৰ আৰু ডকুমেণ্টাৰী ছবি নিৰ্মাণ কৰা হৈছিল। তেতিয়াৰ দিনৰ এখন বিখ্যাত বোলছবি হ'ল 'চীন-দুহিতা'। পাঁচজনী গেৰিলা ছোৱালীযে জাপানী আক্ৰমণৰ বিৰুদ্ধে অন্তলৈকে যুঁজি আত্মসমৰ্পণ নকৰি সাগৰত আত্মাহুতি দিছিল। এওঁলোকৰ জীৱন-কাহিনী লৈয়েই এই বোলছবিখন নিৰ্মিত। এইখনে চীনৰ চলচ্চিত্ৰ-ভাণ্ডাৰত এক অপূৰণীয়া অৱদান যোগাইছে।

ইপিনে জাপানৰ পতনৰ পাছত চুংকিঙৰপৰা শিল্পীসকল পুনৰ সাংহাই পালেহি আৰু আহিযেই যুদ্ধ-বিধ্বস্ত ষ্টুডিয়বিলাকৰ পুনঃ সংস্কাৰত হাতে-কামে লাগিল। তেওঁলোকৰ নিৰলস চেষ্টাৰ ফলত

হেন ছুইন্ লী আৰু ছাই ছুও ছেঙৰ যুক্ত পৰিচালনাত ' পূবদিশলৈ প্ৰৱাহিত বসন্তৰ নৈ' আৰু ৎছি তুন্ ছান্ পৰিচালিত 'মেঘ আৰু জোনৰ স'তে আঠ হাজাৰ মাইল' ছবি দুখনে আন্তৰ্জাতিক খ্যাতি কঢ়িয়াই আনে।

মুক্তিৰ পাছত ঃ ১৯৪৯ ৫৭

চীনৰ চলচ্চিত্ৰ, কোনোদিনেই প্ৰকৃত Industry হিচাপে গঢ়ি উঠিবলৈ সুযোগ পোৱা নাছিল। ১৯৫৭ চনত যেতিয়া চীনলৈ গৈছিলোঁ। তেতিয়া সমগ্ৰ চীনদেশখনত ষ্টুডিয় বোলোঁতে আছিল মুঠেই দহটা। ছাংছুঙত এটা, পিকিঙত এটা, আৰু বাদবাকী কেইটা সাংহাইত। বছৰেকত ফিচাৰ ছবি হৈছিল মাত্ৰ তেয়াল্লিছখন। কিন্তু ঠিক সেই বছৰটোতে ভাৰতবৰ্ষত ষ্টুডিযৰ সংখ্যা আছিল ৬০টা আৰু ফিচাৰ ছবি হৈছিল প্ৰায তিনিশ। মুক্তিৰ পাছৰপৰা '৫৪ চনলৈকে এটা অব্যৱস্থা চলিছিল। সংখ্যা ডাঙৰ কথা নে গুণ বা উৎকৰ্ষতা ডাঙৰ কথা ইও আছিল এক প্ৰধান সমস্যা। জনসাধাৰণৰ চাহিদা আছিল অপৰিসীম—অথচ টেকনিশ্বিযান আছিল তেনেই তাকৰীয়া—সীমাবদ্ধ। তাৰ ফলত প্ৰথম কেইবছৰমান ফিল্ম-শিল্পৰ অগ্ৰগতি আছিল অতি মন্থৰ। কিন্তু ১৯৫৪ চনৰপৰা ক্ৰমাগ্ৰগতি লক্ষ্যণীয। ১৯৫৫ চনত ২৬খন, ১৯৫৬ চনত ৩৪খন, ১৯৫৭ চনত ৪৩খন পূৰ্ণাংগ বোলছবি মুক্তি লাভ কৰে। তদুপৰি, জনসাধাৰণৰ শিক্ষাৰ অৰ্থে বহুতো বৈজ্ঞানিক ডকুমেণ্টাৰী তোলা হৈছিল। মুক্তিৰ পাছত এই আঠ বছৰত চলচ্চিত্ৰৰ ভাণ্ডাৰত যি নতুন সংযোজন হৈছে, অতীতৰ তুলনাত আংশিক আৰু বিষযবস্তুৰ বিন্যাসত সি ইমান উন্নত মানদণ্ডৰ যে তেতিয়াৰ চীনৰ চলচ্চিত্ৰই ল'ৰাকাল পাৰ হৈ ডেকা কালত ভৰি দিছিলহি বুলিয়েই ক'ব পাৰি। 'তীখাৰু যুঁজাৰু', 'বেলৰে

গেবিলা', 'মা', 'জৰুৰী চিঠি', 'বগা চুলীযা ছোৱালীজনী' আদি বোল ছবিয়ে এই নতুন যুগৰ গৌৰৱময স্বাক্ষৰ বহন কৰিছে।

দীৰ্ঘ পদক্ষেপৰ অগ্ৰগতি (Big Leap Forward), ১৯৫৮ চনৰপৰা সমাজতন্ত্ৰ গঢ়াৰ বাটত শামুকীযা গতিক নেওচি নিৰৱচ্ছিন্ন বৈপ্লৱিক অগ্ৰগতিয়েই হ'ল তেতিয়াৰ মূলমন্ত্ৰ। এই বৈপ্লৱিক অগ্ৰগতিৰ পৰা চলচ্চিত্ৰও বাদ পৰা নাছিল। পোনতেই Industry-ৰ ফালৰপৰা আলোচনা কৰিলে ভাৰত আৰু জাপানতকৈ বহু পিছপৰা চীনা চলচ্চিত্ৰ-শিল্পই মাথোন দুই-তিনি বছৰতে আমাৰ সমকক্ষ হ'বলৈ বদ্ধপৰিকৰ হ'ল।

সেই বছৰৰ জুলাই মাহত সদৌ চীন চলচ্চিত্ৰ কৰ্মী সকলৰ এখন সম্মিলন পতা হয। তাত সিদ্ধান্ত লোৱা হ'ল যে প্ৰতিখন প্ৰাদেশিক ৰাজধানীত এটাকৈ ষ্টুডিয় পতা হ'ব, আৰু বোলছবিৰ সংখ্যা এবছৰতে দুগুণ কৰিব লাগিব। শ্ল'গান দিযা হ'ল:

'ডুও, খোযাই, হাও, স্বেং' (more, faster, better and more economical) চাওঁতে চাওঁতে কেণ্টন, উহান, চিনান, ছিয়ান আদি চহৰত ষ্টুডিয় নিৰ্মাণৰ কাম আৰম্ভ হ'ল।

১৯৫৮ চনৰ নভেম্বৰ মাহত উত্তৰ-পশ্চিম চীনৰ শেন্‌ছি প্ৰদেশৰ ইতিহাস-প্ৰসিদ্ধ ছিয়ান নগৰত নৱ-নিৰ্মীযমান ষ্টুডিয় চাবলৈ গৈছিলোঁ। নিৰ্মাণৰ কাম প্ৰায শেষ হওঁ হওঁ হৈছিল। ১৪ হাজাৰ স্কোয়্যাৰ মিটাৰ এলেকা জুৰি ৬টা ফ্ল'ৰ যুক্ত অতি আধুনিক যন্ত্ৰ-পাতি লৈ প্ৰাদেশিক চৰকাৰৰ তত্ত্বাৱধানত আধুনিক ষ্টুডিয গঢ়ি উঠিছে। তাত ৰঙীন আৰু ওৱাইডস্ক্ৰীন বোলছবি তোলাৰ ব্যৱস্থাও হৈছে।

১৯৪২ চনত য'ত ৪৩খন ছবি নিৰ্মিত হৈছিল, ১৯৫৮ চনত তাৰ ঠাইত ১০৩ খন ফিচাৰ ফিল্ম নিৰ্মিত হ'ল।

নতুন সমস্যা

ষ্টুডিয় হ'ল বাৰু, ইমান টেকনিশ্বিয়ান বা পায ক'ত ? যি অবিশ্বাস্য দ্ৰুত গতিত ষ্টুডিয নিৰ্মিত হয, সেই গতিত দক্ষ টেকনিশ্বিয়ান পোৱা টান। তদুপৰি কেঁচা ফিল্ম আৰু লেবৰেটৰীৰ মাল-মছলাই বা পায ক'ত ? সকলোটিযে সাংহাইলৈ চালে। কিন্তু সাংহাইৰ ক্ষমতাও সীমাবদ্ধ। সিদ্ধান্ত হ'ল, নওখন চহৰত থকা ষ্টুডিয সমূহত ফিচাৰ তোলা হ'ব আৰু ৰাকীবোৰত তোলা হ'ব ডকুমেণ্টাৰী। ইতিমধ্যে হোপেইৰ পাওটিং চহৰত কেঁচা ফিল্ম তৈযাৰীৰ কাৰখানা নিৰ্মিত হৈ গ'ল। ১৯৬২ চনৰ ভিতৰত তেওঁলোকে সমগ্ৰ চীনদেশৰ চাহিদা পূৰাব পাৰিব বুলি ক'লে। থিযেন শ্বিং আৰু সাংহাইৰ পৰাও নতুন নতুন উচ্চ মানদণ্ডৰ প্ৰজেক্টাৰ নিৰ্মিত হৈ ওলাল। পিকিং আৰু সাংহাইত ফিল্ম ইনষ্টিটিউট স্থাপিত হ'ল নতুন নতুন টেকনিশ্বিযান আৰু পৰিচালক তৈয়াৰীৰ বাবে। এতেকে, চাৰিওফালে সাম্ৰাজ্যবাদীহঁতৰ trade embargo থকা সত্ত্বেও চীনৰ চলচ্চিত্ৰই তাৰ পিছপৰা অৱস্থাৰপৰা বিশ্বৰ প্ৰথম পৰ্য্যায়ৰ চিত্ৰ-নিৰ্মাতাসকলৰ সমকক্ষ হৈ উঠা কথাটো সাঁচে-কাটে সঁচা।

নতুন ছবিৰ বৈচিত্ৰ্য

আগতেই উনুকিয়াই অহা হৈছে যে, চীনদেশত ভাৰতৰ দৰে চলচ্চিত্ৰই Industry হিচাপে গঢ়ি উঠিবলৈ সুবিধা পোৱা নাছিল। মুক্তিৰ পাছত দহবছৰৰ মাজত চীনদেশে এই মৰ্য্যাদা লাভ কৰিলে। এটা হিচাপ দাঙি ধৰিলেই বিষযটো ফটফটীয়া হ'ব :

	১৯৪৯ চন	১৯৫৮ চন
ফিচাৰ ছবি :	৬	১০৩
কাৰ্টুন :	২	১০
চুটি ডকুমেণ্টাৰী :	৩১	৫৫২
পূৰ্ণদৈৰ্ঘ্য ডকুমেণ্টাৰী :	২	১৮
বৈজ্ঞানিক ছবি :	১০	১৫৪
ছিনেমা গৃহ :	৫৯৬	১৩৪৬
চীনা ভাষাত ডাব কৰা বিদেশী ছবি :	৩	১৫১
ভ্ৰাম্যমান প্ৰদৰ্শক টিম :	৬৪৬	১২.৫৭৯
মুঠ দৰ্শক :	৪ কোটি ৪৩ লক্ষ	প্ৰায় ৩০০ কোটি

এই উন্নতি মাথোন সংখ্যাত নহয়, বৈচিত্ৰ্যতো। সামাজিক, ঐতিহাসিক, লৌকিক উপকথামূলক শিশু বোলছবি, ফিচাৰ আৰু কাৰ্টুন, ৰঙীন—সকলো দিশতে বিকাশলাভ কৰিছে। চীনৰ কাৰ্টুন ছবিৰ অগ্ৰদূত ওৱাং ভাতৃদ্বয়ৰ নেতৃত্বত সাংহাইত Animated Film Studio-ত 'পশ্চিমযাত্ৰী' আদি পূৰ্ণদৈৰ্ঘ্য সাৰ্থক কাৰ্টুন-ছবি তোলা হৈছে। প্ৰাচীন সমাজৰ ভাবধাৰা, অভ্যাস, আমোলাতান্ত্ৰিক মনোভাৱ আদিক ব্যংগ কৰি তোলা হাস্যৰসাত্মক উপভোগ্য ছবিও বহুতো চাইছোঁ। খেলুৱৈ-জীৱনৰ আলমত '৫নং বাস্কেটবল খেলুৱৈ'ৰ দৰে নাটকীয় ঘটনাপূৰ্ণ সাৰ্থক ছবিও নথকা নহয়। ৰঙীন ছবিৰ সংখ্যাও ক্ৰমবৰ্ধমান।

এখন বিশিষ্ট ছবি

চীনেই বোধ হয় পৃথিৱীৰ একমাত্ৰ দেশ, যিখন দেশত অপেৰা-চলচ্চিত্ৰ প্ৰচলিত। অৰ্থাৎ, মঞ্চৰ অপেৰাক হুবহু ছেলুলয়েডত

ৰূপান্তৰিত কৰিলে যি হয়, সেয়ে। এওঁলোকৰ মন ইমানে অপেৰা-কেন্দ্ৰিক যে বোলছবিতো এওঁলোকে অপেৰাহে চাব খোজে, যাক স্বীকৃত অৰ্থত কোনোপধ্যেই বোলছবি বুলি ক'ব নোৱাৰি। পৰ্দাত অপেৰাৰ এই ৰস কোনোদিনেই উদ্ধাৰ কৰিব পৰা নাই—ই ইমানেই লেহেম আৰু একঘেঁহীয়া। অথচ, আচৰিত কাণ্ড, আনকি দস্তুৰমতে শিক্ষিত লোকসকলেও তিনিঘণ্টা বহি পৰমানন্দেৰে এইবোৰ বোলছবি উপভোগ কৰে। এইবোৰ সংখ্যাত চীনা চলচ্চিত্ৰৰ প্ৰায় বিছ ভাগ। অৱশ্যে চীনত কোনো কোনো আধুনিক সমালোচকেও এইবোৰক বোলছবি বুলি মানি লোৱাত মান্তি নহয়—এনেকুৱা মানুহো লগ পাইছোঁ। এই কথা লৈ বিতৰ্ক আছে। কিন্তু 'শতফুল বিকশিত হওক'—নীতিত আৰ্টৰ ক্ষেত্ৰত সকলো ৰূপৰীতিৰ পথ যিদৰে উন্মুক্ত কৰি দিয়া হৈছে সেই বাটেৰে এই অপেৰা ছবিসমূহো বিকশিত হৈ উঠিব বুলি বোধ হয়। মই মুঠেই ভাল পোৱা নাছিলোঁ, যদিও এইবোৰে চীনা মানসিকতাৰ এটি জটিল দিশ মোৰ ওচৰত উদ্‌ঘাটিত কৰি তুলিছে। সুৰাশ্ৰয়ী বাণী-ৰ প্ৰাণৰ পৰশ বিদেশীয়ে অনুভৱ নকৰিলেও চীনৰ দৰ্শকৰ ওচৰত সিয়েই মূল আকৰ্ষণ।

নতুনৰ মূল্যায়ন

এইখিনিত প্ৰশ্ন উঠিব, পৰিমাণ বা সংখ্যা বাঢ়িল, বুজিলোঁ, কিন্তু গুণগত উন্নতি হ'ল কিমানখিনি? গুণগতভাবে দুযোফালৰেপৰাই—আংগিক আৰু উপাদানত। আঠে বছৰত এশতকৈ বেছি সংখ্যক প্ৰবীণ আৰু নবীন ছবি চাই আহিছোঁ। অৱশ্যে তাৰপৰা সঠিক মূল্যায়ন বৰ সহজ নহয়, যদিও তাৰপৰা অগ্ৰগতিৰ মোটামুটি ধাৰা এটাৰ উমান নিশ্চয় ল'ব পাৰি। Big Leap Forward-ৰ প্ৰথম বছৰত তোলা 'সমুদ্ৰৰ আত্মা', "অহিফেন যুদ্ধৰ নেতা জেনাৰেল

লিন্' 'পার্টিৰ জীয়ৰী', 'বিপ্লৱী সংগীতজ্ঞ নিএআৰ' আদি বোলছবিত নতুন অগ্ৰগতিৰ সুস্পষ্ট স্বাক্ষৰ আছে।

তথাপি, চীনৰ বোলছবিৰ গুটিদিয়েক ক্ৰটিৰ কথা উল্লেখ নকৰি নোৱাৰি। বৰ্তমান দ্ৰুত সমাজ ৰূপান্তৰৰ সমস্যা সম্বলিত বোলছবি সমূহৰ গল্পৰ বিন্যাস আৰু ব্যঞ্জনা প্ৰায়েই দুৰ্বল। জাপ-বিৰোধী আৰু কুওমিণ্টাং বিৰোধী সুদীৰ্ঘ মুক্তিযুদ্ধৰ মাজত ইমান অফুৰন্ত নাটকীয় ঘটনা আৰু চৰিত্ৰ ঠাহ খাই আছে যে এইবোৰ ঘটনা লৈ তোলা ছবিসমূহৰ প্ৰচণ্ড প্ৰাণাবেগে মনটোক তৎক্ষণাৎ আকৰ্ষণ কৰে। ইয়াৰ সংঘাত হ'ল বহিৰ্মুখী, গতিকে তাৰ treatmentও সহজ। কিন্তু সমাজতন্ত্ৰী সমাজ গঢ়ি তোলাৰ সংঘাত মূলতঃ আদৰ্শগত, অন্তৰ্মুখী, আৰু সেয়ে, বহুখিনি জটিল। মাও চে তুঙৰ বিখ্যাত ৰচনা 'জনগণৰ' মাজৰ অন্তৰ্দ্বন্দ্ব' (Contradictions among the people) এই জটিলতাৰ সমাধানৰ এটি দিগদৰ্শন। চীনৰ আধুনিক মঞ্চই এই অন্তৰ্দ্বন্দ্বৰ যিমান গভীৰলৈ সোমাই যাব পাৰিছে—চলচ্চিত্ৰ-শিল্পীসকলে সিমানলৈ পৰা নাই বুলিয়েই মোৰ ধাৰণা। কেতিয়াবা কেতিয়াবা বহু প্লটক ছকৃবন্ধা বুলি মোৰ ধাৰণা হৈছে। বহুতো চীনা বোলছবিত আংগিকৰ ফালৰপৰা নিপুণ পৰিচালনাৰ অভাৱ অনুভৱ কৰিছোঁ। ছিনে কেমেৰাৰ যি নিজস্ব আন্তৰ্জাতিক প্ৰতীকি ভাষা সৃষ্টি হৈছে, চীনা পৰিচালক সকলৰ সৰহভাগেই তাৰ ব্যৱহাৰত এতিয়ালৈকো সিমান পাৰংগমতা প্ৰদৰ্শন কৰিব পৰা নাই। মুক্তি যুদ্ধৰ বিপ্লৱী সংঘৰ্ষৰ dynamic চিত্ৰৰূপো সিমান চকুত নপৰে। কিন্তু বিপ্লৱী সমাজ সংগঠনৰ অন্তঃসংঘাতপূৰ্ণ চিত্ৰত সি তেনেই প্ৰকট হৈ উঠে। যেনে ধৰক—চীনৰ এখন এপিক বোলছবি 'বগাচুলীয়া ছোৱালীজনী' (White Haired Girl)। প্ৰথমতে, অপেৰা হিচাপে এইখনে চীনানাট্যত যুগান্তৰ সৃষ্টি কৰিছিল। কিন্তু এইখনৰ চলচ্চিত্ৰায়ণতো অপেৰাৰ প্ৰভাৱৰপৰা সকলোতে মুক্ত হ'ব পৰা নাই। তাৰ ফলত

এনেহেন যুগান্তকাৰী নাটকখনৰ চলচ্চিত্ৰ-ৰূপ কিছু পৰিমাণে ক্ষুণ্ণ হৈছে —তাৰ মহান আবেদন থকা সত্বেও। এই বোলছবিখনৰ পৰিচালক চাং ছিন্ ছুৱাৰ সৈতে পিকিঙত মোৰ আলাপ-পৰিচয় হৈছিল। তেতিয়া 'বগাচুলীয়া ছোৱালীজনী' সম্পৰ্কে মই মোৰ অভিমত ব্যক্ত কৰিছিলোঁ। কিন্তু তেওঁৰ কথাৰপৰা বুজিলোঁ যে এই বিষয়ে তেওঁ মোৰ লগত একমত নহয়।

কিন্তু তথাপি চীনৰ চলচ্চিত্ৰৰ বৈপ্লবিক ঐতিহ্য জাতিৰ গৌৰৱৰ বস্তু। ধুমুহাৰ মুক্তিপূৰ্ব প্ৰথম পৰ্বৰ 'ধুমুহাৰ সন্তান', 'ইয়াংছীৰ চকুলো' আদি বোলছবিৰ সূঁতিয়েদি মুক্তি-পৰবৰ্তী দ্বিতীয় পৰ্বৰ 'তাঁখাক যুঁজাক', 'ৰেশমৰ গেৰিলা' 'মা' আদিৰ ধাৰাৰে আজিৰ চীনৰ চলচ্চিত্ৰই যি পৰিণতিলৈ আগবাঢ়ি আহিছে, জাতীয় জীৱনৰ মহান ধাৰাৰ লগত সি অংগাংগীভাৱে মিলি গৈছে।

চিত্ৰশিল্পত এছিয়াখণ্ডত ভাৰত, জাপান আৰু চীন—এই তিনিখন দেশেই আটাইতকৈ আগবঢ়া। সমালোচক সকলৰ মতে, শিল্প-শৈলীত ভাৰত আৰু জাপান চীনতকৈ বহুখিনি আগবঢ়া। কিন্তু আংগিক আৰু উপাদানক বেলেগে বেলেগে আলোচনা কৰিব নোৱাৰি। ভাৰতৰ প্ৰথম শ্ৰেণীৰ পৰিচালক সকলৰপৰা চীনৰ পৰিচালকে বহু বিষয় শিকিব পাৰে সেই কথা ঠিকেই। কিন্তু ভাৰতৰ খনদিয়েক উৎকৃষ্ট বোলছবিৰ কথা বাদ দিলে ভাৰতৰ শতকৰা আশীখন বোলছবিৰ বিকৃত ৰুচিৰ স্থূলতাই জনসাধাৰণৰ শিল্পবোধক দিনে দিনে কলুষিত কৰিহে চলিছে। 'বংগদেশৰো অধিক ভাগ বোলছবিতেই সূক্ষ্ম পৰিমিত আংগিকৰ যোগেদি ক্ষয়িষ্ণু সমাজৰ ভাৱধাৰাকহে পৰোক্ষ-ভাবে প্ৰচাৰ কৰিব ধৰিছে। নহ'লেওবা, নৱ বাস্তৱতাৰ নামত আজিৰ জটিল জীৱন-সমস্যাক এৰাই চলাৰ এক কুটিল প্ৰচেষ্টা চলিছে। এইবোৰৰ মাজত কেইখন বোলছবি নো জনতাৰ জীৱন-বোধেৰে উজ্জ্বল?

জাপানী বোলছবি সম্পৰ্কেও ঠিক এই কথাষাৰেই মোক কৈছিল জাপানৰ প্ৰাচীনতম পৰিচালক মিঃ যুশ্বিহাৰাই। তেওঁ ১৯৫৭ চনত

পিকিঙত অনুষ্ঠিত সমগ্র এছিয়া চলচ্চিত্র উৎসৱত যোগদান কৰিছিল।' তেওঁ মোক কৈছিল: 'জাপানৰ শতকৰা ৮/১০ খন বোলছবিৰ মান মোটামুটি ভালেই। বাকীবোৰৰ কোনো ষ্টেণ্ডাৰ্ড নাই। ফচহ্, হলিউড-প্ৰভাৱান্বিত ভেজাল বোলছবি। আমি এইবোৰক প্ৰ'গ্ৰেম পিকচাৰ বুলি কওঁ। এইবোৰ হাউছ বিলাকক চলাই ৰাখিবলৈ নিৰ্মাণ কৰা হয়।'

অৱশ্যে এই অৱস্থাৰ বাবে জাপান বা ভাৰতৰ শিল্পী সকল দায়ী নহয়। দায়ী হ'ল এমুঠি মুনাফাবাজ ধনী শিল্পপতি, চলচ্চিত্ৰ-শিল্প দৰাচলতে যিহঁতৰ মুঠিত আছে। কিন্তু সমাজতন্ত্ৰী চীনত চলচ্চিত্ৰ আজি শিল্পপতিৰ কবলমুক্ত। চীনৰ চলচ্চিত্ৰ আজি নতুন সমাজতন্ত্ৰী সমাজৰ নতুন মানসিকতা আৰু চৰিত্ৰ গঠনত নিয়োজিত। সেয়ে চীনা বোলছবিত কেতিয়াবা কেতিয়াবা ৰসাত্মক ব্যঞ্জনাৰ অভাৱ পৰিলক্ষিত হ'লেও ষ্টুডিয়তে চুলাই কৰা ফটিকাৰে জনসাধাৰণৰ সাংস্কৃতিক তৃষ্ণা পলুৱাৰ প্ৰচেষ্টা মূলক বোলছবি এখনো চকুৰ পৰা নাই। চীনৰ চলচ্চিত্ৰ-শিল্পী জন-জীৱনৰ সাৰ্থক প্ৰতিভূ। কোনো গ্ল্যামাৰৰ ট্ৰেডমাৰ্ক তেওঁলোকৰ নাই। তেওঁলোক এই কথাটোত সচেতন যে, এতিয়াই তেওঁলোকে ৬৫ কোটি জনতাৰ দাবী পূৰণ কৰিব পৰা নাই। ভাৰতত চলচ্চিত্ৰ-পৰিচালকে প্লটক বিচাৰি ফুৰে, আৰু চীনত প্লটে বিচাৰি ফুৰে পৰিচালকক। এই চেতনা মনৰ গহনত ৰাখি লৈয়ে চলচ্চিত্ৰ-শিল্পী সকলে 'শতফুলক বিকশিত কৰাৰ' বিনিদ্ৰ-সাধনাত মিলিত হৈছে।

নতুন চীনৰ চিত্ৰতাৰকা

[১৯৫৯ চনত দেশলৈ উলটি অহাৰ পাছত লিখিত]

পিকিঙত ভৰি দিয়েই বলৰাজ সাহনীৰ চিঠি পালোঁ। সেই চিঠিত আছিল চীনা চলচ্চিত্ৰ জগতত বলৰাজৰ বন্ধু-বান্ধৱীৰ এখন

জীৱন তালিকা। লিখিছে যে, মই অৱশ্যেই তেওঁলোকক লগ ধৰোঁ যেন, আৰু তেওঁলোকক তেওঁৰ হৈ শুভেচ্ছা জ্ঞাপন কৰোঁ যেন। এই তালিকাখনৰ এটা নামৰ তলত দাগ দিয়া আছিল আৰু তেওঁৰ সম্বন্ধে বলৰাজে অলপ পাতনিও লিখিছিল। পাতনিত কৈছিল: আচৰিত প্ৰাণৱন্ত মহিলাজনী। ভাল পাই পেলাইছিলোঁৱেই প্ৰায়। তেওঁ হ'ল খ্যাতনামা চীনা চিত্ৰতাৰকা চাং ৰুয়ে ফং। মই কিন্তু তেতিয়ালৈকে তেওঁৰ নামকে নাজানো। তেতিয়ালৈকে মই মাথোন দুটা নামহে জানো। 'বগাচুলীযা ছোৱালীজনী'ৰ নাযিকা থিয়েন্ হুৱা আৰু চীনৰ গোৰ্কী লু শ্বুনৰ বিখ্যাত গল্প 'চু ফু' বা 'নৱবৰ্ষৰ বলিদান'ৰ নাযিকা পাই ইয়াং-ৰ নাম। তেওঁলোকৰ স'তে চা-চিনাকি হোৱাৰ আগ্ৰহেই আছিল অধিক।

উনৈছুশ সাতাৱন চনৰ বসন্তকালত মই চীনলৈ আহিছিলোঁ। চীনদেশখনত তেতিযা ষ্টুডিয বোলোঁতে মুঠেই তিনিটা। সাংহাই, ছাংচুন আৰু পিকিঙত। চীনদেশৰ মঞ্চ আৰু বোলছবিৰ চিৰদিনীযা ৰাজধানী আছিল সাংহাই, যদিও সম্প্ৰতি পিকিং মঞ্চ-জগতৰ মৰ্মকেন্দ্ৰ হৈ উঠিছে। তথাপি, সাংহাই এতিযাও চলচ্চিত্ৰৰ সম্ৰাজ্ঞী। নামজলা চিত্ৰতাৰকা, পৰিচালক আৰু টেকনিশ্বিযানৰ প্ৰায আটাযেই থাকে সাংহাইত।

প্ৰথম বছৰটো পিকিং আৰু কেণ্টনৰ ওচৰে-পাঁজৰেই কটাই দিলোঁ। চিত্ৰ-জগতৰ লোকসকলৰ স'তে সিমান চা-চিনাকি নহ'ল। মাথোন পিকিঙত এদিন 'বগাচুলীযা ছোৱালী'ৰ পৰিচালক পিকিং ষ্টুডিযৰ চাংছিন হুৱা আৰু 'নীল পাহাৰৰ চূড়াত ৰঙা ৰঙা পতাকা'ৰ সাংহাইৰ খ্যাতনামা পৰিচালক চাং চুন শ্বিয়াঙৰ সৈতে মোৰ সুদীৰ্ঘ আলোচনা হৈছিল চীনৰ সাংস্কৃতিক আন্দোলনৰ সাধাৰণ সমস্যাসমূহ লৈ। মোৰ অৱশ্যে কোনো খৰখেদা নাছিল। মই উৰণীযা ভ্ৰমণকাৰী নহওঁ, মই নিদ্ৰামগ্ন বিশ্ৰাম-বিলাসীহে। মোৰ চোৱা-মেলাৰ সুবিধা যিমান, ভৰা-গুণাৰ আজৰি তাতকৈ বহু বেছি।

আন এটা কথা। এখন দেশৰ সাধাৰণ মানুহৰ লগতে বহি তেওঁলোকৰ দৃষ্টিৰে চোৱাৰ অভিজ্ঞতা নোহোৱালৈকে সকলো ধৰণৰ চোৱা-মেলাত প্ৰকাণ্ড ফাঁকি থাকে।

দুবছৰৰ পাছতহে সাংহাইলৈ গৈছিলোঁ। কিন্তু মই ইতিমধ্যেই অসংখ্য বোলছবি চালোঁ। তেওঁলোকে কয়ঃ 'তিয়েন ইং' 'বিজুলী-ছবি'। বোলছবি চালোঁ, আৰু মিলিলোঁ-জুলিলোঁ অসংখ্য মানুহৰ লগত। চীনা চলচ্চিত্ৰৰ আমাৰ দৰে কোনো 'Stardom' বা 'তাৰকা-বৃত্তি' নাই। চহৰৰ শিক্ষিত যুৱক-যুৱতীক যেতিয়াই সুধিছোঁ—কোৱাচোন তোমালোকৰ নামজলা চিত্ৰতাৰকাসকলৰ নাম? চাৰিটা বা পাঁচটা নাম কোৱাৰ অন্তত লগৰীয়াক সোধেঃ 'আৰু কোন কোন ঐ, কচোন?' অথচ এওঁলোকেই পিকিং অপেৰাৰ মেই লাং ফাং, তু চিং ৰং, লি স্যু চুনৰপৰা আৰম্ভ কৰি কোৱাণ্টুং অপেৰাৰ মা ছি চাং, হোং শ্বিযাং ন্যুলৈকে দুডজনমান অপেৰা-তাৰকাৰ নাম একে উশাহে গাই দিব পাৰিব। চীনদেশত প্লে-ব্যাক গায়ক-গাযিকা বোলোঁতে নাই। আমাৰ লতা মংগেশকৰৰ দৰে জনপ্ৰিয় চীনৰ ফিল্ম-গাযিকা কুও লান ইং বা ওৱাং খু ইন হ'ল মূলতঃ মডাৰ্ন অপেৰাৰ গাযিকা-অভিনেত্ৰী। সেয়ে এঠাইত কৈছিলোঁ যে চীন এতিযালৈকো 'অপেৰাগত প্ৰাণ', আমাৰ দৰে 'বোলছবিগত প্ৰাণ' নহয়।

আজিৰ চীনৰ চলচ্চিত্ৰৰ নায়ক হ'ল শ্ৰমিক, কৃষক আৰু সৈনিক। সেয়েহে, কোনো বিশেষ নায়ক বা নাযিকা তাত মুখ্য নহয়। চীনৰ চলচ্চিত্ৰত কোনো বিশেষ তাৰকাও বোধহয় মুখ্য হৈ উঠিব পৰা নাই। চীনৰ দৰ্শকে বোলছবি চাবলৈ হ'লে সোধে—তাত আছে কি? আমাৰ দৰ্শকে সোধে—তাত আছে কোন?

অপেৰা ঘাইকৈ ট্ৰ্যাডিশ্যনাল। শিৰকুটা ঐতিহাসিক জেনাৰেল বা কাঁচনমতী ৰাজ-গণিকাৰ কাহিনী। সেয়েহে, অপেৰাত অভিনেতা-অভিনেত্ৰীৰ ব্যক্তিসত্তা এক প্ৰধান আকৰ্ষণ। তথাপি চীনত অপেৰা-

'ষ্টাৰ'সকল আছে। যাক বোলে 'গ্লেমাৰ'—এসময়ত যথেষ্ট আছিল তেওঁলোকৰ। কিন্তু এতিয়া লাহে লাহে নোহোৱা হ'ব ধৰিছে। আৰ্ট যেতিয়া কমাৰ্শিয়েল হৈ উঠে—তেতিয়াই 'গ্লেমাৰ'ৰ টাটকীয়া 'ষ্টাৰডম'ৰ ট্ৰেডমাৰ্কৰ প্ৰয়োজন ঘটে। সমাজতন্ত্ৰী সমাজত তাৰ সুযোগ নিচেই কম।

'শ্বিয়া ফাং' বা 'গাঁৱলৈ ব'লা' আন্দোলনৰ ফলত চহৰৰ শিল্পী-সকল কৃষকৰ কুটীৰলৈ গ'ল—'কিমান ধানৰ পৰা কিমান চাউল ওলায়' শিকিবলৈ এদিন-দুদিন নহয়, কোনোৱে ছমাহ, কোনোৱে বা এবছৰৰ বাবে। বৰ্তমান চীনৰ আটাইতকৈ মোহময়ী চিত্ৰতাৰকা হ'ল ওযাং তাং ফং। তেওঁ ৰোমাণ্টিক চৰিত্ৰত অদ্বিতীয়া, কেমেৰাত যি কোনো এংগেলত তেওঁৰ চেহেৰাৰ আকৰ্ষণ দুৰন্ত। বয়সতো গাভৰু। 'নাছ'ৰ ডায়েৰী' বা 'সমুদ্ৰৰ আত্মা' আদি ছবিত যিসকলে তেওঁক দেখিছে—তেওঁলোকেই মোৰ কথা স্বীকাৰ কৰিব। এদিন দেখিলোঁ—এখন বিখ্যাত সাদিনীযা চলচ্চিত্ৰ-কাকতৰ বেটুপাতত এখন ছবি, ওযাং তাং ফঙে এজনী কৃষক-ছোৱালীৰ লগত একেলগে নাদৰপৰা পানী তুলি খেতি-পথাৰত পানী দিছে। ভাবিলোঁ, ই নিশ্চয় কোনো মুকলি হ'ব লগীযা বোলছবিৰ ষ্টীল ফটো। কিন্তু নহয়। তেওঁ সঁচায়ে এখন গাঁৱৰ এজন কৃষকৰ ঘৰলৈ এবছৰৰ কাৰণে গৈছে। তাতে আছে। তাত খেতি-বাতি শিকিছে আৰু কৃষক-চৰিত্ৰ লৈ অধ্যযন কৰি আছে। মনত অলপ বেজাৰ লাগিল। ভাবিলোঁ, ওৱাং তাং ফঙৰ গাত যি-বা অলপ 'গ্লেমাৰ' ফুটি ওলাওঁ ফাটি ওলাওঁ কৰিছিল ষ্টুডিযলৈ ঘূৰি অহাৰ আগতেই সিও বোকা-মাটি লাগি নোহোৱা হ'ব।

অৱশ্যে—চীনৰ চলচ্চিত্ৰৰ ইতিহাস—চীনৰ সুদীৰ্ঘ ৰক্তক্ষযী মুক্তি-যুদ্ধৰ ইতিহাসৰ সৈতে অংগাংগীভাৱে জড়িত। অভিনেতা চাও তান্, ৎছুওৱেই বা অভিনেত্ৰী পাই ইযাং নাইবা চাং কৱে ফং প্ৰমুখ্যে সকলোটিৰ গাত সেই সংগ্ৰামৰ ক্ষতচিহ্ন বিদ্যমান।

১৯৩১ চনত জাপানী আক্রমণত সাংহাইৰ ষ্টুডিয় যেতিয়া বন্ধ হৈ গ'ল, তেতিয়া তেওঁলোকে গাঁৱে গাঁৱে ঘূৰি ঘূৰি নাট আৰু গীতৰ যোগেদি জনসাধাৰণক প্ৰতিৰোধৰ বাবে উদ্বুদ্ধ কৰি তুলিছিল। সেই কালছোৱাতেহে চীনৰ 'চিয়ে থৌ' বা 'বাটৰ নাট'ৰ জন্ম। চীনৰ সৰহভাগ চলচ্চিত্ৰই চীনৰ মুক্তি আন্দোলনৰ গৌৰৱময় ঐতিহ্যক বহন কৰি চলিছে। আৰু বোধহয় সেই কাৰণেই এই অভিনেতা-অভিনেত্ৰীসকল ইমান প্ৰাণৱন্ত।

চীনৰ যিখন বোলছবিয়ে মোক পোনপ্ৰথমে অভিভূত কৰি পেলাইছিল—সেই বোলছবিখন আছিল 'মুছিন্' বা 'মা'। ই এখন যুগান্তকাৰী ছবি। দুৰ্ভিক্ষৰ কবলত পৰি এগৰাকী ছিন্নমূল কৃষক-মাতৃ, গাঁৱৰপৰা চহৰলৈ আহিল আৰু চহৰলৈ অহাৰ পাছত তেওঁ গুপ্ত বিপ্লৱীসকলৰ সংস্পৰ্শলৈ আহিল। তেওঁৰ মাজত লাহে লাহে আৰম্ভ হ'ল নৱ-মাতৃত্বৰ ক্ৰমবিকাশ, যাৰ চূড়ান্ত পৰিণতি হ'ল জাপান আৰু কুওমিণ্টাং-বিৰোধী মুক্তিযুদ্ধত আত্ম-বলিদান। 'মা'ৰ এপিক চৰিত্ৰৰ সতে চাং ৰুযে ফঙে নিজক এনেকৈ মিলাই দিছে যে তাৰ পাছৰপৰা চাং ৰুযে ফঙৰ কথা উঠিলেই মোৰ মনত সেই মহীয়সী মাতৃগৰাকীৰ মুখখনি ভাহি উঠিছিল।

১৯৫৯ চনৰ মে' মাহৰ শেষৰ ফালে সাংহাইলৈ গৈছিলোঁ। এদিন 'হায় ইয়েন' ফিল্ম ষ্টুডিয় চাবলৈ গৈ অপ্ৰত্যাশিতভাবে চাং ৰুয়ে ফং আৰু চাও তান্-ৰ স'তে দেখাদেখি। দুয়োগৰাকীয়েই ছে'ট-ত ব্যস্ত; শ্বুটিং চলি আছে। অলপ আজৰি পায়েই চাং আহিল। কৰমৰ্দন কৰি 'হোৱানিং' অৰ্থাৎ স্বাগত জনালে। নীলা ট্ৰাউজাৰৰ ওপৰত ধূসৰ বা মটীয়া-বগা গলাবন্ধ চীনা 'শ্বিয়াঙ কোৱা' চোলা, বুদ্ধিদীপ্ত চেহেৰা, হাঁহিলেই গালত পোটোকা পৰে। তেওঁ সঁচাযে চীনা বিউটি। মই কিন্তু 'মুছিন'ৰ—অৰ্থাৎ 'মা'ৰ লগত তেওঁৰ সাদৃশ্য বিচাৰি আছিলোঁ তেওঁৰ চকু-মুখত-গাত। বিচাৰি আছিলোঁ সেই যিৰিঙতি। সাধাৰণ শিল্পানুৰাগীয়ে যেনেকৈ কোনো আদৰ্শ

চৰিত্ৰৰ লগত দক্ষ চৰিত্ৰাভিনেতাক সাঙুৰি পেলায়, মোৰো সেই অৱস্থা। মোৰ মুখত চীনা ভাষা শুনি তেওঁ আনন্দিত-বিস্মিত। ক'লে, 'বাহ্! আপুনি তো বেছ ভাল চীনা কৈছে। শিকিলে ক'ত?'

মই ভিতৰি ভিতৰি আত্মপ্ৰসাদ লাভ কৰিলোঁ। ক'লোঁ, 'মই কোনো ডেলিগেট নহওঁ—মই চীনত থকা বহুদিন হ'ল, সেযে বাধ্যত পৰি ছেগা-চোৰোকাকৈ অকণমান শিকিবলগীয়া হৈছোঁ; কিন্তু চীনাসকলে জানিলেও ইংলিছ নকযেই নহয।'

তাৰ পাছত বোলছবিৰ কথালৈ আহিলোঁ। ক'লোঁ যে আজিলৈকে তেওঁৰ অভিনীত যিমান বোলছবি চাইছোঁ তাৰ মাজত এখনো 'মা' ছবিখনৰ পৰ্য্যায পাবগৈ পৰা নাই। কিছুদিনৰ আগতে ছোৱালীহঁতৰ নিজৰ চেষ্টাত নিৰ্মিত কমিউনৰ ইতিবৃত্ত লৈ ৰচিত '৮ মাৰ্চ' ছবিখন চালোঁ। প্ৰধান নাযিকাৰ ভাও দিছিল চাং ৰুযে ফঙে। সেই ছবিখনো মই মুঠেই ভাল পোৱা নাই। ছবিখনে ডকুমেণ্টাৰিৰ সীমা পাৰ হ'ব পৰা নাই। এই কথাষাৰ তেওঁক বিনীতভাবে ক'লোঁ। তেওঁ মোৰ সমালোচনাক স্বীকাৰ কৰিলে। ক'লে, 'এইবোৰক আমি ডকুমেণ্টাৰি ফীচাৰ বুলি কওঁ। আজিৰ চীনৰ জনসাধাৰণৰ বাবে এনে ধৰণৰ বোলছবিৰ আৱশ্যকতা আছে।'

অন্যান্য সৰুসুৰা কথাৰ পাছত তেওঁ তেওঁৰ বন্ধু বলৰাজৰ কথা সুধিলে আৰু ভাৰতীয চলচ্চিত্ৰৰ বৰ্তমান সাৰ্থক ছবিৰ কথা জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। ভাৰতীয বোলছবিৰ টেকনিক্যাল উৎকৰ্ষতা আৰু চীনত ভাৰতীয ছবিৰ জনপ্ৰিযতাৰ কথা উল্লেখ কৰি তেওঁ আমাৰ বোলছবিৰ টেকনিকৰ উচ্চ মানদণ্ডক তাৰিফ কৰিলে। বিদায লোৱাৰ আগতে, ইমান ব্যস্ততাৰ মাজতো মোৰ লগত ইমানখিনি সময ব্যয কৰাৰ বাবে তেওঁক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আমাৰ কথাবাৰ্তাৰ মাজতে চাও তান এবাৰ ওলাইছিলহি। মোক হাঁহি অভিবাদন জনাই তেওঁ গ'লগৈ নিজৰ কামত। তেওঁ

তেতিয়া কেমেৰাৰ আগত থিয় হৈ আছে। চীনৰ জাতীয় সংগীতৰ জনক বিপ্লৱী সংগীতজ্ঞ নিএ আৰ-ৰ জীৱনী-সম্বলিত বোলছবি এখনৰ শ্যুটিং চলিছে তেতিয়া। নাম ভূমিকাত চাও তান্। ইয়াৰ আগত তেওঁক আন কেইখনমান বোলছবিত দেখিছিলোঁ। অতি জনপ্ৰিয় 'সমুদ্ৰৰ আত্মা'ৰ নায়কৰূপে আৰু অহিফেন-যুদ্ধৰ বীৰ জেনাৰেল 'লিনজেশ্যু'ৰ নাম ভূমিকাত। চীনৰ প্ৰগতিশীল নাট্য আৰু চলচ্চিত্ৰ আন্দোলনৰ আৰম্ভণীৰে পৰা চাও তান্ এজন নেতা, অভিনেতা আৰু পৰিচালক। চীনৰ মঞ্চ আৰু পৰ্দাত তেওঁ এক অবিনশ্বৰ ঐতিহ্যৰ সৃষ্টি কৰিছে। কিন্তু তেওঁৰ লগত বহি অলপ আলাপ কৰা নহ'ল। সকলোটিয়েই ব্যস্ত। Big Leap Forward-ৰ প্ৰতিযোগিতাত সকলোটিৰ দৰে তেওঁলোকো সাঙোৰ খাই পৰিছে। জাতীয় দিৱসৰ দশম বাৰ্ষিকীত জাতিক কোনে কিমান ভাল বোলছবি উপহাৰ দিব পাৰে—তাৰো প্ৰতিযোগিতা চলিছে। কথাষাৰ মই আগতেই জানিছিলোঁ। আৰু সেয়েহে, নানাকিঙত থাকোঁতেই চিত্ৰজগতৰ মাথোন এজনৰ লগতেই মই এপয়েণ্টমেণ্ট কৰি থৈছিলোঁ। তেওঁ হ'ল পাঈ ইযাং। ঐতিহ্য আৰু মৰ্য্যাদাত তেওঁ হ'ল আমাৰ দেবিকাৰাণী। কিন্তু আজিও তেওঁ চীনা চিত্ৰজগতৰ উজ্জ্বল তাৰকা।

পাছ দিনা ২৯ তাৰিখে বেলিয়ে লাহ দিলত সাংহাইৰ অপেক্ষাকৃত নিৰন অঞ্চল হুৱাছান লু'ৰ'ডত পাঈ ইযাঙৰ ঘৰলৈ গ'লোঁ। মোৰ লগত আছিল বন্ধু উ তা পিযাও আৰু সাংহাইৰ মিউনিছিপাল চৰকাৰৰ কালচাৰাল ব্যুৰ'ৰ চাং লি ফেই। গাড়ীৰপৰা নামিয়েই পাঈ ইয়াং আৰু তেওঁৰ স্বামী মি. চিযাঙক আমাৰ কাৰণে বৈ থকা দেখা পালোঁ। অভ্যৰ্থনা জ্ঞাপন কৰি মোক তেওঁলোকৰ ত্ৰমহলাস্থিত পঢ়াকোঠালৈ লৈ গ'ল। চাৰিওফালে অগণিত কিতাপ-পত্ৰ। আটাইবোৰ চীনা ভাষাত। এটা থাকলৈ আঙুলিয়াই পাঈ ইয়াঙে ক'লে, 'সৌৱা তাত চীনা ভাষাত অনূদিত ৰবীন্দ্ৰনাথৰ গ্ৰন্থবোৰ আছে, চাওক।'

এখন কোমল চকীত বহাৰ লগে লগেই পাই ইয়াঙে বনকৰা

চীনামাটিৰ টিপটৰপৰা বেলিফুল মিহলোৱা সেউজীয়া চাহ পিয়লাত ঢালিলে আৰু ফলৰ প্লেট আগবঢ়াই দিলে। তেওঁৰ এই স্বচ্ছন্দ, সৰল, ঘৰুৱা ভাবটোৱে মোক প্ৰথমৰে পৰাই আপোন কৰি লৈছিল। তেওঁ মোৰ মুখামুখিকৈ বহিল। নীলা স্কাৰ্টৰ ওপৰত এটি বগা পুল'ভাৰ পিন্ধিছিল তেওঁ। আবেলিৰ এচেৰেঙা ৰ'দ তেওঁৰ মুখৰ ওপৰত পৰিছিলহি। পাঙ্গ ইযাং সুন্দৰী। এই সৌন্দৰ্য্যত তাৰুণ্যৰ তীক্ষ্ণতা নাই, আছে সুদীৰ্ঘ সংগ্ৰামৰ জুইৰে গলোৱা খাঁটি সোণৰ সুষমা। চীনত মহিলাসকলৰ বয়স সোধাটো অভদ্ৰতা নহয়। তথাপি, চিত্ৰতাৰকাৰ বেলিকা, আন্তৰ্জাতিক ৰীতিটোকেই মানিলোঁ। অৱশ্যে ১৯৩৩ চনত যিগৰাকীয়ে প্ৰথম ছবিত অভিনয় কৰিছিল তেওঁৰ বয়সৰ উমান লোৱাটো মুঠেই টান নহয়, নিশ্চয় এতিয়া তেওঁ প্ৰৌঢ়ত্বৰ দুৱাৰদলিত। কিন্তু তাৰুণ্যই এতিযালৈকো তেওঁৰ লগ এৰা নাই।

পাঙ্গ ইয়াঙৰ স্বামী মি চিযাং কাষতেই বহি আছিল। লৌহ-পেশী চেহাৰা, দেখাত ওৱেট-লিফ্টাৰ যেনহে লাগে। কিন্তু তেওঁ হ'ল সাংহাইৰ এগৰাকী তৰুণ চিত্ৰ-পৰিচালক। সদ্যহতে গাঁৱৰপৰা 'শ্বিয়া ফাং' অৰ্থাৎ কাযিক শ্ৰম কৰি ঘূৰি আহিছে। সেয়েহে আলোচনাৰ পাতনি তৰা হ'ল শ্বিযা ফাঙেৰেই। পাঙ্গ ইযাঙে ক'লে, 'এই আন্দোলনে আদৰ্শগতভাৱে যে শিল্পীসকলক সকল আত্মকেন্দ্ৰিক চৰিত্ৰ সংশোধনত সহায় কৰিছে সিমানেই নহয়, শিল্পীক শিল্পী হিচাপে আগতকৈও বহুগুণে দক্ষ হৈ উঠাত সহায় কৰিছে। কিযনো, শ্ৰমজীৱি জনতাযেই হ'ল আমাৰ চলচ্চিত্ৰৰ নাযক। এই আন্দোলনে শিল্পী সকলক তেওঁলোকক প্ৰত্যক্ষভাবে জনাৰ সুযোগ দিলে।'

আলোচনাৰ গতি সলাই পাঙ্গ ইযাঙৰ অতীত জীৱনলৈ ফ্লেশ্ব বেক কৰিবলৈ চেষ্টা কৰিলোঁ। মই তথাকথিত ফিল্ম জাৰ্নালিষ্ট নহওঁ। তেওঁ কি খাবলৈ ভাল পায়, কি পোছাক পিন্ধে, তেওঁৰ 'ছবি' কি

এইবোৰ জনাৰ ইচ্ছা মোৰ নাছিল। মোক লাগে চীনা চলচ্চিত্ৰৰ মূল সুঁতিটো—যাৰ মাজত পাঙ্গ ইয়াঙৰ জীৱন-সোঁত প্ৰবহমান।

১৯৩৩ চনৰ কথা। তেতিয়া সমগ্ৰ চীনত 'শ্বেত-সন্ত্ৰাস'। সাংহাইৰ 'লিয়েন হুৱা' ষ্টুডিয়ই পিকিঙত এটা শাখা মুকলি কৰিছেহে মাথোন। গাঁৱৰপৰা উটি অহা পিকিঙৰ এক দুখীয়া পৰিয়ালৰ মাতৃহীনা ছোৱালী এজনী সেই ষ্টুডিযৰ এজন পৰিচালকৰ চকুত পৰিল। তেতিয়া ছোৱালীজনীৰ বয়স মাত্ৰ বাৰ কি তেৰ বছৰ। কিন্তু সিদিনাৰ সেই দিনটোৰ কথা পাঙ্গ ইয়াঙৰ হুবহু মনত আছে, যিদিনা তেওঁ কেমেৰাৰ আগত এজনী ভীতা বন-হৰিণীৰ দৰে থিয় দি'ছিলহি। তেওঁ ভাও দিছিল এজনী চাকৰাণীৰ। প্ৰথম পৰীক্ষাতেই শলাগৰ শৰাই বুটলিলে। তাৰ পাছতো আন এখন ছবিত সুযোগ পালে। কিন্তু এফালে কুওমিন্টাং, আনফালে জাপানী আক্ৰমণত বিপৰ্য্যস্ত পিকিঙৰ ষ্টুডিযটো বন্ধ হৈ গ'ল। নিচেই কুমলীয়া বয়সতে জীৱন আৰু জীৱিকাৰ সংগ্ৰামত তেওঁ নামিবলগীযা হ'ল। তেওঁ ৰাজনীতিৰ একো এটা কথাও নুবুজিছিল। কিন্তু তেতিয়া তেওঁ পিকিঙত কেইজনমান মানুহৰ সংস্পৰ্শত আহিছিল। মানুহকেইজনক হেনো তেওঁৰ বৰ ৰহস্যময বুলি বোধ হৈছিল। এই দৰদী খাঁটি মানুহ কেইজনে তেওঁক পাৰেমানে সহায কৰি'ল। তেওঁলোকে পাঙ্গ ইযাঙক জাপ-বিৰোধী ভ্ৰাম্যমান নাট্যদলত ৰিক্ৰুট কৰিলে। তেতিযাৰে পৰাই তেওঁৰ নাট্য-জীৱনৰ আৰম্ভণী। এই নাট্য-দলসমূহে তেতিযাৰ দিনত চীনৰ প্ৰতিৰোধ আন্দোলনত এক বিৰাট উন্মাদনাৰ সৃষ্টি কৰিছিল। বহুদিনৰ পাছত তেওঁ গম পাইছিল যে তেওঁক সহায় কৰা সেই ৰহস্যময় মানুহ কেইজন আছিল গুপ্ত কমিউনিষ্ট।

১৯৩৬ চনত কুওমিণ্টাং-কমিউনিষ্ট যুক্তফ্ৰণ্ট হোৱাৰ পাছত তেওঁ সাংহাইলৈ আহিল। তেতিযা দুটা ষ্টুডিয়ক কেন্দ্ৰ কৰি চীনৰ চলচ্চিত্ৰত প্ৰধান দুটা ধাৰাৰ মাজত সংগ্ৰাম চলিছে। এটাৰ নাম 'মিং খিং' আৰু আনটোৰ নাম 'লিযেন হুৱা'। মিং খিঙত তোলা

হৈছিল ডিটেকটিভ, দস্যুতা আৰু যৌন-আবেদনপূৰ্ণ বোলছবি আৰু লিয়েন হুৱাত গোট খালেহি ছাই ছু-সেন, চেন চু-ইন লি প্ৰমুখ্যে প্ৰগতিশীল পৰিচালক সকল, যিসকলে কটকটীয়া ছেন্সৰৰ মাজতো সমাজ-সচেতন বোলছবি তুলিবলৈ সততে চেষ্টা চলাইছিল। এই ষ্টুডিয়ৰপৰাই ১৯৩৬ চনত 'The Cross Road' বা 'চাৰিআলি' নামৰ বিখ্যাত বোলছবিখন ওলাইছিল। তেতিয়াৰ দিনৰ বুদ্ধিজীৱি সকলক লৈ ই আছিল এখন সাৰ্থক বোলছবি। তাত পাঈ ইয়াঙে মুখ্য চৰিত্ৰ এটিৰ ভাও দিছিল। সেই শ্বাসৰুদ্ধকৰ দিনবোৰত, যেতিয়া বিকৃত ৰুচিৰ বোলছবিয়ে বজাৰ গৰম কৰি ৰাখিছিল, তেতিয়া ছেন্সৰৰ লৌহ-যৱনিকা ভেদ কৰি ওলাই আহিল 'ছিন্ কোৱেই হুউৱান' বা 'ছান্ হো লেই'ৰ দৰে উদ্দেশ্যপূৰ্ণ সুস্থ বোলছবি। প্ৰথম খনত আছিল চীনৰ নিগৃহীত নাৰী-সমাজৰ বাস্তৱ চিত্ৰ, দ্বিতীযখনত আছিল এজনী খেতিয়ক ছোৱালীৰ কাহিনী। এই দুয়োখনতে পাঈ ইযাঙে সাৰ্থক অভিনয কৰিছিল। স্বাভাৱিক ভাৱেই লিযেন হুৱাৰ ওপৰত কুওমিণ্টাং চৰকাৰৰ শেন দৃষ্টি পৰিল। আঘাত আহিল। ষ্টুডিযটো সামযিকভাৱে বন্ধ হৈ গ'ল। কিন্তু তথাপি তেওঁলোক নদমিল। তেওঁলোক নামি পৰিল ভ্ৰাম্যমান নাটকৰ দলৰ লগত। তেতিযাই পাঈ ইযাং চীনৰ আধুনিক নাট্যৰ শ্ৰেষ্ঠ পৰিচালক হোং শ্বঙৰ সংস্পৰ্শলৈ আহিল। তেওঁ আছিল এই নাট্যদলৰ পৰিচালক। ভ্ৰাম্যমান নাট্যদলৰ কঠোৰ সংগ্ৰামৰ মাজতো কমেডি-ৰসৰ অভাৱ নাছিল। পাঈ ইযাঙে এটি গল্প ক'লে ঃ

তেওঁলোকৰ দলত যে কুওমিণ্টাঙৰ চোৰাংচোৱা আছিল সেই কথাটো ওলাই পৰিল। তেওঁলোকৰ নাটকতো এক গুপ্তচৰ ধৰা পৰাৰ দৃশ্য আছিল। হোং শ্বঙে অভিসন্ধিপূৰ্ণভাৱেই আচল চোৰাং চোৱাটোকেই এই গুপ্তচৰৰ ভাওটো দিলে। মঞ্চত গুপ্তচৰ ধৰা পৰাৰ দৃশ্যত সকলোটিয়ে মিলি মানুহটোক এনেকুৱা মাৰ শোধালে যে মানুহটোই পাছদিনাই নাট্যদল এৰি পলাই পত্ৰং দিলে। পাঈ

ইযাঙে ইমান বং-বহুণ সানি ঘটনাটো কৈছিল যে আমি হাঁহি হাঁহি লুটি-বাগৰ খাবলগীয়া হ'লোঁ, আলোচনাৰ গহীন-গম্ভীৰ পৰিবেশ কেনিবাদি নোহোৱা হ'ল।

১৯৩৬ চনত ছিয়ান ঘটনাৰ ফলত জাপ-বিৰোধী যুক্তফ্ৰন্ট গঠনৰ পাছত পাঙ্গ ইয়াং ৰাজধানী চুংকিঙলৈ গ'ল। তাত তেওঁ যুদ্ধকালীন নাট্য-আন্দোলনত অগ্ৰণী ভূমিকা লয়। সেই কালছোৱাত কুও মো জো-ৰ নাটক 'ছু ইউৱান', ইয়াং হান সেনৰ 'থাইপিং বিপ্লৱী', খিয়া ইযেনৰ 'ফেছীবাদৰ বীজাণু' আদি চীনা নাট্যত আৰু তলস্তয়ৰ 'ৰিছাৰেকশ্যন' আৰু শ্বেক্সপীয়েৰৰ 'ৰ'মিও-জুলিয়েট'ত অভিনয় কৰি যশস্যা আৰ্জে।

তাৰ পাছত আহিল চীনৰ মুক্তি। তেজ-নিগৰা ৰাজপথেৰে দীঘলীযা পৰিভ্ৰমণৰ অন্তত পাঙ্গ ইয়াঙে বিচাৰি পালে ইয়েনানৰ দিগদৰ্শন। যি সকল এসময়ত ছদ্মনামৰ আঁৰত তেওঁৰ শিল্পী জীৱনত সহায় কৰিছিল, উৎসাহ-উদ্দীপনা যোগাইছিল—আজি মুক্ত আলোকত তেওঁলোকৰ পৰিচয় পালে তেওঁ। তেওঁলোকেই হ'ল নতুন চীনৰ অগ্নিহোতা।

এইবেলি তেওঁ উভতি আহিল সাংহাইলৈ। কিন্তু ষ্টুডিয তেতিয়া বিধ্বস্ত। তথাপি তেওঁলোক নদমিল। তেওঁলোকে আহাৰ-নিদ্ৰা পাহৰি হাতে-কামে লাগি গ'ল মুক্তচীনত নতুন ষ্টুডিয গঢ়াৰ কামত। পোৰামাটিত নতুন চীনৰ প্ৰথম ফচল হ'ল যুগান্তকাৰী চলচ্চিত্ৰ 'পূব দিশলৈ বৈ যায় বসন্তৰ নৈ'। ইংৰাজীত নাম দিয়া হ'ল 'The Yangsechiang's Tears'। মুক্তিৰ পাছত তোলা এই প্ৰথম চীনা বোলছবিখনে আন্তৰ্জাতিক সমাদৰ লাভ কৰিলে। এটি পৰিযালৰ উত্থান-পতনৰ মাজেদি ১৯৩৪ চনৰপৰা ১৯৪৩ চনলৈকে চীনৰ ইতিহাসৰ অবৰ্ণনীয় দুখ-দাৰিদ্ৰ্য, জাপানী সমৰবাদীহঁতৰ নিৰ্মম নৃশংসতা, চিয়াং কাই শ্বেকৰ বিশ্বাসঘাতকতা আৰু আনহাতে চীনৰ জনসাধাৰণৰ দুৰ্ধৰ্ষ প্ৰতিৰোধ—এই সকলোবোৰ লৈ এয়া এখন এপিক

বোলছবি। এই বোলছবিখনৰ এটি প্ৰধান ভূমিকাত পাঙ্গ ইয়াঙে অংশ গ্ৰহণ কৰিছিল। তাৰ পাছতেই উল্লেখযোগ্য ছবি হ'ল 'মেঘ আৰু জোনৰ স'তে আঠ হাজাৰ মাইল'। জাতীয় প্ৰতিৰোধ আন্দোলনত শিল্পী আৰু সাহিত্যিক সকলৰ ভূমিকা অৱলম্বনত ৰচিত এই বোলছবিখনতো পাঙ্গ ইয়াঙে তেওঁৰ উজ্জ্বল কৃতিত্বৰ স্বাক্ষৰ ৰাখিছে।

ইয়াৰ পাছত যিখন ৰঙীন বোলছবিয়ে পাঙ্গ ইয়াঙক বিশ্ব-জনতাৰ সমুখলৈ লৈ আহিল, সেইখনৰ নাম হ'ল 'চু ফু' বা 'নৱবৰ্ষৰ বলিদান'। এইখন লু শ্যুনৰ বিখ্যাত গল্প অৱলম্বনত নিৰ্মিত। দুৰ্দশাগ্ৰস্ত চীনৰ হতভাগীয়া দুখীয়া গ্ৰাম্য মাতৃ এগৰাকীৰ অঘৰী জীৱনৰ কাহিনী —যিগৰাকী মাতৃৰ একমাত্ৰ সন্তানক দিন-দুপৰতে নাহৰ ফুটুকীয়ে টানি লৈ গ'ল—লু শ্যুনৰ অমৰ কাপেৰে ৰচিত সমাজ-পৰিত্যক্তা, আধা-বলিয়া সেই শ্বিয়াঙ্গিং বোৱাৰীজনীয়েই যেন মুক্তি-পূৰ্ব চীনৰ প্ৰতিবিম্ব। পাঙ্গ ইয়াঙে এই ছবিখনত অন্তৰ উজাৰি অভিনয় কৰিছিল। পাঙ্গ ইয়াং এতিয়া মোৰে দুচকুৰ আগত বহি আছে— কিন্তু বহুদিনৰ আগেয়ে দেখা চীনৰ সেই দুঃস্বপ্নটো মই তেওঁৰ দুচকুত পলকৰ বাবে হ'লেও যেন ফুটি উঠা দেখিলোঁ।

তেওঁ এখন্তেক ৰ'ল। কিবা অলপ ভাবি লৈ মোক ক'লে, 'জানেনে—? বোলছবিখন তোলাৰ আগে আগে লু শ্যুনে বৰ্ণোৱা সেই পাহাৰী গাঁওখনত ভালেমান দিনলৈ আছিলোঁ গৈ। গাঁৱৰ মানুহৰ লগত মিলা-জুলা কৰিলোঁ, বয়সিয়াল সকলৰপৰা শুনিলোঁ অতীতৰ কাহিনী। এতিয়া তাত হাবি-বন নাই—তাত আছে কো-অপাৰেটিভ, বৰ্তমানে কমিউন—অফুৰন্ত শস্য আৰু হাঁহিৰে ওপচা জীৱনধাৰা।'

পাঙ্গ ইয়াঙৰ কথাৰ মাজতে মই সুধিলোঁ, 'কমৰেড পাঙ্গ ইয়াং, এতিয়া নিশ্চয় নাহৰফুটুকীয়ে আৰু কোনো শিশুক টানি লৈ যাব নোৱাৰে?'

মোৰ ইংগিত বুজি পাই তেওঁ হাঁহি ক'লে, 'এ—নাহৰ ফুটুকীবোৰ কেতিয়াবাই চীন এৰি পলালেই নহয়।'

প্ৰসংগই ক্ৰমে ক্ৰমে মোট সলালে। চলচ্চিত্ৰৰ চৌহদ পাৰ হৈ আমি ৰাজনীতিৰ মেৰযৰত সোমাই পৰিলোঁ। পাঙ্গ ইযাং বৰ্তমান চীনৰ পাৰ্লিয়ামেণ্টত সাংহাইৰপৰা নিৰ্বাচিত সদস্যা। অভিনয় বাদেও তেওঁ বহুতো কাম কৰিবলগীয়া হয়। মোৰ এটি প্ৰশ্নৰ জবাবত ক'লে, 'চাওক, সৌ সিদিনালৈকো ভাবিছিলোঁ, আমি হ'লোঁ আৰ্টিষ্ট, আমি মাথোন আৰ্টৰ জৰীযতেহে সমাজতন্ত্ৰক সেৱা কৰিম, আন কোনো ধৰণৰ ৰাজনীতিৰ মেৰপাকত সোমাই পৰাটো আমাৰ পক্ষে ঠিক নহ'ব। কিন্তু লাহে লাহে এই কথাটো বুজি পালোঁ যে, এই যুক্তি মেহনতী জনসাধাৰণৰ পৰা শিল্পী সকলক বেলেগ কৰাৰ এটা কৌশলহে। পুৰণি সমাজখনৰ ভাবধাৰাই সমাজতন্ত্ৰী পোছাক পিন্ধিও বহুদিনলৈকে জীযাই থাকিব পাৰে। সেযেহে, আমি এতিয়া বিশ্বাস কৰোঁ—'চেন্‌জে কোৱা শ্বুৱাই'—'Politics in Command'

কথাই কথাই গধূলি হ'ল। পাঙ্গ ইযাঙৰ পাঁচ বছৰীয়া ছোৱালীজনীয়ে মাকৰ গাতে লাগি থিয হৈ মোলৈ বিস্মিত চকুৰে চাইছিল আৰু বিদেশী এজনৰ মুখৰ পৰা ওলোৱা কথাবোৰ যেন গিলিহে আছিল। চীনা ভাষাত মৰমসনা মাত এষাৰি দিযাৰ লগে লগেই তাইৰ মুখত আত্মীযতাৰ হাঁহি বিৰিঙি উঠিল। এখুজি-দুখুজিকৈ মোৰ কাষ চাপিলহি। এতিয়া আমি ঘৰুৱা গল্প আৰম্ভ কৰিলোঁ। ইমানপৰ মি চিযাং আৰু অন্যান্য বন্ধু-বান্ধৱ সকল আছিল নীৰৱ শ্ৰোতা। তেওঁলোকেও আলাপ-আলোচনাত যোগ দিলে। নানা ধৰণৰ প্ৰাণখোলা আলাপ। আলাপৰ মাজে মাজে আমাৰ খালি হোৱা পিযলাবোৰ পাঙ্গ ইযাঙে পূৰ্ণ কৰি দি আছিল। আতিথ্যৰ উষ্ণতাৰ উমেৰে আৰু অন্তৰংগতাৰে যেন গধূলি পৰ'ত গধূলি গোপাল ফুলি উঠিল।

বাহিৰত ৰৈ থকা গাড়ীলৈকে পাঙ্গ ইযাং আৰু তেওঁৰ স্বামীয়ে

মোক আগবঢ়াই দিবলৈ আহিল। দুয়োজনে সমস্বৰে বিদায়-সম্ভাষণ জনালে—'চাই চিয়েন।' চলি থকা গাড়ীৰপৰা প্ৰত্যাভিবাদন জনালোঁ, 'চাই চিয়েন'—'আকৌ দেখা হ'ব'।

(১৯৬৮ চনত দীঘল পদক্ষেপেৰে আগবাঢ়ি যোৱাৰ [Big Leap Forward] আন্দোলনৰ চোৱে চহৰৰ শিল্পী-সাহিত্যিক বা শ্ৰমজীৱি সকলে জনগণৰ স'তে উৎপাদনশীল শ্ৰমৰ যোগেদি একাত্ম হ'বলৈ যি উদ্যম প্ৰদৰ্শন কৰিছিল, লু টিং ই, চৌ ইয়াং প্ৰমুখ্যে সংস্কৃতি দপ্তৰৰ ৰৰমূৰীয়া সকলৰ নীতিৰ ফলত ১৯৫৯ চনৰপৰাই সেই উদ্যম জামৰি আহিছিল। সাংস্কৃতিক বিপ্লৱৰ পাছত সেই উৎসাহ আকৌ নতুনকৈ ঘূৰি আহিছে।)

চীনৰ চলচ্চিত্ৰত দুই লাইনৰ সংঘাত

১৯৫৭ চনত চীনলৈ অহাৰ পাছত যি পৌৰাণিক উপন্যাসৰ ('ৰঙা প্ৰাসাদৰ সপোন') মূল্যায়নৰ বিতৰ্কৰ কথা প্ৰথমেই শুনিছিলোঁ, আগৰ প্ৰবন্ধত সেই সম্পৰ্কে কিঞ্চিৎমান আলোচনা কৰিছোঁ। এই বিতৰ্কৰ লগে লগেই দুখন বোলছবি লৈও তৰ্ক-বিতৰ্কৰ উজান উঠিছিল। মুক্তিৰ অব্যবহিত পাছতেই বোলছবি দুখন নিৰ্মিত হৈছিল আৰু সমগ্ৰ চীনত প্ৰদৰ্শিত হৈছিল। প্ৰথমখন 'চিং ৰাজদৰবাৰৰ ভিতৰুৱা কাহিনী' ১৯৫০ চনত মুক্তিলাভ কৰিছিল আৰু দ্বিতীয়খন 'উ শ্‌নৰ জীৱন-কাহিনী' মুক্তিলাভ কৰিছিল ১৯৫১ চনত। তেতিয়া, 'উ শ্‌নৰ জীৱন-কাহিনী' লৈয়েই ৰবকৈ বিতৰ্ক হোৱা শুনিছিলোঁ। কিন্তু এই বিতৰ্ক যে কেৱল একাডেমিক নহয়, বা এমুঠি শিল্পী-সাহিত্যিকৰ ভিতৰুৱা কথা নহয়, ই যে ভাবাদৰ্শৰ ক্ষেত্ৰত পাৰ্টিৰ অভ্যন্তৰত মাও আৰু মাও-বিৰোধী শক্তিৰ দ্বন্দ্ব, সেই কথা মোৰ পক্ষে উপলব্ধি কৰা সম্ভৱ নাছিল। তেতিয়া সমগ্ৰ-চীনত Rectification Campaign বা শুদ্ধি-আন্দোলনৰ জোৱাৰ উঠিছিল, যাৰ মূল বিষয় আছিল সমাজতন্ত্ৰ বনাম বুৰ্জোৱা, পৰিষদীয় গণতন্ত্ৰ। গতিকে, মই

তেতিয়া শিল্প-সাহিত্যৰ ক্ষেত্ৰত উমাই উঠা বাক্-বিতণ্ডাক কমিউনিষ্ট আৰু অ-কমিউনিষ্ট শিল্পী-সাহিত্যিকৰ মাজত হোৱা বাক্-বিতণ্ডা বুলিযেই ভাবিছিলোঁ। তদুপৰি, এই বিষয়ে পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ ওচৰত মাও-ৰ পত্ৰ ইত্যাদি পাৰ্টিৰ অভ্যন্তৰীণ দলিল আৰু তথ্যপাতি তেতিয়া মোৰ পক্ষে জনাটো সম্ভৱ নাছিল।

সাংস্কৃতিক বিপ্লৱৰ সময়ত এই দুযোখন বোলছবিক লৈ পুৰণি বিতৰ্কই নতুন তীব্ৰতা আৰু তাৎপৰ্য্য লৈ আকৌ দেখা দিলে। লগে লগে বহুতো নজনা তথ্য উদ্‌ঘাটিত হ'ল। এই বোলছবি দুখনক চৰম প্ৰতি-বিপ্লৱী ছবি হিচাপে গৰিহণা দিয়া হ'ল। সেযে, চীনৰ সাংস্কৃতিক বিপ্লৱৰ গুৰিকথাৰ সম্ভেদ পাবলৈ হ'লে এই বোলছবি দুখনৰ সম্পৰ্কেও আমি অলপ জানি লোৱা ভাল।

চিং ৰাজ-দৰবাৰৰ ভিতৰুৱা কাহিনী

'চিং ৰাজ-দৰবাৰৰ ভিতৰুৱা কাহিনী' বোলছবিখন চীনৰ মুক্তিৰ পাছত তোলা হৈছিল বুলি ক'লে ঠিক কোৱা নহ'ব। প্ৰকৃততে, এই ছবিখনৰ চিত্ৰনাট্য মুক্তিৰ আগতেই লিখি উলিওৱা হৈছিল আৰু এই বোলছবিখনৰ চলচ্চিত্ৰায়ণৰ কামো মুক্তিৰ আগতেই আৰম্ভ কৰা হৈছিল। চিযাং কাই শ্বেকৰ দলভুক্ত চৰম প্ৰতিক্ৰিয়াশীল এটা গোষ্ঠীৰ কৰায়ত্ত 'হুযুংহুৱা' ফিল্‌ম্ ষ্টুডিয এই বোলছবিখনৰ নিৰ্মাতা। এইখন তেওঁলোকৰ দ্বিতীয ছবি। তেওঁলোকৰ প্ৰথমখন বোলছবিৰ নাম—'জাতিৰ আত্মা'। সেই ছবিৰ নাযক, চিযাং কাই শ্বেকৰে প্ৰতিভূ। তাৰ মহিমা-কীৰ্তন কৰাটোৱেই আছিল সেই ছবিৰ উদ্দেশ্য। 'হুযুংহুৱা' গোষ্ঠীৰ লেখক ইয়াও ক্ষ-ই তেওঁলোকৰ দ্বিতীয বোলছবি 'চিং ৰাজ-দৰবাৰৰ ভিতৰুৱা কাহিনী'ৰ চিত্ৰনাট্য ৰচনা কৰিছিল। এই লেখক মহোদয আছিল চীনৰ Comprador বুৰ্জোৱাহঁতৰ এখন মুখপত্ৰৰ সম্পাদক। কুওমিণ্টাং প্ৰতি-বিপ্লৱীসকলৰ

স্বপক্ষে চীনৰ বিপ্লৱ-বিৰোধী নির্লজ্জ প্রচাৰক আছিল এওঁ। মুক্তিৰ সময়ত তেওঁ হংকঙলৈ পলাই গৈছিল। গতিকে, এইহেন ব্যক্তিৰ কাপৰপৰা ওলোৱা চিত্ৰনাট্যৰ উদ্দেশ্য সহজেই অনুমান কৰি ল'ব পাৰি। কিন্তু আচৰিত কথা এয়ে যে, মুক্ত চীনত এইহেন বোলছবিখনে মুক্তিলাভ কৰিলে যে কৰিলেই, সমগ্ৰ চীনত প্রদর্শিতও হ'ল! পার্টিৰ কেন্দ্রীয় কমিটিৰ সাংস্কৃতিক বিভাগৰ ৰৰমূৰীয়া লু টিং ঈ, চৌ ইয়াং, শ্বিযা ইয়েন প্রমুখসকলৰ পৃষ্ঠপোষকতা নোহোৱাকৈ ই কেতিযাও সম্ভৱ হৈ নুঠিলহেঁতেন।

এই বোলছবিৰ কাহিনীভাগ হ'ল বক্সাৰ বিদ্রোহ (১৮৯৯-১৯০১) আৰু ১৮৯৮ চনৰ সংস্কাৰ-আন্দোলনক কেন্দ্ৰ কৰি। এই ছবিত সেই সংস্কাৰ-আন্দোলনক অতি ডাঙৰকৈ দেখুৱাই বক্সাৰ বিদ্রোহৰ বিৰুদ্ধে প্রচাৰ কৰা হৈছে। সংস্কাৰ আন্দোলনৰ দুই নেতা কাং উ ওৱেই আৰু লিয়াং চি চাও আছিল সামন্ত শাসকশ্রেণীৰ মানুহ। তেওঁলোকে চীনত সাংবিধানিক উপায়েৰে বুর্জোৱা সংস্কাৰ বিচাৰি- ছিল। কিন্তু সাম্রাজ্যবাদী আক্রমণৰ ফলত চীন তেতিয়া আধা-সামন্ততন্ত্ৰী আধা-ঔপনিবেশিক সমাজ-ব্যবস্থাত ৰূপান্তৰিত হ'ব ধৰিছিল। মাঞ্চু সম্রাজ্ঞী ডাওৱেজাৰ সাম্রাজ্যবাদী শক্তিৰ ওপৰত নির্ভৰশীল হৈ পৰিছিল। এতেকে, সংস্কাৰকামী সকলৰ প্রচেষ্টা ৰাষ্ট্ৰীয় ক্ষেত্ৰত প্রগতিশীল হ'লেও সাংবিধানিক উপায়ে তেতিয়া আৰু সি সম্ভৱ নাছিল। চীনত তেতিযা সাম্রাজ্যবাদী সকলৰ লগত সশস্ত্ৰ মোকাবিলাৰ প্রশ্ন আহি পৰিছিলেই।

'ই হো তুৱান' অর্থাৎ বক্সাৰ-বিদ্রোহী সকলে সেই সশস্ত্র মোকা-বিলা কৰিছিল। চীনৰ ব্যাপক গণ-বিদ্রোহৰ ইতিহাসত 'ই হো তুৱানে' এক ৰক্তাক্ত গৌৰৱময অধ্যায ৰচিছে। তেওঁলোকে তেওঁলোকৰ আক্রমণ পশ্চিমীয়া সাম্রাজ্যবাদলৈ টোঁৱাইছিল, যিহঁতৰ মাজত আছিল জাৰৰ ৰাছিয়া, আমেৰিকা, জার্মানি, ফ্রান্স, ইতালী, অষ্ট্ৰিয়া। ৰঙা পাগুৰী, ৰঙা চোলা গাত, হাতত যাঠি আৰু তৰোৱাল লৈ আধুনিক

অস্ত্ৰ-সজ্জিত সাম্ৰাজ্যবাদী বাহিনীৰ বিৰুদ্ধে বক্সাৰ বিদ্ৰোহী সকলে মৰ সাহেৰে মৰি-মুজি যুঁজ দিছিল আৰু ভালেকেইখন যুঁজত বিদেশী-বিলাকক ইমান ঘাইল কৰিছিল যে বক্সাৰ বিদ্ৰোহী সকলৰ ৰণ-ধ্বনি কাণত পৰিলেই বিদেশী বগুৰাইঁতৰ জীৱ চিৰিংকৈ গৈছিল, ত্ৰাহি মধুসূদন বৱ উঠিছিল।

ইপিনে, সম্ৰাজ্ঞী ডাওৱেজাৰে বিদ্ৰোহৰ ভয়তে চেঙালুটি পাৰি সাম্ৰাজ্যবাদীবিলাকৰ ওচৰত একেবাৰে আত্মসমৰ্পণ কৰিলে। তেওঁ যত কূটৰ ঘাইহঁতৰ ওচৰলৈ কাবৌ-কাকূতিৰে বাৰ্তা পঠিয়ালে যে সিহঁতে তেওঁক ভুল নুবুজে যেন, বেয়া নাপায় যেন। ৰাজবংশক এই বিদ্ৰোহৰ সমৰ্থক বুলি নাভাবে ·যেন। বিভিন্ন সাম্ৰাজ্যবাদী শক্তিৰ মিলিত আক্ৰমণৰ সম্মুখত তাহানিদিনীয়া যাঠি-জোং লৈ বক্সাৰ বিদ্ৰোহী সকলে সৰহদিন প্ৰতিৰোধ চলাই যাব নোৱাৰিলে। চৰম বৰ্বৰতাৰে, নিৰ্বিচাৰে নাৰী-শিশু হত্যা, লুণ্ঠন আৰু ধৰ্ষণৰ পচিমীয়া খ্ৰীষ্টধৰ্মীয় মাহাত্ম্য প্ৰমাণ কৰি তেতিয়া এই বক্সাৰ বিদ্ৰোহে দমন কৰা হৈছিল। লেনিনে তেতিয়া এই ‘খ্ৰীষ্টধৰ্মী বৰ্বৰ’ বিলাকৰ বিৰুদ্ধে যি কঠোৰ মন্তব্য কৰিছিল, সেই মন্তব্যযেই আছিল চীনৰ ওপৰত লেনিনৰ প্ৰথম প্ৰবন্ধ। মাৰ্ক টোৱেনেও এই পাষণ্ডইঁতক ‘শ্বেতাংগ সভ্যতাৰ ধ্বজাধাৰী’ বুলি ব্যংগ কৰিছিল।

কিন্তু ‘চিং ৰাজ-দৰবাৰৰ ভিতৰুৱা কাহিনী’ নামৰ বোলছবিত এই বক্সাৰ বিদ্ৰোহী সকলক উচ্ছৃংখল, খুনী, বলিয়া জনতা হিচাপে চিত্ৰিত কৰা হৈছে। আৰু আঠোটা আক্ৰমণকাৰী সাম্ৰাজ্যবাদী শক্তিক অপৰাজেয় বাহিনীৰূপে দেখুউৱা হৈছে। এই বোলছবিৰ অন্যতম নায়িকা ৰাজ দৰবাৰৰ নটী ছেন ফে-ই কৈছে: ‘সম্ৰাজ্ঞী’ বিদেশী শক্তিয়ে কেতিয়াও আপোনাক ক্ষমতাচ্যুত নকৰিব—বৰঞ্চ তেওঁলোকে আপোনাক ৰক্ষা কৰিবলৈহে আগ বাঢ়ি আহিব।’

সাম্ৰাজ্যবাদৰ পৃষ্ঠপোষকতাৰ বুৰ্জোৱা সংস্কাৰবাদীহঁতৰ সপক্ষে এই বোলছবিখন এক নিৰ্লজ্জ প্ৰচাৰ মাথোন। এই বোলছবিখনত

চীনৰ বীৰ বিদ্ৰোহী জনতাৰ বিৰুদ্ধে কুৎসা ৰটি ফুৰা হৈছে। এই বোলছবিত বক্সাৰ বিদ্ৰোহৰ কালছোৱাৰ শ্ৰেণী বিন্যাস এনেকৈয়ে কৰা হৈছে যে, সাম্ৰাজ্যবাদী শক্তিৰ অগত চীনৰ অমৰ জনতাৰ শক্তিক অতি নগণ্যকৈ দেখুউৱা হৈছে। এই ছবিৰ যোগেদি প্ৰকাৰান্তৰে সাম্ৰাজ্যবাদৰ মহিমাহে কীৰ্তন কৰা হৈছে। সেইবাবে, এই বোলছবিখন চাই, ১৯৫৪ চনৰ ১৬ অক্টোবৰ তাৰিখে চেযাৰম্যান মাও চে তুঙে চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয কমিটিৰ পলিট ব্যুৰ'ৰ ওচৰত যি পত্ৰ প্ৰেৰণ কৰিছিল, তাত এই বোলছবিখন সম্বন্ধে তেওঁ মন্তব্য দিযে যে :

> "কোনো কোনোৱে 'চিং ৰাজ-দৰবাৰৰ ভিতৰুৱা কাহিনী'ক দেশপ্ৰেমমূলক বুলি কৈছে। কিন্তু দৰাচলতে এই বোলছবিখন হ'ল এখন জাতীয বিশ্বাসঘাতকতাৰ ছবি। এই বোলছবিখন সমগ্ৰ দেশব্যাপী প্ৰদৰ্শিত হোৱাৰ পাছতো কোনোদিনেই এই বোলছবিখনক সমালোচনা বা খণ্ডন কৰা হোৱা নাই।"

আজি ভাবিলেও আচৰিত বোধ হয যে, মাও চে তুঙৰ এই সমালোচনা সত্ত্বেও প্ৰায ১৫ বছৰ ধৰি এই বোলছবিখনক সকলো ধৰণৰ সমালোচনাৰ পৰা আঁতৰাই ৰাখিছিল—লিউ শ্বাও চি-পন্থী সাংস্কৃতিক ফ্ৰণ্টৰ ডা-ডাঙৰীযাহঁতে। ১৯৬৬ চনত মহান প্ৰলেতাৰীয সাংস্কৃতিক বিপ্লৱৰ বা-মাৰলীযে যেতিযা ওপৰিসোধৰ এইবোৰ চিতলীযা কোদোৰ গুপ্ত বাহবোৰ উৰুৱাই লৈ আহিল, তেতিযাহে 'চিং ৰাজ-দৰবাৰৰ ভিতৰুৱা কাহিনী'ৰ ভিতৰুৱা কথা-কাণ্ড কি আৰু বোলছবিখনৰ আচল প্ৰযোজক আৰু পৰিবেশক কোন কোন—সেই কথাটো বেলিটো ওলোৱাদি ওলাই পৰিল। তেতিযা সমগ্ৰ দেশখনত এই বোলছবিখনক লৈ যি ব্যাপক সমালোচনাৰ জাউৰি উঠিল, তাৰে সমূহীযা ৰাইজে ৰাজনৈতিক শিক্ষা পোৱাৰ লগে লগে শিল্পকলাৰ বিচাৰত ফুল আৰু বিষাক্ত বঘুমলাৰ পাৰ্থক্যও বুজিলে। আৰু বুজিলে মাৰ্কছৰ শ্ৰেণী-দৃষ্টিৰ পদ্ধতি।

উ শ্ব্‌নৰ জীৱন-কাহিনী

দ্বিতীয় বোলছবিখন হ'ল 'উ শ্ব্‌নৰ জীৱন কাহিনী'। উ শ্ব্‌ন (১৮৩৮-১৮৯৬) আছিল মাঞ্চু ৰাজবংশৰ আমোলত এক প্রতিক্রিয়াশীল ডাঙৰ জমীদাৰৰ টেকেলা আৰু সুতখোৰ আৰু দুর্নীতিপৰায়ণ মানুহ। কিন্তু এই বোলছবিত এই মানুহজনক এজন দয়ালু আৰু নিজে ভিক্ষা কৰি টকা গোটাই দুখীয়া সকলৰ বাবে বিদ্যালয় স্থাপনকাৰী পৰোপকাৰী ব্যক্তিৰূপে দেখুউৱা হৈছে। এই বোলছবিখনো কুওমিণ্টাং আমোলতে আধাখিনি মান নির্মিত হৈছিল। চীনৰ মুক্তিৰ পাছত বাকীখিনি শেষ কৰা হৈছিল আৰু তেতিয়াৰ দিনৰ পার্টিৰ সাংস্কৃতিক দপ্তৰৰ ভাৰপ্রাপ্ত লু টিং ঈ, চৌ ইয়াং আদিয়ে এই বোলছবিখনক ঢাক-ঢোল কোবাই প্রচাৰ কৰিছিল।

কিন্তু এইখন বোলছবি চোৱাৰ পাছত ১৯৫১ চনৰ ২০ মে তাৰিখে মাও চে তুঙে 'ৰেণ্‌মিন ৰিপাও'ত (পীপ'ল্‌ছ্‌ ডেইলী) 'উ শ্ব্‌নৰ জীৱন-কাহিনী বোলছবিখন সম্পর্কে আলোচনাত গভীৰ মনোযোগ দিয়ক' —এই শিৰোনামত এটি সম্পাদকীয় প্রবন্ধ লিখিলে। তাৰ পাছত এই বোলছবিখন সম্পর্কে তর্ক-বিতর্কই ইমানদূৰলৈ শিপালেগৈ যে উ শ্ব্‌নৰ জীৱনক চালি-জাৰি চাবলৈ এখন তদন্ত কমিশ্যন গঠন কৰা হ'ল। শুনা কথা, যে সেই তদন্ত কমিশ্যনৰ সভ্যসকলৰ মাজত আন্তর্জাতিক খ্যাতিসম্পন্ন ঐতিহাসিক কুও মো জো-ও আছিল অন্যতম। এই কমিশ্যনৰ প্রতিবেদনত সাব্যস্ত হ'ল যে, উ শ্ব্‌ন আছিল তেতিয়াৰ দিনৰ এজন ডাঙৰ সামন্তীয় জমীদাৰৰ টেকেলা, সুতখোৰ মহাজন আৰু প্রতাৰক। কিন্তু তথাপি এই বোলছবিখন বহু দিনলৈকে প্রদর্শিত হৈছিল।

আজি সাংস্কৃতিক বিপ্লৱৰ পৰিপ্রেক্ষাত, এই বোলছবিখন সম্পর্কে

সিদিনাৰ সেই বিতৰ্কৰ তাৎপৰ্য্য আমাৰ ওচৰত বহুখিনি পৰিষ্কাৰ হৈ আহিছে। এই তাৎপৰ্য্য ১৯৫৭-৫৮ চনত চীনত থকা সত্বেও মোৰ মোৰ পক্ষে উপলব্ধি কৰাটো সম্ভৱ নাছিল। ১৯৫১ চনৰ ২০মে' তাৰিখে পীপ'ল্‌ছ ডেইলীত মাও-এ যিটো সম্পাদকীয় প্ৰবন্ধ লিখিছিল —চীনৰ সাংস্কৃতিক বিপ্লৱৰ প্ৰস্তুতিৰ বাটত তাৰ তাৎপৰ্য্য আছিল অসাধাৰণ। সেয়ে, ইয়াত সেই প্ৰবন্ধটিৰপৰা বিশদ অংশৰ ভাঙনি আগ বঢ়াইছোঁ:

"উ শ্বুনৰ জীৱন-কাহিনী বোলছবিখন লৈ যিবোৰ প্ৰশ্ন উত্থাপিত হৈছে সেইবোৰ হ'ল মৌলিক চৰিত্ৰৰ। চিং ৰাজবংশৰ শাসনৰ শেষৰ ফালে বিদেশী আক্ৰমণকাৰী আৰু দেশীয় প্ৰতিক্ৰিয়াশীল সামন্তীয় শাসক শ্ৰেণীৰ বিৰুদ্ধে চীনৰ জনসাধাৰণৰ মহান সংগ্ৰামৰ যুগত বাস কৰি উ শ্বুনৰ দৰে লোকসকলে সামন্তীয অৰ্থনৈতিক বুনিযাদ বা তাৰ ওপৰিসৌধৰ সামান্যতম পৰিবৰ্তনৰ বাবে এটা আঙুলিও দঙা নাছিল। আনহাতে সিহঁতে সামন্তীয সংস্কৃতিৰ প্ৰসাৰৰ বাবে বলিযাৰ দৰে কাম কৰি গৈছিল আৰু তদুপৰি সিহঁতে যি পদমৰ্য্যাদা পোৱা নাছিল সেই পদ-মৰ্য্যাদা লাভৰ বাবে প্ৰতিক্ৰিযাশীল সামন্তীয় শাসকবৰ্গক তোচামোদীহে কৰিছিল। এনে ধৰণৰ ঘৃণনীয় চৰিত্ৰক আমি শলাগিম নে? জনগণৰ ওচৰত এনে ধৰণৰ হীন প্ৰশস্তি আমি সহ্য কৰিম নে? বিশেষকৈ, যেতিয়া সেই প্ৰশংসা 'জনসাধাৰণক সেৱা' কৰাৰ বিপ্লৱী পতাকা উৰুৱাই কৰা হয়—এই প্ৰশংসাক সমৰ্থন বা সহ্য কৰাৰ অৰ্থ হ'ল চীনৰ ইতিহাস, চীনা জাতি আৰু কৃষকসকলৰ বিপ্লৱী সংগ্ৰামৰ বিৰুদ্ধে কুৎসামূলক প্ৰচাৰ সমৰ্থন আৰু সহ্য কৰা আৰু এই প্ৰচাৰ ন্যায্য বুলি মানি লোৱা।

"আমাৰ দেশৰ সাংস্কৃতিক কৰ্মীসকলৰ মাজত মতাদৰ্শগত বিভ্ৰান্তিয়ে কিমানদূৰ শিপাইছে গৈ, কিমান চৰম হৈ উঠিছে,

'উ শ্বনৰ জীৱন-কাহিনী' বোলছবিৰ মুক্তিলাভ আৰু বিশেষকৈ সেই বোলছবিলৈ শলাগৰ শৰাই আগ বঢ়োৱাটোৱে সেই ফালেই আঙুলিয়াইছে।

"মাৰ্কছবাদ আযত্ত কৰা বুলি জনাজাত কিছুমান কমিউনিষ্টে এইফালে বিশেষ দৃষ্টি দিযাৰ আৱশ্যকতা আছে। তেওঁলোকে সামাজিক বিৱৰ্তনৰ ইতিহাস—ঐতিহাসিক বাস্তৱবাদ শিকিছে—কিন্তু যেতিযাই তেওঁলোকে কোনো নিৰ্দিষ্ট ঘটনাৰ, বিশেষকৈ ইতিহাসৰ কোনো নিৰ্দিষ্ট ব্যক্তিৰ (উ শ্বুনৰ দৰে) সম্মুখীন হয, আৰু ইতিহাস-বিৰোধী কোনো মতাদৰ্শৰ মুখামুখি হয় (যেনে—'উ শ্বুনৰ জীৱন-কাহিনী' কথাছবি আৰু সেই-বিষয়ক লেখা-মেলাত) তেতিয়াই তেওঁলোকে তেওঁলোকৰ সমালোচনাৰ ক্ষমতা হেৰুৱায, আৰু কোনো কোনোৱে আনকি সেই প্ৰতিক্ৰিযাশীল ভাবাদৰ্শৰ ওচৰত আত্মসমৰ্পণ কৰে। ইয়াৰ দ্বাৰা সংগ্ৰামী কমিউনিষ্ট পাৰ্টিত প্ৰতিক্ৰিযাশীল বুৰ্জোৱা ভাবাদৰ্শৰ অনুপ্ৰবেশ ঘটাৰ কথা প্ৰমাণিত নহয নে ?"

চীনৰ চিত্ৰতাৰকা চাং ৰুয়ে ফঙৰ সৈতে এটি সন্ধিয়া

সাংহাইত ছিং চিয়াং হোটেলৰ ছয মহলাৰ এটি আহল-বহল কোঠাত মোৰ লগত এক সুদীৰ্ঘ সাক্ষাৎকাৰত মুখামুখিকৈ বহি আছিল চীনৰ খ্যাতনামা চিত্ৰতাৰকা চাং ৰুয়ে ফং। যোৱা বাৰ চীনত থাকোঁতে মুক্তিৰ পাছত তোলা বহুতো বোলছবি চোৱাৰ সুযোগ মোৰ হৈছিল। তাৰ মাজত যিকেইখন কথা-ছবিয়ে মনত চিৰদিনৰ বাবে সাঁচ বহুৱাই

থৈছে 'মুছিন' বা 'মা' হ'ল তাৰ অন্যতম। এই 'মা' ছবিৰ 'মা'ৰ ভূমিকাত চাং কয়ে ফঙে অভিনয় কৰিছিল। দুৰ্ভিক্ষৰ কৰাল গৰাহত পৰি ধ্বংস হৈ যোৱা গাঁও অঞ্চলৰপৰা এক অৰ্ধমৃতৰ সমদলৰ লগতে 'মা'-ই সাংহাইৰ ৰাজপথত ভিখাৰীৰ হাটত আশ্ৰয় লৈছিলহি। নানা ঘটনাৰ মাজেদি এই দুখুনী মাতৃগৰাকী সাংহাইৰ কমিউনিষ্ট বিপ্লৱী-সকলৰ সংস্পৰ্শলৈ আহিল। ক্ৰমে ক্ৰমে তেওঁৰ মাজত এক ৰূপান্তৰ ঘটিবলৈ ধৰিলে। তেওঁ হৈ উঠিল গুপ্ত বিপ্লৱীসকলৰ মাতৃ আৰু এগৰাকী মুখ্য কমিউনিষ্ট সংগঠিকা। প্ৰতি-বিপ্লৱৰ দুৰ্যোৰ দুৰ্দিনতো 'মা'-ই জ্বলাই ৰাখিল বিদ্ৰোহ-বহ্নিৰ শলিতাগছি। একান্ত অসহায় অশিক্ষিতা মাটিহীন কৃষকমাতৃৰ ৰূপান্তৰৰ মাজেদি পৰিচালকে চীনৰ কৃষি-বিপ্লৱৰ ছবিখন আমাৰ আগত নিপুণতাৰে দাঙি ধৰিছিল। চাং কয়ে ফঙে অসাধাৰণ দক্ষতাৰে, আন্তৰিকতাৰে আৰু মৰমেৰে 'মা'ৰ চৰিত্ৰটিক জীৱন্ত কৰি তুলিছিল। সেয়ে, আজিও 'মুছিন' ছবিৰ কথা মনত পৰিলেই লগে লগেই চাং কয়ে ফঙৰ কথাটোও মনত পৰে আৰু চাং কয়ে ফঙৰ কথা মনত পৰিলে 'মুছিন'ৰ মুখনিও মনৰ পৰ্দাত ভাহি উঠে।

১৯৫৫ চনত সৰ্বভাৰতীয় ফিল্‌ম্ ছেমিনাৰত যোগদান কৰিবলৈ আমন্ত্ৰিত হৈ তেওঁ ভাৰতলৈ আহিছিল। তেওঁৰ লগত আছিল 'বগাচুলীযা ছোৱালীজনী' (White haired girl) বোলছবিখনৰ পৰিচালক চাং স্যুৱে হুৱা আৰু প্ৰবীণ পৰিচালক ফাং ছিয়া। কলিকতা, দিল্লী, বোম্বে আদি ঠাইলৈ গৈ তেওঁলোকে ভাৰতীয় চলচ্চিত্ৰ সম্পৰ্কে বহুতো অভিজ্ঞতা গোটাই লৈ গৈছিল। তেতিয়া বোম্বেত ভি শান্তৰম কৃত 'কোটনীছ কী অমৰ কহানী' চাই মুগ্ধ হৈছিল। এইবেলিও চাং কযে ফঙে তেওঁৰ স্মৃতিৰ পাতবোৰ লুটিয়াই সেই কথাবোৰ মোক কৈছিল। যোৱা বাৰ সাংহাই ফিল্‌ম্ ষ্টুডিয় চাবলৈ গৈ চাং কয়ে ফঙৰ লগত চা-চিনাকি হোৱাৰ সৌভাগ্য হৈছিল মোৰ। কিন্তু তেতিযা তেওঁ আছিল ফ্ল'ৰত মেকআপ লোৱা

অৱস্থাত, গতিকে মোৰ লগত তেতিয়া সৰহ পৰ আলাপ-আলোচনা কৰিব পৰা নাছিল।

এইবাৰ সাংহাইলৈ গৈয়েই চাং কয়ে ফঙৰ খবৰ কৰিলোঁ। শুনিলোঁ যে সাংস্কৃতিক বিপ্লৱৰ পাছতো তেওঁ সসম্মানে আৰু সগৌৰৱে কাম কৰি আছে। তেওঁ এতিয়া সাংহাই ফিল্‌ম্ ষ্টুডিয়সমূহৰ বৈপ্লৱিক কমিটিৰ এক অতি দায়িত্বপূৰ্ণ পদত অধিষ্ঠিতা। সেয়ে, প্ৰথম অভিবাদনৰ পাছতেই ক'লোঁ, 'জানেনে কমৰেড চাং, আমাৰ দেশত সাংস্কৃতিক বিপ্লৱ সম্পৰ্কে ইমান যে ৰোমহৰ্ষক কাহিনীবোৰ প্ৰচাৰিত হৈছে! আমি ভাবিছিলোঁ যে অতীতৰ গ্লেমাৰ থকা আপোনালোকৰ দৰে শিল্পীসকলক কিজানি এইবেলি আৰু দেখা নাপামেই। সেয়েহে, এইবাৰ চীনলৈ আহি সাংস্কৃতিক বিপ্লৱৰ আগৰ চীনৰ আটাইতকৈ খ্যাতনামা পিকিং অপেৰা অভিনেত্ৰী তু চিং ফঙক পিকিং বিপ্লৱী অপেৰাত এগৰাকী নায়িকা ৰূপে যেতিয়া আবিষ্কাৰ কৰিলোঁ তেতিয়া যেনেকৈ আচৰিত হৈছিলোঁ, ঠিক তেনেকৈয়ে সাংহাইত আপোনাক বৰ্তমান দায়িত্বপূৰ্ণ পদত দেখি আচৰিত হৈছোঁ। অৱশ্যে মোৰ পুৰণি চিনাকি সকলক এইদৰে লগ পাই মই তাতোকৈ বেছি আনন্দিত। ধনতন্ত্ৰী সমাজত মঞ্চ আৰু জীৱনৰ মাজত ইমান পাৰ্থক্য থাকে যে তাত অভিনয় মাথোন অভিনয়েই হয়গৈ। আন কিবা ভাবিবলৈ গ'লে ঠগ খাব লাগে। মোৰ নিজৰ জীৱনৰ শিল্প-আন্দোলনৰ অভিজ্ঞতা ক'বলৈ লৈ সেই প্ৰসংগক্ৰমে চাং কয়ে ফঙক কৈছিলোঁ, 'আজি আপোনাক সেই বিপ্লৱী নায়িকা 'মুছিন' বা তু চিং ফঙক 'ৰঙা নাৰী-বাহিনীৰ (Red Detachment of Women) নায়িকা 'উ চিং হুৱা' বুলি ভবাত মোৰ আৰু কোনো দ্বিধা নাই। আমি সমাজতন্ত্ৰী সমাজৰ শিল্পীক এইদৰেই চাব খোজোঁ।'

মোৰ এই প্ৰশংসাৰ ফলত চাং কয়ে ফঙৰ মুখত কোনো ভাব-বৈগুণ্য ফুটি নোলাল। অতি গহীন আৰু শান্ত মাতেৰে তেওঁ ক'লে, 'জানে—কমৰেড বিশ্বাস, আমাৰ মাজত, অৰ্থাৎ আমি যিসকল

প্ৰবীণ শিল্পী—তেওঁলোকৰ মাজত বহুতো অসমাজতান্ত্ৰিক ধ্যান-ধাৰণা শিপাইছিল। আমি যিমানে নকওঁ আৰু চেষ্টা নকৰোঁ শ্ৰমিক-কৃষক আৰু সৈন্য সকলক শিল্পৰ যোগেদি সেৱা কৰাৰ, অন্তৰত আমাৰ এক স্বতন্ত্ৰতা-বোধ, সমাজত এক বিশেষ সুবিধাভোগী শ্ৰেণীৰ আভিজাত্যবোধ আছিল। ছোভিয়েত ইউনিয়নত শিল্পী-সাহিত্যিক সকলক এজন শ্ৰমিকতকৈ বহুগুণে বেছি অৰ্থ আৰু মৰ্য্যাদালাভৰ দৃষ্টান্তই আমাৰ মাজত এই বুৰ্জোৱাসুলভ ধাৰণাৰ প্ৰসাৰলাভ কৰাত যথেষ্ট অৰিহণা যোগাইছিল। এইবোৰ ধাৰণা আমাৰ মাজত থকা হেতুকেহে লিউ শ্বাও চি-পন্থীইঁতে ফিল্‌ম্ ষ্টুডিয়ত প্ৰাধান্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। সাংস্কৃতিক বিপ্লৱৰ জুইত আমি নিজক প্ৰচণ্ডভাৱে পুৰিবলগীয়া হৈছিলোঁ। 'সংগ্ৰাম-সমালোচনা-সংস্কাৰ'ৰ (Struggle-Criticism-Transformation) কমাৰ-শাললৈ আমি যাবলগীয়া হৈছিলোঁ। শ্ৰমজীৱি জনতাৰ মাজত দীৰ্ঘদিন ধৰি থকাৰ আৰু কাম কৰাৰ অভিজ্ঞতা আৰ্জিবলগীয়া হৈছোঁ। কিন্তু এই প্ৰক্ৰিয়াৰ শেষ নাই। আমাৰ জনতাই এক বৈপ্লৱিক ৰূপান্তৰৰ মাজেদি আগবাঢ়ি গৈছে অতি দ্ৰুততাৰে—আমি, তেওঁ-লোকৰ মাজত বাৰে বাৰে গ'লে হে শিল্প-সাহিত্যত এই বৈপ্লৱিক বাস্তৱক দাঙি ধৰিব পাৰিম।'

আবেলিৰ লহিউৱা .সুৰুযে মোৰ চকুৰ পৰ্দাত সাংহাই নগৰৰ পেন'ৰামা খোলা খিৰিকীৰে প্ৰতিফলত কৰি আছিল। চাং ৰুযে ফঙৰ মুখতো এচেৰেঙা ৰ'দ। এতিযা তেওঁ প্ৰৌঢ়া। আগৰ বাৰৰ দীপ্ত তাৰুণ্য আৰু সৌন্দৰ্য্য এতিযা অস্তাচলগামী। কিন্তু অতীতৰ তাৰুণ্য আৰু সৌন্দৰ্য্যক ধৰি ৰখাৰ কোনো প্ৰচেষ্টাই তেওঁৰ নাই। সাংস্কৃতিক বিপ্লৱৰ আগ্নেয় অভিজ্ঞতা আৰ কঠিন দায়িত্ববোধে তেওঁৰ মাজত আনি দিছিল এক দৃঢ় প্ৰশান্তি। চীনত দ্ৰুত সমাজতন্ত্ৰ গঠনত ভাবাদৰ্শৰ ক্ষেত্ৰত সমল যোগোৱাৰ কামত শিল্পীৰ অপৰিসীম দায়িত্ব আৰু সেই ক্ষেত্ৰত দুই লাইনৰ সংগ্ৰামৰ কথাটোৱেই তেওঁ কৈ

আছিল। তেওঁৰ প্ৰতিষ্ঠাৰ কথাত ওলাই পৰিছিল তেওঁৰ অভিজ্ঞতা-প্ৰসূত আন্তৰিকতা।

মই আগৰবাৰ চীনত দেখা বিভিন্ন কথাছবিৰ লগত আজিৰ কথা-ছবিৰ তুলনামূলক আলোচনাত তেওঁক সাঙুৰিবলৈ চেষ্টা কৰাত তেওঁ ক'লে, 'আপুনি মোৰ অতীতৰ 'মূছিন' কথাছবিখনৰ ভূমিকাৰ কথা কৈ আছিল। কিন্তু আজিৰ চীনদেশত সেই 'মাতৃ'গৰাকীৰ যি ৰূপান্তৰ ঘটিছে, মই এতিয়া তেওঁক ৰূপ দিয়াৰ কথাটোহে ভাবিছোঁ।' এইবুলি কৈ তেওঁ সম্ভহতে যিখন কমিউনত কেইমাহ মান এগৰাকী কৃষক মাতৃৰ লগত কটাইছিল, তেওঁৰ জীৱন কাহিনী মোক ক'বলৈ ধৰিলে। সেই সংগ্ৰামী মাতৃগৰাকী, যিগৰাকীয়ে জীৱনটোত দেখিছে দুৰ্ভিক্ষ, বানপানী, অনাহাৰ, সামন্তীয় নিপীড়ন,—আজি কমিউনত অক্লান্ত কৰ্মনিষ্ঠাৰে আৰু ৰাজনৈতিক জ্ঞানেৰে তেওঁ হৈ উঠিছে কমিউনিষ্ট আদৰ্শৰ প্ৰতিভূ। মুক্তিৰ আগত যিগৰাকী সাক্ষৰ নাছিল এতিয়া তেওঁ মাৰ্ক্স, লেনিন, মাও চে তুঙৰ গ্ৰন্থাদি অধ্যয়ন কৰিছে। কথাই কথাই চাং কুয়ে ফঙে ক'লে, 'মোক তেওঁ ইমান মৰম-চেনেহৰে ৰাখিছিল—গাঁৱলৈ যোৱাৰ আগত মোৰ মনত যি দ্বিধা-সংকোচ আছিল—কিজানি মিলা-প্ৰীতিৰে চলিব নোৱাৰিম—সেই দ্বিধা কেনিবাদি নোহোৱা হ'ল। আমাৰ অন্নদাতা সমাজখনৰ সম্পৰ্কে আমাৰ জ্ঞান যে আছিল কিমান নাম-নাচ।'

অলপমান জিৰণি লৈ তেওঁ আকৌ ক'লে, 'সাম্ৰাজ্যবাদ আৰু সামন্তবাদ-বিৰোধী মুক্তি-সংগ্ৰামৰ 'মা'ক আপুনি দেখিছিল 'মূছিন' কথা-ছবিত। কিন্তু সমাজতন্ত্ৰী সমাজৰ ৰূপকাৰ এই মাতৃৰ চৰিত্ৰ-চিত্ৰণ মই তো আজিলৈকে কৰিব নোৱাৰিলোঁ। এইখন সমাজৰপৰা উঠি অহা শিল্পীসকলেই আজি আমাৰ মঞ্চত আৰু বোলছবিত এই গৰাকী মাতৃক ৰূপ দিয়াত ব্যস্ত। তেওঁলোক আমাতকৈ বহুগুণে ডাঙৰ আৰু সাৰ্থক শিল্পী।'

চাং কুয়ে ফঙে আমাৰ মূল আলোচ্য বিষয়ত মোৰ প্ৰশ্নৰ উত্তৰ লাহে লাহে দি থাকিল। মোৰ প্ৰশ্ন আছিল সাংস্কৃতিক

বিপ্লৱৰ আগৰ বহুবিলাকত চলচ্চিত্ৰত মাও-লাইন আৰু লিউ-লাইনৰ —অৰ্থাৎ প্ৰলেতাৰীয় আৰু বুৰ্জোৱা লাইনৰ সংঘৰ্ষ আৰু সাংস্কৃতিক বিপ্লৱৰ পাছত চলচ্চিত্ৰ-শিল্পত নতুন কঠীয়াৰ বিষয়ে।

তেওঁ ধৈৰ্য্য ধৰি মোৰ সকলো প্ৰশ্নৰ উত্তৰ দি থাকিল। ক'লে, 'আপুনি জানেই, আগৰবাৰ বিগ্ লীপ্ ফৰ'ৱাৰ্ডৰ কালছোৱাত আপুনি যেতিয়া চীনত আছিল তেতিয়াৰে পৰাই আমাৰ মাজত যি মতাদৰ্শগত দ্বন্দ্ব আৰম্ভ হৈছিল—চলচ্চিত্ৰতো তাৰ প্ৰতিফলন ঘটিছিল। 'উ শুনৰ জীৱন-কাহিনী' বা 'চিং ৰাজ-দৰবাৰৰ ভিতৰুৱা কাহিনী' লৈ যি বিতৰ্ক চলিছিল—পলিটব্যুৰ'লৈ লেখা মাও-ৰ পত্ৰক অৱলম্বন কৰি আৰু বিগ লীপৰ গণ-জাগৰণত গণ-কমিউনৰ অভ্যুত্থানত আমাৰ মাজত যি চেতনা সোমাইছিল—তাৰ ফলত আমি যেতিয়াই এই নতুন বৈপ্লৱিক বাস্তৱক অৱলম্বন কৰি কথা-ছবি তুলিবলৈ হাতত লৈছোঁ, তেতিয়াই পাৰ্টিৰ সাংস্কৃতিক বিভাগৰ কিছুমান দৰমুৰীয়াৰ-পৰা অতি অপ্ৰত্যাশিতভাবে বাধা আহিছে। আমি সদ্য প্ৰকাশিত চেয়াৰম্যান মাও-ৰ জনগণৰ ভিতৰুৱা দ্বন্দ্ব (Contradictions among the people) তত্বৰ ভেটিত সমাজতান্ত্ৰিক সমাজতো তাৰ শ্ৰেণী-সংঘাতৰ দৃষ্টিৰে বোলছবি তুলিবলৈ আগ বাঢ়িলেই তেওঁলোকে ঐতিহ্য, আৰ্টৰ সৰ্বজনীন আবেদন ইত্যাদিৰ নামত আমাৰ স্ক্ৰিপ্ট-বিলাকক অহিন-কোণীযাকৈ পেলাই থবলৈ চেষ্টা কৰিছিল। 'আৰ্টৰ আংগিকত উত্তীৰ্ণ নহ'লে শ্ৰমিক-কৃষক থাকিলেই ভাল বোলছবি নহয়'—এই অজুহাতত তেওঁলোকে আমাৰ প্ৰচেষ্টাসমূহক 'স্থূল' বা 'ভোতা' বুলি বাতিল কৰি দিবলৈ ধৰিলে। যেনে ধৰক—৮ মাৰ্চৰ 'প্ৰবাহিনী নৈ' কথা-ছবিখন। কেৰল ছোৱালীহঁতে এখন গণ-কমিউন গঢ়ি তোলাৰ কাহিনী অৱলম্বনত আমি এই কথা-ছবিখন তুলিছিলোঁ। সেই ছবিৰ ত্ৰুটি হয়তো বহুখিনি আছিল। কিন্তু তেতিয়াৰ দিনৰ সাংস্কৃতিক শিৰফুটাহঁতে ইয়াক নিম্নখাপৰ ডকুমেণ্টাৰি বুলি অপবাদ দি ইয়াক বাতিল কৰি দিলে। মই এই

কথা-ছবিখনত কৃষক-নাৰীসকলৰ নেত্ৰীৰ ভাও লৈছিলোঁ। সেয়েহে, মই বিশেষভাৱে তিৰস্কৃত হৈছিলোঁ। তেতিয়াৰ দিনৰ সাংহাইৰ মেয়ৰ কো চিন্‌জে আছিল এগৰাকী খাঁটি মাও-পন্থী বিপ্লৱী। তেওঁ আমাৰ প্ৰচেষ্টাত সদায় উৎসাহ দিছিল, আৰু সেইবাবে ইমানবোৰ প্ৰতিকূলতাৰ মাজতো আমি কিছুমান কথা-ছবি নিৰ্মাণ কৰিবলৈ সক্ষম হৈছিলোঁ। কিন্তু তেওঁৰ অকালমৃত্যুৰ পাছত মেয়ৰ হ'ল চাও তি ছু আৰু পাৰ্টিৰ প্ৰথম ছেক্ৰেটাৰী হ'ল ছেন্ পেই খিয়েন। এওঁলোক দুযোজনেই আছিল লিউ শ্বাও চি-পন্থী আৰু ঘোৰতৰভাৱে মাও-বিৰোধী। তেওঁলোকো ওলাল, আমাৰো কাম-বন ধোঁৱা চাঙত উঠিল। অথচ মতাদৰ্শৰ ফালৰপৰা আমাৰ ভেটি তেওঁলোকৰ বিৰুদ্ধে সংঘবদ্ধ প্ৰতিৰোধ গঢ়ি তুলিবপৰাকৈ কটকটীয়া নাছিল।

'ইপিনে লিউ-পন্থীহঁতে নিজা আঁচনি মতে কথা-ছবি নিৰ্মাণ কৰি ব্যাপক প্ৰদৰ্শনৰো ব্যৱস্থা কৰিছিল। ১৯৫৯ চনৰপৰা ১৯৬২ চনলৈকে প্ৰাকৃতিক দুৰ্য্যোগত চীনৰ সাময়িক অৰ্থনৈতিক সংকটৰ সুযোগ লৈ তেওঁলোকে মাও-নিৰ্দেশিত ৰাজনীতিৰ অগ্ৰাধিকাৰক বাতিল কৰি দি উৎপাদনৰ অগ্ৰাধিকাৰৰ নীতিৰ প্ৰচলন কৰি শ্ৰেণী-সমন্বয়ৰ আদৰ্শ প্ৰচাৰ কৰিছিল আৰু চলচ্চিত্ৰতো তাৰ প্ৰতিফলন ঘটিছিল। যেনে ধৰক—'ৰঙা বেলি' (Red Sun)বোলছবিখন। চৌ ইয়াং, ছিয়া ইয়েন চক্ৰৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত এই কথাছবিখন তোলা হৈছিল। চিয়াং কাই শ্বেকৰ ৭৪তম বাহিনীৰ কমাণ্ডাৰ চাং লিং ফু-ৰ জীৱনী হ'ল এই কথাছবিখনৰ বিষয়বস্তু। এই চাং লিং ফু আছিল এজন কমিউনিষ্ট-বিৰোধী। দুৰ্বলচিত্ত কমাণ্ডাৰে মেংগাংকুৰ যুদ্ধত মুক্তি বাহিনীৰ হাতত প্ৰাণ হেৰুৱায়। কিন্তু এইখন কথাছবিত এই চাং লিং ফু-ক এজন নিৰ্ভীক-চিত্ত বীৰ যোদ্ধা ৰূপে দেখুউৱা হয়। তেওঁ হেনো শেষলৈকে দৃঢ়ভাৱে আৰু ধীৰ মস্তিষ্কেৰে যুদ্ধ পৰিচালনা কৰিছিল আৰু ধৰা পৰাৰ মুহূৰ্তত হেনো আত্মহত্যা কৰি পৰাজয়ৰ গ্লানিৰপৰা নিজক মুক্ত কৰিছিল। চৌ ইয়াং-পন্থীহঁতে কৈছিল: 'শিল্পই সত্যক প্ৰতিফলিত

কৰিব লাগিব'। এয়ে হ'ল এওঁলোকৰ সত্যক প্ৰতিফলিত কৰাৰ নমুনা। তেওঁলোকৰ মানত সত্যৰ শ্ৰেণী-বিচাৰ নাই। এই তত্ত্বৰে-পৰাই এনে ধৰণৰ প্ৰতিক্ৰিয়াশীল ছবিৰ উৎপত্তি হৈছিল।

'এই ধৰণৰ আন এটা দৃষ্টান্ত দিওঁ। কথা-ছবিখনৰ নাম 'বতাহৰ বিৰুদ্ধে এহেজাৰ মাইল' (A thousand Li against the wind)। উত্তৰ-পূৰ্ব চীনত ১৯৪৬ চনত মুক্তিযুদ্ধৰ কালছোৱাৰ মুক্তিফৌজৰ এক বাহিনীৰ কাহিনীৰ আলমত এই ছবিখন তোলা হৈছিল। কিন্তু চিত্ৰনাট্যকাৰ আৰু পৰিচালকজন লিউ-লাইনৰ প্ৰভাৱাধীন হোৱা হেতুকে ধৰা পৰা শত্ৰুসৈন্যহঁতৰ চৰিত্ৰ ধীৰ মস্তিষ্ক, অবিচল, মৃত্যু-ভয়হীন বীৰ চৰিত্ৰ হিচাপে উপস্থাপিত হৈছে আৰু সিহঁতক লৈ মাৰ্চ্চ কৰা মুক্তিফৌজৰ সৈন্যসকলক সিহঁতৰ তুলনাত দুৰ্বল আৰু অসংগঠিত চৰিত্ৰ হিচাপে চিহ্নিত কৰা হৈছে।'

এইখিনিত অলপ ৰৈ, চাং কুয়ে ফঙে যেতিয়া চলচ্চিত্ৰ জগতত লিউ-পন্থীসকলৰ চক্ৰান্তৰ কথা আৰু বিশদভাবে ক'বলৈ ধৰিলে, তেতিয়া তেওঁৰ কণ্ঠত বিক্ষোভ তীব্ৰ হৈ উঠিছিল। তেওঁ লিউ-পন্থীহঁতৰ আন এখন চলচ্চিত্ৰৰ কথা কৈছিল। সেইখন হ'ল 'যিখন নগৰত চাকি নুনুমায' (The city that never darkens)। এই ছবিখনত সাংহাইৰ ধনিক শ্ৰেণীৰ পক্ষে ওকালতি কৰা হৈছিল। লিউ-পন্থীসকলৰ আন এটি কুকীৰ্তি হ'ল 'ডাঙৰ লি, যুৱক লি আৰু বৃদ্ধ লি' (Big Li, Young Li and Old Li)। সাংহাইৰ এখন মাংস প্ৰছেছিং প্লাণ্টৰ শ্ৰমিকসকলৰ জীৱনৰ চিত্ৰ দেখুৱাবলৈ গৈ এক বিকৃত চিত্ৰ দাঙি ধৰা হৈছে—য'ত শ্ৰমিকসকলে কুৎসিৎ অংগভংগী কৰে আৰু সদায় অবাইচ অধইচ আমোদ-ফুৰ্তি কৰে। বৈপ্লৱিক বাস্তৱতাক আঁৰ কৰাৰ আন এটি কৌশলো লিউ-পন্থীহঁতৰ আছিল। সেইটো হ'ল—প্ৰাচীন লৌকিক প্ৰেমমূলক জন-উপাখ্যানক ঐতিহ্যৰ নামত চিত্ৰায়িত কৰা। ইউনান প্ৰদেশৰ সংখ্যালঘু জাতিৰ প্ৰাচীন গাথা 'আশ্‌মা' লৈ হৈ-চৈ কৰি বোলছবি এখন তোলা হৈছিল।

ছিনেমা ইণ্ডাষ্ট্ৰী সম্পৰ্কে লিউ-পন্থীসকলৰ দৃষ্টিভংগীৰ কথা ক'বলৈ লৈ চাং কুয়ে ফঙে ক'লে, 'বোলছবিক গণশিক্ষাৰ হাতিয়াৰ বুলি নাভাবি তেওঁলোকে ইয়াক বেহানি বুলিহে ভাবিছিল। এওঁলোকৰ মানত বক্স অফিছেই আছিল একমাত্ৰ মানদণ্ড। আনকি, এওঁলোকে এই কথাষাৰো ক'লে যে আন্তৰ্জাতিক চলচ্চিত্ৰ উৎসৱৰ পৰা পুৰস্কাৰ বুটলি আনিব পাৰিলেহে চীনা বোলছবিৰ উৎকৰ্ষতা প্ৰমাণিত হ'ব, নহ'লে একোপধ্যেই নহ'ব। গতিকে আমি তেনে ধৰণৰ ছবিহে কৰিব লাগিব।'

চীনৰ চলচ্চিত্ৰত সাংস্কৃতিক বিপ্লৱে কি অৰিহণা যোগালে—চীনৰ প্ৰধান চিত্ৰতাৰকা চাং কুয়ে ফঙৰ লগত সাক্ষাৎকাৰৰ অন্তিম পৰ্য্যায়ত সেই কথা পাতি আছিলোঁ। চীনৰ অগণিত জনসাধাৰণৰ শিক্ষাৰ অৰ্থে অসংখ্য ডকুমেণ্টাৰি বা তথ্যচিত্ৰৰ মাজত মই খনদিয়েক চাইছোঁ। সেইবোৰ ঘাইকৈ দুবিধৰ। এবিধ হ'ল বৈজ্ঞানিক গৱেষণা আৰু প্ৰযুক্তিবিদ্যা সংক্ৰান্ত, আৰু আনবিধ হ'ল চীনৰ কৃষক আৰু শ্ৰমিকৰ আত্ম-নিৰ্ভৰশীলতাৰ নীতিৰ আলমত গঢ়ি উঠা বিভিন্ন প্ৰকল্প। যেনে —তা-চিন, তা-চাই, বা ৰেড ফ্লাগ খাল। ৰেড ফ্লাগ খালৰ তিনি ৰীলৰ তথ্যচিত্ৰখন চাওঁতে ইমান আৱিষ্ট হৈ পৰিছিলোঁ যে এইখন যে এখন তথ্যচিত্ৰ সেই কথা পাহৰিয়েই আছিলোঁ। আজিৰ অবিশ্বাস্য চীনদেশখনক যিসকলে গঢ়ি তুলিছে, পৰ্দাৰ বুকত প্ৰতিফলিত প্ৰকৃতিৰ সেই ৰূপান্তৰকাৰীসকলৰ কৰ্মজীৱনে যেন তথ্যৰ পৰিধিক চেৰাই ফিচাৰৰ দৰেই আকৰ্ষণীয় হৈ উঠিছে।

সাংস্কৃতিক বিপ্লৱোত্তৰ চীনৰ ফিচাৰ ফিল্‌ম্ সম্বন্ধে আলোচনা কৰিলেই ৰঙীন মডেল কথা-ছবিসমূহৰ কথা ক'ব লাগিব। আকৌ, এই মডেল ছবিসমূহৰ মাজত তিনিখনৰ নাম ৰজনজনা। শ্ৰীমতি চাং কুয়ে ফঙেও মোক এই তিনিখন ছবিৰ কথা বিশদভাৱে কৈছিল। প্ৰথমখন হ'ল 'আগ্নেয় দিনবোৰ' (Fiery years), দ্বিতীয়খন হ'ল 'উজ্জ্বল সূৰ্য্যস্নাত আকাশ' (Bright Sunny Skies); আৰু

তৃতীয়খন হ'ল 'সেউজ পাইন পৰ্বতমালা' (Gren Pine Ridge)। এই কথাছবি তিনিওখনৰ কাহিনী ইয়াত চমুকৈ হ'লেও কোৱা আৱশ্যক।

'আগ্নেয় দিনবোৰ'

১৯৬২ চন। একেলেথাৰীয়ে কেইবা বছৰো ধৰি খৰ আৰু বানপানীৰ কবলত পৰা চীনৰ অভ্যন্তৰীণ অৰ্থনৈতিক অগ্নিপৰীক্ষা তেতিয়ালৈকো চলি আছে। আনফালে চলিছে চীনক বহিৰ্জগতৰপৰা বিচ্ছিন্ন কৰাৰ দুটা বৃহৎ শক্তিৰ ষড়যন্ত্ৰ। এনেকুৱা পৰিস্থিতিত, সমাজতান্ত্ৰিক দেশ বুলি দাবী কৰা বৃহৎ শক্তিয়ে চীনদেশক special alloy steel যোগানৰ চুক্তিত যি চহী দিছিল—সেই চুক্তি ফালি দলিয়াই পেলালে আৰু তাৰ সলনি সেই দামতে অতি নিকৃষ্ট মানৰ তীখা দিবলৈ ধৰিলে। চীনত সমাজতান্ত্ৰিক শিল্প গঠনৰ বাবে তেতিয়া সেই special alloy steel আছিল অতি জৰুৰী। সেই অৱস্থাত সাংহাইৰ লো আৰু তীখা কাৰখানাৰ এদল শ্ৰমিকে চাও জু হাই-ৰ নেতৃত্বত তেওঁলোকেই সেই বিশেষ ধৰণৰ তীখা তৈয়াৰ কৰাৰ সিদ্ধান্ত ল'লে। এইয়া আছিল এক দুঃসাহসী চেলেঞ্জ।

চাও জু হাই আৰু তেওঁৰ লগৰীয়াসকল মনে-প্ৰাণে মাও চে তুঙৰ 'কান্ খিযাং, কান্ চুও' (Dare to think, Dare to do) নীতিত আস্থাশীল আছিল। পৰীক্ষা-নিৰীক্ষাৰ সংগ্ৰাম চলি থাকিল। চাও জু হাইৰ এই সংগ্ৰাম মাথোন বৈজ্ঞানিক সত্য উদ্ভাৱনৰ বা টেকনিক আয়ত্ত কৰাৰ সংগ্ৰামেই নাছিল। দেখা গ'ল যে কাৰখানাৰ উৎপাদন বিভাগৰ প্ৰধান ইং চিয়াং পেই আৰু কাৰখানাৰ ডিৰেক্টৰ পাই ছিয়েন চৌ-ৱে নানা ভাবে এই পৰীক্ষা-নিৰীক্ষাৰ বাটত বাধা দিছে, আনকি চুকত থাকি বুকুত কামুৰিছে। তথাপি যেতিয়া শ্ৰমিকসকল

নদমিল, তেতিয়া ডিৰেক্টৰ পাই-এ চাও-ক তেওঁৰ পৰীক্ষা বন্ধ কৰিবলৈ আদেশ জাৰী কৰিলে। এই সংগ্ৰাম শ্ৰমিক চাও আৰু ডিৰেক্টৰ পাইৰ মাজত হোৱা সংগ্ৰাম নাছিল, এই সংগ্ৰাম আছিল চীনে নিজৰ ভৰিৰে খোপনি লৈ সমাজতন্ত্ৰ গঢ়াৰ নাইবা পৰ-নিৰ্ভৰশীল হৈ ধনতন্ত্ৰৰ মৰিশালিলৈ উভতি খোজ লোৱাৰ বিৰুদ্ধে সংগ্ৰাম। বহুতো ঘটনাৰ পাছত এই তথ্য উদঘাটিত হ'ল যে উৎপাদন-বিভাগৰ প্ৰধান আৰু কাৰখানাৰ ডিৰেক্টৰ পাই দুয়োজনেই গোপন প্ৰতি-বিপ্লৱী। অৱশেষত চাও-ৰ নেতৃত্বত শ্ৰমিকসকল জয়ী হ'ল। চেয়াৰম্যান মাও-ৰ এই কাৰখানা পৰিদৰ্শনৰ চতুৰ্থ-বাৰ্ষিকী উদ্‌যাপনৰ দিনটোত উৎসৱৰ হৰ্ষধ্বনিৰ মাজত সাংহাইৰ শ্ৰমিকবৃন্দই সেই বিশেষ ধৰণৰ তীখা তৈয়াৰ কৰি নিজৰ ভৰিত খোপনি লৈ সমাজতন্ত্ৰ গঢ়াৰ নীতিৰ বিজয় ঘোষণা কৰিলে।

'উজ্জ্বল সূৰ্য্যস্নাত আকাশ'

আজিৰ চীনৰ আটাইতকৈ জনপ্ৰিয় উপন্যাসৰ আলমত এই কথা-ছবিখন নিৰ্মাণ কৰা হৈছে।

১৯৫৬ চনত উত্তৰ চীনৰ চুং শ্বানউ যৌথ কৃষি-সমবায়খন বানপানীৰ কবলত পৰি নিদাৰুণভাৱে ক্ষতিগ্ৰস্ত হ'ল। এই সমবায়ৰ স্থানীয় মিলিস্যাৰ প্লেণ্টুন লিডাৰ আৰু কমিউনিষ্ট পাৰ্টিৰ সভ্য ছিয়াও চাং ছুন দুখীয়া আৰু নিম্ন-মধ্য কৃষকসকল সংগঠিত কৰি লৈ পুনৰ নতুনকৈ বীজ বপন আৰু সংকটৰ বিৰুদ্ধে সংগ্ৰামত উদ্বুদ্ধ কৰি তুলিলে। পাৰ্টিৰ ছেক্ৰেটাৰী আৰু সমবায়ৰ প্ৰধান পৰিচালকৰ পদাধিকাৰী মানুহজন আছিল এজন গুপ্ত প্ৰতি-বিপ্লৱী। চৰকাৰৰপৰা যি সহায় আৰু নতুন বীজ পঠিউৱা হ'ল সি সেইবোৰ লৈ মনে মনে কাৰবাৰত ধৰিলে। কিন্তু ছিয়াও-এ তাৰ এই কাৰ্য্যৰ বিৰুদ্ধে থিয় দিলে আৰু

চৰকাৰৰপৰা পঠোৱা সহায়খিনিৰ পূৰাপূৰিকৈ সদ্ব্যৱহাৰ কৰিবলৈ ছেক্ৰেটাৰীক বাধ্য কৰিলে।

পৰৱৰ্তী বছৰত, ১৯৫৭ চনত আৰম্ভ হ'ল শুদ্ধি-আন্দোলন (Rectification Campaign)। তাৰ ফলত আগৰ ছেক্ৰেটাৰী মা'ৰ ঠাইত ছিয়াও-ক পাৰ্টি ছেক্ৰেটাৰী পতা হ'ল আৰু তেওঁক সমবায় প্ৰধানৰ পদতো নিৰ্বাচিত কৰা হ'ল। আগৰ ছেক্ৰেটাৰী মা'ক ডেপুটিৰ পদ দিয়া হ'ল। এই সমবায় কমিউনত ৰূপান্তৰিত হ'ল— আৰু ছিয়াও-এ সমাজতন্ত্ৰী উদ্যোগত সকলোটিক শস্যৰ উৎপাদনত নতুন ৰেকৰ্ড প্ৰতিষ্ঠা কৰিবলৈ অনুপ্ৰাণিত আৰু সংঘবদ্ধ কৰি তুলিলে। ইপিনে গুপ্ত প্ৰতি-বিপ্লৱী মা'-ই কমিউনৰ ব্ৰিগেড লিডাৰক তাৰ চক্ৰান্তৰ অংশীদাৰ কৰি ল'বলৈ সমৰ্থ হ'ল। তেতিয়া সিহঁত দুয়োটাই মিলি বণ্টনৰ ক্ষেত্ৰত সমাজতান্ত্ৰিক নীতি—কামৰ জোখাৰে বণ্টনৰ পৰিবৰ্তে সমবায় গঠনৰ সময়ত যিজন সদস্যই যিমান মাটি লৈ আহিছিল সেই অনুসাৰে শস্য ভগোৱাৰ আঁচনি দিয়ে আৰু এই কথা লৈ আন্দোলনো আৰম্ভ কৰে। এই ব্যৱস্থাত আগৰ মজলীয়া আৰু চহকী খেতিয়কহঁতৰহে লাভ। ছিয়াও-এ বহু প্ৰচেষ্টাৰ ফলত সমাজতন্ত্ৰী নীতিত সৰহভাগ কৃষকক সমবেত আৰু কমিউনৰ নতুন ভাবাদৰ্শত উদ্বোধিত কৰিলে। এই সংগ্ৰামত মা' পৰাজিত হ'ল। কিন্তু সিও সাত ঘাটৰ চেঙেলী। সিও এনেয়ে এৰাবিধৰ ভকত নহয়। কমিউনৰ পকা ঘেঁহু-খেতিত যেতিয়া শস্য চপোৱাৰ ধুম লাগি পৰিছে—তেনে সময়তে সি আগৰ এজন জমীদাৰৰ লগত চক্ৰান্ত কৰি ছিয়াওৰ একমাত্ৰ পুত্ৰক পলুৱাই নিয়ে আৰু এই পামৰে পুত্ৰটিক পাহাৰৰ ওপৰৰ পৰা দলিয়াই হত্যাৰ পাং পাতে। ইপিনে ছিয়াওৰ পুত্ৰৰ নিৰুদ্দেশৰ বাতৰি পাই আটায়ে শস্যচপোৱা বন্ধ কৰি ল'ৰাটোক বিচাৰি উলিয়াবলৈ ওলাল। কাম-বন কাটি কৰি থৈ ল'ৰাটোক বিচাৰি উলিউৱাৰ ভাও জুৰি সকলোটিৰ লগত লগ লাগি নৰাধম মা'ও ওলাল। এনেকুৱা পৰিস্থিতিত নিজৰ অশেষ দুঃখ

দমন কৰি কমিউনৰ বিপদ-ঘণ্টা বজাই ছিয়াও-এ সকলোটিক গোট খুৱালে আৰু ক'লে যে এই সময়ত খেতি-পথাৰ এৰি আনত মন দিলে নচলিব, ইও এক প্ৰচণ্ড শ্ৰেণী-সংগ্ৰাম। কমিউনৰ পকা শস্যক নিৰাপদ কৰিব লাগিবই। অৱশেষত নানা ঘটনাৰ মাজেদি প্ৰতি-বিপ্লৱী মা' আৰু সেই ভণ্ড জমীদাৰৰ চক্ৰান্ত উদঘাটিত হ'ল। সিহঁত দুটাক গ্ৰেপ্তাৰ কৰা হ'ল। ছিয়াওৰ পুত্ৰকো উদ্ধাৰ কৰা হ'ল।

'সেউজীয়া পাইন পৰ্বতমালা'

১৯৬২ চনত উত্তৰ চীনৰ এক পাৰ্বত্য কমিউনৰ উৎপাদন ব্ৰিগেডৰ ঘটনাৰ আলম লৈ এই বোলছবিখন নিৰ্মাণ কৰা হৈছিল। তেতিয়াৰ দিনৰ যান-বাহনৰ প্ৰধান আহিলা হ'ল ঘোঁৰা। পৰ্বতীয়া ওখ-চাপৰ খলা-বমা একাবেঁকা বাটেদি ঘোঁৰা চলোৱাত দক্ষতাৰ আৱশ্যক। আন অঞ্চলৰ পৰা ইয়ালৈ অহা ছিয়েন আছিল এই ঠাইৰ প্ৰধান ঘোঁৰা-চওযাৰ আৰু চহিচ। কিন্তু ছিযেন হ'ল এক প্ৰতিক্ৰিয়াশীল চহকী খেতিযক, ইয়াত নিজৰ পৰিচয় গোপন কৰি বাস কৰিছে। নতুন যুৱক-শ্ৰেণীৰ কোনোবাই ঘোঁৰাবাগী চলোৱা শিকিবলৈ আহিলে ছিয়েনে ভালকৈ নিশিকায়। সি এটা কৌশলো পাঙি থৈছে। ঘাই আলিৰ কেঁকুৰি এটাত ক'লা শুকান কিম্ভূতকিমাকাৰ গছ এজোপাৰ ওচৰলৈ ঘোঁৰাবিলাকক আনি সি ইচ্ছা কৰিয়েই ভয় খুৱাইছিল আৰু এইটুকুৰা ঠাই আহি পোৱাৰ লগে লগেই ঘোঁৰাবিলাক বলিযাৰ দৰে হৈ উঠিছিল। ঘোঁৰাবিলাকৰ মনৰ পৰা কিদৰে এই ভয় আঁতৰোৱা সম্ভৱ, সেই কথা মাত্ৰ ছিয়েনেহে জানিছিল। ন-শিকাৰুহঁত ঘোঁৰাৰ গাড়ী লৈ ইযালৈ আহি পোৱাৰ লগে লগেই ঘোঁৰাবিলাকে উধাতু খাই যেনিযে তেনিয়ে দৌৰ মাৰিছিল আৰু নতুন শিক্ষাৰ্থীসকল আহত হৈ, হাত ভৰি ভাগি ঘৰলৈ উলটিছিল।

ইপিনে, আন এখন কমিউনৰ এজন প্ৰতি-বিপ্লৱীৰ লগতো ছিয়েনৰ যোগাযোগ আছিল। সেই প্ৰতি-বিপ্লৱীয়ে কমিউনৰ বয়-বস্তু লৈ গুপুতে কাৰবাৰ চলাইছিল। ব্ৰিগেড নেতা চৌ হ'ল সৎ কৰ্মী, কিন্তু সমাজতন্ত্ৰী-সমাজতো যে তীব্ৰ শ্ৰেণী-সংগ্ৰাম চলাই যাব লাগিব, সেই বিষয়ে মুঠেই সজাগ নহয়। কেনেকৈ উৎপাদন বাঢ়িব এয়ে তেওঁৰ একমাত্ৰ চিন্তা। আৰু এই সুযোগতেহে ছিয়েনে তাৰ দুষ্কৰ্মবিলাক চলাব পাৰিছিল।

সেইখন কমিউনত আছিল বৃদ্ধ চাং ওৱান শ্যান। চাং আগতে আছিল এজন জমীদাৰৰ সুদক্ষ চহিচ। দুখীয়া মাটিহীন কৃষক। বৰফৰ ধুমুহাৰ মাজতো জমীদাৰে তাক গাড়ী চলাবলৈ বাধ্য কৰোৱাৰ ফলত সি বাতবেমাৰত আক্ৰান্ত হয়। তাৰ ফলত সি কমিউনত প্ৰায় অৱসৰ জীৱন কটাবলৈ বাধ্য হৈছিল। কিন্তু অবাধ্য ঘোঁৰাৰ বাবে নতুন শিক্ষাৰ্থীসকলৰ কোনোবাই ঘোঁৰা-গাড়ী চলোৱা শিকিব নোৱাৰাৰ কথা শুনি সন্দেহ হোৱাত বুঢ়াই অনুসন্ধান কৰি চালে আৰু নিজে ঘোঁৰা চলাই গৈ ছিয়েনৰ বদমাচী ধৰা পেলালে। অতঃপৰ ছিয়েনক সেই কামৰ পৰা বৰ্খাস্ত কৰা হ'ল। কিন্তু ব্ৰিগেড লিডাৰ চৌ দুৰ্ভাৱনাত পৰিল। সুধিলে, 'তেন্তে—এতিয়াৰপৰা গাড়ী চলাব কোনে?' তেতিয়া অসুস্থ চাঙে হাতত চাবুকডাল লৈ আগুৱাই আহি ক'লে, 'মই। মযেই কমিউনৰ যুৱক-যুৱতীসকলক গঢ়ি তুলিম,—তেওঁলোকক শিকাম যে সমাজতন্ত্ৰৰ পৰ্বতীয়া বাটেদি ঘোঁৰাক কেনেকৈ চলাব লাগিব।'

ওপৰোক্ত কাহিনী সমূহৰপৰা যি বক্তব্য ওলাই পৰিছে চমুকৈ সি হ'ল—সমাজতন্ত্ৰী সমাজতো শ্ৰেণী-সংগ্ৰাম তীব্ৰভাৱে চলি থাকে। এই শ্ৰেণী-সংগ্ৰাম মাথোন শ্ৰেণী-শত্ৰুবিলাকৰ বিৰুদ্ধেই নহয়, শ্ৰেণীৰ মাজতো, অৰ্থাৎ নিজৰ মাজতো বিদ্যমান। এই কথা-ছবি কেইখনত আমি চীনৰ সমাজতন্ত্ৰ গঠনৰ বাটত দুই লাইনৰ সংঘাত কিমান যে জটিল আৰু তাৰ সমাধান যে কিমান টান সেই কথাৰ উমান পাওঁ।

এই বোলছবিসমূহৰ প্ৰধান চৰিত্ৰ হ'ল সেই সৰ্বহাৰাৰ ভাৱমূৰ্তি (Proletarian image), যিসকলে চীনত সাংস্কৃতিক বিপ্লৱক সফল কৰি তুলিছে। চলচ্চিত্ৰত লিউ শাও চি-পন্থী সাংস্কৃতিক নেতৃত্ব—লু টিং ঈ, চৌ ইয়াং, শ্বিয়া ইয়েনইঁতৰ আৰ্ট-লাইনৰ বিৰুদ্ধে সংগ্ৰাম কৰিয়েই এই নতুন image সম্ভৱ হৈ উঠিছে।

কিন্তু কেৱল বিষযবস্তুৰ বৈপ্লৱিক তাৎপৰ্য্যয়েই নহয়—আংগিকৰ উৎকৰ্ষতাৰ প্ৰশ্নও আছে। চীনৰ বৰ্তমান বোলছবি সম্পৰ্কে চাং কুয়ে ফঙে যেতিয়া মোৰ মতামত জানিবলৈ বিচাৰিলে, তেতিয়ালৈকো মই 'সেউজীয়া পাইন পৰ্বতমালা'খনহে চাইছোঁ মাথোন। চীনলৈ প্ৰথম বাৰলৈ গৈ কিছুমান ভাল বোলছবি চাইছিলোঁ, যদিও টেকনিকৰ ফালৰপৰা ভাৰতৰ তুলনাত নিম্নথাপৰ বুলি প্ৰায়েই বোধ হৈছিল। চীনৰ চলচ্চিত্ৰ জগতৰ বহুতেও এই কথাষাৰ অকপটে স্বীকাৰ কৰিছিল। কিন্তু 'সেউজীয়া পাইন পৰ্বতমালা'ত যি অসাধাৰণ শিল্পগত উৎকৰ্ষতা প্ৰত্যক্ষ কৰিলোঁ অন্যান্য ছবিও যদি সেই মানদণ্ডৰ হৈছে, তেনেহলে ক'বই লাগিব যে, টেকনিকৰ ফালৰ পৰা চীনৰ চলচ্চিত্ৰই এতিয়া নিশ্চয় সেই উৎকৰ্ষতা লাভ কৰিছে—যি উৎকৰ্ষতাৰ কথা বহুদিনৰ আগতে মাও-এ তেওঁৰ ইয়েনান বক্তৃতাত কৈছিল :

> "আমাক লাগে ৰাজনীতি আৰু শিল্পৰীতিৰ সমন্বয়, বিষযবস্তু আৰু আংগিকৰ সমন্বয়, বৈপ্লৱিক ৰাজনীতিক বিষয়বস্তু আৰু শিল্পনীতিৰ সম্ভাব্য সৰ্বশ্ৰেষ্ঠ উৎকৰ্ষতাৰ সমন্বয়।'

এই বোলছবিত সেই সমন্বয় প্ৰত্যক্ষ কৰিলোঁ। চাং কুয়ে ফঙক সেই কথা ক'লোঁ।

কিন্তু মডেল বোলছবিৰ সংখ্যা মুষ্টিমেয়। বৰ্তমান চীনৰ শিল্পী-সকলে পৰিমাণ নিবিচাৰে, বিচাৰে গুণ। চাং কুয়ে ফঙে মোক ক'লে যে একো একোখন বোলছবিৰ কপি তিনি হাজাৰৰ পৰা চাৰে তিনি হাজাৰলৈকো কৰা হয়। এইদৰেই তেওঁলোকে বিৰাট জন-সংখ্যাৰ দাবী পূৰায়।

চীনদেশত অতীত অনাদৃত নে?

আমাৰ দেশত, যিসকলে ৰাজআলিৰ নাম সলাই 'লেনিন সৰণী' নাম দি লেনিনৰ স্মৃতিক ৰক্ষা কৰি আছে, যিসকলে 'শ্বেকছপীয়েৰ সৰণী'ৰে শ্বেকছপীয়েৰৰ স্মৃতিক অমৰত্ব দান কৰিব খুজিছে, বা ৰবীন্দ্ৰসদনত ৰবীন্দ্ৰ-নৃত্যনাট্য আৰু ৰবীন্দ্ৰ সংগীতৰ মৌ-মেল পাতি ৰবীন্দ্ৰ-তৰ্পণ কৰিছে, তেওঁলোকেই হঠাৎ চীনত সকলো সংস্কৃতি ধ্বংস হ'ল—গ'ল গ'ল বুলি আৰ্তনাদ কৰি উঠিল। চীনৰ 'কালাপাহাৰ' ৰেড গাৰ্ডইঁতে হেনো শ্বেকছপীয়েৰ, ৰবীন্দ্ৰনাথ, বিঠোফেন আদি সকলোটিৰ মূৰ্তি ভাঙি গুডি কৰি পেলাইছে। নিজৰ দেশ চীনৰ ঐতিহ্যবাহী ধ্ৰুপদী সকলো বস্তু ভাঙি-ছিঙি তচোনচো কৰিছে। পচিমীয়া সাম্ৰাজ্যবাদী সকলৰ কথাত হযভৰ দি আন বহু কেইখনমান দেশৰ শিৰফুটাইঁতে সাংস্কৃতিক বিপ্লৱৰ ধ্বংসলীলাৰ গাৰ নোম ডাল ডাল হোৱা ভযাবহ বিবৰণৰ বাতৰি-যোগনিযাৰ হৈ উঠিল। ধ্বনিতকৈ প্ৰতিধ্বনি সদাযেই চৰা। আমাৰ দেশৰ, বিশেষকৈ পশ্চিমবংগৰ এক বিশেষ গোষ্ঠীৰ মুখাফুটা লেখক সম্প্ৰদায়, ১৯৬২ চনৰ সীমান্ত-সংঘৰ্ষৰ কালছোৱাত যিসকলে স্বদেশপ্ৰেমৰ নিজৰা বোৱাইছিল, তেওঁলোক আকৌ গা টঙাই সঁজাল ধৰি উঠিল আৰু আকৌ চীন—বিৰোধী অপপ্ৰচাৰত কঁকালত টঙালি বান্ধি সাজু হ'ল। তেওঁলোকৰ প্ৰচাৰৰ মহিমাৰ ফলত গ'লবেলি চীনদেশখনত যি অযুৰন্ত বৌদ্ধমন্দিৰ আৰু বুদ্ধমূৰ্তি-সমূহ চাই আহিছিলোঁ সেইবোৰৰ চিন-মোকামো এতিযা আৰু নিশ্চযেই নাই বুলি বোধ হ'ল।

নতুন চীনৰ পুৰাতত্ত্ব

প্ৰথমবাৰ যেতিয়া চীনলৈ গৈছিলোঁ। সেইবাৰ নতুন চীনৰ নিৰ্মাণ-কাণ্ডই মোক যিদৰে মুগ্ধ কৰিছিল—চহৰে-নগৰে শ্ৰমিকসকলৰ সাংস্কৃতিক প্ৰাসাদৰ গণ-সংস্কৃতিৰ নৱ ৰূপে মোক যেনেকৈ উদ্বোধিত কৰিছিল—ঠিক তেনেকৈয়ে ডাঙৰ ডাঙৰ চহৰ-নগৰৰ যাদুঘৰত সযত্নে ৰক্ষিত প্ৰাচীন চীনৰ অপৰূপ নিদৰ্শনসমূহ আৰু শত শতিকাৰ ঐতিহ্যবাহী অংকিত চিত্ৰৰ ঐশ্বৰ্য্যত অভিভূত হৈছিলোঁ। চীনৰ ইতিহাসত কোনো কিংবদন্তী নাই। চাৰি হাজাৰ বছৰৰ আলোচনা কৰি চন-তাৰিখ সহ সকলো কথা লিপিবদ্ধ আছে। চীনৰ সাধাৰণ মানুহৰ মাজতো এই ইতিহাস-চেতনা লক্ষ্য কৰিছোঁ। যিকোনো ভাৰতবাসীৰ পক্ষে সি বিস্ময়কৰ। য'তেই গৈছোঁ—পেগোডা আছেই। আনকি, ৰেলগাড়ীৰে গৈ থাকোঁতে প্ৰায় নিমাওমাও পাহাৰৰ ওপৰতো হঠাতে এটি প্ৰাচীন পেগোডা দেখা পাইছিলোঁ। যিকোনো পেগোডাৰ ভিতৰলৈ চাই পঠিয়ালেই বেদীৰ ওপৰত ত্ৰিবুদ্ধ মূৰ্তি দেখা পাইছিলোঁ। সোঁমাজত 'ফুও', অৰ্থাৎ বুদ্ধ, তাৰ দুযোকাষে 'মিলোফো' আৰু 'আমিতাফো', অৰ্থাৎ মৈত্ৰেয় বুদ্ধ আৰু অমিতাভ বুদ্ধ। আৰু চাৰিও ফালে অগণিত অৰ্হত মূৰ্তি। ইয়াৰোপৰি, সমগ্ৰ চীনতদেশত সিঁচৰতি হৈ আছে প্ৰাচীন ৰাজবংশাৱলীৰ কীৰ্তিচিনসমূহ। কিন্তু সমৰ প্ৰভু আৰু চিয়াং কাই শ্বেকৰ আমোলত সেইবোৰ প্ৰাচীন মন্দিৰ আৰু ৰাজ-সমাধি আৰু কীৰ্তিস্তম্ভ অৱহেলাৰ ফলত কোনোবাটো ভাগি পৰিছিল, নাইবা জংগলাকীৰ্ণ হৈ দুৰধিগম্য হৈ উঠিছিল।

মুক্তিলাভৰ পাছত চীনৰ লোকায়ত চৰকাৰে এইবোৰ প্ৰাচীন স্মৃতিস্তম্ভ আৰু মন্দিৰ পুনৰুদ্ধাৰৰ কাম হাতত ল'লে আৰু নতুন নতুন সংগ্ৰহশালা গঢ়ি তুলিলে, আৰু লগে লগে স্থাপন কৰিলে অসংখ্য চীন বিপ্লৱৰ ইতিহাসমণ্ডিত যাদুঘৰ। মুক্তি-পূৰ্ব চীনলৈ যিসকল ভ্ৰমণাৰ্থী

গৈছিল, তেওঁলোক যেতিয়া পুনৰ নতুন চীনলৈ আহিল—তেতিয়া সংস্কাৰ সাধন কৰা সযত্ন ৰক্ষিত চাফ-চিকুণ—মঠ, মন্দিৰ আৰু প্ৰাচীন চীনৰ স্মৃতিবিজড়িত স্থানসমূহেৰে তেওঁলোকৰ সপ্ৰশংস দৃষ্টি আকৰ্ষণ কৰিছিল। হিউ এন ছাং আৰু কুমাৰজীৱৰ স্মৃতি-বিজড়িত তাং ৰাজবংশৰ লীলাভূমি 'ছাং আন' বৰ্তমান ছিয়ান চহৰলৈ যেতিয়া ফুৰিবলৈ গৈছিলোঁ, তেতিয়া চীনদেশৰ প্ৰাচীন ইতিহাসৰ এখন শ্ৰেষ্ঠ যাদুঘৰ চাই অহাৰ সুযোগ ঘটিছিল। তেতিয়াৰ দিনৰ পৰিদৰ্শনকাৰী সকলৰ বাবে ৰাখি থোৱা মন্তব্যৰ বহীত প্ৰাচীন চীন সম্বন্ধে বিশ্ববিখ্যাত মনীষী সুপণ্ডিত ড. জোছেফ নিডহামৰ (Dr. Needham) মন্তব্যই মোৰ দৃষ্টি আকৰ্ষণ কৰিলে।

১৯৫৮ চনৰ অক্টোবৰ মাহত মই তালৈ গৈছিলোঁ, আৰু ড. নিডহাম গৈছিল মই যোৱাৰ দুমাহৰ আগতে, জুলাই মাহত। তেওঁ লিখিছিল :

> 'Fifteen years ago I first visited the celebrated Museum of the city of Sian. It was a day and the paper flapped dolefully on the gloomy windows of the dilapidated buildings, the famous stones of the city's 'Pei—Lin' the Forest of Monuments, To day in brilliant sunlight the new paint of the restored temple and 'Pei-lin' buildings is resplendent, and they contain a splendid historical teaching museum
>
> It was a pleasure not only to study them, but to see the ordinary people of Sian appreciating them too. Is this not an important aspect of the liberation of this great country and culture ?'

ইয়েনানত কমিউনিষ্ট সদৰ দপ্তৰক ঘেৰাও কৰিবলৈ চিয়াং-বাহিনীয়ে যেতিয়া ছিযানত ঘাঁটি পাতিছিল, তেতিয়া এই বিখ্যাত

যাদুঘৰৰ একাংশক অশ্বাৰোহী বাহিনীৰ আস্তাবলত ৰূপান্তৰিত কৰা হৈছিল। মুক্তিৰ পাছত তাত মাথোন পণ্ডিতবৰ্গয়েই নহয়, অতীতৰ চীনক জানিবলৈ সাধাৰণ মানুহবো দলদোপ-হেন্দোলদোপ লাগিয়েই থাকে।

সাংস্কৃতিক বিপ্লৱৰ যুগত পুৰণি চৰ্চা

সিদিনা ছিযানলৈ গৈ মোৰ ভাৰতীয় মনটোৱে চৌদিশ জুৰি নতুন নিৰ্মাণকাণ্ডৰ মাজতো অতীতমুখী হৈ উঠিছিল। কাতিমহীয়া গধূলিতে দুদিন হিউ এন ছাঙৰ 'তাং ইযেন থা' বা 'মহামংগল মন্দিৰ'লৈ গৈছিলোঁ। হিউ এন ছাঙক তেওঁলোকে চীনা ভাষাত থাং স্যুৱাং চুৱাং বুলি মাতে। ভাৰতবৰপৰা উলটি অহাৰ পাছত ৬৫২ চনত থাং সম্ৰাটে ভাৰতীয় স্থাপত্যৰ আৰ্হিত এই পেগোডাটো মহাপৰিব্ৰাজকৰ বাবে নিৰ্মাইছিল। ইযাতেই তেওঁ ভাৰতবৰপৰা লগত লৈ অহা ৭৪ খন বৌদ্ধগ্ৰন্থ ১৩৩৫ খণ্ডত চীনা ভাষাত অনুবাদ কৰে। কেৱল ছিযানতে নহয, সমগ্ৰ চীনদেশতে চীন আৰু ভাৰতৰ প্ৰাচীন যোগাযোগৰ স্মৃতিচিন বিযপি আছে।

সাংস্কৃতিক বিপ্লৱৰ পাছত এইবোৰ নিশ্চিহ্ন হৈ গৈছে নে?

আমাৰ প্ৰতিনিধি দলৰ দুগৰাকী সদস্যৰ মনত এই প্ৰশ্নটো সদা-জাগৰূক হৈ আছিল। পিকিং পাযেই পিকিঙৰ পশ্চিম পাহাৰত অৱস্থিত 'নীল মেঘ-মন্দিৰ'ত নিদ্ৰামগ্ন বুদ্ধ, ইম্পিৰিযেল পেলেছ মিউজিযাম, গ্ৰীষ্ম প্ৰাসাদ, পেইহায উদ্যানত বগা পেগোডা, মিং আৰু চিং ৰাজবংশৰ প্ৰাৰ্থনা-ভৱন 'থিয়েনতান' বা 'স্বৰ্গ-মন্দিৰ' আদি চাই তেওঁলোকৰ মনত উকাই উঠা সন্দেহৰ ভালেখিনি আঁতৰিল। তাৰ পাছত, চীন ভ্ৰমণৰ অন্তত বাকীখিনি সন্দেহো নোহোৱা হ'ল।

কিন্তু এয়া হ'ল প্ৰাচীনৰ ৰক্ষণাবেক্ষণ। নতুন উদ্ধাৰ আৰু গৱেষণা কিমান কি হৈছে-নহৈছে সেয়ে মুখ্য জ্ঞাতব্য। আগৰ এটি

প্ৰবন্ধত মই পিকিঙৰ ৫০ কিল'মিটাৰ উত্তৰত মিং ৰাজবংশৰ সমাধিৰ কথা উল্লেখ কৰিছিলোঁ। তাত গোটেই পূৰ্বাঞ্চলত বিয়পি আছিল ১৩ জনা সম্ৰাটৰ সমাধি—মাটিৰ গভীৰত। যোৱাবাৰ যেতিয়া গৈছিলোঁ তেতিয়াও সমাধি খান্দি কোনো দ্ৰষ্টব্য উলিউৱা নাছিল। কিন্তু সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত তাত এটি সমাধিৰ খননকাৰ্য্য শেষ হৈছিল। এতিয়া সমগ্ৰ চীনৰপৰা তাত শ্ৰমজীৱি জনসাধাৰণ আৰু ছাত্ৰসকলৰ ভিৰ লাগিয়েই আছে—সেই সমাধিক্ষেত্ৰ চাবলৈ। আমি পিকিঙলৈ আহি ২ জুন তাৰিখে তালৈ গ'লোঁ। ১১৯৫ বৰ্গ-কিল'মিটাৰ ঠাই জুৰি খননকাৰ্য্য কৰা হৈছে। তললৈ নামিলোঁ গৈ। ষ্টিভেনছনৰ ৰত্নদ্বীপলৈ সোমাই অহা যেন বোধ হ'ল। সোণ, ৰূপ, হীৰা, মণি-মুকুতাৰ জলমলনি। সম্ৰাটৰ কিমান যে সোণৰ পানপাত্ৰ, সোণৰ পিয়লা, সোণৰ ভাত খোৱা কাঁহী-বাটি—চপষ্টিক (ভাত খোৱা দুডাল কাঠি)—তাৰ লেখ-জোখ নাই।

অসংখ্য মণি-মুকুতা-খচিত ৰাজমুকুট, সোণৰ তাঁৰেৰে গুঠা ৰেছমী ব্ৰ'কেডৰ সাজ-পাৰ। তাত এটি লক্ষ্যণীয় বিষয় হ'ল যে মানচিত্ৰ আঁকি, ডায়াগ্ৰাম আঁকি বহুতো তথ্য-পাতিৰ সহযোগত জনসাধাৰণক তেতিয়াৰ দিনৰ ইতিহাস বুজাত সহায় কৰা হৈছে। এঠাইত লেখা আছে যে, তাত থকা সোণ ৰূপ-মণি-মুকুতাৰ মূল্যেৰে সিদিনাৰ চীন দেশত উৎপন্ন শস্যৰ মূল্যানুযায়ী দহ লাখ মানুহৰ বাবে চাৰে ছয় বছৰৰ প্ৰয়োজনীয় খাদ্য-শস্যৰ যোগান ধৰা সম্ভৱ হ'লহেঁতেন। তেতিয়াৰ দিনত দুৰ্ভিক্ষত কিমান মানুহ মৰিছিল, আন এঠাইত তাৰো হিচাপ দিয়া হৈছে। আন এঠাইত ৰাখি থোৱা হৈছে তেতিয়াৰ দিনৰ ভূমি-দাস সকলৰ ফটা-ছিঙা কাপোৰ-কানি। তুলনাৰ বাবে। অথচ—এইবোৰ সমাধি গঢ়িবলৈ দাস-শ্ৰমকে কামত খটুউৱা হৈছিল।

শ্ৰেণী-সংগ্ৰামৰ দৃষ্টিত চীনৰ ইতিহাসক জনা—ওপৰিসৌধত শ্ৰমিক-শ্ৰেণীৰ একনায়কত্ব প্ৰতিষ্ঠাৰ সংগ্ৰামত শ্ৰমজীৱি জনসাধাৰণৰ হাতত ইতিহাসৰ হাতিয়াৰ তুলি দিবৰ বাবেই আজি চীনত পুৰণি

দিনৰ চৰ্চা ইমানকৈ হ'ব ধৰিছে আৰু এয়ে মূল লক্ষ্য। এতেকে, আজি সমগ্ৰ দেশত কৃষক-শ্ৰমিক আৰু আপামৰ জন-সাধাৰণক সংগ্ৰহ আৰু খনন-কাৰ্য্যত উৎসাহিত কৰা হৈছে। পুৰাতত্ত্ববিদ আৰু জনসাধাৰণৰ মিলিত উদ্যমৰ ফল অসাধাৰণ। পিকিঙৰ দক্ষিণ-পশ্চিমত চোখৌতিয়েনত বহুদিনৰ আগতেই ৫ লাখ বছৰৰ পুৰণি আদিমানৱ পিকিংম্যানৰ (Sinanthropus Pekinensis) কংকাল উদ্ধাৰ কৰা হৈছিল। ১৯৬৭ চনত সাংস্কৃতিক বিপ্লৱৰ পূৰ্ণ পয়োভৰৰ কালত সেই পিকিং মানৱৰ মুৰৰ লাওখোলাৰ কিছু অংশ আৰু তাৰ লগতে পিকিং মানৱৰ ব্যৱহৃত শিলৰ সা-সৰঞ্জামো উদ্ধাৰ কৰা হৈছে।

সাংস্কৃতিক বিপ্লৱৰ পাছত সমগ্ৰ দেশত জনসাধাৰণৰ সক্ৰিয় সহায়ত ইমানবোৰ প্ৰাচীন মূল্যৱান আৱিষ্কাৰ হৈছে যে, ইয়াত সেই আটাইবোৰৰ আলোচনা সম্ভৱ নহয়। কিছুদিন আগতে উৎসুক বিদেশীসকলৰ বাবে পিকিঙৰ Foreign Language Press-ৰপৰা 'New Archæological Finds in China' শিৰোনামত এখন সচিত্ৰ পুস্তিকা প্ৰকাশ কৰা হৈছে। এই কালছোৱাৰ আটাইতকৈ মূল্যবান আৱিষ্কাৰসমূহৰ মাজত আছে প্ৰাচীন চীনৰ শ্ৰেষ্ঠ সমৰতত্ত্ববিদ স্যুনজু-ৰ ৰণকৌশল (Art of war) গ্ৰন্থখনৰ কিছুমান হেৰাই যোৱা অধ্যায়। সমৰতত্ত্বত স্যুনজুৱেই মাও চে তুঙৰ প্ৰথম শিক্ষক।

আজি, চীনৰ শ্ৰমজীৱি জনসাধাৰণে মাৰ্কছবাদ-লেনিনবাদ তত্ত্ব আয়ত্ত কৰাৰ আন্দোলনত নামিছে। চীনৰ ইতিহাসৰ শ্ৰেণী-সংগ্ৰামৰ দৃষ্টিত পুনৰ্মূল্যায়নৰ জৰীয়তে তেওঁলোকে শিকিছে যে ঐতিহাসিক বস্তুবাদ আৰু সেই পুনৰ্মূল্যায়নৰ বাটত প্ৰধান উপকৰণ হ'ল প্ৰাচীনক পুংখাণুপুংখভাৱে জনাটো। সেই অৰ্থত মাও চে তুঙে কৈছে: "অতীতে সেৱা কৰিব বৰ্তমানক"।

চীনত ক্লাছিক শিল্প-সাহিত্য বৰ্জিত নে?

আগৰবাৰ ইয়েনানলৈ যাওঁতে, তাৰ ওৱাংচিয়া লিং অঞ্চলৰ পীচ বাগিচাৰ কাষৰীয়া যিটো গিৰি-গুহাত মাও চে তুঙে তেওঁৰ ইয়েনানত অৱস্থানৰ শেষৰ ফালে বাস কৰিছিল, সেই গিৰি-গুহাত সযতনে তেওঁৰ খাটৰ মূৰ-শিতানত এটা ডাঙৰ খালি কিতাপৰ থাক দেখি সুধি জানিছিলোঁ যে ৰাতি শুবলৈ যোৱাৰ আগতে অধিক ৰাতিলৈকে চীনৰ ক্লাছিক উপন্যাস আৰু ক্লাছিক কাব্য পাঠ আছিল মাও চে তুঙৰ নিচা। সেই কিতাপৰ থাকত আছিল 'ছানকুও' (The Romance of the three Kingdoms), 'ছোৱে হু' (Water Margin), 'হোং লউমং' (Dream of the Red Chamber), 'শ্বি ই চি' (Pilgrimage to the West) আদি ক্লাছিক উপন্যাস আৰু তু ফু, লি পো প্ৰমুখ্যে প্ৰাচীন চীনৰ শ্ৰেষ্ঠ কবি সকলৰ কাব্যগ্ৰন্থ। এগৰাকী কমৰেডে ক'লে, 'লং মাৰ্চ্চ চলাই থকা কালতো তেওঁৰ লগত আছিল শেষোক্ত উপন্যাসখন—পশ্চিম যাত্ৰীৰ দিনলিপি। এই উপন্যাসখন হিউ এন ছাঙৰ অপৰিসীম বাধা-বিঘিনি আৰু ঘটনাবহুল ভাৰত-যাত্ৰা পথৰ কাহিনী লৈ ৰচিত। মহাপৰিব্ৰাজকৰ সংগী বান্দৰৰজা স্যুং উ খুং ইয়াত এটি প্ৰধান চৰিত্ৰ —যিয়ে বাৰে বাৰে সমস্ত দৈত্য-দানৱ আৰু হিংস্ৰ জন্তুৰ লগত যুঁজি মহাপৰিব্ৰাজকক ৰক্ষা কৰিছিল।

চীনদেশত মহাকাব্য নাই—আছে এইবোৰ এপিক উপন্যাস। সেইবোৰ উপন্যাসৰ একো একোটি অধ্যায় লৈ চীনৰ অসংখ্য গীত-মাত আৰু অপেৰা গঢ়ি উঠিছে, গঢ়ি উঠিছে সাহিত্যৰ সমল। এই সকলোবোৰেই আজিৰ চীনত বৰ্জন কৰা হৈছে নে?

সাংস্কৃতিক বিপ্লৱোত্তৰ চীনত শিল্প-সাহিত্যৰ ক্ষেত্ৰত সংগ্ৰামৰ বুজ ল'বলৈ হ'লে আমি পোনতেই দুযাৰ কথালৈ মন কৰিব লাগিব:

ঐতিহাসিক বস্তুবাদৰ চিন্তাত যুগে যুগে দুলাইনৰ সংঘাতৰ দৃষ্টিৰে আজিৰ চীনত তিনি হাজাৰ বছৰৰ ইতিহাস শিল্প-সাহিত্যক লৈ পুনৰ্মূল্যাযন চলিছে—এই পুনৰ্মূল্যায়ন পণ্ডিত সকলৰ বৈঠকী বিতৰ্ক মাথোন নহয। এই বিতৰ্কত লাখ লাখ শিক্ষক, ছাত্ৰ, শ্ৰমিক, কৃষক সকলো সাঙোৰ খাই পৰিছে। তেওঁলোকৰ সমুখত শ্ল'গান হ'ল: 'থোযেছেন ছু ছিন্' (Weed through the old to let the new emerge) অতীতক লৈ এই যে মথন, ইয়াৰ উদ্দেশ্য হ'ল নতুন নতুন সৃষ্টিক গতিবেগ দান কৰা। এই সূত্ৰত তেওঁলোকে আন এটি শ্ল'গানো ব্যৱহাৰ কৰে: 'কু ওৱেই চিন্ ইযুং' (Make use of the old to serve the New) নতুনৰ সৃষ্টিৰ বাট বহলাবলৈ পুৰণিৰ পুনৰ্মূল্যাযন।

আন এযাৰ কথা হ'ল, পাশ্চাত্য ক্লাছিক শিল্প-সাহিত্যক লৈ চীনত সাধাৰণভাৱে কোনো বিতৰ্ক আৰু মূল্যায়ন কৰা হোৱা নাই। চীনৰ জনসাধাৰণৰ মতাদৰ্শৰ সংগ্ৰামৰ লগত পাশ্চাত্য কোনো শিল্প বা সাহিত্যৰ প্ৰশ্ন যেতিযা ঘনিষ্ঠভাৱে সাঙোৰ খাই পৰে, তেতিযাইহে এই কথা লৈ বিতৰ্কৰ উজান উঠে। ইয়াত মই মাথোন এটা দৃষ্টান্ত উনুকিযাম। প্ৰথমেই বিঠোফেন প্ৰমুখ্যে পাশ্চাত্য ধ্ৰুপদী সংগীত লৈ বিতৰ্কৰ কথা অলপ আলোচনা কৰিম।

বহুতেই এই কথাষাৰ নাজানে যে, পাশ্চাত্য ধ্ৰুপদী-সংগীতৰ লগত এই যুগৰ চীনৰ সংগীতৰ বিকাশ ঘনিষ্ঠভাৱে যুক্ত। চীনৰ অতি প্ৰাচীন ঐতিহ্যৰ যি অবিচ্ছিন্ন ধাৰাবাহিকতা তাৰ সাহিত্যত, কাব্যত, নাটক আৰু চিত্ৰত বিদ্যমান—তাৰ একমাত্ৰ ব্যতিক্ৰম ঘটিছে সংগীতৰ ক্ষেত্ৰত। এই বিষয়ে চীন হ'ল ভাৰতৰ বিপৰীত। একেবাৰে বিপৰীত। এই কথা কেনেকৈ ঘটিল সেই আলোচনাত এতিয়াই নোসোমাই আমি পোনতে চীনৰ শিল্প-বিকাশৰ এই ব্যতিক্ৰমৰ

কথাহে জানি লোৱা আৱশ্যক। এই যুগত চীনৰ বিপ্লৱী কম্পোজাৰ বা গীতিকাৰ হিচাপে যিসকল বিশ্ব-বিদিত—যেনে, চীনৰ জাতীয় সংগীতৰ জনক নি এ-আৰ, 'হোৱাং হো কেণ্টাটা'ৰ স্ৰষ্টা ছিয়েন ছিংহাই প্ৰমুখ্যে আটায়েই আছিল পাশ্চাত্য সংগীত-বিজ্ঞানত দক্ষ। চীনত, আনকি সৰু সৰু চহৰতো পাশ্চাত্য সংগীত বিশেষজ্ঞ সকলৰ ধ্ৰুপদী সংগীতৰ ৰেকৰ্ড আৰু ষ্টাফ নোটেশ্যন ইত্যাদি কিনাৰ বাবে ক্ৰেতাৰ বেছ ভিৰ হোৱা দেখিছোঁ। চীনৰ কেন্দ্ৰীয়-সংগীত বিদ্যালয়, সাংহাই মিউজিক কনজাৰভেটাৰীত ২৫০টা পিয়ানো দেখিছিলোঁ—য'ত পাশ্চাত্য পদ্ধতিৰে সংগীত শিক্ষা দিয়া হৈছে। সেইহেন চীনত যেতিয়া পাশ্চাত্য সংগীত লৈ বিতৰ্ক উপস্থিত হয়, তেতিয়া মনত ৰাখিব লাগিব—তাত অসংখ্য মানুহৰ মনত ধ্ৰুপদী পাশ্চাত্য সংগীত সম্বন্ধে যি চিৰাচৰিত সংগীত-চিন্তা আছে—সেই চিন্তায়েই আজিৰ চীনত মৰ্তাদৰ্শৰ সংগ্ৰামৰ অংগীভূত হোৱাৰ কাৰণ ঘটিছে। চীনৰ প্ৰাচীনতম সংগীতকাৰ সকলৰ অন্যতম হ'ল ওৱাং শ্বিন। তেওঁ তিয়েনশ্বিং বিপ্লৱী কমিটিৰ সাংস্কৃতিক ব্যুৰ'ৰ ভাইছ ডিৰেক্টৰ। এইবাৰ তিয়েনশ্বিঙত তেওঁৰ সৈতে বৰ্তমান চীনৰ শিল্প আৰু সংগীত-চিন্তা সম্পৰ্কে সুদীৰ্ঘ আলোচনাৰ সুযোগ পাইছিলোঁ। আলোচনা প্ৰসংগত বহিৰ্বিশ্বত প্ৰচাৰিত ৰেডগাৰ্ড সকলৰ অত্যাচাৰ সম্পৰ্কে প্ৰশ্ন কৰাত তেওঁ কৈছিল যে, ৰেডগাৰ্ডসকল আছিল নিচেই চেমনীয়া ল'ৰা-ছোৱালী, বিশেষকৈ ছাত্ৰ-ছাত্ৰী। 'সিহঁতে বুৰ্জোৱা চিন্তাৰ বিৰুদ্ধে জেহাদ কৰিবলৈ গৈ কেতিযাবা সকলো লণ্ড-ভণ্ড কৰি পেলাইছিল কিন্তু যেনেদৰে তিলক তালকৈ প্ৰচাৰ কৰা হৈছে—তেনেদৰে নহয়।' তাৰ পাছত তেওঁ হাঁহি হাঁহি ক'লে, 'সিহঁতে মোৰ ঘৰতো অলপ হাত সুমুৱোৱাকৈ নাছিল। মোৰ ঘৰত পাশ্চাত্য ধ্ৰুপদী সংগীতকাৰ বহুতৰে লং প্লে ৰেকৰ্ড আছে—তেওঁলোকৰ সম্পৰ্কে কিতাপ-পত্ৰও আছে। তাৰোপৰি শেকছপীয়েৰ, মলেয়াৰ প্ৰমুখ্যে পাশ্চাত্য ক্লাছিক লেখক সকলৰ গ্ৰন্থও আছে। আছে ৰবীন্দ্ৰনাথৰ চীনা অনুবাদ-গ্ৰন্থ।

সিহঁতে আটাইবোৰ জাৰি-জোকাৰি চালে। কিন্তু কোনো আপত্তি নকৰিলে। যোৱাৰ আগতে মাথোন মোক টানকৈ কথা এষাৰ কৈ গ'ল, 'আপুনি আৰু আগৰদৰে বিপ্লৱী গীত নেলেখা হ'ল কিয় ?'

ওৱাং শ্বিনৰ পৰা ৰেডগাৰ্ডসকলৰ এই মন্তব্য শুনি মই হাঁহি উঠিলোঁ। ক'লোঁ, 'কমৰেড ওৱাং, ৰেডগাৰ্ডসকলে কিন্তু আপোনাৰ শেষ বয়সত জামৰি অহা সৃষ্টি-প্ৰতিভাক প্ৰচণ্ডভাৱে জোকাৰি থৈ গ'ল।'

মোৰ কথাৰ উত্তৰত কমৰেড ওৱাঙে ক'লে, 'অকল মোৰ কিয়, বহুতো শিল্পী-সাহিত্যিক আৰু বুদ্ধিজীৱিৰ জামৰি অহা শ্ৰেণী-চেতনাক সিহঁতে প্ৰচণ্ডভাৱে জোকাৰি দিছে।'

তাৰ পাছত আহি পৰিল বিঠোফেন প্ৰসংগ। এই বিষয়ে ওৱাং শ্বিন হ'ল 'অথৰিটি'। কিন্তু পচিমীয়া সংগীতৰ বিষযে এই বিতৰ্ক—আমাৰ দেশৰ সাধাৰণ শিক্ষিত সমাজ তো বাদেই, বিশিষ্ট উচ্চাংগ সংগীতবিদসকলৰ পক্ষেও বোধগম্য হোৱা তেনেই টান। সেয়েহে, সকলো কথাৰ সঠিক ভাৱে অনুধাৱন বা মূল্যায়ন কৰাটো মোৰ পক্ষে সম্ভৱ নহ'ল, যদিও ধৈৰ্য ধৰি অতি আগ্ৰহেৰে কমৰেড ওৱাং শ্বিনৰ কথা শুনিলোঁ। তেওঁৰ বক্তব্যৰ সাৰমৰ্ম হ'ল :

সাম্প্ৰতিক কালত 'বিদেশৰ স'তে মৈত্ৰী স্থাপন সমিতি'ৰ আমন্ত্ৰণক্ৰমে আমেৰিকাৰ ফিলাডেলফিয়া ছিম্ফ'নিক অৰ্কেষ্ট্ৰা আৰু লণ্ডন আৰু অষ্ট্ৰিয়াৰ ফিলহাৰমনিক অৰ্কেষ্ট্ৰা-দলে চীন ভ্ৰমণলৈ আহি চীনৰ বিভিন্ন চহৰত অনুষ্ঠান কৰিলে। আটাইবোৰ অনুষ্ঠানেই দৰ্শকৰ ভিৰত উপচি পৰিছিল, আৰু সেই সূত্ৰতহে সাম্প্ৰতিক বিতৰ্কৰ সূত্ৰপাত। কিন্তু এই বিতৰ্ক এয়ে প্ৰথম নহয়। চীনৰ শিল্প-সাহিত্যত যেতিয়া লিউ শাও চি-পন্থীসকলৰ আধিপত্য, তেতিয়াই চৌ ইয়াং প্ৰমুখ্যে সাংস্কৃতিক ফ্ৰণ্টৰ নেতাইঁতে প্ৰচাৰ কৰিছিল : সংগীত হ'ল বিমূৰ্ত ফেণ্টাছিৰ দৰে,—সংগীত হ'ল কিছুমান স্বৰ-তৰংগ—যি এটি সৰ্বজনীন ভাষা, যি মানৱ-প্ৰকৃতিৰ

গভীৰৰ ভাব আৰু অনুভাবৰ ছয়া-ময়া খেলা, যাক শ্ৰেণী-সংগ্ৰামৰ কষটিত পুৰি-পাগি চাব নোৱাৰি—কিয়নো সংগীতৰ কোনো শ্ৰেণী-চৰিত্ৰ (Class content) নাই। তেওঁলোকৰ এই সংগীত-চিন্তাৰ বিৰুদ্ধে সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত মাৰ্কছবাদী-লেনিনবাদী চিন্তাৰ দৃষ্টিকোণৰপৰা কঠোৰ সমালোচনা কৰা হয়। পাশ্চাত্যৰ নামজলা ছিম্ফনী অৰ্কেষ্ট্ৰা-দল অহাৰ পাছত সেই বিতৰ্ক আকৌ মূৰ দাঙি উঠিল। কিয়নো সংগীত সম্বন্ধে অ-মাৰ্কছীয় চিন্তা এতিয়ালৈকে বহু মানুহৰ মনত অলৰ শিলৰ দৰে পোত খাই আছে।

কমৰেড ওৱাং শ্বিনে ক'লে, 'মই নিজেও সংগীত সম্বন্ধে অ-মাৰ্কছীয় চিন্তাৰে প্ৰভাৱিত আছিলোঁ। কিন্তু আজি সাংস্কৃতিক বিপ্লৱোত্তৰ চীনত আমি নন্দনতত্ত্বৰ সূক্ষ্মাতিসূক্ষ্ম প্ৰশ্নকো নিৰবচ্ছিন্ন শ্ৰেণী-সংগ্ৰামৰ—দুই লাইনৰ দ্বন্দ্বৰ দৃষ্টিৰে চাবলৈ শিকিছোঁ, কাৰণ যিকোনো শিল্প-সৃষ্টিয়েই হ'ল মানুহৰ বিশেষ সমাজবদ্ধ জীৱনৰ প্ৰতিফলনজাত, আৰু শ্ৰেণী-সমাজত কোনো মানুহেই শ্ৰেণী-চিন্তাক চেৰাই যাব নোৱাৰে। সাহিত্যতকৈ সংগীতত প্ৰকাশভংগী বহু বেছি সূক্ষ্ম। বিশেষকৈ, টাইটেলহীন যি ধ্ৰুপদী পাশ্চাত্য-সংগীত—যাক Absolute Music বুলি কোৱা হয়—সিও শ্ৰেণী-চিন্তাৰ ঊৰ্ধত নহয়। এনে কোনো সূক্ষ্মাতিসূক্ষ্ম ভাৱ-অনুভাৱ নাই—যি শ্ৰেণী-চিন্তাৰ পৰিধিক পৰিহাৰ কৰি চলিব পাৰে।'

ইমানলৈকে কৈয়েই কমৰেড ওৱাং শ্বিনে অলপ দৃষ্টান্ত দাঙি ধৰিলে: 'যেনে ধৰক—বাখ্, মোৎছাৰ্ট, বেঠোভেন—তেওঁলোক হ'ল বিকাশমান ধনতন্ত্ৰৰ যুগৰ মানুহ। গতিকে তেওঁলোকৰ ৰচনাত সামন্তীয় পশ্চাৎপদ ধ্যান-ধাৰণাৰ বিৰুদ্ধে বুৰ্জোৱা বিপ্লৱৰ Social content আছিল। কিন্তু ধনতন্ত্ৰ—মাৰ্কছৰ ভাষাৰে ক'বলৈ গ'লে—মূৰৰ পৰা ভৰিলৈকে ইয়াৰ ৰন্ধ্ৰে ৰন্ধ্ৰে তেজ আৰু ধূলিৰে সনা-পোটোকা হৈছে আছিল। গতিকে বুৰ্জোৱা শ্ৰেণীৰ মতাদৰ্শৰ সীমাবদ্ধতাৰ পৰা সেইবোৰ সংগীত-সৃষ্টিও মুক্ত নহয়। যেনে ধৰক—

বেঠহোভেনৰ Symphony no 9 in D Minor, তাত fourth movement-ৰ Chorale-ত আছে: 'সকলো মানৱ জাতি ভাই ভাই। এই পৃথিৱীৰ অগণিত মানুহলৈ বতাহৰ বোকোচাত পঠাওঁ এটি চুমা'। সামন্তীয় সংকীর্ণ গণ্ডীত আবদ্ধ সমাজ-ব্যৱস্থাৰ বিৰুদ্ধে ই আছিল এক প্রগতিশীল চিন্তা। কিন্তু লগে লগে আমি মনত ৰাখিব লাগিব যে, এয়া হ'ল বুর্জোৱা মানৱতা। কিন্তু শ্রেণী-নিৰপেক্ষ মানৱতাৰ চিন্তা শ্রমিক শ্রেণীৰ চিন্তা হ'ব নোৱাৰে। আকৌ, যিসকলে Music without title-ক absolute বুলি কয়, কয় যে তাৰ কোনো শ্রেণী-চৰিত্র নাই, সেই কথাও ভুল। যেনে ধৰক—Symphony in B Minor, যাক Unfinished Symphony বুলি কোৱা হয়, তাৰ ৰচয়িতা হ'ল অষ্ট্রিয়াৰ Schubert। ১৮৮২ চনত যেতিয়া এই ছিম্ফনী ৰচিত হৈছিল তেতিয়া অষ্ট্রিয়া আছিল চৰম প্রতিক্রিয়াশীল সামন্তীয় শক্তিৰ এক প্রচণ্ড দুর্গ। মাথোন শ্রমিক-কৃষকেই নহয়—গণতান্ত্রিক চেতনাসম্পন্ন শিল্পী আৰু বুদ্ধিজীৱিসকলো তাত সমভাৱে নিগৃহীত হৈছিল। শুবার্টে এই ছিম্ফনীত বিমর্ষতা, অন্তর্দ্বন্দ্ব, নৈৰাশ্যবাদ আৰু হতাশাৰ যোগেদি সেই অৱস্থাটো দাঙি ধৰিছে। তেওঁ মুক্তিৰ কথা নোকোৱা নহয—কিন্তু বাস্তৱতাৰ পৰা ফালৰি কাটি পলায়নী-সুৰেৰে। তাত সংগ্রাম আৰু সাহসিকতা নাই।'

এনেকুৱা আন কিছুমান দৃষ্টান্ত কমৰেড ওৱাং শ্বিনে দাঙি ধৰিছিল, যিবোৰৰ আলোচনা এই ক্ষুদ্র পৰিসৰত সম্ভৱ নহয়।

সামৰণিত তেওঁ ক'লে, 'আমি পাশ্চাত্য সংগীতক নির্বিচাৰে গ্রহণ কৰিলে আৰু সংগীতপ্রিয় জনসাধাৰণৰ শ্রেণী-দৃষ্টিক সেই বিষয়ে সজাগ কৰি নুতুলিলে, আজি আমাৰ দেশৰ ওপৰিসৌধত য'ত তীব্র দুই লাইনৰ দ্বন্দ্ব চলিছে—স্থলতাত সেই বুর্জোৱা চিন্তাক শক্তিশালী কৰি আমাৰ সংগ্রামক দুর্বল কৰাহে হ'ব।'

কিন্তু চীনৰ মতাদর্শৰ সংগ্রামত প্রধান স্থান লৈছে চীনৰ নিজৰ ক্লাছিক শিল্প-সাহিত্যই। এতিয়া সেই বিষয়ে দুষাৰ ক'ম।

চীনত ক্লাছিক সাহিত্যৰ পুনর্মূল্যায়ন

পোন্ধৰ বছৰৰ আগতে এখন প্ৰাচীন উপন্যাসক কেন্দ্ৰ কৰি চীনত দেশ জুৰি বিতৰ্কৰ উজান উঠা দেখিছিলোঁ। পোন্ধৰ বছৰৰ পাছত আকৌ গৈ দেখিলোঁ—সেই বিতৰ্কৰ বা-মাৰলীয়ে এতিয়ালৈকো শাম কটা নাই। সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত বিদেশী সংবাদ প্ৰতিষ্ঠানৰ খবৰত শুনিছিলোঁ যে, সেই বহু বিতৰ্কিত উপন্যাসখনৰ ছপা বন্ধ কৰি দিয়া হৈছে। কিন্তু এইবাৰ গৈ চালোঁ যে নতুনকৈ লেখা দীঘলীয়া পাতনিৰে সৈতে সেই উপন্যাসখনৰ শোভন সংস্কৰণ ওলাইছে। এই উপন্যাসখন চীনৰ ক্লাছিক সাহিত্যৰ স্যমন্তক মণি। চীনৰ 'ছোৱেছু' (Water Margin), বা 'ছান কুও' (Three Kingdoms) আদি প্ৰাচীন উপন্যাসৰ বহুতো বীৰ চৰিত্ৰৰ কাষত এই উপন্যাসৰ ট্ৰেজিক নায়ক-নায়িকাই দুই শতিকা জুৰি চীনদেশৰ ঘৰে ঘৰে মানুহৰ বুকুৰ কুটুম হৈ আছে। উপন্যাসখনৰ নাম 'হুং লউমং' বা 'ৰঙা প্ৰাসাদৰ সপোন' (Dream of the Red Chamber)। আচলতে এই বিতৰ্ক উপন্যাসখন লৈ আৰম্ভ হোৱা নাছিল, বিতৰ্ক হ'ল এই উপন্যাসৰ টীকাকাৰ উ পিং পো-কৃত ভূমিকা লৈ।

প্ৰথমেই, উপন্যাসখন সম্পৰ্কে আষাৰচেৰেক কৈ লওঁ। ১০ লাখতকৈ অধিক শব্দ থকা ১২০ অধ্যায়ত এই উপন্যাখন সমাপ্ত। এই উপন্যাসৰ লেখক ছাও ছুয়ে চিন্-ৰ দ্বিশত মৃত্যু-বাৰ্ষিকী ১৯৬৩ চনত সমগ্ৰ চীনত পালন কৰা হয়। 'ৰঙা প্ৰাসাদৰ সপোন' উপন্যাসৰ লেখক তেতিয়াৰ দিনৰ এক অতি সম্ভ্ৰান্ত পৰিয়ালৰ সন্তান। তেওঁৰ পিতৃ, ককাক আৰু আজোককাক আছিল সম্ৰাটৰ উচ্চপদস্থ আমোলা। কিন্তু লেখকৰ পিতৃদেৱক সেই পদৰ পৰা বৰ্খাস্ত কৰা হৈছিল। সেয়ে, সৰুতে লাহ-বিলাহৰ মাজত জীৱন কটাইছিল যদিও,

পৰৱৰ্তীকালত ছাও ছুয়ে চিন্-ৰ জীৱন কঠোৰ দাৰিদ্ৰ্য আৰু অভাৱৰ মাজেদি অতিবাহিত হৈছিল। এই দুঃখ আৰু জীৱন-সংগ্ৰামেই তেওঁৰ সুপ্ত সৃষ্টি-প্ৰতিভাৰ বিকাশৰ সহায়ক হৈ উঠিল। সেয়েহে, তেওঁ তেতিয়াৰ চীনৰ সম্ভ্ৰান্ত বংশাৱলীৰ ভাঙোন আৰু অৱক্ষয়ৰ ইমান নিখুঁত চিত্ৰ আৰু চৰিত্ৰ দাঙি ধৰিবলৈ সক্ষম হৈছিল। চাৰিটা অতি শক্তিশালী সামন্তীয় অভিজাত পৰিয়ালৰ অলেখ মণি-মাণিক্য-খচিত অচলায়তনত অৱৰুদ্ধ মানৱাত্মাৰ ক্ৰন্দনেই এই মহান উপন্যাসখনৰ উপজীব্য। কনফুছীয় ৰীতি-নীতিৰ অন্তৰালত সামন্তীয় দানৱীয় ৰূপটোক ছাও ছুয়ে চিন্-এ নিৰ্মমভাৱে আঁকিছে।

মাঞ্চু ৰাজবংশৰ (১৬৪৪-১৯১১) এই শ্ৰেষ্ঠ ঔপন্যাসিকে এই মহৎ উপন্যাসখন লিখি শেষ কৰিব নোৱাৰিলে। শেষ কৰাৰ আগতেই তেওঁ গুৰুতৰভাৱে অসুস্থ হৈ পৰিল। চিকিৎসা কৰাৰ সামৰ্থ্যও তেওঁৰ নাছিল। এই সময়ত তেওঁৰ একমাত্ৰ সন্তানবো মৃত্যু হয়। শোক আৰু অসুখত পৰি অকালতে তেওঁ তেওঁৰ মহান সৃষ্টি অসমাপ্ত অৱস্থাত এৰি থৈ ঢুকাল। তেওঁৰ সমসাময়িক লেখক কাওংগো-ই মূল লেখক-নিৰ্ধাৰিত বিয়োগান্ত পৰিসমাপ্তিৰেই উপন্যাসখনৰ মোখনি মাৰিলে।

সমাজ-জীৱন আৰু চৰিত্ৰ-চিত্ৰণ

গঠন নৈপুণ্যত, সমাজৰ পুংখাণুপুংখ বিশেষ্লণত, আৰু চৰিত্ৰ-চিত্ৰণত ছাও ছুয়ে চিন্-এ অসাধাৰণ নৈপুণ্য প্ৰদৰ্শন কৰিছে। কিন্তু কাওংগো-এ তেওঁৰ সংযোজিত অংশত সেই দক্ষতা প্ৰদৰ্শন কৰিব পৰা নাই।

কেইবাশমান লগুৱা-লিগিৰী আৰু ৰক্ষিতাইঁতৰ পশ্চাৎপটত চাৰিটা পৰিয়ালৰ সম্ভ্ৰান্ত শ্ৰেণীৰ চৰিত্ৰ বিলাকক ৰূপ দিয়া হৈছে।

দেশ জুৰি যেতিয়া বাটনীপানীৰ ঢল, খৰ, বা ত্বৰ্ভিক্ষ—তেতিয়া সুউচ্চ প্ৰাচীৰেৰে সুৰক্ষিত ৰঙা প্ৰাসাদৰ অভ্যন্তৰত প্ৰভু-প্ৰভুপত্নীইঁতৰ লাহ-বিলাহ, পান-ভোজন, যৌন শিথিলতা, কপটতা, গোষ্ঠী-কন্দল আৰু অন্যান্য নিষ্ঠুৰতাৰ আখৰা চলিছে। লগুৱা-লিগিৰীৰ সংলাপৰ শ্লেষ, ব্যংগ আৰু বিদ্ৰুপেৰে সেই চিত্ৰসমূহ আৰু জীৱন্ত হৈ উঠিছে। ইয়াৰ মাজত প্ৰজা-শোষণ আৰু শাসনৰ চিত্ৰ, আৰু আমোলাসকলৰ অত্যাচাৰৰ আৰু দাস-দাসী নিপীড়নৰ মৰ্মন্তুদ চিত্ৰও আছে।

ৰঙা প্ৰাসাদৰ এই শ্বাসৰুদ্ধকৰ আবহমানতাৰ মাজত বিস্ময়কৰ ব্যতিক্ৰম হ'ল—ত্বই বিদ্ৰোহী চৰিত্ৰ, চিযা পাও ঈ আৰু লিন্ তাঈ। অভিজাত চিযা পৰিয়ালৰ নীলা তেজ ধমনীত প্ৰবহমান, যদিও ৰঙা প্ৰাসাদত যুৱক পাও ঈ-ৰ ব্যক্তিত্ব এক বলিষ্ঠ প্ৰতিবাদ তাৰ চাৰিওফালৰ পৰিবেশে তাক তিক্ত কৰি তুলিছে। সৰ্পদ্বীপত সি নিঃসংগ। তাৰ একমাত্ৰ লগৰী মাতৃ-পিতৃহীন আশ্ৰিতা, সম্পৰ্কিতা ভনীয়েক লিন্ তাঈ ঈ। সুন্দৰী, স্পৰ্শকাতৰ অভিমানিনী, ভগ্ন স্বাস্থ্য লিন্ তাঈ ঈ। এই পৰিযালৰ ছোৱালীসকলৰ বাবে নিৰ্ধাৰিত ৰীতি নিয়মৰ সোণৰ সজা এৰি তাঈৰ মনে আকাশলৈ ডেউকা মেলি দি ক্ষত-বিক্ষত। বহুতো নিৰপৰাধীৰ শেষ নিঃশ্বাসেৰে পূৰ্ণ ৰঙা প্ৰাসাদৰ কঁাইটীযা জোপোহাৰ মাজত এটি অতি কোমল ফুলাম লতাৰ দৰে বগাই উঠিছে—এই ফুলটিৰ নাম লিন্ তাঈ ঈ। পাওৱেই তাইৰ একমাত্ৰ অৱলম্বন। সামন্তীয অপচয আৰু অৱক্ষযৰ ত্বৰ্গন্ধত চিয়া পাও ঈ-এ কৈছেঃ 'লিন্ তাঈ—তুমিয়েই মোৰ একমাত্ৰ সুৰভি'। ত্বয়োজনেই দাস-দাসীসকলৰ লগত মানৱিক সম্পৰ্ক স্থাপন কৰিছিল। ত্বয়োজনেই অন্যাযৰ প্ৰতিবাদত মুখৰ হৈ উঠিছিল। কিন্তু সিহঁতে নাজানিছিল এই কাৰাগাৰৰপৰ মুক্তিৰ পথ। ছাও ছুয়ে চিন্-এ লিন্ তাঈ ঈ-ৰ লগতে আন এজনী ছোৱালীৰ চিত্ৰও আঁকিছে। তাইৰ নাম—স্যুয়ে পাও চাঈ। ৰূপহী, গুণৱতী, বুদ্ধিমতী—তাইও চিযা পাও ঈ-ৰ সম্পৰ্কিত ভনীয়েক, আৰু তাই পাও-ৰ প্ৰতি অনুৰক্তা।

তাই কিন্তু বঙা প্ৰাসাদৰ সকলো বিধি-নিয়ম নিয়াৰিকৈ মানি চলে। তাই জানে, কেনেকৈ সকলোটিক ভালৰি বোলাব লাগে। তাইৰ নম্ৰতা আৰু বশ্যতাত সকলোটি মুগ্ধ। লিন্ তাই ঈ আছিল সম্পূৰ্ণ বিপৰীত। লিন্ তাই ঈ-ৰ তীব্ৰ ন্যায়-অন্যায় বোধ আৰু অন্যায়ৰ প্ৰতি অসহিষ্ণুতাই পৰিয়ালৰ গৰাকীসকলৰ ওচৰত তাইক অপ্ৰিয় কৰি তুলিছিল। বিদ্ৰোহী চিয়া পাও ঈয়ে সেই বাবে লিন্ তাঈকহে ভাল পাইছিল—স্যুয়ে পাওৰ প্ৰতি তাৰ কোনো আকৰ্ষণ নাছিল। এই দুই বিদ্ৰোহীক সেও মনাবলৈ কুলপতিহঁতৰ মাজত চক্ৰান্ত চলিল। সিহঁতে ধুমধামেৰে পাও ঈ আৰু তাঈ ঈ-ৰ বিয়াৰ আয়োজন কৰিলে। কিন্তু চিয়া-পৰিয়ালৰ দোলাত উঠাই যিজনী ছোৱালীক লৈ অহা হ'ল—তাই লিন্ তাঈ ঈ নাছিল, আছিল স্যুয়ে পাও চাই। পাও ঈ-এ যেতিয়া ষড়যন্ত্ৰটো বুজি পালে তেতিয়া বহু পলম হৈ গ'ল। ইপিনে বঙা ৰেহমী চাকিৰ ৰঙীন আভাৰে ৰঙাপ্ৰাসাদ যেতিয়া বিবাহৰ বাদ্য-ভাণ্ডেৰে মুখৰিত—লিন্ তাঈ ঈ-এ তেতিয়া এই বাতৰি পাই প্ৰাসাদৰ অন্তেষপুৰৰ এটি অন্ধকাৰ প্ৰকোষ্ঠত নীৰৱে আত্মাহুতি দিলে। ভগ্ন-হৃদয় পাও ঈ নিৰুদ্দেশৰ পথলৈ বৌদ্ধভিক্ষু হৈ অভিশপ্ত ৰঙাপ্ৰাসাদ এৰি ওলাই গ'ল।

মূল্যায়নত সংগ্ৰাম

চীনৰ প্ৰথম সাংস্কৃতিক বিপ্লৱ, ১৯১৯ চনৰ ৪ মে'ৰ আন্দোলনৰ কালৰে পৰাই এই অসাধাৰণ উপন্যাসৰ মূল্যায়নত বিতৰ্কৰ সূত্ৰপাত হৈছিল—দুটা দৃষ্টিকোণৰপৰা। এফালে আছিল চীনৰ সাংস্কৃতিক বিপ্লৱৰ প্ৰতিনিধি লু শ্যুন আৰু আনফালে আছিল চীনা বুৰ্জোৱাৰ Comprador প্ৰতিনিধি বুদ্ধিজীৱি ড. হু শ্বি।

লু শ্যুনে ক'লে: 'সামন্তীয় সনাতন ধ্যান-ধাৰণাৰ বিৰুদ্ধে এই

উপন্যাস হ'ল এক বজ্রাঘাত।' লু খুনে শ্রমিক শ্রেণীৰ দৃষ্টিৰে এই উপন্যাসৰ চৰিত্ৰবোৰলৈ চালে আৰু শুনিলে চীনৰ দুহাজাৰ বছৰৰ একেলেথাৰীয়ে চলি অহা ৰাজকীয় বংঘৰৰ নিভন্ত আলোকৰ বিদায়-বিলাপ।

কিন্তু হু শ্বি-এ ক'লে: 'ই হ'ল এখন ৰোমান্টিক উপন্যাস। মানুহৰ চিৰন্তন প্ৰেম আৰু বিৰহৰ আলেখ্য। ইয়াত বেদনা আছে কিন্তু তিক্ততা নাই। তাৰ বাহিৰে এই উপন্যাসত 'বিদ্ৰোহ' বিচাৰি উলিয়াবৰ চেষ্টা কৰাটো হ'ল স্বকপোল-কল্পিত চিন্তা। ই হ'ল লেখক ছাও ছুয়ে চিন-ৰ আত্মজীৱনী।

তেতিয়া সাহিত্যৰ এই সংগ্ৰাম বেছি দূৰলৈকে আগ বঢ়া নাছিল। কিন্তু ক্লাছিক চীনা সাহিত্যত 'ৰঙা প্ৰাসাদৰ স্কুল' এখনৰ সৃষ্টি হ'ল। ড. হু শ্বি-ৰ অনুগামী উ পিং পো-ই ১৯২২ চনত 'ৰঙা প্ৰাসাদৰ সপোনৰ পাঠ-পৰিক্ৰমা' (Studies on the Dream of the Red Chamber) প্ৰকাশ কৰিলে। হু-শ্বীয় ভাববাদী অনৈতিহাসিক বিশ্লেষণমূলক এই কিতাপখন ১৯৪৯ চনলৈকে অৰ্থাৎ মুক্তিৰ বছৰটোলৈকে চীনৰ বিশ্ববিদ্যালয় সমূহত এই বিষয়ত প্ৰধান পাঠ্য হৈ আছিল। কিন্তু মুক্তিৰ অব্যবহিত পাছতে উ পিং পো-ই সেই একেই মূল্যায়ন আন এটা নামত প্ৰকাশ কৰে। এইবাৰ কিতাপখনৰ নাম দিলে 'ৰঙা প্ৰাসাদৰ সপোনৰ পুনৰ্মূল্যায়ন'। তেতিয়াৰ সাংস্কৃতিক দপ্তৰৰ পাৰ্টিৰ নেতা লিউ শাও চি-পন্থী লু টিং ই, চৌ ইযাং আদিৰ সহায়তহে এই কাম সম্ভৱ হ'ল। সংস্কৃতিৰ ক্ষেত্ৰত শ্ৰেণী-সংগ্ৰামক তেওঁলোকে চিৰদিনেই নিৰুৎসাহিত কৰি আহিছে। তেওঁলোকো সাহিত্যৰ ক্ষেত্ৰেত ভিতৰি ভিতৰি হু শ্বি-পন্থী ভাববাদীৰ দলতে আছিল।

১৯৫৪ চনত দুজন অজ্ঞাতনামা যুৱ লীগৰ সভ্যই দুটা প্ৰবন্ধৰ যোগে ড. পিং পো-কৃত এই ভাষ্যৰ কঠোৰ সমালোচনা কৰি চীনৰ সাহিত্যক্ষেত্ৰত দাৰুণ চাঞ্চল্যৰ সৃষ্টি কৰে। পিকিঙৰ সাহিত্য-পত্ৰ

‘ওৱেন ই পাও’লৈ তেওঁলোকে প্রবন্ধ দুটা পঠিয়ালে। কিন্তু এই অখ্যাত তৰুণ সমালোচকদ্বয়ক সম্পাদকে গণিতাই নকৰিলে। পাছত তেওঁলোকে তেওঁলোকৰ ছানটুং বিশ্ববিদ্যালয়ৰ সাহিত্যপত্রত এই প্রবন্ধ দুটা ছপাবলৈ সক্ষম হয়। এই প্রবন্ধ দুটা পঢ়ি স্বয়ং মাও চে তুঙে ১৯৫৪ চনৰ ১৬ অক্টোবৰ তাৰিখে চীনৰ কমিউনিষ্ট পার্টিৰ কেন্দ্রীয়-কমিটিৰ পলিট ব্যুৰ’লৈ যি পত্র লেখিছিল—চীনৰ সাহিত্যৰ সংগ্রামত আৰু সাংস্কৃতিক বিপ্লৱৰ প্রস্তুতিৰ ক্ষেত্রত সেই পত্রখন এখন গুৰুত্বপূর্ণ দলিল হিচাপে গণ্য হৈছে। সেয়েহে, মই সেই পত্রখনৰ সৰহভাগেই পাঠক সকলৰ বাবে অনুবাদ কৰিলোঁ :

“......লগতে উ পিং পো-ক খণ্ডন কৰি লেখা দুটা প্রবন্ধ পঠোৱা হ’ল। আপোনালোকেও পঢ়ি চাব। ‘ৰঙা প্রাসাদৰ সপোন’ৰ বিষয়ে তথাকথিত প্রামাণিক লেখকৰ ভ্রান্ত অভিমতৰ বিৰুদ্ধে যোৱা ত্রিছ বছৰবো অধিককালৰ ভিতৰত এইয়া প্রথম উল্লেখযোগ্য আক্রমণ। লেখক দুজন হ’ল যুৱ লীগৰ সভ্য। পোনতে তেওঁলোকে ‘ওৱেই পাও’লৈ চিঠি লিখি জানিব খুজিছিল যে উ পিং পো-ক সমালোচনা কৰাটো ঠিক হ’বনে নহয়। কিন্তু তেওঁলোকক অৱজ্ঞা কৰা হ’ল। আন কোনো উপায় নাপাই তেওঁলোকে তেওঁলোকৰ মাতৃ-শিক্ষায়তন (Alma Mater) ছানটুং বিশ্ববিদ্যালয়ৰ শিক্ষক সকললৈ চিঠি লিখিলে আৰু তেওঁলোকৰপৰা অনুমতি পালে। ‘ৰঙা প্রাসাদৰ সপোন’ৰ ভাষ্য খণ্ডন কৰা তেওঁলোকৰ প্রবন্ধ বিশ্ব-বিদ্যালয়ৰ সাময়িক আলোচনী ‘ওৱেন শ্বি জে’ত প্রকাশিত হ’ল। পিকিঙত এই প্রবন্ধৰ প্রতিক্রিয়া হ’ল। এই বিষয়ে আলোচনা আৰু সমালোচনা উদ্গুকিউৱাৰ বাবে কেইজনমানে এই প্রবন্ধটি ৰেন্‌মিন্‌ ৰিপাওত (পীপ’লছ ডেইলী) পুনর্মুদ্রিত কৰাৰ কথা ক’লে। কিন্তু সেইয়া নহ’ল। কিয়নো, বিভিন্ন কাৰণত কিছুমান ব্যক্তিয়ে এই কথাৰ বিৰোধিতা কৰিলে

(মূল কাৰণ হিচাপে কোৱা হ'ল যে এই প্ৰবন্ধ অজ্ঞাতপৰিচয় লোকৰ লেখা আৰু পাৰ্টিৰ মুখপত্ৰ হেনো অবাধ তৰ্ক-বিতৰ্কৰ মঞ্চ নহয়)। তাৰ ফলত এটা আপোচ-মীমাংসা হোৱাৰ পাছত এই ওৱেন ঈ পাও'ত প্ৰবন্ধটো পুনৰ্মুদ্ৰিত কৰাৰ সুযোগ দিয়া হ'ল। ....মোৰ ধাৰণা, ত্ৰিছ বছৰবো অধিককাল ধৰি হু ফ্ৰি-হঁতে যি বাটেৰে বুৰ্জোৱা ভাৱবাদী ক্লাছিক সাহিত্যৰ ক্ষেত্ৰত যুৱ-সমাজৰ চিন্তাক বিষাক্ত কৰি আছে তাৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ হ'বৰ হ'ল। তুগৰাকী 'অজ্ঞাতনামা'ই কামটোৰ পাতনি তৰি দিলে, যেতিয়া ৰথী-মহাৰথীহঁতে তেওঁ-লোকক অবজ্ঞা কৰিছে, আন কি বাধা দিছে, আৰু ভাববাদৰ ভিত্তিত বুৰ্জোৱা লেখকসকলৰ লগত যুক্তফ্ৰণ্ট গঠন কৰি স্বেচ্ছাই বুৰ্জোৱা শ্ৰেণীৰ ওচৰত আত্মদান কৰিছে।... ”

সিদিনাৰ সেই মহাৰথীহঁত কোনহঁত নো? লিউ শ্বাও চি, চৌ ইয়াং, লু টিং ঈ-ৰ দল—যিসকলে মাও চে তুঙৰ এই পত্ৰখনলৈকো অলপো ভ্ৰুক্ষেপ কৰা নাছিল। কিন্তু মাও-ৰ এই পত্ৰখনেই আছিল সিহঁতৰ পতনৰ প্ৰথম ঘণ্টাধ্বনি। এই ঘণ্টাধ্বনিৰ অনুৰণনৰ পথ অনুসৰণ কৰি ১৯৬৬ চনত পিকিং বিশ্ববিদ্যালয়ৰ আন এদল অজ্ঞাত-নামা'ই উহানৰ নাটক 'হাইৰুইৰ পদচ্যুতি'ৰ সমালোচনাত যি বোমা বিস্ফোৰণ ঘটাইছিল তাৰ ধ্বনিতেই যৱনিকা উত্তোলিত হ'ল—সাংস্কৃতিক বিপ্লৱৰ যৱনিকা।

চীনৰ সাহিত্যত সংঘৰ্ষ

কথাত বোলে 'বাঘৰ গুহাত ঘোঙৰ বাহ'। শ্ৰমজীৱি জনতাৰ হাতত যেতিয়া বুৰ্জোৱা নোমটেঙৰ শিয়ালে প্ৰহাৰ খাই পলাব লগীয়া হয়, তেতিয়াও কিন্তু সেই তলসুৰুকীয়াইঁতে পৰাজয় মানি নলয়। সিহঁতে ঘোঙৰ বাহটোক এৰি থৈ যায়। অৰ্থনৈতিক ক্ষমতা দখলৰ সম্মুখ সমৰত বুৰ্জোৱাইঁত পৰাজিত হ'লতো বগিয়াবগি কৰিবলৈ সাংস্কৃতিক 'ট্ৰোজান-ঘোঁৰা'টোক সিহঁতে এৰি থৈ যায়। আপাত-দৃষ্টিত কোনো চওৰাৰ বিহীন এই ধুনীয়াকৈ সজোৱা নকল ঘোঁৰাটোক বিজয়ী শ্ৰমিক-শ্ৰেণীয়ে ঠিক মতে চিনি পোৱাত বৰ পলম হৈ যায়, আনকি কেতিয়াবা ঘোঁৰাটোক তেওঁলোকে যুদ্ধত জয়লাভৰ পুৰস্কাৰ হিচাপে দুৰ্গৰ ভিতৰলৈকো টানি নিয়ে। বুৰ্জোৱা সাহিত্য-শিল্প হ'ল সেই ট্ৰোজান-অশ্ব। সেই নকলী ঘোঁৰাটো হ'ল বুৰ্জোৱাৰ আত্মগোপন কৰাৰ শেষ ঘাঁটি। আৰ্টৰ মোহিনী ৰূপেৰে সি শ্ৰমজীৱি জনতাৰ মনতো মায়াজাল বিস্তাৰ কৰিব পাৰে আৰু জনতাৰ বৈপ্লৱিক চেতনাক স্তিমিত কৰি অসতৰ্ক মুহূৰ্তত দুৰ্গ দখল কৰিবহি পাৰে।

১৯৫৭ চনত মই চীনলৈ যোৱাৰ পাছত এনেকুৱা এক ঘোঙৰ বাহত বাঘ-চকা দিয়া হৈছিল। সেই ঘোঙৰ বাহটোত যি বিশুদ্ধ বিদগ্ধ আড্ডা বহিছিল তাৰ খাই শকুনিৰ নাম হু ফেং। মুক্তিৰ পাছৰে পৰাই হু ফেং-চক্ৰই সাহিত্য আৰু শিল্পৰ ক্ষেত্ৰত মাৰ্কছবাদ-লেনিন-বাদক নাকচ কৰি এক শ্ৰেণী-সংগ্ৰামহীন সাহিত্যৰ প্ৰচাৰ চলাইছিল। এই চক্ৰটোৱে প্ৰকাশ্যেই শিল্প-সাহিত্যৰ বিষয়ে মাও চে তুঙৰ ইয়েনান বক্তৃতাৰ বিৰুদ্ধতা কৰি চলিছিল। সিহঁতৰ বক্তব্য আছিল ইয়েনানত জাপ-বিৰোধী অমোলত যি নীতি অৱলম্বন কৰা হৈছিল সেই নীতি এতিয়া আওপুৰণি হ'ল। সিহঁতৰ হেনো নতুন নীতি হ'ল যে—যি

সত্য তাকে লিখিব লাগিব। শ্ৰেণী-সমাজৰ সত্যও যে শ্ৰেণী-সত্য, সেই কথাটো নামানি প্ৰকাৰান্তৰে শ্ৰেণী-সমন্বয়ৰ সাহিত্যৰ ওকালতী কৰা হ'ল। এই শ্ৰেণীৰ সাহিত্যিকইঁতে সমাজতন্ত্ৰ গঠনত চীনৰ জনগণৰ মহান প্ৰচেষ্টাক সন্দেহ কৰিলে, আনকি বিকৃত কৰিও দেখুওৱাত লাগিল। ১৯৫৪ চনৰ চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয়-কমিটিলৈ 'তিনি লাখ আখৰৰ পৰামৰ্শ' বুলি যহাই হু ফেঙে যি স্মাৰকপত্ৰখন দাখিল কৰে তাত শিল্প-সাহিত্যৰ ক্ষেত্ৰত পাৰ্টিৰ নীতিক হিংস্ৰভাৱে আক্ৰমণ কৰা হয়। সাহিত্যৰ আঁৰত হু ফেং-চক্ৰই প্ৰতি-বিপ্লৱৰ প্ৰস্তুতি চলাই আছিল। ১৯৫৫ চনত মে'-জুন মাহত 'ৰেনমিন ৰিপাও' (পীপ'লছ ডেইলী) বাতৰি কাকতে একে একে তিনি দফাত অকাট্য তথ্য আৰু গোপন দলিল প্ৰকাশ কৰি, হু ফেং-চক্ৰৰ প্ৰতি-বিপ্লৱী চৰিত্ৰক চূড়ান্তভাৱে প্ৰকাশ কৰি দিয়ে। হাংগেৰীৰ বুডাপেষ্টৰ শিল্প-সাহিত্য চৰ্চাৰ পেটোফি ক্লাবৰপৰা যেনেকৈ যথাসময়ত সশস্ত্ৰ প্ৰতি-বিপ্লৱীইঁত ওলাই পৰিছিল, হু ফেং-চক্ৰৰো আছিল সেই উদ্দেশ্য। কিন্তু সিইঁতে সিদ্ধিলাভ কৰিব নোৱাৰিলে।

সাহিত্যত সংঘৰ্ষৰ পৰৱৰ্তী অধ্যায় আৰম্ভ হ'ল ১৯৫৭ চনত, শুদ্ধি আন্দোলনৰ (Rectification Campaign) কালছোৱাত। মই মই প্ৰত্যক্ষদৰ্শী আছিলোঁ। আন্দোলন পৰিচালিত হৈছিল কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সদস্য ডেম'ক্ৰেটিক লীগৰ সভ্য তিনিজন সোঁপন্থী মন্ত্ৰীলৈ পোনাই। তেওঁলোকৰ সৈতে ভিতৰি ভিতৰি কিছুমান কমিউনিষ্ট বুদ্ধিজীৱি আৰু শিল্পী-সাহিত্যিকও যোগ দিছিল। বুৰ্জোৱা পাৰ্লিয়ামেণ্টাৰী পথ নে প্ৰলেতাৰীয় একনায়কতন্ত্ৰৰ পথ, ধনতন্ত্ৰৰ পথ নে সমাজতন্ত্ৰৰ, এই বিতৰ্কৰ ধুমুহাই সমগ্ৰ দেশখন তল-ওপৰ হোৱা দেখিছিলোঁ। এই বিতৰ্কৰ লগে লগে সাহিত্যৰ ক্ষেত্ৰতো উঠিল তৰ্কবাদৰ উত্থান। লব্ধপ্ৰতিষ্ঠ সাহিত্যিক তিং লিং, ফং ছিয়ে ফং, ছেন্ চি ছিয়া আদিৰ সাহিত্য-বিষয়ক মতামতক খণ্ডন কৰা হ'ল। তেওঁলোকে সাহিত্যৰ ক্ষেত্ৰত কেতবোৰ নতুন নতুন মত প্ৰচলিত

কৰিছিল। প্ৰথমতে, 'বৰ্তমান সাহিত্যৰ তুলনাত অতীতৰ সাহিত্য আছিল উৎকৃষ্ট'। এই কথাৰ মূল তাৎপৰ্য্য হ'ল যে সমাজতন্ত্ৰৰ আমোলতকৈ ধনতন্ত্ৰৰ আমোলতেহে সাহিত্য আছিল উৎকৃষ্ট, আৰু এইদৰেই প্ৰকাৰান্তৰে ধনতন্ত্ৰৰ জয়ঢোল বজোৱা হ'ল। দ্বিতীয়তে, 'পেশাদাৰ বিশেষজ্ঞইঁতক কেতিয়াও অ-পেশাদাৰ সাহিত্যিকে পৰিচালনা কৰিব নোৱাৰে'। এই কথাৰ অৰ্থ হ'ল: শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰত পাৰ্টিয়ে পৰিচালনা বা নিৰ্দেশ দিয়াৰ কোনো অধিকাৰ থাকিব নোৱাৰে। প্ৰথম বক্তব্যেৰে তেওঁলোকে যেনেকৈ পৰোক্ষভাৱে সমাজ-তন্ত্ৰৰ বিৰোধিতা কৰিলে, দ্বিতীয় বক্তব্যতো তেনেকৈ অপ্ৰত্যক্ষভাৱে পাৰ্টিৰ বিৰোধিতাত লিপ্ত হ'ল। তৃতীয়তে, 'সাহিত্য শ্ৰমিক-কৃষক আৰু সৈনিকৰ সেৱাত নিয়োজিত হ'ব'—এই কথাষাৰক তেওঁলোকে এটা ঠেক বাট বুলি অভিহিত কৰিলে আৰু সাহিত্যৰ ক্ষেত্ৰত আৰু বহল বাটেৰে বিচৰণ কৰি ফুৰাৰ ধ্বনি তুলিলে। এই বক্তব্যৰ অন্তৰ্নিহিত তাৎপৰ্য্য হ'ল, ইয়েনান ফ'ৰামক অস্বীকাৰ কৰি সাহিত্যিকসকলক শ্ৰেণী-সমন্বয়ৰ বাটেৰে আগ বঢ়োৱা। চতুৰ্থতে, তেওঁলোকেও হু ফেঙৰ দৰে 'সত্যৰ প্ৰতিফলনেই সাহিত্যৰ ধৰ্ম'—এই বক্তব্যক দাঙি ধৰিলে। এই কথাৰ গূঢ়াৰ্থ এয়ে যে, জনসাধাৰণৰ ভাল দিশবোৰৰ লগে লগে এন্ধাৰ-দুৰ্বল দিশবোৰকো সমান ভাৱেই দাঙি ধৰিব লাগিব। ইযাৰে লগতে তেওঁলোকৰ মাজত আন এটা মতবাদে বেঙা মেলিছিল, যাৰ নাম হ'ল 'ঈ পান স্যু চুঈ', অৰ্থাৎ 'এক গ্ৰন্থ মতবাদ'। অৰ্থাৎ এজন লেখকে ওৰে জীৱন ধৰি এখন ভালৰো ভাল মহাভাল কিতাপ লিখিব লাগিব, যিখন কিতাপ বজাৰত চাউল বিকাদি বিকিব, আৰু তাৰপৰা লেখকে পাব টকা-পইচা, নাম, যহ। লেখিকা তিং লিং এই মতবাদৰ জন্মদাত্ৰী। এইখিনিতে কৈ থোৱা আৱশ্যক যে, সেই কালছোৱাত চীনত 'ছোভিয়েতৰ পথ অনুসৰণ কৰাঁ'—এই নীতিয়ে বৰকৈ শিপাইছিল। তাৰ ফলত লেখক আৰু শিল্পীসকল এক বিশেষ সুবিধাভোগী শ্ৰেণী হিচাপে বিবেচিত হৈছিল।

তেওঁলোকৰ আয়-উপাৰ্জন আছিল এজন সুদক্ষ শ্ৰমিকতকৈ বহুগুণে বেছি। সাহিত্যৰ ক্ষেত্ৰত এই নতুন শ্ল'গানধাৰী সকলৰ এনেবোৰ কামৰ আঁৰত বৈষয়িক চিন্তাও নথকা নাছিল। কিয়নো, মুক্তচীনৰ বিৰাট জনসংখ্যাৰ মাজত দ্ৰুত শিক্ষা বিস্তাৰৰ ফলত পাঠৰৰ সংখ্যা কেইবাগুণো বাঢি গৈছিল। তাৰ ফলস্বৰূপে, এখন জনপ্ৰিয় কিতাপ মানেই লেখকৰ জয় জয় ময় ময়। নাম-যছৰ উপৰিও কেইবালাখো টকাৰ ৰয়েলটি প্ৰাপ্তি।

লেখিকা তিং লিং আমাৰ দেশৰ শিক্ষিত সমাজতো সবিশেষ পৰিচিতা। তেওঁৰ অন্যতম উপন্যাস 'সূৰ্য্যস্নাতা শানকাং নৈ' (The Sun shines over the Shankang River) বহুতেই পঢ়িছিল। সেযেহে তেওঁ যেতিয়া প্ৰকাশ্যে তেওঁৰ এই পাৰ্টি-বিৰোধী কাৰ্য্যৰ বাবে ধিকৃত হৈছিল, তেতিয়া মই বৰ বিস্মিত হৈছিলোঁ। তেতিয়া তেওঁৰ অতীত জীৱনৰ বহু কাহিনী প্ৰকাশ্যে আলোচিত হৈছিল। চিয়াং কাই শেকৰ কুওমিণ্টাং চৰকাৰৰ হাতত গ্ৰেপ্তাৰ হোৱাৰ পাছত তেওঁ বণ্ড বা খৎ দি, বন্ধুৱা হৈহে মুক্তিলাভ কৰিছিল। কিন্তু তেওঁৰ স্বামীক সিহঁতে জীৱন্তে কবৰস্থ কৰে। এই বন্ধুৱা হৈ ওলাই অহাৰ কথাটো তেওঁ পাৰ্টিক কোৱা নাছিল। ১৯৪২ চনত ইয়েনানত প্ৰথম শুদ্ধি আন্দোলনৰ কালছোৱাত তেওঁ এই তথ্য পাৰ্টিৰ আগত স্বীকাৰ কৰিছিল। কিন্তু তাৰ পাছতো তেওঁক পাৰ্টিৰপৰা উলিয়াই নিদি নিজক শুধৰাবলৈ পূৰ্ণ সুযোগ দিয়া হ'ল আৰু তেওঁক সাহিত্য-কৰ্মতো উদগণি যোগোৱা হ'ল—যদিও তেওঁৰ বহু গল্পৰ বুৰ্জোৱা ধ্যান-ধাৰণাবোৰ সমালোচনা কৰা হৈছিল। ১৯৪৭ চনত দেখা গ'ল যে, তিং লিঙে নিজক শুধৰাবলৈ কোনো চেষ্টা কৰা বাদেই বৰঞ্চ সমাজতন্ত্ৰ-বিৰোধী গোপন চক্ৰান্তকাৰীসকলৰ লগতহে হাত উজান দিছিল।

১৯৫৭ চনত চীনত সাহিত্যৰ ওপৰত বিতৰ্কৰ উজান উঠিছিল, মুষ্টিমেয় আওৰটীয়া বাওঁপন্থী সাহিত্যকৰ বিৰুদ্ধে, তেতিয়া সেই বিতৰ্কৰ তাৎপৰ্য্য উপলব্ধি কৰা মোৰ পক্ষে সম্ভৱ হোৱা নাছিল। বৰঞ্চ,

কেতিয়াবা কেতিয়াবা এই কামক মহ খেদোৱাত ছিলৈ ফুটোৱাৰ নিচি-নাহে বোধ হৈছিল। কিন্তু ই যে আচলতে আছিল ভাবাদৰ্শৰ ক্ষেত্ৰত কমিউনিষ্ট পাৰ্টিৰ অভ্যন্তৰতে অন্তঃসংঘাতৰ এক বহিঃপ্ৰকাশ, সেই কথাটো খৰচি মাৰি বুজাৰ কোনো সুযোগ মোৰ নাছিল। কিন্তু সাহিত্য আৰু শিল্পৰ বিতৰ্কত জনসাধাৰণৰ এই ব্যাপক অংশগ্ৰহণৰ কথাটোৱে মোক বৰকৈ বিস্মিত কৰি তুলিছিল। যেতিয়া য'লৈকে গৈছোঁ, কাৰখানাত দেখিছোঁ এই বিষয়ে শ্ৰমিকবৃন্দই লেখা প্ৰাচীৰ-পত্ৰ আনকি, গাঁৱৰ কৃষি-সমবায় সমূহৰ দেৱালতো এই বিষয়ে মতামত লেখা চকুত পৰিছে।

সাংস্কৃতিক বিপ্লৱৰ পাছত সাহিত্য, বোলছবি বা নাটক লৈ সিদিনাৰ সেই বিতৰ্কৰ ঐতিহাসিক গুৰুত্ব এতিয়াহে আমাৰ চকুত কিছুদূৰলৈকে ফটফটীয়া হৈ উঠিছে। ১৯১৯ চনৰ ৪ মে'ৰ আন্দোলনৰ (May 4th. Movement) কাল ছোৱাবেপৰাই মূল সংঘাতে মূৰ দাঙিছিল। ৪ মে'ৰ আন্দোলনকেই চীনৰ প্ৰথম সাংস্কৃতিক বিপ্লৱ বুলি কোৱা হয়। মাও চে তুঙৰ ভাষাত: "৪ মে'ৰ আন্দোলনৰ আগতে চীনৰ নতুন সংস্কৃতি আছিল পুৰণি গণতান্ত্ৰিক ধৰণৰ সংস্কৃতি আৰু সি আছিল বিশ্ব বুৰ্জোৱাৰ পুঁজিবাদী সাংস্কৃতিক বিপ্লৱৰ অংশ। ৪ মে'ৰ আন্দোলনৰ পাছত এতিয়া হ'ল নয়া গণতান্ত্ৰিক সাংস্কৃতিক আৰু বিশ্ব প্ৰলেতাৰিয়েতৰ সমাজতান্ত্ৰিক সাংস্কৃতিক বিপ্লৱৰ অংশ।" মাও চে তুঙৰ মতে, এই নয়া-গণতান্ত্ৰিক সংস্কৃতি হ'ল ব্যাপক জনগণৰ সাম্ৰাজ্যবাদ আৰু সামন্ততন্ত্ৰ-বিৰোধী সংস্কৃতি। একমাত্ৰ প্ৰলেতাৰিয়েত সংস্কৃতি আৰু কমিউনিজমৰ মতাদৰ্শ ইহে এই সংস্কৃতিৰ নেতৃত্ব দিব পাৰে। এই নতুন সাংস্কৃতিক আন্দোলনৰ প্ৰধান নেতা আছিল লু শ্যুন। মাও চে তুঙে তেওঁক 'সাংস্কৃতিক বিপ্লৱৰ সেনানায়ক' আখ্যাৰে বিভূষিত কৰিছিল। 'সাংস্কৃতিক ফ্ৰণ্টত সৰ্বোত্তম সাহসী, সবাতোকৈ নিভু'ল, আৰু দৃঢ়তম, বিশ্বস্ততম আৰু প্ৰদীপ্ততম জাতীয় বীৰ'—মাও-এ এই বুলি লু শ্যুনক অভিহিত কৰিছিল।

অক্টোবৰ বিপ্লৱৰ বৰটোপৰ গোলাৰ মাজেদিয়েই চীনলৈ মাৰ্কছ্বাদে বাট কাটিছিল। চীনত মাৰ্কছবাদৰ প্ৰথম পথিকৃৎ লি তা চাও-ৰ ঘনিষ্ঠ সান্নিধ্যলৈ আহিছিল লু শ্বুন। তেওঁ আমৃত্যু অবিচলভাবে বিপ্লৱী সাহিত্যক নেতৃত্ব দি গৈছে—সমৰপ্ৰভু আৰু কুওমিণ্টাঙৰ হিংস্ৰ আক্ৰমণৰ দিনবিলাকতো। তেতিয়া চীনৰ সাংস্কৃতি জগতত লু শ্বুনৰ বিৰুদ্ধে থিয় দিছিল চীনৰ খ্যাতনামা বুৰ্জোৱা বুদ্ধিজীৱি ড০ হু শ্বি। আমেৰিকাত শিক্ষাপ্ৰাপ্ত, আমেৰিকান ধৰণ-ধাৰণ কথন-মথনত অভ্যস্ত হু শ্বি হ'ল জন ডিউই-ৰ ছাত্ৰ। হু শ্বি-এ ৪মে'ৰ আন্দোলনক মাৰ্কছবাদী ৰাজনীতিৰ সৈতে সংযোগবিহীন বুলি প্ৰচাৰ কৰিলে। তেওঁ কয়, ই হ'ল এক সাহিত্য-আন্দোলন। ইয়াৰ লগত ৰাজনীতিৰ কোনো সা-সম্পৰ্ক নাই। তেওঁ এখন কিতাপ লিখিলে: 'সমস্যা বেছিকৈ অনুধাবন কৰা, 'ইজম্' লৈ হৈ-চৈ কমকৈ কৰা' (Study problems more and talk less about 'Isms') । এই কিতাপৰ যোগে তেওঁ মাৰ্কছবাদ-লেনিনবাদক কঠোৰভাৱে আক্ৰমণ কৰিলে আৰু পচিমীয়া গণতন্ত্ৰ হে চীন-বিপ্লৱৰ নিৰ্ধাৰিত পথ বুলি মতামত প্ৰকাশ কৰিলে। তেতিয়া লু শ্বুনৰ অনুগামী আৰু হু শ্বি-ৰ অনুগামীসকলৰ মাজত শিল্প-সাহিত্যৰ ক্ষেত্ৰত এক বিৰাট দন লাগিল। কিন্তু ৪মে'ত যি বিপ্লৱী সংস্কৃতিৰ জোঁৰ জ্বলোৱা হৈছিল, লু শ্বুনৰ দৃঢ় হাতত জোঁৰৰ সেই জুইকুৰা আছিল অনিৰ্বাণ। সিদিনাৰ সেই দ্বন্দ্বত ড০ হু শ্বি-ৰ অনুগামীসকলৰ পৰাজয় ঘটিল। পৰৱৰ্তী কালত কুওমিণ্টাং চৰকাৰৰ ৰাষ্ট্ৰদূতৰ আসন শুৱনী কৰি ড০ হু শ্বিয়ে মাৰ্কিন যুক্তৰাষ্ট্ৰলৈ খোজ ল'লে।

কিন্তু এই ঘটনাৰ অন্ত পৰাৰ লগে লগেই সাহিত্য আৰু শিল্পত হু শ্বি-ৰ মতবাদৰ চূড়ান্ত পৰাজয় ঘটিছিল বুলি ভাবিলে ভুলহে কৰা হ'ব। চীনৰ সাহিত্য আৰু শিল্পত হু শ্বি-ৰ প্ৰেতাত্মাইঁতে কেনেকৈ বাৰে বাৰে আবিৰ্ভূত হৈছে আমি সেই ঘটনা প্ৰতক্ষ্য কৰিম। 'ৰঙা প্ৰাসাদৰ সপোন'ৰ টীকাকাৰ উ পিং পো-ৰ সম্বন্ধে আগৰ এটি প্ৰবন্ধত বিশদ আলোচনা কৰিছোঁ। উ পিং পো পিকিং বিশ্ববিদ্যালয়ত হু শ্বি-ৰ

ছাত্ৰ আছিল। হু ফেঙো হু শ্বি-ৰ মন্ত্ৰশিষ্য। চীন-বিপ্লৱৰ সাফল্যৰ পাছত ১৯৬৬ চনত, অৰ্থাৎ সাংস্কৃতিক বিপ্লৱৰ আগলৈকে চীনৰ সমাজৰ ওপৰি'সাধত। শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত নানা ধৰণৰ তত্ত্বৰ আঁৰত আৰু বিপ্লৱী বচনৰ আবৰণত হু শ্বি-ৰ প্ৰেতাত্মাইতে কেনেদৰে একনায়কতন্ত্ৰত নিগাজী হৈ বহিছিল আৰু কিদৰে সেই কোদোৰ বাহ ভঙা হৈছিল—চীন-বিপ্লৱৰ এইছোৱাই এতিয়া আমাৰ ওচৰত ডাঙৰ শিক্ষা।

চীনৰ সাহিত্যত সংঘৰ্ষ

চীনৰ সমাজতন্ত্ৰ গঠনৰ বিপ্লৱী কাৰ্য্যক্ৰম আৰু চীনৰ কমিউনিষ্ট পাৰ্টি, আন কি মাও চে তুঙকো ম'হ গুৱালে ম'হক গালি পৰাদি গালি পৰাত বিশেষ পটুতা প্ৰদৰ্শন কৰিছিল তেং তো-ই। কেতিয়াবা দ্ব্যৰ্থবোধক ভাষাত, কেতিয়াবা চীনৰ প্ৰাচীন পৃষ্ঠাৰ পৰা কোনোবা চৰিত্ৰক উলিয়াই লৈ বহুৱালি কৰি সেই চৰিত্ৰৰ মুখৰ পৰা ওলোৱা বক্ৰোক্তিৰে 'ইয়েনছানৰ সান্ধ্য-মেল' গৰম কৰি তুলিছিল। দুই-এটা দৃষ্টান্ত দিওঁ।

১৯৬১ চনৰ ২১ নং 'ছিয়েনশ্বিয়েন' ('ফ্ৰণ্ট লাইন'ত) এই স্তম্ভত 'মহান ফোপোলা বচনৰ ফুলজাৰি' শিৰোনামত লেখা হ'ল : কোনো কোনো লোকৰ বাগাড়ম্বৰৰ অসীম ক্ষমতা আছে। বাধাহীন নৈৰ সোঁতৰ দৰে যিকোনো বিষয়তে সিহঁতো অনৰ্গল বেলবেলাই থাকিব পাৰে। বহুপৰলৈকে সিহঁতৰ কথা শুনাৰ পাছত তুমি যেতিয়া সেইবোৰ আকৌ মনত পেলাবলৈ চেষ্টা কৰিবা, দেখিবা, তোমাৰ এটা কথাও মনত নপৰা হৈছে।

'শূন্যগৰ্ভ বৰ বৰ বুলি আওৰোৱা, বেবেৰিবাং বকি বিভ্ৰান্তিৰ সৃষ্টি কৰা, নাইবা ব্যাখ্যা কৰিব নোৱৰা বস্তুৰ ব্যাখ্যা কৰা, আৰু

বিভ্ৰান্তিৰ পিছত বিভ্ৰান্তি সৃষ্টি কৰা—এইবোৰেই হ'ল ফোপোলা ফচহু বুলিৰ মাহাত্ম্য।

'ঘটনাচক্ৰত মোৰ ওচৰ-চুবুৰীয়াৰ সৰু ল'ৰাটিৰ এটা অভ্যাস আছিল ডাঙৰ ডাঙৰ কবিসকলক অনুকৰণ কৰা। সম্ভৱতে সি বহুতো ফোপোলা বুলিৰে এখন কাব্য ৰচনা কৰিছে। কেই দিন মান আগতে সি 'জংঘলী ঘাঁহৰ জয়গান' নামৰ এটি কবিতা লিখিছে। কবিতাটো হ'ল:

শ্ৰদ্ধেয় আকাশ আমাৰ পিতৃ
মহান ধৰিত্ৰী আমাৰ মাতৃ
সূৰ্য্য আমাৰ ধাত্ৰী
পূবালী বা' আমাৰ হিতৈষী বন্ধু
পচিমীয়া বতাহ আমাৰ শত্ৰু।

যদিও আকাশ, ধৰিত্ৰী, পিতৃ, মাতৃ, সূৰ্য্য, ধাত্ৰী, পূবালী বায়ু, পচিমীয়া বতাহ, হিতৈষী, বন্ধু, শত্ৰু ইত্যাদি শব্দবোৰে আমাক চমক খুৱায়, তথাপি এইবোৰ কোনো উদ্দেশ্য সাধনৰ বাবে ব্যৱহৃত হোৱা নাই। এইবোৰ মাথোন কথাৰ লগৰ কথাহে। সুন্দৰতম শব্দ আৰু বাগ্-বিভূতিও অথলে যায়। এই বাগাডম্বৰ যিমানেই বিস্তাৰ কৰা হ'ব, পৰিস্থিতিও সিমানেই বেয়ালৈ ঢাল খাব। গতিকে মই মোৰ শূন্যগৰ্ভ বাক্-সৰ্বস্ব বন্ধুহঁতলৈ কওঁ: বেছিকৈ পঢ়ক, চিন্তা কৰক, কম কথা কওক আৰু যেতিয়া আপোনাৰ বোৱাৰ পাল পৰিব তেতিয়া ক্ষমা খুজি বিশ্ৰাম কৰক, তেতিয়া আপুনি নিজৰ আৰু আনৰ শক্তি আৰু সামৰ্থ্যক—উভয়কে বচাব পাৰিব।'

ওপৰোক্ত কথবিলাকৰ আক্ৰমণৰ লক্ষ্য হ'ল স্বয়ং মাও চে তুং। ১৯৫৭ চনত নভেম্বৰ মাহত মস্কোত কমিউনিষ্ট আৰু ৱৰ্কাৰ্ছ পাৰ্টি সমূহৰ সভাত বৰ্তমান আন্তৰ্জাতিক পৰিস্থিতিক মাও-এ এক সুন্দৰ কাব্যিক ভাষাৰে প্ৰকাশ কৰিছিল। তেওঁ কৈছিল: 'তুং ফং ইয়াতাও থিফং' 'পূবালী বায়ুৱে পচিমীয়া বতাহক হেঁাহকাইছে'। অৰ্থাৎ

সমাজতন্ত্ৰৰ শক্তিৰ ওচৰত সাম্ৰাজ্যবাদী শক্তিয়ে পৰাজয় মানিছে। পুবালী বায়ু এফ্ৰ'-এছিয়া লণ্ডন-আমেৰিকাৰ সাম্ৰাজ্যবাদ-বিৰোধী মুক্তি আন্দোলনৰ প্ৰতীক। পচিমীয়া বতাহ, অৱক্ষয়ী সাম্ৰাজ্যবাদ আৰু প্ৰতিক্ৰিয়াশীল শক্তিৰ প্ৰতীক। আজিৰ দুনিয়াৰ এই মহান সত্যটোক তেং তো-ই উপলুঙাকৈ কৈছে 'মহান কোঁপচুঙা' বুলি। আৰু কবি হিচাপে তেওঁ পোনেই আক্ৰমণ কৰিছে মাও চে তুঙক। তেং তো হ'ল খুশ্চফৰেই লেম্‌টৌ। খুশ্চফে মস্কোত মাও-ৰ এই উক্তিৰ ব্যাখ্যা কৰি এসময়ত কৈছিল: পুবালী বায়ু অৰ্থাৎ চীন, সি দুনিয়াখনৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ বিচাৰিছে'।

পিকিং সান্ধ্য-সংবাদ পত্ৰিকাত 'এইবোৰ বিজ্ঞ নিৰ্ভৰযোগ্য নে' এই শিৰোনামাত ১৯৬২ চনৰ ২২ ফেব্ৰুৱাৰিত তেং তো-ই দ্বাৰ্থবোধক-ভাষাত লাওজৰ উদ্ধৃতিৰ আঁৰ লৈ মাও চে তুঙলৈ লিখিলে: 'কোনো মানুহৰ বুদ্ধি সীমাহীন নহয়। কেৱল নিৰ্বোধহঁতেহে সানন্দে নিজক সৰ্বজ্ঞান বুলি কল্পনা কৰে। ইহঁত দাম্ভিক আৰু আত্মম্ভৰী। ইহঁতে জনতাক অৱজ্ঞা কৰে আৰু সকলো সিদ্ধান্ত অকল ইহঁতেই গ্ৰহণ কৰে। জনগণৰ কথালৈ মন-কাণ নিদিয়ে। ইহঁতে নিজৰ ত্ৰুটিবোৰ শুধৰাই নল'লে বিপৰ্য্যয় অনিবাৰ্য্য।'

'বিস্মৃতি-ব্যাধিৰ চিকিৎসা' এই শিৰোনামত ১৯৬২ চনত ১৪নং 'ছিয়েনশ্বিয়েন'ত (ফ্ৰন্ট্ লাইন') যি লেখা ছপোৱা হ'ল তাৰ লক্ষ্য হ'ল কমিউনিষ্টসকল। কমিউনিষ্টসকলে হেনো জনতাৰ ওচৰত নানা ধৰণৰ প্ৰতিশ্ৰুতি দি সেইবোৰ পাহৰি যায়। এই ব্যাধিৰ থলুৱা চিকিৎসা হ'ল হেনো কলহ-ভৰ্তি কুকুৰৰ তেজ ৰোগীৰ গাত ঢালি দি আৰু চেঁচাপানী ছটিয়াই ৰোগীৰ স্মৃতিশক্তিক ঘূৰাই অনা আৰু পাশ্চাত্যৰ চিকিৎসা বিধান হ'ল বিশেষভাবে নিৰ্মিত টাঙোনেৰে মূৰত মাৰি ৰোগীৰ চেতনা শক্তিক ঘূৰাই অনা।

বিগ লীপ ফৰ'ৱাৰ্ড বা দীৰ্ঘ পদক্ষেপেৰে আগ বাঢ়ি যোৱাৰ নীতিক

অনুসৰণ কৰি যেতিয়া দেশৰ শ্ৰমজীৱি জনতাই যথা সম্ভৱ কম সময়ত চীনত সমাজতন্ত্ৰ গঠনৰ কামত দেহে-কেহে লাগি গৈছে, তেতিয়া এই দীৰ্ঘ পদক্ষেপৰ নৈতিক উপলুঙা কৰি তেং তো-ই 'পিকিং সান্ধ্য সংবাদ'ত এক নতুন ধৰণৰ ঈশপৰ সাধু লিখিলে: কোনোবা এজন প্ৰাচীন গ্ৰীক খেলুৱৈ হেনো দৌৰা-দৌৰিত আছিল তেনেই অপটু। কিন্তু তথাপি সি কৈছিল, ৰ'ড্‌ছ্‌ চহৰলৈ গৈ সুধিলেই গম পাবা মই যে তাত কি এটা জঁাপ মাৰিছিলোঁ। সেই চহৰৰ বহু প্ৰত্যক্ষদৰ্শীয়েই তোমাক ক'ব মোৰ এই জঁপিওৱাৰ কাহিনী। শুনি এজন শ্ৰোতাই ক'লে, 'ৰ'ডছত লাগিছে কিয়হেঁ, ইয়াতেই দেখুৱাচোন।'

ব্যংগ-বিদ্ৰুপৰ মাজতে তেওঁলোকে নিজক সীমাবদ্ধ নাৰাখিলে। বিশেষকৈ এই ত্ৰিমূৰ্তিয়ে, যিসকলে ছদ্মনাম লৈছিল 'উনান্ ছিং'— এওঁলোকে প্ৰকাশ্যেই বিদ্ৰোহৰ আহ্বান জনালে। হান-ৰ নাটক 'হাইৰুইৰ পদচ্যুতি' যেতিয়া সমালোচিত হ'ব ধৰিছে, তেতিয়াই লিয়াও মো শ্বা-ই উ হানলৈ অভিনন্দন জ্ঞাপন কৰি লিখিলে: 'আপুনি দুৱাৰ ভাঙি জনতাৰ মাজলৈ ওলাই আহিছে তেওঁলোকক কৰ্মত উদ্বুদ্ধ কৰিবলৈ'। উহানে জৱাব দিলে: 'ওঁ, এই লৌহতোৰণ ভাঙিবই লাগিব'।

'পিকিং সান্ধ্য সংবাদ'ত লিয়াও মো শ্বা-ই সুস্পষ্ট ভাষাৰে আহ্বান জনালে 'শীতকালীন যুদ্ধ-দামামা বাজিছে—বসন্তৰ দুৱৰিয়ে গজালি মেলিছে বসন্ততে আৰম্ভ হ'ব সৰ্বাত্মক প্ৰচেষ্টা ...।'

উহানে আঁৰ-বেৰ নৰখাকৈ পোনে পোনেই বিদ্ৰোহৰ আহ্বান জনাই ১৯৬১ চনৰ ফেব্ৰুৱাৰিৰ ২৫ তাৰিখে এটা প্ৰবন্ধত লিখিলে: "যিসকল আছে মাটিৰ নিচেই ওচৰত, তেওঁলোকক কওঁ, হৃদয়ত যদি কোনো চোভা আছে তেনেহলে সংগ্ৰাম আৰম্ভ কৰক। শত ফুল বিকশিত হোৱাৰ বাটত আজি যিমান জেং আছে সেইবোৰক গুচাব লাগিব।'

এইবোৰ বুৰ্জোৱা বিষাক্ত বঘুমলাৰ দলে, মাও চে তুঙে সমাজতন্ত্ৰী

ফুলনিত যি ফুল ফুলাবলৈ ধৰিছিল তাক চেলেঞ্জ কৰি, সিহঁতে নিজকে সুগন্ধী গোলাপ বুলি জাহিৰ কৰি ফুল-বাগিচাৰ কৰ্তৃত্ব দাবী কৰিলে। কিন্তু ফুল-মালীও শুই নাছিল। তেওঁ তেওঁৰ খন্তিক ভালেকৈয়ে ধৰাইছিল এইবোৰ বিষাক্ত বঘুমলাক চুচি-মাজি চাফা কৰিবলৈ। এই বঘুমলাবিলাকক পুলিয়ে-পোখাই ধ্বংস কৰাৰ আহ্বানত সাঁহৰি জনাই প্ৰথমেই ওলাই আহিল অগণিত চেমনীয়া ল'ৰা-ছোৱালী, ডেকা-গাভৰুৰ দল সিহঁতৰ বিদ্যায়তন এৰি। সিহঁতৰ প্ৰত্যেকৰে হাতত খন্তি।

আহিল সাংস্কৃতিক বিপ্লৱ।

১৯৬৬ চনত।

ত্ৰিছৰ দশকত সাহিত্য-সংঘাত

ত্ৰিছৰ দশকত, চীনত, যি সাহিত্য-সংগ্ৰাম লাগি পৰিছিল সেই সংগ্ৰাম ড. হু শ্বিৰ দৰে সোঁ-পন্থী সাহিত্যৰ বিৰুদ্ধে বাওঁপন্থী সাহিত্যৰ সংগ্ৰাম নাছিল। এই সংগ্ৰাম আছিল বাওঁপন্থী সাহিত্যৰ মাজতেই দুই লাইনৰ সংগ্ৰাম। চীনৰ ৰাজনীতিত মাও চে তুঙৰ লাইনৰ বিৰুদ্ধে ই আছিল ওৱাং মিঙৰ ৰাজনৈতিক লাইনৰ সংগ্ৰামৰেই সাহিত্যত প্ৰতিফলন। জাপানে মাঞ্চুৰিয়া দখলৰ পাছৰেপৰাই —১৯৩২ চনৰপৰা মাও চে তুঙে জাপ-বিৰোধী জাতীয় ঐক্যবদ্ধ ফ্ৰন্টৰ দাবী জনাবলৈ পাৰ্টিৰ মাজত মত প্ৰকাশ কৰিবলৈ ধৰিছিল। ১৯৩৫ চনত লংমাৰ্চ্চ চলিথকা কালছোৱাত ছুন্নি চহৰত কেন্দ্ৰীয় কমিটিৰ অধিবেশনত পাৰ্টিত মাও চে তুঙৰ নেতৃত্ব প্ৰতিষ্ঠিত হোৱাৰ পাছত, পাৰ্টিৰ ফালৰপৰাই জাপানৰ বিৰুদ্ধে কুওমিণ্টাং, কমিউনিষ্ট আৰু অন্যান্য গণতান্ত্ৰিক দলৰ যুক্তফ্ৰন্ট গঠনৰ দাবী তোলা হ'ল। তেতিয়া চাং কুও তাও আৰু ওৱাং মিং প্ৰমুখ্ আওহতীয়া অতি বাম কমিউনিষ্ট

সকলে মাও-ৰ এই নীতিৰ ঘোৰ বিৰোধিতা কৰিবলৈ ধৰিলে। কিন্তু লং মাৰ্চৰ অন্তত, ১৯৩৫ চনৰ ডিছেম্বৰ মাহত যেতিয়া যুক্তফ্ৰণ্টৰ নীতি চূড়ান্তভাৱে গৃহীত হ'ল তেতিয়া অতি বাম ওৱাং মিং অকস্মাৎ অতি দক্ষিণ-পন্থীলৈ মোট সলাই 'জাতীয় প্ৰতিৰক্ষাৰ চৰকাৰ'ৰ ধ্বনি তুলিলে। তাৰ তাৎপৰ্য্য হ'ল—যুক্তফ্ৰণ্টত কমিউনিষ্ট উদ্যোগ আৰু নেতৃত্ব বৰ্জন কৰি, কমিউনিষ্ট সৈন্যবাহিনী আৰু মুক্তাঞ্চলৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ পৰিত্যাগ কৰি—চিয়াং কাই শ্বেক-ৰ নেতৃত্বত কুওমিণ্টাং চৰকাৰৰ অংশীদাৰ হ'ব লাগিব।

মাও এ, ১৯২৭ চনৰ প্ৰথম যুক্তফ্ৰণ্টৰ বক্তক্ষয়ী পৰিণতিৰ কথাটো কেতিয়াও পাহৰা নাছিল। সেয়েহে, মাও-এ ওৱাং মিঙৰ এই চৰম আত্মসমৰ্পণকাৰী (cupitulationist) নীতিৰ তীব্ৰ বিৰোধিতা কৰিলে। সাহিত্যৰ ফ্ৰণ্টত তেতিয়া চীনৰ 'বাওঁপন্থী সাহিত্য লীগ'ৰ (Left Writer's League) সাধাৰণ সম্পাদক চৌ ইয়াঙে ওৱাং মিঙৰ আত্মসমৰ্পণবাদী নীতিৰ প্ৰতিধ্বনি কৰি—'জাতীয় প্ৰতিৰক্ষাৰ সাহিত্য'ৰ শ্ল'গান দিলে। তেওঁৰ লগত কণ্ঠ মিলালে বাওঁপন্থী সাহিত্যিক ছিয়া ইয়েন, থিয়েন হান, ইয়াং হান্ সেন আদিয়ে। এই নামকেইটা আমি মনত ৰাখিব লাগিব, কিয়নো পাছত সাংস্কৃতিক বিপ্লৱৰ কালত এই চাৰিওজনেই 'চাৰি ধুৰন্ধৰ' নামেৰে কুখ্যাতি আৰ্জিছিল। এইবাৰ চীনলৈ যোৱাৰ পাছত বিমান শিল্প-সাহিত্যিকৰ সৈতে সাক্ষাৎ কৰিছোঁ—তেওঁলোকৰ প্ৰত্যেকৰ মুখৰ পৰাই বুর্জোৱা শিল্প-সাহিত্য তত্ত্বৰ এই চাৰি ধুৰন্ধৰৰ বিৰুদ্ধে সংগ্ৰামৰ বিভিন্ন অভিজ্ঞতাৰ কথা শুনিছোঁ।

এওঁলোকেই ওৱাং মিং-লাইনৰ অনুগামী হৈ সাহিত্যত ধ্বনি তুলিছিল: 'জাপানক প্ৰতিৰোধ কৰিবলৈ হ'লে জাতীয় প্ৰতিৰক্ষাৰ সাহিত্য লাগিব'। আনহাতে, মাও চে তুঙৰ অনুগামী লু শুনে আহ্বান জনালে: 'জাপানক প্ৰতিৰোধ কৰিবলৈ হ'লে বিপ্লৱী জনতাৰ সাহিত্য লাগে'—বুলি। সিদিনা, চীনৰ সাহিত্যৰ ক্ষেত্ৰত

এই দুই লাইনৰ দ্বন্দ্বই অতি তীব্ৰ আকাৰ ধাৰণ কৰিছিল। চৌ ইয়াংইঁতে জাতীয় প্ৰতিৰক্ষাৰ সাহিত্যৰ নামত সাহিত্যত শ্ৰেণী-সংগ্ৰাম স্থগিত ৰাখি ড. হু শি-ৰ বিপ্লৱ-বিৰোধী বুৰ্জোৱা সাহিত্যৰ বাটেৰে আগ বাঢ়িছিল। আনহাতে, লু শ্যুনে অভিমন্যুৰ দৰে অকলশৰে ইইঁতৰ বিৰুদ্ধে যুঁজি ব্যংগ-বিদ্রুপেৰে থকা-সৰকা কৰি চিয়াং চক্ৰৰ ওচৰত তেওঁলোকৰ এই আত্ম-নিবেদনৰ নৌতিক ধৰাশায়ী কৰিলে। লু শ্যুনে এই চাৰিওজনক সাহিত্যৰ 'চাৰি আমোলা' 'চাৰি ধুৰন্ধৰ' বুলি অভিহিত কৰিলে। এই 'চাৰিও ধুৰন্ধৰে' বিভিন্ন ছদ্ম নামত লু শ্যুনৰ বিৰুদ্ধে চাৰিওফালৰ পৰা চোকা চোকা কাঁড় মাৰিলে কিন্তু লু শ্যুন আছিল অটল, অবিচল। টি-বি ৰোগাক্রান্ত লু শ্যুন তেতিয়া অসুস্থ। এতিয়া তেওঁৰ বিৰুদ্ধে বাওঁপন্থী লেখকসকলৰ কেইজনমান মূধাফুটাৰ আক্রমণত তেওঁ আৰু অসুস্থ হৈ পৰিল।

লু শ্যুনৰ পত্নীয়ে তেওঁৰ স্মৃতি-কথাত লিখিছে: লু শ্যুনৰ অসুখ বাঢি যোৱাৰ ফলত চিকিৎসকৰ পৰামৰ্শ মতে যেতিয়া তেওঁৰ স্থান পৰিৱৰ্তনৰ যো-জা কৰা হৈছিল, ঠিক তেতিয়াই 'চি ইন্'—এই ছদ্ম নামত চৌ ইয়াঙে এটা প্ৰবন্ধৰ যোগে লু শ্যুনলৈ হিংস্ৰ আক্রমণ কৰিলে। এই প্ৰবন্ধটো পঢ়াৰ পাছৰে পৰাই লু শ্যুন মাৰাত্মক ভাৱে অসুস্থ হৈ উঠে আৰু কেই দিন মানৰ ভিতৰতেই তেওঁৰ মৃত্যু ঘটে।

১৯৫৮ চনৰ অক্টোবৰ মাহৰ শেষ ছোৱাত যেতিয়া মই ইয়েনানলৈ গৈছিলোঁ, তেতিয়া—১৯৪২ চনৰ মে' মাহত চীনৰ শিল্প-সাহিত্যৰ দিগ দৰ্শন ইয়েনান ফোৰামত মাও-এ যিটি হলঘৰত শিল্পকলা আৰু সাহিত্যৰ বিষয়ত তেওঁৰ বক্তব্য দাঙি ধৰিছিল—সেই হলঘৰটিত বহুতোপৰলৈকে বহি আছিলোঁ। ইয়েনান তেতিয়া বাওঁপন্থী শিল্পী-সাহিত্যিকসকলৰ চুচকুৰ আগত ধ্ৰুৱতৰা। কুওমিণ্টাং আৰু জাপান-অধিকৃত চীনৰ বিভিন্ন অঞ্চলৰ পৰা গোপন পথেৰে জীৱন বিপদাপন্ন কৰি তেওঁলোকে ইয়েনানৰ মুক্তাঞ্চলত আশ্ৰয় লৈ স্বস্তিৰ উশাহ লৈছিলহি। সেই হলঘৰত বহিয়েই শুনিলোঁ এইদৰে ঢপলিয়াই

অহা লোকসকলৰ কোনো কোনোবাই ইয়েনানৰ মাটিত ভৰি দিয়েই আবেগত কান্দি দিছিল; কোনোৱেবা আহিয়েই ইযেনানৰ মাটিত চুমা খাইছিল। তেওঁলোকে হয়তো ভাবিছিল যে, ইয়েনান পায়েই তেওঁলোকে বিপ্লৱী সাহিত্য সৃষ্টিৰ কামত লাগি পৰিব। সাম্ৰাজ্যবাদ আৰু তাৰ অনুচৰ চিয়াং কাই শ্বেকৰ বিৰুদ্ধে তীব্ৰ ঘৃণা লৈ এই সংগ্ৰামী সাহিত্যিকসকল ইয়েনানলৈ আহিছিল। সাম্ৰাজ্যবাদ-বিৰোধী ক্ৰোধ আৰু নিপীড়িত চীনা জনসাধাৰণৰ প্ৰতি মমত্ববোধ লৈয়েই আহিছিল তেওঁলোক। কিন্তু প্ৰলেতাৰীয় মতাদৰ্শত কোনো সুস্পষ্ট প্ৰত্যয় তেওঁলোকৰ নাছিল। গতিকে, ইযেনানলৈ অহাৰ পাছত যেতিয়া তেওঁলোকৰ হাতত কোৰ আৰু লো-ৰ কাঠী তুলি দিয়া হ'ল উৎপাদন বৃদ্ধি কৰিবলৈ, তেতিযা বহুতৰে আবেগ-উচ্ছ্বাসৰ কোবাল পানীত ভাটীৰ টান।

ইযেনান হ'ল এক খহটা শিলাময় ঠাই। ৰুক্ষ পাহাৰৰ গাত সেউজৰ চিন-মোকামো নাই। তেতিযা প্ৰযোজনৰ তুলনাত উৎপাদনো বৰ কম। একমাত্ৰ খাদ্যশস্য হ'ল মিলেট (Millet) নামৰ শস্য। তাকো হাড-ভঙা খাটনিৰে উৎপাদন কৰিবলগীযা হৈছিল। কল-কাৰখানা দূৰৰে কথা, কোনো কুটীৰ-শিল্পৰো সঁচ তাত নাই। লেখাৰ কাগজ নাই, কাপোৰ-কানি নাই পিন্ধিবলৈ, আৰু এই অৱস্থাৰ মাজত অনবৰতে আকাশৰ পৰা জাপানীহঁতৰ বোমা-বৰ্ষণ আৰু চিয়াং বাহিনীৰ ঘেৰাও। তেতিয়া ইয়েনানৰ সকলো মানুহৰ আগত প্ৰধান কাম হ'ল, ইয়েনানক খাদ্যত স্বাৱলম্বী কৰি তোলা, লগে লগে সৰু সৰু কুটীৰশিল্প গঢ়ি তোলা। এই জীৱন-মৰণ সংগ্ৰামত সাহিত্যিক সকলেও কোৰ, লোৰ-কাঠী হাতত তুলি ল'ব—এয়ে স্বাভাৱিক কথা। কিন্তু কলমৰ কাৰিকৰ সকলে হাতত কোৰ লৈ ওলোৱাটো সিদিনা বৰ নাশ্ৰুত-নাভূত কথা-কাণ্ড বুলি বোধ হৈছিল। কিন্তু তেতিয়াৰ দিনত এইয়া মাথোন সাময়িক অত্যাৱশ্যকীয় কথাই নাছিল,-পৰৱৰ্তী কালত ইয়েনান ফ'ৰামত মাও চে তুঙে শিল্পী-

সাহিত্যিক সকলৰ আগত যি নব দিগ্‌দৰ্শন দাঙি ধৰিছিল, ই আছিল তাৰেই প্ৰস্তুতি-পৰ্ব।

যিমানেই সংগ্ৰামী চেতনা লৈ নাহক কিয়, পাতিবুৰ্জোৱা সাহিত্যিক সকলৰ ধ্যান-ধাৰণা আৰু আচাৰ-আচৰণত বুৰ্জোৱা সমাজৰ সকলো বিধৰ প্ৰভাৱ আছিল অতি প্ৰকট। তেওঁলোকে নিজক জনসাধাৰণতকৈ অন্যপমান আছুতীয়া, বিশেষ সুবিধাভোগী শ্ৰেণীৰ মানুহ বুলি যই ভাবিছিল। আকৌ-ব্যক্তিগত নাম-যশস্যাৰ মোহ, অহমিকা, ঈৰ্ষা ইত্যাদিৰপৰাও তেওঁলোক মুক্ত নাছিল। খাঁটি বিপ্লৱী সাহিত্যিক হ'বলৈ হ'লে তেওলোকক নতুন সাঁচত ঢালাই (remoulding) কৰাৰ সমস্যা আহি পৰিছিল। মাও চে তুঙৰ মতে সেই ঢালাইৰ সাঁচটো হ'ল উৎপাদনশীল কায়িক শ্ৰম (Productive labour). ইয়েনানত এই শ্ৰমৰ সূত্ৰপাত আৰু সাংস্কৃতিক বিপ্লৱৰ পাছত তাৰ পূৰ্ণ পৰিণতি। ত্ৰিছৰ দশকৰ লু শ্বুন-বিৰোধী চৌ ইয়াং, থিয়েন হানইঁতে ওৱাং মিঙৰ প্ৰভাৱত যি শ্ৰেণী সংগ্ৰামহীন সাহিত্য তত্বৰ আৱিৰ্ভাৱ ঘটাইছিল তাৰ চমু আলোচনা আগতেই সামৰা হৈছে। চৌ ইয়াঙৰ লগত তেওঁলোকেও ইয়েনানলৈ আহি জুম বান্ধিছিলহি। গতিকে ইয়েনানত সমবেত বিপ্লৱী সাহিত্যিক শিল্পীসকলৰ মাজত শিল্প-কলাৰ ধৰ্ম, উদ্দেশ্য আৰু লক্ষ্য ইত্যাদি লৈ প্ৰচণ্ড বাক্‌-বিতণ্ডা আৰম্ভ হ'ল। সেই সম্পৰ্কে কিবা এটা সিদ্ধান্ত লবলৈ ১৯৪২ চনৰ মে' মাহত ইয়েনান ফ'ৰাম পতা হ'ল। তাত বহুতেই বিদেশী স্বীকৃত পণ্ডিতসকলৰ উদ্ধৃতি দাঙি ধৰি আৰ্ট কি, সংস্কৃতি কি, এই বিষয়ত পাণ্ডিত্যপূৰ্ণ ভাষণ দিলে। সেই আলোচনা সমূহত মাও চে তুঙেও অংশ গ্ৰহণ কৰিছিল।

ইয়েনানত মাও চে তুঙে ১৯৪০ চনত বিপ্লৱৰ নয়া গণতান্ত্ৰিক চৰিত্ৰক ব্যাখ্যা কৰি যি নতুন ঐতিহাসিক তত্ত্ব দাঙি ধৰিছিল, তাৰ লগত নয়া-গণতান্ত্ৰিক সংস্কৃতিৰ ৰূপ কি হ'ব তাৰ ৰূপৰেখাও তেওঁ দিছিল। ইয়াতেই তেওঁ প্ৰথম সাংস্কৃতিক বিপ্লৱৰ কাৰ্যক্ৰম দাঙি ধৰিছিল। ১৯৪২ চনত ইয়েনান ফ'ৰামত সেই কাৰ্য্যক্ৰমৰেই বিভিন্ন

শিল্প বিশদভাৱে ব্যাখ্যা কৰি নয়া সাংস্কৃতিক বিপ্লৱৰ অংশীদাৰ হ'বলৈ হ'লে প্ৰগতিশীল শিল্পী-সাহিত্যিক সকলে যিবোৰ সমস্যাৰ সম্মুখীন হ'ব লাগিব তাৰো সমাধানৰ পথ-নিৰ্দেশ দিছিল তেওঁ। মাও-ৰ সিদিনাৰ নেই বক্তব্য মাথোন চীনতে নহয়, পৃথিৱীৰ শিল্পী-সাহিত্যিক সকলৰ আগ বঢাৰ বাটত এক দিশ-নিৰ্দেশক আলোক বৰ্তিকা। মাও-ৰ মতে: সাংস্কৃতিক বাহিনী নথকাকৈ কেৱল সামৰিক বাহিনীৰে জয়লাভ কৰা অসম্ভৱ। এই সাংস্কৃতিক বাহিনীৰ ৰণনীতি আৰু ৰণকৌশল কি হ'ব—সেই বিষয়ে-মাও-এ সুস্পষ্ট নিৰ্দেশ দাঙি ধৰিছিল। শিল্প-সাহিত্য কাৰ বাবে? এই প্ৰশ্নৰ সমাধানৰ মাজতেহে অন্যান্য প্ৰশ্নৰ সমাধান সোমাই আছে। সাহিত্য নিযোজিত হ'ব লাগিব শ্ৰমিক, কৃষক আৰু সৈনিক সকলৰ সেৱাত। চীনৰ মুক্তি-ফৌজ শ্ৰমিক-কৃষক শ্ৰেণীৰ সন্তান সকলক লৈ গঠিত হৈছিল, কিন্তু যুদ্ধৰ ফ্ৰন্টত, উৎপাদন-সংগঠনত আৰু ৰাজনৈতিক চেতনা-বিস্তাৰৰ ক্ষেত্ৰত, চীনৰ বিপ্লৱতো তাৰ এক বিশেষ ভূমিকা আছিল, আৰু আজিও আছে। ৪ মে'ৰ আন্দোলন ঘাইকৈ চহৰৰ শিক্ষিত শ্ৰেণীৰ মাজতেই সীমাবদ্ধ আছিল। কিন্তু গণতান্ত্ৰিক বিপ্লৱৰ চূড়ান্ত পৰ্য্যাযত লেখক আৰু শিল্পীৰ আগত কোটি কোটি শ্ৰমিক-কৃষক আৰু তেওঁলোকৰ সেনাবাহিনীযেই প্ৰধান দৰ্শক, শ্ৰোতা বা পাঠক। জনগণতান্ত্ৰিক বিপ্লৱ প্ৰকৃতপক্ষে কৃষিবিপ্লৱ আৰু গণ-সাংস্কৃতিক সমস্যা প্ৰকৃতপক্ষে কৃষক-সংস্কৃতিৰ উন্নয়নৰ সমস্যা। এই কথা বিশ্লেষণ কৰি মাও-এ কৈছে: প্ৰলেতাৰিয়েত ভাবাদৰ্শ ইহে মাথোন এই নয়া-গণতান্ত্ৰিক সংস্কৃতিক নেতৃত্ব দিব পাৰে। যিসকল বাঁওপন্থী সাহিত্যিক ইয়েনানলৈ আহি 'সমগ্ৰ জনগণৰ সাহিত্য'ৰ ধ্বনি তুলিছিল তেওঁলোকৰ বিৰুদ্ধতা কৰি মাও-এ লেনিনবাদী নীতি, বিপ্লৱী পক্ষপাতিত্বৰ নীতিত (Revolutionary Partisanship) সাহিত্য কাৰ বাবে, এই প্ৰশ্নটো অতি পৰিষ্কাৰ আৰু দৃঢ়ভাৱে সৈতে উপস্থিত কৰিছিল। শিল্প-সাহিত্য কাৰ সেৱাৰ্থে—এই প্ৰশ্নৰ সমাধান হোৱাৰ পাছতেই প্ৰশ্ন উঠিব কি পদ্ধতিৰে সেৱা কৰিব

লাগিব। এইখিনিতে নতুন বিপ্লৱী সাহিত্য সৃষ্টিৰ সমস্যা আহি পৰে। শ্ৰমজীৱি জনগণেই, তেওঁলোকৰ জীৱনধাৰায়েই শিল্প-সাহিত্যৰ অফুৰন্ত উৎস। এই সংগ্ৰামী জনগণৰ জীৱনৰ স'তে জীৱন যোগ কৰাৰ, অৰ্থাৎ একাত্ম হোৱাৰ সমস্যা দাঙি ধৰি, মাও-এ ৰসিকতা কৰি সমবেত শিল্পী-সাহিত্যিক সকলক 'সেনাহীন সেনাপতি' বুলি অভিহিত কৰে। জনসাধাৰণৰ লগত একাত্ম হোৱাটো এক দীৰ্ঘস্থায়ী আৰু বেদনাদায়ক প্ৰক্ৰিয়া। উৎপাদনমুখী শ্ৰম আৰু জনযুদ্ধৰ কমাৰশালৰ হাফৰৰ জুইৰে নতুন মানসিকতা গঢ়ি তোলাৰ আহ্বান আছিল শিল্পী-সাহিত্যিকসকললৈ। 'সত্যৰ প্ৰতিফলনেই সাহিত্যৰ ধৰ্ম' বুলি যিসকল সাহিত্যিকে ধ্বনি তুলিছিল—তেওঁলোকৰ কথাৰ জৱাবত মাও-এ ক'লে : কোটি কোটি মানুহৰ বৈপ্লৱিক ক্ৰিয়া-কৰ্ময়েই সত্যক পাগি-পুৰি চোৱাৰ কষটি। 'সাহিত্যিক জনপ্ৰিয়তা নে উৎকৰ্ষতা'— এই প্ৰশ্নকাৰী সকলৰ প্ৰশ্নৰ জৱাবত মাও-এ কৈছিল : জনপ্ৰিয়তাৰ ভিত্তিতেই উৎকৰ্ষতা আৰু উৎকৰ্ষতাৰ পৰিচালনাত জনপ্ৰিয়তা। সাহিত্য-সৃষ্টিৰ বিভিন্ন প্ৰশ্নৰ মীমাংসাৰ বাবেইহে উৎপাদনশীল জনতাৰ লগত তেওঁলোকৰ ইমান দিনৰ বিচ্ছিন্নতাক নেওচি—সংগ্ৰামী সাযুজ্যৰ প্ৰতিজ্ঞা, অৰ্থাৎ জীৱনৰ স'তে জীৱন যোগ কৰাৰ প্ৰতিজ্ঞা ইয়েনান ফ'ৰামত সমবেত শিল্পী-সাহিত্যিকসকলে গ্ৰহণ কৰিছিল।

ইয়েনান ফ'ৰামৰ সেই প্ৰতিজ্ঞা চীনৰ বাওঁপন্থী শিল্পী-সাহিত্যিক-সকলে পালন কৰিবলৈ সমৰ্থ হৈছিল নে ?

এইখিনিত কৈ থোৱা ভাল যে, এই নতুন গণ-সংস্কৃতি আন্দোলনৰ সূত্ৰপাত কিন্তু ইয়েনানতে হোৱা নাছিল—তাৰ বহু আগতেই লালফৌজ গঠনৰ লগে লগে তাৰ মাজতে নিৰক্ষৰতা দূৰীকৰণ আৰু গণ-প্ৰচাৰৰ বাবে নাটক, নৃত্য আৰু গীতৰ বাহিনীও সৃষ্টি কৰা হৈছিল—তাৰেই অবিচ্ছেদ্য অংগ হিচাপে প্ৰথম মুক্তাঞ্চল কিযাংছী প্ৰদেশৰ কইছিন-ত ১৯৩১ চনতে মাৰ্শাল ইয়ে ছিয়েন ইঙৰ (বৰ্তমান চীনৰ কমিউনিষ্ট পাৰ্টিৰ ভাইছ চেয়াৰম্যান) পৰিচালনাত নাটক আৰু সংগীতৰ বাবে

'গোর্কী স্কুল' স্থাপন কৰা হৈছিল। লং মার্চৰ কালছোৱাত সৈন্য-সকলৰ আজৰি পৰতে নাটক আৰু সংগীতৰ অনুষ্ঠান পতা হৈছিল। 'বাটৰ-নাট'ৰ সূত্ৰপাতো তেতিয়াই হৈছিল। জাপ-অধিকৃত আৰু চিয়াং কাই শ্বেক শাসিত অঞ্চলসমূহত গেৰিলা-কৌশলেৰে সাংস্কৃতিক বাহিনীয়ে কাম কৰিছিল। সেই ঐতিহ্যৰ সাৰ্থক পৰিণতি ঘটিছিল ইয়েনানত। সমস্যাৰ সৃষ্টি হৈছিল ইয়েনানলৈ অহা বাওঁপন্থী লব্ধ-প্ৰতিষ্ঠ সাহিত্যিক আৰু শিল্পীসকলক লৈ,—কিয়নো, তেওঁলোকৰ মাজত সংগ্ৰামী চেতনা আছিল যদিও মাৰ্কছীয় শ্ৰেণীৰ চেতনা তেওঁলোকৰ মাজত সিমান নাছিল আৰু গণ-সংযোগও নাছিল। ইয়েনান ফ'ৰামৰ পাছত তেওঁলোকৰ বহুতেই মুক্তিযুদ্ধত গুৰুত্বপূৰ্ণ অৱদান যোগাইছিল কিন্তু মুক্তিযুদ্ধৰ সাফল্যৰ পাছত ৰণাংগণৰপৰা ঘোতিয়া তেওঁলোক ঘৰলৈ উলটি আহিল, তেতিয়া তেওঁলোক সংগ্ৰামী জনসাধাৰণৰপৰা বিচ্ছিন্ন হ'ল আৰু তেওঁলোকৰ মাজত বহুতেই তেতিয়া পুৰণি দিনৰ শ্ৰেণী সমন্বয়বাদী সাহিত্য আৰু শিল্পচিন্তাৰ বশৱৰ্তী হৈ ইয়েনান ফ'ৰামৰ আলোক-বৰ্তিকাক নানা ধৰণৰ তত্ত্বৰ ধূম্ৰজালেৰে ঢাকি ধৰিবলৈ বিভিন্ন কৌশলৰ আশ্ৰয় ল'বলৈ ধৰিলে। ১৯৪৯ চনৰপৰা ১৯৬৬ চনলৈ সাংস্কৃতিক বিপ্লৱৰ কাললৈকে ১৭ বছৰ ধৰি এওঁলোকেই চীনৰ শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ গুৰুত্বপূৰ্ণ পদসমূহ অধিকাৰ কৰি আছিল। ওপৰিসৌধত একাধিপত্য বিস্তাৰ কৰি চীনৰ সমাজ-যন্ত্ৰৰ ভিত্তিত ফাট সৃষ্টি কৰিবলৈ এওঁলোকে ষড়যন্ত্ৰ পাঙিছিল।

১৯৫৭ চনত চীনলৈ গৈযেই, ভাষা সিমান একো নজনা সত্ত্বেও, শুনি শুনি কবিতাৰ লেখীয়া যিটো চীনা শ্ল'গান মুখস্থ হৈ গ'ল—সেই শ্ল'গানটো হ'ল 'পাই হুৱা ছি ফাং' 'শত ফুল বিকশিত হওক'। দেশত থাকোঁতেই, ১৯৫৬ চনৰ মজামজি সময়ত লু তিং ঈ-কৃত এই শ্ল'গানটোৰ ভাষ্য ইংৰাজী পুস্তিকাৰ যোগে আমাৰ হাতত পৰিছিল। তদানীন্তন পলিটব্যুৰ'ৰ সভ্য লু তিং ঈ আছিল কমিউনিষ্ট পাৰ্টিৰ

কেন্দ্ৰীয় কমিটিৰ প্ৰচাৰ-বিভাগৰ ডাইৰেক্টৰ। মে' ডে (May Day) সম্বৰ্ধনাত তেওঁৰ স'তে পিকিঙত মোৰ চিনাকি হয়। মই তেওঁক উৎসাহৰে সৈতে কৈছিলোঁ। 'চীনলৈ ৰাওণা কৰাৰ আগতেই আপোনাৰ কিতাপখন মই খুব ভালকৈ পঢ়িছোঁ। সাংস্কৃতিক ফ্ৰণ্টৰ এজন কৰ্মী হিচাপে মই খুব উপকৃতও হৈছোঁ। এই বিষয়ে মই আৰু বিশদভাবে জানিবলৈ বিচাৰোঁ।'

তেওঁ হাঁহি স্বাগত জনাই ক'লে, 'কমৰেড, আপুনি আগতে সুস্থ হৈ ল'ক, তাৰ পাছত আকৌ নিশ্চয় দেখাদেখি হ'ব।'

লু তিং ঈ-ৰ লগত মোৰ আৰু সাক্ষাৎ নহ'ল। কিন্তু দেশলৈ উভতি অহাৰ আগতে পাৰ্টিৰ প্ৰচাৰ-ব্যুৰ'ৰ আন এগৰাকী মুখিয়াল লিন্ মো হান-ৰ সৈতে দুদিন ধৰি প্ৰায় দহ ঘণ্টা আলাপ-আলোচনা কৰিছিলোঁ। লিন্ মো হান্ আছিল কলা আৰু সাহিত্য-বিভাগৰ ভাৰপ্ৰাপ্ত। এই তিনিওজনেই সাংস্কৃতিক বিপ্লৱৰ কালছোৱাত ধিকৃত হৈছিল। পাছত মই সেই আলোচনা কৰিম।

লিন্ মো হানক মই প্ৰশ্ন কৰিছিলোঁ, 'শতফুল বিকশিত হওক নীতিৰ সৈতে মাও চে তুঙৰ ইয়েনান ফ'ৰামত ঘোষিত নীতিৰ কিবা পাৰ্থক্য আছে নে ?'

মোৰ প্ৰশ্নৰ উত্তৰত তেওঁ তেতিয়া কৈছিল 'এৰা, ইয়েনান ফ'ৰামৰ নীতিকেই—মুক্তিৰ পাছত বিশেষ অৱস্থাত প্ৰয়োগৰ পদ্ধতি হিচাপে লোৱা হৈছে।

সাংস্কৃতিক ক্ষেত্ৰত মুক্তিৰ পাছত কি কি বিশেষ প্ৰৱণতা দেখা গৈছিল—সেই কথা অলপ জানি লোৱা ভাল।

১৯৫২ চনত সদৌ চীন নাট্য-সন্মিলনত মাও চে তুঙে যি বাণী প্ৰেৰণ কৰিছিল—সেই বাণীত তেওঁ 'শতফুল বিকশিত হওক'—কথাষাৰৰ উল্লেখ কৰিছিল। পৰৱৰ্তীকালত, ১৯৫৬ চনত কেন্দ্ৰীয় কমিটিৰ মিটিঙত তেওঁৰ এই নীতি গ্ৰহণ কৰা হ'ল। মুক্তিৰ পাছত, চীনৰ শিল্পী-সমাজৰ একাংশৰ অন্ধ গোৱাবামী প্ৰকাশিত হ'ল চীনৰ

ঐতিহ্যবাদী শিল্পকলা, চিত্ৰকলা ইত্যাদি সম্পৰ্কে। তেওঁলোকৰ মতে, চীনৰ প্ৰাচীন নাট্যৰ ৰূপ-ৰীতি আৰু বিষয়বস্তু সামন্ত যুগৰ স'তে এনেকৈ সাঙোৰ খাই আছে। আমি, এইবোৰৰ গইনা লৈ নতুন চীনক প্ৰকাশ কৰাটো হেনো পৰ্বতত কাছকণী বিচৰাৰ দৰে কথাহে হ'বগৈ। তেওঁলোকে মাথোন আধুনিক ইউৰোপীয় নাটকেহে বৈপ্লৱিক বিষয়বস্তু প্ৰকাশ কৰিব পাৰিব বুলি মত প্ৰকাশ কৰিলে। পিকিং অপেৰাকো তেওঁলোকে একেবাৰে কচুকটা দিলে। পিকিং আৰ্ট-কলেজৰ প্ৰিন্সিপালে জল-ৰঙৰ চিত্ৰ বন্ধ কৰি কেৱল তেল-ৰঙেৰে আঁকিবলৈ নিৰ্দেশ জাৰী কৰিলে। কিয়নো, তেওঁৰ মতে, চীনৰ এই ঐতিহ্যগত মাধ্যমেৰে আজিৰ বাস্তৱক প্ৰকাশ কৰিব নোৱাৰি। আকৌ আনফালে আন এচামৰ মাজত আন এবিধৰ গোৱাৰামীযেও মূৰ দাঙিলে। তেওঁলোকে আধুনিক শিল্পতকৈ প্ৰাচীন সৃষ্টিৰ মূল্যক বহু বেছিকৈ স্বীকৃতি দিবলৈ ধৰিলে। পাশ্চাত্য শিল্প-সাহিত্যৰ গ্ৰহণ বৰ্জন সম্পৰ্কেও দুটা পৰস্পৰ বিৰোধী চিন্তাৰ সুঁতিয়ে ফাট মেলিলে। এই পৰিপ্ৰেক্ষাত 'শতফুল বিকশিত হওক' নীতিৰ ধ্বনিৰ জন্ম হৈছিল। মাও-ৰ মতে: সমাজতান্ত্ৰিক সংস্কৃতিৰ বাবে আৰ্টৰ বিভিন্ন শৈলী আৰু ভংগীৰ (form and styles) পৰিপূৰ্ণ আৰু স্বাধীন বিকাশ আৱশ্যক। 'শতফুল বিকশিত হওক' ধ্বনিৰ লগে লগে আন কেইবাটাও ধ্বনিও প্ৰায়েই উচ্চাৰিত হৈছিল, —যেনে—'নতুনক পুৰণিতকৈ বেছি মূল্য দিয়া' (Value new—more than the old), 'পুৰণিক নতুনৰ কামত নিয়োগ কৰা' (Make use of the old to serve the new), 'পুৰণিৰ ৰঘুমলা গুচোৱা—নতুনৰ জন্ম দিবলৈ' (Weed through the old to let the new emerge), 'বিদেশীক ব্যৱহাৰ কৰা চীনৰ সেৱাৰ্থে' (Foreign in the service of China) ইত্যাদি।

সাহিত্য-শিল্পৰ ক্ষেত্ৰত এই ধ্বনিসমূহৰ প্ৰতিটোতে আছিল বিশেষ বিশেষ বাক্-বিতণ্ডামূলক সমস্যাৰ সমাধানৰ ইংগিত। আপাতদৃষ্টিত,

ইয়েনান ফ'ৰামত এইবোৰ প্ৰশ্নয়েই আলোচিত হৈছিল। তেনেহলে আকৌ পুনৰুক্তিৰ প্ৰয়োজন হ'ল কিয়? কিয় ১৯৫৭ চনত 'জনগণৰ অন্তৰ্দ্বন্দ্ব আৰু তাৰ সঠিক সমাধান'ৰ বিষয়ে তেওঁৰ বিখ্যাত ভাষণত চীনৰ শিল্প আৰু সাহিত্যৰ বিষয়ে ইমান কথা ক'বলগীয়া হৈছিল? সেই বছৰত কিয় কমিউনিষ্ট পাৰ্টিৰ প্ৰচাৰমূলক কামৰ বিষয়ে অনুষ্ঠিত জাতীয় সম্মিলনত পাৰ্টিৰ সভ্য-ভুক্ত নোহোৱা ১০০ জনতকৈও অধিক সংখ্যক বিশিষ্ট শিল্পী, সাহিত্যিক আৰু শিক্ষাবিদক আমন্ত্ৰণ কৰি—কাৰখানা, কমিউন আদি চোৱাৰ বাবে মাও-এ আবেদন জনাই কৈছিল: একো এটাও নেদেখাতকৈ ঘোঁৰাৰ পিঠিত উঠি ফুলনি চোৱাও ভাল। ঘোঁৰাৰপৰা নামি ফুলনিত সোমাবলৈ তেওঁ বুদ্ধিজীৱি-সকললৈ আবেদন কৰিছিল আৰু দুই বছৰ বা তিনি বছৰৰ বাবে শ্ৰমজীৱি জনসাধাৰণৰ লগত গৈ বাস কৰিবলৈ সক্ষম বুদ্ধিজীৱি-সকললৈ স্বাগত জনাইছিল।

তেতিয়া চীনত থকা সত্বেও এইবোৰ কথা-কাণ্ড চালি-জাৰি চোৱাৰ সুযোগ, আৰু ক্ষমতাও মোৰ নাছিল। দৰাচলতে, জাপ-বিৰোধী যুদ্ধ আৰু গৃহযুদ্ধৰ কালছোৱাত বুদ্ধিজীৱিসকলৰ যিখিনি জনসংযোগ ঘটিছিল—মুক্তিৰ পাছত তেওঁলোক তাৰ পৰা বিচ্ছিন্ন হৈ পৰিল। মুখে মুখে ইয়েনান ফ'ৰামৰ প্ৰতি স্বীকৃতি দিছিল, যদিও বুৰ্জোৱা বুদ্ধিজীৱি সুলভ আৰাম-বিৰাম, নাম-যশস্যা, পদাধিকাৰ আৰু ক্ষমতালৈ ঢাল খালে। যিসকলে এসময়ত লু শুনৰ 'বিপ্লৱী 'জনগণৰ সাহিত্য নীতি'ৰ বিৰোধিতা কৰিছিল, জাতীয় প্ৰতিৰক্ষাৰ সাহিত্যৰ নামত তেওঁলোকৰ বহুতেই মুক্তিৰ পাছত পাৰ্টি আৰু চৰকাৰৰ দায়িত্বপূৰ্ণ পদসমূহত নিযুক্ত হয়। চৌ ইয়াং, লিন মো হান, থিয়েন হান, ছিয়া ইযেন আদি বুৰ্জোৱা ভাবাপন্ন সাহিত্যিক, নাট্যকাৰ আৰু সমালোচকসকলে পলিটব্যুৰ'ৰ সভ্য আৰু পাৰ্টিৰ প্ৰ'পাগাণ্ডা ব্যুৰ'ৰ ডাইৰেক্টৰ লু তিং ঈ আৰু লিউ খাও চি-ৰ পৃষ্ঠপোষণাত সাংস্কৃতিক ফ্ৰণ্টৰ নেতৃত্বত আছিল

তেওঁলোকেই বিভিন্ন কৌশল খটুৱাই বৰ্তমান চীনৰ সাহিত্য-সৃষ্টি অতীতৰ দৰে ঐশ্বৰ্য্যশালী নহয় বুলি প্ৰচাৰত লিপ্ত হৈছিল। চীনৰ ঐতিহ্যৰ পুনৰ্মূল্যায়ন নকৰাকৈয়েই চকু মুদিয়েই 'গৌৰৱপূৰ্ণ চীন'ৰ প্ৰশংসাত সাতখন-আঠখন হৈছিল, বিশ্ব-সাহিত্য আৰু শিল্পৰ ক্লাছিক ধাৰাক নিৰ্বিচাৰে গ্ৰহণৰ ওকালতীত ধৰিছিল আৰু পাশ্চাত্য ধ্ৰুপদী (ক্লাছিক) সংগীত শ্ৰেণী-বিচাৰৰ উৰ্ধত বুলি তত্ত্ব প্ৰচাৰ কৰিবলৈ ধৰিছিল।

পিকিঙলৈ গৈয়েই ইয়ুথ থিয়াটাৰৰ মঞ্চত যি নাটকখন চালোঁ সেইখন হ'ল কালিদাসৰ 'শকুন্তলা'। মূল সংস্কৃতৰ পৰা শকুন্তলাৰ অনুবাদ কৰি প্ৰাচীন ভাৰতীয় আংগিকেৰে মঞ্চস্থ কৰা হৈছিল। কিছু দিনৰ পাছতেই পিকিঙতে চালোঁ চীনৰ ব্যালে ট্ৰুপ-অভিনীত চাইক'ভস্কিৰ 'স্বোৱান লেক'। শেকছপীয়েৰ, ইবছেন প্ৰমুখসকলৰ নাটক তেতিয়ালৈকো চীনৰ মঞ্চত অভিনীত হৈছিল। আমাৰ 'দো বিঘা জমীন' বোলছবি যেনেকৈ জনপ্ৰিয় আছিল, ৰাজকাপুৰৰ 'আৱাৰা' তাতকৈ কম জনপ্ৰিয় নাছিল। এতেকে, 'শতফুল বিকশিত হওক' নীতিক মই ভাবি লৈছিলোঁ শিল্প আৰু সাহিত্যত সৰ্বপ্ৰকাৰৰ সৃষ্টিৰ সহাৱস্থান। চৌ ইয়াং প্ৰমুখইঁতে নানান কায়দা-কিটিপেৰে সেই ধাৰণাটোকেই সততে সকলোতে গাই ফুৰিছিল। তেওঁলোকৰ এই প্ৰচেষ্টাৰ পশ্চাৎপটত আছিল ছোভিয়েত পাৰ্টিৰ ২০তম কংগ্ৰেছৰ শান্তিপূৰ্ণ সহাৱস্থান, শান্তিপূৰ্ণ উত্তৰণ আৰু প্ৰতিযোগিতাৰ সিদ্ধান্তসমূহ। কিন্তু 'জনগণৰ মাজত অন্তৰ্দ্বন্দ্বৰ বিষয়ে' তেওঁৰ ভাষণত্ৰ মাও চে তুঙে কৈছে: 'শতফুল বিকশিত হওক' নীতিত আপাতদৃষ্টিত কোনো শ্ৰেণী-চৰিত্ৰ নাই। প্ৰলেতাৰিয়েতে যেনেকৈ ইয়াক তেওঁৰ স্বাৰ্থত ব্যৱহাৰ কৰিব পাৰে, তেনেকৈয়ে বুৰ্জোৱায়ো ইয়াৰে সুবিধা ল'ব পাৰে। কোনটো 'সুগন্ধি ফুল, অৰু কোনটোবা বিষাক্ত ৰঘুমলা'—বিভিন্ন শ্ৰেণীয়ে তাৰ নিজৰ মাপকাঠিতৰ তাৰ বিচাৰ কৰিব। আৰ্টৰ মাপকাঠি বাদেও

মাও চে তুঙে তাত ৬ দফীয়া ৰাজনৈতিক মাপকাঠিও দিছিল, যাৰ গুৰিকথা আছিল কমিউনিষ্ট পার্টিৰ নেতৃত্বত চীনত সমাজতন্ত্ৰৰ গঠনক আৰ্টে শক্তিশালী কৰি তুলিব। লেনিনৰ 'দাঁত আৰু চকা' (Cog and wheel) নীতিৰ আলমতেই মাও-এ প্ৰলেতাৰীয় ৰাজনীতিৰ সেৱাত শিল্পকলাক নিযুক্ত কৰাৰ কথা কৈছিল। তেওঁ কৈছিল: চীনত শ্ৰেণী-সংগ্ৰাম আৰু বহু দিনলৈকে চলিব আৰু তীব্ৰৰ পৰা তীব্ৰতৰ হ'ব। সমাজতন্ত্ৰ আৰু ধনতন্ত্ৰৰ মাজত কোন জয়ী হ'ব চীনত এতিযালৈকো তাৰ চূড়ান্ত সিদ্ধান্ত হোৱা নাই। গতিকে, 'শতফুল বিকশিত হওক' নীতি শিল্পত শ্ৰেণী-সংগ্ৰামৰে নীতি। কোনটো 'বিষাক্ত বঘুমলা' আৰু কোনটো যে 'সুগন্ধি ফুল'—সমগ্ৰ জনগণক এই শিক্ষাৰে শিক্ষিত কৰি তোলাটোৱেই তেওঁৰ উদ্দেশ্য। লিন্ মো হানে মোক কৈছিল, ইয়েনানৰ উত্তৰাধিকাৰেই হ'ল 'শতফুল বিকশিত হওক'। কিন্তু শেহান্তৰত দেখা গ'ল যে তেওঁ আৰু তেওঁৰ মুৰব্বী চৌ ইয়াং, লু তিং ঈ-ৰ দলে চীনত 'বিষাক্ত বঘুমলা'ৰ হে খেতি কৰিলে।

ইয়েনান ফ'ৰামৰ ছাইনবৰ্ড আগফালে ওলোমাই দি সমাজতন্ত্ৰী চীনত কাউৰাটোযো গম নোপোৱাকৈ বুৰ্জোৱা সাহিত্যৰ লাওপানী পগোৱা যিবোৰ ঠাইত বিভিন্ন তত্ত্বৰ লাওপানী পগোৱা হৈছিল সেই চুলাই প্ৰকাশ্য হাটত বিকিবলৈ ধৰিলে—১৯৬০ চনৰপৰা পাঁচোটি বছৰ—যি বছৰকেইটিত চীনে প্ৰাকৃতিক দুৰ্য্যোগৰ মাজত পৰি ককবকাই আছিল। সেই চুলাই বেচা সত্যনাৰায়ণৰ ভতিজাকহঁতে চীনৰ কেইবাখনো প্ৰধান সাহিত্য-পত্ৰিকাৰ দপ্তৰতো আড্ডা জমাইছিল। উ হান্ আৰু তেং তো-ই 'পিকিং ডেইলী' আৰু 'ফ্ৰন্ট লাইন' আলোচনাৰ যুক্ত পৰিচালনাৰ কৰ্তৃত্বত আছিল। পিকিঙৰ মেয়ৰ আৰু পলিটব্যুৰ'ৰ সদস্য পান্‌জেনৰ লগৰীয়া তেং তো আছিল পিকিং নগৰ-পালিকা (মিউনিছিপ্যাল) পাৰ্টিৰ সাংস্কৃতিক শাখাৰ ডাইৰেক্টৰ। ডেপুটি মেয়ৰ উ হান, তেং তো আৰু লিয়াও মো শা, পান জেনৰ এই

তিনি পিচে নিতে নব তত্ত্ব লেবেল মাৰি আৰু বজৰুৱা কেনভাছাৰ স্থুলত বক্তিতাৰ ফুলজাৰিৰে এই লাওপানী বেচাত বিশেষ খ্যাতি আৰ্জিছিল। যি সময়ত সাহিত্যৰ জৰীয়তে জনসাধাৰণৰ বৈপ্লৱিক চেতনাক উমুৱাৰ আৱশ্যক আছিল আটাইতকৈ বেছি, সেই সময়তে তেওঁলোকে এই চুলাই বেচাৰ কাৰবাৰত ধৰিছিল। কিন্তু তেওঁলোকৰ এইবোৰ ক্রিয়া-কাণ্ডৰ খাই গুৰুদেৱ আছিল চৌ ইযাং। চীন-বিপ্লৱৰ সাফল্যৰ পাছৰে পৰাই চৌ ইয়াঙেই চীনৰ নাট্য ইউনিয়নৰ সভাপতি বিখ্যাত নাট্যকাৰ খিয়েন হান, সংস্কৃতি দপ্তৰৰ সহকাৰী মন্ত্রী ছিয়া ইয়েন, সদৌ চীনৰ সাহিত্য আৰু শিল্পকলা ফেডাৰেশ্যনৰ সাধাৰণ সম্পাদক ইয়াং হাং শেং প্রমুখইঁতক লৈ ইযেনান ফ'ৰাম-নীতি-বিৰোধী চক্র পাতিলে—যাক চীনৰ 'পেটোফি ক্লাব' বুলিযেই ক'ব পাৰি। এতেকে এই চক্রৰ মুখিয়াল চৌ ইয়াঙৰ কিছুমান তত্ত্বৰ ইয়াত চমু আলোচনাৰ প্রয়োজন আছে। তেওঁৰ তত্ত্বত উদ্বুদ্ধ হৈয়েই উহান, তেং তো, লিযাও মো শ্বা—এই তিনিও অৰধুতে 'তিনি পৰিয়ালৰ গাঁও' নামৰ সাহিত্যৰ ঘঁাটি নির্মাণ কৰি তাৰপৰা ছদ্মনামত বিষাক্ত কাঁড়বোৰ সর্বহাৰাৰ সদৰ দপ্তৰলৈ মাৰি পঠিয়াবলৈ ধৰিলে।

১৯৬১ চনৰ ২৬ মার্চৰ 'ওৱেন ইপাও' সাহিত্য-আলোচনীত চৌ ইযাঙে 'বিষয়বস্তুৰ প্রশ্নত' এই শিৰোনামত তেওঁৰ 'বহল বিষয়বস্তু'ৰ তত্ত্ব দাঙি ধৰিলে। চৌ ইয়াঙৰ এই ৰচনাটিক আৰু মার্জিত আৰু সমৃদ্ধ কৰি দিলে লিন মো হানে। আকৌ, সেই সংখ্যাতেই তেং তোই বৈচিত্র্যৰ বাবে আহ্বান জনালে। 'সাহিত্যক সকলো ফালেই বিকশিত কৰি তুলিব লাগিব', 'সকলো ধৰণৰ প্রজ্ঞাক কামত নিয়োজিত কৰিব লাগিব', 'বৈচিত্র্যই হ'ল সাহিত্যৰ প্রাণ' 'বিষয়বস্তুৰ বহল বাটেৰে লেখনী চলাব লাগিব'—চৌ ইযাঙৰ এইবোৰ গহীন-গম্ভীৰ বাণীৰ আঁৰত প্রলেতাৰীয় ৰাজনীতিৰ স্বার্থক সাহিত্যক নিয়োজিত কৰাৰ নীতিৰপৰা সাহিত্য-আন্দোলনক বিচ্যুত কৰাটোৱেই আছিল সূক্ষ্ম উদ্দেশ্য। মাথোন শ্রমিক-কৃষক আৰু সৈনিকৰ বাবে লেখাটো

তেওঁলোকৰ মতে একদেশদৰ্শিতাহে। প্ৰেম, পৰিয়াল, প্ৰকৃতি—আদি কিমান যে বিষয় লৈ লিখিব পৰা যায়। অৱশ্যে তাৰ বাবে বহল দৃষ্টি লাগিব। আৰু তেওঁলোকৰ মতে 'শতফুল বিকশিত হওক' নীতি হ'ল এই চিন্তাধাৰাৰ হে অনুসাৰী। সকলো ধৰণৰ সুপ্ত প্ৰতিভাৰ বিকাশেই হ'ল সমাজতান্ত্ৰিক সংস্কৃতি গঠনৰ পদ্ধতি। এইবোৰ বৰ বৰ কথাৰ আচল উদ্দেশ্য আছিল—সাহিত্য যে শ্ৰেণী-সংগ্ৰামৰ হাতিয়াৰ সেই কথাটোক অস্বীকাৰ কৰা—আৰু 'শতফুল বিকশিত হওক' নীতিক শ্ৰেণী-সমন্বয়ৰ নীতি হিচাপে সাব্যস্ত কৰা, আৰু এইদৰেই ওপৰিসৌধক 'বিষাক্ত বঘুমলা'ৰে বিষাক্ত কৰি তুলি সমাজ-তন্ত্ৰৰ ভেটিটোকেই সমূলে ধ্বংস কৰা।

১৯৬২ চনতেই চীনা সাহিত্যৰ এই নিউ ওৱেভ বা 'নৱতৰংগ' পন্থীহঁতে অতি মাত্ৰাই সৰৱ হৈ উঠিল। তেওঁলোকৰ পশ্চাৎপটত আছিল ছোভিয়েত কমিউনিষ্ট পাৰ্টিৰ ২২তম কংগ্ৰেছৰ চূড়ান্ত লেনিন-বাদ বিৰোধী বক্তব্য—'সমগ্ৰ জনগণৰ ৰাষ্ট্ৰ আৰু সমগ্ৰ জনগণৰ পাৰ্টি'। ঘঁটীয়া শিঙৰা চৌ ইযাংহঁতে এই একেটা হোৱা দিলে, হয় হয়, সমাজতন্ত্ৰী চীনদেশত সমগ্ৰ জনগণৰ বাবেহে সাহিত্য লাগে। তেওঁলোকে ক'লে, জনগণৰ চৰিত্ৰৰ সাৰ্থক দিশ থকাদি নঞৰ্থক দিশও নথকা নহয়, এতেকে এই আটাইবোৰকে আমি আমাৰ মঞ্চৰ ওপৰত ঠাই দিব তো লাগিবই। অৰ্থাৎ তেওঁলোকে আওপাকে শ্ৰমিক-কৃষকক হিৰ' হিচাপে ৰূপায়িত কৰা সাহিত্য আৰু নাটকৰ বিৰুদ্ধে থিয় দিলে। তেওঁলোকে আৰু এটা কথা ক'বলৈ ধৰিলে যে, জনগণৰ লগত সংযোগ ৰাখিব লাগিব। মন কৰিবলগীয়া কথা যে, যিস্থলত ইয়েনান ফ'ৰামত আৰু তাৰ পাছত আকৌ মুক্তিৰ পাছতো পাৰ্টিৰ নেশ্যনাল কনফাৰেন্সত লেখক আৰু শিল্পীসকলক মাও-এ বাৰে বাৰে শ্ৰমজীৱি জনতাৰ উৎপাদনমুখী জীৱনৰ স'তে জীৱন যোগ কৰিবলৈ গাঁৱলৈ গৈ, কাৰখানালৈ গৈ কায়িক শ্ৰম কৰিবলৈ অনুৰোধ কৰিছিল—তেনেস্থলত চৌ ইয়াং-পন্থীহঁতে মাথোন সংযোগ ৰক্ষাৰ কথা কৈ—সেই কষ্টৰপৰা

ৰেহাই পাব খুজিছে। ১৯৫৮ চনত মই যি 'খ্বিয়া ফাং' বা 'গাঁৱলৈ যোৱা'ৰ আন্দোলন চাই আহিছিলোঁ, এই ডাঙৰীয়াসকলৰ চেষ্টাৰ ফলত ১৯৫৯ চনৰপৰা সেই আন্দোলন জামৰি আহিছিল।

সাহিত্যৰ ক্ষেত্ৰত পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ প্ৰ'পাগাণ্ডা ব্যুৰ'ৰ ৰৰমুৰীয়া আছিল চৌ ইয়াং। এতেকে, তেওঁৰ পৃষ্ঠপোষণাত তেতিয়াৰ খৰ-প্ৰপীড়িত চীনৰ মাটিত বিষাক্ত ৰঘুমলা চাৰিওফালে বিযপি পৰিবলৈ ধৰিলে। তেতিয়াৰ দিনৰ চীনৰ লেখক-সংঘৰ ঘাই সভাপতি শ্বাও চুৱান্ লিন মহোদয়ে 'মজলীয়া চৰিত্ৰ সৃষ্টি'ৰ তত্ত্ব দাঙি ধৰিলে। চীনৰ অগণিত দৰিদ্ৰ জনগণৰ এটা বিৰাট অংশ এতিয়ালৈকে 'মাধ্যমিক দশা'ত আছে, অৰ্থাৎ এওঁলোক এতিয়ালৈকো সমাজতন্ত্ৰ আৰু ধনতন্ত্ৰৰ দেমোজাত দোদুল্যমান। এওঁলোককো সাহিত্যত ৰূপ দিয়াটো অত্যাৱশ্যক। এয়ে হ'ল শ্বাও চুৱান লিনৰ সুৰীয়া তত্ত্বৰ গুৰিকথা। এই উদ্দেশ্য লৈয়েই তেওঁ 'বাস্তৱতাৰ গভীৰত' তত্ত্বটোকে লগে লগে উপস্থাপিত কৰিলে। তেওঁৰ তত্ত্ব অনুসাৰে জনগণৰ আওপুৰণি কুসংস্কাৰ আৰু কনফুছীয় ধ্যান-ধাৰণা—এই আটাইবোৰক সাঙুৰি লৈয়েই সৃষ্ট হ'ব 'মাজিউ চৰিত্ৰ'। ইযেনান ফ'ৰামত টিপিকেল চৰিত্ৰ সৃষ্টিৰ বিষয়ে মাও-এ যি বক্তব্য দাঙি ধৰিছিল, এই তত্ত্বই আও-পকীয়াভাৱে সেই তত্ত্বক বাতিল কৰিব খুজিলে।

নাট্যকাৰ ইউনিয়নৰ সভাপতি পৃথিৱীবিখ্যাত প্ৰবীণ চীনা নাট্যকাৰ থিয়েন হানে ইয়েনান ফ'ৰামত সিদ্ধান্ত-বিৰোধী তত্ত্ব হাজিৰ কৰিলে: সাহিত্যত বিষয়বস্তুক নিয়ামক উপাদান কৰি তুলিলে নচলিব। বিষয়বস্তুৰ অহেতুক গুৰুত্ব হ'ল এক শৃংখল। থিয়েন হানৰ বক্তব্যৰ মৰ্মাৰ্থ হ'ল: আংগিকক অগ্ৰাধিকাৰ দিব লাগিব। থিয়েন হানে মুক্তিৰ পাছৰেপৰাই শ্ৰেণী-সংগ্ৰামহীন সাহিত্যৰ হৈ ওকালতীত ধৰিছিল, যদিও অতীতত তেওঁৰ কিছুমান নাটক আৰু চিত্ৰনাট্যত জাপ-বিৰোধী আৰু চিয়াং কাই শ্বেক-বিৰোধী তীক্ষ্ণ বক্তব্য দাঙি ধৰিছিল। তথাপি তেওঁ তেওঁৰ ৰচিত চিত্ৰনাট্য

আৰু নাটক সম্বন্ধে এবাৰ কৈছিল : চীনৰ জনতাৰ সীমাহীন গভীৰ দুঃখক বাঙ্ময় কৰি তোলাটোৱেই মোৰ উদ্দেশ্য।

আমাৰ দেশত এদল প্ৰগতি সাহিত্যিক, যিসকল সাহিত্যিক আজি ভাৰতীয় বুৰ্জোৱাৰ আজ্ঞাবহ কাপ-চেলেকা হৈ উঠিছে, তেওঁ-লোকৰ মুখত যুগ-যন্ত্ৰণাৰ কথাটো বৰকৈ শুনা যায়। এই দুঃখবাদী বা যন্ত্ৰণাবাদীইঁতে কিন্তু জনতাৰ অভ্যুত্থান মুঠেই পচন্দ নকৰে। কিয়নো জনতাৰ অভ্যুত্থানক সাহিত্যায়িত কৰিব নোৱাৰি। থিয়েন হানে চীনৰ অপৰাজেয়-জনগণৰ বিপ্লৱৰ বীৰত্বৰ গাথা ৰচনাত অসুবিধা বোধ কৰিছিল। কাজেই চিয়াং চিঙৰ নেতৃত্বত পিকিং অপেৰাত বিপ্লৱী ৰূপান্তৰ আৰম্ভ হোৱাৰ পাছৰে পৰাই তেওঁ তাৰপৰা আৰু একোৱে বিচাৰি নোপোৱা হ'ল, পালে মাথোন বাৰুদৰ গোন্ধ। তেতিয়া সেই চুলাই মদৰ ৰাগীৰে সৃষ্টি হ'বলৈ ধৰিলে পাৰ্টি-বিৰোধী, গণ-বিৰোধী নাটক, গীত, বোলছবি ইত্যাদি। প্ৰতিক্ৰিয়াশীল উপন্যাস লিউ চি তাং প্ৰকাশিত হ'ল। চীনৰ পুব আৰু উত্তৰ-পুবৰ দুখন জিলাত উচ্চপদত প্ৰতিষ্ঠিত আছিল জাও ছু ছী আৰু কাও কাং। তেওঁলোকে সেই দুখন জিলাত 'স্বাধীন চৰকাৰ' প্ৰতিষ্ঠা কৰাৰ ষড়যন্ত্ৰ পাণ্ডিছিল। ১৯৫৪ চনত অনুষ্ঠিত পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ চতুৰ্থ পূৰ্ণাংগ অধিবেশনত কাওকাং ষড়যন্ত্ৰ উদঘাটিত হয়। এই উপন্যাসত কাও কাঙক সমৰ্থন কৰা হৈছে। চৌ ইয়াঙে এই উপন্যাসখনক আদৰ্শ উপন্যাস বুলি প্ৰশংসাপত্ৰ দিয়ে। 'চতুৰ্থ সন্তানে মাকক চাবলৈ আহিল'ৰ (Fourth son visits his mother) দৰে প্ৰতিক্ৰিয়াশীল অপেৰা বা 'ড্ৰেগন-ফিনিক্সৰ প্ৰণয়-লীলা'ৰ (Dragon flirts with the Phoenix) দৰে অশ্লীল নাটককে আদি কৰি ভুৰি ভুৰি বিষাক্ত বঘুমবাৰ আবিৰ্ভাৱ ঘটিল। তাৰ পাছত তাতোকৈ দুখোজ আগুৱাই আহি 'তিনি পৰিয়ালৰ গাঁও' আৰু 'ইয়েনছানত সান্ধ্য মেল' স্তম্ভত তেং তো, উ হান আৰু লিয়াও মো শ্বা-ই বক্ৰোক্তিৰ আকাৰত পোনেই গুৱালগালি পাৰিবলৈ ধৰিলে মাও চে তুঙলৈ পোনাই।

শিল্প-বিপ্লৱত নতুন ধাৰা

তা-চিন্-উদ্দীপনা

চীনৰ শ্ৰম-শিল্পৰ চালিকা-শক্তি

কৃষিত তা চাই, শিল্পত তা চিন্। পাশ্চাত্য অৰ্থনীতিবিদ সকলৰ চিৰাচৰিত ফৰ্মুলাক ভাঙি দি কৃষি আৰু শ্ৰমশিল্পত আজিৰ চীনদেশে যি অবিশ্বাস্য ঘটনা ঘটাইছেতাৰ গুৰিত কাম কৰিছে এই দুই উদ্দীপনাই। চীনৰ য'লৈকে নাযাওক, বিৰাট বিৰাট আখৰেৰে দেখা পাব—কেতিয়াবা পাহাৰৰ গাত খোদিত, কেতিযাবা কেতিযাবা প্ৰাচীৰ-পত্ৰত ধুনীয়াকৈ সাজোৱা আখৰেৰে লেখা, আকৌ কেতিযাবা কমিউনৰ কেন্দ্ৰীয় দপ্তৰৰ গে'টৰ দুযোকাষতে, আনকি শিশুসকলৰ কিণ্ডাৰ-গাৰ্টেনতো নীতিবাক্যৰ দৰে লেখা আছে—মাও চে তুঙৰ দুটি উক্তি—'নুং ইয়ে শ্বুয়ে তা-চাই, কুং ইযে শ্বুযে তা-চিন্' অৰ্থাৎ 'কৃষিত তা চাই আৰু শ্ৰমশিল্পত তা চিনৰপৰা শিক্ষা লাভ কৰাঁ'। ১৯৪৬ চনত এই বাক্য দুষাৰি উচ্চাৰিত হৈছিল—যেতিয়া কৃষিত লিউ শ্বাও চি-নীতিক পৰাস্ত কৰি তা চাই-ৰ ঘটনা ঘটিছিল, আকৌ শ্ৰম-শিল্পতো লিউ লাইনক পৰাজিত কৰি ঘটিল তা-চিন-ৰ ঘটনা।

তাচাই সম্পৰ্কে আগতেই আলোচনা কৰি অহা হৈছে। এতিয়া তা-চিন্ সম্পৰ্কে চমু আলোচনাৰ প্ৰয়োজন—সাংস্কৃতিক বিপ্লৱোত্তৰ চীনক বুজিবলৈ হ'লে।

চীনৰ যিকোনো কাৰখানা চাবলৈ গ'লেই কাৰখানাৰ পৰিচালক বিপ্লৱী কমিটিৰ চেয়াৰম্যান বা আন কোনো সভ্যই কোৱা শুনিব: 'আমাৰ শ্ৰমিকসকলে তা চিন্ স্পিৰিটৰ ইটো কৰিলে, বা সিটো কৰিছে।'

এই তা-চিন্ স্পিৰিট নো কি ?

১৯৫৯ চনৰপৰা তিনি-চাৰি বছৰলৈ মাথোন প্ৰাকৃতিক দুৰ্য্যোগ ঘটাই নহয়—বিপদ কেতিয়াও অকলে নাহে—প্ৰাকৃতিক দুৰ্য্যোগৰ লগত ভূতৰ ওপৰত দানহ পৰাদি চীনৰ মূৰত পৰিগহি আন এক সাধাৰণ দৃষ্টিত সমাধানৰ অতীত এক সমস্যা—ইন্ধন বা জ্বালানী তেলৰ সমস্যা। তেলৰ বাবে চীনদেশ আছিল সম্পূৰ্ণতঃ বিদেশ-নিৰ্ভৰ—বিশেষকৈ ছোভিয়েত ইউনিয়ন আৰু ৰুমানিয়াৰ ওপৰত নিৰ্ভৰশীল। ১৯৫৯ চনত আটাইবোৰ চুক্তি ছোভিয়েতে একপক্ষীয় ভাবে ফালি পেলালে আৰু ছোভিয়েত ইউনিযনে চীনক তেলৰ যোগান বন্ধ কৰিলে। চীনৰ পৰিবহন ব্যবস্থা তেতিয়া প্ৰায় ভাগি পৰোঁ পৰোঁ অৱস্থাত।

মুক্তিপূৰ্ব চীনদেশত ৪০ বছৰত ছেনছি প্ৰদেশত ইয়েং চাং আৰু কাংছু প্ৰদেশৰ ইউনানত যি ৪৫টা তেলৰ কুঁৱা খন্দা হৈছিল তাৰপৰা বছৰি ১ লাখ টনতকৈও কম পৰিমাণৰ তেল পোৱা গৈছিল। আৰু প্ৰাকৃতিক গেছ নিচেই নগণ্য। তেতিযাৰ দিনত পচিমীয়া ভূতত্ত্ববিদ-সকলে অনুসন্ধান কৰি মত প্ৰকাশ কৰিছিল যে—চীনদেশত তেল-শিল্প বিকাশৰ কোনো সম্ভাৱনা নাই। ছোভিয়েত বিশেষজ্ঞসকলেও সেই মতকে দোহাৰিছিল।

মুক্তিৰ পাছত, বিশেষকৈ ১৯৫৮ চনত দীৰ্ঘ পদক্ষেপেৰে আগ বাঢ়ি যোৱাৰ আন্দোলনৰ কালছোৱাত, ৯০০ তকৈও অধিক অনুসন্ধানকাৰী দলে অক্লান্তভাৱে অনুসন্ধান কৰি চীনত বহু সংখ্যক তেলবাহী ভূস্তৰ আৱিষ্কাৰ কৰিলে। এইদৰেই মাঞ্চুৰিয়াত তা-চিনৰ সন্ধান পোৱা গৈছিল। ১৯৬০ চনত তা-চিনত প্ৰাথমিক কাম আৰম্ভ কৰা হৈছিল। কিন্তু ১৯৬৬ চন শেষ হোৱাৰ আগতেই ঘোষণা কৰা হ'ল যে চীনদেশ পেট্ৰলত স্বয়ম্ভৰ হৈ উঠিছে। এই অবিশ্বাস্য ঘটনা ঘটিছিল কেনেকৈ ?

তা-চিন্ আছিল এক প্ৰায় জন-মনুষ্যহীন বিস্তীৰ্ণ ঘাঁহনি, জাৰকালি তাত হিমাংক শূন্যতকৈও ৩০ ডিগ্ৰি ছেন্টিগ্ৰেড তললৈ যায়। যান-বাহনৰ কোনো বাট-পথ নাই। অথচ ইয়াতেই ৰবফেৰে সেমেকা

ঘাঁহনিৰ মাজতে পাতালৰ পৰা ওলোৱাৰ দৰে উজলি উঠিল—শ্ৰমশিল্পৰ এক নতুন আলোক-বৰ্তিকা।

১৯৬০ চনত চৰম সংকটৰ দিনত কাংছু প্ৰদেশৰ ইউমান তেল-উৎপাদনৰ-ক্ষেত্ৰত আওপুৰণি ধৰণৰ ড্ৰিলিং বিগত কাম কৰাৰ অভিজ্ঞতা লৈ গাত কপাহী পেডৰ কোট আৰু মূৰত ভেড়াৰ নোমৰ মোংগলীয় টুপী পিন্ধি এগৰাকী শ্ৰমিক আহিল তা-চিনলৈ। ১৫ বছৰ বয়সত তেওঁ কাংছুৰ তেল-ক্ষেত্ৰত সাধাৰণ বনুৱা হিচাপে কামত যোগ দিছিল। নাম তেওঁৰ ৱাং চিং ছি। তেওঁৰ মনৰ ভিতৰত তেতিয়া উথল-মাথল লগাইছে মাও চে তুং লিখিত 'নৰম্যান বেথুনঃ জনগণৰ সেৱাৰ্থে' প্ৰবন্ধৰ আত্মদানৰ উন্মাদনা আৰু 'অজলা বুঢ়াই পাহাৰ হটোৱাৰ' সংকল্পই। তেওঁ যি ড্ৰিলিং বাহিনী গঢ়ি তুলিলে তাৰ নাম হ'ল ১২০৫ নং ড্ৰিলিং টিম। কিন্তু প্ৰাথমিক কামৰ বাবে ন্যূনতম সা-সৰঞ্জাম, আনকি থকা ঠাইও নাই। শীতকাল আৰম্ভ হোৱাৰ আগতেই আৰম্ভ হ'ল প্ৰচণ্ড বৰষৰ ধুমুহা। ওচৰে-পাঁজৰে লোকালয়ো নাই। তথাপি তৰি—জুই জ্বলাই বাতি কটাবলগীয়া হৈছিল, পঢ়িছিল, আলোচনা কৰিছিল সকলো শ্ৰমিকৰ লগত। তেওঁৰ লগত আছিল দুখন কিতাপ—মাও চে তুঙৰ 'অনুশীলন সম্পৰ্কে' (On Practice), আৰু 'দ্বন্দ্ব সম্পৰ্কে' (On Contradiction), আৰু সেই চিন্তাৰে তেওঁলোকৰ আগত মূৰ দাঙি উঠা তা-চিনৰপৰা তেল উৎপাদনৰ সমস্যা লৈ —সমস্যাৰ সমাধানৰ উপায় লৈ সমবেত ভাবে ভাবিছিল। ১৯৪৯ চনত যেতিয়া চীনত সুদীৰ্ঘ মুক্তিযুদ্ধ সফল হ'ল তেতিয়া ৱাং আছিল এজন সম্পূৰ্ণ নিৰক্ষৰ শ্ৰমিক। জীৱনত কোনোদিনেই স্কুলৰ চৌহদলৈকো যোৱা নাছিল। মুক্তিৰ পাছত তেওঁ অসীম অধ্যৱসায়েৰে পঢ়া-শুনা আৰম্ভ কৰি দিলে। ১৯৬৫ চনৰত মাজত তেওঁ মাও চে তুঙৰ ৰচনাৱলী পঢ়ি শেষ কৰিলে। তাৰ মাজত বিশেষ প্ৰবন্ধসমূহ বহুবাৰ পঢ়িলে। পেট্ৰলিয়াম বিহীন দেশ এখনক পেট্ৰলত স্বয়ংসম্পূৰ্ণ কৰি তুলিবৰ মানসেৰে তেওঁ যিটো টিম পাতিলে—আজিৰ চীনৰ আদৰ্শ সেই ১২০৫ নং ড্ৰিলিং টিমক তেওঁ

মার্ক্সবাদ-লেলিনবাদ তত্ত্বৰ অব্যৰ্থ অস্ত্ৰেৰে সজ্জিত কৰিলে। তেওঁলোকে শিকিলে, প্ৰকৃতিৰ ৰূপান্তৰৰ অনুশীলনৰ যোগেদিয়েই প্ৰকৃত জ্ঞানলাভ সম্ভৱ। লিউ খাও চি নহয়, বিদেশৰ মুখাপেক্ষী নহৈ আমাৰ যি আছে তাকে সম্বল কৰি লৈ আমি আমাৰ বাটেৰে আগ বাঢ়ি যাম। ড্ৰিলিং য'লৈকে আছিল সেই ঠাইৰপৰা সেইবোৰ তা চিনৰ কৰ্মক্ষেত্ৰলৈ লৈ যাবলৈ কোনো বহল বাট-পথ নাছিল। কিন্তু ওৱাং চিং নদমিল। তেওঁলোকৰ কান্ধ আছে, আছে জৰী-ফহটি, কাঠ আদি। তাৰেই ৰিগ বহুউৱা হ'ল। কিন্তু ড্ৰিল কৰিবলৈ পানীও যে লাগে। তাত তো পানী নাই! গতিকে তেওঁলোকেই কুঁৱা খান্দিবলৈ ধৰিলে। ওৱাং আৰু তেওঁৰ সহকৰ্মীসকলে খোৱা-শোৱা পাহৰি গ'ল। কাম কৰাৰ মাজতেই শুকান খাদ্য খাইছিল। চীনৰ এই তেল-সংকটৰ সময়ত যদি আমি এই সমস্যাৰ সমাধান কৰিবলৈ গৈ মৰোঁ তাতকৈ সাৰ্থক মৃত্যু আৰু কি? এয়ে আছিল তেওঁৰ আৰু তেওঁৰ অনুগামী-সকলৰ আদৰ্শ। কাম আৰম্ভ হৈছিল জহকালি—এতিয়া জাৰৰ আগমনৰ আগ ছোৱাতে, নভেম্বৰ মাহতে সকলো বৰফময় হৈ পৰিল। কিন্তু কাম অমুহূৰ্তৰ বাবেও বন্ধ নহ'ল। বৰফ চূৰ্ণ-বিচূৰ্ণ কৰি পানী উলিউৱা হ'ল আৰু তাৰে চলি থাকিল ড্ৰিলিঙৰ কাম। চীনৰ ইতিহাসত নতুন ড্ৰিলিং ৰেকৰ্ড সৃষ্টি কৰিলে তা-চিনৰ ১২০৫ নম্বৰৰ ড্ৰিলিং টিমে। সাংস্কৃতিক বিপ্লৱৰ প্ৰেৰণাৰে উদ্বুদ্ধ হৈ ১৯৬৬ চনত এক লাখ মিটাৰ ড্ৰিল কৰি এই টিমে এক বিশ্ব-ৰেকৰ্ড স্থাপন কৰিলে। বিপ্লৱত মুক্তি-পূৰ্ব চীনৰ চল্লিছ বছৰৰ সৰ্বমুঠ ৰেকৰ্ড হ'ল এসত্তৰ হাজাৰ মিটাৰ মাথোন। তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ (১৯৬৫—১৯৭০) নিৰ্ধাৰিত লক্ষ্যমাত্ৰা, ১৯৬৮ চনতেই অৰ্থাৎ দুবছৰৰ আগতেই পূৰণ কৰা হৈ গ'ল। ১৯৭১ চনৰ অভূতপূৰ্ব শীতৰ আক্ৰমণ সত্বেও তেওঁলোকৰ ৰেকৰ্ড অব্যাহত থাকিল। প্ৰতিনিয়ত গড ড্ৰিল কৰা হ'ল ১০৩০ মিটাৰ, মাহেকত ৮,৭০৯ মিটাৰ। কিন্তু ওৱাং তাতো সন্তুষ্ট নহয়। তেওঁ ক'লে: 'আমি এতিয়ালৈকো পৰ্বতচূড়াত ৰঙা পতাকা উড্ডীন কৰিব পৰা নাই।'

কিন্তু সমগ্র দেশে জানিলে যে, ওৱাং চিং শ্বি-ৰ নেতৃত্বত মাত্র তিনি বছৰতে, ১৯৬৩ চনত তা-চিন্ এখন প্রথম শ্রেণীৰ তেল-পথাৰত পৰিণত হৈছে। সমগ্র দেশৰ মানুহে বিপ্লৱী মডেল শ্রমিক ওৱাঙক নাম দিলে লৌহ-মানৱ ওৱাং ওৱাঙৰ পদাংক অনুসৰণ কৰি নতুন প্রথম শ্রেণীৰ তেল-উৎপাদন-কেন্দ্র শ্বেংলি আৰু তাকাং গঢ়ি উঠিছে। শ্বেংলি তেল উৎপাদন-ক্ষেত্রৰ ৩২৫২ নং ড্রিলিং টিমে লৌহমানৱ ওৱাঙৰ দৃষ্টান্তেৰে উদ্বুদ্ধ হৈ ১৯৭৩ চনত ১৫১,৪২০ মিটাৰলৈ ড্রিল কৰি এক নতুন ৰেকৰ্ড স্থাপন কৰিলে। ১৯৭৫ চনত সাংস্কৃতিক বিপ্লৱৰ আগৰ বছৰত যি অপৰিশোধিত তেল চীনত উৎপন্ন হৈছে—১৯৭৩ চনত উৎপাদিত হৈছে তাতকৈ চাৰিগুণ অধিক। ঠিক তেনে গতিৰে সকলো অসুবিধা নেওচি আশ্চর্য্যজনক কম সময়ত তা-চিনৰ পৰা পো-হাই উপসাগৰৰ চিনহুৱাংতাও বন্দৰলৈকে প্রাকৃতিক আৰু ভৌগোলিক প্রতিকূলতাক জয় কৰি ১,১৫২ কিল'মিটাৰ দীঘল পাইপ লাইন নির্মিত হৈছিল।

লৌহমানৱ ওৱাং আজি আৰু জীৱিত নাই। কিন্তু শ্রম-শিল্পত দুই লাইনৰ যুদ্ধত মাও-লাইনৰ প্রথম বিজয়ী সেনাপতি হিচাপে তেওঁ আজি চীনত চিৰ-স্মৰণীয়।

তা-চিন্ তেল-উৎপাদন কেন্দ্রৰ আন এটা অগ্রগামী ভূমিকা হ'ল যে, তা চিন্-তেল শ্রমিকসকলে সকলো ফালৰেপৰাই নতুন তেল-নগৰীখনক স্বাৱলম্বী কৰি তুলিছে। বিস্তীর্ণ ছনপৰা ঘাঁহনিক তেওঁলোকে সেউজবুলীয়া কৰি তুলিছে। শ্রমিকসকলৰ পৰিয়ালৰ নাৰীসকলে এই কামত অগ্রণী ভূমিকা লৈছে। তেওঁলোকে এতিয়ালৈকে ৮০০০ মূ পৰিমাণ (১মূ=$\frac{1}{6}$ একৰ) মাটিত শস্য উৎপাদন কৰিছে আৰু এতিয়াও কৰি আছে। এই কামত নেতৃত্ব দিছে মাদাম স্যু কুৱেই ফাং-এ, যিগৰাকী নাৰী আজিৰ চীনৰ নাৰী-সমাজত এক গৌৰৱান্বিত নাম। আজি তাত আছে দহটা ট্রেক্টৰ, দুটা হাৰ্ভেষ্টাৰ কম্বাইন, এখন ট্রাক আৰু লাগতিয়াল অন্যান্য কৃষিযন্ত্র। এনেকৈয়ে, শিল্প-উৎপাদনৰ লগে

লগে তা-চিনৰ শ্ৰমিকসকলে কৃষি-উৎপাদনৰ সমন্বয় সাধন কৰি মাথোন কৃষিয়েই নহয়, পশু-পালন, ডেইৰী স্থাপন, বিদ্যালয় ইত্যাদিও গঢ়ি চীনৰ শ্ৰমিকসকলৰ আগত এক নতুন দৃষ্টান্ত স্থাপন কৰিছে।

তা চিন-ৰ পদাংক অনুসৰণ কৰি, সাংস্কৃতিক বিপ্লৱত শোধনবাদৰ বিৰুদ্ধে সংগ্ৰাম কৰি, বৈপ্লৱিক উন্মাদনাৰে প্ৰায় একেটা সময়ত আৰু দুটা তেল-কেন্দ্ৰ, শ্বেন্‌লি আৰু তা কাং গঢ়ি উঠিল। উত্তৰ চীনৰ সমুদ্ৰ-উপকূলৰ লুণীয়া ছনপৰা বিস্তীৰ্ণ ভূভাগত ১৯৬৪—৬৬ চনত তা-চিনৰ পৰা প্ৰায় ১০ হাজাৰ অভিজ্ঞ, ৰাজনীতি-সচেতন শ্ৰমিক উপস্থিত হ'লহি আৰু তেওঁলোকে তা কাং তেল-কেন্দ্ৰটো চালু কৰিলে। তেওঁলোকৰ লগে লগে অন্যান্য ঠাইৰপৰাও শ্ৰমিকসকল আহিল আৰু এই কৰ্মযজ্ঞত হাত উজান দিলে। তা চিং, শ্বেন্‌লি আৰু তা কাং তেল-কেন্দ্ৰৰ অপৰিশোধিত তেলৰ উৎপাদন সাংস্কৃতিক বিপ্লৱৰ কালৰপৰা ১৯৭৪ চনলৈকে গড়ে বছৰি ৩১ শতাংশকৈ বাঢ়িছে। ১৯৬৫ চনত, অৰ্থাৎ সাংস্কৃতিক বিপ্লৱৰ আগৰ বছৰৰ তুলনাত তা চিনে ৰাষ্ট্ৰীয় নিধিত যি দিলে—সেই পৰিমাণ, চৰকাৰী বিনিয়োগৰ প্ৰায ১০ গুণ। নিঃস্বাৰ্থ কঠোৰ শ্ৰম, আত্ম-নিৰ্ভৰতা, মিতব্যয়িতা আৰু অপচয় প্ৰতিৰোধক সৰ্বাত্মক প্ৰচেষ্টাৰ প্ৰতীক এই তা-চিন্।

ভূগৰ্ভস্থ চীনৰ এটি প্ৰাণ-ধমনী

ঠিক এনেকুৱা আন এক শ্ৰম-বীৰত্বৰ কাহিনী। অবিশ্বাস্য কম সময়ৰ ভিতৰত তা-চিনৰপৰা পোহাই উপসাগৰলৈকে ১১৫২ কিল'মিটাৰ পাইপ লাইন নিৰ্মিত হ'ল। হেইলুংচিয়াং, কিৰিন, লিয়াওনিং আৰু হোপেই প্ৰদেশ অতিক্ৰমি গৈছে সেই পাইপলাইন। বহুতো পাহাৰ-পৰ্বত, ২৬০ খন ডাঙৰ আৰু সৰু নৈ, ৪০ টা ৰেল আলি এই পাইপ-লাইনে অতিক্ৰম কৰিবলগীয়া হৈছে। ইয়াৰ মাজত নুনচিয়াং নৈৰ

তলীয়েদি পাইপ লৈ যোৱাটো হ'ল এক স্মৰণীয় ঘটনা। ১৯৭০ চনৰ ৩ আগষ্টত নৈৰ তলীত পাইপ স্থাপনৰ সিদ্ধান্ত লোৱা হ'ল। কিন্তু প্ৰতি বছৰ নবেম্বৰ মাহৰ অলপ আগৰেপৰাই নৈৰ পানী গোট মাৰি যায়। গতিকে তাৰ আগতেই কাম শেষ কৰিব লাগিব। এই নৈ ৪০০ মিটাৰ বহল, গভীৰ আৰু খৰস্ৰোতা। এই কামৰ অভিজ্ঞতা চীনৰ নাছিল। আৰম্ভ হ'ল যাক বোলে—'গণযুদ্ধ'। শ্ৰমিক, অভিজ্ঞ কমিউন-কৃষক, মিলিস্যা, নৌ বাহিনীৰ ইনজিনিয়াৰ, জাহাজ-শ্ৰমিক—সকলো মিলাই প্ৰায় ২০০০ মানুহ এই যুদ্ধত যোগ দিলে। অৱশেষত ঠিক যেন সামৰিক কৌশলেৰে আৰু শৃংখলাৰে, আৰু অসাধাৰণ কৰ্ম-নিষ্ঠাৰে এই কাম শীতে ভুমুকিউৱাৰ আগতেই সফলভাবে সামৰা হ'ল।

মাথোন পাইপ স্থাপনেই নহয়, তাৰ বাবে প্ৰথমেই ২০০,০০০ টন তীখাৰ দীঘল পাইপ তৈয়াৰ কৰোঁতে নতুন পদ্ধতি ল'বলগীয়া হৈছিল। তেতিয়া, এনে ধৰণৰ পাইপ তৈয়াৰ কৰিবপৰা এটা মাত্ৰ কাৰখানা আছিল উত্তৰ-পশ্চিম চীনত। ১৯৭০ চনৰ আগষ্ট মাহতেই কিৰিন প্ৰদেশৰ স্যু পিং চহৰৰ এটা পুৰণি টিন্বাৰ মিলক পাইপ নিৰ্মাণৰ কাৰখানালৈ ৰূপান্তৰিত কৰা হ'ল। সেই বাবে সমগ্ৰ দেশৰ বিভিন্ন কাৰখানাৰ প্ৰায় ৫০০ অভিজ্ঞ শ্ৰমিক তালৈ আহিল। ইয়াতো গণযুদ্ধৰ গগনা বাজি উঠিল। সময়ৰ স'তে সংগ্ৰাম। বহুবিধৰ সা-সৰঞ্জাম আৰু মেচিন-পাৰ্টছৰ যোগান ধৰিবলৈ সেই প্ৰদেশৰ প্ৰায় ১০০ কাৰখানাত খদম-দম লাগিল। সেই বছৰৰে ডিচেম্বৰ মাহত স্যু পিং তীখা কাৰখানাত পূৰ্ণোদ্যমে কাম আৰম্ভ হৈ গ'ল। ১৯৭১ চনৰপৰা ১৯৭৪—এই চাৰে তিনি বছৰত এই কাৰখানাৰপৰা সৰ্বমুঠ ৩৪০ কিল'-মিটাৰ দীঘল ডাঙৰ আকাৰৰ তীখাৰ পাইপ নিৰ্মিত হ'ল।

আজি, চীনদেশ মাথোন তেলৰ ক্ষেত্ৰতে স্বয়ংসম্পূৰ্ণ নহয়—পোহাই উপসাগৰৰ চিনহুৱাতাং বন্দৰৰপৰা টেংকাৰ-জাহাজেৰে চীনে বিদেশ-লৈকো পেট্ৰ'ল ৰপ্তানী কৰিছে। ৫০ লাখ টন তেল ৰপ্তানী কৰিবলৈ যোৱা বছৰ জাপানৰ সৈতে চীন চুক্তিবদ্ধ হৈছে। তাৰ পাছত

ফিলিপাইনছ্ আৰু থাইলেণ্ডলৈ তেল ৰপ্তানী কৰিবলৈকো চুক্তিবদ্ধ হৈছে। চীনদেশে বছৰি কিমান পেট্ৰ'ল উৎপাদন কৰে, চীন-চৰকাৰে সেই বিষয়ে কোনো পৰিসংখ্যান প্ৰকাশ নকৰাত এই বিষয়ে মতদ্বৈধতা বিদ্যমান। কিন্তু সেই উৎপাদন যে ৫০ মিলিয়ন বা ৫ কোটি টনতকৈ কম নহয়, সেই বিষয়ে বিদেশী অৰ্থনীতিবিদসকল একমত। ফৰাছী বাতৰি-কাকত লা ফিগাৰোৰ (Le Figaro, January 4, 1974) মতে: ১০ বছৰৰ আগতে চীনৰ পেট্ৰ'ল উৎপাদন আছিল ১ কোটি টনতকৈও কম। ১৯৭০ চনৰ পৰা দ্ৰুত অগ্ৰগতিৰে ১৯৭৩ চনত ৬ কোটি টন পাইছেগৈ। কোনো কোনো পাশ্চাত্য বিশেষজ্ঞৰ মতে, ১৯৭৪ চনত চীনে ৮ কোটি টন তেল উৎপাদন কৰিছিল।

টোকিঅ'ৰ 'আশ্বাহী শিম্বুন' বাতৰি-কাকতৰ প্ৰতিনিধিবৃন্দই চীন ভ্ৰমণ সমাপ্ত কৰি উভতি যোৱাৰ পাছত ২৯ জুলাই, ১৯৭৪ সংখ্যা 'আশ্বাহী শিম্বুন'লৈ যি প্ৰতিবেদন পঠিয়ায় তাত তেওঁলোকে তা-চিন, শেন্ লি আৰু তা কাং বাদেও আৰু দুটা নতুন বৃহৎ তেল-পথাৰৰ সংবাদ দিয়ে। এটা হ'ল শ্বাণ্টুং প্ৰদেশৰ 'ছেপ্তেম্বৰ ১৩' তেল-পাথৰ, আনটো হ'ল হুপেই প্ৰদেশৰ 'মে—৭' তেল কেন্দ্ৰ।' এই সাংবদিক সকলৰ মতে (১৯৭৩ চনত) চীনৰ তেল উৎপাদন আছিল ৫ কোটি টন, ১৯৭৪ চনত ৬ কোটি ৫০ লাখ টন হৈছেগৈ। আনকি ৭ কোটি টন তেল-উৎপাদনৰ সম্ভাৱনাও নথকা নহয়।'

—'TA KUNG PAO' (AUGUST, 1974), HONG KONG

এই প্ৰসংগক্ৰমে আমি ভাৰতৰ তেল-শিল্পৰ বিষয়ে-অলপ আলোচনা কৰিব পাৰোঁ। এই শিল্পত ভাৰত চীনতকৈ বহু আগবঢ়া আছিল। ১৯৫০-৫১ চনত ভাৰতৰ খনিজ তেলৰ উৎপাদন আছিল বছৰি ২৫ লাখ টন। তেতিয়া চীনৰ উৎপাদন আছিল ০'৮৭ লাখ টন মাথোন। এতিয়া, U N Bulletin অনুসাৰে ভাৰতৰ তেল উৎপাদনৰ পৰিমাণ হ'ল ৭ মিলিয়ন বা ৭০ লক্ষ টন। যদিও বৰ্তমানে

আংকলেশ্বৰৰ পৰা ৰুদ্ৰসাগৰলৈকে, লগতে আন কেইবাটাও নতুন তেল-উৎপাদন কেন্দ্ৰ স্থাপিত হৈছে।

চীনে যেতিয়া নিজৰ প্ৰযোজন পূৰণ কৰাৰ পাছত অন্যান্য দেশলৈ তেল ৰপ্তানী কৰিবলৈ ধৰিছে, তেতিয়া ভাৰতবৰ্ষ তেল সংকটত অঠাই সাগৰত নিমজ্জিত। অৰ্থনীতিবিদ এছ. মনোহৰণে তেওঁৰ সদ্য প্ৰকাশিত কিতাপ 'তেল সংকট'ত (The Oil Crisis) লিখিছে :

'এষ্টিমেট অনুসাৰে ১৯৭৪ চনত ভাৰতে ১৭ মিলিয়ন টন তেল আমদানী কৰিব। দাম গড়ে বেৰেলেপ্ৰতি ১০ ডলাৰকৈ ধৰিলেও, ভাৰতে ৯০০ কোটি টকা (পৰিবহনৰ খৰচ সুকীয়া) দিব লগিব।'

'বিদগ্ধ সকলেই সবাতোকৈ অজ্ঞ'

আজিৰ চীনত শ্ৰমিকসকলৰ মুখত এটা কথা ববকৈ শুনা যায়: 'সাধাৰণ মানুহ সবাতোকৈ বিজ্ঞ, বিদগ্ধসকল সবাতোকৈ অজ্ঞ'। কথাষাৰ কৈছিল মাও-এ, ১৯৫৮ চনৰ ১৮ মে'ত—এটা ঘটনাত। ঘটনাটো হ'ল: লিয়াওনিং প্ৰদেশৰ তানৃতুং চহৰত এটা সৰু মেৰামতি কাৰখানা আছিল। কাৰখানাত আছিল ৩০টা পুৰণি পুলি লেদ মেচিন। শ্ৰমিক আৰু অন্যান্য কৰ্মীৰ সংখ্যা আছিল ৩০০ মাথোন। তাত কোনো টেকনিশ্বিয়ান নাছিল। ১৯৫৮ চনৰ দীৰ্ঘ পদক্ষেপ আন্দোলন আৰম্ভ হোৱাৰ পাছত এই কাৰখানাৰ কিছুমান অভিজ্ঞ শ্ৰমিকে তাত ট্ৰেক্টৰ নিৰ্মাণ কৰাৰ দিহা ল'লে। এই কথা শুনি কিছুমানে এওঁলোকলৈ ইতিকিং কৰি ক'লে, 'বাপাইঁত, বগুৱা বাই যাব পৰা হোৱাৰ আগতেই খোজ কাটিবলৈ চেষ্টা নকৰিবিচোন'। কিন্তু সৰহভাগ শ্ৰমিকেই সেই অভিজ্ঞ শ্ৰমিকসকলৰ সিদ্ধান্ত মানি লৈ—তেওঁলোকৰ পৰিচালনাত কামত লাগিল। এই কামৰ বাবে তেওঁলোকে কোনো বিশেষজ্ঞৰ সাহায্যও নল'লে। প্ৰাদেশিক চৰকাৰৰ পৰাও কোনো সহায়-সাহায্য নুখুজিলে। বহু পৰীক্ষা-নিৰীক্ষাৰ পাছত তেওঁলোকে অৱশেষত ট্ৰেক্টৰ সাজি উলিয়াবলৈ সমৰ্থ হ'ল। এই বাতৰি যেতিয়া পিকিং পালেগৈ, তেতিয়া চেয়াৰম্যান মাও-এ স্বয়ং সেই শ্ৰমিকসকললৈ অভিনন্দন জ্ঞাপন কৰি লিখিলে: 'যিসকলক সাধাৰণ মানুহ বুলি কোৱা হয় তেওঁলোকেই সবাতোকৈ বিজ্ঞ, বিদগ্ধসকলেই সবাতোকৈ অজ্ঞ (The lowly are most intelligent; the elite are most ignorant)। মাও-এ এই কথাবোৰ লিখিছিল ১৯৫৮ চনৰ ১৮ মে'ত। আজি তান্ তুং চহৰৰ সেই মেৰামতিৰ কাৰখানাটো এটা আধুনিক ট্ৰেক্টৰৰ ডাঙৰ

কাৰখানা হৈছেগৈ। এই কাৰখানাৰ নাম 'মে' ১৮ ট্ৰেক্টৰৰ যন্ত্ৰপাতিৰ কাৰখানা'।

আজিৰ চীনৰ শ্ৰমশিল্প আৰু শ্ৰমিক শ্ৰেণীক বুজিবলৈ হ'লে 'তা-চিন্' আৰু 'তান্ তুং' এই কাহিনী দুটাৰ মৰ্মাৰ্থও বুজিব লাগিব। প্ৰধান কথা হ'ল, সমাজতন্ত্ৰী শ্ৰমশিল্পৰ উৎপাদনৰ অৰ্থনীতিৰ মুখ্য কথা—প্ৰযুক্তি বিদ্যা বা বিশেষজ্ঞ নহয়—মুখ্য কথা হ'ল সাধাৰণ শ্ৰমিকৰ সৃষ্টি-প্ৰতিভাৰ ওপৰত নিৰ্ভৰত। মাও-ৰ মত হ'ল: এই সাধাৰণ শ্ৰমিকক বৈপ্লৱিক প্ৰেৰণাৰে উদ্বুদ্ধ কৰি তোলা, মাৰ্কছবাদ-লেনিনবাদত শিক্ষিত কৰি তোলা—তেতিয়াহলে এই শ্ৰমিকেই যি কোনো অসাধ্য সাধন কৰিব, যিকোনো অবিশ্বাস্য কাম সম্পাদন কৰিবলৈ সমৰ্থ হ'ব।'

কিন্তু সিফালে লিউ শ্বাও চি আৰু লিন পিয়াও আছিল যন্ত্ৰ-নিৰ্ভৰ। কনফুছিয়াছৰ দৰে মানুহৰ 'জন্মগত প্ৰতিভা'ত (innate genius) লিন্ পিয়াও বিশ্বাসী আছিল। কনফুছীয় maxim বা উপদেশাৱলী লিন পিযাও-এ তেওঁৰ ঘৰতো আঁৰি থৈছিল। চীনৰ নৱম পাৰ্টি কংগ্ৰেছৰ বাবে লিন্ পিয়াও-এ যি প্ৰতিবেদন যুগুত কৰিছিল—যিখন প্ৰতিবেদন মাও চে তুঙৰ বিৰোধিতাৰ ফলত বাতিল হৈছিল—সেই প্ৰতিবেদনত লিউ শ্বাও চি-ৰ দৰে লিন্ পিযাও-এও এই লাইনটোকে দাঙি ধৰিলে। চীনা সমাজৰ মূল দ্বন্দ্ব হ'ল—আগবঢ়া সমাজতন্ত্ৰী ব্যৱস্থা আৰু পিছপৰা উপাদন-ব্যৱস্থাৰ দ্বন্দ্ব। বুৰ্জোৱা শ্ৰেণী আৰু শ্ৰমিক শ্ৰেণীৰ দ্বন্দ্বয়েই মুখ্য দ্বন্দ্ব আৰু ওপৰিসৌধত সকলোতে শ্ৰমিক শ্ৰেণীৰ একাধিপত্য প্ৰতিষ্ঠাহে আজিৰ মুখ্য কথা—যি শ্ৰমিক শ্ৰেণীৰ অভাৱনীয় উদ্ভাৱনী-প্ৰতিভা আৰু অপৰিমেয় উৎপাদনী উৎসাহৰ উৎসমুখৰপৰা সকলো শিলাখণ্ডক উটুৱাই নিব,—এয়ে হ'ল মাও-পন্থা।

এই দুই পন্থাৰ দ্বন্দ্ব—কাৰখানাৰ পৰিচালনাৰ ক্ষেত্ৰতো প্ৰতিফলিত হ'ল। লিউ শ্বাও চি আৰু লিন্ পিয়াও অনুগামীইঁতে কাৰখানাৰ ডাইৰেক্টৰ, ইন্‌জিনিয়াৰ, পাৰ্টি-নেতা আৰু কিছুমান দক্ষ শিল্পীৰ

প্রতিষ্ঠা কৰিছিল। সংখ্যাত সৰ্বাধিক সাধাৰণ শ্ৰমিকসকলে তাত আছিল 'উৎপাদক' হে মাথোন। সাধাৰণ শ্ৰমিকসকলৰ কাৰখানাৰ উন্নতিৰ বা কোনো উদ্ভাৱনাৰ মতামত আছিলে সেই বিষয়ৰ সিদ্ধান্ত চীফ ইনজিনিয়াৰ আৰু ডাইৰেক্টৰৰ ওপৰতহে নিৰ্ভৰ কৰিছিল।

পঞ্চাছৰ দশকত ছোভিয়েত বিশেষজ্ঞসকল যেতিয়া বিভিন্ন বৃহৎ প্ৰকল্পত কাম কৰিবলৈ চীনলৈ আহিল—তেতিয়া তেওঁলোকৰ পূৰ্ণ সমৰ্থনতেই কাৰখানা পৰিচালনাৰ এই পদ্ধতিটো লোৱা হ'ল। তেতিয়াৰপৰাই কাৰখানাত প্ৰকৃততে দুই পন্থাৰ সংগ্ৰাম চলিছিল। তেতিয়া কিছুমান ছোভিয়েত বিশেষজ্ঞ লগত মোৰ চা-চিনাকি হৈছিল। সেই সময়ত যেনেকৈ এই দ্বন্দ্ব বুজাৰ জোখাৰে ৰাজনৈতিক জ্ঞান মোৰ নাছিল—তেনেকৈ কোনো আলোচনাও এই বিষয়ে মোৰ কাণত নাছিল। বৰঞ্চ যিকোনো প্ৰকল্প চাবলৈ গৈ প্ৰথমেই শুনিছিলোঁ—'আমাৰ আন্তৰ্জাতিক ভ্ৰাতৃ ছোভিয়েত বিশেষজ্ঞ সকলৰ সহায়ত'—ইত্যাদি। পিছে এটা কথাত মোৰ মনত সদায় কুটকুটনি—ছোভিয়েত বিশেষজ্ঞ সকলে যিবোৰ প্ৰকল্পত কাম কৰিছিল—তাত তেওঁলোকৰ থকা-মেলাৰ বাবে যিবোৰ প্ৰাসাদ নিৰ্মাণ কৰা হৈছিল আৰু তাত আচবাবপত্ৰ, থকা-খোৱাৰ যি মানদণ্ড আছিল সেই মানদণ্ড চীনৰ মানুহৰ নাগৰিক-মানদণ্ডৰ তুলনাত ইমান মহাকাশ-প্ৰমাণ উৰ্ধত যে চীনৰ বন্ধুসকলে যেতিয়া তেওঁলোকক 'কুৱোচি ফাঙিও'—'আন্তৰ্জাতিক বন্ধু' বুলি কৈছিল তেতিয়া ক'ৰবাত অলপ কেৰোণ সোমাই থকা যেনহে লাগিছিল। পিকিঙত এগৰাকী ইউৰোপীয় সাংবাদিকে মোক কোৱা এষাৰ কথা মোৰ মনত পৰে: 'এজন ছোভিয়েত বিশেষজ্ঞৰ বাবে চীন চৰকাৰে এদিনতে যিমান খৰচ কৰিবলগীয়া হয়, এজন চীনা শ্ৰমিকে গোটেই বছৰটোতো সিমানখিনি উপাৰ্জন কৰিব নোৱাৰে।' চীনা বন্ধুসকলক যেতিয়া এই বিষয়ে সুধিছোঁ তেতিয়া তেওঁলোকে উত্তৰ দিছে: 'আমাৰ বন্ধু আলহীসকলৰ বাবে আমি আমাৰ সাধ্যমতে ভাল ব্যৱস্থা অৱশ্যেই কৰিবলৈ বিচাৰোঁ।'

যাওক এইবোৰ কথা। মূল কথা হ'ল, এজন বিশেষজ্ঞ উৎপাদনৰ ক্ষেত্ৰত এজন শ্ৰমিকতকৈ অধিক 'মূল্যবান' এই ধাৰণাটোক কাৰখানাৰ পৰিচালক আৰু শ্ৰমিকসকলৰ মাজতো শিপোৱা হৈছিল। চীনৰ বৃহত্তম দুই বিশ্ববিদ্যালয় পিকিং বিশ্ববিদ্যালয় আৰু ছিন্‌হুৱা বিশ্ববিদ্যালয়ৰ শিক্ষা-ব্যবস্থা আৰু শিক্ষাসূচীক এনে ধৰণৰ বিশেষজ্ঞ আৰু 'এলিট' শ্ৰেণী গঢ়াৰ আঁচনিৰেই কৰা হৈছিল। ১৯৫৮ চনত এটা শ্ল'গান শুনিছিলোঁ: 'ইও হোং, ইওচুৱান' অৰ্থাৎ 'ৰঙাও হ'ব লাগিব, আকৌ বিশেষজ্ঞও হ'ব লাগিব' (Both Red and Expert)। গণ-প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠাৰ পাছত যি দ্বন্দ্বটোৱে মূৰ দাঙিছিল, সি হ'ল দীৰ্ঘস্থায়ী মুক্তিযুদ্ধত যিসকল বিপ্লৱী পৰীক্ষিত, তেওঁলোকৰ এক বৃহৎ অংশই সেইবোৰ কাৰখানা আৰু অন্যান্য প্ৰতিষ্ঠানৰ পৰিচালনাত নিযুক্ত হ'ল। কিন্তু কাৰখানা আৰু অন্যান্য প্ৰতিষ্ঠানৰ কাম সম্পৰ্কে তেওঁলোক আছিল সম্পূৰ্ণ অনভিজ্ঞ। বিশেষজ্ঞসকলৰো সৰহভাগেই পাৰ্টি সভ্য নাছিল। তেওঁলোক পাৰ্টিৰ অনুৰাগী আৰু সমৰ্থক হোৱা সত্ত্বেও তেওঁলোকৰ মাৰ্কছবাদৰ জ্ঞান আছিল নিচেই নাম-নাচ। তেওঁলোকৰ মাজত আকৌ বহুতেই বিদেশত শিক্ষাপ্ৰাপ্ত। তেওঁলোকৰ বহুতেই ১৯৫৭ চনৰ শুদ্ধি আন্দোলনৰ ফলত পাৰ্টিৰ পৰিচালকসকলৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰিলে—তেওঁলোকৰ মাজত প্ৰযুক্তিগত বিদ্যাৰ লেশমানো নাই, তেনেস্থলত তেওঁলোক কেনেকৈ পৰিচালক হ'ব? তেতিয়া পাৰ্টিৰপৰা এই ধ্বনি দিয়া হ'ল—'একেলগে ৰঙা আৰু বিশেষজ্ঞ দুয়োটাই হ'ব লাগিব'। এই দুই পদ্ধতিৰে তেতিয়া এই শ্ল'গান কাৰ্যকৰী কৰাৰ চেষ্টা কৰা হ'ল। পৰীক্ষিত 'ৰঙা' সকল দেহে-কেহে লাগি পৰিল বিশেষজ্ঞৰ জ্ঞান আহৰণ কৰিবলৈ। ইপিনে, বিশেষজ্ঞসকলৰ এক বৃহৎ অংশক পাৰ্টি-সভ্য কৰাৰ প্ৰচাৰ চলিল।

কিন্তু মূল সমস্যাৰ সমাধান নহ'ল। মাও-ৰ পন্থা অনুসাৰে হাতে-কামে কাম আৰু বিদ্যাৰ্জনৰ সমন্বয়ত সাধাৰণ শ্ৰমিকৰ সন্তানক নতুন

সমাজতন্ত্রী শ্রমিকত ৰূপান্তৰিত কৰি কাৰখানাৰ মূল পৰিচালনা আৰু উৎপাদনত সাধাৰণ শ্রমিকৰ উদ্যোগ আৰু দায়িত্বৰ ওপৰত মূলতঃ নির্ভৰ কৰাৰ। যিসকল 'ৰঙা' বিশেষজ্ঞ হ'ল তেওঁলোকেও এক বিশেষ ধৰণৰ এলিট বা বিদগ্ধ শ্রেণীৰ সৃষ্টি কৰিলে, লিউ লিন্-ৰ প্রযুক্তিবিদ্যাত (Technology) দৰাচলতে এই তত্ত্ব ৰূপায়িত হ'ল। এদল 'প্রযুক্তি-বিদ' (Technocrat) সৃষ্টি হ'ল। তেওঁলোকেও ছোভিয়েত বিশেষজ্ঞ সকলৰ 'নমো যন্ত্র নমো যন্ত্র' বাটকে সাৰোগত কৰি ল'লে। কাৰাখানাত ডাঙৰ ডাঙৰ আখৰৰ প্রাচীৰ-পত্র লগোৱা (তাহ্ ছি পাও), বা মার্কছ, লেনিন, স্তালিন, বা মাও চে তুঙৰ উদ্ধৃতি লিখি দেৱালত লগোৱা, বা কাৰখানাৰ সমস্যামূলক বিষয়ত প্রাচীৰ-পত্রিকা আদি কাৰখানাৰ পৰা উলিউৱা—এইবোৰক তেওঁলোকে নিৰুৎসাহিত কৰিবলৈ ধৰিলে —উৎপাদনৰ ক্ষতি হোৱাৰ অজুহাতত।

মহান সাংস্কৃতিক বিপ্লৱৰ বা-মাৰলীয়ে এই ব্যৱস্থাক চাহি-মুহি তল-ওপৰ কৰি পেলালে। কাৰখানা-পৰিচালনাত আগৰ ফেক্টৰী কমিটিৰ ঠাইত শ্রমিক, টেকনিশ্বিয়ান আৰু কেডাৰ—এই ত্রি-ভিত্তিক (Tripple combination) যি বিপ্লৱী কমিটিসমূহ গঢ়ি উঠিল—তাত সাধাৰণ শ্রমিকৰ দ্বাৰা নির্ধাৰিত প্রতিনিধি সকলেই প্রাধান্য লাভ কৰিলে। এওঁলোকেই এতিয়া এই ত্রি-ভিত্তিক পৰিচালক কমিটিৰ মুখ্য উপাদান। আগতে কাৰখানাৰ ডাইৰেক্টৰক শিল্পমন্ত্রকে নিযুক্তি দিছিল। এতিয়া, ডাইৰেক্টৰক কাৰখানাৰ সকলোটিয়ে মিলি নিযুক্ত কৰা হ'ল। অৱশ্যে এই নির্বাচন উর্ধতন কমিটিৰ দ্বাৰাই অনুমোদন কৰোৱাই ল'বলগীয়া হয়। আগতে, কোনোবা শ্রমিকে উৎপাদন বৃদ্ধিৰ বাবে পৰামর্শ আগ বঢ়ালে সেই পৰামর্শ গ্রহণ কৰা-নকৰাটো চীফ ইনজিনিয়াৰৰ মতামতৰ ওপৰতে নির্ভৰশীল আছিল। এতিয়া, উৎপাদনগত আৰু উদ্ভাৱনগত সকলো সমস্যাৰ সমাধান 'একৰ ভিতৰত তিনি' (Three in one) নীতিৰ মাধ্যমেৰে সম্পাদন কৰা হয়। অর্থাৎ শ্রমিক, প্রযুক্তিবিদ আৰু অগ্রৱর্তী কেডাৰৰ সম্মিলিত

আলোচনা, গৱেষণা, অনুশীলনেৰে এইক্ষেত্ৰত মূল উদ্যোগী হ'ল সাধাৰণ শ্ৰমিক। ছোভিয়েত সাহায্য যেতিয়া বন্ধ হৈ গ'ল, যেতিয়া চীনৰ আধকৰা হৈ থকা বহুতো প্ৰকল্প চৰম বিপৰ্য্যয়ৰ সন্মুখীন— তেতিয়া এই সাধাৰণ শ্ৰমিকৰ বৈপ্লৱিক সৃষ্টিশীল প্ৰেৰণাৰ ওপৰত নিৰ্ভৰ কৰিয়েই মাও-এ 'চ্ লি কান্ শ্বেন্, চিয়েন ক্ু ফান্তৌ' অৰ্থাৎ 'আত্ম-নিৰ্ভৰতা আৰু কঠোৰ শ্ৰম'ৰ ধ্বনি তুলিছিল। কোনো বৈদেশিক সহায় নোলোৱাকৈয়েই আজিৰ জীৱনৰ শ্ৰমশিল্পৰ অবিশ্বাস্য অগ্ৰগতিয়ে এই নীতিৰ বিজয়ৰ বিকুল বজালে।

সেতুবন্ধৰ কাহিনী

নানকিং চহৰত আছিলোঁ মাত্র দুটা দিন। সময় কম, অথচ এই ঐতিহাসিক চহৰখনত দ্রষ্টব্য ইমান, জানিবলগীয়া ইমান বস্তু আছে যে দ্রষ্টব্য-শ্রোতব্য বাছি-বিচাৰি লোৱাত আমাৰ প্রতিনিধি-দলৰ মাজত মতভেদ হ'ল। কিন্তু এটা দ্রষ্টব্যৰ সম্বন্ধে আমি একমত হৈছিলোঁ। সেইটো হ'ল নানকিং সেতু।

১৯৫৯ চনত মই যেতিয়া নানকিঙলৈ আহিছিলোঁ—তেতিয়া আছিলোঁহি চাৰি দিন। তেতিয়া ছান ইয়াৎ সেনৰ সমাধি, তাইপিং বিপ্লৱৰ মিউজিয়াম, প্রত্নতাত্ত্বিক মিউজিয়াম, শ্বহীদ সমাধি আদি চাই গৈছিলোঁ। কিন্তু নানকিঙত ইয়াংছী নৈৰ ওপৰত সেতু তেতিয়া নাছিল। উহানৰ সেতুটো হৈছেহে মাথোন। অতীতৰ চীনত, সামৰিক প্রভুসকলৰ, বা চিয়াং আমোলৰ, বা জাপানী-অধিকাৰৰ কালতো বাৰে বাৰে পৰিকল্পনা আৰু প্রচেষ্টা কৰা সত্ত্বেও ইয়াংছীৰ ওপৰত কোনো সেতু নির্মিত হোৱা নাছিল। আৰু সেয়েহে, চীনৰ সাধাৰণৰ মানুহে যিকোনো অসম্ভৱ কামক ইয়াংছীৰ ওপৰত সেতু গঢ়াৰ লগত ৰিজাইছিল। অৱশেষত দীর্ঘ পদক্ষেপৰ (Big Leap) কালছোৱাত এই অসম্ভৱ কামটো সম্ভৱ হ'ল। তেতিয়া কেন্টনৰপৰা পিকিঙলৈ যাওঁতে মাজনিশা যেতিয়া এই সেতু পাৰ হৈ গৈ আছিলোঁ—মই আগতীয়াকৈ কৈ থোৱা বাবে মোৰ ডবাৰ তত্ত্বাৱধায়কে মোক টোপনিৰপৰা জগাই আনন্দ আৰু গর্বৰে সৈতে এই সেতু চাবলৈ কৈছিল। কিন্তু উহানত ইয়াংছীৰ সেতুবন্ধন আৰু নানকিঙৰ সেতুবন্ধনত আকাশ-পাতাল পার্থক্য। নানকিং সেতু উহানৰ সেতুতকৈ চাৰিগুণে দীঘল। কিন্তু আচল পার্থক্য সেই কথাত নহয়। উহানৰ সেতু চীনৰ শ্রমজীৱি আৰু ইনজীনিয়াৰসকলে নির্মাইছিল ঠিকেই কিন্তু অৱশ্য-লাগতিয়াল উপকৰণসমূহৰ ছোভিয়েত আৰু

পশ্চিম ইউৰোপেহে যোগান ধৰিছিল। কিন্তু নানকিঙৰ এই সেতু সেই আঠ বছৰতে গঢ়ি উঠিছে—যিসময়ত মুখ্য উপকৰণসমূহ চীনবো নাছিল—অথচ ছোভিয়েতৰপৰা বা আন কোনো দেশৰপৰা লৈ অহাৰ উপায়ো নাইকিয়া হৈছিল। নানকিঙস্থ এই ইয়াংছী-সেতু সম্পূৰ্ণ কৰাটো আছিল চীনৰ শিল্প-বাণিজ্য আৰু সামৰিক ফালৰপৰা এক অতি গুৰুত্বপূৰ্ণ পৰিকল্পনা। প্ৰাচীন চিন্তাৰ ইনজিনীয়াৰে ক'লে, 'আমাৰ নিজা উপকৰণেৰে এই সেতু নিৰ্মাণ কৰা পৰ্বতত পদুম বিচৰাৰ দৰেই হ'ব যেন পাইছোঁ। কিন্তু শ্ৰমিক-প্ৰতিভাই সেই অসম্ভৱ কাৰ্য্যকো কৰি সম্ভৱ তুলিলে।

এই সুদৃশ্য সেতুটিয়ে ধুনীয়া চহৰ নানকিঙৰ শোভা দহগুণে বঢ়াইছে। আবেলিৰ শেঁতা ৰ'দত দূৰ দূৰণিৰ দিগ্‌বলয়ত তুকাষতে 'বেঙুনীয়া পাহাৰ' আৰু 'ব্যাঘ্ৰ পাহাৰ'ৰ পশ্চাৎপটত জলমলাই উঠা এই সেতুৱে ছুচকুত এক মায়ালোকৰ সৃষ্টি কৰিছিল যেন। কিন্তু মায়ালোকৰ কাব্য এৰি শ্ৰমজীৱি মানুহৰ মাহাকাব্যলৈ পাছমুহূৰ্ততে প্ৰবেশ কৰিলোঁ। সেতুৰ প্ৰধান তত্ত্বাৱধায়ক কমৰেড ইয়াঙে লাহে লাহে সেই মহাকাব্যৰ পাতবোৰ লুটিয়াই গৈছিল। কমৰেড ইয়াঙৰ এক আকৰ্ষণীয় ব্যক্তিত্বপূৰ্ণ চেহাৰা। চীনদেশ ইমান সুদৰ্শন পুৰুষ বৰ কমেইহে দেখিছোঁ। বিশেষকৈ চীনত ইমান দুৰ্লভ যুগল চেলাউৰি—কেবল চৌ এন লাইৰ হে দেখিছোঁ। সেতুৰ টাওৱাৰৰ আটোম-টোকাৰীকৈ সজোৱা বৈঠকখানাত বহি বহি আমি শুনি আছিলোঁ এই সেতু-বন্ধনৰ প্ৰধান নায়ক শ্ৰমবীৰ বুৰিয়াওঁতা (Diver) ছু পাও লিঙৰ কাহিনী।

প্ৰথম কাম হ'ল, ৭০/৮০ মিটাৰ পানীৰ তলীৰ শিলাময় নদীগৰ্ভত ৯টা স্তম্ভ (Piller) নিৰ্মাণ। কিন্তু ইমান গভীৰ পানীৰ তলত এনেকুৱা কামৰ বাবে যিবোৰ উপকৰণৰ আৱশ্যক সেইবোৰ নাই। তেতিয়া-লৈকো সাধাৰণ উপকৰণেৰে বৰ বেছি ৪০ মিটাৰ মান পানীৰ তলত কাম কৰাৰ অভিজ্ঞতা মাথোন জনাদিয়েক বুৰিয়াওঁতাৰহে আছিল।

আনহাতে এই সেতু নিৰ্মাণৰ বাবে যি বিশেষ এলয় ষ্টীলৰ (Special Alloy Steel) প্ৰয়োজন, চীনৰ তীখা-কেন্দ্ৰ আনছানত ভেতিয়ালৈকো সেই বিশেষ ধৰণৰ তীখা তৈয়াৰ কৰা হোৱা নাছিল। গতিকে, গভীৰ নৈত সেতু নিৰ্মাণৰ উপকৰণসমূহ হয় বিদেশৰপৰা আনিব লাগিব, নহ'লে নিৰ্মাণ-কাৰ্য্য বন্ধ ৰাখিব লাগিব।

১৯৬০ চনৰ কথা। যন্ত্ৰ-দেৱতাৰ অন্ধ পূজাৰী লিউ-পন্থী কমিউনিষ্ট নেতৃত্বই ক'লে—সেতু নিৰ্মাণ আপাততঃ বন্ধ কৰা বাদে কোনো উপায় নাই। কিন্তু ইপিনে বুৰিয়াওঁতা হুপাও লিঙৰ নেতৃত্বত সেতু-নিৰ্মাণত অভিজ্ঞ শ্ৰমিকসকলে ক'লে, কোনো বৈদেশিক সহায় নোহোৱাকৈয়ে আমি সেতু গঢ়িম। এনেহেন সংকটত আনছানৰ শ্ৰমিকবৃন্দয়ো প্ৰতিজ্ঞা কৰিলে যে কোনো ধৰণৰ বিদেশী সহায়-সাহায্যৰ প্ৰয়োজন নাই, আমিয়েই সেই বিশেষ এলয় তীখা তৈয়াৰ কৰিম।

বুৰিয়াওঁতাসকলে হু পাও লিঙৰ নেতৃত্বৰ ডাঙৰ ঘণ্টাৰ আকৃতিৰ এক বিশেষ ডুব দিয়া যন্ত্ৰ লৈ পৰীক্ষা-নিৰীক্ষা চলালে। এই যন্ত্ৰৰ সহায়ত তেওঁলোকে পানীৰ তলত ৪০ মিটাৰলৈকে যাব পাৰে। কিন্তু তেওঁলোকে কাম কৰিব লাগিব ৭০/৮০ মিটাৰ তলত। আৰু সেয়ে, নতুন উদ্ভাৱনৰ আৱশ্যক। কেই মাহমান ধৰি এই সংগ্ৰামৰ চলি থাকিল। হুপাও লিঙৰ জীৱন কেইবাবাৰো বিপদাপন্ন হৈ পৰিছিল। এবাৰ প্ৰায় মৰোঁ মৰোঁ অৱস্থাত কেনেবাকৈ ওপৰলৈ উঠি আহিছিল আৰু হস্পিটালত থাকিব লগীয়া হৈছিল। অলপ সুস্থ হৈযেই আকৌ নামিল গৈ নৈৰ গভীৰত আৰু পৰীক্ষা-নিৰীক্ষা চলাবলৈ ধৰিলে। এনেকৈয়ে এহাজাৰ বাৰতকৈয়ো বেছি বাৰ নৈৰ তলত পৰীক্ষা চলাই অৱশেষত হুপাও লিং সফল হ'ল। গভীৰ পানীৰ তলত কাম কৰিবলৈ তেওঁৰ নতুন উদ্ভাৱনে সেতু-বন্ধনৰ বাটৰ বাধাৰ দুৰ্ভেদ্য প্ৰাচীৰ ভাঁতবালে। সিপিনে, আনছানৰ তীখা-শ্ৰমিক সকলেও তেওঁলোকৰ প্ৰতিশ্ৰুতিমতে বিশেষ এলয়-তীখা তৈয়াৰ কৰাৰ কৌশল আয়ত্ত কৰিলে। ভেতিয়া

সমগ্ৰ চীনত আনন্দৰ জোৱাৰ চৌৱাই গ'ল। হাজাৰে-বিজাৰে নগৰবাসী আৰু গাঁৱৰ কমিউনবাসী সকলে স্বেচ্ছা-শ্ৰমৰ আবেদন জনালে। তেওঁলোকেও হেনো এই সেতুবন্ধনত অৰিহণা যোগাব। কাম কৰিব।

কেই দিন মান আগতে আমি যেতিয়া আনছানৰ তীখা কাৰখানলৈ গৈছিলোঁ তাত শ্ৰমিকসকলে 'একৰ ভিতৰত তিনি' নীতি অৱলম্বন কৰি নানকিং সেতুৰ বাবে যি 'ষ্ট্ৰাকচাৰেল তীখা (Structural Steel) তৈয়াৰ কৰিছিল, আমাৰ আগত সকলো বুজাই কৈছিল। তাৰ লগতে, শ্ৰমিকসকলে আমাক দেখুৱাইছিল যে, যি 'হেভীষ্টীম বোলাৰ' আগতে ছোভিয়েতৰ পৰা আমদানী কৰিবলগীয়া হৈছিল—সেই ষ্টীম বোলাৰ ছোভিয়েতৰ দিবলৈ অমান্তি হোৱাত 'একৰ ভিতৰত তিনি' নীতিৰ অৱলম্বনত কেনেকৈ ১৫ টনীয়া তীখাৰ লদা (Steel ingot) একেলগে ম'ল্ড কৰিব পৰা হেভী ষ্টীম বোলাৰ নিৰ্মাণ কৰাত সমৰ্থ হৈছে—সাংস্কৃতিক বিপ্লৱত মাও-নীতিৰ সাৰ্থক প্ৰযোগৰ যোগেদি। সেই বোলাৰৰ আগত থিয় হৈ শ্ৰমিকবৃন্দই আমাক দেখুৱালে যে, নতুন উদ্ভাৱনত যিস্থলত আগতে একেলগে এটা তীখাৰ লদা ম'ল্ড কৰিব পৰা হৈছিল, এতিয়া সেইস্থলত কেনেকৈ তেনেকুৱা দুলদা তীখা ম'ল্ড কৰিব পৰা হৈছে।

শ্ৰম-শিল্পত বিপ্লৱী নীতি—নিজৰ ওপৰত নিৰ্ভৰ কৰি উৎপাদন কৰাৰ নীতিৰ যোগেদি যি অবিশ্বাস্য ঘটনাৱলী চীনত ঘটিবলৈ ধৰিলে—নানকিং সেতু তাৰে এক উজ্জ্বল চানেকি। প্ৰায় এক লাখ টন তীখা আৰু দহ লাখ টন ছিমেণ্ট এই সেতুবন্ধনৰ কামত ব্যৱহৃত হৈছে। শিলাময় নদীগৰ্ভৰ ওপৰত ৯টা প্ৰকাণ্ড স্তম্ভৰ ওপৰত থিয় হৈ আছে এই দুমহলীয়া সুদৃশ্য সেতু। এই সেতুৰ আপাদমস্তক চীনতে নিৰ্মিত। তিয়েনছিঙত নিৰ্মিত এলিভেটাৰেৰে ওপৰলৈ উঠি, আকৌ তললৈ নামি আহি ইয়াংছীৰ ওপৰত থিয় হৈ বিভিন্ন ফালৰ পৰা সেতুৰ শোভা চাই আছিলোঁ। দহোটা স্তম্ভৰ ওপৰত

থিয় হৈ থকা সেতুৰ মুঠ দৈৰ্ঘ্য হ'ল ৬,৭৭২ মিটাৰ। মাজত ১,৫৭৭ মিটাৰ পানীৰ ওপৰত, বাদবাকীখিনি সেতুৰ প্ৰবেশ আৰু প্ৰস্থানৰ হাইওৱে। সেতুমুখৰ আকৰ্ষণীয় টাওৱাৰটো ৭০ মিটাৰ ওখ। ১৯৬০ চনত আৰম্ভ কৰি, উপকৰণৰ অভাৱত কিছু দিনলৈ কাম বন্ধ থকাৰ পাছত—১৯৬৮ চনত সেতুৰ কাম শেষ কৰা হৈছিল।

সমাজতন্ত্ৰ গঠনত দুই পন্থাৰ জীৱন-মৰণ সংগ্ৰামত এই সেতু মাও-পন্থাৰ বিজয়স্তম্ভ হিচাপে থিয় হৈ আছে। পাশ্চাত্যৰ বিজ্ঞানীসকলে এনেকুৱা সেতু বহুতো নিৰ্মাণ কৰিছে, কিন্তু তেওঁলোকৰ ইনজিনিয়াৰিং বিজ্ঞানৰ ইতিহাসত এই পদ্ধতিৰে সেতু গঢ়াৰ দৃষ্টান্ত পাবলৈ নাই। সেযেহে, বিদেশী ইনজিনিযাৰৰ দৃষ্টিতো নানকিং সেতু এক পৰম বিস্ময়।

অস্তৰাগৰ বৰ্ণালী মোহত, এক অনুপম ভাস্কৰ্য্যৰ দৰে থিয় হৈ আছিল নানকিং সেতু। উভতি আহোঁতে দেখিলোঁ সেতুৰ গাত চীনা চিত্ৰাক্ষৰেৰে খচিত মাও চে তুঙৰ এটি উদ্ধৃতি :

> 'দুনিযাৰ ইতিহাস ৰচনাৰ ক্ৰিয়াশক্তি আৰু তাৰ উৎস হ'ল জনগণ আৰু কেৱল জনগণ।'

এটি শ্ৰমিক-পৰিয়ালৰ মাহিলী আয়-ব্যয়ৰ হিচাপ

১৯৭৪ চনৰ ২৬ জুন তাৰিখে সাংহাইৰ ফংকোৱালুং অঞ্চলৰ শ্ৰমিক পৰিযাল এটিলৈ গৈছিলোঁ। গৃহকৰ্ত্ৰী—শ্ৰীযুক্তা ছিউ চিং মেইৰ (বয়স ৫৮ বছৰ) পৰা এই পৰিয়ালটোৰ মাহিলী আয়-ব্যয়ৰ যি চিত্ৰ পালোঁ সোয়া নিম্নৰূপ :

পৰিয়ালটোৰ সভ্যসংখ্যা ৮ জন। পূৰ্ণবয়স্ক ৪ জন (বৃদ্ধা আইতাক সহ), অপ্ৰাপ্তবয়স্ক ৪ জন।

পৰিয়ালটোৰ উপাৰ্জন :

শ্ৰীযুক্তা ছিউৰ মাহিলী পেন্সন :	৫৩	ইউৱান
তেওঁৰ পুত্ৰৰ মাহিলী দৰমহা :	৫০	„
বোৱাৰীৰ „ „ :	৪০	„
সৰ্বমুঠ উপাৰ্জন :	১৪৩	ইউৱান

মাহিলী ব্যয় (মোটামুটি হিচাপ) :

চাউল	৩০.০০	ইউৱান
ঘৰভাৰা (৩ কোঠলীয়া)	৯ ৪৭	„
গেছ	৪.০০	„
বিজুলী	২.০০	„
কলৰ পানী	২ ০০	„
শাক-পাচলি	৩০.০০	„
মাছ-মাংস	১০.০০	„
তেল-নিমখ ইত্যাদি	৭ ০০	„
পুতেকে ১ সাজ কাৰখানাত খোৱা বাবদে	৬ ০০	„
৪ জন ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবদে	৩ ৫০	„
মুঠ ব্যয় :	১০৪.৩৭	ইউৱান

থকা-খোৱাৰ খৰচ বাদেও পৰিয়ালটোৰ হাতত থাকিল ৩৮.৩৭ ইউৱান। কাপোৰ-কানি আৰু আনুসংগিক খৰচ কৰিও তেওঁলোকে অলপীয়াকৈ হ'লেও সঞ্চয় কৰিব পাৰে। তেওঁলোকৰ ঘৰত দেখিলোঁ ৱাৰ্ডৰ'ব, দুটা কোঠাত দুটা ড্ৰেছিং টেব্‌ল্‌, তিনিখন পালেং, ৰেডিয়', চিলাই মেচিন, এটা ছাইকেল, পৰ্দা আদিৰে ঘৰখন বেছ আটোম-টোকাৰীকৈ সজোৱা। চোলা-পায়জামা আৰু কাঠৰ আচবাবপত্ৰ তেওঁলোকে নিজেই তৈয়াৰ কৰা।

কেইপদমান খোৱাবস্তুৰ বজাৰ-দাম

১৯৭৪ চনৰ ২৮ মে'ত তিয়েনছিং চহৰৰ এখন বজাৰত বিভিন্ন বস্তুৰ দাম সুধি যি জানিছিলোঁ সি নিম্নৰূপ :

উৎকৃষ্ট চাউল	(কিলোপ্ৰতি)	০'৪২	ইউৱান	অৰ্থাৎ	প্ৰায়	১'২৬	পইচা
সাধাৰণ চাউল	(„)	০'৫৬	„	„	„	১'৫৮	„
ঘেঁহু	„	০'২৬	„	„	„	০'৭৮	„
আলু	„	০ ২৬	„	„	„	০'৭৮	„
কুকুৰাৰ মাংস	„	২'০০	„	„	„	৬'০০	„
গাহৰিৰ মাংস	„	১ ৮০	„	„	„	৫'৪০	„
পিকিং হাঁহৰ	„	২'৪০	„	„	„	৭'২০	„
কণী (২৫—২৮ টা)		১'৬০	„	„	„	৪'৮০	„
মাছ (উৎকৃষ্ট বিধৰ)	„	৩ ০৬	„	„	„	৯'১৮	„
মাছ (সাধাৰণ)	„	০ ৮০	„	„	„	২'৪০	„
ফুলকবি	„	০ ২০	„	„	„	০'৬০	„
ওলকবি	„	০ ১২	„	„	„	০'৩৬	„
আপেল	„	০ ৭৮	„	„	„	২'৩৪	„
ভোজ্য তেল	„	১ ৫০	„	„	„	৪'৫০	„

যোৱা পোন্ধৰ বছৰ ধৰি এইবোৰ ভোজ্যবস্তুৰ দাম প্ৰায় একেই আছে।

বিশ্ববিদ্যালয়ৰপৰা কাৰখানা—কাৰখানাৰপৰা বিশ্ববিদ্যালয়

সাংস্কৃতিক বিপ্লৱৰ বা-মাৰলীৰ তীব্ৰ বেগ শ্ৰমিক-শ্ৰেণীয়ে ক্ষমতা দখল কৰাৰ পাছত কমিল কিন্তু একেবাৰে নোহোৱা নহ'ল। বিৰাট দেশ, বিৰাট তাৰ জনসংখ্যা। প্ৰতিখন চহৰত, শিক্ষালয়ত, কাৰখানাত সাংহাইৰ 'জানুৱাৰি ধুমুহা'ৰ কোবাল বতাহ সোমোৱাত অলপ সময়ৰ আৱশ্যক হ'ল। বুৰ্জোৱা জাবৰ-জোথৰ সাৰি-মচি নিকা কৰিবলৈ

শ্ৰমিক নেতৃত্বত জনতা আগবাঢ়ি আহিল প্ৰতিখন চহৰ, প্ৰতিটো কাৰখানা আৰু প্ৰতিষ্ঠানত। বহু নেতাৰ উত্থান আৰু পতন ঘটিবলৈ ধৰিলে।

কেন্দ্ৰীয় কমিটিৰ ১৬ পয়েন্ট নিৰ্দেশাৱলীত আছিল: 'জনগণক বিশ্বাস কৰক, ভয় পৰিত্যাগ কৰক, গণ্ডগোলৰ ভয়ত ভীত হৈ নুঠিব'। সমাজতন্ত্ৰী দুনিয়াৰ ইতিহাসত অভূতপূৰ্ব ৰক্তপাতহীন গণ-বিদ্ৰোহৰ চৰিত্ৰক বহিৰ্বিশ্বত অন্যে পৰে কা কথা:, চীনৰ অনুৰাগী লোকসকলৰ পক্ষেও সাঁথৰ যেন হৈ উঠিছিল। বৈৰিতামূলক আৰু অ-বৈৰিতামূলক অন্তৰ্দ্বন্দ্বৰ এনেকুৱা জটিল অৱস্থান ঘটিছিল যে, তাৰ গতি-প্ৰকৃতি বহুতেই ধৰিব নোৱাৰি তাৰ মাজত মাথোন গণ্ডগোল আৰু বিশৃংখলা হে দেখিছিল। এই বিশৃংখলাৰেপৰাই যে এক উচ্চতৰ প্ৰলেতাৰীয় শৃংখলাই জন্মলাভ কৰিছে—মাও-ৰ গণপন্থাৰএই গূঢ় তত্ত্বক ৰক্ষণশীল মাৰ্ক্সবাদীসকলেও বুজি উঠিবপৰা নাছিল। সাংহাইৰ 'জানুৱাৰি ধুমুহা'ই কোবাই যোৱা সাংস্কৃতিক বিপ্লৱৰ পাছত শ্ৰমিক নেতৃত্ব প্ৰতিষ্ঠা কৰাৰ পাছৰেপৰাই এই উচ্চতৰ শৃংখলাৰ সূত্ৰপাত ঘটিছিল।

১৯৬৭ চনৰ জুলাই মাহত এক বিবৃতিৰ যোগে মাও-এ কৈছিল: 'বিপ্লৱী বুদ্ধিজীৱি আৰু যুৱক-ছাত্ৰসকলেইহে প্ৰথমে সচেতনতা লাভ কৰে। ইয়েই হ'ল বৈপ্লৱিক বিকাশৰ নিয়ম। আন্দোলনৰ গতিয়ে এই কথাটোকেই প্ৰমাণিত কৰিছে যে, শ্ৰমিক আৰু কৃষকসকলে সদায়েই মূলশক্তি, সৈন্যসকল হ'ল ইউনিফৰ্ম পিন্ধা শ্ৰমিক-কৃষক মাথোন। · তেতিয়াহে বুৰ্জোৱাবিলাকক চূৰ্ণ-বিচূৰ্ণ কৰিব পাৰি যেতিয়া শ্ৰমিক-কৃষকৰ বিৰাট অংশ জাগি উঠে। তেতিয়া বিপ্লৱী বুদ্ধিজীৱি আৰু যুৱক-ছাত্ৰসকলে মুখ্য ভূমিকাৰপৰা হুঁহকি গৈ সহকাৰীৰ ভূমিকা লয়।'

'জানুৱাৰি ধুমুহা'ৰ পাছৰপৰা সাংস্কৃতিক বিপ্লৱৰ মুখ্য ভূমিকা ল'লে শ্ৰমিক-শ্ৰেণীয়। সেয়ে হ'ল মহত্তৰ শৃংখলা আৰু সফলতাৰ প্ৰথম প্ৰতিশ্ৰুতি।

চীনৰ বিশ্ববিদ্যালয়ৰ কেম্পাছত যি ছাত্ৰ-বিক্ষোভ আৰম্ভ হৈছিল, সেই ছাত্ৰ-বিক্ষোভৰপৰা পূব-ইউৰোপ বা বৰ্তমান ছোভিয়েত ৰুছিয়াত জন্মলাভ হোৱাদি খণ্ডাল ডেকা বা মড্‌ছৰ জন্মলাভ হোৱা নাই। তাৰ কাৰণ হ'ল, প্ৰথমতে ছাত্ৰসকলৰ আগত এক সুস্পষ্ট বৈপ্লৱিক লক্ষ্য আছিল। শিক্ষালয়ত—সুবিধাভোগী এদল 'এলিট' সৃষ্টিৰ শিক্ষা-ব্যৱস্থা, উচ্চশিক্ষাত শ্ৰমিক কৃষকৰ সন্তানসকলক প্ৰবেশাধিকাৰত বাধা, পাৰ্টিৰ উচ্চক্ষমতাসম্পন্ন এচাম নেতাৰ ধনতান্ত্ৰিক ধ্যান-ধাৰণা, চাল-চলনত বুৰ্জোৱা ব্যুৰ'ক্ৰাটসুলভ ব্যৱহাৰ—এইবোৰেই আছিল এওঁলোকৰ আক্ৰমণৰ মূল লক্ষ্য। দ্বিতীয়তে, তেওঁলোকৰ নেতৃত্বত আছিল মাও চে তুঙৰ প্ৰলেতাৰীয় ৰাজনীতি। বিশ্ববিদ্যালয়ৰ কেম্পাছৰ ৰাজনীতিয়ে শেহলৈ যেতিয়া শত্ৰু কোন, মিত্ৰয়েইবা কোন তাৰ বিচাৰ কৰিব নোৱাৰি দিগভ্ৰান্ত হৈ পৰিছিল, তেতিয়া শ্ৰমিকশ্ৰেণীৰ প্ৰত্যক্ষ হস্তক্ষেপৰ ফলত তেওঁলোকৰ সংগ্ৰামে সঠিক পথ বাছি উলিয়াবলৈ সক্ষম হ'ল।

কিন্তু যুদ্ধোত্তৰ পূৰ্ব-ইউৰোপত আৰু ৰুছিয়াত, প্ৰথমতে, ওপৰিসৌধৰ বিপ্লৱ একেবাৰে আগুৱা নাছিল। দ্বিতীয়তে, শ্ৰমিকশ্ৰেণীৰ একনায়কত্ব যিকণৰা প্ৰতিষ্ঠিত হৈছিল--তাকো ভাঙি দি ধনতন্ত্ৰৰ পুনৰাবিৰ্ভাৱৰ বাট সুচল কৰি দিয়া হৈছিল। গতিকে, তাত ছাত্ৰ বা যুৱ-বিক্ষোভে বুৰ্জোৱা নৈৰাজ্যবাদৰ ৰূপ লৈছে। কিন্তু চীনত এই কাণ্ড ঘটা নাছিল,—কিয়নো ওপৰিসৌধত বুৰ্জোৱা ধ্যান-ধাৰণাৰ বিৰুদ্ধে মাও চে তুঙৰ নেতৃত্বত অবিৰত সংগ্ৰাম চলিছে আৰু সেই সংগ্ৰামত ছাত্ৰ-সম্প্ৰদায় থিয় দিছেহি মাও-ৰ সপক্ষে। সমাজৰ ওপৰিসৌধত শিক্ষা-সংস্কৃতি, বিজ্ঞান আৰু দৰ্শনত শ্ৰমিক-শ্ৰেণীৰ একনায়কত্ব প্ৰতিষ্ঠা কৰাৰ নামেই হ'ল সাংস্কৃতিক বিপ্লৱ।

মাৰ্কছবাদী তত্ত্বৰ বহুতো দিশ বিদ্যমান। কিন্তু তাৰ সাৰ-নিৰ্য্যাস, এআষাৰত ক'বলৈ হ'লে—'বিদ্ৰোহ ন্যায়সংগত' (To rebel is justified')। ছাত্ৰসকলে 'বিদ্ৰোহ ন্যায়সংগত' মাও-ৰ এই উক্তিক

তেওঁলোকৰ ৰণধ্বনি কৰি লৈছিল। অগণিত অনভিজ্ঞ ছাত্ৰ-বিদ্ৰোহী-সকলৰ কাষত মাও প্ৰিয় হ'লহি। এই ছাত্ৰ-বিদ্ৰোহীসকলেই চীনদেশত ওপৰিসৌধত শ্ৰমিকশ্ৰেণীৰ একনায়কত্বক নিগাজী কৰাৰ বাটত সহায় কৰি সমাজতন্ত্ৰৰ ভেটিক সুৰক্ষিত কৰিছে।

পূব-ইউৰোপ আৰু ৰুছিয়াৰ ছাত্ৰ 'বিদ্ৰোহী'সকলৰ সৈতে চীনৰ 'ছাত্ৰ-বিদ্ৰোহী'সকলৰ এইখিনিতেহে মৌলিক পাৰ্থক্য। সেয়েহে, আজিৰ চীনৰ ছাত্ৰ আৰু যুৱ সমাজে এনেকৈ সুস্থ, সফল আৰু উচ্চ আদৰ্শেৰে উদ্বুদ্ধ হৈ সমাজতন্ত্ৰ গঠনৰ বাটত, জনগণৰ সেৱাত আত্ম-নিবেদন কৰিবলৈ সক্ষম হৈছে। বিচ্ছিন্নতা আৰু মনোবিকাৰৰ কোনো হেতু তাত নাই। চীনৰ যুৱকসকলৰ মাজত কোনো 'জেনৰেশ্বন গেপ্' নাই, নাই কোনো পানাসক্তি বা অপৰাধ-প্ৰৱণতা। সাজ-পাৰ আৰু নৰ-নাৰী সম্পৰ্ক অতি শালীন। আনৰ চকুত চমক খুউৱাৰ কোনো প্ৰচেষ্টা-প্ৰচেষ্টাও দেখা নাযায় তাত। কোনো ধৰণৰ Juvenile delinquency বা যুৱ-সমস্যা নাই তাত। উৎপাদনমুখী সমষ্টি-জীৱনৰ সৈতে তাৰ ব্যক্তি-চিন্তা আজি সাঙোৰ খোৱা।

যিসকল মনোবিদে ছাত্ৰসকলৰ গুৰু-দ্ৰোহিতা, অননুগামিতা বা স্বেচ্ছাচাৰিতাৰ নিৰাময়কল্পে বিধে বিধে দাৱাই-দৰবৰ ব্যৱস্থাপত্ৰৰ যোগান ধৰিছে দিনে-নিশাই—তেওঁলোকে চীনৰ যুৱ-সমাজলৈ অলপ ঘূৰি চালে লাভবান হ'ব।

মস্কৌৰ শিক্ষা-প্ৰণালী আৰু শিক্ষা-বিপ্লৱ

ভাৰতবৰ্ষত আধুনিক পাশ্চাত্য শিক্ষা-ব্যৱস্থা স্থাপনৰ ওকালতী কৰিবলৈ গৈ এগৰাকী ব্ৰিটিছ ছিভিলিয়ানে মন্তব্য কৰিছিল: 'Education and subjection goes hand in hand', অৰ্থাৎ 'শিক্ষা আৰু বশ্যতাই হাত ধৰাধৰিকৈ চলে'।

মেকলে চাহাবে কৈছিল: 'ভাৰতত আমি এনে এক শিক্ষা-ব্যৱস্থা গঢ়ি তুলিবলৈ বিচাৰোঁ যাৰ জৰীয়তে শিক্ষিত শ্ৰেণীয়ে ইংৰাজীত মাত-বোল কৰিব, ইংৰাজীত চিন্তা কৰিব আৰু সপোনো দেখিব ইংৰাজীত।'

আমাৰ আধুনিক শিক্ষাৰ লক্ষ্য যে বশ্যতা, এই কথা আমি পাহৰি যাওঁ। সৰুতে বাংলা শিশুপাঠ্যত এফাকি কবিতা পঢ়া মনত পৰে: 'যিযে কৰে লেখা-পঢ়া, উঠি ফুৰে গাড়ী-ঘোঁৰা। অতি স্থূলভাৱে কোৱা হ'লতো আমাৰ ঘাই লক্ষ্যটো—সেয়ে।

আমি শিক্ষিতসকলেই সমাজৰ স্যমন্তক মণি, আমি বিনে দুনিয়া অচল, এই ধাৰণাটো আমাৰ হাড়ে-হিমজুৰে সোমাই আছে। কিন্তু এই ধাৰণাৰ আঁৰত যে এক বিষধৰ শ্ৰেণীচিন্তা লুকাই আছে—সেই কথাষাৰ আনকি প্ৰগতিশীল বুদ্ধিজীৱিসকলেও পাহৰি থাকে। আৰু আৰু সেযেহে চীনৰ শিক্ষা-ক্ষেত্ৰত দুই শ্ৰেণী, দুই পন্থাৰ দ্বন্দ্বক অনুধাৱন কৰাটো আমাৰ পক্ষে বৰ টান।

শিক্ষাৰ শ্ৰেণী-চৰিত্ৰ

অক্টোবৰ বিপ্লৱৰ পাছত ছোভিয়েতত নতুন শিক্ষা-ব্যৱস্থা প্ৰচলন কৰ'ৰ গুৰুত্ব সম্পৰ্কে যুৱলীগৰ আগত ভাষণ দিওঁতে লেনিনে কৈছিল:

‘পুৰণি দিনৰ শিক্ষা-ব্যৱস্থা আছিল শ্ৰেণী-বৈষম্যয় চিন্তাত আচ্ছন্ন। সেয়েহে, স্বাভাৱিকতেই সিহঁতে কেৱল বুর্জোৱাৰ সন্তানসকলকহে শিক্ষা দিছিল। বুর্জোৱাৰ স্বার্থত প্ৰতিটো শব্দক বিকৃতভাৱে উপস্থাপিত কৰা হৈছিল। এইবোৰ বিদ্যালয় শ্ৰমিক আৰু কৃষক সকলৰ সন্তানক শিক্ষাদানৰ নামত বুর্জোৱাৰ স্বাৰ্থসাধনৰ উপযোগীকৈ তৈয়াৰ কৰা হৈছিল।’

শিক্ষা-ব্যৱস্থা হ’ল সমাজৰ super structure বা ওপৰিসৌধৰ এটি প্ৰধান চূড়া। তাত শোষকশ্ৰেণীৰ একাধিপত্যক নিৰ্মূল কৰিব নোৱাৰিলে সমাজতন্ত্ৰৰ গঠন সফল হ’ব নোৱাৰে। সেযেহে লেনিনে আহ্বান জনালে :

‘বুর্জোৱা শ্ৰেণীয়ে শাসনৰ হাতিয়াৰ হিচাপে ব্যৱহৃত বিদ্যালয়সমূহক শ্ৰেণী-বিভক্ত সমাজৰ অৱসানৰ হাতিয়াৰত ৰূপান্তৰিত কৰিব লাগিব। বিদ্যালযসমূহক সৰ্বহাৰাৰ একাধিপত্যৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব লাগিব। অৰ্থাৎ এইবোৰ মাথোন সাম্যবাদৰ সাধাৰণ নীতিৰ বাহনেই হৈ নাথাকিব, ইযাক শোষকশ্ৰেণীৰ প্ৰতিৰোধৰ উদ্দেশ্যে শ্ৰমজীৱি জনগণৰ সৰ্বহাৰা, আধা-সৰ্বহাৰা আৰু আন অংশৰ ওপৰত আদৰ্শগত, সংগঠনগত আৰু শিক্ষাগত প্ৰভাৱ বিস্তাৰৰ বাহন হিচাপে গঢ়ি তুলিব লাগিব।’

শিক্ষাক্ষেত্ৰত দুই লাইনৰ দ্বন্দ্ব

বিদ্যালয় সমূহত বিপ্লৱৰ যোগ্য উত্তৰাধিকাৰী তৈযাৰ কৰিব লাগে নে সমাজতন্ত্ৰী-সমাজৰ বিশেষ Brain trust হিচাপে বিশেষজ্ঞ বুদ্ধিজীৱি তৈয়াৰ কৰিব লাগে—এই প্ৰশ্ন লৈ চীনৰ মুক্তিৰ পাছৰে

পৰাই বন্ধ আৰম্ভ হৈছিল। পাশ্চাত্য শিক্ষাৰে উচ্চশিক্ষিত বুদ্ধিজীৱিসকলে তেতিয়ালৈকো সকলো বিশ্ববিদ্যালয়ত কৰ্তৃত্ব চলাই গৈছিল। যিসকল প্ৰৱীণ কমিউনিষ্ট বিশ্ববিদ্যালয় সমূহৰ পৰিচালনাৰ দায়িত্বত নিযুক্ত হৈছিল, তেওঁলোকৰ এজনো বিদেশত শিক্ষাপ্ৰাপ্ত বিশেষজ্ঞ নাছিল। চেলেঞ্জ কৰিলে। এই অৱস্থাৰ সমাধানাৰ্থে, ১৯৫৮ চনত চীনত এক নতুন শ্ল'গান শুনিছিলোঁ 'ইও হোং, ইও চুৱান, অৰ্থাৎ 'একাধাৰে ৰঙা আৰু বিশেষজ্ঞ হ'ব লাগিব'। কিন্তু সেই শ্ল'গানত খুঁত আছিল—সমাজতন্ত্ৰ গঢি তোলাৰ ক্ষেত্ৰত বুদ্ধিজীৱি-বিশেষজ্ঞৰ অগ্ৰাধিকাৰক প্ৰকাৰান্তৰে মানি লোৱা হৈছিল। আনহাতে এই শ্ল'গানক কাৰ্য্যকৰী কৰি তুলিবলৈ পাৰ্টিৰ আভ্যন্তৰিক চেতনাৰ উমান নোলোৱাকৈয়েই বহু বুদ্ধিজীৱিক সদস্য পদ দিয়া হ'ল। তাৰ ফলত শিক্ষাক্ষেত্ৰত তেওঁলোকৰ কৰ্তৃত্বযেই খোপনি ল'লে।

কিন্তু মাও-ৰ শিক্ষানীতি আৰু শিক্ষা-প্ৰণালী প্ৰথমৰে পৰাই কিয়াংছীৰ মুক্তাঞ্চলত ছোভিয়েত চৰকাৰ স্থাপন কৰোঁতে নতুন শিক্ষা সম্পৰ্কে মাও-এ যি ভাবিছিল, ৪০ বছৰৰ পাছতো মুক্তচীনত সেই ভাব-চিন্তা বাস্তৱত সফল কৰিবলৈ গৈ এক দুৰ্বাৰ প্ৰতিৰোধৰ সম্মুখীন হৈ পৰিছে। তেতিয়া, ৪০ বছৰৰ আগতে, শিক্ষা আৰু সংস্কৃতি সম্পৰ্কে কিয়াংছী ছোভিয়েতৰ নীতি নিৰ্ধাৰণ কৰোঁতে মাও-এ কৈছিল :

> 'আমাৰ এই ছোভিয়েতত শিক্ষা আৰু সংস্কৃতিৰ সাধাৰণ-নীতি কি হ'ব ? লাগিব শ্ৰমজীৱি জনতাৰ বৃহত্তৰ অংশক কমিউনিষ্ট আদৰ্শেৰে শিক্ষিত কৰি তোলা আৰু কায়িক শ্ৰম আৰু শিক্ষাৰ সংহতিৰে বৈপ্লৱিক যুদ্ধ আৰু শ্ৰেণী সংগ্ৰামৰ সেৱাৰ্থে সেই শিক্ষাক নিয়োজিত কৰা।'

লংমাৰ্চ্চৰ সামৰণি পৰাৰ পাছত ১৯৩৭ চনৰ ডিছেম্বৰ মাহত উত্তৰ ছেনছি পাব্লিক স্কুলৰ প্ৰতিষ্ঠা উপলক্ষে মাও-এ তেওঁৰ ভাষণত প্ৰলেতাৰীয় শিক্ষা-নীতিৰ প্ৰসংগত কৈছিল :

'বিপ্লৱৰ আগমণুৱা হিচাপে বহু মানুহক শিক্ষিত কৰি তোলাৰ প্ৰয়োজন আছে—যিসকল মগ্নেহে কোনো দিনে ব্যক্তিগত স্বাৰ্থান্বেষী নহ'ব, বৰঞ্চ হ'ব জাতিৰ আৰু সমাজৰ মুক্তি কামনাত সমৰ্পিত-প্ৰাণ, যিসকল গৰ্বোদ্ধত নহ'ব বা ব্যক্তিগত খ্যাতি-কামী নহ'ব, বৰঞ্চ হ'ব বিবেক আৰু বাস্তৱবুদ্ধিসম্পন্ন। এনে ধৰণৰ অগ্ৰগামীৰ সংখ্যা চীনদেশত বাঢ়িলে চীন-বিপ্লৱৰ কাম সফলভাবে সুসম্পন্ন হ'ব।'

ইয়েনানত মাও-ৰ শিক্ষানীতিক অনুসৰণ কৰিয়েই জাপ-সাম্ৰাজ্যবাদ-বিৰোধী বিশ্ববিদ্যালয় স্থাপিত হৈছিল। সৰ্বহাৰাৰ ৰাজনীতিক অগ্ৰাধিকাৰ প্ৰদান কৰি শিক্ষা-ব্যৱস্থাক উৎপাদনী শ্ৰমৰ লগত সাঙোৰা হৈছিল। কিন্তু মুক্তিৰ পাছত লিউ শ্বাও চি-লিন্ পিয়াওহঁতৰ বক্তব্য আছিল যে, চীনৰ দৰে পিছপৰা দেশ এখনত দ্ৰুতগতিত সমাজতন্ত্ৰ গঢ়ি তুলিবলৈ হ'লে—ইয়েনানৰ গুহা-আশ্ৰিত বিশ্ববিদ্যালয়ৰ আৰ্হি ল'লে নচলিব। বিজ্ঞান আৰু শিল্পত পচিমীয়া দেশসমূহৰ লগত সমানে ফেৰ মাৰিবলৈ হ'লে এদল বিশেষজ্ঞ লাগিবই লাগিব আৰু সিয়েই শিক্ষাৰ প্ৰধান লক্ষ্য হোৱা উচিত।

১৯৫৮ চনত, মাও-ৰ নীতি অনুসৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলে দলে দলে গাঁৱলৈ ঢপলিয়াই আহি কৃষকসকলৰ তত্বাৱধানত তেওঁলোকৰ কান্ধত কান্ধ মিলাই কাম কৰা দেখিছিলোঁ। কিন্তু লিউ শ্বাও চি আৰু তেওঁৰ অনুগামীহঁতে সাময়িকভাবে হ'লেও সেই ধাৰাক প্ৰতিৰোধ কৰাত সমৰ্থ হৈছিল। বিশ্ববিদ্যালয় সমূহৰ কৰ্তৃপক্ষৰ সৰহভাগেই আছিল লিউ-পন্থী।

সাংস্কৃতিক বিপ্লৱৰ পাছত

১৯৬৬ চনত ৭ মে'ত মাও-এ আহ্বান জনালে, যি আহ্বান এতিয়া '৭ মে'ৰ নিৰ্দেশ' বুলি বিখ্যাত :

'শিক্ষাকাল চমুৱাব লাগিব, শিক্ষাব বৈপ্লবিক ৰূপান্তৰ ঘটাব লাগিব। আমাৰ বিদ্যালয়সমূহত বুৰ্জোৱা বুদ্ধিজীৱি-সকলৰ আধিপত্যক আমি আৰু মানি নলওঁ।'

১৯৬৮ চনৰ ২৭ জুলাইৰপৰা চীনৰ শিক্ষালয়-সমূহত এক যুগান্তৰ আৰম্ভ হ'ল। মাও-ৰ আহ্বানত শ্ৰমিক, হুথীয়া আৰু নিম্ন-মধ্যবিত্ত কৃষক আৰু গণ-মুক্তিফৌজৰ প্ৰতিনিধি লৈ গঠিত 'মাও-চিন্তা প্ৰচাৰক দল'-এ একে একে শিক্ষালয়সমূহত সোমাই শিক্ষাক্ষেত্ৰত বুৰ্জোৱা বুদ্ধিজীৱিৰ হাতৰপৰা নেতৃত্ব কাঢ়ি ল'লে আৰু শিক্ষাক্ষেত্ৰত বিপ্লৱ ঘটাই সৰ্বহাৰাৰ একাধিপত্য প্ৰতিষ্ঠা কৰাৰ বাটলৈ আগ বাঢ়িলে। তেওঁলোকৰ হাতৰ ফেষ্টুনত লেখা আছিল: 'শিক্ষা—প্ৰলেতাৰীয় ৰাজনীতিৰ সেৱাত নিয়োজিত হ'ব আৰু উৎপাদনশীল শ্ৰমৰ সৈতে যুক্ত হ'ব'। এই ঘটনা ১৯৬৭-ৰ সাংহাইৰ 'জানুৱাৰি ধুমুহা'তকৈ কম তাৎপৰ্য্যপূৰ্ণ নহয়। লগতে, বিশ্ববিদ্যালয়ত ছাত্ৰ ভৰ্তি কৰাৰ পদ্ধতিতো বিপ্লৱ ঘটোৱা হ'ল। মুক্তদ্বাৰ (Opendoor Way) শিক্ষাবিধিৰ প্ৰচলন কৰা হ'ল। ৰুদ্ধদ্বাৰ শিক্ষা বৰ্জন কৰি শিক্ষকৰ সৈতে ছাত্ৰৰ, শ্ৰমিক আৰু কৃষকৰ সৈতেও সংহতি স্থাপনৰ নীতি গ্ৰহণ কৰা হ'ল। এইদৰে প্ৰলেতাৰীয় বুদ্ধিজীৱিৰ এক নতুন প্ৰজন্মৰ সূত্ৰপাত কৰি শিক্ষালয় সমূহক সৰ্বহাৰাৰ একনায়কত্বৰ হাতিয়াৰ হিচাপে তৈয়াৰ কৰাৰ বাটত এক দীৰ্ঘ পদক্ষেপ লোৱা হ'ল।

পিকিং বিশ্ববিদ্যালয়ত

১৯৭৪-ৰ জুন মাহৰ ১১ তাৰিখে আমি পিকিং বিশ্ববিদ্যালয়লৈ গ'লোঁ। ১৮৯৮ চনত প্ৰতিষ্ঠিত এই বিশ্ববিদ্যালয়ৰ ছাত্ৰইঁতে চীনৰ বিপ্লৱী আন্দোলনত অগ্ৰগামীৰ গৌৰৱ অৰ্জন কৰি আহিছে। বাৰে বাৰে বেৰিকেডত থিয় দিছে। এইবাৰো সাংস্কৃতিক বিপ্লৱৰ প্ৰথম জুইলৈ এওঁলোকেই ফুটাইছিল।

বিশ্ববিদ্যালয়ৰ বিপ্লৱী কমিটিৰ দায়িত্বশীল কেইগৰাকীমান সদস্য, শিক্ষক, ছাত্ৰ আৰু কেনেভাবে আমাক অভ্যৰ্থনা জ্ঞাপন কৰিলে। সাংস্কৃতিক বিপ্লৱৰ পাছত শিক্ষা ব্যৱস্থাত যি পৰিবৰ্তন হৈছে—সেই সম্পৰ্কে আমাৰ জনাৰ বিশেষ থাউতি আছিল। আমাৰ বিভিন্ন প্ৰশ্নৰ উত্তৰত তেওঁলোকে যি ক'লে তাৰ সাৰকথা হ'ল :

সাংস্কৃতিক বিপ্লৱৰ আগতে শিক্ষাৰ লক্ষ্য আছিল—কিছুমান বিশেষজ্ঞ আৰু 'এলিট' তৈয়াৰ কৰা। 'শিক্ষা প্ৰলেতাৰীয় ৰাজনীতিৰ সেৱাত নিয়োজিত হ'ব আৰু উৎপাদনশীল শ্ৰমৰ সৈতে যুক্ত হ'ব'—মাও ৰ এই শিক্ষানীতি অগ্ৰাহ্য কৰা হৈছিল।

প্ৰাইমেৰীৰপৰা বিশ্ববিদ্যালয়লৈকে—১৬-ৰ পৰা ২০ বছৰলৈ ক্লাছৰুমত বন্দী হৈ পুথিগত বিদ্যা কণ্ঠস্থ কৰিবলগীয়া হৈছিল। খেতি-পথাৰৰ কৃষক বা কাৰখানাৰ শ্ৰমিকৰ স'তে কোনো যোগাযোগ নাছিল। স্নাতক এজনে হাতে-কামে কোনো কাম নাজানিছিল।

'Proletarian politics in command' মাও-ৰ এই নিৰ্দেশ মানি চলা নহৈছিল। ভৰ্তি হোৱাৰ মানদণ্ড আছিল মাৰ্কশ্বীট, ৰাজনীতি-জ্ঞান নহয়।

ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক আছিল—যেন confrontation-ৰ, অৰ্থাৎ মুখামুখিকৈ মোকাবিলাৰ সম্পৰ্ক। পৰীক্ষা নামৰ বিষয়টো যেনিবা ফান্দত পেলোৱাৰহে কিটিপ। বিশ্ববিদ্যালয়ত ছাত্ৰই নাম লগোৱাৰ বিষয়ত যি বৈষম্য পালন কৰা হৈছিল—তাত শতকৰা ৬০ জন আছিল শিক্ষিত শ্ৰেণীৰ নাগৰিক আৰু বাকী ৪০ শতাংশ আছিল কৃষক, শ্ৰমিক আৰু সৈন্যৰপৰা অহা।

বিশ্ববিদ্যালয় পৰিচালনাত আৰু পাঠ্যক্ৰমৰ নিৰ্বাচনত—ছাত্ৰসকলৰ কোনো অধিকাৰ নাছিল।

১৯৬৮ চনত আগষ্ট মাহত শ্ৰমিক সকলৰ প্ৰ'পাগাণ্ডা টিম বিশ্ববিদ্যালয়লৈ অহাৰ পাছত শ্ৰমিক সকলৰ উদ্যোগ আৰু শিক্ষক-

ছাত্ৰসকলৰ মিলিত সহায়তাৰে যি নতুন শিক্ষানীতি প্ৰচলিত হয়—সংক্ষিপ্তভাৱে তাৰ ৰূপৰেখা হ'ল :

এতিয়া ছাত্ৰই নাম লগোৱাৰ প্ৰধান মানদণ্ড হ'ল ছাত্ৰৰ প্ৰলেতাৰীয় ৰাজনৈতিক সচেতনতা। বিশ্ববিদ্যালয়লৈ প্ৰবেশপ্ৰাৰ্থী ছাত্ৰৰ ক্ষেত্ৰত উৎপাদনশীল শ্ৰমৰ অভিজ্ঞতা।

বৰ্তমানে বিশ্ববিদ্যালযত ভৰ্তিৰ শ্ৰেণী-বৈষম্য আগৰ সম্পূৰ্ণ বিপৰীত। বৰ্তমানে ভৰ্তি কৰা ছাত্ৰৰ ৪০ শতাংশ কৃষক-পৰিয়ালৰ, ৪০ শতাংশ শ্ৰমিক পৰিয়ালৰ আৰু ১০ শতাংশ সৈনিক-পৰিয়ালৰ আৰু বাদবাকী ১০ শতাংশহে মাথোন শিক্ষিত নাগৰিক-শ্ৰেণীৰপৰা অহা। কাৰখানা বা কমিউনত সাধাৰণ শ্ৰমিক আৰু কৃষকসকলৰ চুপাৰিছৰ ভিত্তিত সিহঁতক ভৰ্তি কৰা হয়। মিড্‌ল্ স্কুলৰপৰা পোনেই কলেজত নাম লগোৱা নহয। মাজৰ সময় ছোৱাত ছাত্ৰইঁতে কমিউনত, বা কাৰখানাত প্ৰত্যক্ষ কামৰ অভিজ্ঞতা আৰ্জিবলগীয়া হয়। বিশ্ববিদ্যালযৰ স্নাতক হোৱাৰ পাছতো নিজা নিজা কাৰখানা, বা কমিউনলৈ, বা সৈন্যবাহিনীলৈ উভতি যাবলগীয়া হয়।

ছাত্ৰ আৰু শিক্ষকসকলৰ মাজত এতিয়া আৰু আগৰদৰে সম্পৰ্ক নাই। বিশ্ববিদ্যালযৰ পৰিচালক বিপ্লৱী কমিটিত ছাত্ৰ, শিক্ষক আৰু কেডাৰৰ দাযিত্ব সমান আৰু ছাত্ৰসকলৰ প্ৰতিনিধিত্বয়েই অধিক। এতিযা পৰস্পৰৰ সম্পৰ্কই সহকৰ্মীৰ স্তৰ পাইছেগৈ। পৰীক্ষাৰ প্ৰশ্নপত্ৰ ছাত্ৰসকলে আগতীয়াকৈয়ে জানিব পাৰে আৰু পৰীক্ষাৰ সময়ত ছাত্ৰসকলে কিতাপ-পত্ৰ খুলি-মেলি লৈ পৰস্পৰৰ লগত আলোচনা কৰিব পাৰে। তেওঁলোকৰ নিজস্ব বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত প্ৰশ্নৰ উত্তৰ লিখিব পাৰে।

কলেজৰ শিক্ষাকাল আগতকৈ চমুউৱা হৈছে। বিজ্ঞানৰ ক'ৰ্ছ ৬ বছৰৰ ঠাইত ৩ বছৰ কৰা হৈছে।

শিক্ষা-পদ্ধতিত 'একৰ ভিতৰত তিনি' (Three in one) নীতি (অৰ্থাৎ শ্ৰেণী-সংগ্ৰাম, উৎপাদনৰ বাবে সংগ্ৰাম আৰু বৈজ্ঞানিক

গৱেষণা) পালন কৰা হয়। তাৰ নমুনা হিচাপে আমাক দেখুওৱা হ'ল: বৰ্তমানে পিকিং বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে ৭টা কাৰখানা আৰু ২৭টা ৱৰ্কশ্বপ চলাইছে। তদুপৰি, বিশ্ববিদ্যালয়ৰ বাহিৰতো ৬০ টাতকৈও বেছি ফেক্টৰী আছে—যিবিলাকৰ লগত ইয়াৰ ছাত্ৰসকলে ঘনিষ্ঠ যোগাযোগ ৰাখিবলগীয়া হয়। ছাত্ৰ, শিক্ষক আৰু ষ্টাফ মিলি এটা ফাৰ্মাছিউটিক্যাল ৱৰ্কশ্বপ চলোৱা দেখিলোঁ। ইয়াত ত্ৰিছ বিধৰ ঔষধ তৈয়াৰ কৰা হয়। এইবিলাকৰ বাৰ্ষিক উৎপাদন-মূল্য ৫০ লাখ ইউৱান।

সাংস্কৃতিক বিপ্লৱৰ পাছত ইয়াত ছাত্ৰ আৰু শিক্ষকে মিলি তেওঁলোকৰ নিজা নক্সা অনুসাৰে তিনি বছৰতে এটা ইলেকট্ৰনিক কম্প্যুটাৰ নিৰ্মাণ কৰিবলৈ সমৰ্থ হৈছে। অথচ—আগৰ দিনত, এই বিষয়ে পঢ়া-শুনা থকা সত্বেও তেওঁলোকে কম্প্যুটাৰ নামক যন্ত্ৰ কেতিয়াও হাতেৰে ছুই পোৱা নাছিল।

যৌথ ষ্টাডিক্লাছত মাৰ্কছবাদ আৰু লেনিনবাদৰ তত্ত্ব আয়ত্ত কৰা এতিয়াৰ পাঠ্যক্ৰমত প্ৰধান স্থান অধিকাৰ কৰিছে। আগৰ দিনত পাঠ্যক্ৰমত কলা বা বিজ্ঞানত মাথোন সোইবোৰ বিষয়হে পঢ়োৱা হৈছিল। আগৰ দিনত মাৰ্কছবাদ-লেনিনবাদৰ শিক্ষাক নিৰুৎসাহিত কৰা হৈছিল। এইবাৰহে পোন প্ৰথম বাৰৰ বাবে, সাংস্কৃতিক বিল্পৱৰ পাছত নতুন শিক্ষাক্ৰমত এয়ে প্ৰথম স্নাতক হৈ তেওঁলোকে নিজা নিজা কাৰখানা বা কমিউনলৈ উভতি গ'ল। শিক্ষা আৰু শ্ৰমৰ মাজত এইদৰে সমন্বয়ৰ যোগেদি আজিৰ চীনত সমাজতন্ত্ৰ গঠনকাৰী এক নতুন শ্ৰমিক আৰু কৃষক সৃষ্টি হ'ব ধৰিছে —যিসকল শ্ৰমিক-কৃষক হৈ উঠিব বিপ্লৱৰ নিৰ্ভৰযোগ্য উত্তৰাধিকাৰী।

সংগ্ৰাম চলিছে আৰু চলি থাকিব

পিকিং বিশ্ববিদ্যালয়ৰ বিপ্লৱী কমিটিৰ প্ৰতিনিধিসকলে আমাক কৈছিল: 'শিক্ষা-বিপ্লৱৰ কাম আৰম্ভ হৈছেহে মাথোন। এই

বছৰতেহে প্ৰথম বাৰৰ বাবে নতুন পদ্ধতিত গ্ৰেজুৱেট (স্নাতক) কৃষক আৰু শ্ৰমিক ছাত্ৰ ওলাল। আমাৰ আগত বহুতো কঠিন সমস্যা বিদ্যমান।'

অতিকৈ দ্ৰুতভাবে বিকাশমান চীনৰ কৃষি আৰু শিল্পৰ অগ্ৰগতিৰ সৈতে এই নতুন শিক্ষা-পদ্ধতিয়ে সামঞ্জস্য ৰক্ষা কৰিবলৈ সমৰ্থ হ'ব নে? গৱেষণাৰ উচ্চ বৈজ্ঞানিক মানদণ্ড বজায় ৰাখিব পাৰিব নে? এনেকুৱা প্ৰশ্ন বহুতো শিক্ষাবিদৰ মনত আজিও নথকা নহয়। পিকিং বিশ্ববিদ্যালয়ত সাংস্কৃতিক বিপ্লৱৰ আগতে আৰু পাছৰ এই কেই বছৰৰ ফলাফলৰ মূল্যায়নৰ পৰা আমি যি চিত্ৰ পাওঁ সেই চিত্ৰ মুক্তদ্বাৰ শিক্ষাবিধিৰ সাফল্যৰ সূচক। সাংস্কৃতিক বিপ্লৱৰ আগৰ ১৭ বছৰত যেতিয়া পিকিং বিশ্ববিদ্যালয়ত লিউ-পন্থী আৰু তেওঁলোকৰ শিক্ষানীতিৰেই প্ৰাধান্য আছিল, তেতিয়াৰ দিনত বিভিন্ন বিভাগত গৱেষণাৰ তুলনাত সাংস্কৃতিক বিপ্লৱৰ পৰৱৰ্তী বছৰ কেইটাত হোৱা গৱেষণাৰ সাফল্য পৰিমাণ আৰু গুণৰ ফালৰপৰা বহুতো বেছি। বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ মতেঃ যোৱা কেইবছৰত যি প্ৰায ১০০০ মান গৱেষণা-পৰিকল্পনা হাতত লোৱা হৈছে তাৰ মাজত গণিত, মেকানিক্‌ছ, পদাৰ্থ-বিজ্ঞান, ৰসায়ন, ৰেডিয়-ইলেকট্ৰনিক্‌ছ, জিঅ'ফিজিক্‌ছ, ভূতত্ত্ব, ভূগোল, জীৱ-বিজ্ঞান, নিউক্লিয়াৰ ফিজিক্‌ছ, ছেমিকণ্ডাকটৰ্‌ছ, চিকিৎসা-শাস্ত্ৰ, ফাৰ্মাক'লজি আদিৰ ক্ষেত্ৰত মৌলিক গৱেষণা কৰা হৈছে—যিবোৰ প্ৰত্যক্ষভাৱে জাতীয় অৰ্থনীতিৰ বিকাশৰ সৈতে ঘনিষ্ঠভাৱে যুক্ত। প্ৰায় ৭০০ গৱেষণা সফলভাবে সৈতে পূৰ্ণ কৰা হৈছে। তাৰ মাজত ১৬০টা গৱেষণাৰ সাফল্য—চীনৰ বিমান আৰু প্ৰযুক্তিবিদ্যাৰ কেইটিমান gap বা শূন্যস্থান পূৰ্ণ কৰিছে। ইয়াৰ মাজত ৩০০ গৱেষণাৰ ফলাফল শিল্প, কৃষি আৰু জাতীয় প্ৰতিৰক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছে। কেইটিমান গৱেষণাই বিশ্বমান অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱৰ ধাৰা

[১৯৬৬ চনত চীনদেশত মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱৰ আবিৰ্ভাৱ •বিংশ শতিকাৰ সপ্তম দশকৰ মহত্তম ঘটনা। চীনৰ সমাজতান্ত্ৰিক বিপ্লৱক এক নতুন পৰ্যায়লৈ উন্নীত কৰিছে এই সাংস্কৃতিক বিপ্লৱে, আন্তৰ্জাতিক কমিউনিষ্ট আন্দোলনৰ ইতিহাসত উন্মুক্ত কৰিছে এক নতুন যুগ।· ··—পীপ'লছ •ডেইলী সম্পাদকীয়, ১ জানুৱাৰি, ১৯৬৭]

অক্টোবৰ বিপ্লৱৰ দুনিয়া কঁপোৱা দহ দিনৰ পাছত দুনিয়া কঁপোৱা এনেহেন ঘটনা আৰু ঘটা নাছিল—যাৰ কঁপনে শত্ৰু-শিবিৰকো জোকাৰি গৈছিল, জোকাৰি গৈছিল মিত্ৰ-শিবিৰকো আৰু আজিলৈকো যি জোকাৰণি মাৰ যোৱা নাই। বৃহত্তম সংখ্যা-বিশিষ্ট সমাজতন্ত্ৰী দেশ, শ্ৰমিকশ্ৰেণী ক্ষমতাধিষ্ঠিত পোন্ধৰ বছৰৰ পাছত, সেই শ্ৰমিকশ্ৰেণীয়েই আকৌ ৰাষ্ট্ৰৰ সদৰ দপ্তৰসমূহ দখল কৰিবলগীয়া হ'ল।

এই জোকাৰণিৰ, এই ভুঁইকঁপৰ আৰম্ভণী কৰিছিল 'হুং ওৱেই পিং' বা 'ৰেডগাৰ্ড'হঁতে। এই ৰেডগাৰ্ডহঁত কোন? কোন এই লাল ৰক্ষীদল? সমগ্ৰ চীনত পংগপালৰ দৰে বিয়পি পৰিল এই চেঙেলীয়া চেমনীয়া স্কুল-কলেজীয়া ল'ৰা-ছোৱালীৰ দল—সমাজতন্ত্ৰৰ দুৰ্গত কাঠৰ ট্ৰ'জান অশ্বৰ পেটত আত্মগোপনকাৰী বুৰ্জোৱাৰ পতাকাধাৰীহঁতক বিচাৰি উলিয়াবলৈ। অৱশ্যে চীনৰ ইতিহাসত ই নিচেই নতুন ঘটনা নহয়। ১৯২৬-২৭ত হুনানত কৃষি-বিপ্লৱৰ কালছোৱাত এইদৰেই লালৰক্ষী দলৰ উদ্ভৱ হৈছিল—যি সকলক 'মিন্ পিং' বুলি কোৱা হৈছিল। হুনান, কিয়াংছী আদি পুৰণি মুক্ত এলেকাত ৰেডগাৰ্ডসকলে তেতিয়া সামন্তীয় আচাৰ-বিচাৰৰ ওপৰত হামলা কৰিছিল। সিহঁতে গাঁৱৰ ছোৱালীহঁতৰ ভৰিৰ বান্ধোন খুলি দিছিল,

মীয়লীয়া বেণী কাটি দিছিল, কানিব কাববাবী আৰু অসচ্চৰিত্ৰ জমীদাৰহঁতক গবা মাবি ধৰিছিল। আকৌ, সিহঁতে গেৰিলা যুদ্ধৰ কামতো অংশ গ্ৰহণ কৰিছিল আৰু শত্ৰুৰ বা-বাতবি যোগাৰ কৰি লালফৌজক সহায় কৰিছিল। কছ বিপ্লৱৰ ইতিহাসতো এনে ধৰণৰ ৰেডগাৰ্ড্ব কাহিনী আছে। জন্ ৰীডে তেওঁৰ 'দুনিয়া কঁপোৱা দহদিন' গ্ৰন্থত লিখিছে : 'পেত্ৰ'গ্ৰাদত তেতিয়া এক অদ্ভুত দৃশ্য। কাৰখানাই কাৰখানাই কমিটিৰ অফিছবিলাকত দ'মে দ'মে ৰাইফেল ৰাখি থোৱা আছে। খবৰ লৈ অহাই আহিছে যোৱাই গৈছে, লালৰক্ষীহঁতে কুচকাৱাজ কৰিছে'। লালৰক্ষী সম্পৰ্কে টীকা দি ৰীডে লিখিছে : 'এই লালৰক্ষী দল প্ৰথমে গঢ়ি উঠিছিল ১৯০৫ চনত বিপ্লৱৰ কালত, ১৯১৭ চনৰ মাৰ্চ মাহৰ দিনবিলাকত যেতিয়া চহৰত শৃংখলা ৰক্ষাৰ প্ৰয়োজন দেখা দিছিল, তেতিয়া। আকৌ সিহঁতৰ পুনৰ্জন্ম ঘটিল। তেতিয়া সিহঁত সশস্ত্ৰও হৈ উঠিছিল আৰু সামৰিক চৰকাৰৰ ফালৰপৰা সিহঁতক নিৰস্ত্ৰ কৰাৰ সকলো চেষ্টা দৰাচলতে ব্যৰ্থ হৈছিল। বিপ্লৱৰ ডাঙৰ ডাঙৰ সংকটত লালৰক্ষীহঁত বাটত নামি পৰিছিল। সিহঁতৰ মাজত তালিম আৰু শৃংখলা সিমান একো নাছিল কিন্তু বৈপ্লৱিক উদ্দীপনা আছিল অসীম'।

কছদেশত কাৰখানাৰ শ্ৰমিক-সন্তানেই লালৰক্ষী হৈছিল আৰু চীনত বৈপ্লৱিক সংকটৰ বেলেগ পৰিপ্ৰেক্ষাত—লালৰক্ষী বাহিনী প্ৰথমে ওলাল শিক্ষালয় সমূহৰপৰা—'তালিম আৰু শৃংখলা' এওঁলোকৰ মাজতো বিশেষ একো নাছিল, কিন্তু বৈপ্লৱিক উদ্দীপনা আছিল অপৰিসীম।

চীনৰ হুংওৱেই পিং বা লালৰক্ষী সকলৰ ধ্বনি আছিল : চাৰি পুৰণিক নিৰ্মূল কৰা—পুৰণি শিক্ষা-সংস্কৃতি, পুৰণি ৰীতি-নীতি, পুৰণি অভ্যাস আৰু পুৰণি ধ্যান-ধাৰণা—এই চাৰিও পুৰণিৰ বিৰুদ্ধে জেহাদ কৰিবলৈ গৈ সিহঁতেও বহুত কিবাকিবি তচোনচো নকৰা নহয়—যিবোৰ পাছত নিন্দিত হৈছে। বহিৰ্জগতত এই তচোনচো-

লগুভণ্ড কাণ্ডৰ কথাবিলাকেই সংবাদ সম্বা সমূহৰ যোগেদি তিলক তাল কৰি বটি ফুৰা হৈছে। আমাৰ দেশতো সেইবোৰ খবৰেই প্ৰাধান্য লাভ কৰিছিল।

এইবাৰ পিকিঙলৈ গৈযেই মোৰ পুৰণি বন্ধু আৰু গাইড ৰিউ এলীক চাবলৈ গ'লোঁ। তেওঁৰপৰা প্ৰথমেই জানিবলৈ খুজিছিলোঁ এই ৰেডগাৰ্ডইঁতৰ কালাপাহাৰী ক্ৰিয়া-কৰ্ম সম্পৰ্কে। স্বল্পভাষী বৃদ্ধ ৰিউ এলীয়ে চীন সম্পৰ্কে তেওঁৰ বিপুল অভিজ্ঞতাপূৰ্ণ দৃঢ় প্ৰত্যয়যুক্ত বাগ্‌ভংগীৰে ক'লে, 'My friend, don't forget they were all kids and these kids came out on the streets in defence of Mao.'—অৰ্থাৎ, হে মোৰ বন্ধু, এইকথা পাহৰি নাযাবা যে ইহঁতৰ আটাই বিলাকেই আছিল চেঙেলীয়া-চেমনীয়াৰ দল—মাও-ৰ স্বপক্ষে পাৰ্টিৰ শোধনবাদীসকলৰ বিৰুদ্ধে চেমনীয়াৰ দলে বাটত নামি পৰিছিল। চেমনীয়াই চেমনীয়াৰ দৰেই ব্যৱহাৰ কৰিব—প্ৰাপ্তবয়স্কৰ দৰে নকৰে। তদুপৰি, এটা কথা তুমি পাহৰিছাই যে, ই আছিল এক পূৰাদস্তুৰ বিপ্লৱ—ওপৰিসৌধৰ বিপ্লৱ।'

তাৰ পাছত তেওঁ মাও-ৰ হুনান ৰিপ'ৰ্টৰ বিখ্যাত উক্তিসমূহ মোক সোঁৱৰাই দিলে ঃ

> 'বিপ্লৱ কোনো ভোজমেল নহয়, বা প্ৰবন্ধ ৰচনা, বা চিত্ৰাংকন, বা চিলাই-কাম নহয়, ই ইমান সুমাৰ্জিত, ইমান ধীৰ-স্থিৰ আৰু সুশীল, ইমান নম্ৰ, দয়ালু, বিনীত, সংযত আৰু উদাৰ হ'ব নোৱাৰে'।

প্ৰথম সূত্ৰপাত শিক্ষালয়তে হৈছিল কিয়

১৯১৯ চনৰ ৪মে'ৰ পৰাই চীনৰ বিপ্লৱৰ ইতিহাসত ছাত্ৰ সমাজে এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। কিন্তু সাংস্কৃতিক

বিপ্লৱত্ত আগৰণুৱাৰ ভূমিকাই এওঁলোকৰ প্ৰাচীন গৌৰৱময় ঐতিহ্যকো ম্লান কৰিছে। তেতিয়া পিকিঙৰ বিদ্যালয়সমূহ এওঁলোকৰ ডাঙৰ ডাঙৰ আখৰৰ প্ৰাচীৰ-পত্ৰেৰে ঢাক খাই গৈছিল আৰু তাৰ যোগেদি ছাত্ৰ-বিস্ফোৰণৰ প্ৰতিচ্ছবি ফুটি উঠিছিল। চীনা ভাষা-বিশেষজ্ঞ বন্ধু ৰিউ এলীয়ে এইবোৰ প্ৰাচীৰ-পত্ৰ ঘূৰি ঘূৰি পঢ়িছিল। সিদিনাৰ সেই কথাবোৰ তেওঁৰ মুখতেই শুনা যাওক:

'শ্ৰমিক আৰু কৃষকৰ একাংশক উচ্চতৰ শিক্ষাদানৰ নিৰ্দেশ কেনেকৈ অমান্য কৰা হৈছে, এই প্ৰাচীৰ-পত্ৰসমূহত সেই কথা সবিস্তাৰে লেখা হৈছিল। তাত দেখা গৈছে যে, শ্ৰমিক-কৃষক ছাত্ৰ-সকলক এটা, বা কেইবাটাও বিষয়ত ফে'ল কৰোৱা হৈছিল আৰু তেওঁলোক য'ৰপৰা আহিছিল পুনৰ তালৈ—কমিউন বা ফেক্টৰীলৈ ওভতাই পঠোৱা হৈছিল। এই ধৰণৰ কথা-কাণ্ড মাথোন দুই-এটা ক্ষেত্ৰতে ঘটা নাছিল, প্ৰকৃতপক্ষে বিশেষজ্ঞ হোৱাৰ বহু বিদ্যালয়তেই এইবোৰ ঘটনা এক সাধাৰণ নিয়ম হৈ উঠিছিল। আগৰদিনীয়া বিদ্যা-বিশাৰদহঁতে এই নিৰ্দেশ দিছিল যে, শিল্পকলাক পুৰণি দিনৰ শিল্পী-পৰিয়ালৰ পবিত্ৰ গোষ্ঠীৰ মাজত বা অতীতৰ সংস্কৃতিৰ লগত নিবিড় যোগসূত্ৰ থকা সকলৰ মাজতে সীমাবদ্ধ ৰাখিব লাগিব। অধ্যাপকৰ পুতেকেই আগন্তুক দিনৰ অধ্যাপক হ'ব, নহ'লেও অন্ততঃপক্ষে পুৰণি দিনৰ বুদ্ধিজীৱিসকলৰ মাজৰপৰাই আগন্তুক দিনৰ অধ্যাপক বাছি-বিচাৰি উলিয়াব লাগিব—এইদৰে আঁচনি কৰা হৈছিল। এই বিষয়ত দায়ীহঁতৰপৰা এতিয়া তৰুণ ৰেডগাৰ্ডহঁতে কৈফিয়ৎ তলব কৰিছে।'

চীনৰ দুই বৃহত্তম শিক্ষায়তন, পিকিং বিশ্ববিদ্যালয় আৰু ছিনহুৱা বিশ্ববিদ্যালয়ৰ দুই চেন্সেলাৰ লু পিং আৰু চিয়াংনান ছিয়াং—এই দুয়োজনেই আছিল ৰেডগাৰ্ডহঁতৰ প্ৰথম আৰু প্ৰধান আক্ৰমণৰ লক্ষ্য, এই কথাত আচৰিত হ'বলগীয়া একো নাই। তেওঁলোকেই আছিল উক্ত প্ৰতিষ্ঠান দুটিৰ পাৰ্টি নেতৃত্বৰ প্ৰধান। শেষোক্ত

চিয়াংনান ছিয়াং আৰু এফেলগে কেন্দ্ৰীয় চৰকাৰৰ উচ্চশিক্ষা বিষয়ক ভাৰপ্ৰাপ্ত মন্ত্ৰীও আছিল।

পিকিং বিশ্ববিদ্যালয়ৰ ৰেডগাৰ্ডইঁতক নেতৃত্ব দিছিল দৰ্শনৰ অধ্যাপিকা নিয়ে ইউৱান জু-এ আৰু ছিনহুৱা বিশ্ববিদ্যালয় ৰেডগাৰ্ড সকলৰ নেতৃত্বত আছিল ছাত্ৰ খুৱাই তা ফু। এই খুৱাই তা ফুৱে সমগ্ৰ চীনত ৰেডগাৰ্ড হিচাপে সবাতোকৈ বেছি খ্যাতি আৰ্জিছিল। ৰেডগাৰ্ডসকলে মাথোন শিক্ষালয়তেই নহয়,—য'তেই সংশোধন-বাদে মূৰ দাঙি উঠা দেখিছিল—য'তেই এক সুবিধাভোগী শ্ৰেণীৰ সা-সন্ধান পাইছিল—য'তেই আৰাম আৰু বিলাসী জীৱনলৈ ধাউতি থকা মানুহৰ ছাঁ দেখা পাইছিল—তাতেই হস্তক্ষেপ কৰিছিল। পুৰণি দিনৰ জমীদাৰ আৰু মালিক-শ্ৰেণীৰ মানুহ, যিসকলে ঘৰ-দুৱাৰ ভাৰাত দিছিল, টকা ধাৰ দি সুত লৈছিল গুপুতে, সোণ-ৰূপ সাঁচিছিল, ৰেডগাৰ্ড সকলে তাতো মূৰ সুমুৱালে।

সিহঁতে নাগৰিকসকললৈ নানা ধৰণৰ ইস্তাহাৰ (প্ৰচাৰপত্ৰ) ছপাই বিতৰণ কৰি সিহঁতৰ কথা বিস্তাৰিতভাৱে জনালে। এনেবোৰ ইস্তাহাৰৰ মাজত এখনত ছপা আছিল: 'মাতৃ-পিতৃসকল, আপোনা-লোকৰ ল'ৰা ছোৱালীহঁতক জহুমামলৈ নপঠিয়াব, তেওঁলোকক সৰল জীৱন যাপনত অভ্যস্ত কৰি তোলক। তেওঁলোকৰ ৰাজনৈতিক শিক্ষা সম্বন্ধে চকু দিয়ক, ডাঙৰ হৈ তেওঁলোকে যাতে সংশোধনবাদীৰ ভাও নলয়, তাৰ বাবে এতিয়াৰেপৰাই সাবধান হওক'।

যি-ৰেডগাৰ্ড আন্দোলননে পিকিং আৰু ছিনহুৱা বিশ্ববিদ্যালয়ৰ পৰা গজালি মেলিছিল, সেই আন্দোলনে বনজুইৰ দৰে সমগ্ৰ চীনত বিযপি পৰিল। তেতিয়াৰ দিনবিলাকত চীনৰ আটাইবোৰ নগৰ-চহৰ ৰেডগাৰ্ডইঁতে অধিকাৰ কৰি লোৱা বুলি বোধ হৈছিল। সমগ্ৰ চীনৰ ইমূৰৰ পৰা সিমূৰলৈ এক নতুন ধৰণৰ লং মাৰ্চ আৰম্ভ হ'ল—খোজ কাঢ়ি গৈ থকা ৰেডগাৰ্ডইঁতৰ পদযাত্ৰা। পিকিঙলৈ ইমান ৰেডগাৰ্ড আহিল যে এই নগৰখনৰ জনসংখ্যা দহলাখ বাঢ়ি গ'ল।

থিয়েন আন মেন স্কোয়েৱাৰত হাতত বন্ধা ৰঙা ফিটা আৰু মাও-ৰ উদ্ধৃতিৰ ৰঙা পুস্তিকাধাৰী বিৰাট ৰেডগাৰ্ডৰ সমদলেৰে তেতিয়া পিকিং নগৰ উখল-মাখল।

আৰু এনেহেন এক সমাবেশত, ১৯৬৬ চনৰ ১৮ আগষ্ট তাৰিখে বাহুত ৰঙাফিটা বান্ধি স্বয়ং মাও চে তুং উপস্থিত হ'লহি। ৰেডগাৰ্ড আন্দোলনৰ সমৰ্থনত মাও-ৰ এই প্ৰকাশ্য উপস্থিতিয়ে ৰেডগাৰ্ড আন্দোলনত এনেকুৱা এক জোৱাৰ সৃষ্টি কৰিলে যে, আবৰ গোড়া-পন্থীইঁতে প্ৰথমৰেপৰাই সৃষ্টি কৰা আবৰিজেণ্ডাবোৰ পলকতে উটুৱাই লৈ গ'ল।

প্ৰথম-পৰ্ব

[১৯৬৫ নভেম্বৰ—১৯৬৬ এপ্ৰিল]

ৰেডগাৰ্ডইঁতে পাৰ্টিৰ অভ্যন্তৰীণ দ্বন্দ্বক প্ৰকাশ্য ৰাজআলিলৈ লৈ আহিছিল। কিন্তু পাৰ্টিৰ অন্তৰ্দ্বন্দ্বৰ সমাধানকল্পে সাংস্কৃতিক বিপ্লৱৰ বিকুল বাজিল ১৯৬৫ চনৰ ১০ নভেম্বৰত ইয়াও ওৱেন ইউৱানৰ 'হাইৰুইৰ পদচ্যুতি' নাটকৰ বিষয়ে প্ৰকাশ্য সমালোচনাৰ লগে লগে।

ইপিনে পান্ জেনে, 'হাইৰুইৰ পদচ্যুতি' নাটক হ'ল এক সাহিত্যিক আৰু ঐতিহাসিক সমস্যা, ৰাজনৈতিক সমস্যা নহয়—এই অজুহাতত কেন্দ্ৰীয় কমিটিৰ ফালৰপৰা আন কাৰোবাৰ লগত আলোচনা নকৰাকৈয়েই, বা আন কাৰোবাক নেদেখুৱায়েই ১৯৬৬ চনৰ ফেব্ৰুৱাৰি মাহত ৰিপ'ৰ্ট (Outline report) উলিয়ালে। ১৯৬৬ চনৰ ১৬ মে'ত মাও চে তুঙৰ নিজ হাতেৰে খছৰা কৰা কেন্দ্ৰীয় কমিটিৰ বিখ্যাত '১৬ মে' ছাৰ্কুলাৰ' পাৰ্টি আৰু পাৰ্টিৰ অনুগামীসকলৰ মাজত প্ৰচাৰ কৰা হ'ল (পৰিশিষ্ট চাওক)। সেই ছাৰ্কুলাৰত পান্ জেনৰ

প্ৰভিটো যুক্তিক খণ্ডন কৰি পান্ জেন আৰু তেওঁৰ ক'লাচক্ৰৰ (Black Gang) চৰিত্ৰক উদ্‌ঘাটন কৰা হ'ল।

১৬ মে'ৰ এই ছাকু'লাৰেই পোন প্ৰথমে পাৰ্টিৰ দ্বন্দ্বক পাৰ্টিৰ গণ্ডীৰ বাহিৰলৈ লৈ আহিল—যদিও তেতিয়ালৈকো 'ক'লা লাইন'ৰ উদগাতা লিউ শ্বাও চি আৰু পান্ জেন, লু তিং ঈ আদি পলিটব্যুৰ'ৰ সভ্য-সকলক প্ৰকাশ্যভাৱে অভিযুক্ত কৰা হোৱা নাছিল। প্ৰত্যক্ষ আক্ৰমণ হৈছিল উহান্, তেং তো, লিযাও মো শ্বা আদি লিউ-পন্থী সাহিত্যিক-সকলৰ ওপৰত।

সাংস্কৃতিক বিপ্লৱৰ পাঁচজনীয়া দলৰ কৰ্ণধাৰ পান্ জেনৰ ফেব্ৰুৱাৰি ৰিপ'ৰ্টক বাতিল কৰি ১০ পয়েণ্ট আলোচনা খণ্ডন কৰা হয়। এই অসাধাৰণ গুৰুত্বপূৰ্ণ তত্ত্বগত দলিলেই সাংস্কৃতিক বিপ্লৱৰ মৌলিক দৃষ্টিকোণ নিৰ্ধাৰণ কৰি দিলে। তাৰ পাছতেই সাংস্কৃতিক বিপ্লৱ বিশ্ববিদ্যালয়সমূহত বিয়পি পৰিল। ২৫ মে'ত পিকিং বিশ্ববিদ্যালয়ৰ চেন্সেলাৰ লু পিঙক কঠোৰভাৱে সমালোচনা কৰি প্ৰথমখন ডাঙৰ আখৰৰ প্ৰাচীৰ-পত্ৰ লেখা হ'ল। পাৰ্টি-নেতৃত্বৰ বিৰুদ্ধে ই এক প্ৰকাশ্য বিদ্ৰোহ বুলি কৈ—লিউ শ্বাও চি-পন্থীইঁতে ইয়াক পাৰ্টি-বিৰোধী প্ৰতি-বিপ্লৱী কাম বুলি অভিহিত কৰিলে। পাৰ্টি-নেতৃত্বৰ মাজত থকা খ্ৰুশ্চফ-পন্থীইঁতৰ বিৰুদ্ধে ছাত্ৰসকলৰ এই প্ৰথম প্ৰকাশ্য বিদ্ৰোহৰ বাতৰি শুনাৰ পাছত মাও-এ সমৰ্থন জ্ঞাপন কৰিলে আৰু তেওঁৰ প্ৰচেষ্টাত ৰেডিয়তো প্ৰচাৰিত হ'ল, আৰু জুন মাহৰ ১ তাৰিখে পিকিঙৰ বাতৰি-কাগজ বিলাকতো ছপোৱা হ'ল। তাৰ পাছৰেপৰাই সাংস্কৃতিক বিপ্লৱৰ বা-মাৰলী বলিবলৈ ধৰিলে। ইপিনে, আন্তৰ্জাতিক পৰিস্থিতিও ভয়াবহ। আমেৰিকাই হানয় আৰু হাইফঙৰ ওপৰত বোমা দলিয়াইছে—ভিয়েতনাম যুদ্ধ চীনৰ দুৱাৰদলি পাইছেহি তেতিয়া। এই পৰিস্থিতিৰ লগতে লৌ লৌৱাই উঠিছে ঘৰৰ এই 'বিশৃংখলা'ৰ জুইশিখা। বিদেশী পৰ্য্যবেক্ষকসকলে ঘটনাৰ উমান ল'ব নোৱাৰিলে, পৃথিবীৰ

প্ৰগতিশীল জনতা বিভ্ৰান্তিত বুৰ গ'ল। এয়া আছিল সম্পূৰ্ণ নতুন ধৰণৰ এক বিপ্লৱ—মহান সাংস্কৃতিক বিপ্লৱ।

আগষ্ট মাহৰ ১-১২ তাৰিখলৈকে পিকিঙত চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ একাদশ প্লেনামৰ অধিবেশন আৰম্ভ হ'ল। তাত ৰেডগাৰ্ড-আন্দোলনৰ বিৰোধী কেন্দ্ৰীয কমিটিৰ ৱৰ্ক-টিমবিলাকক গৰিহণা দিয়া হ'ল আৰু ৮ আগষ্টত কেন্দ্ৰীয় কমিটিয়ে সাংস্কৃতিক বিপ্লৱক পৰিচালনা কৰিবলৈ ঐতিহাসিক ১৬ পযেণ্ট সিদ্ধান্ত গ্ৰহণ কৰিলে (পৰিশিষ্ট চাওক)। এই ১৬ পয়েণ্ট সিদ্ধান্তই সাংস্কৃতিক বিপ্লৱত সাহস, শক্তি আৰু প্ৰচণ্ড গতিবেগৰ সৃষ্টি কৰিলে, সাহসেৰে বৈসতে সমগ্ৰ জনতাক উদ্বোধিত হ'বলৈ আহ্বান জনালে।

প্ৰকৃত ৰেডগাৰ্ড আন্দোলন তেতিয়াবেপৰাই গা কৰি উঠিল। এই হোংওৱেইপিং বা ৰেডগাৰ্ডসকলে চীনৰ চুকে-কোণে সাংস্কৃতিক বিপ্লৱৰ বাণী কঢ়িয়াই লৈ গ'ল। ১৬ পয়েণ্ট সিদ্ধান্ত প্ৰকাশিত হোৱাৰ আগতে আগষ্টৰ ১ তাৰিখে ছিন্‌হুৱা বিশ্ববিদ্যালয়ৰ ৰেডগাৰ্ড সকললৈ লেখা এখন চিঠিত মাও-এ লিখিলে :

> "ৰেডগাৰ্ডসকলৰ বৈপ্লৱিক কাৰ্য্য-কলাপত যিসকলে শ্ৰমিক, কৃষক, বিপ্লৱী বুদ্ধিজীৱি, বিপ্লৱীদল আৰু পাৰ্টিক শোষণ আৰু বিৰুদ্ধতা কৰে, সেই জমীদাৰ-শ্ৰেণী, বুৰ্জোৱা, সাম্ৰাজ্যবাদী, শোধনবাদী আৰু সিহঁতৰ লগা-ভগা শকুনি-শিয়ালহঁতক ককৰ্থনা কৰা হৈছে। প্ৰতিক্ৰিয়াশীলহঁতৰ বিৰুদ্ধে বিদ্ৰোহ যে যুক্ত আৰু ন্যায়সংগত সেই কথাটো তোমালোকে পৰিষ্কাৰকৈ দেখুৱাইছাই। মই এই কামৰ বাবে তোমালোকলৈ উৎসাহেৰে সমৰ্থন জ্ঞাপন কৰিছোঁ।
>
> "আমি যেতিয়া তোমালোকক সমৰ্থন কৰিছোঁ, তেতিয়া এই কথাও কওঁ যে, যিসকলক ঐক্যবদ্ধ কৰিব পাৰি তেওঁলোকক ঐক্যবদ্ধ কৰাবলৈ দৃষ্টি দিয়া। যিসকলে গুৰুতৰভাৱে ভুল কৰিছিল, তেওঁলোকৰ ভুলবিলাকলৈ আঙুলিয়াই দিয়াৰ পাছত

তেওঁলোকক কাম কৰিবলৈ, ভুলবোৰ শুধৰাবলৈ, আৰু নতুনকৈ জীৱনৰ পাতনি তৰিবলৈ সুযোগ দিয়া উচিত। মাৰ্কছে কৈছে যে, প্ৰলেতাৰিয়েতসকলে মাথোন নিজকেই নহয়, সমগ্ৰ মানৱ জাতিক মুক্ত কৰিব। তেওঁলোকে মানৱজাতিক মুক্ত কৰিব নোৱাৰিলে নিজৰ মুক্তিও আৰ্জিব নোৱাৰিব। মই বিশেষকৈ এই সত্য অনুধাৱন কৰিবলৈ তোমালোকক ক'ম।"

৫ আগষ্ট তাৰিখে চেয়াৰম্যান মাও-এ নিজহাতে প্ৰাচীৰ পত্ৰ লিখিলে: 'ফাওতা ছিলিং' 'সদৰ দপ্তৰত হিলৈ ফুটোৱা।' (Bombard the Head quarters) [পৰিশিষ্ট চাওক]।

দ্বিতীয়-পৰ্ব

দ্বিতীয়-পৰ্বৰ বৈশিষ্ট্য হ'ল, ছাত্ৰ আৰু যুৱকসকলে উমৃৰা আন্দোলন শ্ৰমিক-শ্ৰেণীৰ মাজত বিয়পি পৰিল। ১৮ আগষ্টত থিয়েন আন্‌মেন স্কোয়েয়াৰত দহ লাখতকৈও অধিক ছাত্ৰ আৰু যুৱকৰ সমাবেশত মাও চে তুঙৰ উপস্থিতিৰ ফলত আন্দোলনৰ সাগৰত যি পৰ্বতসম ঢৌ উঠিছিল—সেই তৰংগই কাৰখানাই কাৰখানাই আলোড়নৰ সৃষ্টি কৰিলে। সাংস্কৃতিক বিপ্লৱৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে কাৰখানাৰ কৰ্মকৰ্তা আৰু পাৰ্টি-নেতৃত্বৰ লগত শ্ৰমিক-শ্ৰেণীৰ তৰ্কবিতৰ্ক লাগিল। এই কথাত চীনৰ শ্ৰমিকশ্ৰেণীৰ চিৰকালৰ অগ্ৰণী-বাহিনী সাংহাইৰ শ্ৰমিক-শ্ৰেণী আগুৱাই আহিল। এই-পৰ্বত লিউ শ্বাও চি আৰু তেওঁৰ অনুগামী নেতাসকলৰ নাম প্ৰকাশ্যেই উচ্চাৰিত হ'বলৈ ধৰিলে। 'হোংছি' বা 'ৰেড ফ্ল্যাগ' কাকতত লিউ শ্বাও চি-ৰ নাম লৈয়েই সমালোচনা কৰা হ'ল। ইয়াৰ আগতে ধনতন্ত্ৰৰ বাটৰুৱ ক্ষমতাত অধিষ্ঠিত পাৰ্টিৰ নেতা বুলি তেওঁক সম্বোধন কৰা হৈছিল। ২৩ অক্টোবৰ তাৰিখে লিউ শ্বাও চি-য়ে প্ৰথম বাৰৰ বাবে প্ৰকাশ্যে আত্ম-সমালোচনা কৰিলে। কিন্তু লিউ-পন্থীহঁত আগতকৈও

বেপৰোৱা হৈ উঠিল। ৰেড্‌গার্ড সকলৰ আন্দোলনৰ বিশৃংখলা আৰু অনৈক্যৰ সুযোগ লৈ কোকলোঙাৰ ৰূপ ধৰি লিউ-পন্থীইঁতে অন্তৰ্ঘাতী কামত দেহে-কেহে লাগিল। লিউ শ্বাও চিওৰ পত্নী শ্ব্‌ৱাং কুৱাং মেই-এ 'হোপু' নাম লৈ ছিন্‌হুৱা বিশ্ববিদ্যালয়ৰ কেম্পাছত এক গুপুত বাহৰপৰা বিৰুদ্ধবাদী ছাত্ৰ-ছাত্ৰী সকলক পৰিচালনা কৰিবলৈ ধৰিলে। এই কামত তেওঁৰ সোঁহাত আছিল বিশ্ববিদ্যালয়ৰে ছাত্ৰী তেওঁৰ জীয়েক আৰু মাৰ্শ্বাল হো লুঙৰ পুতেক। বিশ্ববিদ্যালয় কেম্পাছবোৰ হৈ উঠিল গৃহযুদ্ধৰ পথাৰ। আটাইবোৰ দলেই নিজক মাও-লাইনৰ অকৃত্ৰিম অনুৰাগী বুলি দাবী কৰিছিল আৰু বিৰুদ্ধ দলক প্ৰতি-বিপ্লৱী বুলি আখ্যা দিছিল। ১৬ পয়েণ্ট সিদ্ধান্ত অনুসাৰে —কোন শত্ৰু, মিত্ৰ কোন এইবোৰ বিচাৰ ইহঁতে আৰু নকৰিলে। মতামতৰ সংঘাতে ক্ৰমাত সশস্ত্ৰ সংঘৰ্ষলৈ বাগৰিল। যুক্তিৰ ওপৰত নিৰ্ভৰ কৰি, বলপ্ৰয়োগ নহয়—মাও-ৰ এই নিৰ্দেশ বহুতেই অমান্য কৰিবলৈ ধৰিলে (এই বিষয়ে খৰচি মাৰি জানিবলৈ হ'লে Hinton-ৰ Hundred Day war চাওক)।

ইপিনে ৰেডগাৰ্ড সকলেও কাৰখানালৈ গৈ বহু ঠাইত কাৰখানাৰ শ্ৰমিক সকলৰ সৈতে উদ্ধত ব্যৱহাৰ কৰাত ভুল বুজাবুজিও আৰম্ভ হৈ গ'ল। পিছে এই কথা ঠিক যে, ৰেডগাৰ্ড সকলৰ কোবাল গতিৰ আগত যিহঁতে শ্ৰমিক-শ্ৰেণীৰ নেতৃত্বত মৌকছীপট্টা লৈ নিগাজীকৈ বহিছিল তেওঁলোকৰ সিংহ আসন এই ভুঁইকঁপৰ ফলত জোকাৰ-পোকাৰ খালে। ৰেডগাৰ্ড সকলে কাৰখানালৈ সোমাই গৈয়েই মিটিং পাতিবলৈ ধৰিলে। এইবোৰ কামৰ ফলত পোনতে উৎপাদনত ব্যাঘাত ঘটিছিল, আৰু সেইদেখি লিউ-পন্থী বৰ-মুৰীয়াইঁতে উৎপাদনত ব্যাঘাতৰ অভিযোগ দাঙি ধৰি শ্ৰমিক কেডাৰ সকলক শ'লঠেকত পেলোৱাৰ চেষ্টা কৰিলে। কিন্তু ৰেডগাৰ্ড সকলৰ আন্দোলনৰ পদ্ধতিৰে শ্ৰমিক সকলেও তেওঁলোকৰ বাহিনী গঢ়ি তুলিবলৈ ধৰিলে। তেওঁলোকৰ বাহিনীক 'প্ৰলেতাৰীয় বিদ্ৰোহী'

বুলি কোৱা হৈছিল। এআবাৰত 'বিদ্ৰোহী' বুলিয়েই কোৱা হৈছিল। শ্ৰমিক সকলৰ বেলিকা 'ৰেডগাৰ্ড' বুলি কোৱা নহৈছিল। স্কুল আৰু কলেজৰ ছাত্ৰ সকলৰ বাহিনীকহে মাথোন ৰেডগাৰ্ড বা লালৰক্ষী বুলি কোৱা হৈছিল। এই বিষয়ত সাংহাইৰ শ্ৰমিক-শ্ৰেণীয়ে অসাধাৰণ সংগঠন-ক্ষমতা প্ৰদৰ্শন কৰি মহান সাংস্কৃতিক বিপ্লৱক সফল পৰিণতিলৈ আগবঢ়াই লৈ গ'ল। তেতিয়া নেতৃত্ব ছাত্ৰসকলৰ হাতৰপৰা গ'লগৈ শ্ৰমিক-শ্ৰেণীৰ হাতলৈ।

তৃতীয় পৰ্ব

জানুৱাৰি বিদ্ৰোহ বা সাংহাই কমিউন

জুন মাহৰ শেষ সপ্তাহত আমি প্ৰতিনিধি দলটোৱে সাংহাই পালোঁহি। সাংহাই হ'ল 'ই ইউৱে ফংপাও' অৰ্থাৎ 'জানুৱাৰি-ধুমুহাৰ কেন্দ্ৰভূমি'। সেযেহে, সাংহাই পোৱামাত্ৰকে ব্যক্তিগতভাৱে আমাৰ ওচৰত মুখ্য দৰ্শনীয় বস্তু হ'ল সাংহাইৰ যিবোৰ কাৰখানাৰ শ্ৰমিক সকলৰ নেতৃত্বত নাগৰিক-জনতাই ১৯৬৭ চনৰ জানুৱাৰি মাহত লিউ-পন্থীইঁতৰ চৰকাৰী ঘাঁটি দখল কৰি প্ৰলেতাৰীয় ক্ষমতা প্ৰতিষ্ঠিত কৰিছিল তেওঁলোকক স্বচক্ষে দৰ্শন—আৰু সমগ্ৰ চীনত তথা বিশ্বত সমাজতান্ত্ৰিক বিপ্লৱ সমাধা কৰাৰ বাটত এক সম্পূৰ্ণ নতুন নজিৰ প্ৰতিষ্ঠা কৰা কাৰখানাৰ বীৰবৃন্দৰ পৰা এই অভূতপূৰ্ব কাহিনী শ্ৰৱণ।

সুযোগ আহিল ১৯৭৪ চনৰ ২৭ জুন তাৰিখে। সেই দিনা পুৱাৰ জা-জলপান খায়েই সাংহাইৰ ১৭ নম্বৰ সূতাকললৈ মই মনোৰমা কোটনীছক লৈ বাগুণা হ'লোঁ। সাংহাইৰ জানুৱাৰি অভ্যুত্থানত এই সূতাকলটোৱে প্ৰধান ভূমিকা লৈছিল। এই সূতাকলৰ শ্ৰমিক ওৱাং হোং ওৱেন আজি-চীনৰ কেন্দ্ৰীয় নেতৃত্ব পলিটব্যুৰ'ৰ কনিষ্ঠতম সভ্য। মাও-ৰ নীতি সুষ্ঠুভাৱে অনুসৰণ কৰি সাংহাইৰ শ্ৰমিক সকলক

সংঘবদ্ধতাৰে অভ্যুত্থানৰ বাটত সফল নেতৃত্ব দিয়া হেতুকে আজি তেওঁ পলিটব্যুৰ'ৰ গুৰুদায়িত্বত নিৰ্বাচিত হৈছে।

কাৰখানাৰ গে'টত আমালৈ সাদৰ অভ্যৰ্থনা জ্ঞাপন কৰিলে কাৰখানাৰ বিপ্লৱী কমিটিৰ লিউ ইয়ুং কেন্, ইউৱে ছু আৰু অন্যান্য বহুতে। অফিছৰ এক সুসজ্জিত কোঠালীত আমি বহিলোঁ। আমাৰ আলোচনাত সহায় কৰিবলৈ ট্ৰেড ইউনিয়ন আৰু অফিছ ষ্টাফৰ আৰু কেইগৰাকী মানো তাত উপস্থিত আছিল।

আলোচনাত প্ৰধান অংশ লৈছিল লিউ ইয়ুং কেন্-এ আৰু তেওঁ আমাৰ সকলো প্ৰশ্নৰ উত্তৰ সলসলীয়াকৈ দি গৈছিল। মাজে মাজে অন্যান্য ব্যক্তিবৰ্গয়ো যোগ দিছিল। কমৰেড লিউ দেখাত আছিল নিচেই ডেকা। সোধাত ক'লে যে তেওঁৰ বয়স এতিয়া ২৭ বছৰ। মই ক'লোঁ, 'তাৰ মানে—আপোনালোকে সাংস্কৃতিক বিপ্লৱ পৰিচালনা কৰোঁতে আপোনাৰ বয়স আছিল বিছ-একৈছ মানহে, নিচেই 'চেমনীয়া'টো।'

তেওঁ মিচিকীয়াই হাঁহি ক'লে, 'মোৰ বয়সৰ শ্ৰমিকৰ সংখ্যাই আছিল বেছি।'

তেওঁ আমাক আৰু ক'লে, 'প্ৰায ৫০ বছৰৰ আগেয়ে এই কাৰখানাটো জাপানীহঁতে ১৯২১ চনত প্ৰথম প্ৰতিষ্ঠা কৰিছিল। পাছত কাৰখানাটো কুওমিণ্টাংহঁতৰ হাতলৈ আহিল, মুক্তিৰ পাছতহে জনগণৰ কৰায়ত্ত হয়। বৰ্তমানে শ্ৰমিক আৰু ষ্টাফ মিলাই ইয়াত কৰ্মীৰ সংখ্যা আঠ হাজাৰতকৈও (৮,০০০) বেছি। নাৰীকৰ্মীৰ সংখ্যা ৫,০০০। এই কলত ১ লাখ ৩৯ হাজাৰ টাকুৰী আছে, তাঁত আছে ২,০০০। ইয়াত কপাহী সূতা আৰু কপাহী কাপোৰৰ যি উৎপাদন হয়—তাৰ মাজত ৬০ শতাংশ বিদেশলৈ ৰপ্তানী কৰা হয। বাদবাকী ৪০ শতাংশ আভ্যন্তৰীণ বজাৰৰ বাবে।'

মূল আলোচনাৰ আৰম্ভণীতেই মই ক'লোঁ, 'কমৰেড লিউ,

আমাৰ খৰতকীয়া ভ্ৰমণ-সূচীত সাংস্কৃতিক বিপ্লৱোত্তৰ চীনৰ বহুতো দেখিলোঁ, জানিলোঁ। কিন্তু আমাৰ ওচৰত সাংহাইৰ শ্ৰমিক-শ্ৰেণীৰ জানুৱাৰি-ধুমুহাহে আটাইতকৈ অধিক জনাৰ আৰু বুজাৰ বিষয়। এই অভ্যুত্থানৰ নায়ক সকলৰ মাজত আহি যে বহিছোঁ, আৰু তেওঁলোকৰ মুখৰপৰা এই বিষয়ে অলপ শুনিবলৈ পাইছোঁ সেইয়া মোৰ জীৱনত এক পৰম সৌভাগ্য। এই সাক্ষাৎকাৰৰ ইমান কম সময়ৰ মাজত এই ঐতিহাসিক ঘটনাৰ সকলো ভাঙি-পাতি কোৱা আৰু আমাৰ পক্ষে উপলব্ধি কৰাও যে সম্ভৱ নহয়, সেই কথা জানো। তথাপি, এই সেন্দুৰীয়া মেঘ গোট খোৱাৰপৰা আৰম্ভ কৰি সেই ধুমুহাৰ বা-বাতৰি যদি অলপ-অচৰপ কয়—তেন্তে বৰ উপকৃত হ'ম।'

কমৰেড লিউৱে লাহে-ধীৰে তেওঁলোকৰ কাৰখানাৰ অভিজ্ঞতা কৈ গ'ল :

বিগ লীপ ফৰ'ৱাৰ্ডৰ কালছোৱাত আমাৰ কাৰখানাত যি ৰাজনৈতিক চেতনাৰ সৃষ্টি হৈছিল সময়ৰ লগে লগে সেই চেতনা ক্ৰমাত জামৰি আহিবলৈ ধৰিলে। জামৰি অহাৰ কাৰণ হ'ল—উৎপাদনক ৰাজনীতিৰ উৰ্ধত স্থাপন কৰা। কাৰখানাৰ শ্ৰমিক সকলৰ মাজত মাও-গ্ৰন্থ পাঠ কৰাৰ যি পাঠচক্ৰ গঢ়ি উঠিছিল—লাহে লাহে সি নোহোৱা হ'ল। কিয়নো, কাৰখানা আৰু মিউনিছিপ্যাল পাৰ্টি নেতৃত্বই এইবোৰক নিৰুৎসাহিত কৰিছিল আৰু উৎপাদন বঢ়োৱা-টোকহে শ্ৰমিক সকলৰ মুখ্য কাম বুলি প্ৰচাৰ কৰিছিল। কাৰখানাত কোনো শ্ৰমিকৰ হাতত মাও-গ্ৰন্থ দেখা পালেও তেওঁলোকে উপলুঙা কৰিছিল। সাংগঠনিক ফালৰপৰাও কিছুমান পুৰণি কুওমিণ্টাং-পন্থী মানুহ—যেনে শ্ৰমিক সকলৰ আজৰি পৰত শিক্ষালয়ৰ ডীন্, কাৰখানাৰ শ্ৰমিক-কল্যাণ সমিতিৰ ডাইৰেক্টৰ, আৰু কাৰখানাৰ ডেপুটি ডাইৰেক্টৰে শ্ৰমিক সকলৰ মতামত প্ৰকাশৰ আৰু উদ্যোগ প্ৰথাৰ স্বাধীনতাক ক্ষুণ্ণ কৰিবলৈ ধৰিলে। শ্ৰমিক সকলে কাৰখানাৰ উন্নতি বা উদ্ভাৱনমূলক কিবা প্ৰস্তাৱ আগ বঢ়াবলৈ হ'লে সেই প্ৰস্তাৱ

চীফ ইন্‌জিনিয়াৰৰ ওচৰত দাখিল কৰিবলগীয়া হৈছিল। কিন্তু অৱস্থা দিনক দিনে বেয়াহৈছে ঢালে থালে। আমাৰ প্ৰস্তাৱবোৰ চীফ ইনজিনিয়াৰে ফাইলত পেলাই থোৱা হ'ল। তাৰ ফলত শ্ৰমিক সকলৰ সমাজতান্ত্ৰিক উদ্যোগ আৰু প্ৰতিযোগিতাৰ (emulation) আন্দোলন একেবাৰে বন্ধ হৈ গ'ল। আমি কেইজনমানে এই অৱস্থাৰ কঠোৰ সমালোচনা কৰি কাৰখানাৰ ভিতৰতে প'ষ্টাৰ লগালোঁ।'

এইখিনিত মই সুধিলোঁ, 'সেই তাৰিখটো আপোনাৰ মনত আছে নে?' মোৰ কথাৰ উত্তৰত কমৰেড লিউৱে ক'লে, 'দিনটো আছিল ১৯৬৬ চনৰ ১২ জুন। পোনপ্ৰথমে আমি ছয়জনে এই কামত আগবাঢ়িছিলোঁ।' মোৰ কাৰত মনে মনে বহি থকা কমৰেড ছ্যু-লৈ আঙুলিয়াই ক'লে, 'সেই ছয়জনৰ এৰোঁ এজন। আমাৰ প্ৰথমখন প'ষ্টাৰত আমি আমাৰ কাৰখানাত থকা ধনতন্ত্ৰৰ বাটকৰাইঁতৰ (Capitalist Roaders) মুখা খুলি দিছিলোঁ তিনিটা বিষয়ত। এওঁলোক শ্ৰেণী-সংগ্ৰামত বিশ্বাসী নহয়, এওঁলোকে শ্ৰমিক সকলক ৰাজনৈতিক চেতনা অৰ্জন কৰিবলৈ নিদিয়ে আৰু সেইবাবে মাও-গ্ৰন্থ পঢ়াত ইমান অসন্তোষ, আৰু এওঁলোকে কাৰখানাত অসৎ মানুহৰ আধিপত্যক প্ৰতিষ্ঠা কৰিছে। এই প'ষ্টাৰ পঢ়াৰ পাছত কাৰখানাৰ শ্ৰমিক সকলৰ মাজত প্ৰচণ্ড চেতনাৰ জোৱাৰ উঠিল, আৰু সিপিনে পাৰ্টি-নেতৃত্বৰ অধিকাৰী এমুঠি ধনতন্ত্ৰৰ বাটকৰা প্ৰচণ্ডভাবে আতংকিত হৈ উঠিল। সিহঁতে আমাক, অৰ্থাৎ এই ছ'জনক পাৰ্টি-বিৰোধী কুওমিণ্টাং দালাল বুলি শ্ৰমিক সকলক ক'লে আৰু আমাক সঁকীয়নি দিলে—কাৰখানাৰ ভিতৰত যদি আৰু প'ষ্টাৰ লগায় কোনোবাই তেনেহলে তাক কাৰখানাৰপৰা উলিয়াই দিয়া হ'ব। কিন্তু আমি নদমিলোঁ। আমি শোধনবাদৰ বিৰুদ্ধে সাধাৰণ শ্ৰমিক সকলৰ মাজত প্ৰচাৰ আৰু তৰ্ক-বিতৰ্কত লাগিলোঁ। কাৰখানাৰ বাহিৰত আমি কেইজনমানে মিলিতভাবে ষ্টাডিক্লাছ স্থাপন কৰি বিপ্লৱৰ বিভিন্ন

পৰিস্থিতিত মাও-ৰ ৰচনাসমূহ অধ্যয়ন কৰাত লাগিলোঁ। আমি দেখিলোঁ—চীন-বিপ্লৱত মাও-ৰ নীতিত বিশ্বাসী সংখ্যাল্পৰ সদায় বিৰোধী সংখ্যাগৰিষ্ঠৰ সৈতে সংঘাত হৈছে। আমিও সাহস গোটাই বুকু ডাঠ কৰিলোঁ। আমি ঘৰতে প'ষ্টাৰ লিখি কাৰখানালৈ লৈ আহিলোঁ। সৰহভাগ শ্ৰমিক তেতিয়া বিভ্ৰান্ত। কিয়নো, তেওঁলোকে সেই পাৰ্টি-নেতৃত্বক খাঁটি মাও-অনুগামী বুলিয়েই জানিছিল। সেয়েহে আমাৰ তেতিয়া প্ৰধান কাম হ'ল শ্ৰমিক সকলৰ মাজত ৰাজনৈতিক আলোচনা কৰা। সেয়েহে ৰাতিৰ পৰতে তেওঁলোকৰ ঘৰলৈ যাবলৈ ধৰিলোঁ। এইদৰে আমি শ্ৰমিক সকলক ক্ৰমে ক্ৰমে সংগ্ৰামৰ বাটলৈ লৈ আহিবলৈ ধৰিলোঁ। এইবোৰ কথা-কাণ্ডত আতংকিত হৈ মিউনিছিপ্যাল পাৰ্টি-কমিটিয়ে—তেওঁলোকৰ ৰ্কটিমটোক আমাৰ কাৰখানালৈ পঠিযালে কথা কিমানলৈ বাগৰিছে তাৰ তদন্ত কৰি চাবলৈ। তেওঁলোকে আমাৰ ৪০৪ জন শ্ৰমিকক পাৰ্টি-বিৰোধী প্ৰতি-বিপ্লৱী হিচাপে তালিকাভুক্ত কৰিলে। প্ৰতি-বিপ্লৱীৰ শাস্তি হ'ল মৃত্যুদণ্ড—এই বুলি আমাক হুমিয়ালে। কিন্তু তথাপি আমি নদমিলোঁ। আমি সাংহাইৰ অন্যান্য কাৰখানাৰ শোধনবাদী কৰ্তৃপক্ষৰ বিৰুদ্ধে বিদ্ৰোহী শ্ৰমিক সকলৰ মাজত সংহতি-সাধনৰ চেষ্টা চলাই থাকিলোঁ। আমাৰ কাৰখানাৰ শ্ৰমিকসকল অধিক সংখ্যাত আমাৰ ফলীযা হৈ পৰাত—পাৰ্টি-কৰ্তৃপক্ষই ডাবি-হুমকি দিলেও আমাৰ বিৰুদ্ধে কোনো শাস্তিমূলক ব্যবস্থা ল'বলৈ অক্ষম হ'ল। কিন্তু এই খৰ-দূষণহঁতে তেতিয়া খৰলি-পাক মাৰিলে। 'মাও চে তুঙৰ চিন্তাৰ প্ৰতি চিৰ-বিশ্বস্ত গ্ৰুপ' সৃষ্টি কৰি—শ্ৰমিকসকলৰ একাংশক এই গ্ৰুপৰ অন্তৰ্ভুক্ত কৰি ল'লে। আমাৰ কাৰখানাতে শ্ৰমিকসকলৰ মাজত প্ৰায় সম-সংখ্যাত দুটা পৰস্পৰ-বিৰোধী গ্ৰুপ সৃষ্টি হ'ল। দুয়ো দলেই কেইবাবাৰো সংঘৰ্ষৰ মুখামুখি হৈছিল—কিন্তু আমি মাও-ৰ নিৰ্দেশমতে, যুক্তিৰ ওপৰত নিৰ্ভৰ কৰি, ধৈৰ্য্যৰে সৈতে বিৰুদ্ধবাদী সকলক বুজাবলৈ ধৰিলোঁ।

ধৰিলোঁ। শ্ৰমিক-ঐক্য নষ্ট হ'লে লাভ যে শোধনবাদীৰ—সেই কথাষাৰ আমি সদায় মনত ৰাখিছিলোঁ। প্ৰচণ্ড প্ৰৰোচনাৰ মাজতো আমি ধৈৰ্য্যহীন হোৱা নাছিলোঁ। ইতিমধ্যে পিকিঙৰ ৰেডগাৰ্ড নেতৃবৃন্দই সাংহাইলৈ আহি অভিযান আৰম্ভ কৰিলে। তেতিয়ালৈকে বেছিভাগ কাৰখানাতে বুৰ্জোৱা শোধনবাদীসকলৰ আধিপত্য চলি আছিল। কিন্তু হোং-ওৱেই-পিং সকলৰ আন্দোলনৰ ফলত নগৰবাসীৰ মাজত ইমান স্পন্দন জাগিল যে, আমাৰ প্ৰতিৰোধ অতি শক্তিশালী হৈ উঠিল। ৰেডগাৰ্ড সকলৰ এটা শ্ল'গান আছিল : 'তাও ছান্ কাও ছান্, হুও হায় কান্ চুৱাং', অৰ্থাৎ 'ক্ষুৰধাৰ ছুৰীৰ পাহাৰ বগোৱাৰ সাহস দেখুৱা, ফিৰিঙতিৰ সাগৰলৈ জঁাপ মৰাৰ সাহস দেখুৱা'। আমাৰ শ্ৰমিকসকলৰ মাজত অধিকভাগেই আছিল বিভ্ৰান্ত—কিয়নো শোধনবাদী পাৰ্টি-নেতৃত্বয়ো নিজক মাও-পন্থী বুলিয়েই প্ৰচাৰ কৰিছিল। পাৰ্টি-নেতৃত্বৰ বিৰোধী হোৱাটোক তেতিয়ালৈকে বিভ্ৰান্ত শ্ৰমিকসকলে বিপ্লৱ-বিৰোধী কাম বুলি গণ্যকৰিছিল। কিন্তু ৰেডগাৰ্ডসকলৰ ৰাজনৈতিক প্ৰচাৰৰ ফলত জটিল পৰিস্থিতি সহজ হৈ উঠিল। আগষ্টৰ ৫ তাৰিখে মাও-ৰ নিজহাতে লেখা প'ষ্টাৰ 'সদৰ দপ্তৰত হিলৈ ফুটোৱা'ৰ কথা তেওঁলোকৰপৰা প্ৰথম গম পালোঁ। এই কথা ইয়াৰ আগতে আমাক জানিবলৈ দিয়া হোৱা নাছিল। অতঃপৰ দুই লাইনৰ সংগ্ৰাম এক চৰক সংকট-পূৰ্ণ মুহূৰ্ত পালেঁাহি। সাংহাইৰ শ্ৰমিকসকলে এক স্বকীয়া বিপ্লৱী-সংহতি কমিটি গঢ়িলে। এই কমিটিৰ ফালৰপৰা কোনেও নজনাকৈ আমাৰ এক প্ৰতিনিধি দলক মাও-ৰ স'তে সাক্ষাৎ কৰিবলৈ পিকিঙলৈ পঠোৱা হ'ল।'

মাও চে তুঙৰ লৈতে সাক্ষাৎ কৰিবলৈ মনে মনে পিকিঙলৈ যোৱাৰ কথা শুনি সেই সময়ৰ পৰিস্থিতি চকু-পচাৰতে আমাৰ চকুত যেন ফবকাল হৈ উঠিল। মই সুধিলোঁ, 'আপোনালোকক কেতিয়া পঠোৱা হৈছিল—মনত আছে নে?'

কমৰেড লিউ ইয়ুঙৰ কাটতে বহি থকা কমৰেড ইয়ুৱে ছু-এ ক'লে' 'সেই দিনটো আছিল ১৯৬৬ চনৰ ১২ অক্টোবৰ।'

কমৰেড লিউ ইয়ুঙে তেওঁৰ আলোচনাৰ সূত্ৰ ধৰি আকৌ কৈ গ'ল: 'চেয়াৰম্যান মাও-এ ১৮ অক্টোবৰত প্ৰতিনিধি দলৰ সৈতে সাক্ষাৎ কৰিলে। প্ৰতিনিধিবৰ্গই সাংহাইৰ পৰিস্থিতি আৰু তাত শোধনবাদী পাৰ্টি-নেতৃত্বই কেনেদৰে জোৰ-জবৰি চলাইছে—সেই সম্পৰ্কে মাও-ক ক'লে। শ্ৰমিকসকলে কিদৰে কি নীতিৰ পৰিপ্ৰেক্ষাত বুৰ্জোৱা সদৰ দপ্তৰৰ বিপৰীত সদৰ দপ্তৰ গঢ়ি তুলিছে—সেই কথাও ৰিপ'ৰ্ট কৰিলে। সকলো শুনি, মাও-এ প্ৰতিনিধিদলৰ জৰীয়তে আমাৰ সংগ্ৰামৰ প্ৰতি তেওঁৰ সমৰ্থন জ্ঞাপন কৰিলে।

'মাওৰ বাণী লৈ প্ৰতিনিধি-দল উভতি অহাৰ পাছত আমাৰ সংগ্ৰামত প্ৰচণ্ড গতিবেগৰ সৃষ্টি হ'ল। আমাৰ এই কাপোৰ-কলত যিস্থলত আমি মাত্ৰ ৬ জনে বিদ্ৰোহ আৰম্ভ কৰিছিলোঁ, সেই স্থলত ক্ৰমে ক্ৰমে নভেম্বৰ মাহত বিদ্ৰোহীৰ সংখ্যা ১,০০০ পালেগৈ। কিন্তু তথাপি আমি ধৈৰ্য্যৰে সৈতে অন্যান্য শ্ৰমিক সকলৰ মাজত প্ৰচাৰ চলাই থাকিলোঁ। এবছৰৰ অন্তত আমাৰ কাৰখানাত বিদ্ৰোহীৰ সংখ্যা ৩,০০০-ৰ ডেওনা পালেগৈ।

'আমি প্ৰথমৰেপৰাই ১৭টা কাৰখানাৰ লগত যোগাযোগ ৰাখিছিলোঁ। পাছত ২০০ টা কাৰখানাৰ শ্ৰমিক প্ৰতিনিধি সকলক লৈ ৯ নভেম্বৰত আমি আমাৰ বৈপ্লৱিক প্ৰলেতাৰীয় সদৰ দপ্তৰ প্ৰতিষ্ঠা কৰিলোঁ। সাংহইৰ মেয়ৰ ছাও থি ছিউ আৰু পাৰ্টিৰ প্ৰথম ছেক্ৰেটাৰী ছেন্ পা ছিয়েন—দুযোজনেই আছিল গোড়া লিউ-পন্থী। তেওঁলোক বৰ বিমোৰত পৰিল আৰু প্ৰত্যাঘাতৰ নতুন নতুন কৌশল উদ্ভাৱন কৰিবলৈ ধৰিলে। ৰাষ্ট্ৰ-ক্ষমতা তেতিয়ালৈকো তেওঁলোকৰ হাতত। তেওঁলোকে আমাৰ উৎপাদনত নানাভাৱে ছাবোটেজ কৰাৰ প্ৰচেষ্টা চলাই থাকিল। উৎপাদনত বিশৃংখলা সৃষ্টি কৰি সেই দোষ আমাৰ ওপৰত জাপি দিবলৈ চেষ্টা চলালে। খোৰাপন্নী,

বিজুলীৰ যোগান আদিত বাধা দিবলৈ ধৰিলে। আৰু, এইবোৰৰ লগে লগে শ্ৰমিকসকলক নতুন নতুন অৰ্থকৰী সুবিধা দিয়াৰ প্ৰলোভন দি থাকিল। আমি, কেন্দ্ৰীয় কমিটিৰ ১৬ পয়েন্ট সিদ্ধান্তত বিশ্বস্ততাৰে অবিচল থাকি বিপ্লৱী আন্দোলনৰ লগতে উৎপাদন বঢ়োৱাৰো সিদ্ধান্ত ল'লোঁ। বহুতো শ্ৰমিক তেতিয়া দুই শ্বিফটত কাম কৰিছে। তাৰ ফল হ'ল—আমাৰ সেই প্ৰচণ্ড সংঘাতময় সময়ত উৎপাদনে লক্ষ্যমাত্ৰাক চেৰাই গ'ল।

'ডিছেম্বৰ মাহত দুই লাইনৰ সংগ্ৰামে এক শীৰ্ষবিন্দু পালেহি। বহুতো বিভ্ৰান্ত শ্ৰমিক তেতিয়াপৈকো শোধনবাদী নেতৃত্বৰ সমৰ্থনত কাম কৰি গৈছিল। গতিকে, আমি শ্ৰমিকসকলৰ ঘৰে ঘৰে গৈ আলোচনা চলালোঁ। বতাহৰ গতি সলনি হ'ল। আমাৰ অনুকূলে বতাহ বলিবলৈ ধৰিলে। ১৯৬৭ চনৰ জানুৱাৰি মাহৰ মজামজি সময়ত সকলো কাৰখানাত মাও-পন্থী বিদ্ৰোহী শ্ৰমিকসকলে কটকটীয়াকৈ সংগঠন আৰু ৰাজনৈতিক আৰু আদৰ্শগত ঐক্য গঢ়ি তুলিলে।

'জানুৱাৰিৰ আৰু ৫ তাৰিখে আমি সাংহাইৰ দুখন প্ৰধান সংবাদ পত্ৰ অফিছ অধিকাৰ কৰিলোঁ। ৫ তাৰিখে বিদ্ৰোহী সকলৰ সদৰ দপ্তৰৰ পৰা সাংহাইৰ জনসাধাৰণলৈ এক আবেদন-পত্ৰ প্ৰকাশ কৰা হ'ল। সেই আবেদনত ধনতন্ত্ৰৰ বাটকুৰা পাৰ্টি-নেতৃত্বৰ চৰিত্ৰ আৰু সিহঁতৰ ছাবোতাজৰ চক্ৰান্ত উদঘাটিত হয়। জানুৱাৰিৰ ৯ তাৰিখে এখন জৰুৰী বিজ্ঞপ্তি প্ৰকাশ কৰা হয় (পৰিশিষ্ট চাওক)। বিপ্লৱৰ মূল কথা হ'ল ৰাষ্ট্ৰীয় ক্ষমতা-দখল—এই কথাষাৰ আমি ভালকৈ উপলব্ধি কৰিলোঁ। জানুৱাৰিৰ চতুৰ্থ সপ্তাহত ধুমুহা আহিল। ২৭ আৰু ২৮ তাৰিখে আমি শোধনবাদী সকলৰ সদৰ দপ্তৰ দখল কৰি সাংহইত ৰাষ্ট্ৰীয় ক্ষমতা কৰায়ত্ত কৰিলোঁ। ৫ ফেব্ৰুৱাৰিত সাংহইত প্ৰথম বাৰৰ বাবে শ্ৰমিক-নেতৃত্বত চৰকাৰ প্ৰতিষ্ঠিত হ'ল।—এয়ে হ'ল জানুৱাৰি-ধুমুহাৰ অতি চমু বিবৰণ।'

মই ৰুদ্ধ-শ্বাস হৈ শুনি আছিলোঁ—সমাজতন্ত্ৰী দেশতো শ্ৰমিক অভ্যুত্থান, ক্ষমতা দখলৰ আজৰ কাহিনী—শ্ৰেণী-সংগ্ৰামৰ জটিল আৰু কুটিল ইতিবৃত্ত—আমাৰ ধৰা-বন্ধা মাৰ্কছীয় চিন্তাৰে যাৰ গুৰিকথাৰ উমান লোৱা টান। অলপ বৈ সুধিলোঁ, 'বাৰু কমৰেড, এই অভ্যুত্থান ৰক্তপাতহীন হৈছিল নে?'

কমৰেড লিউ ইযুঙে উত্তৰত ক'লে, 'কমৰেড ওৱাং হুং ওৱেনৰ নেতৃত্বত আমি প্ৰথমবেপৰাই কেন্দ্ৰীয় কমিটিৰ ১৬ পয়েন্টৰ নিৰ্দেশ পালন কৰি—মুষ্টিমেয় ধনতন্ত্ৰৰ বাটৰুৱাক (Capitalist Roaders) সাধাৰণ শ্ৰমিকৰ পৰা বিচ্ছিন্ন কৰাৰ বাবে যুক্তি-তৰ্কৰ ওপৰত নিৰ্ভৰ কৰি শ্ৰমিক সকলৰ মাজত থকা অন্তৰ্দ্বন্দ্বৰ সমাধান কৰাৰ চেষ্টা কৰিলোঁ আৰু শ্ৰমিক সকলৰ মাজত সংঘৰ্ষ সৃষ্টিৰ সকলো ধৰণৰ অপ-প্ৰচেষ্টাক ব্যৰ্থ কৰাত আৰু সাংহাইৰ ৰাজনীতি-সচেতন অধিকভাগ শ্ৰমিকক সমবেত কৰিবলৈ সমৰ্থ হ'লোঁ। সেয়েহে, আমাৰ অভ্যুত্থান আৰু ক্ষমতা-দখল আছিল ৰক্তপাতহীন।'

মই ক'লোঁ, 'কমৰেড ওৱাং হুং ওৱেন তো এতিয়া পলিটব্যুৰ'ৰ সদস্য। তেওঁ এতিয়ালৈকা আপোনালোকৰ এই কাপোৰৰ কলৰ শ্ৰমিক হৈ আছেনে?'

উত্তৰত লিউ ইযুঙে ক'লে, 'তেওঁ এতিয়াও আমাৰ কাৰখানাৰ এজন শ্ৰমিক আৰু আমাৰ কাৰখানাৰ বিপ্লৱী কমিটিৰ (Revolutionary Committee) চেয়াৰম্যান!'

আজি চীনৰ কাৰখানা, কমিউনৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়লৈকে—সকলোতে পৰিচালক কমিটি সমূহক বিপ্লৱী কমিটি বুলি কোৱা হয়। এয়া বাৰু নিছক এটা নতুন নামকৰণ—নে তাৰ প্ৰকৃতিগত পাৰ্থক্য কিবা আছে? প্ৰশ্নৰ উত্তৰত লিউ ইযুঙে ক'লে, 'পুৰণি দিনৰ কাৰাখানা পৰিচালনাৰ লগত এতিয়াৰ কাৰখানা পৰিচালনাৰ প্ৰকৃতি আৰু পদ্ধতি সম্পূৰ্ণ সুকীয়া। আগতে আমাৰ কাৰখানাৰ ডাইৰেক্টৰক সাংহাই চৰকাৰৰ টেক্সটাইল-মন্ত্ৰীয়ে নিযুক্ত

কৰিছিল। সাংস্কৃতিক বিপ্লৱৰ পাছত এই পদ তুলি দিয়া হৈছে। এতিয়া বিপ্লৱী কমিটিৰ চেয়াৰম্যান আৰু ভাইছ চেয়াৰম্যানে সেই কাম কৰে। তেওঁলোকৰ আৰু বিপ্লৱী কমিটিৰ সভ্যসকলক কাৰখানাৰ শ্ৰমিকসকলেই নিৰ্বাচিত কৰে। চেয়াৰম্যান আৰু ভাইছ চেয়াৰম্যান নিৰ্বাচিত হোৱাৰ পাছত মিউনিছিপ্যাল চৰকাৰৰ পৰা এই নিৰ্বাচিত কৰোৱাৰ লাগে আগতে ডাইৰেক্টৰেই আছিল চূড়ান্ত সিদ্ধান্তৰ অধিকাৰী আৰু উন্নয়নমূলক বা উদ্ভাৱনমূলক প্ৰস্তাৱত চীফ ইনজিনিয়াৰৰ মতামতেই আছিল চূড়ান্ত। এতিয়া কাৰখানা পৰিচালনাত প্ৰাধান্য আৰু মূল উদ্যোগ সাধাৰণ শ্ৰমিক সকলৰ ওপৰত ন্যস্ত। যেনে ধৰক—আমাৰ এই কাৰখানাৰ বিপ্লৱী কমিটিত ৩৫ জন সভ্য আছে। এওঁলোকৰ মাজত ২৫ জনেই সাধাৰণ শ্ৰমিকসকলৰ প্ৰতিনিধি। আন দহজন পুৰণি কেডাৰ আৰু টেকনিক্যাল ষ্টাফ। এই কমিটিৰ চেয়াৰম্যান এজন আৰু ভাইছ-চেয়াৰম্যান পাঁচজন। তাৰ মাজত দুগৰাকী মহিলা। দৈনন্দিন ৰুটিন-কাম পৰিচালনাৰ বাবে ১৭ জনীয়া ষ্টেণ্ডিং কমিটি আছে।'

আমি চাৰে আঠ বজাত আলোচনাত বহিছিলোঁ। এতিয়া বাৰ বাজি গ'ল। বিদায় লোৱাৰ আগতে ১৭ নম্বৰ সূতাকলৰ বিপ্লৱী কমিটিৰ মি ৫ ে তা সকলৰ সৈতে কৰমৰ্দন কৰি ভাবাবেগত কৈছিলোঁ: 'মই আপোনালোকৰ পৰা আজি জীৱনৰ আটাইতকৈ ডাঙৰ শিক্ষা লৈছোঁ। পাৰীৰ (পেৰিছ) শ্ৰমিক-শ্ৰেণীয়ে পাৰী-কমিউন প্ৰতিষ্ঠা কৰি মাৰ্কছবাদ-লেনিনবাদৰ আধাৰশিলা স্থাপন কৰিছিল। অক্টোবৰ বিপ্লৱত ৰুছ শ্ৰমিক-শ্ৰেণীয়ে লেনিন-স্তালিনৰ নেতৃত্বত বিশ্বত প্ৰথম সমাজতন্ত্ৰৰ ইমাৰত গঢ়ি তুলিছিল। কিন্তু সেই ইমাৰতৰ ওপৰিসৌধ অসম্পূৰ্ণ থকাত—সেই সুৰুঙাৰেই বুৰ্জোৱাইঁতে সেই ইমাৰতত প্ৰচণ্ড ফাট সৃষ্টি কৰাত সমৰ্থ হৈছে। সাংহাইৰ বীৰ শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত চীনৰ শ্ৰমিক-কৃষকে মাও-চিন্তাত উদ্বুদ্ধ হৈ সেই ওপৰিসৌধত প্ৰলেতাৰীয় আধিপত্য প্ৰতিষ্ঠা কৰি—সমাজতন্ত্ৰৰ

ইয়াবতক কেনেকৈ সুৰক্ষিত কৰিব লাগে—সেই দৃষ্টান্ত পৃথিৱীৰ শ্ৰমিক-শ্ৰেণীৰ সমাজত দাঙি ধৰিছে। আশা কৰোঁ, ছোভিয়েতৰ শ্ৰমিক-শ্ৰেণীয়েও আপোনালোকৰ পৰা এই শিক্ষা গ্ৰহণ কৰিব।'

ভূগৰ্ভ-চীন

'এই সুৰংগলৈ সোমোৱা প্ৰথম বিদেশী আপোনালোকেই।'— সুৰংগৰ দুৱাৰমুখত তত্ত্বাৱধানকাৰী হাঁহিমুখীয়া শকত-আৱত চেহাৰাৰ কমবেডজনে আমালৈ স্বাগত জ্ঞাপন কৰি ক'লে।

দাৰিয়েনৰ থাইয়াংছান অৰ্থাৎ 'সুৰ্য্যোদয় পাহাৰ'টো পোনেই সুৰ দাঙি থিয় হৈ আছে উত্তৰ-পূব চীনত প্ৰশান্ত মহাসাগৰৰ পলক-হীন পহৰাত। কঠিন শিলাময় ৰুক্ষ পাহাৰ। তাৰে বুকু ভেদি এক বিৰাট কংক্ৰীটৰ পাতাল-পুৰী নিৰ্মিত হৈছে। পাতাল-পুৰীৰ প্ৰবেশ-পথেদি অনায়াসে মটৰগাড়ী সোমাই যাব পাৰে। ভিতৰত বহুতো শাখা-সুৰংগ। পাশা-খেলৰ ছকৰ দৰে ইটো চাৰিআলিয়ে সিটো চাৰিআলিৰ লগত পোনে পোনেই লগ লাগিছেহি। যিমানেই ঘূৰি ফুৰিছোঁ—এক গোলোকধান্দাত বাট হেৰুৱাই পেলোৱা যেন বোধ হৈছিল। যেন এক সাঁথৰ। দেখাত সকলো একেই লাগিছিল। যেন এলিছৰ আজব দেশখন। যিমানে ঘূৰি ফুৰিছোঁ, সিমানে বিস্মিত হৈছোঁ। ঘূৰি ঘূৰি ভাগৰি পৰি জিৰণি ল'বৰ বাবে য'ত বহিলোঁগৈ সেই ঘৰটো হ'ল আধুনিক আচবাবপত্ৰেৰে সুসজ্জিত এটা আহল-বহল অভ্যৰ্থনা-গৃহ। সুদৃশ্য চাহৰ পিয়লাত সুগন্ধি 'সেউজীয়া চাহ' খাই থাকোঁতে অলপ তথ্যও গোটালোঁ।

এই সুৰংগ খন্দাৰ কাম আৰম্ভ হৈছিল ১৯৭০ চনত। স্থানীয় ডিপাৰ্টমেণ্টাল ষ্ট'ৰৰ কৰ্মীবৃন্দই দেশবাসীলৈ মাও চে তুঙৰ আহ্বানলৈ সঁহাৰি জনাই এই সুৰংগ খন্দাৰ কামত আগুৱাই আহিল। তাৰ

পাছত এওঁলোকৰ লগ লাগিলহি অন্যান্য অফিছ আৰু দোকান-কৰ্মচাৰীবৃন্দ। আটাইবোৰ কাম স্বেচ্ছাশ্ৰমেৰে সম্পাদন কৰা হৈছে। 'সম্পাদন কৰা হৈছে' বুলি কোৱাটো ঠিক নহ'ব, কিয়নো এতিয়াও বহুখিনি কাম বাকী। এতিয়ালৈকে যিমানখিনি হৈছে, তাৰে দহ হাজাৰ মানুহক সুকলমে আশ্ৰয় দিব পাৰি। এই পাতাল-পুৰীত মূল সুৰংগ তিনিটা, বহলে ৪০০ মিটাৰকৈ। টানেল বা সুৰংগৰ দুৱাৰমুখ এনেকুৱাকৈ পৰিকল্পিত হৈছে যে, জৰুৰী অৱস্থাত ৫ মিনিটতে বিভিন্ন ফালৰপৰা দহ হাজাৰ মানুহ এই আশ্ৰয়স্থলত আশ্ৰয় ল'ব পাৰিব। য'ত বজাৰ আৰু ষ্ট'ৰ স্থাপনৰ আঁচনি লোৱা হৈছে সেই ঠাইডোখৰো চালোঁ। যিটো ডাইনিং হল্ বা খোৱাকোঠা সজা হৈছে তাত একেলগে পাঁচশ মানুহে বহি খাব পাৰিব। পানী, বিজুলী আৰু গেছৰ যোগানৰ ব্যৱস্থাও সম্পূৰ্ণ কৰা হৈছে। অথচ এই প্ৰাথমিক মৌলিক কামবোৰ কৰা হৈছে মাত্ৰ ৯৩ দিনত! শুনাত অবিশ্বাস্য যেন লাগে। বিষাক্ত গেছ আৰু দূষিত বায়ুৰ প্ৰতিষেধক ব্যৱস্থাও কৰা হৈছে। ইয়াত দুই-চাৰিদিন নহয়, মাহৰ পাছত মাহ ধৰি থকাৰ সকলো ব্যৱস্থা কৰা হৈছে। একমাত্ৰ দাৰিয়েনতেই হেনো এনেকুৱা আন কেইবাটাও পাতাল-নগৰী গঢ়ি উঠিছে। অকল গুৰুত্বপূৰ্ণ সমুদ্ৰ-বন্দৰ দাৰিযেনতে নহয়, সমগ্ৰ চীন দেশৰ ডাঙৰ ডাঙৰ গুৰুত্বপূৰ্ণ চহৰতে হেনো এনে ধৰণৰ ভূগৰ্ভ-নগৰ গঢ়ি উঠিছে। এইবিলাকক সাময়িক আশ্ৰয়স্থল বুলি নকৈ ভূগৰ্ভস্থ নগৰ বুলিলেই সংগত হ'ব।

সিদিনা সন্ধিয়াপৰত সাগৰ-তীৰস্থ সুদৃশ্য অতিথি-ভৱনৰ বাৰান্দাত বহি ভাবি আছিলোঁ। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাত আৰম্ভ হৈ তৃতীয় শতিকাত চিন্ ৰাজবংশৰ আমোলত দহ হাজাৰ লী, অৰ্থাৎ পাঁচ হাজাৰ কিল'মিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ 'গ্ৰেটওৱাল' বা 'চীনৰ প্ৰাচীৰ' গঢ়ি উঠিছিল। কিন্তু যোৱা কেইবাবছৰো ধৰি এইবোৰ ভূগৰ্ভ-নগৰী গঢ়ি তুলিবলৈ যি পৰিমাণৰ মাটি খান্দি উলিওৱা হৈছে, তাৰে আন এখন চীনৰ প্ৰাচীৰ গঢ়ি তোলা সম্ভৱ নহ'লহেঁতেন নে?

দীৰ্ঘদিন ধৰি পিকিঙত থাকোঁতে পিকিং হস্পিটালৰ গাতে লাগি থকা টুং টাং পাৰ্কত বহিতো বহু বেলি লহিউৰা মুনি-চুনিৰ পোহৰ প্ৰত্যক্ষ কৰিছিলোঁ। এইবেলি গৈ দেখিলোঁ—গোটেইটো পাৰ্ক জুৰি সৰু সৰু টিলা। ভাবিলোঁ, নিশ্চয় এচৰে-পাঁজৰে ক'ৰবাত সুৰংগ খন্দা হৈছে আৰু তাৰে মাটিৰে এই টিলাবোৰ সাজি উলিউৱা হৈছে। পাছত জানিলোঁ—মোৰ অনুমান সঁচা।

কিন্তু কিয়? স্বেচ্ছাশ্ৰম হ'লেও—শ্ৰমৰ এই অপচয় কিয় কৰা হ'ল? তদুপৰি, অন্যান্য আনুসংগিক খৰচ, ৰক্ষণাবেক্ষণৰ খৰচো তো চৰকাৰেই ভৰিবলগীয়া হয়।

এই প্ৰশ্নৰ উত্তৰ—চীনৰ মানুহৰ সৈতে মিলা-জুলা কৰিলেই পোৱা যাব। তেওঁলোকৰ মানসিকতাত দুই ছুপাৰ পাৱাৰ বা আৰু ভুতি বৃহৎ শক্তিৰ অতৰ্কিত আক্ৰমণৰ আতংকই খোপনি পুতি বহিছে। তেওঁলোকৰ অৰ্জিত স্বাধীনতা আৰু সমাজতন্ত্ৰ যিকোনো সময়ত বিপদাপন্ন হ'ব পাৰে,—আৰু সেয়েহে, আপামৰ জনসাধাৰণৰ মাজত তাৰ প্ৰতিৰোধৰ এই প্ৰস্তুতি। চীনৰ য'তেই নাযাওক দেৱালে দেৱালে লেখা আপোনাৰ চকুত পৰিবই: 'সুৰংগ দকৈ খান্দা, সকলোতে শস্য মজুত কৰা, কেতিয়াও আধিপত্য নিবিচাৰিবা'। আৰু তাৰে লগতে আন এষাৰ কথাও লেখা—'যুদ্ধৰ বিৰুদ্ধে সাজু হোৱা, প্ৰাকৃতিক বিপৰ্য্যযৰ বিৰুদ্ধে সাজু হোৱা, সকলো কাম জনগণৰ বাবে কৰা'।

১৯৭০ চনৰ ২০ মে'ত মাৰ্কিন সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰামৰত বিশ্ব-জনতাৰ সমৰ্থনত মাও চে তুঙে যি ঐতিহাসিক উক্তি কৰিছিল সেই প্ৰসংগত তেওঁ কৈছিল: 'এক নতুন বিশ্বযুদ্ধৰ সম্ভাৱনা এতিয়াও আছে, আৰু সকলো দেশৰ জনসাধাৰণৰ সেইবাবে প্ৰস্তুত থাকিব বিশ্বযুদ্ধই লাগিব। কিন্তু আজিৰ পৃথিৱীৰ মূল প্ৰৱণতা হ'ল বিপ্লৱ বিশ্বযুদ্ধই বিপ্লৱক মাতি আনিব, নহ'লে বিপ্লৱে বিশ্বযুদ্ধক ভেটা দিব।

চীনৰ দশম পাৰ্টি কংগ্ৰেছত মাও-ৰ তত্ত্ব বিশ্লেষণ কৰি চৌ এন্ লাই

এ তেওঁৰ প্ৰতিবেদনত কৈছেঃ 'দুই অতি-বৃহৎ শক্তি মাৰ্কিন সাম্ৰাজ্য-বাদী আৰু ছোভিয়েত সামাজিক সাম্ৰাজ্যবাদীৰ মাজত বিশ্বৰ বজাৰত আধিপত্যৰ বাবে প্ৰতিদ্বন্দ্বিতাৰ ফলত আকৌ বিশ্বৰ জাতীয় মুক্তি-আন্দোলনৰ বিৰুদ্ধে যুজা-পৰা চলিছে। যুজা-পৰাটো সাময়িক কিন্তু প্ৰতিদ্বন্দ্বিতাটো চিৰস্থায়ী। এই প্ৰতিদ্বন্দ্বিতায়েই বিশ্বশান্তিৰ অমৃত-বচনৰ আঁৰ লৈ প্ৰচণ্ড মাৰণাস্ত্ৰ নিৰ্মাণৰ প্ৰতিযোগিতা চলাইছে—আৰু এই প্ৰতিদ্বন্দ্বিতায়েই পুনৰ মহাযুদ্ধৰ সম্ভাৱনাক বাস্তৱ কৰি তুলিছে'।

চৌ এন্ লাই-বৰ্ণিত অতি বৃহৎ সাম্ৰাজ্যবাদী শক্তি—মাৰ্কিন সাম্ৰাজ্যবাদ আৰু ছোভিয়েত সামাজিক সাম্ৰাজ্যবাদৰ উপস্থিতিয়ে তেওঁলোকক এফালে যে প্ৰতিৰক্ষাৰ প্ৰস্তুতি, আৰু আনফালে দেশৰ অভ্যন্তৰত পুনৰ তীব্ৰ শ্ৰেণী-সংগ্ৰামৰ যোগেদি দ্ৰুতগতিত সমাজতন্ত্ৰ গঠনলৈ উদ্বুদ্ধ কৰি তুলিছে, এই কথাটো চীনলৈ গ'লে অনুভৱ কৰিব পাৰি।

ইফালে চীনৰ দৰিয়াত আজিও আমেৰিকাৰ আণবিক শক্তিসম্পন্ন যুদ্ধ-জাহাজ টহলি ফুৰিছে, আজিও তাইৱানত মাৰ্কিন ক্ষেপণাস্ত্ৰৰ উপস্থিতি বিদ্যমান,—সিফালে চীনৰ উত্তৰ-পশ্চিম সীমান্তত অতি আধুনিক অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত ছোভিয়েতৰ ১০ ডিভিছন সৈন্যৰ উপস্থিতিয়ে চীনৰ মানুহক সচিত কৰি তুলিছে। বৰ্তমানে তেওঁলোকৰ এই দুই শত্ৰুৰ মাজত তেওঁলোকে ছোভিয়েত সামাজিক সাম্ৰাজ্যবাদকে অধিক উগ্ৰ বুলি গণ্য কৰে। আমেৰিকাৰ চীন ঘেৰাও নীতি সাময়িক ভাবে ব্যৰ্থ হোৱাৰ পাছত—তাৰ ঠাই পূৰাবলৈ আগুৱাই আহিছে ছোভিয়েত সামাজিক সাম্ৰাজ্যবাদীহঁত—এয়ে হ'ল চীনৰ সাধাৰণ মানুহৰ দৃঢ় বিশ্বাস।

চীনদেশ আক্ৰান্ত হোৱাৰ বিপদ যে তেওঁলোকৰ মনত জ্বলন্ত, এই কথাষাৰ নুবুজিলে পাতাল-পুৰীত নগৰ গঢ়াৰ এই মহাযজ্ঞক গ্ৰিক-দৈত্য ছিছিপাছৰ অৰ্থহীন শ্ৰম বুলিহে বোধ হ'ব।

সংগ্ৰাম চলিছে আৰু চলিব

'বিৰিখে বিশ্ৰাম ল'ব খুজিলেও বতাহে বিৰাম নলয়'

আজিৰ চীনত এই প্ৰাচীন প্ৰৱাদটো নতুন বৈপ্লৱিক তাৎপৰ্যাত বহুল ভাৱে উচ্চাৰিত হৈছে। ১৯৫৭ চনত মই যেতিয়া প্ৰথম বাৰৰ বাবে চীনলৈ গৈছিলোঁ, তেতিয়া 'সদ্য-প্ৰকাশিত জনগণৰ মাজত থকা দ্বন্দ্বসমূহৰ সঠিক মীমাংসা'ৰ বিষয়ে মাও চে তুঙে কৈছিল :

> "শ্ৰেণী-সংগ্ৰামৰ কোনোপধ্যেই অন্ত পৰা নাই। প্ৰলেতাৰিয়েত আৰু বুৰ্জোৱাসকলৰ মাজত শ্ৰেণী-সংগ্ৰাম, বিভিন্ন ৰাজনৈতিক শক্তি সমূহৰ মাজত শ্ৰেণী-সংগ্ৰাম আৰু মতাদৰ্শগত ক্ষেত্ৰত প্ৰলেতাৰিয়েত আৰু বুৰ্জোৱাসকলৰ মাজৰ শ্ৰেণী-সংগ্ৰাম এক সুদীৰ্ঘ একাবেঁকা বাটেৰে গৈ থাকিব। কেতিয়াবা কেতিয়াবা এই সংগ্ৰাম অতি তীব্ৰ হৈ উঠিব পাৰে। প্ৰলেতাৰিয়েতে তাৰ বিশ্ব-দৃষ্টিভংগী অনুসাৰে দুনিয়াখনক পৰিবৰ্তিত কৰিবলৈ বিচাৰে, আৰু বুৰ্জোৱাক লাগে তাৰ জোখে-জোখাৰে। এই অৰ্থত, সমাজতন্ত্ৰ জিকিব নে পুঁজিবাদ বিজয়ী হ'ব—এই প্ৰশ্নৰ মীমাংসা এতিয়ালৈকো হোৱা নাই।"

এইবেলি চীনলৈ গৈ সেইবোৰ কথাৰ ঐতিহাসিক তাৎপৰ্য্য অলপ উপলব্ধি কৰিছোঁ। আমি বিশ্ৰাম ল'বলৈ বিচাৰিলে কি হ'ব—শ্ৰেণী-সংগ্ৰামে—সেই বিৰাম বিহীন বতাহে বিৰাম ল'ব নোখোজে। বতাহে এখন্তেক জিৰণি ল'লেও মানুহ নাবাচিব, অথচ সেই মানুহেই বাৰে বাৰে বিশ্ৰাম-বিলাসী হ'বলৈ হাবিযাস কৰে।

সাংস্কৃতিক বিপ্লৱৰ চতুৰ্থ অধ্যায়ত যেতিয়া বিপ্লৱী কমিটিসমূহ গঢ়ি উঠিছে, বিশ্ববিদ্যালয়সমূহলৈ গৈ শ্ৰমিকসকলৰ টিমবোৰে যেতিয়া শৃংখলা থাপিছে, আৰু সেই অধ্যায়ৰ পৰিণতিত যেতিয়া ১৯৬৯ চনৰ

এপ্ৰিল মাহত চীনৰ কমিউনিষ্ট পাৰ্টিৰ নৱম কংগ্ৰেছৰ অধিবেশন হৈ গ'ল—আৰু লিন্ পিয়াও যেতিয়া হ'ল মাও চে তুঙৰ উত্তৰাধিকাৰী, তেতিয়া, বিপ্লৱৰ চূড়ান্ত অধ্যায়ৰ সামৰণি পৰিল বুলি আমি ভাবিছিলোঁ। এইবেলি শান্তিপূৰ্ণভাৱে চীনৰ মানুহে দ্ৰুতগতিত সমাজতন্ত্ৰৰ যুগ উত্তৰণৰ সাধনাত ব্ৰতী হ'ব।

কিন্তু হঠাৎ ক'ৰপৰা কি যে হৈ গ'ল—। ১৯৭১ চনৰ ছেপ্তেম্বৰ মাহত আমি হতবাক হৈ শুনিলোঁ লিন্ পিয়াও-ৰ 'ক্যুদেতা' আৰু মাও-ক হত্যাৰ চক্ৰান্তৰ কথা। আমি হতভম্ব। বিশ্বৰ খ্যাতনামা চীন-বিশেষজ্ঞসকল বিভ্ৰান্ত। এই কথা-কাণ্ড লৈ বহু আলোচনা-পৰ্য্যালোচনা চলিল। ১৯৭৩ চনৰ আগষ্ট মাহত চীনৰ পাৰ্টিৰ দশম কংগ্ৰেছত চৌ এন্ লাই-ৰ প্ৰতিবেদনৰপৰা আমি এই বিষয়ে চীনৰ পাৰ্টিৰ চূড়ান্ত বক্তব্য জানিলোঁ। জানিলোঁ যে পাৰ্টিৰ ভিতৰত লিন্ পিয়াও-ৰ মাৰ্ক্সবাদ-বিৰোধী চিন্তা আৰু কৰ্ম-কাণ্ডৰ বিৰুদ্ধে বহুদিনৰে পৰাই সংগ্ৰাম চলিছিল। মাও চে তুঙে লিন্ পিযাও-ৰ ভুল শুধৰাবলৈ ১৯৯২ চনতে এখন চিঠিতে 'এটি ফিৰিঙতিয়েই দাবানলৰ সৃষ্টি কৰিব পাৰে' নিবন্ধটি লিখিছিল। কিন্তু লিন্ পিয়াও-এ নিজক শুধৰাই লোৱা নাছিল। তেওঁ বুৰ্জোৱা সদৰ দপ্তৰত থাকি গ'ল। আৰু মুষ্টিমেয় ধনতন্ত্ৰৰ বাটৰুৱাইঁতৰ হৈ ৰাষ্ট্ৰ-ক্ষমতা দখলৰ বাবে—'৫৭১ আঁচনি' অনুসাৰে মাও-ক হত্যাৰ ষড়যন্ত্ৰ পাতিলে।

চীনৰ সাংস্কৃতিক বিপ্লৱে এক নতুন অধ্যাযলৈ গতি সলালে। এই অধ্যায আগতকৈও গভীৰ, ব্যাপক। লিন্ পিযাও-ৰ অভ্যুদয কেনেকৈ ঘটিল, পাৰ্টিৰ উচ্চতম ক্ষমতাত তেওঁ কেনেকৈ আৰোহণ কৰিছিল, তাৰ সামাজিক ভিত্তি কি—এইবোৰ কথা লৈ সমগ্ৰ দেশত এক নতুন শুদ্ধি আৰু শিক্ষাৰ অভিযান আৰম্ভ হ'ল।

১৯৭৪ চনত অকৌ গ'লোঁ চীনলৈ। গৈয়েই দেখিলোঁ—লিন্ পিয়াও আৰু কনফুছিয়াচৰ কাৰ্টুনৰে সৈতে ডাঙৰ আখৰৰ প্ৰাচীৰ-

পত্ৰৰ সমদল।' চীনৰপৰা 'ফ্ৰন্টিয়াৰ' কাকতলৈ মই যি প্ৰবন্ধটো পঠিয়াইছিলোঁ—সেই প্ৰবন্ধত মই লিখিছিলোঁ :

'এইবাৰ চীনলৈ আহিয়েই দেখিলোঁ সমগ্ৰ দেশখনক ভুঁইকঁপে জোকাৰিছে, যি ভুঁইকঁপৰ নাম 'ফি লিন্-ফি কুং', অৰ্থাৎ 'লিন্ পিয়াও-ক সমালোচনা কৰাঁ, কনফুছিয়াছক সমালোচনা কৰাঁ'। নিয়ে ইউৱান জু নামৰ পিকিং বিশ্ববিদ্যালয়ৰ এগৰাকী অখ্যাতা অধ্যাপিকাৰ প'ষ্টাৰে যেনেকৈ সাংস্কৃতিক বিপ্লৱৰ সূত্ৰপাত ঘটাইছিল, তেনেকৈয়ে, ১৯৭৩ চনত কেণ্টনৰ তুং ছান বিশ্ববিদ্যালয়ৰ এগৰাকী অখ্যাত অধ্যাপক ইয়াং ৰুং কুও-ই কন্‌ফুছিয়াছৰ ওপৰত লেখা এটি নিবন্ধই এই ভুঁইকঁপৰ সৃষ্টি কৰিছিল—যিটো নিবন্ধত কনফুছিয়াছেই লিন্ পিযাও-ৰ তাত্বিক গুৰু বুলি প্ৰতিষ্ঠিত কৰা হৈছিল।

পিকিং বিশ্ববিদ্যালযৰ গোটেই কেম্পাছ জুৰি লিন্ পিয়াও আৰু কন্‌ফুছিয়াছৰ ব্যংগচিত্ৰ-সহ দীঘলীয়া প'ষ্টাৰ চকুত পৰিল। '৫৭-৫৮ চনৰ প'ষ্টাৰসমূহ আছিল ঘাইকৈ সমালোচনামূলক। কিন্তু এই প'ষ্টাৰসমূহ বিশ্লেষণমূলক। প'ষ্টাৰ বিলাকৰপৰা বক্তব্য যিমানখিনি বুজিলোঁ, তাত চীনৰ দুই হাজাৰ বছৰৰ ইতিহাসৰ তথ্য দাঙি ধৰি চীনৰ শ্ৰেণী-সংগ্ৰামত কনফুছিযাছৰ প্ৰতিক্ৰিযাশীল ভূমিকা আৰু তাৰ বিৰোধী 'লিগালিষ্ট স্কুল'ৰ প্ৰমুখসকলৰ অগ্ৰগামী ভূমিকা আলোচিত হৈছে। কেৱল বিদ্ৰূপমূলক ব্যংগচিত্ৰয়েই নহয—তাৰ লগতে কনফুছিযাছ-বিৰোধী 'লিগালিষ্ট স্কুল'ৰ প্ৰধান প্ৰবক্তা শ্বাং ইয়াং (খ্ৰি. পূ. ৩৩৮), স্যুন্‌জু (খ্ৰি. পূ. ৩১৩—২৩৮), হান্ ফে ঈ-ৰ (খ্ৰি. পূ. ২৮০—২৩৩) প্ৰতিকৃতিও আঁকা হৈছে।······কাৰখানাত, কমিউনত, আনকি শিশুসকলৰ বিদ্যালয়তো, সকলোতেই কনফুছিয়াছৰ সৈতে সাঙুৰি লিন্ পিয়াও-ক সমালোচনা কৰা হৈছে।

আন এটা নতুন কথাও চকুত পৰিল, এই প'ষ্টাৰ বিলাকত অকল মাও চে তুঙৰেই নহয়, মাৰ্কছ, এংগেলছ, লেনিন আৰু ষ্টালিনৰ উদ্ধৃতিও উনুকিউৱা হৈছে।

প'ষ্টাৰত, আলোচনাত আৰু লেখাত মুখ্যস্থান অধিকাৰ কৰিছে লিন্ পিয়াও আৰু কনফুছিয়াছৰ সমালোচনাই। কাৰখানাৰ ভিতৰতো এই প'ষ্টাৰ। এই অভিযানৰ ৰিপ'ৰ্টৰ সৈতে উৎপাদনৰ দ্ৰুত বৃদ্ধিৰ তথ্যও দিয়া হৈছে। ক'ত কনফুছিয়াছ—আৰু ক'ত বা লিন পিয়াও, আকৌ তেওঁলোকৰ সমালোচনাৰ লগত যে উৎপাদনৰ কি সা-সম্পৰ্ক এইবোৰ কথা এজন বিদেশীৰ পক্ষে উপলব্ধি কৰাটো বৰ টান।

পিকিঙলৈ গৈযেই পিকিং মেশ্বিনাৰী প্লেণ্ট নং ২ চাবলৈ গৈছিলোঁ। প্লেণ্টৰ বিপ্লৱী কমিটিৰ কমৰেড লু-এ যেতিয়া সেই কাৰখানাৰ শ্ৰমিক-সকলৰ মাজত কনফুছিয়াছ আৰুলিন্ পিয়াও বিৰোধী অভিযানৰ কথা আৰু তাৰ ফলত শ্ৰমিকসকলৰ উৎপাদন বৃদ্ধিৰ নতুন উদ্যমৰ কথা কৈ আছিল, তেতিয়া এই বিষয়ে প্ৰশ্ন কৰাত তেওঁ ক'লে :

'মুষ্টিমেয় কেইজনমানহে জ্ঞানৰ অধিকাৰী হয়—কনফুছিয়াছ এই কথাত বিশ্বাসী আছিল। তেওঁৰ মতে, সমাজৰ ঘাইমুৰীয়া মানুহ কেই-জনেইহে জ্ঞানী, আৰু এই জ্ঞানীসকলে শ্ৰমজীৱি জনসাধাৰণ, যিসকল হ'ল মূলতঃ অজলা—তেওঁলোকৰ ওপৰত প্ৰভুত্ব কৰিব। উৎপাদনশীল শ্ৰমিক কনফুছিয়াছে ঘৃণা কৰিছিল। লিন্ পিয়াও-এও তেনেকুৱা এশ্ৰেণী মানুহৰ অন্তৰ্নিহিত প্ৰতিভাত বিশ্বাসী আছিল (Innate genius)। এওঁলোক হ'ল টেকনিশ্বিয়ান, ইনজিনিয়াৰ আৰু বিজ্ঞানী। তেওঁ আৰু লিউ শ্বাও চি, মাও চে তুঙৰ বিপ্লৱী গণ-পন্থাৰ (Mass line) বিৰোধী আছিল আৰু তেওঁলোকৰ শিক্ষা আৰু সংস্কৃতিৰ নীতিৰ যোগেদি এচাম বিদগ্ধ (এলিট) সৃষ্টি কৰিব খুজিছিল। তেওঁ-লোকৰ মতে, এই বিদগ্ধইঁতেই জনগণক পৰিচালনা কৰিব। আমাৰ শ্ৰমিকসকলৰ মনক এই ধৰণৰ বিষাক্ত ধাৰণাৰপৰা সম্পূৰ্ণ মুক্ত কৰিব নোৱাৰিলে তেওঁলোকে সমাজতন্ত্ৰৰ গঠন আৰু ন ন যন্ত্ৰৰ উদ্ভাৱনত নিজা উদ্যোগৰ কথা পাহৰিয়েই থাকিব। শ্ৰমিকশ্ৰেণীয়ে সচেতন ভাবেই লিন্ পিয়াও সমৰ্থিত কনফুছিয়াছ লাইনৰ বিৰুদ্ধে সংগ্ৰাম

কৰিছে। সমাজতন্ত্ৰ গঠনৰ মহান কাৰ্য্যত তেওঁলোকে ন ন বিজয় অৰ্জনৰ বাবে নিজক সুসজ্জিত কৰি তুলিছে।'

কমৰেড লু-এ এই বুলি কৈ তেওঁৰ ব্যাখ্যাৰ সামৰণি মাৰিলে যে, 'নিজক সংযত কৰা, তোমাৰ প্ৰাচীন প্ৰথালৈ উভতি থোজ লোৱা।' —এই কনফুছীয় নীতি প্ৰচাৰ কৰি লিন্ পিযাও-এ ধনতন্ত্ৰৰ পথক সুগম কৰি তুলিবলৈ চেষ্টা কৰিছে। এযা হ'ল উৎপাদনৰ ক্ষেত্ৰত মাও-লাইনৰ সম্পূৰ্ণ বিৰোধী তত্ত্ব।'

লিন্ পিযাও-ৰ সামাজিক আৰু আদৰ্শগত ভিত্তিক বিচাৰি আজি তাত চীনৰ সুদীৰ্ঘ ইতিহাস মথিত হৈছে আৰু হ'ব ধৰিছে তাৰ পুনৰ্মূল্যাযন। চীনৰ ইতিহাসত পশ্চিম চৌ ৰাজবংশ (খ্রি. পূ ১০৬৬ —৭৭০) আছিল দাস প্ৰভুসকলৰ ৰাজবংশ। 'বসন্ত আৰু শৰৎযুগ' (খ্রি. পূ. ৭৭০—৪৭৬) আছিল দাসপ্ৰথাৰপৰা সামন্তীয প্ৰথালৈ উত্তৰণৰ যুগ, আৰু 'যুদ্ধৰত ৰাজ্যসমূহৰ যুগ' (খ্রি পূ. ৪৭৬—২২১) আছিল সামন্তীয় যুগৰ আদিকাল। সম্ৰাট চিন্ শ্বি হুৱান্ হ'ল সেই যুগৰ প্ৰথম সম্ৰাট। কনফুছিযাছ আছিল (খ্রি. পূ. ৫৫১—৪৭৯) পশ্চিম চৌ ৰাজবংশৰ ক্ৰীতদাস-প্ৰথাৰ সমৰ্থক। কিন্তু চিন্ শ্বি হুৱানৰ কালতে কনফুছিযাছ-বিৰোধী 'লিগালিষ্ট স্কুল'ৰ জন্ম হয। তেতিয়া এই মতৰ দ্বন্দ্ব তীব্ৰ হৈ উঠিল। কনফুছিযাছে যিস্থলত 'স্বৰ্গীয় আদেশ'ৰ ৰীতি আৰু প্ৰথানুযাযী চলিবলৈ কৈছিল—তেতিয়া 'লিগালিষ্ট স্কুল'ৰ অনুগামীসকলে 'মানুহৰ সংকল্প স্বৰ্গজযী'—'ৰীতি প্ৰথা নহয, আইনৰেহে শাসন চলাব লাগিব' বুলি কৈছিল।'

সেই তাহানিৰেপৰাই চীনৰ ইতিহাসত যেতিযাই শ্ৰেণী-সংঘাত তীব্ৰ হৈ উঠিছে, তেতিযাই অগ্ৰগামী শ্ৰেণীয়ে কনফুছিযাছৰ ৰীতি আৰু নীতিক বাতিল কৰা আৰু ৰক্ষণশীল পিছহোঁহকা শ্ৰেণীয়ে কনফুছিয়াছৰ জয়গান গোৱা দেখা গৈছে।

ক্ৰীতদাস-বিদ্ৰোহৰ নেতা লিউ ছিয়া চি-ক চীনৰ স্পাৰ্টাকাছ বুলি কোৱা হয়। 'বসন্ত আৰু শৰৎ'যুগত (খ্রি. পূ. ৭৭০—৪৭০) এই

বিদ্ৰোহই ইমান ব্যাপকতা আৰু তীব্ৰতা লাভ কৰিছিল যে, ইয়েই সবাতোকৈ ডাঙৰ গণ-বিদ্ৰোহ হিচাপে প্ৰাচীন চীনৰ বুৰঞ্জীত লিপিবদ্ধ আছে। কনফুছিয়াছ আৰু কনফুছিয়াছ-পন্থী সকলে পৰবৰ্তী কালত লিউ ছিয়া চি-ৰ বিৰুদ্ধে বহুতো টোটক-নাটক কৰিছিল।

খ্ৰি. পূ. ২০৯-ত চীনৰ প্ৰথম কৃষক বিদ্ৰোহৰ নেতৃদ্বয় ছেন ছেং আৰু উ কুৱাং-এ কুনফুছিয়াছৰ ৰীতি-নীতিৰ বিৰুদ্ধেও বিদ্ৰোহ কৰিছিল। সেই তেতিয়াৰেপৰা আৰম্ভ কৰি আধুনিক মুক্তি-পূৰ্ব চীনৰ আটাইতকৈ ডাঙৰ আৰু ব্যাপক কৃষি-বিপ্লৱত 'তাই পিং স্বৰ্গীয় ৰাজ্য'ৰ (১৮৫১—১৮৬৪) প্ৰতিষ্ঠালৈকে এই দ্বন্দ্বৰ পুনৰাবৃত্তিয়েই ঘটা দেখা গৈছে। তাই পিং কৃষি-বিপ্লৱৰ অবিস্মৰণীয় নেতা হুং ছিউ চুৱানে অহিফেন যুদ্ধৰ (১৮৪০—৪২) এছৰৰ পাছৰ পৰাই কনফুছিযাছৰ নামাংকিত সোঁৱৰণী-ফলিখন ভাগি পেলাইছিল আৰু নতুন মতাদৰ্শৰ ভিত্তিত গোপন বিপ্লৱী-দল গঠনৰ কাম আৰম্ভ কৰিছিল। হুং ছিউ চুৱানে এক নতুন 'ঈশ্বৰ' সৃষ্টি কৰিলে। এই ঈশ্বৰ হ'ল শোষিত কৃষক-শ্ৰেণীৰেই প্ৰতিনিধি। এই 'ঈশ্বৰে' কনফুছিযাছৰ বিচাৰ কৰি তেওঁক বেতেৰে কোবাবলৈ আদেশ দিয়ে। কনফুছিযাছ তেতিয়া সামন্ত-সমাজৰ অলংঘ্য ঋষি। হুং ছিউ চুৱানে কনফুছিযাছ আৰু মেনছিউছৰ আটাইবোৰ গ্ৰন্থক 'অপবিত্ৰ' বুলি ঘোষণা কৰিলে। চিং সম্ৰাটৰ প্ৰতিনিধি ছেং কুও ফান্-এ তেতিয়া কনফুছিযাছৰ পতাকা ৰক্ষাৰ ধ্বনি তুলি পাশ্চাত্য সাম্ৰাজ্য শক্তিসমূহৰ সাহায্য লৈ অবৰ্ণনীয় হত্যা আৰু ৰক্তপাতৰ জৰিয়তে জেদি তাইপিং কৃষি-বিপ্লৱক দমালে।

১৯১১ চনত ছান ইযাৎ সেনৰ নেতৃত্বত গণতান্ত্ৰিক বিপ্লৱৰ প্ৰতি বিশ্বাসঘাতকতা কৰি ইউৱান ছি কা-ই (১৮৫৯—১৯১৬) যেতিয়া সামৰিক প্ৰভু হৈ ক্ষমতা কবায়ত্ত কৰিলে—তেতিয়া তেওঁ কনফুছিয়াছৰ নীতি প্ৰচাৰত বিশেষ উদ্যোগী হ'ল। তেওঁৰ আমন্ত্ৰণতে জাৰৰ কছিয়াৰপৰা হাৰমেন কাইজাৰলিং নামৰ এজন ভো-পণ্ডিত চীনলৈ

আহিল আৰু গোটেইখন চীনদেশত কনফুছিয়াছৰ তত্ত্ব 'চীনৰ আত্মা আৱিষ্কাৰ'ৰ বিষয়ে-বক্তৃতাৰ বিনয়-বচন গাই ফুৰিবলৈ ধৰিলে।

তাৰ পাছত আমি দেখিলোঁ যে ১৯১৯ চনৰ ৪মে'ত নতুন সাংস্কৃতিক বিপ্লৱৰ পুলিয়ে কুঁহিপাত মেলোঁতেই ধ্বনি উঠিল: 'কনফুছীয় দোকান বন্ধ কৰাঁ'। নতুন সাংস্কৃতিক বিপ্লৱৰ নেতা লু শ্বুন-এ (১৮৮১—১৯৩৬) তেওঁৰ প্ৰথম গল্প 'বলিয়াৰ দিনলিপি'ত প্ৰচাৰ কৰিলে যে কনফুছিয়াছৰ সদাশয়তা, নীতি-নিষ্ঠতা, হিতৈষিতা —এই আটাইবোৰেই নৰখাদকে তেজ পিবলৈ এক আৱৰণ হে মাথোন। লু শ্বুনৰ বিৰোধী প্ৰতি-বিপ্লৱী হু শ্বিযে কনফুছিয়াছক 'মানৱজাতিৰ মহান ঋষি' বুলি আখ্যা দিয়ে।

চীনত সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ পাছতো এই দ্বন্দ্বৰ অন্ত পৰা নাই। লিউ শ্বাও চি আৰু লিন্ পিয়াও আছিল কনফুছিয়াছৰ অনুৰাগী। ১৯৬২ চনত চীনৰ পাৰ্টিৰ ভিতৰত যেতিয়া মতাদৰ্শৰ সংঘাতে তীব্ৰ ৰূপ ল'লে—তেতিয়া লিউ শ্বাও চি-ৰ উদ্যোগত কনফুছিযাছৰ এক স্মৃতি-সম্মিলন পতা হ'ল—য'ত কনফুছিয়াছক চীনৰ ইতিহাসত শ্ৰেষ্ঠ চিন্তানায়ক বুলি আখ্যা দিয়া হয। ১৯৬৭ চনৰ আগষ্ট মাহৰ ৫ তাৰিখে তেওঁৰ আত্ম-সমালোচনাত লিউ শ্বাও চি-এ এই কথা স্বীকাৰ কৰিছিল।

নৱম পাৰ্টি কংগ্ৰেছৰ পাছত উচ্চাভিলাষী ক্ষমতা লিপ্সা লিন [illegible]এ তেওঁৰ কুখ্যাত 'নোটবপৰা' কনফুছিয়াছৰ বহুতো উদ্ধৃতি উলিকি[illegible]—তেওঁৰ নিজৰ শ্ৰেণী-সংগ্ৰাম-বিৰোধী বিশ্বাসঘাতী তত্ত্বক বিশ্বাসযোগ্য কৰি তুলিবলৈ প্ৰচেষ্টা চলাইছিল। সেই নোট-বহীৰ বহুতো উদ্ধৃতি আজি চীনৰ প'ষ্টাৰ-সমদল সমূহত দেখা যায়।

এনেকৈয়ে, আজিও চীনত লিন পিয়াও আৰু কনফুছিয়াছক এক সূত্ৰত সাঙুৰি লৈ এক প্ৰচণ্ড ভাবাদৰ্শৰ আন্দোলন চলোৱা হৈছে। চীনৰ কোটি কোটি কৃষকে দুহাজাৰ বছৰীয়া কনফুছীৰ ৰীতি-নীতিৰ ধাৰাক বোকোচাত কঢ়িয়াই ফুৰিছিল। মুক্তিৰ পাছত দ্ৰুত কৃষি-

সংস্কাৰ আৰু কমিউন স্থাপনৰ ফলত তাৰ শিপা খণ্ড-বিখণ্ড হ'লতো— ইমান সহজে সেই শিপাক আলুৱে সৈতে উঘালি পেলাবও নোৱাৰি। আৰু সেই ধ্যান-ধাৰণাৰ সুবিধা লৈয়েই চীনত সৰ্বহাৰাৰ ভাবাদৰ্শ-বিৰোধী শক্তিয়ে মাটি ফালি মূৰ দাঙি উঠি সমাজতন্ত্ৰক বিপদত পেলাব পাৰে।

সেয়েহে, ভাবাদৰ্শৰ ক্ষেত্ৰত এই শ্ৰেণী-সংগ্ৰাম আজিৰ চীনত ইমান তীব্ৰ আৰু গভীৰ। তেওঁলোকৰ মতে এই সংগ্ৰামৰ কোনো দিনেই শেষ নহ'ব—শেষ হ'ব নোৱাৰে। সেয়েহে, দশম পাৰ্টি কংগ্ৰেছত (২৪ আগষ্ট—২৮ আগষ্ট, ১৯৭৩) তেওঁৰ প্ৰতিবেদনত চৌ এন্ লাই-য়ে কৈছে :

'ভৱিষ্যতত যেতিয়া শ্ৰেণী বিলুপ্ত হ'ব, তেতিয়াও উপৰিসৌধ আৰু অৰ্থনৈতিক বুনিয়াদৰ মাজত আৰু উৎপাদনী শক্তি আৰু উৎপাদনৰ সম্পৰ্কৰ মাজত এই বিৰোধ বৰ্তি থাকিব। এই বিৰোধৰ প্ৰতিফলন হিচাপে এই দুই দ্বন্দ্ব তেতিয়াও থাকিব , অৰ্থাৎ আগ বঢ়া আৰু পাছ পৰা আৰু সঠিক আৰু ভুল এই দুয়োটাৰ দ্বন্দ্ব চলিয়েই থাকিব। অধিকন্তু সমাজবাদী সমাজে এক সুদীৰ্ঘ ঐতিহাসিক যুগক ধাৰণ কৰে। এই সমগ্ৰ ঐতিহাসিক যুগব্যাপী শ্ৰেণী, শ্ৰেণী-বিৰোধ আৰু শ্ৰেণী-সংগ্ৰাম চলি থাকিব। ধনতান্ত্ৰিক পন্থা আৰু সমাজতান্ত্ৰিক পন্থাৰ সংগ্ৰাম, ধনতন্ত্ৰৰ পুনৰুদ্ভৱৰ বিপদ, অন্তৰ্ঘাতমূলক কাৰ্য্য-কলাপৰ আশংকা আৰু সাম্ৰাজ্যবাদ আৰু সামাজিক সাম্ৰাজ্যবাদৰ আক্ৰমণৰ আশংকা থাকিবই। এই দ্বন্দ্ব প্ৰকাশক দুই পন্থাৰ দ্বন্দ্ব তেতিয়ালৈকো ৰাষ্ট্ৰৰ মাজত দীৰ্ঘকাললৈকে চলিব, আৰু প্ৰায় দহ, বিছ বা ত্ৰিছবাৰলৈকে এই সংঘৰ্ষ ঘটিব পাৰে। লিন্ পিয়াওহঁতৰ পুনৰভ্যুদয় ঘটিব পাৰে— ৱেৰাংমিং, লিউ শ্বাও চি, পেং তে হুৱাই আৰু কাও কাংহঁতৰ দৰে মানুহৰ পুনৰাবিৰ্ভাৱ ঘটিব পাৰে। ই মানুহৰ ইচ্ছা-নিৰপেক্ষ কথা।'

লিন্ পিয়াও-ৰহস্য

কুৰুক্ষেত্ৰ-মহাসমৰৰ ৰথী-মহাৰথী ভীম, অৰ্জুন, দ্ৰোণাচাৰ্য্য আৰু কৰ্ণ, দুৰ্য্যোধন আদিৰ মূৰ্তিযে আমাৰ মনত যেনেকৈ যুগমীযা সাঁচ বহুৱাই থৈছে, ঠিক তেনেকৈয়ে চীনদেশৰ সুদীৰ্ঘকালৰ মুক্তিযুদ্ধত, বিশেষকৈ মানৱ-ইতিহাসত অভূতপূৰ্ব ৮ হাজাৰ মাইল দুৰ্গম-গিৰি কান্তাৰ-মৰু লংঘি লংমাৰ্চ্চৰ সমৰ-নায়কবৃন্দ আৰু বৰ্তমান যুগৰ মানুহৰ মানসপটত এক নতুন সাঁচ বহুৱাই থৈছে, সমগ্ৰ ৰণনীতি যদিও মাও-নিৰ্ধাৰিত, তথাপি মাও চে তুং, চৌ এন্ লাই, লিউ শ্বাও চি প্ৰমুখ্যে লোকসকলক মানুহে ৰাজনৈতিক নেতা হিচাপেহে গণিতা কৰে আৰু মাৰ্শ্বাল চু তে', পেং তে হুৱাই, লিন্ পিয়াও আদিক গণ্য কৰে সমৰনায়ক হিচাপে।

চীনা ভাষাত মাৰ্শ্বালক 'ইউৱান শ্বুৱাই' বুলি কোৱা হয়। চীনৰ দুৰ্ধৰ্ষ মুক্তিফৌজৰ পৰিচালনাত এনেকুৱা দহ গৰাকী ইউৱান শ্বুৱাই বা মাৰ্শ্বাল আছিল। এওঁলোকৰ মাজৰ এগৰাকী হ'ল বৰ্তমান প্ৰতিৰক্ষামন্ত্ৰী মাৰ্শ্বাল ইয়ে ছিযেন ইং। এওঁ ভাৰতলৈ আহিছিল আৰু এইবাৰ চীনত আমাক যি চৰকাৰী ভোজ-মেলত আপ্যায়ন কৰা হৈছিল, তেৱেঁই আছিল তাৰ প্ৰধান আমন্ত্ৰণকাৰী।

এওঁলোকৰ মাজত মাৰ্শ্বাল চু তে আছিল মুক্তিফৌজৰ প্ৰধান সেনাপতি। তেওঁৰ সহকাৰী আছিল পেং তে হুৱাই। মাৰ্শ্বাল চু তে অলপতে লোকান্তৰিত হ'ল। সাংস্কৃতিক বিপ্লৱৰ আগতেই পেং তে হুৱাইৰ পতন ঘটিছিল।

আৰু হঠাতে, অতি আকস্মিক ভাৱে, ১৯৭১ চনৰ ছেপ্তেম্বৰৰ ১৩ তাৰিখে এক অবিশ্বাস্য ৰহস্য উপন্যাসৰ ট্ৰেজিক নায়ক হিচাপে

লিন্ পিয়াও-ৰ বা-বক্তব্য শুনি বিশ্বজন বিমূঢ় হৈ পৰিল আৰু সচকিত হৈ উঠিল।

১৯৬৯ চনত নৱম পাৰ্টি কংগ্ৰেছত লিন্ পিয়াও-ক মাও-ৰ ঘনিষ্ঠতম সহযোদ্ধা আৰু উত্তৰাধিকাৰী বুলি ঘোষণা কৰা হৈছিল। কেন্দ্ৰীয় কমিটিৰ একাদশ বৰ্ধিত অধিবেশনৰ পাছত সৰ্বশক্তিমান ষ্টেণ্ডিং কমিটিত মাও-ৰ পৰৱৰ্তী স্থানত তেওঁ অধিষ্ঠিত হৈছিল, পাৰ্টিৰ প্ৰথম ভাইছ চেয়াৰম্যান হিচাপে। তেওঁ হৈ উঠিল সৰ্বোচ্চ মিলিটাৰী কমিটিৰ ভাইছ চেযাৰম্যান, প্ৰতিৰক্ষামন্ত্ৰী আৰু ষ্টেট কাউন্সিলৰ উপ-প্ৰধানমন্ত্ৰী। মাও-ৰ লোকান্তৰৰ পাছত, স্বাভাৱিকতেই বিশ্বৰ মানুহে লিন্ পিয়াও-যেই চীনৰ সৰ্বোচ্চ নেতা হ'ব বুলি ধৰি লৈছিল।

সেয়েহে, লিন্ পিযাও-ঘটিত খবৰ ওলোৱাৰ লগে লগে সমগ্ৰ বিশ্ব আলোডিত হৈ উঠিল। সংবাদপত্ৰসমূহত নানা ধৰণৰ সংবাদ-বিসংবাদ ছপা হৈ থাকিল। চীন সম্পৰ্কে বিশেষজ্ঞ খ্যাতনামা সাংবাদিক উলফ্ৰেড বাৰ্চেটৰ তেতিযাৰ এখন প্ৰতিবেদনৰ (ৰিপ'ৰ্ট) সাৰাংশ আছিল এনেকুৱা :

'১৯৭১ চনৰ ১২ ছেপ্তেম্বৰ তাৰিখে মাও চে তুঙে ৰেল-যোগে সাংহাইৰপৰা পিকিঙলৈ আহি আছিল। নান্‌কিঙৰ উত্তৰ-ফালৰ কোনো এখন ঠাইত লিন্ পিয়াও-এ এই ৰেলগাড়ীখন ধ্বংস কৰিবলৈ পাং পাতিছিল। যদি কিবা ত্ৰুটিৰ বাবে ইয়াত পৰিকল্পনা অসফল হয়, সেইবাবে ইয়াৰপৰা অলপ আঁতৰত আন এঠাইতো এই একেই পৰিকল্পনাৰ বন্দবস্ত কৰি থোৱা হৈছিল (১৯৩১ চনত জাপানীসকলে মাঞ্চুৰিযাৰ সমৰ-প্ৰভু চাং ছো লিন্‌ৰ ট্ৰে'ন এইদৰে ধ্বংস কৰি মাঞ্চুৰিয়া অধিকাৰ কৰিছিল। লিন্ পিযাও-ৰ দলিল-পত্ৰত এই ঘটনাৰ উল্লেখ আছে কিন্তু ষড়যন্ত্ৰৰ খুঁটিনাটি তলখাপৰ কৰ্মচাৰীসকলে কেনেবাকৈ জানিব পাৰিলে কথা বিষম হ'ব। কিয়নো চীনৰ সৈন্যদল মানেই গণমুক্তি ফৌজ। আৰু গণমুক্তি ফৌজৰ স্ৰষ্টা আৰু নেতা হ'ল স্বয়ং মাও চে তুং। গতিকে এইখিনিতে লিন্

পিয়াও বিমোৰত পৰিল। সৰ্বোচ্চ স্তৰত আবদ্ধ নাথাকিলে লিনৰ ষড়যন্ত্ৰ ওলাই পৰাৰ সম্ভাৱনা। প্ৰথম প্ৰচেষ্টাৰ ভাৰপ্ৰাপ্ত অফিছাৰজনে এফালে গণমুক্তি ফৌজৰ লৌহ কঠিন শৃংখলাবোধ আৰু আনফালে ৰেলগাড়ীখনৰ এটা বিশেষ ডবা ধ্বংস কৰাৰ আদেশ পালন—এই দোযোজাত পৰি কিংকৰ্তব্যবিমূঢ়। মনৰ এই উগুল-থুগুল অৱস্থাত তেওঁ তেওঁৰ পত্নীক সকলো খুলি-মেলি ক'লে। এই ভদ্ৰমহিলা আছিল ডাক্তৰ আৰু পাৰ্টিসভ্যা। ভীত-ত্ৰস্ত মহিলাগৰাকীয়ে গণমুক্তি ফৌজৰ আদৰ্শ ৰক্ষা কৰাৰ আৰু এই জঘন্য পৰিকল্পনা ব্যৰ্থ কৰাৰ এক আচৰিত উপায় ভাবি উলিয়ালে। চকু আৰু হাতৰ সূক্ষ্মতম সমন্বয়ৰ চুলি পৰিমাণৰ ইফাল-সিফাল হ'লেই সকলো কামত আউল লাগি যাব। গতিকে ভদ্ৰমহিলাই ওেওঁৰ স্বামীক সাময়িক-ভাৱে দৃষ্টিশক্তি অস্পষ্ট হৈ যোৱাকৈ এটা ইনজেকশ্যন দিলে। তাৰ ফলত প্ৰথম বাৰৰ বোমাটো সময়মতে নুফুটিল। ইতিমধ্যে মহিলা গৰাকীয়ে এই ভয়াবহ আঁচনিৰ কথা পাৰ্টিৰ শাখা কমিটিক জনালে। খবৰটো পিকিং পালেগৈ।

কি ঘটিব—মাও-এ তেতিয়ালৈকো একো নাজানে। দ্বিতীয় বিস্ফোৰণ ঘটোৱা ঠাইৰ কেইটামান ষ্টেশ্যনৰ আগতে মাও-ক গাড়ীৰপৰা দ্ৰুত গতিৰে নামি আহিবলৈ অনুৰোধ কৰা হ'ল। বাকী বাটছোৱা চৌ এন্ লাই-ৰ আদেশত মাও-ৰ লগত উপযুক্ত সহচৰ দি মটৰগাড়ীৰে পিকিঙলৈ লৈ অহা হ'ল। এইদৰে মাও-হত্যাৰ প্ৰথম পৰিকল্পনা ছুটা ব্যৰ্থ হ'ল।

ইতিমধ্যে সিদিনাই গভীৰ ৰাতি চৌ-এন্ লাই-ৰ ওচৰত খবৰ আহিল যে লিন্ পিয়াও-এ পিকিঙৰ পূবে সাগৰপৰীয়া স্বাস্থ্যকেন্দ্ৰ পেইতা হো বিমান কোঁঠত কেইটামান ট্ৰিডেণ্ট উৰাজাহাজক সাজু হৈ থকাৰ নিৰ্দেশ দিছে। তাত সিদ্ধিকা লিন্ পিয়াও, তেওঁৰ পত্নী ইয়ে চুন্ আৰু তেওঁৰ প্ৰতিভাবান পুত্ৰ (লিন্-ৰ মতে) লিন্ লু

কু আৰু জনাদিয়েক উচ্চপদস্থ-সামৰিক বিষয়াই মিলি আনন্দ-স্ফূৰ্তি কৰিছিল।

চৌ এন্ লাই-য়ে লিন্ পিয়াওলৈ ফোনালে। এই জঘন্য কাণ্ডৰ আঁৰত লিন্ পিয়াও-ৰ ক'লা হাত থকাৰ কথা তেতিয়ালৈকো চৌৱে সন্দেহ কৰাই নাই। লিন্ পিয়াও-ৰ প্ৰথমা পত্নীৰ জীয়েক লিন্ দো দো-ই চৌ এন্ লাই-ক খবৰ দিলে যে লিন্ পিয়াও-এ তেওঁৰ গোটেই পৰিয়ালবে সৈতে ক'ৰবালৈ গৈ আছে। তেতিয়ালৈকেৰে লিন পিযাও আৰু মাও-ক হত্যাৰ প্ৰচেষ্টা—চৌ এন্ লাই-যে-এই দুটাৰ মাজত কোনো যোগসূত্ৰ আৱিষ্কাৰ কৰিব পৰা নাছিল। লিনক তেওঁ ফোনাইছিল এই ঘটনা সম্পৰ্কে সাৱধান কৰিবলৈ, লিন্ তেতিয়া কনছাৰ্টত। ইয়ে চুনে ফোন দাঙিলে। নহয়, কোনো ফ্লাইটৰ কথা-বতৰা হোৱা নাই বুলি ইয়ে চুনে চৌ এন্ লাই-ক নিঃচিন্ততা প্ৰদান কৰিলে। কিন্তু চৌ-ৰ মনত সন্দেহৰ ছায়া গভীৰতৰ হ'ল। 'তিনিজন ব্যক্তিৰ চহী নাথাকিলে কোনো উৰাজাহজক যেন উৰিবলৈ দিয়া নহয়—' এই মৰ্মে তেওঁ আদেশ জাৰী কৰিলে। সেই তিনিজনৰ মাজত এজন চৌ এন্ লাই আৰু আনজন আছিল লিন্ পিয়াও।

নাটকৰ ৰহস্য আৰু ঘনীভূত হৈ উঠিল। এজন অফিছাৰ আহিল মাও-ৰ সদৰ দপ্তৰলৈ। তেওঁ নিজেই মাও-ৰ হাতত কিবা এটা নিৰাপত্তামূলক সংবাদ দিব বুলি পেৰাপেৰি কৰিবলৈ ধৰিলে। এই বিষযাজনৰ কথা-বতৰা আচাৰ-আচৰণত সন্দেহ বিশেষভাৱে ঘনীভূত হৈ উঠিল। তেওঁক বন্দী কৰি সোধ-পোছ কৰা হ'ল। তেওঁক খানাতলাচীও কৰা হ'ল। জনা গ'ল যে মাও-ৰ সেই নিৰাপত্তাৰ সংবাদ হ'ল মাওক দেখামাত্ৰেই হত্যা কৰাৰ আদেশ। অফিছাৰে তৎক্ষণাৎ সকলো স্বীকাৰ কৰিলে। ইতিমধ্যে ভীত-সন্ত্ৰস্ত অৱস্থাত ইয়ে চুনে কনছাৰ্ট হলৰ পৰা লৰি গৈ, তেওঁৰ স্বামী লিন্ পিয়াওক সকলো খবৰ দিলেগৈ—মাও-এ বাঁহীক ভবিষ্যতত বিবাজ কৰিছে। আৰু

তেওঁলোকৰ পলাই যোৱাৰ খবৰো চৌ-এ জানিছে। লগে লগে বহু কেইখন গাড়ীৰ ইনজিন গৰজি উঠিল। গাড়ীবিলাকৰ লক্ষ্যস্থল পেইতা হো বিমানকোঁঠ। ৰক্ষীহঁতৰ মাজত এজন ঘটনা সম্পর্কে সন্দিহান হৈ উঠা দেখা পাই—লিন্ পিয়াও-পুত্র লিন্ লি কুও-ই তেওঁক গুলীয়াই চলন্ত গাড়ীৰ পৰা পেলাই দিলে। এই অবিশ্বাস্য কাহিনী কোৱাৰ বাবে সেই ৰক্ষীজন আজিও জীয়াই আছে।

লিন্ পিয়াও আৰু তেওঁৰ ঘৰ-গোষ্ঠীয়ে বিমানকোঁঠ পালেহি, কিন্তু আহি খবৰ শুনিযেই শিৰে হৈল বজ্রাঘাত। তেতিযা চৌৰ আদেশ মতে বিমানকোঁঠৰ ফ্লাইট বন্ধ। লিন্ পিযাও-এ তেতিয়া বিমানকোঁঠত ভাৰপ্রাপ্ত বিষয়াসকলক ক'লে যে তেওঁলোকে চৌ-ৰ আদেশ ঠিকমতে বুজা নাই। কি আদেশ মতে তিনিজনৰ মাজত এজনৰ চহী থাকিলেই হ'ব। গতিকে তেওঁ তেতিয়াই এক আদেশ পত্র লিখি চহী কৰি দিলে (এই আদেশ-পত্রই লিন্ পিযাওৰ মৃত্যু পৰোৱানাৰ কাম কৰিছিল)।

এখন উৰাহাজাজত তেল ভৰোৱা হ'ল। লিন্‌ৰ 'প্রতিভাধ'ৰ পুত্রৰ দৃষ্টি তেতিয়া ঘড়িৰ পিনে। ততাভুকুতাকৈ তেল ভাৰাৱাৰ ফলত তেল কিমান ভৰে'ৱা হ'ল তাকো লক্ষ্য কৰা নহ'ল। ইতিমধ্যে তেল-ভৰোৱা মানুহ সকলৰ এজনৰ মনত কিবা এটা সন্দেহ হোৱাত তেওঁ তেলৰ গাড়ী এটা ৰাণ্ওৱেত পথালিকৈ থৈ দিলেহি। প্লে'নখন বাধ্যত পৰি ওখোৰা মোখোৰা মাটিৰ ওপৰেদি লৈ যাবলগীয়া হ'ল আৰু পোনদাহে টে'ক অফ্ কৰিবলৈ গৈ বহুখিনি তেল খৰচ হৈ গ'ল। কিন্তু তেতিয়া এইবোৰ কথালৈ মন-কাণ দিয়াৰ অৱস্থা নাই। প্লে'নখন উৰিল। কিন্তু মংগোলিয়াৰ উলনবাটোৰৰ আকাশ পায়হিমানে তেল প্রায় নিঃশেষিত হ'ল। ফলত যি হ'বলগীয়া সেয়ে হ'ল। ছোভিয়েত সূত্রিত পোৱা খবৰত প্রকাশ যে, জুইত পোৰা দেহবিলাকৰ কেইটামান গুলীবিদ্ধ অৱস্থাত পোৱা গৈছে। অর্থাৎ আকাশতে প্লে'নৰ ভিতৰত গুলীয়াগুলি চলিছিল।

প্ৰথমখন প্লে'ন এৰাৰ পাছতেই লিন্ পিয়াও-ৰ তিনিজন উচ্চ পদস্থ অফিছাৰ আৰু বহুতো দলিল-পত্ৰ লৈ এখন হেলিকপ্তাৰ এৰাৰ কথা আছিল। কিন্তু বিমান চালকেই বিধি-পথালি দিলে। তেওঁ লিন্ পিয়াও নিৰ্দেশিত বাটেৰে যাবলৈ ইচ্ছুক নহ'ল। হেলিকপ্তাৰখন পেইতাহো বিমানকোঁঠৰ চাৰিওফালেহে পাক-ঘূৰণি খাই থাকিল। বিমান চালকলৈ গুলীউৱা হ'ল। তেতিয়া তেওঁ লাহে লাহে বিমানখন চলাই থাকিল। ইতিমধ্যে বোমাৰু যুদ্ধ-বিমান আহিল আৰু হেলিকপ্তাৰখনক বিমান কোঁঠলৈ নামিবলৈ বাধ্য কৰালে। এই আঁচনি ব্যৰ্থ হ'লে দলিল-পত্ৰবোৰ নষ্ট কৰি অফিছাৰ তিনিওজনে আত্মঘাতী হোৱাৰ নিৰ্দেশ আছিল। মিলিস্যাৰ মানুহ আহি পোৱাৰ আগতেই দুজন অফিছাৰে সঁচায়ে আত্মহত্যা কৰিলে। তৃতীয়জনে মৃৰত আঘাত কৰিছিল কিন্তু তেওঁ নমৰিল। লিন্ পিযাও আৰু তেওঁৰ পত্নীৰ প্ৰচুৰ দিনলিপি সহ এই অফিছাৰজনক গ্ৰেপ্তাৰ কৰা হ'ল।'

এয়া হ'ল সাংবাদিক বাৰ্চেটৰ ৰিপ'ৰ্টৰ সাৰাংশ। কিন্তু তেতিয়ালৈকো জনগণতান্ত্ৰিক চীনৰ কোনো ঘাইমূৰীযা নেতা বা পাৰ্টি-নেতাৰ পৰা কোনো সঠিক সমৰ্থন পোৱা নগ'ল।

তাৰ পাছত, ১৯৭৩ চনৰ আগষ্টত চীনৰ কমিউনিষ্ট পাৰ্টিৰ দশম কংগ্ৰেছত চৌ এন্ লাই-এ যি মূল ৰাজনৈতিক ৰিপ'ৰ্ট দাখিল কৰিছিল তাত লিন্ পিয়াও প্ৰসংগ লৈ আলোচনা কৰা হ'ল। আলোচনা কৰা হ'ল যে—তেওঁ কেনেদৰে নৱম কংগ্ৰেছত চেন পো তাৰ লগ হৈ মাও-তত্ত্বৰ বিৰুদ্ধে আৰু এখন দলিল দাখিল কৰিছিল আৰু ব্যৰ্থ হৈছিল। তাৰ পাছত চৌ-এ ক'লে: 'চেযাৰম্যান মাও আৰু ছেন্ট্ৰাল কমিটিয়ে তেওঁক ৰক্ষা কৰিবলৈ চেষ্টা কৰা সত্ত্বেও আৰু তেওঁক কৰ্কথনা আৰু কঠোৰ সমালোচনা কৰা সত্ত্বেও নৱম কংগ্ৰেছ চলি থকা কাল ছোৱাত আৰু তাৰ পাছতো লিন্ পিয়াও-এ তেওঁৰ নাশকতামূলক কাৰ্য্য-কলাপ আৰু ষড়যন্ত্ৰ চলাই যাবলৈ

ধৰিলে। বৰঞ্চ তেওঁ আৰু কেইবাখোজো আগ বাঢ়ি গৈ এক প্ৰতি বিপ্লৱী ক্যু দে'তাৰ চক্ৰান্ত পাঙিলে। ১৯৭০ চনৰ আগষ্টত বহা নৱম ছেণ্ট্ৰাল কমিটিৰ দ্বিতীয় বৰ্দ্ধিত অধিবেশনত এই ষড়যন্ত্ৰ বিফল হ'ল। তাৰ পাছত ১৯৭১ চনৰ মাৰ্চ্চ মাহত তেওঁ আকৌ খছৰা প্ৰকল্প নং '৫৭১' নামে আন এটা সামৰিক প্ৰতিবিপ্লৱী অভ্যুত্থানৰ পৰিকল্পনা পাঙিছিল। আমাৰ নেতা চেয়াৰম্যান মাও-ক হত্যা কৰিবলৈ আৰু এক বিৰুদ্ধ কেন্দ্ৰীয় কমিটি স্থাপনৰ উদ্দেশ্যে ৮ ছেপ্তেম্বৰ তাৰিখে বলিয়াৰ দৰে এটা 'ক্যু' ঘটাবলৈ চেষ্টা কৰিলে। ১৩ ছেপ্তেম্বৰ তাৰিখে যেতিয়া তেওঁৰ ষড়যন্ত্ৰ সম্পূৰ্ণ ব্যৰ্থ হ'ল তেতিয়া লিন্ পিয়াও-এ কোনেও গম নোপোৱাকৈ পলাই যাবলৈ ত্ৰুথন বিমানত উঠিল গৈ পাৰ্টি আৰু স্বদেশক বিশ্বাসঘাতকতা কৰি ছোভিয়েতে শোধনবাদীহঁতৰ আশ্ৰয় বিচাৰি। কিন্তু আশ্ৰয় লোৱা আৰু হৈ নুঠিল। জনগণতান্ত্ৰিক মংগোলিয়াৰ উন্দুৰখানত বিমান দুৰ্ঘটনাত তেওঁ নিহত হ'ল।'

লিন্ পিয়াও-পৰিকল্পিত অভ্যুত্থানৰ এই চমু বিৱৰণ দি চৌ এন্ লাইয়ে তেওঁৰ প্ৰতিবেদনত চীনৰ ৰাজনীতিত লিন পিয়াওৰ অভ্যুত্থানৰ ৰাজনৈতিক বিশ্লেষণ দাঙি ধৰিছিল।

এই আলোচনা আমি পাছত কৰিম।

বহিৰ্বিশ্বত লিন পিয়াও-সংক্ৰান্ত ঘটনা প্ৰচণ্ড ভাবে আলোড়ন মূলক আৰু আকস্মিক। লিউ শ্বাও চি-ক কেন্দ্ৰ কৰি দুই লাইনৰ দ্বন্দ্ব সাংস্কৃতিক বিপ্লৱত বহুল প্ৰচাৰিত। কিন্তু লিউ শ্বাও চি-অনুগামীহঁতক পৰাজিত কৰিবলৈ গৈ মাও চে তুঙৰ লগে লগে লিন্ পিয়াও-ৰ ভাবমূৰ্তি ইমান জিলিকি উঠিল যে—মাথোন আমাৰ ওচৰতে নহয়—চীনৰ জনসাধাৰণৰ ওচৰতো গুৰিবে পৰাই যি দুই লাইনৰ দ্বন্দ্ব চলি আছিল সিও লিন্ পিয়াও-ৰ লগতে পটৰ আঁৰলৈ গ'ল। আমি সেইবোৰৰ কোনো খা-খবৰেই নাজানো। সেয়ে, ডাঙৰ ডাঙৰ চীন-বিশাৰদ সকলেও লিন্ পিয়াও

সম্পৰ্কিত এই ঘটানৰে বেহ-ৰূপ দেখি বাই-কই কৰিব নোৱাৰা হৈ পৰিল।

দশম কংগ্ৰেছত চৌ এন লাই-এ তেওঁৰ প্ৰতিবেদনত কৈছে :

'কুতিয়েন মিটিঙৰ (ডিছেম্বৰ ১৯২৯ চন) অব্যবহিত পাছতেই চেযাৰম্যান মাও-এ গভীৰ আন্তৰিকতা আৰু ধৈৰ্য্যৰে সৈতে, লিন্ পিযাও-দোষ-ত্ৰুটি গুচোৱাৰ অৰ্থে লিন্ পিয়াওলৈ 'এটি ফিৰিঙতিয়ে দাবানল জ্বলাব পাৰে' (A single spark can start a Paraire Fire) এই শিৰোনামেৰে এখন সুদীৰ্ঘ পত্ৰ লিখিছিল। কিন্তু লিন পিযাও-ৰ বুৰ্জোৱা ভাৱবাদী বিশ্বদৃষ্টিৰ যে কোনো ৰূপান্তৰ ঘটা নাছিল—সেই কথা পৰৱৰ্তী ঘটনাত প্ৰমাণিত হৈছিল।"

সেই পৰৱৰ্তী ঘটনাৱলী নো কি? আজিও চীনদেশত লিন্ পিযাও-সমালোচনাৰ যি ধুমুহা বলিছে, সেই ধুমুহাই ইমান দিনৰ অপ্ৰকাশিত এই ঘটনাৱলীৰ ৰুদ্ধ দুৱাৰ ভাঙি পোলাইছে।

এইবাৰ চীনত নিচেই কমদিনীযা ভ্ৰমণ আৰু তাৰ পত্ৰ পত্ৰিকা অধ্যয়নৰ যোগেদি যিমানখিনি জানিছোঁ এতিযা তাৰে ৰূপৰেখা দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ।

বন্দুক বনাম পাৰ্টি

চীনৰ লালফৌজৰ গঠনত দুই লাইনৰ দ্বন্দ্ব গুৰিৰেপৰাই চলি আহিছে। ১৯২৭ চনৰ ছেপ্টেম্বৰ মাহত কৃষক, শ্ৰমিক আৰু উত্তৰী-অভিযানৰ (Northern expedition) সেনাবাহিনীৰ একাংশক লৈ মাও চে তুঙে পূৰ্ব-হুনান আৰু পশ্চিম কিয়াংছিত অভ্যুত্থান সংগঠিত কৰিছিল—যাৰ নাম আছিল: 'শাৰদ শস্য চপোৱা অভ্যুত্থান' (Autumn Harvest uprising)। ইয়াৰ মাজেদিয়েই মাও-এ কৃষক আৰু শ্ৰমিকৰ বিপ্লৱী সেনা-বাহিনী

প্ৰতিষ্ঠা কৰিলে আৰু চিং কাং পৰ্বতত ঘাঁটি থাপিলে। চিংকাঙলৈ যোৱা বাটতেই মাও-এ কিয়াংছি প্ৰদেশৰ ছানৱান নামৰ ঠাইত সেনাবাহিনীৰ মাজত পাৰ্টি-সংগঠন আৰু সেনা-বাহিনীৰ মাজত প্ৰতি স্তৰত পাৰস্পৰিক যোগসূত্ৰ স্থাপনৰ কৰিবলৈ এক বৈপ্লৱিক সংস্কাৰ সাধন কৰিলে। এই বৈপ্লৱিক সংস্কাৰৰ যোগেদিয়েই সেনা-বাহিনীৰ ওপৰত পাৰ্টিৰ পৰিপূৰ্ণ নেতৃত্ব প্ৰতিষ্ঠিত হৈছিল।

১৯২৯ চনৰ ডিছেম্বৰ মাহত লালফৌজৰ চতুৰ্থ বাহিনীৰ নৱম সম্মিলনত মাও-এ যি প্ৰস্তাৱ উত্থাপন কৰিছিল—'পাৰ্টিৰ মাজত গুটিদিয়েক ভ্ৰান্ত ধাৰণা নিৰসনাৰ্থে'—সেই প্ৰস্তাৱৰ যোগে তেতিযাৰ অ-প্ৰলেতাৰীয় ধাৰণা সমূহক শুধৰোৱা হৈছিল। ফুকিয়েন প্ৰদেশৰ কুতিয়েন গাঁৱত এই অধিবেশন অনুষ্ঠিত হোৱা বাবে ই 'কুতিয়েন মিটিং' হিচাপে চীনৰ ইতিহাসত বিখ্যাত। কুতিয়েন প্ৰস্তাৱতেই পোন প্ৰথম বাৰৰ বাবে মাৰ্কছবাদী-লেনিনবাদী গণ-সেনাবাহিনী গঠন কৰাৰ পন্থা উদ্ভাৱন কৰা হয়। ছাওযান সংস্কাৰৰ সময়তেই সেনা-বাহিনীত প্ৰত্যেক কোম্পানিভিত্তিক পাৰ্টিশাখা গঢ়ি তোলোঁতে মাও-এ কৈছিল যে, সেনাবাহিনীত প্ৰলেতাৰীয় মতাদৰ্শৰ নেতৃত্বযেই হ'ল প্ৰথম কথা। এই কুতিয়েন অধিবেশনতে মাও-এ পৰিষ্কাৰ সম্পৰ্ক-নীতি দাঙি ধৰিলে: 'চীনৰ লালফৌজ হ'ল বিপ্লৱৰ ৰাজনৈতিক নিৰ্দিষ্ট কামসমূহ সাধন কৰাৰ এক সশস্ত্ৰ বাহিনী।' অৰ্থাৎ 'পাৰ্টিয়েই বন্দুকৰ অধিনায়কত্ব কৰিব'। ৰাজনৈতিক প্ৰশ্নক বাদ দি সামৰিক প্ৰশ্নক অগ্ৰাধিকাৰ প্ৰমাণ কৰিলে সেই বাহিনী জনতাৰ পৰা বিচ্ছিন্ন হৈ ক্ৰমে ক্ৰমে এক গণ-বিৰোধী বাহিনী হে হ'ব গৈ—এই কথা ধ্ৰুৱ।

কিন্তু লিন্ পিয়াও-এ প্ৰথমৰেপৰাই সামৰিক প্ৰশ্নক ৰাজনৈতিক প্ৰশ্নৰপৰা বেলেগ কৰিব খুজিছিল। তেওঁৰ বক্তব্য আছিল: বিপ্লৱৰ ঘাইকথা—মুখ্য চালিকাশক্তি হ'ল সেনাবাহিনী। অৰ্থাৎ বন্দুকেইহে পাৰ্টিৰ অধিনায়কত্ব কৰিব—এয়ে আছিল তেওঁৰ মত। মাও হ'ল পাৰ্টি-অধিনায়ক আৰু তেওঁ হ'ল সেনাবাহিনীৰ অধিনায়ক—গুৰিৰে-

পৰাই লিন্ পিয়াও এই দ্বৈত চিন্তাত আচ্ছন্ন আছিল। সেয়েহে তেওঁ নিজক 'আলোকসামান্য সামৰিক প্ৰতিভা' আৰু 'চিৰ-বিজয়ী জেনেৰেল' বুলি ভাবি লালফৌজৰ প্ৰতিষ্ঠাতা আৰু মাও-ৰ সমকক্ষ বুলি সদায় ভাবিছিল। তেওঁ কেন্দ্ৰীয় কমিটিৰ নিৰ্দেশাবলীৰ ওপৰত কেতিয়াও আনকি চকু ফুৰাই চোৱাবো আৱশ্যক বোধ নকৰিছিল। ততাভুকুতাকৈ পলাই পত্ৰং দিওঁতে তালে-ঘাতে সকলো সামৰি-সুতৰি ল'ব নোৱাৰিলে তেওঁ, বহুতো গোপন নোটবুক তেওঁ পেলাই থৈ যাবলৈ ব্যাধ্য হ'ল। এইবোৰৰ মাজতেই তেওঁৰ জীৱন-সৌৰৱণমূলক বহুতো অপ্ৰকাশিত তথ্য বাইজক উপহাৰ দি থৈ গ'ল তেওঁ।

১৯৭৫ চনৰ জানুৱাৰি মাহত (৩১. ১. ৭৫) 'পিকিং ৰিভিউ'ত লিন পিযাও সম্বন্ধে লিখিবলৈ গৈ লিযাং ছিয়াও আৰু চেংলীয়ে কৈছে :

"In his secret note books, he had summed up in 1949 his anti party experience in which he advocated not reading the directives of the Party Central Committee and neither submitting reports to it not asking for its instructions and made his fuss about daring to 'disobey Orders'."

পাৰ্টি আৰু পাৰ্টি-ৰাজনীতিৰ অগ্ৰাধিকাৰ নমনাৰ ফলত চীন-বিপ্লৱৰ প্ৰতিটো সংকটপূৰ্ণ মুহূৰ্তত লিন্ পিযাও-এ নিৰাশাবাদী দোদুল্যমানতা প্ৰদৰ্শন কৰিছিল। মাও চে তুঙৰ ৰচনাৱলীৰ প্ৰথম খণ্ডত 'এটি ফিৰিঙতিয়ে দাবানলৰ সৃষ্টি কৰিব পাৰে' (A single spark can start a Prairie Fire) শীৰ্ষক প্ৰবন্ধৰ আৰম্ভণীতে বন্ধনীৰ মাজত লেখা আছে : এই পত্ৰ পাৰ্টিৰ মাজত নিৰাশাবাদী চিন্তাৰ সমালোচনাৰ্থে এগৰাকী কমৰেডলৈ ১৯৩০ চনৰ জানুৱাৰি মাহত লেখা হৈছিল।

লিন্ পিয়াও ঘটনাৱলীৰ পাছত আমি জানিলোঁ যে সেই কমৰেডজন হ'ল লিন পিয়াও।

১৯২৭ চনত চেনতুছিউৰ শোধনবাদৰ পৰিণতিত চিয়াং কাই শেকৰ বিশ্বাসঘাতক আক্রমণৰ ফলত কমিউনিষ্টসকল বিপর্য্যস্ত হোৱাৰ পাছত লিন্ ইমান হতাশ হ'ল যে, তেওঁ গাঁৱত বিপ্লৱী ঘাঁটি গঢ়াৰ বিৰুদ্ধে থিয় দিলে আৰু ৰাজনৈতিক ফালৰপৰাও কৃষকসকলৰ ৰাজনৈতিক চেতনাৰ ওপৰত আস্থাহীন হৈ পৰিল। মাও-লিখিত সেই চিঠিত এই ঘটনাৰ বিশ্লেষণমূলক সমালোচনা কৰা হৈছে। কৃষি-বিপ্লৱৰ প্রাথমিক পর্য্যায়ত (১৯২৭—৩৭) তেওঁ চীন-বিপ্লৱৰ ভৱিষ্যৎ সম্বন্ধে নিৰাশাবাদী আছিল। আকৌ ওৱাং মিঙৰ হঠকাৰী নীতিৰ ফলত লালফৌজৰ অৱস্থা যেতিয়া আতাওৰীযা—তেতিয়া সেই ভ্রান্ত নীতিক দূৰতে বিদূৰ কৰি, লং মাৰ্চ চলি থকা কালত কৱেইচাও প্রদেশৰ চুন্নি নামৰ ঠাইত ১৯৩৫ চনৰ জানুৱাৰিত যি ঐতিহাসিক কেন্দ্রীয় কমিটিৰ মিটিঙতে মাও চে তুঙৰ নেতৃত্ব প্রতিষ্ঠিত হৈছিল—সেই মিটিঙতে লিন্ পিয়াও-এ মাও-ৰ বিৰুদ্ধপক্ষীয় নেতৃত্ব দিছিল। তেওঁ মাও-ৰ ৰণনীতিৰ বিৰুদ্ধতা কৰি বেলেগ ৰণনীতি দাঙি ধৰিছিল।

১৯৪৮ চনৰ শেষকাল ছোৱাত আৰু ১৯৪৯ চনৰ প্রাৰম্ভণিতে যেতিয়া পিকিং-তিযেনছিং অভিযান আৰু লিযাওছি-শ্বেনিয়াং অভিযান চলিছিল তেতিয়া তেওঁ পার্টি-নেতৃত্বৰ সিদ্ধান্তৰ বিৰুদ্ধে থিয় হৈছিল।

মুক্তিৰ অব্যবহিত পাছত, ১৯৫০ চনৰ প্রথমৰ ফালে, মাঞ্চুৰিয়াৰ পার্টি-পলিটিকেল, উত্তৰ-পূর্ব পার্টি-কমিটিৰ ছেক্রেটাৰী আৰু পলিটব্যুৰ'-সদস্য কাও কাং-এ মাঞ্চুৰিযাত এক স্বকীযা পার্টি আৰু ৰাজ্য প্রতিষ্ঠাৰ চক্রান্ত পাতিছিল আৰু সেই ভাগ্যান্বেষীৰ সৈতে লিন্ পিয়াও-এ ঘনিষ্ঠ সম্পর্ক বজায ৰাখিছিল।

এই কথা আগতেই উন্মুকিয়াই অহা হৈছে যে, লালফৌজ গঠনৰ ক্ষেত্রত লিন্ পিয়াও-এ সামৰিক কর্মকাণ্ডক ৰাজনৈতিক কর্ম-কাণ্ডৰ

ওপৰত স্থান দিছিল। এই ভ্ৰান্ত নীতিৰ সমালোচনা কৰিয়েই কুত্তিয়েন মিটিঙত কোৱা হৈছিল যে—এই নীতি অনুসৰণ কৰা হ'লে সেনাবাহিনী জনসাধাৰণৰ পৰা বিচ্ছিন্ন হৈ পৰিব আৰু শাসন-ক্ষমতা সেনাবাহিনীৰ নিয়ন্ত্ৰণাধীন হ'ব আৰু তেতিয়া প্ৰলেতাৰীয়-নেতৃত্বৰ ঠাইত কুওমিণ্টাং বাহিনীৰ দৰে সমৰনায়ক প্ৰভুত্বৰহে আবিৰ্ভাৱ ঘটিব।

তেতিয়া সমগ্ৰ দেশ জুৰি লিন্ পিয়াও-ৰ যি সমালোচনা চলিছিল সেই প্ৰসংগত তেওঁলোকে খ্ৰুশ্চফ-ব্ৰেজনেফ-ৰ আগমনৰ পাছত লেনিন-স্তালিনৰ লালফৌজৰ এইদৰে কেনেকৈ অধঃপতন ঘটিছিল সেইবোৰ কথা উল্লেখ কৰিছিল। এসময়ত যিটো হাতিয়াৰ আছিল প্ৰলেতাৰীয় একনায়কত্ব ৰক্ষাৰ প্ৰধান হাতিয়াৰ, এতিয়া সেই হাতিয়াৰ ফাছিষ্ট একনায়কত্ব ৰক্ষাৰ আৰু বিদেশত আগ্ৰাসন আৰু সম্প্ৰসাৰণৰ হাতিয়াৰ হৈছেগৈ।

মাৰ্কছবাদ-লেনিনবাদৰ তত্ত্ব অনুসাৰে সেনাবাহিনীয়েই ৰাষ্ট্ৰৰ মাই খুঁটা (Army is the chief component of state power)। সেনাবাহিনীক ৰাজনীতি আৰু মতাদৰ্শগত চিন্তাধাৰাৰে শিক্ষিত কৰি তোলা আৰু প্ৰলেতাৰীয় ঠাচত গঢ়ি তোলা—এই মাওবাদী লাইনৰ বিৰুদ্ধতা লিন্ পিয়াও-এ সদায় কৰিছিল। তেওঁ সদায় দৃঢ়তাৰে কৈছিল যে, সামৰিক হাইকমাণ্ডৰ আদেশ পালনেই হ'ল সেনাবাহিনীৰ প্ৰথম আৰু প্ৰধান কাম। লিন্ পিয়াও সেনাবাহিনীৰ এক স্বাধীন আৰু সুকীয়া সত্তাত অৰ্থাৎ আৰ্মি অট'নমিত বিশ্বাসী আছিল। তেওঁ কৈছিল: সামৰিক কাম ভালকৈ কৰাৰ অৰ্থ হ'ল ভালকৈ ৰাজনীতি কৰা (Doing military work well means politics is the full sense)। কিন্তু মাও-এ কুত্তিয়েন সন্মিলনতে এই ভ্ৰান্ত-ধাৰণাৰ বিৰুদ্ধে ৰহলাই আলোচনা কৰিছিল। লাল ফৌজ গঠনৰ প্ৰৱিবেপৰাই মাও-এ কৈছিল: 'লালফৌজে শ্ৰমিক শ্ৰেণীৰ একনায়কত্বৰ প্ৰধান স্তম্ভ হিচাপে আৰু প্ৰলেতাৰীয় ৰাজনীতিৰ ওপৰত দৃঢ়তাৰে থৈতে আৰু শ্ৰমজীৱি জনগণৰ এক অবিচ্ছেদ্য অংশ

হিচাপে থিয় দিব লাগিব।’ জনগণে লালফৌজৰ সৈতে ঘনিষ্ঠতম স্থাপনৰ অৰ্থে সৈন্যবাহিনীত তেওঁ যি বিশেষ নীতিবোধ সৃষ্টি কৰিছে —তাৰেই এটা হ’ল ঃ

THREE MAIN RULES OF DISCIPLINE

1. Obey orders in all your actions.
2. Do not take a single needle or piece of thread from the masses.
3. Turn in everything you have captured.

শংখলা ৰক্ষাৰ তিনিটা মুখ্য নিয়ম

১. তোমাৰ সকলো কামৰ ক্ষেত্ৰত আদেশ পালন কৰিবা।

২ জনসাধাৰণৰপৰা এটা বেজি বা এডাল সূতাও নিনিবা।

৩. অধিকৃত আটাইবোৰ বস্তু জমা দিবা।

EIGHT POINTS FOR ATTENTION

1. Speak Politely to the people.
2. Pay fairly for what you buy.
3. Return everything you damage.
4. Return everything you borrow.
5. Replace all doors and return all straw on which you sleep.
6. Dig latrines away from houses and fill then with earth when you leave.
7. Do not take liberties with women.
8. Do not illtreat captives.

মনোযোগ দিবলগীয়া আঠোটা বিষয়

১. জনসাধাৰণৰ সৈতে নম্ৰভাবে কথা পাতিবা।
২. যি বস্তু কিনিবা তাৰ বাবে ন্যায্য দাম দিবা।
৩. ধাৰত লোৱা বস্তু ওভোতাই দিবা।
৪ কোনো বস্তু-সামগ্ৰী নষ্ট কৰিলে ক্ষতিপূৰণ কৰিবা।
৫ আটাইবোৰ দুৱাৰ পুনৰ স্থাপন কৰাঁ আৰু শোৱাপাটীৰ বাবে ব্যৱহাৰ কৰা খেৰ বা বিচালি ঘূৰাই দিয়া।
৬ ধৰৰ পৰা আঁতৰত পায়খানা খান্দিবা আৰু সেই ঘৰ এৰি গুচি যোৱাৰ আগতে পায়খানা মাটিৰে ভৰ্তি কৰি দি থৈ যাবা।
৭ নাৰী সকলৰ সৈতে কোনো অশোভন আচৰণ নকৰিবা।
৮ বন্দীয়াৰ সকলৰ সৈতে দুৰ্ব্যৱহাৰ নকৰিবা।

ওপৰোক্ত শৃংখলাৰ তিনিটা নিয়ম আৰু মনোযোগৰ আঠটা বিষয় লৈ মাৰ্চিঙৰ ছন্দত যিটো গীত ৰচা হৈছে সেই গীতটোৱেই মুক্তি-ফৌজৰ গীত হিচাপে সমগ্ৰ চীনদেশত জনপ্ৰিয়। কোনো বোলছবি বা অপেৰাৰ কোনো বিশেষ পৰিস্থিতিত মুক্তিফৌজৰ আগমন ঘটিলে এই গীতৰ সুৰটো আগৰে পৰা বাজিবলৈ ধৰে।

মুক্তিফৌজৰ প্ৰতি জনগণৰ মৰম অসংখ্য গীত-মাতৰ যোগেদি স্বতঃস্ফূৰ্তভাবে ফুটি ওলাইছে। চীনদেশৰ মুক্তিফৌজ আজিৰ পৃথিৱী খনত সবাতোকৈ বেছি জনগণৰ মৰম বোটলা ফৌজ। পৃথিৱীৰ আটাইতকৈ প্ৰলেতাৰীয় ৰাজনীতিসমৃদ্ধ ফৌজ হ'ল মুক্তিফৌজ। আৰু লিন্ পিয়াও প্ৰমুখ্য সমৰনায়কহঁতৰ যুদ্ধনীতিক পৰস্ত কৰি মাও-নীতি গৃহীত হোৱা বাবেইহে সি সম্ভৱ হৈ উঠিছে।

চীনৰ মুক্তিফৌজ আটাইতকৈ ৰাজনীতি-সচেতন সেনা-বাহিনী হিচাপে পৰিগণিত। এই সেনা-বাহিনী কেৱল 'ৰণ-বাহিনী'য়েই নহয়, আজিৰ জনগণৰ মাজত শ্ৰমিক-শ্ৰেণীৰ মতাদৰ্শ প্ৰচাৰবো

বাহিনী। এই বাহিনী এক আদর্শ শ্ৰম-বাহিনী আৰু উৎপাদক-বাহিনীত পৰিণত হৈছেগৈ

অস্ত্ৰ বনাম জনশক্তি

'যুদ্ধত অস্ত্ৰয়েই অন্তিম নিৰ্ধাৰক'—লিন্ পিযাও-ৰ ভ্ৰান্ত চিন্তা ধাৰাৰ পৰাই এই তত্ত্ব জন্মলাভ কৰিছে। তেওঁ সমৰাস্ত্ৰৰ আধুনিকী কৰণলৈহে সদায় গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ মাও-ৰ প্ৰলেতাৰীয় ৰাজনীতিৰ নায়কত্বত (Proletarian Politics in Command) কোনোদিনেই আস্থা স্থাপন কৰা নাছিল।

মাও-এ যেতিয়া আনা লুই ষ্ট্ৰঙৰ সৈতে সাক্ষাৎকাৰত 'যুদ্ধৰ ফলাফল জনগণেহে নিৰ্ধাৰণ কৰে—দুই-এটা নতুন ধৰণৰ অস্ত্ৰই নকৰে'—বুলি মন্তব্য কৰিছিল তেতিয়া লিন্ পিয়াও-এ তেওঁৰ গোপন টোকাত মাও-ৰ এই উক্তিলৈ আক্ৰমণ চলাইছিল। লিন্ পিয়াও-ৰ মতে 'Push button' বা 'বুটাম টিপা' আধুনিক যুদ্ধৰ যুগত 'পুৰণি' মাৰ্কছবাদী-লেনিনবাদী সামৰিক তত্ত্ব অকামিলা হৈ পৰিছে। সেযেহে, মাও-ৰ 'কাগজৰ বাঘ' তত্ত্বলৈ ইতিকিং কৰিছে, ঠিক যেনেকৈ খ্ৰুশ্চফে মাও-ৰ 'কাগজৰ-বাক' তত্ত্বক ব্যংগ কৰি কৈছিল: 'কাগজৰ বাঘৰ কিন্তু আণবিক দাঁত আছে'।

১৯৬০ চনৰ ২৪ জুনত বুখাৰেষ্টত খ্ৰুশ্চফে বক্তৃতা দিওঁতে কৈছিল যে আধুনিক অস্ত্ৰ-শস্ত্ৰৰ আগত সেনাবাহিনী হ'ল মঙহৰ দদাৰ লিচিনা ('The militia is not an army but just human flesh.)। জনসাধাৰণ মাজত আণৱিক আতংক বিয়পাই খ্ৰুশ্চফে জাতীয়-মুক্তি-আন্দোলন সমূহক দুৰ্বল কৰি-তুলিব খুজিছিল। তেওঁৰ বক্তব্য মানি ল'লে বিপ্লৱৰ স্বাৰ্থত সাম্ৰাজ্যবাদীহঁতৰ লগত আৰু যুদ্ধ কৰিব নোৱাৰি, তেতিয়াহলে পৃথিৱীৰ ধ্বংস অনিবাৰ্য্য, গতিকে

সাম্রাজ্যবাদৰ সৈতে মিলা-প্ৰীতিৰে সহাৱস্থান বাদে গতি নাই। 'আনবিক বোমা হ'ল এটা কাগজৰ বাঘ'—মাও-ৰ এই বক্তব্যৰ বিৰোধিতা কৰি লিন্ পিয়াও-এ খ্রুশ্চফৰ তত্ত্বকহে টনকিয়াল কৰিছিল আৰু খ্রুশ্চফীয় তত্ত্বক চীনৰ সেনাবাহিনী আৰু জনগণৰ মাজত প্ৰচাৰৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। লিন্ পিয়াও চীনৰ প্ৰতিৰক্ষা-মন্ত্ৰী হোৱাৰ পাছৰেপৰাই চীনৰ সামৰিক বাহিনীক ছোভিয়েত বাহিনীৰ অতি আধুনিক অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি—সেন-বাহিনীৰ ভাৱাদৰ্শক প্ৰলেতাৰীয় ৰাজনীতি-মণ্ডিত কৰালৈ অৱহেলা প্ৰদৰ্শন কৰিছিল আৰু সেনা বাহিনীক পাৰ্টিৰ ওপৰত স্থান দিবলৈ চেষ্টা চলাইছিল। অৱশ্যে সদায় তেওঁৰ মুখত আছিল মাও-নাম আৰু হাততো আছিল ৰেড বুক।

লিন্ পিয়াও আৰু কনফুছিয়াছ

লিন্ পিয়াও'ৰ পতনৰ পাছত এইবেলি চীনলৈ গৈছিলোঁ। আগৰ অভিজ্ঞতাৰ গইনা লৈ এইবেলিও তাত গৈ এই লিন্ পিয়াও-ঘটনা লৈ সমগ্ৰ চীনদেশ উখল-মাখল আৰু দেৱালে দেৱালে ডাঙৰ ডাঙৰ আখৰৰ ৰং-বিৰঙী প'ষ্টাৰেৰে ঢাক খোৱা দেখিম বুলিয়েই মই ভাবিছিলোঁ।

কিন্তু কথা-কাণ্ড চাই একেবাৰে বেওকুফটো হ'বলগীয়াত পৰিলোঁ। য'তেই লিন্ পিয়াও-ৰ কাৰ্টুন, তাৰ কাষতেই কনফুছিয়াছৰো কাৰ্টুন। একে উশাহতে এই দুয়োটা নাম উচ্চাৰিত হৈছে। এজন হ'ল আজিৰ যুগৰ সামৰিক নেতা, আন এগৰাকী হ'ল আঢৈ হাজাৰ বছৰ আগৰ নীতি-প্ৰচাৰক। এই দুগৰাকীৰ মাজত নো সম্বন্ধটো কিহৰ? আৰু, এই ৰাজনৈতিক বিতৰ্কত কনফুছিয়াছৰ প্ৰাসংগিকতাযেই বা কোনখিনিত?

এআষাৰত এই আন্দোলনৰ নাম হ'ল 'ফি লি-, ফি কুং'। অৰ্থাৎ 'লিন্ পিয়াও'ক সমালোচনা কৰা, কনফুছিয়াছক সমালোচনা কৰা'। চীনদেশত কনফুছিয়াছক 'কুং ফুজ' বুলি কোৱা হয়। কিন্তু—কুংৰ প্ৰেতাত্মাই নো বাৰু লিন-ত লম্ভিলে কেনেকৈ?

কিন্তু চীনত কোনো তাত্ত্বিক দ্বন্দ্বযেই বাক্-যুদ্ধত সীমাবদ্ধ নাথাকে—তাৰ লগে লগে কল-কাৰখানাৰ বা কমিউনৰ উৎপাদনৰ যুদ্ধও আৰম্ভ হৈ যায়। যেইকোনো কাৰখানা বা কমিউনলৈ গৈছোঁ—তাতেই উৎপাদনৰ গ্ৰাফ আঁকি, লিন্ পিয়াও আৰু কনফুছিয়াছৰ সমালোচনাত উদ্বুদ্ধ হৈ শ্ৰমিক বা কৃষকসকলে কেনেকৈ নতুন ৰেকৰ্ড সৃষ্টি কৰিছে সেইবোৰ কথা দেখুউৱা হৈছিল। ইয়াত বিমূৰ্ত তত্ত্ব

অংকৰ তথ্যত ৰূপায়িত হয়। শিক্ষালয়সমূহত—আনকি কিশোৰ সকলৰ বিদ্যালয়তো লিন পিয়াও আৰু কনফুছিয়াছৰ সমালোচনাৰে কি নতুন মানসিকতাৰ সৃষ্টি হৈছে, অংকৰ যোগেদিয়েই তাৰ ছিচাপ শিক্ষা-শিক্ষিকাসকলৰপৰা পাব। এই আটাইবোৰ কথা-কাণ্ডয়েই এগাৰকী বিদেশীৰ ওচৰত সাঁথৰ যেন হে লাগিব।

বাৰু, এই সাঁথৰ ভাঙিব পাৰি নে নোৱাৰি চোৱা যাওক।

লিন্ পিয়াও'ৰ অভ্যুদয় আৰু পতন লৈ যেতিয়া আলোচনাৰ আসৰিশ ধুমুহা বলিছে—তেতিয়া কেণ্টনৰ ছান ইয়াৎ সেন বিশ্ব-বিদ্যালয়ৰ ইয়াং কং কুও নামৰ এগাৰকী অধ্যাপকে কনফুছিয়াছৰ ওপৰত লেখা এটি থেছিছ বা গৱেষণা-প্ৰবন্ধ প্ৰকাশিত হ'ল। সেই গৱেষণায়েই লিন পিয়াও ঘটিত তৰ্কযুদ্ধত এক বুৰঞ্জীমূলক অস্ত্ৰৰ যোগান ধৰিলে। পিকিং বিশ্ববিদ্যালয়ৰ এগাৰকী অখ্যাত অধ্যাপিকা নিয়ে ইউৱান জু'ৰ প'ষ্টাৰে যেনেকৈ সাংস্কৃতিক বিপ্লৱৰ সূত্ৰপাত ঘটাইছিল, ঠিক তেনেকৈয়েই এই অখ্যাত অধ্যাপক ইয়াং কং কুও'ই আন এডাল শব্দভেদী কাঁড এৰিলে।

ততাভুকুতাকৈ গুচি যাওঁতে এৰি থৈ যোৱা লিন্ পিয়াও'ৰ বিভিন্ন কাকতৰ মুৰা আৰু নোটবহীত আৰু দলিল-পত্ৰাদিত গোপন 'ক্যুদেতা'ৰ খছৰা-আঁচনি নং ৫৭১ (চীনা ভাষাত ৫৭১ হ'ল উ-ছি-ঈ) পোৱা গৈছে। কিন্তু এই ৫৭১ বা উ-ছি-ঈ'ৰ উচ্চাৰণৰ ধ্বনি বৈষম্যত এই শব্দ কেইটাৰ আন এক অৰ্থও কৰিব পাৰি—'অভ্যুত্থান'। এইবোৰৰ লগত বহুতো কনফুছীয় নীতিবাক্যও পোৱা হৈছে। তেওঁৰ ঘৰত তেওঁ কনফুছীয় নীতিবাক্যবোৰ আঁৰি থৈছিল। এই নীতি-বাক্যসমূহৰ মাজত উল্লেখযোগ্য আছিল:

'নিজক সংযত কৰা আৰু ধৰ্মীয় আচাৰ-আচৰণলৈ মনোযোগ দিয়া' (Restrain oneself and return to rits), 'মধ্যমীয়া নীতিয়েই যুক্তিসিদ্ধ' (Doctrine of the mean is resonable);

'বদান্যতা, ধাৰ্মিকতা, ন্যায়-পৰায়ণতা, বিশ্বস্ততা আৰু সহিষ্ণুতা—এইবোৰেই মানৱ-চৰিত্ৰৰ মুখ্য কথা' ইত্যাদি। তদুপৰি, কনফুছিয়াছৰ 'জন্মগত প্ৰতিভা' (Innate genius) আদি তত্ত্বত লিন্ পিয়াও'ৰ অটুট বিশ্বাস আছিল।

কনফুছিয়াছৰ এই তত্ত্ব বা নীতিকথাসমূহ শ্ৰেণী-নিৰ্বিশেষ নাছিল। অধ্যাপক ইয়াং কং কুও'ই কনফুছিয়াছৰ যুগৰ কথা কঁহিয়াই বিশ্লেষণ কৰি দেখুৱাইছে যে—দাসপ্ৰভু সমাজ ভাঙি আগ বঢ়া সামন্তীয় সমাজ গঢ়ি উঠাৰ দ্বন্দ্বত কনফুছিয়াছৰ নীতিবাক্যসমূহ দাসপ্ৰভুহঁতৰ সমাজক নিগাজীকৈ ৰাখিবলৈ কেনেকৈ ব্যৱহৃত হৈছিল।

আমাৰ চীন-ভ্ৰমণৰ কালছোৱাত চীনৰ কমিউনিষ্ট পাৰ্টিৰ তাত্ত্বিক পৰেকীয়া 'হোংছি'ত (ৰঙা নিচান) এক দীৰ্ঘ প্ৰবন্ধত কনফুছিয়াছৰ তত্ত্ব-কথাৰ আবৰণত লিন্ পিযাও'ৰ প্ৰতি-বিপ্লৱী মতবাদ আৰু কৰ্ম প্ৰচেষ্টাৰ উদ্ঘাটন কৰা হৈছিল। তাত কোৱা হৈছে : নিজক সংযত কৰা আৰু ধৰ্মীয় আচাৰ-আচৰণলৈ উভতি খোজ লোৱা' এই কনফুছীয় ধ্বনিৰ আবৰণত লিন্ পিয়াও-এ ধনতান্ত্ৰিক পুনৰাবিৰ্ভাৱৰ প্ৰচেষ্টা চলাইছিল। নৰম পাৰ্টি-কংগ্ৰেছত চেন্ পো-তা-ৰ লগত হাত মিলাই তেওঁ বেলেগে যি প্ৰতিবেদন দাখিল কৰিছিল—সেই প্ৰতিবেদনত আগবঢ়া সমাজ-তান্ত্ৰিক সমাজ আৰু পিছপৰা উৎপাদন-ব্যৱস্থাক প্ৰধান দ্বন্দ্ব বুলি কৈ—সমাজতন্ত্ৰী সমাজত বুৰ্জোৱা আৰু প্ৰলেতাৰিয়েতৰ মাজৰ দ্বন্দ্বয়েই যে মুখ্য দ্বন্দ্ব সেই তত্ত্ব বাতিল কৰি ধনতান্ত্ৰিক সমাজ পুনঃপ্ৰতিষ্ঠাৰ পথ সুগম কৰিবলৈ বিচাৰিছিল আৰু তাৰ সমৰ্থনতেই কনফুছিযাছৰ 'মধ্যপন্থাৰ তত্ত্ব' (Doctrine of the mean) নামৰ নীতিবচন প্ৰচাৰ কৰিছিল। পাছত লিন্ পিয়াও'ৰ তাত্ত্বিক গুৰু হিচাপে কথিত চেন্ পো তাই চীনত প্ৰাচীন কনফুছিয়াছ প্ৰচাৰিত ৰাজানুগত্য, পিতৃভক্তি, স্বামীভক্তি, দয়া, দাক্ষিণ্য, শান্তি, অহিংসা আদি নীতিবাক্য সমাজ-তান্ত্ৰিক সমাজতো সমভাবে প্ৰযোজ্য বুলি অভিমত ব্যক্ত কৰিছে। কিন্তু এই কনফুছিয়াছৰ এই বচনসমূহ যুগে যুগে যে শোষণকাৰীয়ে

শোষিতৰ বিৰুদ্ধে ব্যৱহাৰ কৰি আহিছে সেই কথা চেন্ পো তা বা লিন্ পিয়াও-এ ক'তো উল্লেখ কৰা নাই। 'হোংছি'ৰ প্ৰবন্ধত কোৱা হ'ল যে, সকলো নীতিবাক্য—পাৰ্টিৰ ভিতৰত যে প্ৰতি-বিপ্লৱী বুৰ্জোৱা সদৰ দপ্তৰ গঢ়ি উঠিছিল—তাৰেই গুপ্তচক্ৰক সংঘবদ্ধ আৰু শক্তিশালী কৰিবলৈ ব্যৱহৃত হৈছিল। 'আনুগত্য' মানে হ'ল লিন্ পিয়াও'ৰ দুষ্কাৰ্য্যত হাত উজান দিয়া লগা-ভগাইঁতৰ যিকোনো দুষ্কৰ্ম, আনকি চেয়াৰম্যান মাও-ক হত্যাৰ কামতো লিন্ পিয়াও-ৰ নিৰ্দেশৰ প্ৰতি অন্ধ আনুগত্য প্ৰদৰ্শন। প্ৰতিবিপ্লৱী গোপন-চক্ৰই কাম কৰিবলৈ হ'লে সিইঁতকো কঠোৰ শৃংখলাৰ আৱশ্যক। লিন্ পিয়াও'ৰ সেই বাণীসমূহ প্ৰতি-বিপ্লৱী চক্ৰক শৃংখলাবদ্ধ কৰিবলৈহে প্ৰয়োজন হৈছিল। এই চক্ৰৰ আগত লিন্ পিয়াও-এ নিজক 'আকাশত উড্ডীয়মান একক আৰু স্বৰ্গীয় অশ্ব' হিচাপে দাঙি ধৰিছিল।

১৯৭৫ চনত হোংছি নং ৩ সংখ্যাত চীনৰ কমিউনিষ্ট পাৰ্টিৰ পলিটব্যু'ৰ নেতা ইয়াও ওৱেন ইউৱান-এ 'লিন্ পিয়াও-পাৰ্টি বিৰোধী চক্ৰৰ সামাজিক ভিত্তি প্ৰসংগ'ত এক অতি গুৰুত্বপূৰ্ণ প্ৰবন্ধ লিখিছিল। সেই প্ৰবন্ধত চীনৰ বৰ্ত্তমান সমাজতো লিন্ পিয়াওইঁতৰ অভ্যুদয়ৰ সম্ভাৱনাসমূহক তীক্ষ্ণ মাৰ্কছীয় যুক্তিৰে বিশ্লেষণ কৰিছে। তেওঁ লিখিছে : 'লিন পিয়াও পাৰ্টি বিৰোধী চক্ৰই মাথোন ক্ষমতাচ্যুত জমিদাৰ আৰু পুঁজিপতি-শ্ৰেণীৰ পুনঃপ্ৰতিষ্ঠাৰ আকাংক্ষ্যাৰ প্ৰতিনিধিত্বয়েই কৰা নাছিল, অধিকন্তু সমাজতান্ত্ৰিক সমাজত নৱ-উদ্ভূত বুৰ্জোৱা উপাদান সমূহৰ ক্ষমতা দখলৰ আকাংক্ষ্যাৰ প্ৰতিনিধিত্বও কৰিছিল। এই চক্ৰৰ সদস্যসকলো নৱোদ্ভূত বুৰ্জোৱা উপাদান সমূহৰ ভালেখিনি বৈশিষ্ট্য আছিল আৰু প্ৰকৃতপক্ষে সিইঁতৰ মাজত বহুতৰেই এনেকুৱা নৱোদ্ভূত বুৰ্জোৱা উপাদান আছিল……।'

> চেয়াৰম্যান মাও-এ আঙুলিয়ালে : লেনিনে কৈছিল, 'ক্ষুদ্ৰ উৎপাদনে প্ৰতিদিন, প্ৰতি ঘন্টাত স্বতঃস্ফূৰ্ত আৰু ব্যাপকভাৱে পুঁজিবাদ আৰু বুৰ্জোৱা শ্ৰেণীৰ জন্ম দিয়ে।

শ্ৰমিক আৰু পাৰ্টি সদস্যসকলৰ একাংশৰ মাজতো এই অৱস্থা ঘটে। সৰ্বহাৰা সকলৰ মাজত আৰু ৰাষ্ট্ৰীয় সস্থাসমূহৰ কৰ্মচাৰী সকলৰ মাজত বুৰ্জোৱা কায়দাত জীৱন যাপন কৰা কিছু সংখ্যক মানুহ আছে।……লেনিনে দেখুৱাইছে সাম্ৰাজ্যবাদী সমাজৰ প্ৰথম পৰ্য্যায়ত (সাধাৰণতে সমাজতন্ত্ৰ নামে অভিহিত) 'বুৰ্জোৱা অধিকাৰ সম্পূৰ্ণভাৱে বিলুপ্ত নহয়, আংশিক ভাবেহে হয়, তেতিয়ালৈকে অৰ্জিত অৰ্থনৈতিক বিপ্লৱৰ অনুপাতত, অৰ্থাৎ উপাদানৰ উপকৰণৰ ক্ষেত্ৰত।…… কিন্তু অন্যান্য ক্ষেত্ৰত তাৰ অস্তিত্ব বিদ্যমান থাকে, উৎপন্ন দ্ৰব্যৰ বণ্টনৰ ক্ষেত্ৰত আৰু সমাজৰ সদস্য-সকলৰ মাজত শ্ৰম-বিভাগৰ ক্ষেত্ৰত সি নিয়ন্ত্ৰকৰ ভূমিকাত (নিধাৰক বিষয় হিচাপে) থাকে। যিজনে কাম নকৰিব, তেওঁ খাবলৈও নাপাব—এই সমাজতান্ত্ৰিক নীতিটোও অৰ্জিত হয়। তথাপি তেতিয়ালৈকো 'বুৰ্জোৱা অধিকাৰ' বিলুপ্ত হোৱা নাই—যাৰ ফলত অসমান পৰিমাণ (প্ৰকৃততেই অসমান) শ্ৰমৰ বিনিময়ত অসমান লোকসকলক সমান পৰিমাণ উৎপন্ন দ্ৰব্য প্ৰদত্ত হয়'।

চেয়াৰম্যান মাও-এ আৰু ক'লে : · বৰ্তমানে আমাৰ দেশত পণ্য উৎাদন ব্যৱস্থা প্ৰচলিত আছে। কেৱল সৰ্বহাৰা একনায়কত্বৰ অধীনতহে এইবোৰক সীমিত কৰিব পাৰি।'…

সমাজতান্ত্ৰিক সমাজত এতিয়ালৈকো দুই বিধৰ মালিকানাৰ অস্তিত্ব বিদ্যমান, যেনে—সমগ্ৰ জনগণৰ মালিকানা আৰু যৌথ মালিকানা। ইয়াৰে পৰা চীনত এতিয়ালৈকো পণ্য-উৎপাদন ব্যৱস্থা 'থকাৰ কথা গম পোৱা যায়। লেনিন আৰু চেয়াৰম্যান মাও-ৰ বিশ্লেষণে আমাক এই শিক্ষা দিয়ে যে, সমাজতান্ত্ৰিক সমাজত বণ্টন আৰু বিনিময়ৰ ক্ষেত্ৰত সুনিশ্চিত ভাবেই যাৰ অস্তিত্ব আছে সেই বুৰ্জোৱা অধিকাৰক অতি আৰম্ভেই সৰ্বহাৰা একনায়কত্বৰ অধীনত

সীমিত কৰিব লাগিব—যাৰ ফলত সমাজতান্ত্ৰিক বিপ্লৱৰ সুদীৰ্ঘ বাটত শ্ৰমিক আৰু কৃষকৰ মাজৰ, চহৰ আৰু গাঁৱৰ মাজৰ আৰু দৈহিক আৰু মানসিক শ্ৰমৰ মাজৰ প্ৰধান তিনিওটা ব্যৱধান ক্ৰমাত্ত তাকৰে; বিভিন্ন স্তৰৰ মাজৰ ব্যৱধান চমুউৱা হয়, আৰু এই ব্যৱধানসমূহ চমুউৱাৰ উপযোগী বৈষয়িক আৰু মতাদৰ্শগত পৰিস্থিতি সৃষ্টি কৰা সম্ভৱ হয়। আমি এই বাটেৰে বাট নুবুলি কেৱল বুৰ্জোৱা অধিকাৰৰ আৰু তাৰ লগত সংশ্লিষ্ট বৈষম্যৰ সুসংহতি, বিস্তৃতি আৰু শক্তিবৃদ্ধিৰ আহ্বান জনালে, তাৰ অৱধাৰিত ফলশ্ৰুতি হ'ব বৈপৰীত্য-বৃদ্ধি (Polarisation), অৰ্থাৎ বন্টনৰ প্ৰক্ৰিয়াত মুষ্টিমেয় মানুহে অলপ আইনসংগত আৰু অসংখ্য বে-আইনী পদ্ধতিৰে ক্ৰমে অধিক পৰিমাণে বস্তু-সামগ্ৰী আৰু অৰ্থোপাৰ্জন কৰিব; এইবোৰ বৈষযিক প্ৰেৰণাৰে উদ্বুদ্ধ হৈ সম্পদ বৃদ্ধিৰ আৰু ব্যক্তিগত খ্যাতি আৰু লাভৰ আকাংক্ষ্যাৰ পুঁজিবাদী ধ্যান-ধাৰণা বাধাহীন ভাবে বিয়পি পৰিব; পণ্য-বিনিময়ৰ পুঁজিবাদী নীতিয়ে ৰাজনৈতিক জীৱনত আৰু আন কি পাৰ্টিৰ জীৱনতো প্ৰভাৱ বিস্তৰ কৰিব; পণ্য আৰু অৰ্থক পুঁজিলৈ আৰু শ্ৰমশক্তিক পণ্যলৈ ৰূপান্তৰিত কৰাৰ দৰে পুঁজিবাদী শোষণৰ ক্ৰিয়া-কলাপৰ জন্ম দিব·· ··। তাৰ ফলত সৰ্বহাৰা-শ্ৰেণী আৰু মেহনতী জনতাৰ প্ৰতি সম্পূৰ্ণতঃ বিশ্বাসঘাতী নতুন বুৰ্জোৱা উপাদান আৰু পাৰতগজা এক ক্ষুদ্ৰ অংশ পাৰ্টি-সদস্য, শ্ৰমিক, চহকী কৃষক আৰু ৰাষ্ট্ৰীয়সন্থা সমূহৰ কৰ্মচাৰীসকলৰ মাজৰপৰা উদ্ভূত হ'ব। ···

এইক্ষেত্ৰত লিন পিয়াও পাৰ্টি-বিৰোধী-চক্ৰই বিভিন্ন শ্ৰেণীৰ কিছুসংখ্যক মানুহক সৰ্বহাৰা একনায়কত্বৰ বিৰুদ্ধে ব্যৱহাৰ বা উত্তেজিত কৰি তুলিবলৈহে বুৰ্জোৱা অধিকাৰৰ ধাৰণাটোক কামত খটুৱাইছিল। অৰ্থাৎ এআৰাৰত, এই কৰ্মসূচীয়ে পুৰণা বুৰ্জোৱা সকলৰ শ্ৰেণীস্বাৰ্থৰ প্ৰতিনিধিত্ব কৰাৰ উপৰিও বুৰ্জোৱা অধিকাৰক ব্যৱহাৰ কৰি পুঁজিবাদৰ বিকাশ ঘটাব খোজা কেতবোৰ নতুন

বুৰ্জোৱা উপাদান আৰু ব্যক্তিৰ শ্ৰেণীস্বাৰ্থৰো প্ৰতিনিধিত্ব কৰিছে।... লিন্ পিয়াও আছিল 'বৈষয়িক প্ৰেৰণা'ৰ এক উগ্ৰ সমৰ্থক। তেওঁৰ কুখ্যাত নোটবহীত তেওঁ 'বৈষয়িক প্ৰেৰণাৰ প্ৰয়োজন এতিয়াও আছে' 'বস্তুবাদ—বৈষয়িক প্ৰেৰণা, প্ৰলোভন—চৰকাৰী-পদ, দৰমহা বৃদ্ধি, বিশেষ সুবিধা'—আদি সংশোধনবাদী জাবৰ বিয়পাইছিল। লিন্ পিয়াও পাৰ্টি-বিৰোধী চক্ৰৰ এক ঘাই টেকেলাই এনেকুৱা কথাও লিখিছিল যে, "প্ৰতিজনক তেওঁৰ কাম অনুসাৰে দিয়াৰ নীতি আৰু বৈষয়িক প্ৰেৰণাৰ নীতি' হ'ল 'উৎপাদন বঢোৱাৰ ক্ষেত্ৰত' নিৰ্ধাৰক পৰিচালিকা শক্তি·।" বস্তুৰক্ষেত্ৰত তেওঁলোকে বিভিন্ন স্তৰৰ মাজৰ পাৰ্থক্যক অসীম পৰিমাণে বঢাব খুজিছিল, যাৰ জৰীয়তে শ্ৰমিক শ্ৰেণীৰ একাংশক দলভুক্ত কৰিব পাৰি আৰু কিনি লব পাৰি, তেওঁলোকক যাতে সৰ্বহাৰা একনায়কত্ব আৰু সৰ্বহাৰা শ্ৰেণীৰ প্ৰতি বিশ্বাসঘাতী এক সুবিধাভোগী শ্ৰেণীত ৰূপান্তৰিত কৰিব পাৰি আৰু শ্ৰমিক-শ্ৰেণীৰ ঐক্যক বিভক্ত কৰিব পাৰি। · ....

"লিন্ পিয়াও পাৰ্টি-বিৰোধী চক্ৰই বুৰ্জোৱা অধিকাৰক কামত খটুৱাই যেনেদৰে প্ৰতাৰণাপূৰ্ণ, জঘন্য আৰু কুৎসিৎ ক্ৰিয়া-কলাপ চলাইছিল, তাৰ বহুতো দৃষ্টান্ত এতিয়া প্ৰকাশিত আৰু সমালোচনাৰ সম্মুখীন হৈছে। কিন্তু এইবোৰতকৈও অধিক প্ৰামাণ্য হ'ল তেওঁলোকৰ প্ৰতিবিপ্লৱী সামৰিক অভ্যুত্থানৰ কৰ্মসূচী খছৰা-প্ৰকল্প ৫৭১।"

বিৰামবিহীন শ্ৰেণী-সংগ্ৰাম

সাংস্কৃতিক বিপ্লৱোত্তৰ অপেৰা-কাহিনী

ড্ৰেগন নৈ-ৰ গীত

[বিপ্লৱী পিকিং অপেৰা]

এই আধুনিক পিকিং অপেৰাখনে এখন গাঁৱলীয়া কমিউনৰ সদস্য সকলে খৰে কোবাই যোৱা অঞ্চলত কেনেকৈ জল-সিঞ্চনৰ বাবে নৈৰ বুকুত মথাউৰি বান্ধিছিল—তাৰ কাহিনী বৰ্ণনা কৰিছে। অপেৰা-খনত কমিউনিষ্টসুলভ আচৰণৰ প্ৰশংসা কৰা হৈছে।

১৯৬৩ চনৰ বসন্তকালত চীনৰ দক্ষিণ-পূব উপকূলত ভয়াবহ খৰাং বতৰে বাঘচকা মাৰিলে। চীনৰ অতীতৰ এশ বছৰৰ বুৰঞ্জীতো এনেহেন খৰৰ বাতৰি পাবলৈ নাই। লুং চিয়াং (ড্ৰেগন নৈ) ব্ৰিগেড নৈৰ তীৰত অৱস্থিত আৰু তেওঁলোকে জোখাৰে শস্যৰ আশা পালি আছে। কিন্তু দূৰণিৰ পাহাৰাৰ কাষৰ ব্ৰিগেডবোৰ বিপদৰ মুখামুখি। এই অৱস্থাৰপৰা মুক্তি পাবলৈ কাউন্টি পাৰ্টি-কমিটিয়ে লুং চিয়াঙৰ ওচৰত ড্ৰেগন নৈৰ বুকুত মথাউৰি বন্ধাৰ আঁচনি ল'লে। কিন্তু তাৰ ফলত লুং চিয়াং ব্ৰিগেডৰ ৩০০০ মু উচ্চ ফলনক্ষম মাটি পানীৰ তললৈ যায়। এই কথা লৈ কমিউনৰ সভ্যসকলৰ মাজত মত-পাৰ্থক্যৰ সৃষ্টি হ'ল। এই মতভেদৰ সুবিধা লৈ আগৰ দিনৰ এজন চহকী কৃষকে পাৰ্টি-কমিটিৰ সিদ্ধান্তৰ বিৰুদ্ধে কিছুমান কৃষকক সংগঠিত কৰিলে। তাৰ ফলত এই বিষয়টো লৈ বিভিন্ন দ্বন্দ্বই মূৰ দাঙিলে। যদিও ইমান মাটি পানীত তল পৰাটো এক বিৰাট ক্ষতি, তথাপি ব্ৰিগেডৰ পাৰ্টি-শাখাৰ ছেক্ৰেটাৰী চিয়াং শু ইং-এ এই সিদ্ধান্তক কাৰ্য্যকৰী কৰি

তুলিবলৈ কৃতসংকল্প হ'ল। নৈখনৰ গতিপথক এটা বিশেষ বাটেদি পৰ্বতৰ পিছফাললৈ লৈ যাবলৈ মথাউৰি বন্ধাত তেওঁ কৰ্মী আৰু জনগণক পৰিচালনা কৰিবলৈ ধৰিলে। মথাউৰি বন্ধা সম্পূৰ্ণ হ'লত তৃষিত ছিৰাল দিয়া মাটিত অনতিপলমে দ্ৰুতগতিৰে জলস্ৰোত বোৱাই দিবলৈ আৰু পানীৰ লেভেল সৰ্বোচ্চ স্তৰ পোৱাবলৈ স্লুইছ গেটটোক সম্পূৰ্ণভাৱে খুলি দিয়া হ'ল। তাৰ ফলত ব্ৰিগেডৰ আৰু ৩০০০ মু শস্যভূমি প্লাৱিত হ'ল। লুং চিয়াং ব্ৰিগেডৰ সদস্যসকলে স্বেচ্ছাই এই ক্ষতি মানি ল'লে। এই কাৰ্য্যৰ ফলত দুবণিৰ পৰ্বতীয়া কমিউনৰ ৯০,০০০ মু মাটিৰ শস্য তেওঁলোকে ৰক্ষা কৰিবলৈ সমৰ্থ হ'ল। বানপানীত ডল যোৱা ৩০০০ মু মাটিৰ শস্য উদ্ধাৰ কৰিবলৈ দৰিদ্ৰ আৰু মধ্যবিত্ত কৃষকসকলে পাৰ্টিৰ নেতৃত্বত একতা আৰু আত্মশক্তিত আস্থা প্ৰদৰ্শন কৰি আগ বাঢ়ি গ'ল। প্ৰতিবেশী কমিউন আৰু ব্ৰিগেডৰ সদস্য সকলেও সহায় কৰিবলৈ আগ বাঢ়ি আহিল। অৱশেষত তেওঁলোকে পানী উলিউৱাত সমৰ্থ হ'ল আৰু কমিউনৰ উঁৱালত সোণালী শইচ ভৰালে।

['এখন কমিউনৰ স্বাৰ্থতকৈ সমগ্ৰ জনগণৰ স্বাৰ্থ ডাঙৰ কথা'— চিয়াং শুই ইং-ৰ নেতৃত্বত এই চেতনা এইক্ষেত্ৰত জয়ী হ'ল। সাংস্কৃতিক বিপ্লৱৰ পাছত চিত্ৰায়িত কৰা এই পিকিং অপেৰা—কমিউন-কৃষক নতুন মানসিকতাৰ এক উজ্জ্বল স্বাক্ষৰ।]

আধাপাচি চীনাবাদাম

[বিপ্লৱী চেকিয়াং ইউয়ে অপেৰা]

আঁৰ-পট দাঙি দিয়াৰ লগে লগেই দেখা যাব যে গিৰিহঁতে ঘৰৰ চোতালত থকা এজোপা গছৰ তলত বহি মাও চে তুঙৰ গ্ৰন্থ-ৰ (On Contradiction) পঢ়ি আছে। গিৰিহঁতনী সোমাই

আহিব আৰু আহিয়েই পোনছাটে প্ৰশ্ন কৰিব : 'এই কিতাপখনত এতিয়া ভুব গৈ থকাৰ অৰ্থ কি ? যোৱা কেই বছৰমান ধৰি আমাৰ কমিউনত ভাল ফচল হৈছে। আমি সাংস্কৃতিক বিপ্লৱৰ যোগেদি শ্ৰেণী-শত্ৰুইতক সমূলঞ্চে ধ্বংস কৰিছোঁ। এতিয়া নো আকৌ দ্বন্দ্ব কিহৰ ?'

গিৰিয়েকে ঘৈণীয়েকক বুজাব তুজিছে যে ভাৰতৰ্শৰ ক্ষেত্ৰত শ্ৰেণী-সংগ্ৰাম এতিয়ালৈকো আছে আৰু শ্ৰেণী-শত্ৰু সমূলঞ্চে ধ্বংস হোৱা নাই।

এনেতে তেওঁলোকৰ দহ-এঘাৰ বছৰীয়া ছোৱালীজনীয়ে স্কুলৰ পৰা আহোঁতে তাই কিতাপৰ বেগটোৰ ভিতৰত কিছুমান চীনাবাদাম লৈ সোমালহি আৰু ক'লে, 'চোৱাঁ মা, ইস্কুলৰ পৰা আহোঁতে খেতি-পথাৰৰ দাঁতিত বহুখিনি বাদাম পৰি থকা দেখি মোৰ বেগত আঁটেমানে মই লৈ আহিছোঁ চোৱাঁ।'

মাকে বৰ ভাল পালে আৰু বাদামবোৰ ঘৰত থৈ দিলে।

ছোৱালীজনীৰ দেউতাকে এই বুলি আপত্তি দৰ্শালে যে, এই বাদামখিনি কমিউনৰ সম্পত্তি, আমি ঘৰত ৰখাটো ঠিক নহয়। কিন্তু তেওঁৰ আপত্তি নৰজিল। অলক সময়ৰ পাছত ১৪/১৫ বছৰীয়া চেমনীয়া ৰেডগাৰ্ড পুত্ৰও ওলালহি স্কুলৰ পৰা। ভনীটিয়ে তাক আনন্দৰে সৈতে বাদাম বুটলি পোৱাৰ কথা ক'লে। ল'ৰাটিয়ে মাকক সুধিলেগৈ আৰু মাকৰ মুখৰ পৰা সকলো শুনি ক'লে, 'মা, তুমি নো কেনেকৈ কমিউনৰ বস্তু ঘৰত থলা কোৱাচোন ?'

ল'ৰাৰ ওপৰত মাকৰ খং উঠিল। তেওঁ খঙতে ক'লে, 'সেই কথাৰ মই কি জানো। তাই আনি দিলে বুলিহে মই ৰাখি থলোঁ।'

ভায়েকে ভনীয়েকক এই বুলি সঁকীয়ালে, 'ৰাক ৰঃ, কাইলৈ তোৰ ইস্কুলত গৈ মই সকলো কৈ দিম।'

হোৱালীজনীয়ে কান্দি দিলে। ক'লে, 'মই এইবোৰৰ কি জানো? মাই ৰাখি থলে কিয়? মই পাইছোঁ, আনি দিছোঁ বহু।'

তেতিয়া মাক আৰু পুতেকৰ তৰ্ক-বিতৰ্কৰ উজান উঠিল। মাকে পুতেকৰ যুক্তিক ওফৰাই পেলাব নোৱাৰি ক'লে, 'লেখা-পঢ়া কৰি মাকৰ ওপৰত খবৰদাৰী কৰিবলৈ শিকিছ হোঁ?'

তেতিয়া দেউতাকে ক'লে, 'দেখিলানে দ্বন্দ্ব আছে নে নাই?' তাৰ পাছত গহীন ভাবে ক'লে, 'এতিয়া কাজিয়া-পেচাল বাদ দি তাত ইমানবোৰ বাদাম ক'ৰপৰা আহিল তাৰ ভেদ উলিউৱাবহে চেষ্টা কৰিব লাগিব।'

অনুসন্ধান কৰি দেখা গ'ল যে, কমিউনৰ এজন সভ্যই ফচল চপাওঁতে এইবোৰ সেই ঠাইত লুকাই থৈ দিছিল গধূলাৰ পাছত মনে মনে আহি লৈ যাব বুলি। এই সদস্যজন আছিল আগৰ দিনৰ এজন চহকী খেতিয়ক।

এই ঘটনা ওলাই পৰাৰ পাছত মাকে পুতেকৰ যুক্তি মানি ল'বলৈ বাধ্য হ'ল আৰু নিজেও উপলব্ধি কৰিলে। শ্ৰেণী-সংগ্ৰাম যে ইমান সহজে শেষ নহয় আৰু তেওঁ নিজেও কমিউনৰ সম্পত্তি নিজৰ ঘৰত থৈ দিছিল—অৰ্থাৎ তেৰোঁ সমাজতন্ত্ৰ-বিৰোধী চিন্তাত আচ্ছন্ন আছিল।

পৰিশিষ্ট

চীনৰ সাংস্কৃতিক বিপ্লৱৰ

১৬ পয়েন্ট নিৰ্দেশাৱলী

[১৯৬৬ চনৰ ১ আগষ্টৰ পৰা ১২ আগষ্টলৈকে পিকিঙত অনুষ্ঠিত চীনৰ কমিউনিষ্ট পাৰ্টিৰ অষ্টম কেন্দ্ৰীয় কমিটিৰ একাদশ পূৰ্ণাংগ অধিবেশনত আগষ্টৰ ৮ তাৰিখে গৃহীত 'মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱ' সম্পৰ্কে চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ সিদ্ধান্তৰ পূৰ্ণাংগ পাঠ।]

[১] সামাজিক বিপ্লৱত নতুন স্তৰ :

এতিয়া যি মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱ বিকশিত হৈ উঠিছে সি হ'ল এক বিৰাট বিপ্লৱ, যি বিপ্লৱে জনগণৰ অন্তৰ গভীৰভাৱে স্পৰ্শ কৰিছে। আমাৰ দেশত সমাজতান্ত্ৰিক বিপ্লৱৰ বিকাশৰ ক্ষেত্ৰত ই এক নতুন স্তৰ অতি গভীৰ আৰু অধিকতৰ ব্যাপক।

পাৰ্টিৰ অষ্টম কেন্দ্ৰীয় কমিটিৰ দশম পূৰ্ণাংগ অধিবেশনত কমৰেড মাও চে তুঙে কৈছিল :

> 'এটা ৰাজনৈতিক ক্ষমতাক উচ্ছেদ কৰিবলৈ হ'লে সদায় সৰ্বাগ্ৰে প্ৰয়োজন হ'ল জনমত-সৃষ্টি কৰা, মতাদৰ্শৰ ক্ষেত্ৰত কাম কৰা। এই কথা বিপ্লৱী শ্ৰেণীৰ পক্ষে যেনেকৈ সত্য, প্ৰতি-বিপ্লৱী শ্ৰেণীৰ ক্ষেত্ৰতো একেদৰেই সত্য।'

কমৰেড মাও চে তুঙৰ এই তত্ত্ব ব্যৱহাৰিক ক্ষেত্ৰত সম্পূৰ্ণভাৱে সঠিক বুলি প্ৰমাণিত হৈছে।

বুৰ্জোৱাশ্ৰেণীক- যদিও উচ্ছেদ কৰা হৈছে, তথাপি এতিয়ালৈকো সিহঁতে শোষক-শ্ৰেণীসমূহৰ পুৰণি ভাৱধাৰা, সংস্কৃতি, ৰীতি আৰু অভ্যাসসমূহক ব্যৱহাৰ কৰি জনগণক কলুষিত কৰিবলৈ, তেওঁলোকৰ মন জয় কৰিবলৈ, আৰু পুনৰ ক্ষমতাধিষ্ঠিত হ'বলৈ প্ৰচেষ্টা চলাই গৈছে। ঠিক ইয়াৰ বিপৰীত কামটোহে প্ৰলেতাৰিয়েতে কৰিব লাগিব। মতাদৰ্শৰ ক্ষেত্ৰত বুৰ্জোৱাশ্ৰেণীৰ প্ৰতিটো

চেলেঙ্ক ত্তোটৰ লাগিব আৰু সমগ্ৰ সমাজৰ মানসিক দৃষ্টিভংগীৰ পৰিবৰ্তন সাধিবলৈ প্ৰলেতাৰিয়েতৰ নতুন ভাবধাৰা, সংস্কৃতি, ৰীতি আৰু অভ্যাসসমূহক ব্যবহাৰ কৰিব লাগিব। সমাজতান্ত্ৰিক ব্যৱস্থাক সুদৃঢ় কৰাৰ কাম আৰু তাৰ বিকাশক সহজতৰ কৰি তুলিবলৈ বৰ্তমানে আমাৰ লক্ষ্য হ'ল কৰ্তৃত্বৰ আসনত অধিষ্ঠিত পুঁজিবাদৰ বাটকৰাঁইতৰ বিৰুদ্ধে নিৰৱচ্ছিন্ন সংগ্ৰাম আৰু সিঁহতক ধ্বংস কৰা, শিক্ষা আৰু সাংস্কৃতিক সংস্থাৰ প্ৰতিক্ৰিয়াশীল বুৰ্জোৱা 'কৰ্তৃপক্ষ'ক আৰু বুৰ্জোৱাঁইতৰ আৰু অন্যান্য শোষক-শ্ৰেণীৰ মতাদৰ্শক সমালোচনা আৰু প্ৰত্যাখ্যান কৰা, আৰু শিক্ষা, সাহিত্য, শিল্পকলা আৰু সমাজতান্ত্ৰিক অৰ্থনৈতিক বুনিয়াদৰ লগত খাপ নোখোৱা সমাজ-সৌধৰ এনেবোৰ সকলো অংশৰ পৰিবৰ্তন সাধন কৰা।

[২] প্ৰধান ধাৰা আৰু একাবেঁকা পথ :)

শ্ৰমিক, কৃষক, সৈনিক, বিপ্লৱী বুদ্ধিজীৱি আৰু বিপ্লৱী কৰ্মীসকলেই হ'ল এই মহান সাংস্কৃতিক বিপ্লৱৰ প্ৰধান চালিকা-শক্তি। ইমান দিন-ধৰি অজ্ঞাত-অৱজ্ঞাত হৈ থকা বহু সংখ্যক বিপ্লৱী যুৱকেই আজি সাহসী আৰু নিৰ্ভীক পথিকৃৎ হৈ উঠিছে। কৰ্মক্ষেত্ৰত তেওঁলোক প্ৰাণশক্তিসম্পন্ন আৰু বুদ্ধিদীপ্ত। ডাঙৰ ডাঙৰ আখৰৰ প্ৰাচীৰ-পত্ৰৰ যোগেদি, বিৰাট বিৰাট বিতৰ্কৰ যোগেদি, তেওঁলোকে আটাইবোৰ বিষয় যুক্তিৰে দাঙি ধৰি, বুৰ্জোৱাঁইতৰ প্ৰকাশ্য আৰু জোপ লৈ লুকাই থকা প্ৰতি-নিধিইঁতৰ মুখা এই যুৱাসকলে উদ্‌ঘাটিত কৰি দিছে। তেওঁলোকৰ সিঁহতক পুংখানুপুংখ সমালোচনা কৰিছে আৰু সিঁহতৰ বিৰুদ্ধে কঠোৰ সংগ্ৰামৰ চলাই গৈছে। এনেহেন এক বিৰাট বিপ্লৱী আন্দোলনৰ ক্ষেত্ৰত তেওঁলোকৰ মাজত কোনোবা ধৰণৰ বা আন ধৰণৰ ত্ৰুটি-বিচ্যুতি ঘটিব পাৰে, আৰু সেই ত্ৰুটি পৰিহাৰ কৰা তেনেই টান। কিন্তু আন্দোলনৰ আৰম্ভণীৰেপৰাই তেওঁলোকৰ সাধাৰণ বিপ্লৱী লক্ষ্য ঠিকেই আছে। এয়ে হ'ল মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱৰ প্ৰধান ধাৰা, এয়ে হ'ল সেই গতিপথ, যি পথেৰে মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱ আগবাঢ়ি গৈছে।

যিহেতু সাংস্কৃতিক বিপ্লৱ হ'ল এটি বিপ্লৱ, সিহেতু এই বিপ্লৱে যে প্ৰতিৰোধৰ সন্মুখীন হ'ব লাগিব সেই কথা ধ্ৰুপ। এই প্ৰতিৰোধ ঘাইকৈ যেই কৰ্তৃত্বৰ আসনত অধিষ্ঠিত লোকসকলৰপৰাই আহিব যিহঁতে পাৰ্টিৰ ভিতৰত ঢুখ লোকৰ-দৰে নিজৰ বাট কাটি লৈছে আৰু ধনতন্ত্ৰৰ বাট গ্ৰহণ কৰিছে। সমাজৰ পুৰণি

আত্যাসৰ শক্তিৰপৰাও এই প্ৰতিৰোধ আহিব পাৰে। বৰ্তমানে এই প্ৰতিৰোধ এতিয়ালৈকে তেনেই প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱ আহিব দিনৰ এক অপ্ৰতিৰোধ্য সাধাৰণ ঘটনা; জনগণে এবাৰ সম্পূৰ্ণকৈ সাৰ পালে সেই প্ৰতিৰোধ যে অতি দ্ৰুতগতিৰে চুৰ্ণ-বিচুৰ্ণ হ'ব তাৰ পৰ্যাপ্ত উদাহৰণ আছে।

যিহেতু এই প্ৰতিৰোধ মোটামুটিভাৱে শক্তিশালী, সিহেতু এই সংগ্ৰামত বিপৰ্য্যয়ৰ সৃষ্টি হ'বই, আনকি এই বিপৰ্য্যয় বাৰে বাৰেও ঘটিব পাৰে। এই কথাত ক্ষতিও নাই। এই বিপৰ্য্যয়ে প্ৰলেতাৰিয়েতক আৰু অন্যান্য মেহনতী জনগণক, বিশেষকৈ যুৱ সম্প্ৰদায়ৰ সংগ্ৰামী মনোবলক সুদৃঢ় কৰি তুলিব, তেওঁলোকক শিক্ষিত কৰি তুলিব, তেওঁলোকৰ জীৱনত অভিজ্ঞতা আনি দিব আৰু তেওঁ-লোকক এই কথা উপলব্ধি-কৰাত সহায় কৰিব যে, বিপ্লৱৰ বাট হ'ল একাবেঁকা বাট, আৰু সেই বাট নিমজভাৱে আগ বাঢ়ি যোৱা নাই।

[৩] সাহসক সৰ্বোপৰি স্থান দিয়া আৰু জনগণক দৃঢ়তাৰে সৈতে জাগ্ৰত কৰা:

পাৰ্টি-নেতৃত্বই দৃঢ়তাৰে সৈতে জনগণক জাগ্ৰত কৰিছে নে কৰিবলৈ সাহসী হোৱা নাই—তাৰে দ্বাৰাইহে মহান সাংস্কৃতিক বিপ্লৱৰ পৰিণতি নিৰ্ধাৰিত হ'ব।

সাংস্কৃতিক বিপ্লৱৰ আন্দোলনত পাৰ্টি সংগঠনসমূহে বিভিন্ন স্তৰত যি নেতৃত্ব দিছে সেই সম্পৰ্কে বৰ্তমানে চাৰি বিধৰ বিভিন্ন পৰিস্থিতি পৰিলক্ষিত হৈছে:

(ক) পৰিস্থিতি এনেকুৱা যে, পাৰ্টি-সংগঠনৰ দায়িত্বত থকাসকলে আন্দোলনৰ আগশাৰীত তেওঁলোকে নিৰ্ভীকভাৱে জনগণক জাগ্ৰত কৰি তুলিবলৈ সাহসী হৈছে। তেওঁলোকে সৰ্বোপৰি সাহসকহে স্থান দিয়ে, তেওঁলোক নিৰ্ভীক কমিউনিষ্ট যোদ্ধা, তেওঁলোক চেয়াৰম্যান মাও-ৰ যোগ্য অনুসৰণকাৰী। তাওৰ আখৰৰ প্ৰাচীৰ-পত্ৰ প্ৰদৰ্শন আৰু বিৰাট বিৰাট বিতৰ্কৰ পক্ষে তেওঁলোকে প্ৰচাৰ কৰে। সকলোবিধৰ ভূত আৰু দৈত্য-দানৱৰ স্বৰূপ প্ৰকাশ কৰাত আৰু দায়িত্বপূৰ্ণ পদত অধিষ্ঠিত লোকসকলৰ ত্ৰুটি-বিচ্যুতি আৰু ভুল-ভ্ৰান্তিৰ সমালোচনা কৰিবলৈ আওতাই অহাত তেওঁলোকে জনগণক উৎসাহিত কৰে। নেতৃত্বৰ এই সঠিক পদ্ধতি হ'ল প্ৰলেতাৰীয় ৰাজনীতিক একেবাৰে আগশাৰীত স্থান দিয়া আৰু মাও চে তুঙৰ চিন্তাধাৰাক পথ-প্ৰদৰ্শক হিচাপে গ্ৰহণ কৰাৰ ফল।

(খ) দায়িত্বত থকা বহুতো ইউনিটৰ সভ্যৰ এই বিৰাট সংগ্ৰামত নেতৃত্ব সম্পৰ্কে ধাৰণা বৰ দুৰ্বল, তেওঁলোকৰ নেতৃত্ব মুঠেই বিবেকবুদ্ধি সম্পন্ন আৰু কাৰ্য্যকৰী নহয় আৰু সেই বাবেই তেওঁলোক অযোগ্য আৰু তেওঁলোক নিশকতীয়া। তেওঁলোকে ভীতিকহে সৰ্বোপৰি ঠাই দিয়ে, তেওঁলোকে এলাহুকলীয়া পথধাবাক আৰু নিয়ম-নীতিসমূহক সাবটি ধৰি থাকে, প্ৰচলিত অভ্যাসৰ স'তে সম্পৰ্কে ছিন্ন কৰাত আৰু আগবাঢ়ি যোৱাত তেওঁলোক অনিচ্ছুক। তেওঁলোকে নজনাকৈয়ে নতুন ব্যৱস্থাত, জনগণৰ বিপ্লৱী ব্যৱস্থাৰ আবিৰ্ভাৱ ঘটিছে। তাৰ ফলস্বৰূপে, তেওঁলোকৰ নেতৃত্ব পৰিস্থিতিতকৈ পাছপৰা হৈ আছে।

(গ) কেইটামান ইউনিটৰ দায়িত্বত এনে কিছুমান ব্যক্তি আছে, সিকলে অতীতত কোনো নহয় কোনো প্ৰকাৰৰ ভুল কৰিছিল। তেওঁলোকে ভীতিক সকলো কথাৰ উৰ্ধত ঠাই দিয়াৰ আৰু বেছি পক্ষপাতী, কিয়নো, জনগণে তেওঁলোকৰ দুৰ্বলতা ধৰা পেলাব এই ভয়তে তেওঁলোক ভীত। প্ৰকৃতপক্ষে, তেওঁলোকে যদি কঠোৰ আত্মসমালোচনা কৰে আৰু জনগণৰ সমালোচনা গ্ৰহণ কৰে, তেনেহলে পাৰ্টি আৰু জনগণে তেওঁলোকৰ ভুলৰ বাবে তেওঁলোকক ক্ষমা কৰিব। কিন্তু দায়িত্বত অধিষ্ঠিত লোকসকলে যদি জনগণৰ সমালোচনা মানি নলয় তেনেহলে তেওঁলোকে ভুল কৰিয়েই থাকিব আৰু গণ-আন্দোলনৰ বাটত বাধাস্বৰূপ হৈ উঠিব।

(ঘ) কিছুমান ইউনিট আকৌ তেওঁলোকৰ কৰ্তৃত্বাধীনত আছে, যিসকলে পাৰ্টিত ঘুণ পোকৰ দৰে নিজৰ-বাট কাটি লৈছে আৰু আৰু ধনতন্ত্ৰৰ বাটেৰে খোজ লৈছে। ক্ষমতাত অধিষ্ঠিত এই লোকসকল এই ভয়তে অতিপাত ভীত যে, জনগণে তেওঁলোকৰ মুখা খুলি দিব, সেয়েহে তেওঁলোকে গণ-আন্দোলনক দমন কৰাৰ সম্ভাব্য সকলোবিধ অছিলা বিচাৰি ফুৰে। আন্দোলনক আওবটীয়া কৰাৰ প্ৰচেষ্টাত তেওঁলোকে আক্ৰমণৰ লক্ষ্য পৰিবৰ্তন কৰাৰ আৰু সমগ্ৰ কৰ্মপন্থাক একেবাৰে বদলি দিয়াৰ কৰ্ম-কৌশলো গ্ৰহণ কৰা দেখা যায়। তেওঁলোকে যেতিয়া তেওঁলোকৰ নিঃসংগতা বুজি পায়, আগৰদৰে আৰু চলাটো সম্ভৱ নহয় বুলি যেতিয়া গম পায়, তেতিয়া তেওঁলোকে সাধ্যানুসাৰে গোপন চক্ৰান্ত কৰে, জনসাধাৰণক পিছফালৰ পৰা ছুৰিকাঘাত কৰে, গুজৱ বিয়পায়, আৰু বিপ্লৱ আৰু প্ৰতি-বিপ্লৱৰ পাৰ্থক্যক সাৰি-মচি একাকাৰ কৰি দিয়াৰ পন্থা

অৱলম্বন কৰে। এই আটাইবোৰ কৰ্মকাণ্ডৰেই কৰা হয় বিপ্লৱী সকলক আক্ৰমণ কৰিবলৈ।

সৰ্বস্তৰৰ পাৰ্টি কমিটিসমূহৰ ওচৰত পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে দাবী জনাইছে যে, তেওঁলোকে সঠিক নেতৃত্ব দিবলৈ এছাৰ্ভধীয়াকৈ চেষ্টা চলাব লাগিব, সকলো কথাৰ উৰ্ধত সাহসক স্থান দিব লাগিব, জনগণক দৃঢ়তাৰে সৈতে জাগ্ৰত কৰি তুলিব লাগিব, য'তে দুৰ্বলতা আৰু অযোগ্যতাৰ অৱস্থা বিদ্যমান তাতে সেই অৱস্থাৰ পৰিৱৰ্তন ঘটাব লাগিব, যিসকলে ভুল কৰিছিল কিন্তু এতিয়া ভুলৰ সংশোধন কৰিবলৈ, নিজৰ মানসিক বোজা জাৰি-জোকাৰি পেলাবলৈ আৰু সংগ্ৰামত যোগ দিবলৈ বিচাৰে—সেই কমৰেড সকলক উৎসাহিত কৰিব লাগিব, আৰু কৰ্তৃত্বত থাকি ধনতন্ত্ৰৰ বাট লোৱাইতক নেতৃত্বৰ পদৰ পৰা আঁতৰাব লাগিব আৰু এইদৰে প্ৰলেতাৰীয় বিপ্লৱীসকলৰ হৈ পুনৰ নেতৃত্ব অধিকাৰ কৰাৰ ব্যৱস্থা হাতত ল'ব লাগিব।

[৪] আন্দোলনৰ মাজেদি জনগণে নিজক শিক্ষিত কৰি তোলক ঃ

জনগণেই নিজক মুক্ত কৰিব লাগিব—মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱৰ এয়ে হ'ল একমাত্ৰ পদ্ধতি, তেওঁলোকৰ হৈ কাম কৰাৰ কোনো পদ্ধতি ব্যৱহাৰ কৰা নচলিব।

জনগণক বিশ্বাস কৰা, তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰা, আৰু তেওঁলোকৰ কৰ্মোদ্যোগক শ্ৰদ্ধা কৰা। ভয় গুচোৱা। বিশৃংখলাৰ ভয়ত ভীত নহ'বা। চেয়াৰম্যান মাও-এ আমাক বহুবাৰ কৈছে যে, বিপ্লৱ বৰ বেছি পৰিমাৰ্জিত, বৰ ভদ্ৰ, সংযত, দয়ালু, নম্ৰ, বিনীত আৰু উদাৰ হ'ব নোৱাৰে। এই বিৰাট বিপ্লৱী আন্দোলনৰ মাজত জনগণে নিজক শিক্ষিত কৰি তোলক, আৰু তেওঁলোকে ন্যায়-অন্যায়ৰ মাজত কাম কৰাৰ সঠিক আৰু বেঠিক পথৰ মাজত থকা পাৰ্থক্য নিৰ্ণয় কৰিবলৈ সক্ষম হওক।

জনগণে যাতে নিৰ্ভুল অভিমত পৰিষ্কাৰকৈ বুজাই দিব পাৰে, ভুল অভিমতৰ সমালোচনা কৰিব পাৰে আৰু সকলো বিধৰ ভূত আৰু দৈত্য-দানৱৰ মুখা খুলি দিব পাৰে, তাৰ বাবে সকলো বিষয়বস্তুক যুক্তিৰে প্ৰমাণ কৰিবলৈ ডাঙৰ ডাঙৰ আখৰৰ প্ৰাচীৰ-সমূহক আৰু যুক্তিৰ দ্বাৰা সকলো উলিয়াবলৈ মহা বিতৰ্কসমূহক

সকলো ফালৰ পৰা পূৰ্ণভাবে ব্যৱহাৰ কৰা। এইদৰে জনগণে সংগ্ৰামৰ মাজেদি তেওঁলোকৰ ৰাজনৈতিক চেতনাক উন্নত কৰি তুলিবলৈ সক্ষম হ'ব, নিজৰ কৰ্মক্ষমতা আৰু কাৰ্য্যদক্ষতা বৃদ্ধি কৰিবলৈ, ন্যায় আৰু অন্যায়ৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিবলৈ আৰু শত্ৰু আৰু আমাৰ মাজত সুস্পষ্ট পাৰ্থক্যৰেখা টানিবলৈ সক্ষম হ'ব।

[৫] দৃঢ়ভাবে পাৰ্টিৰ শ্ৰেণী-পন্থা প্ৰয়োগ কৰা :

আমাৰ শত্ৰু কোনইত? আমাৰ বন্ধু কোনসকল? বিপ্লৱৰ ক্ষেত্ৰত এয়ে হ'ল প্ৰাথমিক গুৰুত্বপূৰ্ণ প্ৰশ্ন আৰু মহান সাংস্কৃতিক বিপ্লৱৰ ক্ষেত্ৰতো এয়েই সমভাবে প্ৰাথমিক গুৰুত্বপূৰ্ণ প্ৰশ্ন।

বাঁওপন্থী সকলক বিচাৰি উলিয়াবলৈ আৰু বাঁওপন্থী সাধাৰণ কৰ্মীবৃন্দক উন্নত আৰু শক্তিশালী কৰিব তুলিবলৈ পাৰ্টি-নেতৃত্ব উপযুক্ত হ'ব লাগিব আৰু বিপ্লৱী বাঁওপন্থীসকলৰ ওপৰতেহে পাৰ্টি নেতৃত্বই দৃঢ়ভাবে নিৰ্ভৰ কৰিব লাগিব। আন্দোলনৰ কালছোৱাত আটাইতকৈ প্ৰতিক্ৰিয়াশীল সোঁপন্থীইঁতক জনগণৰ পৰা সম্পূৰ্ণকৈ বিচ্ছিন্ন কৰিবলৈ, মধ্যপন্থী সকলক জয় কৰি নিজৰ কলীয়া কৰিবলৈ আৰু বিৰাট সংখ্যাগৰিষ্ঠতাৰ সৈতে ঐক্যবদ্ধ হ'বলৈ পথ মাত্ৰ এই একেটাই—এই পথ অৱলম্বন কৰিয়েই আন্দোলনৰ অন্তত আমি কেডাৰ সকলৰ (পাৰ্টি কৰ্মী-সকলৰ) শতকৰা ৯৫ ভাগতকৈও অধিক অংশৰ ঐক্য অৰ্জন কৰিবলৈ সক্ষম হ'ম।

মুষ্টিমেয় চৰম প্ৰতিক্ৰিয়াশীল বুৰ্জোৱা সোঁপন্থীইঁতৰ আৰু প্ৰতি বিপ্লৱী-সংশোধনবাদীইঁতৰ ওপৰ আঘাত হানিবলৈ সমস্ত শক্তি কেন্দ্ৰীভূত কৰা আৰু ইইঁতক সৰ্বাধিকভাবে বিচ্ছিন্ন কৰিবলৈ পাৰ্টিৰ বিৰুদ্ধে সমাজতন্ত্ৰৰ বিৰুদ্ধে আৰু মাও চে তুঙৰ চিন্তাধাৰাৰ বিৰুদ্ধে সিইঁতৰ অপৰাধবিলাক জনগণৰ আগত প্ৰকাশ কৰা আৰু সেইবিলাকক পূৰ্ণভাবে সমালোচনা কৰা।

যিসকলে পাৰ্টিৰ অভ্যন্তৰত কৰ্তৃত্বৰ পদত থাকিও ধনতন্ত্ৰৰ বাট লৈছে, তেওঁলোকক আক্ৰমণ কৰাটোৱেই বৰ্তমান আন্দোলনৰ প্ৰধান লক্ষ্য।

একালে পাৰ্টি-বিৰোধী, সমাজতন্ত্ৰ বিৰোধী সোঁপন্থীইঁত, আনফালে যিসকলে পাৰ্টিক আৰু সমাজতন্ত্ৰক সমৰ্থন কৰিও কিছুমান ভুল কথা কৈছে বা ভুল কাম কৰিছে, বা কহেটামান বেয়া প্ৰবন্ধ বা আন লেখা লিখিছে এনে ধৰণৰ লোক

সকল—এই দুয়ো ধৰণৰ লোকৰ মাজত যথাযথভাবে পাৰ্থক্য নিৰ্ণয় কৰাৰ বিষয়ত সাবধানতা অবলম্বন কৰিব লাগিব।

প্ৰতিক্ৰিয়াশীল বুৰ্জোৱা পণ্ডিতাভিমানী স্বেচ্ছাচাৰী ব্যক্তি আৰু ধাইমূৰীয়া সকল আৰু সাধাৰণ বুৰ্জোৱা ধাৰণাৰে আচ্ছন্ন সাধাৰণ মানুহ এই দুয়োৰো মাজত পাৰ্থক্য নিৰ্ণয় কৰোঁতে সাবধানতা অবলম্বন কৰিব লাগিব।

[৬] জনসাধাৰণৰ মাজত থকা দ্বন্দ্বসমূহক সঠিকভাৱে মীমাংসা কৰা ঃ

দুটা পৃথক ধৰণৰ দ্বন্দ্বৰ মাজত যথাযথভাৱে পাৰ্থক্য নিৰ্ণয় কৰিব লাগিব। ইয়াৰ মাজত এটা হ'ল জনসাধাৰণৰ দ্বন্দ্ব, আৰু আনটো হ'ল আমাৰ আৰু শত্ৰুৰ মাজত থকা দ্বন্দ্ব। জনসাধাৰণৰ মাজত থকা দ্বন্দ্বসমূহক আমাৰ আৰু শত্ৰুৰ মাজত থকা দ্বন্দ্বসমূহৰ ৰূপ দিলে নহ'ব, আকৌ আমাৰ আৰু শত্ৰুৰ মাজত থকা দ্বন্দ্বসমূহকো জনসাধাৰণৰ মাজত থকা দ্বন্দ্ব হিচাপে ভাবি ল'লে নহ'ব।

জনগণৰ মাজত বেলেগ মত থকাটো স্বাভাৱিক। বিভিন্ন মতৰ মাজত সংঘাত অনিবাৰ্য্য, আৱশ্যকীয় আৰু মংগলকৰ। স্বাভাৱিক আৰু পূৰ্ণ বিতৰ্কৰ মাজেদিয়েই জনগণেই দৃঢ়তাৰে কৈ দিব পাৰিব যে কোনটো ঠিক। তেওঁলোকে ভুল শুধৰাই দিব আৰু ক্ৰমে ক্ৰমে তেওঁলোক একমত হ'ব।

তথ্য দাখিল কৰা, সকলো যুক্তিৰে দেখুউৱা, আৰু যুক্তিৰ যোগেদি পতিয়ন নিওৱা—বিতৰ্কত এই পদ্ধতিয়েই ব্যৱহাৰ কৰিব লাগিব। ভিন্ন মত পোষণকাৰী সংখ্যালঘু সকলক মূৰ দোঁওৱাত বাধ্য কৰাৰ কোনোৰকমৰ পদ্ধতি গ্ৰহণ কৰা নচলিব, সংখ্যালঘু সকলক ৰক্ষা কৰিব লাগিব, কিয়নো সত্য কেতিয়াবা সংখ্যালঘু সকলৰ সৈতেও থাকে। আন কি, সংখ্যালঘু সকলৰ মত ভুল হ'লেও তেওঁলোকৰ বক্তব্য যুক্তিৰে প্ৰমাণ কৰাৰ আৰু নিজা মত পোষণ কৰাৰ অধিকাৰ আৰু সুযোগ তেওঁলোকক দিব লাগিব।

যেতিয়া বিতৰ্ক চলি থাকিব, সেই বিতৰ্কক যুক্তিৰেহে পৰিচালিত কৰিব লাগিব, জোৰ-জবৰদস্তিৰে নহয়।

প্ৰতিজন বিপ্লৱীয়ে বিতৰ্কৰ মাজেদি নিজৰ চিন্তাশক্তি প্ৰয়োগ কৰাত যোগ্য হ'ব লাগিব আৰু সাহসেৰে চিন্তা কৰাৰ, সাহসেৰে কথা কোৱাৰ, আৰু সাহসেৰে কাম কৰাৰ কমিউনিষ্ট মনোভাবেৰে নিজক বিকশিত কৰি তুলিব লাগিব।

তেওঁলোকৰ একেই সাধাৰণ লক্ষ্য আছে। এই মূল সূত্ৰটোৰ ওপৰত ভিত্তি কৰি, ঐক্যক সুদৃঢ় কৰিবলৈ বিপ্লৱী কমৰেড সকলে গৌণ বিষয় সমূহ লৈ বিৰামহীন বিতৰ্ক পৰিহাৰ কৰি চলিব লাগিব।

[৭] বিপ্লৱী জনগণক যিহঁতে 'প্ৰতি-বিপ্লৱী' বুলি কয় সিহঁতৰ সম্পৰ্কে সাৱধান থাকিবা :

কোনো কোনো বিদ্যালয়ত, ইউনিটত আৰু সাংস্কৃতিক বিপ্লৱৰ কামৰ টিমত, দায়িত্বত অধিষ্ঠিত লোকসকলৰ মাজত কোনো কোনোৱে ডাঙৰ ডাঙৰ আখৰৰ প্ৰাচীৰ-পত্ৰ লগাই তেওঁলোকৰ সমালোচনাকাৰী জনগণৰ বিৰুদ্ধে প্ৰতি-আক্ৰমণ সংগঠিত কৰিছে। এইবোৰ ব্যক্তিয়ে এনেকুৱা শ্ল'গানো তুলিছে যে :

কোনো ইউনিটৰ বা কোনো কামৰ টিমৰ নেতাসকলৰ বিৰোধিতা কৰাৰ অৰ্থ হ'ল পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ বিৰোধিতা কৰা, পাৰ্টিৰ আৰু সমাজতন্ত্ৰৰ বিৰোধিতা কৰা, ইয়াৰ অৰ্থ হ'ল প্ৰতি বিপ্লৱ। এইদৰে চলি থাকিলে এই আঘাত যে ভালেমান প্ৰকৃত বিপ্লৱী কৰ্মীৰ (একটিভিষ্ট) ওপৰতে পৰিব, সেই কথা ধুৰুপ। লক্ষ্য নিৰ্ধাৰণৰ ক্ষেত্ৰত এয়া ভুল, কৰ্মপন্থাৰ ক্ষেত্ৰতো ই ভুল—এইবোৰক কোনো মতেই বৰ্দাস্ত কৰা নচলিব।

গুৰুতৰ মতাদৰ্শগত বিচ্যুতিত ভুগি থকা কিছু সংখ্যক মানুহ আৰু বিশেষকৈ পাৰ্টি-বিৰোধী আৰু সমাজতন্ত্ৰ-বিৰোধী সোঁপন্থীসকলৰ কিছুমান মানুহে গুজৱ আৰু লাগ-বান্ধ নোহোৱা কথা কোৱাৰ বাবে গণ আন্দোলনৰ কিছু কিছু ত্ৰুটি-বিচ্যুতি আৰু ভুল-ভ্ৰান্তিৰ সুযোগ গ্ৰহণ কৰিছে, আৰু সিহঁতে উদ্দেশ্য-মূলক ভাৱেই জনগণৰ মাজৰ কিছুমান মানুহক 'প্ৰতি-বিপ্লৱী, হিচাপে চিহ্নিত কৰিছে। এইবোৰ 'জেপ লুৰুকা' বিলাকৰ সম্বন্ধে সাৱধানে থকা আৰু ইহঁতৰ প্ৰতাৰণাপূৰ্ণ কৌশলৰ স্বৰূপ সঠিক সময়ত উদ্ঘাটিত কৰি দিয়া আৱশ্যক।

হত্যাকাণ্ড, জুই লগোৱা, বিষ প্ৰয়োগ, ধ্বংসাত্মক কাৰ্য্য-কলাপ, নাইবা ৰাষ্ট্ৰৰ গোপন তথ্য চুৰ কৰা আদি অপৰাধৰ—যিবোৰ অপৰাধৰ বিষয়ে আইন অনুসাৰে ব্যৱস্থা ল'ব লাগিব—য'ত সুস্পষ্ট প্ৰমাণ বিদ্যমান, সক্ৰিয় প্ৰতি-বিপ্লৱীইতৰ সেইবোৰ অপৰাধৰ ক্ষেত্ৰৰ বাহিৰে, আন্দোলন চলি থাকোঁতে আন্দোলনৰ পৰা উদ্ভূত সমস্যাৱলীৰ বাবে বিশ্ববিদ্যালয়ৰ, কলেজৰ, মাধ্যমিক স্কুল আৰু প্ৰাথমিক স্কুলৰ ছাত্ৰসকলৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা নচলিব। সংগ্ৰামৰ প্ৰধান লক্ষ্যৰপৰা সংগ্ৰামক ভিন্নমুখী কৰাৰ প্ৰচেষ্টাক প্ৰতিহত কৰিবলৈ পৰস্পৰৰ বিৰুদ্ধে

সংগ্ৰামত জনগণক নাইবা ছাত্ৰ সকলক উত্তেজিত কৰিবলৈ দিয়া নহ'ব, অছিলা যিয়েই নহওক। আনকি প্ৰমাণিত সৌপন্থীসকলৰ বিষয়তো, প্ৰতিটো ক্ষেত্ৰত গুণাগুণ বিচাৰ কৰি আন্দোলনৰ পৰৱৰ্তী এক স্তৰত ব্যৱস্থা অৱলম্বন কৰিব লাগিব।

[৮] কৰ্মী (কেডাৰ)-সম্পৰ্কিত প্ৰশ্ন :

কৰ্মীসকল মোটামুটিভাৱে চাৰি ভাগত বিভক্ত :

(ক) ভাল,

(খ) তুলনামূলক ভাৱে ভাল,

(গ) যিসকলে গুৰুতৰ ভুল কৰিছে কিন্তু পাৰ্টি-বিৰোধী, সমাজতন্ত্ৰ-বিৰোধী সৌপন্থী হৈ উঠা নাই,

(ঘ) তাকৰীয়া সংখ্যক পাৰ্টি-বিৰোধী, সমাজতন্ত্ৰ-বিৰোধী সৌপন্থী। সাধাৰণ পৰিস্থিতিত প্ৰথম দুটা গ্ৰুপৰ কৰ্মী সকলেই ভাল, আৰু তুলনামূলক ভাৱে ভাল কৰ্মীসকল সংখ্যাত বিৰাট—তেওঁলোকেই সংখ্যাগৰিষ্ঠ।

পাৰ্টি-বিৰোধী, সমাজতন্ত্ৰ-বিৰোধী, সৌপন্থীইতৰ মুখা সম্পূৰ্ণভাৱে উদঙাই দিব লাগিব। সিহঁতৰ ওপৰত প্ৰচণ্ড আঘাত কৰিব লাগিব। সিহঁতক টানি নমাব লাগিব, আৰু সিহঁতৰ সুনাম সম্পূৰ্ণভাবে নষ্ট কৰি দিব লাগিব আৰু সিহঁতৰ প্ৰভাৱ-প্ৰতিপত্তি নাইকিয়া কৰিব লাগিব। লগে লগে, সিহঁতে নতুন আৰু উন্নততৰ জীৱন যাপন কৰিব পৰাকৈ সুযোগ-সুবিধা দিব লাগিব।

[৯] সাংস্কৃতিক বিপ্লৱী-গোষ্ঠী, কমিটি আৰু কংগ্ৰেছ,

মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱত বহু বিধৰ ন ন বস্তুৰ আবিৰ্ভাৱ ঘটিবলৈ ধৰিছে। বহুতো বিদ্যালয় আৰু ইউনিটত জনগণেই সাংস্কৃতিক বিপ্লৱী গোষ্ঠী, কমিটি আৰু অন্যান্য সাংগঠনিক পন্থা গঠন কৰিছে। এইবোৰ নতুন ধৰণৰ বস্তু আৰু বিৰাট ঐতিহাসিক গুৰুত্বসম্পন্ন।

এইবোৰ সাংস্কৃতিক বিপ্লৱী গোষ্ঠী, কমিটি আৰু কংগ্ৰেছ হ'ল সংগঠনৰ সৰ্বোৎকৃষ্ট নতুন ৰূপ—এইবিলাকৰ মাজেদি কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত জনগণে নিজক শিক্ষিত কৰি তুলিছে। জনগণৰ সৈতে আমাৰ পাৰ্টিৰ ঘনিষ্ঠ যোগাযোগ ৰক্ষা কৰিবলৈ এইবোৰ হ'ল উৎকৃষ্ট সেতু-বিশেষ। এইবোৰ হ'ল প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱৰ ক্ষমতাৰ অংগ।

হাজাৰ হাজাৰ বছৰ ধৰি সঞ্চিত সকলো শোষক শ্ৰেণীৰ পুৰণি ভাবধাৰা, সাংস্কৃতি, ৰীতি আৰু অভ্যাস সমূহৰ বিৰুদ্ধে প্ৰলেতাৰিয়েতৰ সংগ্ৰাম যে অতি দীৰ্ঘকাল ধৰিয়েই চলি থাকিব সেই কথা ধ্ৰুৱ। সেয়ে সাংস্কৃতিক বিপ্লৱী গোষ্ঠী, কমিটি আৰু কংগ্ৰেছ সমূহক সাময়িক সংগঠন হিচাপে চালে নচলিব, এইবোৰ হ'ব দীৰ্ঘস্থায়ী গণ-সংগঠন। এইবোৰ মাথোন কলেজ, স্কুল, চৰকাৰ আৰু অন্যান্য সংগঠনৰ পক্ষেই উপযোগী নহয়, এইবোৰ সাধাৰণভাবে কাৰখানা, খনি, অন্যান্য শিল্প-সংস্থা, জিলা চহৰ আৰু গাঁও বিলাকৰ পক্ষেও উপযোগী।

সাংস্কৃতিক বিপ্লৱী গোষ্ঠী আৰু কমিটি সমূহৰ সদস্য আৰু সাংস্কৃতিক বিপ্লৱী কংগ্ৰেছসমূহৰ ডেলিগেট নিৰ্বাচনৰ বাবে পাৰী কমিউনত কৰাৰ দৰে সাধাৰণ নিৰ্বাচন-ব্যৱস্থা প্ৰৱৰ্তন কৰা প্ৰয়োজন। পূৰ্ণাংগ আলোচনাৰ পাছত বিপ্লৱী জনগণৰ দ্বাৰা প্ৰাৰ্থীসকলৰ তালিকা ৰচিত হ'ব আৰু সেই তালিকা লৈ জনগণ বাৰে বাৰে আলোচনা কৰাৰ পাছত নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব।

সাংস্কৃতিক বিপ্লৱী গোষ্ঠী আৰু কমিটি সমূহত যিসকল সদস্য নিৰ্বাচিত হ'ব আৰু সাংস্কৃতিক বিপ্লৱী কংগ্ৰেছ সমূহত যিসকল ডেলিগেট নিৰ্বাচিত হ'ব তেওঁলোকক যিকোনো সময়ত সমালোচনাৰ অধিকাৰ জনগণৰ থাকিব। এই সকল সদস্য বা ডেলিগেট অযোগ্য প্ৰমাণিত হ'লে তেওঁলোকৰ ঠাইত নতুন সদস্য বা ডেলিগেট নিৰ্বাচিত কৰিব পৰা যাব, বা আলোচনাৰ পাছত জনগণে তেওঁ-লোকক সেইবোৰ সস্থাৰপৰা পদত্যাগত বাধ্য কৰোৱাব পৰা হ'ব লাগিব।

কলেজ আৰু স্কুলসমূহত ঘাইকৈ বিপ্লৱী ছাত্ৰসকলৰ প্ৰতিনিধিসকলক লৈয়েই সাংস্কৃতি বিপ্লৱী গোষ্ঠী, কমিটি আৰু কংগ্ৰেছসমূহ গঠিত হ'ব। এইবোৰ সস্থাত বিদ্যায়তনৰ বিপ্লৱী শিক্ষকসকলৰ আৰু কৰ্মীসকলৰ কিছু সংখ্যক প্ৰতিনিধিও ৰাখিব লাগিব।

[১০] শিক্ষাক্ষেত্ৰত সংস্কাৰ :

মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱত এটি অতি গুৰুত্বপূৰ্ণ কাম হ'ল পুৰণি শিক্ষা-ব্যৱস্থাৰ আৰু শিক্ষাদানৰ পুৰণি মূলনীতি আৰু পদ্ধতিৰ পৰিবৰ্তন সাধন।

আমাৰ বিদ্যালয়সমূহত বুৰ্জোৱা বুদ্ধিজীৱিসকলৰ আধিপত্যৰ বেহ-ৰূপ এই মহান সাংস্কৃতিক বিপ্লৱৰ মাজত সম্পূৰ্ণৰূপে সলাব লাগিব।

শিক্ষা হ'ব লাগিব প্ৰলেতাৰীয় ৰাজনীতিৰ সেৱক আৰু শিক্ষা লাভ কৰা সকলে নৈতিকতাৰ ফালৰপৰা বোধশক্তিৰ বিকাশৰ ফালৰপৰা আৰু শাৰীৰিক

কালবগৰা নিজক উন্নত কৰি তুলিবলৈ আৰু সমাজতান্ত্রিক চেতনা আৰু সংস্কৃতিত উদ্বুদ্ধ শ্রমিক হিচাপে যাতে নিজক গঢ়ি তুলিবলৈ সক্ষম হয় সেই কথা মনত ৰাখি শিক্ষাক উৎপাদনশীল শ্রমৰ সৈতে যুক্ত কৰিব লাগিব—মাও চে তুঙৰ এই শিক্ষা-নীতিক সকলো ধৰণৰ বিদ্যালয়তে পৰিপূৰ্ণভাবে প্রয়োগ কৰিব লাগিব।

বিদ্যালয়ৰ শিক্ষাকাল চমুৱাব লাগিব। ক'ছ´ হ'ব কম কিন্তু উন্নত। শিক্ষাৰ বিষয়বস্তুক সম্পূর্ণভাৱে পৰিৱৰ্তিত কৰিব লাগিব। কোনো কোনো ক্ষেত্ৰত জটিল বিষয়বস্তুক সৰল কৰাৰ কাম আৰম্ভ কৰিব লাগিব। ছাত্রসকলৰ কাম যদিও লেখা-পঢ়া, তথাপি তেওঁলোকে আন বিষয়ো শিক্ষা কৰিব লাগিব। অৰ্থাৎ, লেখা-পঢ়াৰ লগে লগে শিল্পৰ কাম, খেতি-বাতিৰ কাম, সামৰিক ক্রিয়া-কাণ্ড শিকিব লাগিব আৰু বুৰ্জোৱাক সমালোচনা কৰিবলৈ সাংস্কৃতিক বিপ্লৱত ঘটা সংগ্রামসমূহতো ভাগ ল'ব লাগিব।

[১১] বাতৰি কাকত-আলোচনীৰ নাম লৈ সমালোচনা কৰাৰ প্রশ্ন :

সাংস্কৃতিক বিপ্লৱৰ গণ-আন্দোলনৰ মাজত বুৰ্জোৱা আৰু সামন্ততান্ত্রিক মতাদৰ্শক সমালোচনা কৰাৰ কাৰ্য্যক প্রলেতাৰীয় বিশ্ব দৃষ্টিভংগী আৰু মাৰ্কছবাদ-লেলিনবাদ, মাও চে তুঙৰ চিন্তাধাৰা জনগণৰ মাজত বিয়পাই দিয়াৰ কামৰ লগত ঘনিষ্ঠভাৱে যুক্ত কৰিব লাগিব।

পাৰ্টিৰ মাজত থকা বিশিষ্ট বুৰ্জোৱা-প্রতিনিধিইঁতৰ বিৰুদ্ধে আৰু শিক্ষায়তনৰ বিশিষ্ট প্রতিক্রিয়াশীল বুৰ্জোৱা 'কর্তৃপক্ষ'ৰ বিৰুদ্ধে সমালোচনা অভিযান সংগঠিত কৰিব লাগিব আৰু দৰ্শন, ইতিহাস, অৰ্থনীতি আৰু শিক্ষাক্ষেত্ৰত সাহিত্য আৰু শিল্পকলা-সম্পৰ্কিত লেখা আৰু তত্ত্বত, প্রকৃতি বিজ্ঞানৰ থিঅ'ৰীত আৰু অন্যান্য ক্ষেত্ৰত যিবোৰ বিভিন্ন ধৰণৰ প্রতিক্রিয়াশীল মত বিদ্যমান—সেইবোৰৰ সমালোচনাক অভিযানৰ অন্তর্ভুক্ত কৰি ল'ব লাগিব।

প্রেছৰ নাম লৈ আলোচনা কৰিব লাগে নে নালাগে, সেই কথা সেই স্তৰৰ পাৰ্টি কমিটিত আলোচনা কৰি সিদ্ধান্ত ল'ব লাগিব আৰু গুটিদিয়েক ক্ষেত্ৰত অনুমোদনৰ বাবে উচ্চতৰ পাৰ্টি কমিটিলৈ সিদ্ধান্ত পঠিয়াব লাগিব।

[১২] বিজ্ঞানী, প্ৰযুক্তিবিদ আৰু বিভিন্ন প্ৰতিষ্ঠানত কাম কৰি থকা সাধাৰণ সভ্য সকলৰ সম্পৰ্কে নীতি :

যিমানদিনলৈ তেওঁলোক দেশপ্ৰেমিক হৈ থাকিব, উছাহ-উদ্দীপনাৰে কাম কৰি থাকিব, পাৰ্টি আৰু সমাজতন্ত্ৰ-বিৰোধী নহ'ব আৰু কোনো বিদেশী দেশৰ সৈতে অবৈধ সম্পৰ্ক নাৰাখিব, তিমানদিনলৈ বিজ্ঞানী, প্ৰযুক্তিবিদ আৰু বিভিন্ন প্ৰতিষ্ঠানত কাম কৰি থকা সাধাৰণৰ সভ্যসকলৰ সম্পৰ্কে আমি বৰ্তমান আন্দোলনৰ মাজত 'ঐক্য', সমালোচনা ঐক্য—এই কৰ্মনীতিক প্ৰয়োগ কৰি চলি থাকিম। নিজা নিজা কৰ্মক্ষেত্ৰত যিসকলৰ অৱদান আছে সেইসকল বিজ্ঞানী আৰু বৈজ্ঞানিক-কৰ্মী আৰু প্ৰযুক্তি কৰ্মীসকলৰ সম্পৰ্কে আমি বিশেষ যত্নৱান হ'ব লাগিব। তেওঁলোকে ক্ৰমে ক্ৰমে যাতে তেওঁলোকৰ বিশ্ব-দৃষ্টিভংগী আৰু কৰ্মধাৰাৰ পৰিৱৰ্তন কৰিব পাৰে সেইবাবে তেওঁলোকক সহায় কৰিবলৈ কঠোৰ প্ৰচেষ্টা চলাব লাগিব।

[১৩] চহৰ আৰু গ্ৰামাঞ্চলত সমাজতান্ত্ৰিক শিক্ষা আন্দোলনৰ সংহতিৰ বাবে ব্যৱস্থাদিৰ প্ৰশ্ন :

সাংস্কৃতিক প্ৰতিষ্ঠান আৰু শিক্ষা প্ৰতিষ্ঠানসমূহ আৰু বৃহৎ আৰু মজলীয়াবিধৰ চহৰবিলাকৰ পাৰ্টি চৰকাৰৰ প্ৰধান প্ৰধান সংগঠন সমূহতেই বৰ্তমান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লব কেন্দ্ৰীভূত।

চহৰ আৰু গাঁৱত, দুয়ো ঠাইতে সাংস্কৃতিক বিপ্লৱে সমাজতান্ত্ৰিক শিক্ষা-আন্দোলনক সমৃদ্ধ কৰিছে আৰু এক উৰ্ধস্তৰলৈ উধোৱাইছে। এই দ্বিবিধ আন্দোলনক ঘনিষ্ঠভাৱে যুক্ত কৰি পৰিচালিত কৰিবলৈ প্ৰচেষ্টা চলাব লাগিব। বিশেষ বিশেষ ঠাইত বিশেষ বিশেষ অৱস্থাৰ সৈতে সংগতি ৰাখি বিভিন্ন অঞ্চল আৰু ডিপাৰ্টমেণ্টৰে এই প্ৰচেষ্টাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰোৱাবপৰা যায়।

গাঁও অঞ্চলত আৰু চহৰতো কৰ্মোদ্যোগ কেন্দ্ৰ সমূহৰ মাজত যিবিলাকত আগৰ দিনৰ ব্যৱস্থা বিলাকেই যথোচিত আৰু আন্দোলন ভালদৰেই চলাব পৰা হৈছে, তাত বৰ্তমানে যি সমাজতান্ত্ৰিক শিক্ষা-আন্দোলন চলিছে তাৰ কোনো ওলট-পালট কৰাটো ঠিক নহ'ব। তেনেস্থলত, সেইবোৰ ক্ষেত্ৰত আন্দোলন আগৰ দিনৰ ব্যৱস্থা অনুসাৰেই চলি থাকিব। প্ৰলেতাৰীয় মতাদৰ্শক আৰু প্ৰবল কৰি তুলিবলৈ আৰু বুৰ্জোৱা মতাদৰ্শক নিৰ্মূল কৰিবলৈ বৰ্তমান মহান

প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱত যিবোৰ প্ৰশ্ন উত্থাপিত হৈছে সেইবোৰক উপযুক্ত সময়ত জনগণৰ সমুখত আলোচনাৰ বাবে দাঙি ধৰিব লাগিব।

সমাজতান্ত্ৰিক-শিক্ষা-আন্দোলনত অধিকভাৱে গতিবেগ সঞ্চাৰ কৰিবলৈ আৰু ৰাজনীতি, মতাদৰ্শ, সংগঠন আৰু অৰ্থনীতিৰ ক্ষেত্ৰত জাবৰ-জোথৰ সাৰি-মচি নিকা কৰিবলৈ কোনো কোনো ঠাইত মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱক কেন্দ্ৰবিন্দু হিচাপে ব্যৱহাৰ কৰা হৈছে। যিবোৰ ঠাইত পাৰ্টি-কমিটিয়ে এনে ধৰণে কাম কৰাটোকে উপযুক্ত বুলি ভাবিব সেইবোৰ ঠাইত এনেকুৱা কৰিব পাৰি।

[১৪] বিপ্লৱত দৃঢ় থাকা আৰু উৎপাদনত প্ৰেৰণা সৃষ্টি কৰা :

জনগণৰ মহাদৰ্শত বিপ্লৱী পৰিবৰ্তন সাধন কৰা আৰু তাৰে ফলস্বৰূপে কামৰ সৰ্বক্ষেত্ৰত অধিকতৰ, দ্ৰুততৰ, উনততৰ, আৰু অধিক অৰ্থনৈতিক ফল লাভ কৰা—এয়ে হ'ল মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱৰ লক্ষ্য। জনগণ পুৰা মাত্ৰাত জাগ্ৰত হৈ উঠিলে আৰু উপযুক্ত ব্যৱস্থাদি ল'ব পৰা হ'লে সাংস্কৃতিক বিপ্লৱ আৰু উৎপাদন, এই দুয়োটাই—ইটোৰ বাবে সিটোৰ কোনো অনিষ্ট নকৰাকৈয়েই আৰু আমাৰ সকলো কামত উচ্চ স্তৰৰ দক্ষতাৰ সুনিশ্চয়তা প্ৰদান কৰিয়েই—চলাই যোৱা সম্ভৱ।

আমাৰ দেশত সামাজিক উৎপাদক-শক্তিৰ বিকাশৰ মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱ হ'ল এক প্ৰবল প্ৰেৰণাদায়ক শক্তি। মহান সাংস্কৃতিক বিপ্লৱক উৎপাদনৰ বিকাশৰ বিৰুদ্ধে ব্যৱহাৰ কৰাৰ যি কোনো ধাৰণায়েই ভুল।

[১৫] সশস্ত্ৰ বাহিনী :

সশস্ত্ৰ বাহিনীত, কেন্দ্ৰীয় কমিটিৰ সামৰিক কমিশ্যনৰ আৰু গণ-মুক্তিফৌজৰ সাধাৰণ ৰাজনৈতিক বিভাগৰ নিৰ্দেশ অনুসাৰেই সাংস্কৃতিক বিপ্লৱ আৰু সমাজ-তান্ত্ৰিক শিক্ষা-আন্দোলন পৰিচালনা কৰিব লাগিব।

মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱত মাও চে তুঙৰ চিন্তাধাৰাৰ মহান ৰক্ত-পতাকা উড্ডীন কৰা আৰু প্ৰলেতাৰীয় ৰাজনীতিক আধিপত্যত সংস্থাপিত কৰাটো একান্ত প্ৰয়োজন। চেয়াৰম্যান মাও চে তুঙৰ ৰচনাৱলীৰ সৃজনশীল পঠন আৰু প্ৰয়োগৰ বাবে আন্দোলনক শ্ৰমিক, কৃষক আৰু জনগণৰ মাজলৈ আগ বঢ়াই লৈ যাব লাগিব আৰু সৈনিক, কৰ্মী আৰু বুদ্ধিজীৱি সকললৈকো পঁহুচাই

দিব লাগিব। সাংস্কৃতিক বিপ্লৱত মাও চে তুঙৰ চিন্তাধাৰাক কামৰ পথ-প্ৰদৰ্শক হিচাপে গ্ৰহণ কৰিব লাগিব।

এই জটিল মহান সাংস্কৃতিক বিপ্লৱত, সৰ্বস্তৰত পাৰ্টি কমিটিসমূহক আৰু অধিক নৈতিক চেতনাত উদ্বুদ্ধ হৈ আৰু সৃজনশীল পদ্ধতিৰে চেয়াৰ-ম্যান মাও-ৰ ৰচনাৱলী পঠন আৰু প্ৰয়োগ কৰিব লাগিব। বিশেষকৈ তেওঁলোকে সাংস্কৃতিক বিপ্লৱ সম্পৰ্কে বাৰে বাৰে পঢ়িব লাগিব আৰু পাৰ্টিৰ নেতৃত্বৰ পদ্ধতি সম্পৰ্কে মাও-ৰ ৰচনাসমূহ, যেনে—'নয়া গণতন্ত্ৰ', 'সাহিত্য আৰু শিল্পকলা' সম্পৰ্কে ইয়েনান ফ'ৰামত হোৱা আলোচনা', 'জনগণৰ মাজত দ্বন্দ্বৰ সঠিক মীমাংসা', 'প্ৰচাৰকাৰ্য্য সম্পৰ্কে চীনৰ কমিউনিষ্ট পাৰ্টিৰ জাতীয় সন্মিলনত বক্তৃতা', 'নেতৃত্বৰ পদ্ধতি-সম্পৰ্কিত কেইটিমান প্ৰশ্ন', আৰু 'পাৰ্টি-কমিটিসমূহৰ কৰ্ম পদ্ধতি'।

'জনগণৰ পৰা গ্ৰহণ কৰা আৰু জনগণৰ মাজলৈ লৈ যোৱা'—পাৰ্টি-কমিটি-সমূহে এই গণ-পন্থাক (কৰ্মপন্থা) সম্পূৰ্ণভাৱে প্ৰয়োগ কৰিব লাগিব আৰু শিক্ষক হোৱাৰ আগতে তেওঁলোকে ছাত্ৰ হিচাপে থাকিব লাগিব। বছৰৰ পাছত বছৰ ধৰি চেয়াৰম্যান মাও-ৰ এই নিৰ্দেশ পাৰ্টি-কমিটিসমূহে সৰ্বস্তৰত মানি চলিব লাগিব। তেওঁলোক একচকুৱা বা সংকীৰ্ণমনা হোৱাৰপৰা বিৰত থকাৰ চেষ্টা কৰিব লাগিব। তেওঁলোকে বস্তুবাদী দ্বন্দ্বৰ (ডায়ালেকটিবছ) বিকাশ সাধন কৰিব লাগিব আৰু অধিবিদ্যাৰ (মেটাফিজিকছ) আৰু বিদ্যাভিমানৰ বিৰোধিতা কৰিব লাগিব।

যাৰ পুৰোভাগত আছে কমৰেড মাও চে তুং—পাৰ্টিৰ সেই কেন্দ্ৰীয় কমিটিৰ নেতৃত্বৰ মহান প্ৰলেতাৰীয় সাংস্কৃতিক বিপ্লৱে যে উল্লেখযোগ্যভাৱে জয়লাভ কৰিব সেই কথা ধ্ৰুৱ।

সদৰ দপ্তৰৰ পৰা ৰবটোপ টোঁওৱা

মোৰ ডাঙৰ আখৰৰ প্ৰাচীৰ-পত্ৰ

(৫ আগষ্ট, ১৯৬৬)

বেন্‌মিন্‌ ৰিপাওত (পীপ'লছ ডেইলীত) চীনৰ ডাঙৰ আখৰৰ প্ৰথমখন মাৰ্ক্সবাদী-লেলিনবাদী প্ৰাচীৰপত্ৰ আৰু এই প্ৰাচীৰ-পত্ৰৰ ওপৰত লিখা ভাষ্যকাৰৰ প্ৰবন্ধ অতি ধুনীয়াকৈ লেখা হৈছে। কমৰেডসকল, আপোনালোকে অনুগ্ৰহ কৰি সেইবোৰ পুনৰ পঢ়ক। কিন্তু যোৱা প্ৰায় পঞ্চাছ দিন ধৰি কেন্দ্ৰৰপৰা আৰম্ভ কৰি আঞ্চলিকলৈকে—কিছু কিছু নেতৃস্থানীয় কমৰেডে একেবাৰে বিপৰীত আচৰণ কৰি চলিছে। বুৰ্জোৱা প্ৰতিক্ৰিয়াশীল পথ অনুসৰণ কৰি তেওঁলোকে বুৰ্জোৱা একনায়কতন্ত্ৰ প্ৰতিষ্ঠা কৰিছে আৰু প্ৰলেতাৰিয়েত সকলৰ মহান সাংস্কৃতিক বিপ্লৱৰ ফেনে ফোটাকাৰে গৰজি উঠা তৰংগক আঘাত কৰিছে। সকলো ঘটনালৈ তেওঁলোকে ওলোটাকৈ চাইছে আৰু বগা-ক'লাৰ সানমিহলি কৰি পেলাইছে, বিপ্লৱীসকলক ঘেৰাও কৰিছে আৰু দমন কৰিছে, স্বকীয়া মতামতৰ কণ্ঠৰোধ কৰিছে, ওপৰৰপৰা শ্বেত-সন্ত্ৰাস জাপি দিছে আৰু আত্মসন্তুষ্টি লাভ কৰিছে। তেওঁলোকে বুৰ্জোৱা দাম্ভিকতাক আৰু অধিককৈ ওফোন্দাই তুলিছে আৰু সৰ্বহাৰাৰ নৈতিকতাক নিশকতীয় কৰি পেলাইছে। কেনে বিষাক্ত! ১৯৬২ চনৰ সোঁপন্থী বিচ্যুতি আৰু ১৯৬৪ চনৰ ভুল প্ৰৱণতা, যিটো আকাৰত বাঁও হ'লেও মূলতঃ সোঁপন্থী—ইয়াৰ বাবে সাৱধান থকাৰ প্ৰয়োজন নাইনে?

—মাও চে তুং

'জানুৱাৰি ধুমুহা'ৰ প্ৰাক্‌—মুহূৰ্তত

জৰুৰী বিজ্ঞপ্তি

বৰ্তমানে সাংহাইত সৰ্বহাৰাৰ মহান সাংস্কৃতিক বিপ্লৱে যেতিয়া দুই লাইনৰ মাজত এক চূড়ান্ত সংগ্ৰামৰ মুহূৰ্ত পাইছেহি, যেতিয়া অবৈয়ালিৰে বা আঁকোৰ-গোঁজীয়া ভাবে প্ৰতিক্ৰিয়াশীল বুৰ্জোৱা মতবাদক সাবটি লৈ থকা সাংহাই পাৰ্টি-কমিটি সম্পূৰ্ণৰূপে বিপৰ্যস্ত, তেতিয়া পাৰ্টিৰ নেতৃস্থানীয় মুষ্টিমেয় কেইজনমান মানুহ, যিহঁতে ধনতান্ত্ৰিকতাৰ বাটেৰে খোজ লৈছে, সিহঁতে পুনৰ নতুন ষড়যন্ত্ৰৰ পাং পাতিছে। শিল্পোৎপাদন, ৰেল আৰু বাট-পথৰ পৰিবহনত বিপৰ্যয় ঘটাই ধনতান্ত্ৰিক শক্তিবিলাকৰ লগত ষড়যন্ত্ৰক্ৰমে সিহঁতে সংগ্ৰামক আওবটীয়া কৰিবলৈ আৰু এদল মানুহৰ বিৰুদ্ধে আন এদল মানুহক ক্ষিপ্ত কৰি তুলিবলৈ অৰ্থনৈতিক সুবিধা-দান-জনিত সমস্যাসমূহৰ অপব্যৱহাৰ কৰিছে। সিহঁতে আনকি ডক-শ্ৰমিক সকলক কাম বন্ধ কৰিবলৈ প্ৰৰোচিত কৰিছে, আৰু তাৰ ফলত কাম-কাজ চলোৱাত অসুবিধা নোহোৱাকৈ থকা নাই, আৰু লগে লগে চীনৰ আন্তৰ্জাতিক মৰ্য্যাদাও ক্ষুন্ন হৈছে। যথেচ্ছভাৱে বৈষয়িক সুবিধা দি আৰু পাৰিশ্ৰমিক বৃদ্ধি কৰি, সীমা নোহোৱাকৈ সৰ্বপ্ৰকাৰ সহায় আৰু ভাত্তা বঢাই দি, ৰাজহুৱা ভৱনবিলাকু বলেৰে দখল কৰিবলৈ সিহঁতে জনগণক প্ৰৰোচনা দিছে আৰু ইচ্ছামতে ৰাষ্ট্ৰীয় ধনৰ অপচয় ঘটাইছে। বুৰ্জোৱা প্ৰতিক্ৰিয়াশীল নীতি অনুসৰণ কৰাৰ বাটত এইবোৰেই সাংহাই নগৰ-পালিকা পাৰ্টি-কমিটিৰ নীতি।

ধনতান্ত্ৰিক বাটৰ অনুগামী পাৰ্টিৰ কেইজনমান শিৰফুটা লোকৰ এই নীচ বিশ্বাসঘাতী পথ অনুকৰণ কৰাৰ একমাত্ৰ উদ্দেশ্য আছিল :

(১) সৰ্বহাৰাৰ মহান সাংস্কৃতিক বিপ্লৱক হেয় কৰি সিহঁতে সিহঁতৰ উদ্দেশ্য-সিদ্ধিৰ বাবে চেয়াৰম্যান মাও আৰু পাৰ্টি-কমিটিৰ বিৰুদ্ধে থিয় দি, অন্তৰ্ঘাতমূলক কামৰ যোগেদি উৎপাদন ব্যাহত কৰি, যান-বাহন ব্যৱস্থাক বিপৰ্য্যস্ত কৰি, জাতীয় অৰ্থ আৰু জনগণৰ জীৱিকাৰ ক্ষতিসাধন কৰা।

(২) অৰ্থনৈতিক সুবিধাৰ সুযোগত জনগণৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক সংগ্ৰামৰ চেষ্টাক আওবটীয়া কৰি, অৰ্থনৈতিক সংগ্ৰামক বিপথগামী কৰি আৰু একে সময়তে বৈষয়িক লাভ, প্ৰলোভন আদিৰে জনগণৰ বৈপ্লৱিক চেতনাক কলুষিত কৰি শান্তিপূৰ্ণ উত্তৰণৰ পথ পৰিষ্কাৰ কৰিবলৈ আৰু বুৰ্জোৱা ভাবধাৰাৰ অবাধ বিকাশ লাভত অৰিহণা যোগাবলৈ সিহঁতে আৰ্থিক সুবিধা দিয়াৰ সুযোগ লৈছে।

গতিকে, আমি সাংহাই নগৰ-পালিকা পাৰ্টি-কমিটিক সঁকীয়াই দিব খুজিছোঁ যে, উৎপাদনৰ ক্ষতি সাধন কৰি, যোগাযোগ বিচ্ছিন্ন কৰি, দৰমহা বঢ়াই আৰু আৰ্থিক সুবিধা দিয়াৰ যি ষড়যন্ত্ৰ জনগণৰ মনোযোগক সংগ্ৰামৰপৰা বিচ্যুত কৰিব খুজিব সেই ষড়যন্ত্ৰ কোনোদিনেই সফল হৈ নুঠিব। মাও চে তুঙৰ চিন্তাধাৰাত অস্ত্ৰসজ্জিত বৈপ্লৱিক চেতনা সম্পন্ন বিদ্ৰোহীসকলে এই ষড়যন্ত্ৰৰ মুখা টানি খুলি পেলাব আৰু বুৰ্জোৱা প্ৰতিক্ৰিয়াশীল চিন্তাধাৰাৰ আক্ৰমণক কঠোৰভাৱে ভেটিব। আমি চেয়াৰম্যান মাও-নিৰ্দেশিত বিপ্লৱী চিন্তাত অবিচল থাকি নিশ্চিন্ত ভাবে উৎপাদন বৃদ্ধিৰ নীতিক কামত খটুৱাই একালে মহান প্ৰলেতাৰিয়েত সাংস্কৃতিক বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিম, আনফালে নিৰ্মাণ আৰু উৎপাদনৰ ঠাইসমূহত অবিচল থাকিম। দৈনিক আঠ ঘণ্টাকৈ কাম কৰিম, উৎপাদন-পৰিকল্পনাক সফল কৰি তুলিম, আনকি অতিক্ৰম কৰিম আৰু উচ্চমানৰ উৎপাদন কৰাৰ বাবে আমাৰ সৰ্বশক্তি প্ৰয়োগ কৰিম। আমি বিশ্বাস কৰোঁ যে, মহান সমাজতান্ত্ৰিক মাতৃভূমিৰ প্ৰতি বিপ্লৱী কৰ্মীসকলৰ গভীৰ ৰাজনৈতিক কৰ্তব্য আছে। তেওঁলোকে জনগণৰ স্বাৰ্থক সৰ্বোপৰি আৰু সৰ্বাগ্ৰে স্থান দিব বুলি আশা কৰিব পাৰি। ৰাষ্ট্ৰৰ সৰ্বাংগীণ স্বাৰ্থৰ কথা বিবেচনা কৰি তেওঁলোকে ওপৰোক্ত সমস্যাসমূহৰ সঠিক সমাধান কৰি উৎপাদনত আৰু সাংস্কৃতিক বিপ্লৱৰ এই উভয় ক্ষেত্ৰতে বিজয় লাভ কৰিব।

সামাজিক উৎপাদনত সাংহাই মিউনিছিপ্যাল পাৰ্টি কমিটিয়ে সৃষ্টি কৰা সংকটৰ মোকাবিলা কৰিবলৈ আমি সকলো চহৰ-নগৰৰ বিপ্লৱী বিদ্ৰোহী সমযোদ্ধা সকলৰ ওচৰলৈ আবেদন জ্ঞাপন কৰিছোঁ।

ক] শ্ৰমিকসকলে, বিপ্লৱী বিদ্ৰোহী বাহিনীৰ ছাত্ৰ আৰু কৰ্মীসকলে, চেয়াৰম্যান মাও-নিৰ্দেশিত বিপ্লৱৰ বাটত অবিচল থাকি, 'উৎপাদন বঢ়োৱা' নীতিক দৃঢ়তাৰে সুসম্পন্ন কৰি মহান সাংস্কৃতিক বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিব

আৰু একে সময়তে তেওঁলোকৰ উৎপাদনক ত্বৰান্বিত কৰি তুলি 'বিপ্লৱত অবিচল থাকা, উৎপাদন বঢ়োৱা' এই নীতিৰ এক আদৰ্শ দৃষ্টান্ত স্থাপন কৰিব।

খ] যিসকল শ্ৰমিক, কৰ্মী আৰু অন্যান্য প্ৰতিষ্ঠানৰ কৰ্মী আৰু ন-শিকাৰু সকলে বিপ্লৱী অভিজ্ঞতাৰ আদান-প্ৰদানৰ বাবে সাংহাইৰ পৰা দেশৰ অন্যান্য ঠাইলৈ গৈছে, তেওঁলোকক বুজাই-বৰাই দ্ৰুতগতিত সাংহাইলৈ ঘূৰাই আনিবলৈ, তেওঁলোকৰ নিজস্ব সংস্থাসমূহত সাংস্কৃতিক বিপ্লৱ সফলভাৱে আগ বাঢ়িব পৰাকৈ আৰু ১৯৪৭ চনৰ পৰিকল্পিত উৎপাদন-মাত্ৰাক চেৰাই যাব পৰাকৈ দেশৰ সকলো বিপ্লৱী-বিদ্ৰোহী সকললৈ তেওঁলোকে আবেদন জনোৱা উচিত।

গ] অতীতত যিবোৰ ছাৰ্টিফিকেটৰ বলত নানাবিধ প্ৰতিষ্ঠান আৰু উদ্যোগৰ কৰ্তৃস্থানীয় ব্যক্তিসকলে দেশৰ অন্যান্য ঠাইত বিপ্লৱী অভিজ্ঞতাৰ আদান-প্ৰদানৰ বাবে কিছুমান মানুহক অধিকাৰ প্ৰদান কৰিছে—এই দলিল প্ৰকাশিত হোৱাৰ দিনৰপৰা সেইবোৰ ছাৰ্টিফিকেট বে-আইনী বুলি ঘোষিত হ'ব। বৈপ্লৱিক অভিজ্ঞতাৰ আদান-প্ৰদানৰ খৰচৰ বাবে (বাট খৰচ বাদে) যি বিৰাট অংকৰ টকা দিয়া হৈছে, এই টকা ঘূৰাই দিবলৈ এইবোৰ কৰ্তা-ব্যক্তিক বাধ্য কৰা উচিত (আৱশ্যক হ'লে কিস্তিবন্দীভাৱে পৰিশোধ্য)।

ঘ] এই দলিল প্ৰকাশিত হোৱাৰ দিনৰপৰা উৎপাদন, বেতন, সাংস্কৃতিক বিপ্লৱ, অফিছ-পৰিচালনা আৰু অন্যান্য যথোপযুক্ত উদ্দেশ্য বাদেও সকলো চৰকাৰী অফিছ-উদ্যোগ আৰু সংস্থাৰ ছাৰ্কুলেটিং কাণ্ডৰ টকা আদায় বন্ধ (ফ্ৰিজ) হৈ থাকিব। এই নিয়ম মিউনিছিপ্যাল স্তৰত কাৰ্য্যকৰী কৰিব অৰ্থনৈতিক প্ৰতিষ্ঠানসমূহে আৰু অন্যান্য সকলো ক্ষেত্ৰত বিপ্লৱী-বিদ্ৰোহী কমিটি আৰু বিপ্লৱী জনগণৰ যৌথ পৰিচালনাত—যাতে ৰাষ্ট্ৰৰ অৰ্থনীতি ক্ষতিগ্ৰস্ত নোহোৱাৰ নিশ্চয়তা থাকে (এই নিয়ম ব্যক্তিগত সঞ্চয়ৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়)।

ঙ] সংগ্ৰামৰ সাধাৰণ গতিমুখক আওবটীয়াকৈ পৰিচালনা কৰাৰ চেষ্টাক প্ৰতিৰোধ কৰিবলৈ বেতন-পুনৰ্বিন্যাস, বাকী থকা পাৰিশ্ৰমিক পৰিশোধ, বৈষয়িক সুযোগ-সুবিধা সংক্ৰান্ত বিষয়সমূহ নীতিগতভাবে আন্দোলনৰ পৰৱৰ্তী পৰ্য্যায়ত বিবেচনা কৰা হ'ব (কেন্দ্ৰীয় কৰ্তৃপক্ষক সুধি বিশেষ বিশেষ ব্যৱস্থা লোৱা হ'ব)।

চ] ছাত্ৰসকলৰ বিশ্ব-দৃষ্টিভংগীক সলনি কৰিবলৈ আৰু সাংস্কৃতিক বিপ্লৱক সফলভাবে আগ বঢ়াই লৈ যাবলৈ ছাত্ৰ, শ্ৰমিক আৰু কৃষক-সংহতিয়েই একমাত্ৰ অনিবাৰ্য্য পথ। ছাত্ৰসকলৰ বিৰুদ্ধে শ্ৰমিকসকলৰ মাজত অসন্তোষ সৃষ্টি কৰাৰ

বাবে, শ্ৰমিক-ছাত্ৰ সংহতিক বিনষ্ট কৰাৰ বাবে, আৰু ছাত্ৰসকলৰ মাজত 'শান্তিপূৰ্ণ উত্তৰণ' নীতিৰ প্ৰচলন কৰাৰ বাবে কৰ্তৃস্থানীয় কেইজনমান মানুহে ইমান দূৰলৈ আগ বাঢ়িছে যে, তেওঁলোকে ছাত্ৰসকলক পাৰিশ্ৰমিক হিচাপে তুলনামূলকভাৱে শ্ৰমিকসকলতকৈ অধিক দৰমহা দিছে। ই এক পূৰাপূৰি শোধনবাদী নীতি আৰু এই বিজ্ঞপ্তি প্ৰকাশিত হোৱাৰ দিনৰপৰা এই নিয়ম বন্ধ কৰি দিয়া উচিত।

ছ] পুঁজিবাদীসকলৰপৰা বাজেয়াপ্ত কৰা ৰাজহুৱা-ভৱন আৰু অট্টালিকা-সমূহৰ আটাইবোৰেই জনগণৰ সম্পত্তি আৰু আন্দোলনৰ পৰবৰ্তী পৰ্য্যায়ত ৰাষ্ট্ৰই এইবিলাকক একে নীতিৰে পৰিচালনা কৰিব। কোনো ৰাজহুৱা-ভৱন কোনো ব্যক্তিয়েই জোৰ-জুলুম কৰি অধিকাৰ কৰিব নোৱাৰিব। পাব্লিক ছিকিউৰিটি ব্যুৰ'ই অনুসন্ধান কৰি এই বিষয়ত দোষী লোকসকলক শাস্তি বিহিব। এইবোৰ ৰাজহুৱা ভৱন দখল কৰিবলৈ যিহঁতে জনসাধাৰণক প্ৰৰোচিত কৰিব, অপৰাধৰ গুৰুত্ব অনুসাৰে আইন অনুযায়ী সিহঁতক দণ্ড বিহা হ'ব। যিহঁতে জোৰ-জবৰদস্তি কৰি এইবোৰ ভৱনত সোমাইছে, সিহঁতে অৱশ্যেই এইবোৰ ভৱন পৰিত্যাগ কৰি এসপ্তাহৰ ভিতৰত নিজা নিজা ঘৰলৈ গুচি যাব লাগিব।

জ] সৰ্বহাৰাৰ এক-নায়কত্বক বলীয়ান কৰা। যিহঁতে চেয়াৰম্যান মাও আৰু পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ অধীনত সাংস্কৃতিক বিপ্লব-পৰিচালক মণ্ডলীৰ বিৰোধিতা কৰিব আৰু যিহঁতে মহান সাংস্কৃতিক বিপ্লৱলৈ তুচ্ছতা প্ৰদৰ্শন কৰিব, বা উৎপাদন ব্যাহত কৰিব, পাব্লিক ছিকিউৰিটি ব্যুৰ'ই আইন অনুসাৰে সিহঁতক তৎক্ষণাৎ গ্ৰেপ্তাৰ কৰিব। যিহঁতে আন্দোলন চলি থকা অৱস্থাত সামাজিক শৃংখলা লংঘন কৰিব, জনসাধাৰণক মাৰ-পিট কৰিব, নৃশংস কাম কৰিব, লুট-পাট বা চুৰি-ডাবি কৰিব, অপৰাধৰ গুৰুত্ব অনুসাৰে আইন অনুযায়ী সিহঁতৰ বিৰুদ্ধে ব্যৱস্থা হাতত লোৱা হ'ব। অপহৃত বস্তু-সামগ্ৰী অনতিপলমে ঘূৰাই দিব লাগিব। যিহঁতে বাৰে বাৰে এইবোৰ অপৰাধ কৰি থাকিব, বা বাৰে বাৰে শিক্ষা দিয়া সত্ত্বেও নিজক শুধৰাই নল'ব সিহঁতক কঠোৰ দণ্ড বিহা হ'ব।

ঝ] বিভিন্ন সন্থাৰ বিপ্লৱী সংগঠন সমূহে আৰু চহৰৰ বিপ্লৱী জনগণে উপৰিউক্ত নিৰ্দেশসমূহ অনতিপলমে কাৰ্য্যকৰী কৰিব আৰু এইবোৰৰ প্ৰচাৰৰ বাবে আৰু লগতে জনশিক্ষাৰ বাবে সকলো প্ৰকাৰৰ প্ৰচাৰৰ আহিলাসমূহক কামত লগাব বুলি আশা কৰা হৈছে।

এঞ] মিউনিছিপ্যাল পার্টি-কমিটি আৰু পাব্লিক ছিকিউৰিটি ব্যুৰ'ক ওপৰোক্ত নিৰ্দেশনামা সমূহক কামত পৰিণত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই নিৰ্দেশৰ বিৰুদ্ধে যিহঁতে কাম কৰিব, উপযুক্ত অনুসন্ধানৰ পাছত মহান সাংস্কৃতিক বিপ্লৱক হেয় কৰাৰ বাবে সিহঁতক অবিলম্বে শাস্তি দিয়া হ'ব।

৯ জানুৱাৰি ১৯৬৭ — সাংহাই শ্ৰমিক বিপ্লৱী বিদ্ৰোহী সদৰ দপ্তৰ আৰু আন ৩১টা বিপ্লৱী গণ-সংগঠন।

পিকিং অপেৰা-বিপ্লৱ প্ৰসংগত

চিয়াং চিং

আপোনালোকে যি উৎসৱৰ বাবে ইমান শ্ৰম কৰিছে, সেই উৎসৱৰ বাবে মই আপোনালোকলৈ অভিনন্দন জনাইছোঁ। পিকিং অপেৰা-বিপ্লৱৰ ক্ষেত্ৰত এয়ে প্ৰথম সংগঠিত প্ৰয়াস। এই প্ৰয়াসে আশাব্যঞ্জক ফলপ্ৰসূতা অৰ্জন আৰু অপেক্ষাকৃত সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিব।

সাম্প্ৰতিক বিপ্লৱী বিষয়বস্তু অৱলম্বনত প্ৰযোজিত পিকিং অপেৰা অধুনা মঞ্চস্থ হৈছে। কিন্তু আমি আটায়েই ইয়াক একে দৃষ্টিৰে দেখিছোঁ নে? এতিয়াই এই কথাষাৰৰ খাটাং উত্তৰ দিবপৰা সময় হৈছে বুলি মই নাভাবোঁ।

সাম্প্ৰতিক বিপ্লৱী বিষয়বস্তু সমন্বিত পিকিং অপেৰাৰ এই প্ৰযোজনাৰ প্ৰতি আমি অটুট আস্থা প্ৰদৰ্শন কৰা আৱশ্যক। কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত পৰিচালিত আমাৰ সমাজতান্ত্ৰিক দেশত ইতিহাসৰ প্ৰকৃত স্ৰষ্টাসকলে আৰু দেশৰ প্ৰকৃত ধৰণী শ্ৰমিক, কৃষক আৰু সৈনিক সকলৰ অধিকাৰ মঞ্চত মুখ্য ভূমিকাত প্ৰতিষ্ঠা নোপোৱাটো অকল্পনীয় কথা। আমাৰ সমাজতান্ত্ৰিক-অৰ্থ নৈতিক ভেটিক সুৰক্ষিত কৰিব পৰা পসাহিত্য আৰু শিল্পকলাৰ সৃষ্টিয়েই আমাৰ কৰ্তব্য। নয়া ৰূপায়ণ সম্পৰ্কে অমোৰ যেতিয়া স্পষ্ট ধাৰণা নাই, তেতিয়া সেই স্পষ্টতা আৰ্জিবলৈ আমি সাধ্যানুসৰি চেষ্টা কৰা কৰ্তব্য। প্ৰসংগক্ৰমে আপোনালোকৰ সূত্ৰ সন্ধানৰ বাবে মই দুই ধৰণৰ কিছুমনে পৰিসংখ্যান দাঙি ধৰিব খুজিছোঁ। মোৰ ওচৰত এইবোৰ সংখ্যা বেদনাদায়ক।

প্ৰথম পৰ্য্যায় হ'ল এয়ে যে: মোটামুটি এটা হিচাপ অনুসাৰে এই দেশত অ-বৃত্তিজীবি দল আৰু অনমুমোদিত সংস্থা বাদে ৩০০০ নাট্য-সংস্থা আছে। এইবোৰৰ মাজত নব্বৈটা মান বৃত্তি জীৱি আধুনিক নাট্য-সংস্থা, কম-বেছি আশীটা সাংস্কৃতিক দল আৰু বাদবাকী দুই হাজাৰ আঠশতকৈও অধিক সংখ্যক সংস্থাই নানা ধৰণৰ অপেৰা-আৰু গীতি-আলেখ্য মঞ্চস্থ কৰি চলিছে। আমাৰ অপেৰা-মঞ্চ সম্ৰাট, যুৱৰাজ, সেনাপতি, মন্ত্ৰী, বিদ্যাবাগীশ আৰু অপেশ্বৰীহঁতেৰে অধিকৃত

আৰু এইবোৰৰ ওপৰিও আছে ভূত-প্ৰেত, দৈত্য-দানহৰ সমদল। আগতে উনুকিয়াই অহা নবৈবটা আধুনিক নাট্য-সম্ভাৰ আটাই কেউটিয়েই কিন্তু অপৰিহাৰ্য্য ভাবে শ্ৰমিক, কৃষক আৰু সৈনিকহঁতক ৰূপায়িত নকৰে। তেওঁলোকেও পূৰ্ণাংগ নাটক, বিদেশী নাটক আৰু পৌৰাণিক নাধক মঞ্চস্থ কৰাতহে গুৰুত্ব আৰোপ কৰে।

গতিকে আমি ক'ব পাৰোঁ যে, আধুনিক নাটমঞ্চও পুৰণি দিনৰ চীনা আৰু বিদেশী প্ৰতিমূৰ্তিয়েই অধিকাৰ কৰি ৰাখিছে। থিয়াটাৰ হ'ল জনশিক্ষাৰ আহিলা। কিন্তু বৰ্তমান মঞ্চত সম্ৰাট, ৰাজকোঁৱৰ, সেনাপতি, মন্ত্ৰী, বিদ্যাৰ্ণৱ আৰু অপেশ্বৰীহঁতৰ সামন্তীয় আৰু বুৰ্জোৱা উপাদানৰ আধিপত্য দেখা গৈছে। এই পৰিস্থিতিয়ে আমাৰ অৰ্থনৈতিক বুনিয়াদক সুৰক্ষিত কৰিব নোৱাৰে, বৰঞ্চ তলে তলে ক্ষতিগ্ৰস্ত কৰে।

• আৰু, দ্বিতীয় পৰ্যায়ৰ সংখ্যা হ'ল এয়ে :

আমাৰ দেশত ষাঠি কোটিতকৈও বেছি শ্ৰমিক, কৃষক আৰু সৈনিকৰ বসবাস। আনহাতে জমীদাৰ, চহকী খেতিয়ক, প্ৰতি-বিপ্লৱী, নোমটেওঁৱ, সোঁপন্থী আৰু বুৰ্জোৱাহঁত ইয়াত এমুঠি মান হে। আমি এই এমুঠিমানকে সেৱিম, নে ষাঠি কোটিক সেৱিম ? এই প্ৰশ্নটো মাথোন কমিউনিষ্টসকলৰেই নহয়, দেশক ভালপোৱা সাহিত্য আৰু শিল্পকৰ্মীসকলৰো বিবেচ্য। আমি যি খাদ্য-শস্য আহাৰ কৰোঁ, সেই খাদ্য-শস্য কৃষকসকলেই মূৰৰ ঘাম মাটিত পেলাই উৎপাদন কৰোঁ—এই আটাইবোৰেই শ্ৰমিকে তৈয়াৰ কৰা , আৰু আমাৰ স্বাৰ্থতেই গণ-মুক্তি ফৌজ জাতীয় প্ৰতিৰক্ষাৰ সীমান্ত-প্ৰহৰী। তথাপি, আমি কিন্তু তেওঁলোকক ৰংগমঞ্চত ৰূপায়িত নকৰোঁ। মই সবিনয়ে সুধিব পাৰোঁনে, আপোনালোকে, শিল্পীসকলে কোন শ্ৰেণীৰ ভূমিকা লৈছে ? আৰু আপোনালোকে হৰ্‌ৱথ্‌ত যি বচন আওৰায়, সেই শিল্পীৰ 'বিবেক' বোলা বস্তুটো কেনি গ'ল ?

বিপ্লৱী সমকালীন বিষয়বস্তু পৰিবেশন কৰাটো পিকিং অপেৰাৰ পক্ষে বৰ নিজঞ্জাল কাম নহ'ব। দুৰ্ঘটনা নিশ্চয় ঘটিব। কিন্তু মই আগতে উনুকিয়াই অহা দুই পৰ্য্যায়ৰ পৰিসংখ্যা আপোনালোকে সতৰ্কভাবে বিচাৰ-বিবেচনা কৰি চালে হয়তো দুৰ্ঘটনা নঘটিবও পাৰে, বা অন্ততঃপক্ষে দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস পাব পাৰে। দুৰ্ঘটনা ঘটিলেও কোনো কথা নাই। ইতিহাসৰ গতি সদায়েই একাবেঁকা , কিন্তু তাৰ চকৰিক কেতিয়াও ঘোঁৰকাব নোৱাৰি। চীন-গণৰাষ্ট্ৰ

প্ৰতিষ্ঠাৰ কালবেপৰাই পোন্ধৰ বছৰ জোৰা বাস্তৱ জীৱনক যিয়ে প্ৰতিবিম্বিত কৰে, যিয়ে আমাৰ অপেৰা-মঞ্চত সমকালীন বিপ্লৱী বীৰৰ প্ৰতিমূৰ্তি সৃষ্টি কৰে, সাম্প্ৰতিক বিপ্লৱী বিষয়বস্তু অৱলম্বনত প্ৰযোজিত সেই পিকিং অপেৰাৰ ওপৰত আমি গুৰুত্ব আৰোপ কৰিম। ই আমাৰ প্ৰাথমিক কৰ্তব্য। আমাক ঐতিহাসিক অপেৰা নলগা নহয়। বৰ্তমান উৎসৱৰ অনুষ্ঠান সূচীত ঐতিহাসিক অপেৰাৰ অনুপাত কম নহয়। আমাৰ পাৰ্টিৰ জন্মৰ আগৰ জনগণৰ জীৱন আৰু সংগ্ৰামক ৰূপায়িত কৰা ঐতিহাসিক অপেৰাও নিশ্চয় আৱশ্যক। অধিকন্তু, প্ৰকৃত ঐতিহাসিক বস্তুবাদৰ দৃষ্টিকোণ লৈ ৰচিত আৰু বৰ্তমানৰ সেৱাত নিয়োজিত কৰিব পৰা অতীতৰ গৰিমামূলক ঐতিহাসিক অপেৰা প্ৰযোজনাৰ প্ৰয়াসলৈ আমি উৎসাহ প্ৰদৰ্শন কৰাটোও অত্যাৱশ্যক। অৱশ্যে, মুখ্য কৰ্তব্য (অৰ্থাৎ সমসাময়িক জীৱনৰ ৰূপায়ণ আৰু শ্ৰমিক, কৃষক আৰু সৈনিকসকলৰ প্ৰতিমূৰ্তি সৃষ্টি) সম্পাদনৰ ধাৰা যাতে ব্যাহত নহয়, মাথোন সেই চৰ্ততেহে ঐতিহাসিক অপেৰা আ'শ্ব হাতত লোৱা উচিত। কথাটো কিন্তু এনে নহয় যে—আমাক প্ৰথাগত অপেৰা নালাগে। যিবোৰ ভূত-প্ৰেত সম্পৰ্কিত আৰু আত্মসমৰ্পণ আৰু বিশ্বাসঘাতকতাৰ প্ৰশংসাসূচক, সেইবোৰ বাদে সকলো ভাল ঐতিহ্যানুসৃত অপেৰা মঞ্চস্থ কৰিব পাৰি। কিন্তু সাবধানতাৰে পুনঃসম্পাদিত আৰু পুনৰ্মাৰ্জিত নকৰিলে এইবে'ৰ প্ৰথাগত অপেৰা চোৱা দৰ্শকৰে অভাৱ হৈ পৰিব। মই দুবছৰতকৈও অধিক দিন ধৰি নিয়মিতভাৱে থিয়েটাৰ চাইছোঁ আৰু যুগপৎ অভিনেতা আৰু দৰ্শক সম্পৰ্কে মোৰ পৰ্যবেক্ষণেই মোক এই সিদ্ধান্ত পোৱাইছেহি। ভৱিষ্যতত প্ৰথাগত অপেৰাৰ পুনঃ সম্পাদন আৰু পুনৰ্মাৰ্জন নিশ্চয় আৱশ্যক কিন্তু এই কাৰ্য্যই কোনো পধ্যেই আমাৰ প্ৰকৃত কৰ্তব্যৰ স্থান অধিকাৰ নকৰে যেন।

এতিয়া, ক'ৰপৰা আৰম্ভ কৰিব লাগিব, মই সেই প্ৰশ্নটো লৈ আলোচনা কৰিম।

মোৰ ধাৰণা, আচল প্ৰশ্ন হ'ল, আপোনালোকে নাটক পাব লাগিব। আপোনালোকৰ যদি পৰিচালক আৰু অভিনেতা থাকে আৰু যদি নাটক নাথাকে, তেনেহলে পৰিচালনা বা অভিনয় কৰিবলৈ একোৱে নাথাকিল। মানুহে যোৱা মতে, নাটকেই হ'ল থিয়াটাৰ প্ৰযোজনাৰ ভিত্তি। মোৰ ধাৰণা, এই কথাষাৰ সম্পূৰ্ণ সঁচা। এতেকে সৃষ্টিধৰ্মী ৰচনাৰ প্ৰতি মনোযোগী হ'বই লাগিব।

যোৱা কেই বছৰ ধৰি নতুন নাটক ৰচনাই বাস্তৱ জীৱনতকৈ বহুখিনি পাছপৰা

হৈ আছে। আনকি পিকিং অপেৰা সম্পৰ্কে এই কথা অধিকতৰ সত্য। নাট্যকাৰৰ সংখ্যা কম আৰু জীৱন সম্পৰ্কে অভিজ্ঞতাৰ অভাৱো আছে তেওঁলোকৰ। গতিকে কোনো ভাল নাটক সৃষ্টি হোৱা যে নাই—এয়েই স্বাভাৱিক কথা। নেতৃত্ব, নাট্যকাৰ আৰু জনগণ—এই তিনিওটা পথৰ সমন্বয়েই হ'ল সৃষ্টিশীল ৰচনাৰ সমস্যা সমাধানৰ সঁচাৰকাঠী। 'দক্ষিণ সাগৰৰ পোনে পোনে বিৰাট প্ৰাচীৰ' (Great wall Along the Southern Sea) নাটকখন কেনেদৰে ৰচিত হৈছে সেই কথা মই চালি-জাৰি চাইছোঁ আৰু তেওঁলোকে ঠিক এইদৰেই কৰিছে। প্ৰথমতে, নেতৃত্বই বিষয়বস্তু উপস্থাপিত কৰিলে। তাৰ পাছত, নাট্যকাৰে জীৱনৰ অভিজ্ঞতা সঞ্চয় কৰিবলৈ সামৰিক কৰ্ম-কাণ্ডত অংশ গ্ৰহণ কৰিলে। নাটকখন যেতিয়া লেখা হ'ল, কোৱাংচো বাহিনীৰ বহুতো নেতৃস্থানীয় সদস্যই নাটকখনৰ ওপৰত আলোচনাত অংশ গ্ৰহণ কৰিলে আৰু তাৰ পাছত চলি থাকিল আখৰা। ব্যাপক ভাৱে মতামত সংগৃহীত হ'ল আৰু বহুতো সংশোধন কৰা হ'ল। এইদৰে নিৰৱচ্ছিন্নভাৱে মতামত গ্ৰহণ আৰু অবিৰাম সংশোধন কৰাৰ ফলত তেওঁলোকে অতি কম সময়ৰ মাজতেই বাস্তৱ জীৱনক প্ৰতিফলিত কৰা এখন উচ্চস্তৰৰ সমসাময়িক নাটকৰ প্ৰযোজনাত সফল হ'ল। সাংহাই মিউনিছিপ্যাল কমিটিৰ ক্ষেত্ৰত কমৰেড কো চিং শি স্বয়ং সৃষ্টিশীল ৰচনাৰ সমস্যাৰ গুৰিবঠা ধৰিলে। এই সমস্যা সমাধানৰ বাবে উপযুক্ত কৰ্মীসকলক নিযুক্ত কৰাটো সকলো অঞ্চলৰ অৱশ্যকৰণীয় কাম।

তথাপি, বিশেষকৈ পিকিং অপেৰাৰ বাবে নাটক ৰচনা কৰা সামগ্ৰিকভাৱে টান কাম হ'ব। কিন্তু এই কাম কৰিবলৈ এতিয়া আমাক মানুহ লাগে। প্ৰথমেই, তেওঁলোকক অৱশ্যেই কিছুমান বিশেষ ধৰণৰ প্ৰশিক্ষণ দিব লাগিব আৰু তাৰ পাছত তেওঁলোকে জীৱনৰ অভিজ্ঞতাৰ সমল গোটাবলৈ ওলাব লাগিব। তেওঁলোকে চুটি চুটি নাটক ৰচনাৰ যোগেদি আৰম্ভ কৰিব পাৰে আৰু ক্ৰমশঃ পূৰ্ণাংগ অপেৰা ৰচনা কৰিব পাৰে। ৰচনা নিখুঁত হ'লে, চুটি হ'লেও আপত্তি নাই।

সৃষ্টিশীল ৰচনাৰ ক্ষেত্ৰত নতুন শক্তিৰ কৰ্ষণ অৱশ্যেই কৰিব লাগিব। তেওঁলোকক একেবাৰে মূল স্তৰত কাম কৰাৰ বাবে পঠিয়াই দিয়ক, তিনিৰপৰা পাঁচ বছৰৰ ভিতৰত তেওঁলোক বিকশিত হৈ উঠিব, ফলৱান উঠিব।

• ভাল নাটক পোৱাৰ আন এটা উপায় হ'ল অভিযোজনা।

অভিযোজনাৰ বাবে নাটকীয় উপকৰণসমূহ সতৰ্কতাৰে নিৰ্বাচন কৰিব লাগিব। প্ৰথমতে, আমি চাব লাগিব যে, ৰাজনৈতিক কালৰ পৰা সেইবোৰ ভাল হয় নে নহয়। দ্বিতীয়তে, সেইবোৰ সংশ্লিষ্ট অৱস্থাৰ উপযোগী হয় নে নহয়। অভিযোজনাৰ সময়ত মূলৰ গভীৰ বিশ্লেষণ কৰি চাব লাগিব, তাৰ ভাল সূত্ৰবোৰ সুদৃঢ় কৰিব লাগিব, আৰু তাৰ দুৰ্বল সূত্ৰবোৰক উন্নত কৰি তুলিব লাগিব। পিকিং অপেৰাৰ বাবে অভিযোজনাৰ ক্ষেত্ৰত দুটা বিষয়লৈ দৃষ্টি দিব লাগিব। একালে অভিযোজনাক নৃত্য-গীত সমন্বিত হৈ পিকিং অপেৰাৰ চৰিত্ৰৰ সৈতে সামঞ্জস্যপূৰ্ণ হ'ব লাগিব আৰু বচনসমূহ হ'ব লাগিব পিকিং অপেৰাৰ সুৰ-মূৰ্চ্ছনাৰ উপযোগী। ব্যৱহৃত ভাষা হ'ব লাগিব পিকিং অপেৰাৰ ভাষা। নহ'লে অভিনেতাসকলে সেই গান গাব নোৱাৰিব। আনহাতে, অভিনেতাসকলৰ লগত অত্যধিক আপোচ কৰা উচিত নহব। এখন অপেৰাত দৃঢ়সংবদ্ধ পৰিচ্ছন্ন কাহিনী আৰু চিত্তাকৰ্ষক চৰিত্ৰ থাকিবই লাগিব। কিছুমান অভিনেতাক মুখ্য ভূমিকা দিয়াৰ বাবে সমগ্ৰ কোনো প্ৰকাৰেই ঢিলা-সোপা কৰাটো উচিত নহ'ব।

পিকিং অপেৰাই শৈল্পিক অতিৰঞ্জন ব্যৱহাৰ কৰে। এই অপেৰাই সদায় প্ৰাচীন কাল আৰু তাহানিৰ মানুহক ৰূপায়িত কৰে। গতিকে, পিকিং অপেৰাৰ পক্ষে নেতিবাচক চৰিত্ৰৰ ৰূপায়ণ অপেক্ষাকৃত সহজ আৰু কিছুমান মানুহক এনেকুৱা অপেৰাহে লাগে। পক্ষান্তৰে, ইতিবাচক চৰিত্ৰ-সৃষ্টি অতি কঠিন তথাপি, অগ্ৰণী বিপ্লৱী বীৰ চৰিত্ৰ সৃষ্টি আমি কৰিবই লাগিব। সাংহাই প্ৰযোজিত 'শত্ৰুৰ ঘাঁটি দখল' (Taking the Bandits Stronghold) অপেৰাৰ মূল ৰচনাত নেতিবাচক চৰিত্ৰসমূহ লেৰেলা নীৰস বুলি বোধ হৈছিল। নেতৃত্বই প্ৰত্যক্ষ পৰামৰ্শ দিয়াৰ ফলত এই অপেৰাৰ বিশেষ উৎকৰ্ষ সাধিত হৈছে (এই ভূমিকাত অভিনয় কৰা শিল্পীজনে খুব ভাল অভিনয় কৰে)। কিন্তু গণমুক্তি ফৌজৰ মানুহ ইয়াং জু কং আৰু শাও চিয়েন পো-ৰ ভূমিকাক বেছি প্ৰাধান্য দিয়া দিয়া হৈছে, যাৰ ফলত নেতিবাচক চৰিত্ৰবিলাকৰ ৰূপ তুলনামূলকভাবে ম্লান পৰি গৈছে। এই অপেৰাখন সম্পৰ্কে যে বিভিন্ন মত আছে সেই কথা কোৱা হৈছে। এই বিষয়ৰ ওপৰত বিতৰ্ক চলিব পাৰে। আপোনালোকে বিবেচনা কৰি চাব লাগিব যে আপোনালোক কাৰ ফলীয়া। আপোনাক ইতিবাচক চৰিত্ৰৰ ফলীয়া হ'ব, নে নেতিবাচক চৰিত্ৰৰ ফলীয়া হ'ব? আগতেই কৈছোঁ, ইতিবাচক

চৰিত্ৰ ৰূপায়ণৰ বিৰোধিতা কৰা মানুহ এতিয়াও নথকা নহয়। ই ভুল। সদায় সৎ মানুহেই সংখ্যাগৰিষ্ঠ। ই মাথোন আমাৰ সমাজতান্ত্ৰিক দেশৰ ক্ষেত্ৰতেই সঁচা নহয়, আনকি সাম্ৰাজ্যবাদী দেশতো, য'ত সংখ্যাগৰিষ্ঠ হ'ল মেহনতী মানুহ, তাতো সঁচা। সংশোধনবাদী দেশতো সংশোধনবাদীসকল সংখ্যালঘু। জনগণক শিক্ষিত আৰু অনুপ্ৰেৰিত কৰিবলৈ, তেওঁলোকক আগ বঢ়াই নিবলৈ, অগ্ৰণী বিপ্লৱী সকলৰ শিল্পমূৰ্তি ৰচনা কৰাৰ ওপৰত আমি গুৰুত্ব আৰোপ কৰা উচিত। আমাৰ বিপ্লৱী সমসাময়িক বিষয়বস্তু সমন্বিত অপেৰা প্ৰযোজনাৰ উদ্দেশ্য হ'ল প্ৰধানতঃ ইতিবাচক চৰিত্ৰসমূহক মহিমামণ্ডিত কৰা। আন্তঃমোংগলীয় আৰ্ট থিয়াটাৰৰ পিকিং অপেৰা দল অভিনীত 'তৃণভূমিত সৰু বীৰ ভনীহঁত' (Little Heroic Sisters on the Grassland) অপেৰাখন খুব ভাল। দুজনী সৰু বীৰাংগনাৰ কালজয়ী কৰ্মৰ দ্বাৰা অনুপ্ৰাণিত হৈ নাট্যকাৰে বিপ্লৱী আবেগৰে সৈতে এই অপেৰাৰ পাণ্ডুলিপি ৰচিছে। এই অপেৰাৰ মাজৰছোৱা অতি মৰ্মস্পৰ্শী। নাট্যকাৰৰ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ অভাৱ থকা হেতুকে, ততাতৈকৈ কাম কৰাৰ বাবে আৰু সতৰ্ক পৰিমাৰ্জনাৰ সময় নথকাৰ কাৰণে অপেৰাখনৰ আৰম্ভণী আৰু সমৰণি সিমান ভাল হোৱা নাই। এতিয়া এই নাটকখনক এখন অসুন্দৰ পুৰণি ফ্ৰেমত বন্ধোৱা ধুনীয়া চিত্ৰ যেন দেখাইছে। অধিকন্তু এই অপেৰাখনৰ আন এটি বৈশিষ্ট্যলৈ মন কৰিব লাগিব: এইখন হ'ল আমাৰ ল'ৰা-ছোৱালীহঁতৰ দ্বাৰা ৰচিত পিকিং অপেৰা। থোৰতে ক'বলৈ হ'লে, এই অপেৰাখনৰ ভেঁটি এটি আছে আৰু অপেৰাখন প্ৰকৃততেই ভাল। মই আশা পালি আছোঁ, সিহঁতে জীৱনৰ অভিজ্ঞতা সঞ্চয়ৰ বাবে আৰু গভীৰভাৱে জনগণৰ মাজলৈ উভতি যাব আৰু সিহঁতৰ পাণ্ডুলিপি ত্ৰুটিমুক্ত কৰিবলৈ যথাসাধ্য চেষ্টা কৰিব। মোৰ মতে, আমাৰ শ্ৰমৰ ফল সঞ্চয় কৰা আমাৰ কৰ্তব্য, সেই বিলাকক চোঁ-ছিৰা কৰি অৱহেলাৰে নষ্ট কৰা আমাৰ উচিত নহয়। কিছু সংখ্যক কমৰেডে তেওঁলোকৰ কাম-কাজৰ পুনৰ্মাৰ্জন কৰাত ইচ্ছুক নহয়, কিন্তু এই কথাই তেওঁলোকক বৃহত্তৰ সফলতা লাভৰপৰা বঞ্চিত কৰে। এই প্ৰসংগত, সাংহাইয়ে এটা ভাল উদাহৰণ স্থাপন কৰিছে। সাংহাইৰ শিল্পীসকলে তেওঁলোকৰ পাণ্ডুলিপি বাৰে বাৰে পৰিমাৰ্জিত কৰাত ৰাজী আছিল বুলিয়েই 'শত্ৰুৰ ঘাঁটি দখল'ক আজিৰ স্তৰলৈ উন্নীত কৰিবলৈ সমৰ্থ হৈছে। আপোনালোকে যেতিয়া ঘৰলৈ উভতি যাব তেতিয়া বৰ্তমান উৎসৱ ভঁৰালৰ সকলো বস্তুক আৰু বহণসনা উচিত হ'ব। যি বস্তুবোৰে

খোপনি ল'ব পাৰিছে সেইবোৰক অৱহেলাৰে বাগৰি পৰিবলৈ দিয়াটো অনুচিত হ'ব।

সামৰণিত ইয়াকে কওঁ, মই আশা কৰোঁ যে, দেশৰ সকলোতে দর্শক সকলে এই উৎসৱৰ সফলত সমূহক চাবলৈ, গমিবলৈ সমর্থ হোৱাৰ বাবে আপোনালোকে পৰম্পৰৰপৰা শিক্ষাগ্ৰহণ কৰিবলৈ কিছুখিনি শক্তি ব্যয় কৰিব।

চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ দ্বাৰা প্ৰচাৰিত

ছাকু লাৰ

[১৬ মে', ১৯৬৬]

কেন্দ্ৰীয় কমিটিৰ সকলো আঞ্চলিক শাখা, প্ৰাদেশিক, পৌৰ আৰু স্বয়ংশাসিত অঞ্চলৰ পাৰ্টি-কমিটিসমূহ, কেন্দ্ৰীয় কমিটিৰ সকলো শাখা আৰু কমিশ্যনসমূহ, চৰকাৰী কাৰ্য্যালয় আৰু গণ-সংগঠনসমূহৰ সকলো নেতৃস্থানীয় পাৰ্টি-সদস্যসকলৰ গ্ৰুপ কমিটিসমূহ আৰু গণমুক্তি ফৌজৰ সাধাৰণ ৰাজনৈতিক শাখালৈ ঃ

'সাংস্কৃতিক বিপ্লৱৰ ভাৰপ্ৰাপ্ত পাঁচজনীয়া গ্ৰুপৰ দ্বাৰা ৰচিত সাম্প্ৰতিক তত্ত্ব-মূলক আলোচনাত সংক্ষিপ্ত প্ৰতিবেদনখন'—যিখন প্ৰতিবেদন ১৯৬৬ চনৰ ১২ ফেব্ৰুৱাৰি তাৰিখে প্ৰচাৰৰ বাবে অনুমোদিত হৈছিল—কেন্দ্ৰীয় কমিটিয়ে সেইখন প্ৰতিবেদন বাতিল কৰাত সিদ্ধান্ত লৈছে। সাংস্কৃতিক বিপ্লৱৰ ভাৰপ্ৰাপ্ত পাঁচজনীয়া গ্ৰুপ আৰু ইয়াৰ দপ্তৰসমূহক বাতিল কৰি ৰাজনৈতিক বিভাগৰ ষ্টেণ্ডিং কমিটিৰ প্ৰত্যক্ষ পৰিচালনাধীনত এক নতুন সাংস্কৃতিক বিপ্লৱ-কমিটি গঠনৰ সিদ্ধান্তও লোৱা হৈছে।

তথাকথিত 'পাঁচজনীয়া গ্ৰুপ'-প্ৰণীত সংক্ষিপ্ত প্ৰতিবেদনখন মূলগত ভাৱে ভ্ৰান্ত। এই প্ৰতিবেদনে কেন্দ্ৰীয় কমিটি আৰু কমৰেড মাও চেতুঙৰ উপস্থাপিত সমাজতান্ত্ৰিক সাংস্কৃতিক বিপ্লৱৰ লাইনৰ আৰু ১৯৬২ চনত পাৰ্টিৰ অষ্টম কেন্দ্ৰীয় কমিটিৰ দশম পূৰ্ণাংগ অধিবেশনত 'গৃহীত সমাজতান্ত্ৰিক সমাজত' শ্ৰেণীসমূহ আৰু শ্ৰেণী-সংগ্ৰাম সম্পৰ্কিত প্ৰশ্নত পৰিচালিকা নীতিসমূহৰ বিৰোধিতা কৰিছে। আনুগত্যৰ ভাও জুৰিলেও এই সংক্ষিপ্ত প্ৰতিবেদনখনে কাৰ্য্যত ঃ কমৰেড মাও চেতুঙৰ প্ৰত্যক্ষ পৰিচালনাত আৰব্ধ মহান সাংস্কৃতিক বিপ্লৱৰ বিৰোধিতা কৰিছে আৰু প্ৰচণ্ডভাৱে বাধা দিব ধৰিছে। ১৯৬৫ চনৰ ছেপ্তেম্বৰ আৰু অক্টোবৰ মাহত অনুষ্ঠিত কেন্দ্ৰীয় কমিটিৰ কাৰ্য্যকৰী অধিবেশনত, অৰ্থাৎ কেন্দ্ৰীয় কমিটিৰ

ৰাজনৈতিক বিভাগৰ ষ্টেণ্ডিং কমিটিৰ অধিবেশনত, যি অধিবেশনত কেন্দ্ৰীয় কমিটিৰ সকলো আঞ্চলিক সমিতিৰ নেতৃস্থানীয় কমৰেড সকলে যোগদান কৰিছিল —এই প্ৰতিবেদনে কমৰেড মাও চে তুঙৰ উ হান্-সম্পৰ্কিত সমালোচনাৰ মূল নীতিসমূহৰো বিৰোধিতা কৰিছে। 'তথাকথিত পাঁচজনীয়া গ্ৰুপ'ৰ সংক্ষিপ্ত প্ৰতিবেদন দৰাচলতে অকল পেন্ জেনৰেই ৰচনা। পাঁচজনীয়া গ্ৰুপৰ অন্যতম কমৰেড কাংশেন আৰু অন্যান্য কমৰেড সকলক নজনোৱাকৈয়েই খেয়াল-খুচীমতে আৰু অভিসন্ধিমূলক ভাবে তেওঁ এইখন যুগুত কৰিছিল। এই দলিলখন যুগুতাবলৈ লৈ সমাজতান্ত্ৰিক বিপ্লৱৰ সামাগ্ৰিক পৰিস্থিতিৰ ওপৰত প্ৰভাৱ বিস্তাৰকাৰী গুৰুত্বপূৰ্ণ প্ৰশ্ন সমূহত পেন্ জেনে 'পাঁচজনীয়া গ্ৰুপ'ৰ কোনো সদস্যৰ সৈতে কোনো আলোচনা বা মত-বিনিময়ে কৰা নাছিল। তেওঁ কোনো আঞ্চলিক কমিটিৰ মতামতো লোৱা নাছিল। সংক্ষিপ্ত প্ৰতিবেদনখন দাখিল কৰোতে, চৰকাৰী দলিল হিচাপে যে এই প্ৰতিবেদন কেন্দ্ৰীয় কমিটিলৈ পঠোৱা হ'ব সেই কথা তেওঁ সুস্পষ্টভাৱে কোৱা নাছিল। আনকি কেন্দ্ৰীয় কমিটিৰ চেয়াৰম্যান মাও চেতুঙৰ মতামতো তেওঁ গ্ৰহণ কৰা নাছিল। একান্ত অসংগত পদ্ধতিৰে তেওঁ স্বেচ্ছাচাৰীৰ দৰে তেওঁৰ ক্ষমতাৰ অপব্যৱহাৰ কৰিছিল। কেন্দ্ৰীয় কমিটিৰ নাম ব্যৱহাৰৰ সুযোগ লৈ তেওঁ এই প্ৰতিবেদনখন সমগ্ৰ পাৰ্টিৰ মাজত প্ৰচাৰ কৰিছিল।

সংক্ষিপ্ত এই প্ৰতিবেদনখনৰ প্ৰধান ত্ৰুটিসমূহ সম্পৰ্কে আলোচনা কৰা যাওক :

প্ৰথমতে, বুৰ্জোৱা প্ৰতিক্ৰিয়াশীল অৱস্থান আৰু বুৰ্জোৱা বিশ্ব-দৃষ্টিভংগী লৈ এই প্ৰতিবেদনখনে অভ্যন্তৰীণ পৰিস্থিতি আৰু বৰ্তমান তত্ত্বমূলক সমালোচনা কৰাৰ প্ৰকৃতি পৰ্য্যালোচনা কৰিবলৈ লৈ, শ্ৰেণী-শত্ৰু আৰু আমাৰ মাজৰ সম্পৰ্কক বিপৰীতভাৱে দেখুৱাইছে তাৰু আৰ ঠাইত তাক বহুৱাইছে। আমাৰ দেশত এতিয়া এক মহান সাংস্কৃতিক বিপ্লৱৰ উত্তাল তৰংগৰ আলোড়ন উত্থিত হৈছে আৰু এই তৰংগমালাৰ আঘাতেৰে বুৰ্জোৱাৰ আৰু সামন্ততন্ত্ৰৰ ধ্বংসাৱশেষৰ আদৰ্শগত আৰু ক্ষয়িষ্ণু অৱস্থান চূৰ্ণ-বিচূৰ্ণ হৈ যাব ধৰিছে। ব্যাপক শ্ৰমিক, কৃষক আৰু সৈনিক আৰু সৰ্বহাৰা সংস্কৃতিৰ বীৰ যুঁজাৰুসকলৰ বীৰত্বপূৰ্ণ অগ্ৰগমনক অক্ষুণ্ণ ৰাখিবলৈ সমগ্ৰ পাৰ্টিক উৎসাহিত কৰি তোলাৰ পৰিবৰ্তে এই প্ৰতিবেদনখনে সমগ্ৰ আন্দোলনক সোঁপন্থী কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা চলাইছে। স্ব-বিৰোধী কৌশলপূৰ্ণ দ্ব্যৰ্থবোধক ভাষা ব্যৱহাৰ কৰি এই প্ৰতিবেদনখন কাৰ্য্যতঃ

মতাদৰ্শগত আৰু সাংস্কৃতিক ফ্ৰন্টত চলি থকা তীব্ৰ শ্ৰেণী-সংগ্ৰামক আৱ কৰাৰ নিৰ্লজ্জ প্ৰচেষ্টা অৱলম্বন কৰিছে। বিশেষকৈ, এই মহান সংগ্ৰামৰ মূল লক্ষ্য যে উহান্ আৰু বিৰাট সংখ্যক অন্যান্য পাৰ্টি-বিৰোধী আৰু সমাজতন্ত্ৰ-বিৰোধী বুৰ্জোৱাসকলৰ দালালইঁতৰ সমালোচনা আৰু প্ৰত্যখ্যান কৰা—তাকেই এই প্ৰতি-বেদনে আঁৰ কৰি থৈছে। কেন্দ্ৰীয় কমিটিত, পাৰ্টিত পেংতে হুৱাইৰ আৰু অন্যান্য দপ্তৰতো এই দালালইঁত প্ৰচুৰ সংখ্যাত আছে। পদচ্যুতিৰ প্ৰশ্নটোৱেই যে 'হাইৰুইৰ পদচ্যুতি'ৰ মূল বক্তব্য, চেয়াৰম্যান মাও-এ বাৰে বাৰে এই কথাটোলৈ আঙুলিয়াইছে। কিন্তু এই প্ৰতিবেদনখনে সেই কথাৰ উল্লেখ মাত্ৰকে নকৰি সংগ্ৰামৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক চৰিত্ৰক আঁৰ কৰিছে।

দ্বিতীয়তে, শ্ৰেণী-সংগ্ৰাম মাত্ৰেই ৰাজনৈতিক সংগ্ৰাম—মাৰ্কছৰ এই মৌলিক তত্ত্বটোকেই এই প্ৰতিবেদনে উলংঘা কৰিছে। উ হান-ৰ 'হাইৰুইৰ পদচ্যুতি' নাটকৰ লগত জড়িত ৰাজনৈতিক বিষয় সমূহ সম্পৰ্কে যেতিয়া কামত আলোচনীত আলোচনা আৰম্ভ হ'ল, তেতিয়া এই প্ৰতিবেদন যুগুতাওঁতাসকলে ইমানদূৰলৈকে ক'লে যে, 'পত্ৰ-পত্ৰিকাৰ আলোচনাক ৰাজনৈতিক প্ৰশ্নৰ মাজত সীমাবদ্ধ নাৰাখি ব্যাপকভাৱে তত্ত্বমূলক আলোচনাৰ গভীৰলৈ লৈ যোৱা উচিত।' উ হান-সম্পৰ্কিত সমালোচনা প্ৰসংগত তেওঁলোকে বিভিন্ন সময়ত ঘোষণা কৰিছে যে, ১৯৫৯ চনত লুছান অধিবেশনত সোঁপন্থী সুবিধাবাদীইঁতক অপসাৰণ আৰু অন্যান্য পাৰ্টি আৰু সমাজতন্ত্ৰৰ বিৰোধিতাৰ মূল তথ্যসমূহ সম্পৰ্কে আলোচনা চলাবলৈ দিব নোৱাৰি। কমৰেড মাও-এ আমাক বাৰে বাৰে কৈছে যে বুৰ্জোৱা সকলৰ বিৰুদ্ধে মতাদৰ্শগত সংগ্ৰাম হ'ল এক দীৰ্ঘস্থায়ী সংগ্ৰাম, দ্ৰুত ৰাজনৈতিক সিদ্ধান্তেৰে তাৰ সমাধান সম্ভৱ নহয়। পেন্ জেনে কিন্তু সুনিশ্চিত ভাৱেই অপপ্ৰচাৰ চলাইছে। জনগণক এই বুলি আভুৱা ভাঁৰিছে যে উ হান সম্পৰ্কিত সমালোচনাৰ ৰাজনৈতিক সিদ্ধান্ত দুমাহ মানৰ পাছতো কৰিব পৰা হ'ব বুলি চেয়াৰম্যান মাও-এ ভাবে। সাংস্কৃতিক ক্ষেত্ৰত ৰাজনৈতিক সংগ্ৰামক বুৰ্জোৱাসকলে ভাল পোৱা কায়দা-কিটিপেৰে বিশুদ্ধ পুথিগত আলোচনাত পৰিণত কৰাটোৱেই ইয়াৰ উদ্দেশ্য। স্পষ্টতঃই ইয়াৰ অৰ্থ হ'ল সৰ্বহাৰা ৰাজনীতিৰ বিৰোধিতা কৰা, আৰু বুৰ্জোৱা ৰাজনীতিক প্ৰাধান্য দান কৰা।

তৃতীয়তে, এই প্ৰতিবেদনত 'মুকলি মনেৰে মতামত ব্যক্ত কৰাৰ (Opening wide) ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। কিন্তু ধূৰ্ত

কৌশল অৱলম্বন কৰি এই প্ৰতিবেদনত ১৯৫৭ চনৰ মাৰ্চ মাহত পাৰ্টিৰ জাতীয় অধিবেশনত প্ৰচাৰকাৰ্য্য প্ৰসংগত কমৰেড মাও চে তুঙৰ ‘মুকলি মনেৰে মতামত ব্যক্ত কৰা’ৰ নীতিক পুৰাপুৰিকৈ বিকৃত কৰা হৈছে আৰু এই নীতিৰ শ্ৰেণীগত তাৎপৰ্য্যকো অস্বীকাৰ কৰা হৈছে। কমৰেড মাও-এ এই প্ৰসংগত কৈছিল :

‘বুৰ্জোৱা আৰু পেটি বুৰ্জোৱাৰ মতাদৰ্শৰ বিৰুদ্ধে আমি এতিয়াও এক দীৰ্ঘস্থায়ী সংগ্ৰাম চলাই যাব লাগিব। এই কথাষাৰ মুবুজাকৈ থাকিলে বা মতাদৰ্শগত সংগ্ৰামৰপৰা আঁতৰি গ’লে সি হ’ব এক প্ৰচণ্ড ভুল কাম। সকলো ভুল ধাৰণা, বিষাক্ত বঘুমলা, সকলো দৈত্য-দানহক মুকলিকৈ সমালোচনা কৰিব লাগিব, সিইঁতক কেতিয়াও অবাধে বিয়পি পৰাৰ সুযোগ দিয়া নহ’ব।’ কমৰেড মাও চেতুঙে আৰু কৈছিল যে :

‘মুকলি ভাৱে মতামত ব্যক্ত কৰা’ৰ অৰ্থ হ’ল এয়ে যে, সকলোৱেই তেওঁলোকৰ নিজস্ব মতামত স্বাধীনভাৱে প্ৰকাশ কৰিব পাৰিব, তেওঁলোকে মাত মতাত সাহসী হ’ব, সমালোচনা কৰাত সাহসী হ’ব, আৰু বিতৰ্কত যোগ দিয়াত সাহসী হ’ব।’

এই প্ৰতিবেদনত কিন্তু সৰ্বহাৰা সকলৰ দ্বাৰা বুৰ্জোৱা প্ৰতিক্ৰিয়াশীল অৱস্থানৰ খোলাখুলি সমালোচনাৰ বিৰোধিতা কৰা হৈছে। এই প্ৰতিবেদনত মুকলি মনেৰে মতামত ব্যক্ত কৰাৰ কথাত যি বুজোৱা হৈছে, সি হ’ল বুৰ্জোৱা উদাৰ-নীতিবাদ, যাতে একমাত্ৰ বুৰ্জোৱাইঁতেই খোলাখুলি মতামত দিব পাৰে আৰু সৰ্বহাৰাসকলে যাতে মুকলি মনেৰে মতামত প্ৰকাশ বা প্ৰতি-আক্ৰমণ কৰিব নোৱৰা হয়। আচলতে ই হ’ল, উহানৰ দৰে প্ৰতিক্ৰিয়াশীল বুৰ্জোৱা দালালইঁতৰ আত্মৰক্ষাৰ হাতিয়াৰ। এই প্ৰতিবেদনত উল্লিখিত ‘মুকলি মনেৰে মতামত ব্যক্ত কৰা’ৰ নীতি কমৰেড মাও চে তুঙৰ মহান চিন্তাধাৰাৰ বিৰোধী আৰু যথাৰ্থ-ভাৱেই বুৰ্জোৱাইঁতৰ প্ৰয়োজন সধাত তৎপৰ।

চতুৰ্থতে, আমি যেতিয়া বুৰ্জোৱাইঁতৰ নগ্ন আক্ৰমণক প্ৰতিৰোধ কৰিবলৈ সাজু হ’লোঁ, ঠিক তেতিয়াই এই প্ৰতিবেদনৰ ৰচকইঁতে ধ্বনি তুলিলে : ‘সত্যৰ আগত সকলো সমান’। ই এক পুৰাপুৰিকৈ বুৰ্জোৱা শ্ল’গান। সত্যৰ শ্ৰেণী-প্ৰকৃতিক বেমালুম অস্বীকাৰ কৰি সিইঁতে বুৰ্জোৱাইঁতক ৰক্ষা আৰু সৰ্বহাৰা সকলৰ বিৰোধিতা কৰিবলৈ এই শ্ল’গানটোক ব্যৱহাৰ কৰিবলৈ ধৰিলে। মাৰ্কছবাদ লেনিনবাদ আৰু মাও চেতুঙৰ চিন্তাৰ মহান সত্য, আৰু বুৰ্জোৱা আৰু

সকলোবিধৰ শোষক-শ্ৰেণীৰ ভ্ৰান্ত আদৰ্শৰ মাজত সংগ্ৰামত, হয় পূবৰ বায়ুৱে পচিমীয়া বায়ুৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিব, নহ'লে পচিমীয়া বতাহে পুবালী বতাহৰ ওপৰত কৰ্তৃত্ব কৰিব। এই ক্ষেত্ৰত সমানাধিকাৰৰ কোনো প্ৰশ্ন নুঠে। বুৰ্জোৱাসকলৰ বিৰুদ্ধে সৰ্বহাৰাৰ সংগ্ৰামত, বুৰ্জোৱাইঁতৰ ওপৰত সৰ্বহাৰাৰ একনায়কত্বত, সাংস্কৃতিৰ সকলো ক্ষেত্ৰসহ ওপৰিসৌধত সৰ্বহাৰাৰ একনায়কত্বত, বিপ্লৱী ৰঙা পতাকাৰ বিৰুদ্ধে ভুৱা ৰঙা-পতাকা আন্দোলনকাৰী, কমিউনিষ্ট পাৰ্টিৰ অভ্যন্তৰত লুকাই-চুৰকৈ সোমাই অহা বিষাক্ত ষড়যন্ত্ৰকাৰীবোৰক নোহোৱা কৰিবলৈ সৰ্বহাৰাসকলৰ নিৰৱচ্ছিন্ন সংগ্ৰামৰ প্ৰশ্নত, কোনো ধৰণৰ সমানাধিকাৰ সমৰ্থন কৰিব পাৰি নে? যোৱা কেই বা দশকো ধৰি প্ৰাচীনপন্থী স্যোশ্যাল ডেম'ক্ৰেটইঁতে আৰু দহ বছৰাধিককাল ধৰি আধুনিক সংশোধন বাদীইঁতে বুৰ্জোৱাইঁতৰ লগত সৰ্বহাৰাৰ সমানাধিকাৰ কোনো সময়ৰ বাবেই স্বীকাৰ কৰা নাছিল। হাজাৰ হাজাৰ বছৰৰ মানুহৰ ইতিহাস যে শ্ৰেণী-সংগ্ৰামৰ ইতিহাস-সিইঁতে এই কথা সম্পূৰ্ণভাৱে অস্বীকাৰ কৰিছে। সিইঁতে বুৰ্জোৱাইঁতৰ বিৰুদ্ধে সৰ্বহাৰাৰ শ্ৰেণী-সংগ্ৰামকো অস্বীকাৰ কৰিছে। অস্বীকাৰ কৰিছে বুৰ্জোৱাইঁতৰ বিৰুদ্ধে সৰ্বহাৰাৰ বিপ্লৱক আৰু বুৰ্জোসকলৰ ওপৰত সৰ্বহাৰাৰ একনায়কত্বক। আনহাতে, সিইঁত হ'ল সাম্ৰাজ্যবাদ আৰু বুৰ্জোৱাৰ বিশ্বস্ত পদলেহী। বুৰ্জোৱা আৰু সাম্ৰাজ্যবাদৰ টেমেকা হৈ সিইঁতে সৰ্বহাৰা শ্ৰেণীক শোষণ আৰু অত্যাচাৰৰ বুৰ্জোৱা আদৰ্শ আৰু পুঁজিবাদী ব্যৱস্থাক আঁকড়ে জয় য়াগে ৰাখিব খোজে। সিইঁতে মাৰ্কছবাদী-লেনিনবাদী মতাদৰ্শ আৰু সমাজতান্ত্ৰিক ব্যৱস্থাৰ বিৰুদ্ধাচৰণ কৰে। সিইঁত কমিউনিষ্ট পাৰ্টি আৰু জনগণ-বিৰোধী একঝাড প্ৰতি-বিপ্লৱী মাথোন। আমাৰ বিৰুদ্ধে সিইঁতৰ সংগ্ৰাম হ'ল এক জীৱন-মৰণ সংগ্ৰাম, এইক্ষেত্ৰত কোনো সমানাধিকাৰৰ প্ৰশ্নই নুঠে। গতিকে, সিইঁতৰ বিৰুদ্ধে আমিও মৰোঁ-জীওঁকৈ সংগ্ৰামহে কৰিব লাগিব। সিইঁতৰ লগত আমাৰ সম্পৰ্কৰ ক্ষেত্ৰতো সমানাধিকাৰৰ কোনো প্ৰশ্ন উত্থাপিত হ'ব নোৱাৰে। এই কথাৰ বিপৰীতে, ই হ'ল এক শ্ৰেণীয়ে আন এক শ্ৰেণীক নিপীড়ন কৰাৰ সম্পৰ্ক, অৰ্থাৎ বুৰ্জোৱাৰ ওপৰত সৰ্বহাৰাৰ একনায়কতন্ত্ৰ। এই সম্পৰ্ক বাদে আন কোনো সম্পৰ্ক, যেনে—তথাকথিত সমানাধিকাৰ, নাইবা শোষক আৰু শোষিতৰ মাজত শান্তিপূৰ্ণ সহাৱস্থানৰ, বা বা সদাশয়তাৰ, কিম্বা উদাৰতাৰ সম্পৰ্ক এইক্ষেত্ৰত হ'ব নোৱাৰে।

পঞ্চমতে, এই সংক্ষিপ্ত প্ৰতিবেদনত 'প্ৰতিপক্ষক ৰাজনীতিগতভাৱে পৰাস্ত

কম্মাটোৱেই যথেষ্ট নহ'ব। অধিকন্তু, তত্ত্বগত আৰু বৃত্তিগত মানব কালৰ পৰাও পুৰাপুৰি চেৰাই যাব লাগিব, সিইঁতক সম্পূৰ্ণভাৱে পৰাস্ত কৰিব লাগিব' বুলি কোৱা হৈছে। তত্ত্বমূলক বিষয়ত শ্ৰেণী-বৈষম্যক স্বীকাৰ নকৰাত, এই ধাৰণাটো সম্পূৰ্ণ ভ্ৰান্ত হৈ উঠিছে।

তত্ত্বমূলক প্ৰশ্নসমূহৰ সত্য আৰু মাৰ্কছবাদ-লেনিনবাদ আৰু মাও চেতুঙৰ মহৎ চিন্তাধাৰাৰ সত্যক সৰ্বহাৰা শ্ৰেণীয়ে আয়ত্ত কৰিছে আৰু সেই চিন্তাধাৰাই বুৰ্জোৱা ভাৱাদৰ্শক পিছ পেলাই বহুতো আগ বাঢ়ি গৈছে। বুৰ্জোৱাইঁতক পৰাস্ত কৰিছে। এই প্ৰতিবেদনৰ ৰচয়িতাবঁতে তথাকথিত বুৰ্জোৱা পণ্ডিত সকলক স্তুতি কৰিছে, তেওঁলোকৰ মৰ্য্যাদাবোধক ওফোন্দাই গণ্ডাটোপ কৰি তুলিছে, আৰু তত্ত্ব আলোচনাৰ ক্ষেত্ৰত সৰ্বহাৰা শ্ৰেণীৰ নৱজাগ্ৰত দৃপ্ত প্ৰতিনিধিসকলক ঘৃণাৰে সৈতে উপেক্ষা কৰিছে।

ষষ্ঠতে, চেয়াৰম্যান মাও-এ বাৰে বাৰে কৈছে যে, ধ্বংসৰ অবিহনে নিৰ্মাণ সম্ভৱ নহয়। ধ্বংস মানেই হ'ল সমালোচনা আৰু প্ৰত্যাখ্যান, ধ্বংস মানেই হ'ল বিপ্লৱ। ধ্বংস সাধন কৰিবলৈ হ'লে আগতেই যুক্তি প্ৰয়োগ কৰা প্ৰয়োজন, আৰু যুক্তিৰ ব্যৱহাৰেই হ'ল গঠনকাৰ্য্য। প্ৰথমেই ধ্বংস কৰিব লাগিব—আৰু ধ্বংস-ক্ৰিয়াৰ মাজেদিয়েই চলিব গঠনকাৰ্য্য। বুৰ্জোৱা মতাদৰ্শৰ ধ্বংসৰ সংগ্ৰামৰ মাজেদিয়েই গঠন কৰাৰ কাম চলি থাকিব। বুৰ্জোৱা মতাদৰ্শৰ ধ্বংসৰ সংগ্ৰামৰ মাজেদিয়েই মাৰ্কছবাদ-লেনিনবাদ, মাও চে তুঙৰ চিন্তাধাৰা দৃঢ় ভেঁটিৰ ওপৰত প্ৰতিষ্ঠিত হৈছে আৰু অবিৰাম বিকশিত হৈ উঠিছে। এই প্ৰতিবেদনত কিন্তু দৃঢ়তাৰে সৈতে কোৱা হৈছে যে 'আগতে নিৰ্মাণ কৰিব লাগিব, নহ'লে ব্যাপক ধ্বংস সাধন সম্ভৱ নহয়'। এই কথা কোৱাৰ অৰ্থ হ'ল বুৰ্জোৱা মতাদৰ্শৰ ধ্বংস আৰু সৰ্বহাৰা মতাদৰ্শ নিৰ্মাণৰ নীতিৰ ওপৰত নিষেধাজ্ঞা জাৰী কৰা। এই বক্তব্য চেয়াৰম্যান মাও-ৰ চিন্তাধাৰাৰ সম্পূৰ্ণ বিৰোধী। বুৰ্জোৱা মতাদৰ্শক সম্পূৰ্ণ আৰু ব্যাপকভাৱে ধ্বংস কৰিবলৈ আমি যি সংগ্ৰাম চলাই গৈছোঁ, এই বক্তব্যই সাংস্কৃতিক ফ্ৰণ্টত তাৰ বিৰোধিতা কৰিছে। ইয়াৰ আচল উদ্দেশ্য হ'ল সৰ্বহাৰা শ্ৰেণীক সকলোবিধৰ বিপ্লৱৰপৰা আঁতৰই ৰখা।

সপ্তমতে, এই প্ৰতিবেদনত কোৱা হৈছে: যিসকলৰ আচৰণ স্বেচ্ছাচাৰমূলক, যিসকলে জনগণক ক্ষমতাৰে প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰিছে, সেইবোৰ স্বৈৰাচাৰী পণ্ডিতসকলৰ (Scholor tyrants) দৰে আমি কেতিয়াও কোনো

আচৰণ নকৰিব'। আৰু কোৱা হৈছে: 'তত্ত্বমূলক আলোচনাৰ ক্ষেত্ৰত বাঁওপন্থী কৰ্মীসকলৰ মাজত বুৰ্জোৱা বিশেষজ্ঞ বা স্বৈৰাচাৰী পণ্ডিতসকলৰ লাইন লোৱাৰ যি প্ৰৱণতা পৰিলক্ষিত হৈছে, সেই সম্পৰ্কে আমি সদায় চোকা দৃষ্টি ৰাখিব লাগিব'। এই 'স্বৈৰাচাৰী পণ্ডিতসকল' বোলোঁতে বাৰু কোনইতক বুজোৱা হৈছে? সৰ্বহাৰা শ্ৰেণীয়ে বুৰ্জোৱাইতৰ ওপৰত একনায়কত্ব প্ৰতিষ্ঠা বা আধিপত্য বিস্তাৰ নকৰিবনে? সৰ্বহাৰা শ্ৰেণীৰ তত্ত্বমূলক আলোচনাই বুৰ্জোৱা শ্ৰেণীৰ ক্ৰিয়াকাণ্ডক উৎখাত নকৰিবনে? আৰু, সৰ্বহাৰা শ্ৰেণীৰ তত্ত্বমূলক আলোচনাই বুৰ্জোৱাইতৰ কিতপীয়া ক্ৰিয়াকলাপক উৎখাত কৰিলে সেই কামক স্বৈৰাচাৰী পণ্ডিতৰ কাম বুলি গণ্য কৰা হ'ব নে? বাঁওপন্থী সৰ্বহাৰা কৰ্মীসকললৈহে এই প্ৰতিবেদন টো ওৱা হৈছে। স্পষ্টতঃ, ইয়াৰ লক্ষ্য হ'ল—মাৰ্কছবাদ-লেনিনবাদী-সকলক স্বৈৰাচাৰী পণ্ডিত হিচাপে চিহ্নিত কৰি আচল বুৰ্জোৱা স্বৈৰাচাৰী পণ্ডিতইতক উধোৱা আৰু বিদ্যানুশীলনৰ ক্ষেত্ৰত সিইতৰ একচেটিয়া অথচ শিথিল অৱস্থানক জোৰদাৰ কৰা।

প্ৰকৃততে, বুৰ্জোৱা স্বৈৰাচাৰী পণ্ডিতইতৰ সমৰ্থনকাৰী উচ্চপদাধিষ্ঠিত ধনতান্ত্ৰিক বাটৰ এই বাটৰুৱাইত, আৰু কোনেও গম নোপোৱাকৈ পাৰ্টিত সোমাই পৰা যিবোৰ বুৰ্জোৱা দালালইতে বুৰ্জোৱা পণ্ডিতইতক ৰক্ষা কৰে, সিইঁতেই হ'ল পাৰ্টিৰ স্বৈৰাচাৰী মূধাফুটা। ইইঁতে নিজা স্বাৰ্থত পাৰ্টিৰ নাম ব্যৱহাৰ কৰে। ইইঁতে কিতাপ-পত্ৰও অধ্যয়ন নকৰে, দৈনিক বাতৰি-কাকতখনো নপঢ়ে। জনগণৰ সৈতেও ইইঁতৰ কোনো যোগাযোগ নাই। ইইঁতে কোনো ধৰাৰ জ্ঞানেই অৰ্জন কৰা নাই, ইইঁতে 'যি মন যায় তাকে কৰাৰ আৰু ক্ষমতাৰ বলেৰে জনগণক বশীভূত কৰাৰ' ওপৰত সম্পূৰ্ণতঃ নিৰ্ভৰ কৰে।

অষ্টমতঃ, নিজৰ গোপন উদ্দেশ্য সাধনৰ বাবেই এই প্ৰতিবেদন ৰচোঁতাইতে জংগী বাঁওপন্থীইতৰ বিৰুদ্ধে 'বিশুদ্ধীকৰণ আন্দোলনৰ' দাবীত সোচ্চাৰ হৈ উঠিছে। বিভ্ৰান্তি সৃষ্টিৰ বাবে, শ্ৰেণী-দৃষ্টিভংগীক খোদা লি দিবলৈ আৰু জনগণক সংগ্ৰামৰ লক্ষ্যৰপৰা বিচ্যুত কৰিবলৈ ই সিইঁতৰ সুপৰিকল্পিত প্ৰচেষ্টা। ইমান খৰখেদাকৈ প্ৰতিবেদনখন পৰিবেশন কৰাৰ আঁৰত সিইঁতৰ মূল উদ্দেশ্য আছিল বাঁওপন্থী সৰ্বহাৰাসকলৰ বিৰুদ্ধে সিইঁতৰ আক্ৰমণক কেন্দ্ৰীভূত কৰা। সিইঁতে আনকি বাঁওপন্থী সৰ্বহাৰাসকলৰ বিৰুদ্ধে গোপন ৰিপ'ৰ্ট যুগুত কৰিছে; তেওঁলোকক আক্ৰমণ কৰিবলৈ সৰ্বপ্ৰকাৰ চল-চাতুৰী বিচাৰি উলিয়াইছে;

তেওঁলোকক বিচ্ছিন্ন কৰাৰ আশাত 'বিশুদ্ধীকৰণৰ আন্দোলনৰ' ধ্বনি তুলি তেওঁলোকৰ বিৰুদ্ধে ব্যাপকতৰ আক্ৰমণৰ চেষ্টা চলোৱাৰ দিহা কৰিছে। বাঁওপন্থী কৰ্মীসকলক ৰক্ষা আৰু সমৰ্থন কৰিবলৈ আৰু তেওঁলোকক ব্যাপকভাৱে গঢ়ি তুলিবলৈ আৰু সম্প্ৰসাৰিত কৰাৰ বিষয়ত চেয়াৰম্যান মাও-এ গভীৰ মনোযোগ দিবলৈ যি সুস্পষ্ট নিৰ্দেশ দিছে—ইহঁতে দেখদেখকৈয়ে তাৰ বিৰোধিতা কৰিছে। অথচ, গোপনে পাৰ্টিত সোমাই পৰা বুৰ্জোৱা দালালইঁত, সংশোধন-বাদীইঁতক আৰু দলত্যাগীইঁতক ইহঁতে জংগী বাওঁপন্থী বুলি আখ্যা দিছে। আৰু সিহঁতক ৰক্ষা কৰিবলৈ তৎপৰ হৈ উঠিছে। এইদৰেই সিহঁতে বুৰ্জোৱা সোঁ-পন্থীইঁতৰ ক্ষমাহীন ঔদ্ধত্যক দোপতদোপে বঢ়াই তোলাত অৰিহণা যোগাইছে আৰু বাঁওপন্থী সৰ্বহাৰাসকলৰ সংগ্ৰামী চেতনাক দুৰ্বল কৰিব খুজিছে। সৰ্বহাৰা শ্ৰেণীৰ প্ৰতি ইহঁত ঘৃণা-জৰ্জৰ কিন্তু বুৰ্জোৱাইঁতৰ প্ৰতি প্ৰেমৰ সাগৰ। এই প্ৰতিবেদন-প্ৰণেতাইঁতে ভ্ৰাতৃত্ববোধৰ এই বুৰ্জোৱা ধাৰণাকহে দাঙি ধৰিছে।

নৱমতঃ, যি সময়ত সৰ্বহাৰা শ্ৰেণীয়ে বুৰ্জোৱা দালালইঁতৰ বিৰুদ্ধে নৰেছমে তীব্ৰ সংগ্ৰাম পৰিচালনা কৰিবলৈ ধৰিছে, আৰু বহু ক্ষেত্ৰত আৰু বহু ঠাইত সংগ্ৰাম যেতিয়া আৰম্ভ হোৱাই নাই—বা য'ত আৰম্ভ হৈছেহে মাথোন, তাতো যেতিয়া এই প্ৰচণ্ড সংগ্ৰামত নেতৃত্বৰ দায়িত্ব সম্পৰ্কে সংশ্লিষ্ট পাৰ্টি-কমিটিসমূহৰ কোনো স্পষ্ট ধাৰণা নাই, সিহঁতৰ নেতৃত্ব যেতিয়া মুঠেই বিবেচনা-প্ৰসূত বা কাৰ্য্যকৰী নহয়—সেই সময়ত এই প্ৰতিবেদনত বাৰে বাৰে জোৰ দি কোৱা হৈছে যে এই সংগ্ৰাম 'প্ৰয়োজনীয় নিৰ্দেশ অনুযায়ী', 'সুবিবেচিত ভাৱে', 'সতৰ্কতা সহকাৰে' আৰু 'উচ্চতৰ কৰ্তৃপক্ষৰ অনুমোদন লৈ' চলাই যাব লাগিব। এই আটাইবোৰ কথা-কাণ্ডৰ আঁৰত উদ্দেশ্য আছিল বাঁওপন্থী সৰ্বহাৰাসকলৰ ওপৰত নানা ধৰণৰ বিধি-নিষেধ আৰোপ কৰি, তেওঁলোকৰ ওপৰত হুকুমনামা জাৰী কৰি আৰু নানা ধৰণৰ বাধা-নিষেধ জাপি দি তেওঁলোকৰ হাত-ভৰি বান্ধি দিয়া আৰু সৰ্বহাৰাৰ সাংস্কৃতিক বিপ্লৱৰ বিজয়-অভিযানৰ বাটত সকলো প্ৰকাৰৰ বাধা সৃষ্টি কৰা। এআষাৰত ক'ব পাৰি যে, এই প্ৰতিবেদনৰ বৰ্চোতইঁতে বিপ্লৱৰ গতিৰোধ কৰিব খুজিছে, প্ৰতিহিংসাৰ কাৰণে ঘূৰাই আক্ৰমণ কৰিব খুজিছে। প্ৰতিক্ৰিয়াশীল বুৰ্জোৱা স্বয়ংপণ্ডিত ইঁতৰ সমালোচনাক প্ৰত্যাখ্যান কৰি বাঁওপন্থী সৰ্বহাৰা কৰ্মীসকলে যিবোৰ প্ৰবন্ধ লিখিছিল, সেই প্ৰবন্ধসমূহৰ মাজত ইতিপূৰ্বে প্ৰকাশিত লেখাসমূহৰ বিৰুদ্ধে সিহঁতে তীব্ৰ ঘৃণা পোষণ কৰিছে আৰু অপ্ৰকাশিত

লেখা-মেলাসমূহ প্ৰকাশ নোহোৱাৰে চেষ্টা চলাই গৈছে। আনহাতে, বহুবছৰ পাছত বছৰ ধৰি যিবোৰ দৈত্য-দানবে আমাৰ দেশৰ সংবাদপত্ৰ, অনাতাঁৰ, আলোচনী, পুথি, পাঠ্যপুথি, মঞ্চ, সাহিত্য, বোলছবি, নাটক, গীতিনাট, গল্পৰচনা, চিত্ৰকলা, সংগীত, নৃত্য আদি সকলো ক্ষেত্ৰত ৰাজত্ব কৰিছে, সিহঁতক ইহঁতে উদ্দাম স্বাধীনতা প্ৰদান কৰিছে। সেই ক্ষেত্ৰত সিহঁতে কেতিয়াও সৰ্বহাৰা নেতৃত্বৰ প্ৰতি সমৰ্থন জ্ঞাপন কৰা নাই বা অনুমোদনৰ প্ৰয়োজনো স্বীকাৰ কৰা নাই। এই বৈপৰীত্যয়েই এই প্ৰতিবেদন ৰচোঁতাহঁতৰ প্ৰকৃত অৱস্থান স্পষ্টকৈ দেখুৱাই দিছে।

দশমতে, সাংস্কৃতিক বিপ্লৱৰ ক্ষেত্ৰত কমৰেড মাও চেতুঙৰ লাইনৰ ৰূপায়ণ আৰু বিৰোধিতাৰ কেন্দ্ৰ কৰিয়েই বৰ্তমান সংগ্ৰাম চলিছে। অথচ এই প্ৰতিবেদনত কোৱা হৈছে: 'এই সংগ্ৰামৰ মাজেদিয়েই, আৰু মাও চেতুঙৰ চিন্তাধাৰা অনুসৰণ কৰিয়েই আমি এই সমস্যা সমাধানৰ বাট বিচাৰি উলিয়াম' (সমস্যাটো হ'ল: 'তত্ত্বমূলক কাৰ্য্যাদিৰ ক্ষেত্ৰত বুৰ্জোৱা চিন্তাধাৰাক সম্পূৰ্ণতঃ ধ্বংস কৰাৰ সমস্যা)। কমৰেড মাও চেতুঙে বহু আগতেই তেওঁৰ 'নয়া গণতন্ত্ৰ প্ৰসংগত' জস্বিকাথনত, সাহিত্য আৰু শিল্প প্ৰসংগত 'ইয়েনান ফ'ৰামৰ বক্তৃতা-মালাত' (লিয়াংশান বিদ্ৰোহীসকলৰ পম খেদি) ড্ৰিভেন টু জয়েন দি লিয়াংশান ৰেবেলছ নাটক চোৱাৰ পাছত ইয়েনানৰ পিকিং অপেৰা থিয়াটাৰলৈ লেখা চিঠিত 'জনগণৰ মাজত থকা দ্বন্দ্বৰ সঠিক সমাধান-প্ৰসংগে' পুস্তিকাখনত আৰু চীনৰ কমিউনিষ্ট পাৰ্টিৰ জাতীয় অধিবেশনত প্ৰদত্ত প্ৰচাৰকাৰ্য্য প্ৰসংগত বক্তৃতাত সাংস্কৃতিক আৰু মতাদৰ্শগত ফ্ৰন্টত সৰ্বহাৰা শ্ৰেণীৰ লাইন দাঙি ধৰিছে। অথচ প্ৰতিবেদন খনত কোৱা হৈছে: 'মাও চেতুঙৰ চিন্তাধাৰাই আমাৰ বাবে কোনো লাইন দাঙি ধৰা নাই। এতিয়া নতুনকৈ কৰিব লাগিব'। 'মাও চেতুঙৰ চিন্তাধাৰাৰ পৰিচালনাত' এই নামাৱলী ব্যৱহাৰ কৰি সংক্ষিপ্ত প্ৰতিবেদনখন কাৰ্য্যতঃ মাও চেতুঙৰ চিন্তাধাৰাৰ বিৰোধী আধুনিক সংশোধনবাদৰ আৰু পুঁজিবাদৰ প্ৰতিষ্ঠা কৰাৰ বাট বহলোৱাৰ প্ৰয়াস কৰিছে। চমুতে ক'ব পাৰি যে, সমাজতান্ত্ৰিক বিপ্লৱক শেহলৈকে আগবঢ়াই লৈ যোৱাৰ বিৰোধিতা কৰি কমৰেড মাও চে তুঙৰ নেতৃত্বাধীন কেন্দ্ৰীয় কমিটিৰ সৰ্বহাৰাসকলৰ বিৰুদ্ধে আক্ৰমণ চলাই আৰু সৌপন্থী বুৰ্জোৱাহঁতক ৰক্ষা কৰি এই প্ৰতিবেদখনখনে কাৰ্য্যতঃ ধনতন্ত্ৰৰ পুনঃপ্ৰৱৰ্তনৰ বাবে জনমত গঠনৰ প্ৰচেষ্টা চলাইছে। এই

প্ৰতিবেদনখন হ'ল পাৰ্টিত বুৰ্জোৱা মতাদৰ্শৰ প্ৰতিফলন আৰু ইয়াৰ চৰিত্ৰ সম্পূৰ্ণভাৱে সংশোধনবাদী। সংশোধনবাদৰ বিৰুদ্ধে সংগ্ৰাম ল'ৰা-ধেমালি নহয়, আমাৰ পাৰ্টি আৰু ৰাষ্ট্ৰৰ দিশ নিৰ্ণয় আৰু ভৱিষ্যৎ, আমাৰ পাৰ্টি আৰু ৰাষ্ট্ৰৰ ভৱিষ্যৎ ৰূপ আৰু বিপ্লৱৰ ওপৰত সুদূৰপ্ৰসাৰী গুৰুত্ব আৰু তাৎপৰ্য্য বহন কৰিছে এই সংগ্ৰামে।

সকলো স্তৰৰ পাৰ্টি-কমিটিসমূহক 'সাংস্কৃতিক বিপ্লৱৰ ভাৰপ্ৰাপ্ত পাঁচজনীয়া গ্ৰুপ'ৰ দ্বাৰা ৰচিত সাম্প্ৰতিক তত্বমূলক আলোচনাৰ সংক্ষিপ্ত প্ৰতিবেদনখনক কাৰ্য্যকৰী কৰাৰপৰা বিৰত থাকিব লাগিব। সমগ্ৰ পাৰ্টিয়ে মাও চেতুঙৰ লাইন অনুসৰণ কৰিব লাগিব, পাৰ্টি আৰু সমাজতন্ত্ৰৰ বিৰোধী তথাকথিত 'কিতপীয়া বিদ্যাৰ জাহাজ'ইতৰ বুৰ্জোৱা প্ৰতিক্ৰিয়াশীল মতাদৰ্শক চুড়ান্তভাৱে সমালোচনা আৰু প্ৰত্যাখ্যান কৰিব লাগিব, আৰু সংস্কৃতিৰ সকলো ক্ষেত্ৰত নেতৃত্ব দখল কৰিব লাগিব, আৰু এই নেতৃত্ব দখল কৰিবলৈ হ'লে একেলগে পাৰ্টিত, চৰকাৰত, সেনাবাহিনী আৰু সংস্কৃতিৰ সমালোচনা আৰু প্ৰত্যাখ্যান সিহঁতক নিৰ্মূল আৰু সিহঁতৰ মাজত কোনো কোনোবাক বেলেগ পদলৈ বদলি কৰি দিব লাগিব। সৰ্বোপৰি, এইবোৰ মানুহক কেতিয়াও সাংস্কৃতিক বিপ্লৱৰ দায়িত্ব দিয়া নহ'ব। কিন্তু আচলতে ইহঁতৰ মাজত বহুতেই নেতৃত্বত অধিষ্ঠিত হৈছেই, বহুতেই নেতৃত্ব চলাই গৈছে, আৰু এই অৱস্থা নিঃসন্দেহে বিপদজনক।

পাৰ্টি, চৰকাৰ, সেনাবাহিনী আৰু বিভিন্ন সাংস্কৃতিক পৰিধিত গোপনে সোমাই নিগাজী হৈ বহি দিয়া বুৰ্জোৱাইতৰ এই দালালইত হ'ল এসোপা প্ৰতি-বিপ্লৱী সংশোধনবাদী মাথোন। এবাৰ সুযোগ পালেই ইহঁতে ৰাজনৈতিক ক্ষমতা দখল কৰি লৈ সৰ্বহাৰাৰ একনায়কত্বৰ পৰিবৰ্তে বুৰ্জোৱা একনায়কত্বক প্ৰতিষ্ঠা কৰিব। ইহঁতৰ মাজত কেইজনমানক আমি ইতিমধ্যেই চিনি পাইছোঁ, আন কেইজনমানক চিনিব পৰা নাই। ইহঁতৰ কেইজনমান এতিয়াও আমাৰ আস্থাভাজন হৈ আছে আৰু সিহঁতক আমাৰ উত্তৰাধিকাৰী হিচাপে গঢ় দিয়া হৈছে। উদাহৰণ স্বৰূপে, খ্ৰুশ্চফৰ নিচিনা মানুহৰ কথা ক'ব পৰা যায়, যিহঁতে গুপুতে ঘাঁটি নিৰ্মাণ কৰিছে আৰু এতিয়ালৈকো আমাৰ নিচেই কাষতে জোপ লৈ বৈ আছে। সকলো স্তৰৰ পাৰ্টি-কমিটিসমূহে এই বিষয়ত অৱশ্যেই পূৰ্ণ সচেতন থাকিব লাগিব।

১৯৬৬ চনৰ ১২ ফেব্ৰুৱাৰি তাৰিখে কেন্দ্ৰীয় কমিটিয়ে প্ৰচাৰ কৰা ভুল দলিলখনৰ লগতেই পাৰ্টিৰ জিলা-কমিটিলৈকে সকলো স্তৰত, সাংস্কৃতিক সংস্থা-সমূহৰ পাৰ্টি কমিটি সমূহলৈ আৰু সেনা-বাহিনীৰ পাৰ্টি কমিটিৰ সকলো স্তৰলৈ— এই কমিটি সমূহলৈ অনুৰোধ কৰা হৈছে যে, তেওঁলোকে এই দুখন দলিলৰ কোনখন সঠিক আৰু কোনখন ভুল সেই কথাৰ বিচাৰ কৰে যেন, দলিল দুখনৰ সম্পৰ্কে তেওঁলোকৰ ধাৰণাৰ পৰ্য্যালোচনা আৰু নিজৰ অগ্ৰগতি আৰু ভুল সম্পৰ্কে বিশ্লেষণ কৰে যেন।

অংকৰ ভাষা

আধুনিক চীনত প্ৰচলিত এটি অংকৰ ভাষা আছে। কোনো বিদেশী, তেওঁ যিমান ডাঙৰ গণিতজ্ঞই নহওক কিয় আৰু যিমান উত্তম দোভাষীয়েই তেওঁৰ লগত নাথাকক কিয়, এই ভাষাৰ মৰ্মোদ্ধাৰ কৰাত তেওঁ মূৰৰ ঘাম ভৰিত পেলাব লাগিব। আনকি, যি কোনো প্ৰবাসী চীনা ভাষা-ভাষী আজিৰ চীনলৈ গ'লে অংকৰ এই অঠাই সাগৰৰ পৰি তেৰোঁ জোলোকা-জোলোকে পানী খাবলগীয়া হ'ব।

আগৰবাৰ যেতিয়া চীনত আছিলোঁ তেতিয়া অংকৰ যি ভাষা শুনিছিলোঁ সেই ভাষা এবাৰ বুজাই দিলেই বুজি পাইছিলোঁ। কিন্তু সাংস্কৃতিক বিপ্লৱৰ মাজত অংকৰ যি ভাষা গঢ লৈ উঠিছে সেই ভাষা বুজিও বাৰে বাৰে নতুনকৈ বুজি ল'ব লাগে।

চীনদেশত সাধাৰণভাৱে সংখ্যাৰে কথাক চমুৱা হয়। যেনে—উ-ই, অৰ্থাৎ ৫ : ১ অৰ্থাৎ পঞ্চম মাহৰ পহিলা তাৰিখ, অৰ্থাৎ মে' ডে। ঠিক তেনেকৈয়ে দশম মাহৰ পহিলা তাৰিখ হ'ব ১০ : ১ অৰ্থাৎ অক্টোবৰৰ ১ তাৰিখ—জাতীয় দিৱস।

প্ৰথমবাৰ চীনলৈ গৈয়েই শুনিছিলোঁ 'ছান্ কান্' অৰ্থাৎ ত্ৰিবিৰোধী আন্দোলন। ১৯৫২ চনত আৰম্ভ কৰা এই ত্ৰিবিৰোধী গণ-আন্দোলনৰ লক্ষ্যবস্তু আছিল তিনিটা। চিয়াং কাই শ্বেকৰ উত্তৰাধিকাৰ: দুৰ্নীতি, অপচয় আৰু আমোলাতন্ত্ৰ। তাৰ পাছত আহিল 'উফান্' অৰ্থাৎ পঞ্চ-বিৰোধী গণ-অভিযান। এই পাঁচোটা বিষয় হ'ল: চৰকাৰী কৰ্মচাৰীয়ে ভেটী খোৱা, কৰ ফাঁকি দিয়া, ৰাষ্ট্ৰীয় সম্পদ চুৰি, চৰকাৰী কণ্ট্ৰেক্টত প্ৰতাৰণা আৰু অৰ্থনৈতিক বিষয়ত সংবাদ চুৰ কৰা।

এই দুই গণ-অভিযান সফলতাৰে সৈতে সমাপ্ত হোৱাৰ পাছত ১৯৫৭ চনত দেখিলোঁ গৈ এক গণ-অভিযান—'হুছিহায়' অৰ্থাৎ 'চাৰি শত্ৰুৰ' বিৰুদ্ধে। এই চাৰিও শত্ৰু হ'ল মহ, মাখি, এন্দুৰ আৰু ঘৰ-চিৰিকা। একেবাৰে পুৰাপুৰিকৈ যুদ্ধ ঘোষণা। চকুৰে নেদেখিলে বিশ্বাসেই কিজানি নকৰিলোঁহেঁতেন। 'চাৰি

শত্ৰুৰ বিৰুদ্ধে সমগ্ৰ দেশৰ এই অভিযানত—ল’ৰা-বুঢ়া-ডেকা-গাভৰু আটায়েই এই যুদ্ধত কঁকালত টঙালি বান্ধি লাগি পৰিছে। কোৰিয়াৰ যুদ্ধত ম্যাক আৰ্থাৰে যিদিনা চীনৰ বিৰুদ্ধে জীৱাণুযুদ্ধ আৰম্ভ কৰাৰ ভাবুকি দিছিল, সিদিনাৰ পৰাই জীৱাণু কঢ়িউৱাইতৰ বিৰুদ্ধে এই নিধন-অভিযান আৰম্ভ কৰা হৈছিল ।

বিগ লীপ ফৰ’ৱাৰ্ডৰ কালছোৱাত ‘গাঁৱলৈ ব’লা’ আন্দোলনৰ সময়ত শুনিছিলোঁ ‘ছান্ থুং’ অৰ্থাৎ ‘একেলগে তিনি’। এই কথাৰ অৰ্থ হ’ল—কৃষকৰ ঘৰত থাকিব লাগিব, একেলগে খোৱা-বোৱা কৰিব লাগিব, আৰু খেতি-পথাৰত কাম কৰিব লাগিব। এই সংখ্যাযুক্ত ভাষা বুজাটো আছিল আমাৰ পক্ষে উজু।

কিন্তু এইবাৰৰ অংকৰ ভাষা বেছ টান বিধৰ। ৰেড গাৰ্ডসকলে ‘হুছি চিউ’ অৰ্থাৎ ‘চাৰিও পুৰণি’ৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছিল: পুৰণি সংস্কৃতি, পুৰণি ৰীতি-নীতি, পুৰণি অভ্যাস, পুৰণি ধ্যান-ধাৰণা। কিন্তু এই চাৰিওটা তো মহ-মাখি নহয়—গতিকে ৰেডগাৰ্ডসকলে অলপ-অচৰপ কালাপাহাৰী জাতীয় তচোনচো ঘটনাও নঘটোৱা নহয়। তাৰ লগত আছিল ‘এক ভাগি দুই’ নে ‘দুই মিলি এক’ তত্ত্বগত দ্বন্দ্ব। কেণ্টনৰ প্ৰধান সাহিত্য-আলোচনীৰ সম্পাদক খ্যাতনামা সাহিত্য-সমালোচক ছিন্ মু’ৰ সৈতে ধ্ৰুপদী সাহিত্য বিচাৰৰ দৃষ্টিকোণ লৈ আলাপ-আলোচনা কৰি আছিলোঁ। এই আলোচনাৰ মাজত মই ৰবীন্দ্ৰনাথৰ কথা উনুকিয়ালো। তেওঁ ক’লে, ‘ৰবীন্দ্ৰনাথ সম্বন্ধে সিমান বেছি পঢ়া-শুনা মোৰ নাই। কিন্তু লেনিনে যি দৃষ্টিকোণৰ পৰা তলস্তয়ৰ মূল্যায়ন কৰিছিল সেই দৃষ্টিকোণৰপৰা মই ৰবীন্দ্ৰনাথৰো মূল্যায়ন হোৱা উচিত বুলি মই ভাবোঁ। অৰ্থাৎ ‘ই কেন্ ওৱে আৰ’—‘One divides into two’ ‘এক বিভক্ত হৈ দুই’।

ডায়ালেক্‌টিকছ—অৰ্থাৎ দ্বন্দ্বমূলক বস্তুবাদৰ জটিল তত্ত্বক অংকৰ ভাষাৰে চীনৰ সাধাৰণ মানুহে ঢুকি পোৱাকৈ জলৱৎ কৰি তুলিছে মাও-এ। ই হ’ল বৈপৰীত্যৰ ঐক্য—unity of opposites-ৰ ব্যাখ্যা। তাওবাদীসকলে দুয়োটাৰ সংগতি বা harmony-ৰ অৰ্থত ‘দুই মিলি এক’ বুলি কৈছিল। মাও-এ সেই কথাটোক ঘূৰাই ‘এক বিভক্ত হৈ দুই’ কথাটো ব্যৱহাৰ কৰিছে। মাও-ৰ মতে, মাৰ্ক্সীয় দ্বন্দ্বমূলক বস্তুবাদৰ তিনিটা সূত্ৰৰ মাজত বৈপৰীত্যৰ ঐক্য হ’ল প্ৰধান। এই দুই বৈপৰীত্যত কোনো ভাৱ-সাম্য নাই। এই ভাৱসাম্য হীনতায়েই হ’ল অগ্ৰগতি আৰু বৈপ্লৱিক পৰিবৰ্তনৰ চালিকা-শক্তি। কিন্তু মাও-বিৰোধীসকলে

পুৰণি তাওবাদীসকলৰ 'একৰ ভিতৰত দুই' (Two in one) তত্ত্বক প্ৰচলিত কৰিলে। এই তত্ত্বটোক ১২৬০ চনত প্ৰথমে ইয়াং ছিয়েন্ ছেন্-এ প্ৰচাৰ কৰিছিল। ইয়াং ছিয়েন্ ছেন্ হ'ল চীনৰ কমিউনিষ্ট পাৰ্টিৰ ইতিহাসত উল্লিখিত মস্কো-শিক্ষিত ২৮ বোলশ্বেভিকৰ এজন। তেওঁ মুক্তিৰ পাছত চীনৰ দাৰ্শনিক-বিভাগৰ প্ৰধান আৰু চীনৰ মাৰ্কছ-লেনিন ইনষ্টিট্যুটৰ ভাইছ প্ৰেছিডেণ্ট নিযুক্ত হয়। সাংস্কৃতিক বিপ্লৱৰ প্ৰাক-মুহূৰ্তত মাৰ্কছীয় বস্তুবাদ-বিৰোধী তেওঁৰ এই ভাববাদী তত্ত্বক দেশ জুৰি প্ৰচণ্ড তৰ্ক-যুদ্ধৰ যোগেদি খণ্ডন কৰা হয়।

আন এটা অংক হ'ল 'একৰ ভিতৰত তিনি'—'Three in one'। সাংস্কৃতিক বিপ্লৱৰ পাছত সাংহাইৰ 'জানুৱাৰি ধুমুহা'ৰ অন্তত ক্ষমতাৰ অধিকাৰী ৰূপে যি নতুন বিপ্লৱী কমিটি গঢ়ি উঠিল তাৰ মাজত আছিল তিনি ধৰণৰ নিৰ্বাচিত প্ৰতিনিধি—সাধাৰণ শ্ৰমিকৰ প্ৰতিনিধি, সৈন্যবাহিনীৰ প্ৰতিনিধি আৰু বিপ্লৱী কেডাৰ। পৰৱৰ্তী কালত এই তিনিওৰ আকাৰ-প্ৰকাৰৰ পৰিৱৰ্তন হৈছিল —যেনে, এটা কাৰখানাত বৰ্তমানে Three in one মানে শ্ৰমিক সকলৰ প্ৰতিনিধি, টেকনিশ্বিয়ানৰ প্ৰতিনিধি আৰু বিপ্লৱী কেডাৰসকলৰ প্ৰতিনিধিক বুজায়। ইয়াক Tripple Combination বুলিও কোৱা হয়। এই Tripple Combination এ আন এষাৰ কথাও বুজায়। কোনো সংস্থা বয়সিয়াল, আদহীয়া আৰু যুৱা—এই তিনিওৰ সমন্বয়ৰে সৈতে গঠন কৰাটোও বুজায়। কিন্তু আন এটা বিশেষ অৰ্থত 'Three in one' ব্যৱহাৰ কৰা হয়, যেনে—কোনো এটা কাৰখানাৰ কোনো এটা বিশেষ বৈজ্ঞানিক সমস্যা Three in one নীতিৰে সমাধান কৰা হ'ল—বুলি যেতিয়া কোৱা হ'ল তেতিয়া তাৰ অৰ্থ হয় শ্ৰমিক, বিজ্ঞানী বা প্ৰযুক্তিবিদ আৰু কেডাৰ, এই তিনিওৰে পৰীক্ষা-নিৰীক্ষাৰ মাজেদি সমাধান। এই কথাৰ তাৎপৰ্য্য কিন্তু বৰ গভীৰ, কিয়নো মাও চেতুঙৰ 'সঠিক ধাৰণা ক'ৰপৰা ওলায়' এই বিখ্যাত প্ৰবন্ধটিক অংকৰ ভাষাত কোৱা হৈছিল। মাও-ৰ মতে তিনি বিধৰ সামাজিক কৰ্মৰ পৰা সঠিক ধাৰণা ওলায়: উৎপাদনৰ সংগ্ৰাম, শ্ৰেণী-সংগ্ৰাম আৰু বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰপৰা। ইয়াক আকৌ তেওঁলোকে কেতিয়াবা কেতিয়াবা 'ছান্ তা গমিং' অৰ্থাৎ 'তিনিও মহান বিপ্লৱ' বুলিও কয়।

এই ধৰণৰ আন বহুতো অংকৰ ভাষা সাধাৰণ মানুহৰ মাজত প্ৰচলিত আছে।

পৰিসংখ্যানৰ দাপোণত চীনদেশ

'আমাৰ তৃতীয় পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ সাফল্যই তাৰ নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰিছে। চতুৰ্থ পঞ্চবাৰ্ষিকী পৰিকল্পনাও ১৯৭৫ চনত সফলতাৰে সমাপ্ত হ'ব। যোৱা তেৰ বছৰ ধৰি আমাৰ দেশে একেৰাহে ভাল শস্য উৎপাদন কৰিব পাৰিছে: কৃষিজাত উৎপন্ন দ্ৰব্যৰ মুঠ মূল্য ১৯৭৪ চনত ১৯৬৪ চনৰ তুলনাত ৫১ শতাংশ বৃদ্ধিপ্ৰাপ্ত হৈছে বুলি হিচাপ কৰা হৈছে। এই হিচাপে গণ-কমিউনৰ শ্ৰেষ্ঠত্বহে প্ৰতিপন্ন কৰে। দেশৰ মুক্তিৰ কালছোৱাৰপৰা জনসংখ্যা যিস্থলত ৬০ শতাংশ বাঢ়িছে, তেতিয়া খাদ্যৰ উৎপাদন ১৪০ শতাংশ আৰু কপাহৰ উৎপাদন বাঢ়িছে ৪৭০ শতাংশ। আমাৰ এই ৮০ কোটি মানুহেৰে ঠাহ খোৱা দেশখনতো অন্ন-বস্ত্ৰৰ মৌলিক প্ৰয়োজন সম্পৰ্কে আমি আমাৰ দেশবাসীক নিশ্চিন্ততা প্ৰদান কৰিবলৈ সমৰ্থ হৈছোঁ। গ্ৰছ শিল্পোৎপাদন ১৯৭৪ চনত ১৯৬৪ চনৰ তুলনাত ১৯০ শতাংশ বাঢ়িছে। প্ৰধান প্ৰধান শিল্পজাত বস্তু-সামগ্ৰীৰ উৎপাদনো যথেষ্ট বাঢ়িছে। তীখাৰ উৎপাদন বাঢ়িছে ৯১ শতাংশ। পেট্ৰলৰ বাঢ়িছে ৬৫০ শতাংশ, বিজুলীশক্তি ২০০ শতাংশ বৃদ্ধিপ্ৰাপ্ত হৈছে, ৰাসায়নিক সাৰ ৩৩০ শতাংশ বাঢ়িছে, ট্ৰেক্টৰ বাঢ়িছে ৫২০ শতাংশ, কপাহী সূতা ৮৫ শতাংশ আৰু ৰাসায়নিক কাপোৰ (fibers) ৩৩০ শতাংশ বৃদ্ধিপ্ৰাপ্ত হৈছে। কেৱল আমাৰ নিজস্ব প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰ কৰি এই দহ বছৰত আমি ডাঙৰ আৰু মজলীয়া আকাৰৰ ১,১০০ প্ৰকল্পৰ নিৰ্মাণ সম্পূৰ্ণ কৰিছোঁ, সফলতাৰে হাইড্ৰোজেন বোমাৰ পৰীক্ষা-নিৰীক্ষা চলাইছোঁ আৰু মনুষ্যসৃষ্ট উপগ্ৰহ প্ৰেৰণ কৰিছোঁ পৃথিৱীৰ কক্ষ-পথলৈ। পুঁজিবাদী জগতত যেতিয়া মুদ্ৰাস্ফীতি আৰু অৰ্থনৈতিক বিশৃংখলা বিদ্যমান, আমি তেতিয়া জাতীয় আয় আৰু ব্যয়ৰ মাজত ভাৰসাম্য ৰক্ষা কৰিবলৈ সমৰ্থ হৈছোঁ আৰু বৈদেশিক বা আভ্যন্তৰীণ কোনো ধৰণৰ কোনো ঋণ আমি ল'বলগীয়া হোৱা নাই। বস্তু-সামগ্ৰীৰ দাম স্থায়ী। জনসাধাৰণৰ জীৱনযাত্ৰাৰ মানদণ্ড সমগতিৰে আগুৱাই গৈছে আৰু সমাজতান্ত্ৰিক নিৰ্মাণৰ বিকাশ ঘটিছে। মহান সৰ্বহাৰাৰ সাংস্কৃতিক বিপ্লৱে আমাৰ জাতীয় অৰ্থনীতিৰ বিকাশত ব্যাঘাত সৃষ্টি কৰিব বুলি দেশ-বিদেশৰ প্ৰতিক্ৰিয়াশীল শক্তিয়ে যি হোৱা-দোৱা লগাইছিল, বাস্তৱ ঘটনাৱলীয়ে সেইবোৰক ৰূঢ়ভাৱে মিছা প্ৰমাণিত কৰিছে।

[চীন গণ-প্ৰজাতন্ত্ৰৰ চতুৰ্থ জাতীয় গণ-কংগ্ৰেছৰ প্ৰথম অধিবেশনত ১৯৭৫ চনৰ জানুৱাৰি মাহৰ ১৩ তাৰিখে প্ৰধানমন্ত্ৰী চৌ এন্ লাই প্ৰদত্ত প্ৰতিবেদনৰপৰা উদ্ধৃত।]

চীনা অৰ্থনীতিৰ নিৰ্বাচিত পৰিসংখ্যান

	বাৰ্ষিক উৎপন্ন : নিযুত মেট্ৰিক টন						বিলিয়ন KWH	নিযুত
বছৰ	কয়লা	তীখা	খনিজ তেল	ৰাসায়নিক সাৰ	কপাহ	খাদ্যশস্য	বিদ্যুৎ	জনসংখ্যা
১৯৪৯	৩২ ৪	০ ৯	০ ৪		০ ৮	১৩৯	৬ ০	৫০০
১৯৫২	৬৬ ৫	১ ৩	০ ৪	০ ২	১ ৩	১৫৪	৭ ৩	৫৫০
১৯৫৭	১৩০ ০	৫'৩	১ ৪	০ ৮	১ ৬	১৮৫	১৯ ৩	
১৯৫৮	২৭০ ০		৪ ৬					৬০০
১৯৫৯	৩৪৭ ৮		৪ ৬					
১৯৬০	৪০০ ০		৪ ৬	২ ৫				
১৯৬১		৯ ৫	৪ ৫	১ ৪			৫৮ ৫	
১৯৬২		১০ ০	৪ ৫	১ ৪			৪৭ ৫	
১৯৬৩		১২ ০						
১৯৬৪		১৪ ২						
১৯৬৫		১৫ ০	৯ ০					
১৯৬৬			১০ ০	৫ ৫				
১৯৭০		১৫ ০	১৮ ০	৭ ০		২৪০	৬০ ০	৭৫০
১৯৭১		২১ ০	২৬ ০					
১৯৭২		২৩ ০				২৫০ ০		
১৯৭৪	৭৬৪ ০	৩০ ০	৬০ ০	১' ২	৪ ৬	২৭০ ০	১৭৪ ০	৮০০

সূত্ৰ : *Economic Survey of Asia and Far East 1967. *People's Republic of China Atlas (United States Central Intelligence Agency, Washington 1971) Nicholas Brumer—China's Economy *Peking Review আৰু China Reconstructs (1970—73). *Edgar Snow—Red China Today. *Ta Kung Pao—Hongkong *এগৰাকী বিশিষ্ট অৰ্থনীতিবিদ বন্ধুৰ সহায়ত এই তালিকাখন প্ৰস্তুত কৰা হৈছে।

কেইটিমান চীনা শব্দ, অনুবাদ আৰু উচ্চাৰণৰ বিষয়ে

যিবোৰ চীনা শব্দ আজি বিশ্বত প্ৰচাৰিত—মোৰ এই পুস্তকখনতো তাৰ মাজৰ কিছু কিছু ব্যৱহাৰ কৰিছোঁ। সেই সম্পৰ্কে পাঠকসকলৰ ওচৰত সংক্ষিপ্ত বিশ্লেষণ দাঙি ধৰাটো প্ৰয়োজনীয় বুলি ভাবিছোঁ।

'তা হুছি পাও'—যাক ইংৰাজীক Big Character Poster বুলি কোৱা হয়, সেই সম্পৰ্কে আমাৰ দেশত ভুল ধাৰণা বিদ্যমান। চীনা ভাষাত কোনো alphabet বা বৰ্ণমালা নাই। আছে hieroglyph বা চিত্ৰাক্ষৰ। 'তা' মানে ডাঙৰ, 'হুছি' (বা 'ৎছি') মানে চিত্ৰাক্ষৰ 'পাও' বা 'বাও' মানে হ'ল বাতৰি-কাকত বা প্ৰাচীৰ পত্ৰ। এই চিত্ৰাক্ষৰক ইংৰাজীত character বুলি কোৱা হয়। কিন্তু এখন বিশিষ্ট বাংলা বাতৰি-কাকতে ভুল ধৰণে বুজি ইয়াক 'চৰিত্ৰ উদ্‌ঘাটন-কাৰী প'ষ্টাৰ' বুলি অনুবাদ কৰিছিল।

১৯৫৭ চনত, মই যেতিয়া চীনত আছোঁ, তেতিয়া শুদ্ধি অন্দোলনৰ কাল-ছোৱাত ইয়াৰ উদ্ভৱ ঘটিছিল। চীনত Calligraphy বা চিত্ৰিত হস্তাক্ষৰ সুকুমাৰ কলাৰ সৈতে অংগাংগীভাৱে জড়িত। কিন্তু জনসাধাৰণৰ মত প্ৰকাশৰ মাধ্যম হিচাপে সমগ্ৰ দেশব্যাপী ইয়াৰ ব্যৱহাৰ এয়ে প্ৰথম।

১৯৫৮ প্ৰথম প্ৰকাশিত চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ তত্ত্বগত পষেকীয়া আলোচনী 'হোংছি'ৰ (ৰঙা পতাকা) প্ৰথম সংখ্যাতেই এই বিষয়ে মাও-এ যি মত ব্যক্ত কৰিছিল সেই মত সবিশেষ তাৎপৰ্য্যপূৰ্ণ বুলি ভাবি ইয়াত তাৰ ভাঙনি আগ বঢ়াইছোঁ:

"আটাইতকৈ প্ৰয়োজনীয় নতুন অস্ত্ৰ হ'ল 'তা হুছি পাও'। স্কুল, কলেজ, গাঁও, চহৰ, কাৰখানা, সমবায় বিপণি, চৰকাৰী সস্থা, সামৰিক ইউনিট, ৰাস্তা, এক কথাত য'তেই জনসাধাৰণ আছে তাতেই ইয়াক ব্যৱহাৰ কৰিব পাৰি। য'তেই এইবোৰ ব্যাপকভাৱে ব্যৱহাৰ কৰা হৈছে জনসাধাৰণেও তাক ব্যৱহাৰ কৰি থাকিব। চিং ৰাজবংশৰ কুং জু ছেনৰ লেখা এটি কবিতাত আছে—

'বজ্ৰগৰ্জনে পৃথিবীক কৰি তোলক জীৱন্ত
হায়, দহ হাজাৰ অশ্ব নীৰব অচলন্ত
আকাশলৈ আহ্বান, স্বৰ্গক নতুনকৈ জগোৱা
এই জগতলৈ প্ৰতিভাদীপ্ত মানুহ পঠোৱা ।'

তা হুছি পাও-এ দহ সহস্ৰ অশ্ব নীৰৱে থিয় হৈ থকা ঠাইৰ বতাহত তুলিছে প্ৰচণ্ড অলোড়ন ।'· ·····

চীনা ভাষাত ইংৰাজী transliteration-ৰ পদ্ধতি অনুকৰণৰ বাবে আমাৰ দেশত বহুখিনি খেলি-মেলিৰ সৃষ্টি কৰিছে। ইংৰাজী J আখৰটো চীনৰ 'ৰ' ৰ (যিটো প্ৰায় guttural বা কণ্ঠ্য 'R'-ৰ দৰে) পৰিবৰ্তে যে কিয় ব্যৱহাৰ কৰা হৈছে —ক'ব নোৱাৰোঁ। আমাৰ বৰ্ণমালাত 'ৰ' দিলেই আমি সেই ধ্বনি পাওঁ। যেনে —People Daily-ক চীনাভাষাত 'ৰেন্‌মিন্ ৰিপাও' বা 'ৰেন্‌মিন্ ৰিবাও (চীনা উচ্চাৰণত 'প' আৰু 'ব'-ত কোনো প্ৰভেদ নাই)। এই শব্দটোক ইংৰাজীত লিখিলে হয়গৈ 'জেন্‌মিং জিপাও'। চীনলৈ গৈ এই উচ্চাৰণটি কৰিলে কস্মিন-কালেও কোনেও বুজি নাপাব। 'ৰেন্‌মিন্'-ৰ অৰ্থ হ'ল 'জনগণ'। আজিৰ চীনৰ সকলোতে এই শব্দটিৰ ব্যৱহাৰ। যেনে—'ৰেন্‌মিন্ কুংস্ব'—অৰ্থ হ'ল 'গণ-কমিউন'। ঠিক এনেকৈয়ে ইংৰাজী অনুকৰণত ভুলকৈ লেখা হয় 'হাইজুইৰ পদচ্যুতি'। আচলতে হ'ব 'হাইৰুইৰ পদচ্যুতি'।

চীনা 'ছ' উচ্চাৰণ আমাৰ 'ছ' ৰ দৰেই প্ৰায়। কিন্তু ইংৰাজী অনুবাদত এই 'ছ'ৰ ক্ষেত্ৰত Q যে কিয় ব্যৱহৃত হয় নাজানো। আৰু সেয়ে, ইংৰাজীৰ অনুকৰণত 'হোংছি'ক 'হোংকি' বুলি লেখা হয়। হোংকি' বুলিলে চীনত কোনেও একো বুজিব নোৱাৰিব। চীনা 'থ' উচ্চাৰণটোক ইংৰাজী 'T' ৰে কৰা হয়। স্বাভাৱিকতেই, 'T' ৰে লিখিলে 'থিয়েন আন মেন' হ'বগৈ তেতিয়া 'তিয়েন আন মেন'। কিন্তু ই হ'ব ভুল। 'থিয়েন'ৰ অৰ্থ 'স্বৰ্গ', 'আন' হ'ল 'শান্তি' আৰু 'মেন' মানে 'দুৱাৰ'। গতিকে, থিয়েন আন মেন' হ'ল 'স্বৰ্গীয় শান্তিৰ দ্বাৰ'। চীনত 'চ' আৰু 'জ' উচ্চাৰণত কোনো পাৰ্থক্য নাই। গতিকে 'চৌ এন্ লাই'ক 'জৌ এন্ লাই' বুলিও লিখিব পাৰি। কিন্তু আমাৰ দেশৰ বহুতে আকৌ অভিনৱ ধৰণে 'চাউ এন্ লাই' বা 'চু এন্ লাই' বুলিও লেখে। চীনা চিত্ৰাক্ষৰত 'চৌ' লিখোঁতে ৮ ডাল আঁচ টানিব লাগে, 'চু' লিখোঁতে লাগে ছডাল আঁচ। যেনে —চু তে। চু ৰি মানে হল চেয়াৰম্যান। 'মাও চু ৰি'ৰ অৰ্থ হ'ল 'চেয়াৰম্যান

মাও'। কিন্তু কোনো কোনোৱে, যেনে—কেইবা বছৰবো আগতে বাংলা ভাষাত ওলোৱা 'চীন দেখে এলাম'ৰ (মনোজ বসু) লেখকে লিখিছে 'মাও তু খি' বুলি। চীনাভাষাত 'তা ইয়াও চিন্'ক ইংৰাজী অনুবাদত Big leap Forward বা Great Leap Forward কৰা হৈছে। কিন্তু আমাৰ দেশত সর্বজনস্বীকৃতভাৱে তাৰ কোনো অনুবাদ নোহোৱাত মোৰ লেখাতো বিভ্ৰাট নঘটা নহয়। কেতিয়াবা 'উল্লম্ফন', কেতিয়াবা 'দীর্ঘ পদক্ষেপ' কেতিয়াবা 'ডেও পাৰি আগ বাঢ়ি যোৱা'— এইদৰে ময়ো ব্যৱহাৰ কৰিছোঁ। 'উল্লম্ফন' শব্দটোত বহুতেই আপত্তি দর্শাইছে। এই শব্দটো হেনো কটং-গিৰী বুর্জোৱাৰ ফুচুৰি দৃষ্টিকোণৰ পৰা উদ্ভূত। যি কি নহওক, 'দীর্ঘপদক্ষেপ' কথাষাৰেই মূল শব্দৰ সৈতে বেছ খাপ খোৱা বুলি মোৰ ধাৰণা। মোৰ এই পুস্তকত কিছুমান জনপ্ৰিয় শ্ল'গান ব্যৱহাৰ কৰিছোঁ মই। যদিও সঠিক স্বৰ-নিক্ষেপৰ ওপৰত চীনা ভাষাৰ অর্থ নির্ভৰশীল, তথাপি বহুল প্ৰচাৰিত হোৱা বাবেই এই শ্ল'গান সমূহৰ ভুল উচ্চাৰণ হ'লেও তেওঁলোকে বুজি পায়।

চীনাভাষা উচ্চাৰণৰত 'ত' আৰু 'দ'-ৰ মাজত কোনো পার্থক্য নাই। সেয়ে 'শ্ৰমদান' অর্থত 'লাওতুং' আৰু 'লাওতুং' দুয়োটাই ঠিক। চীনাভাষাত 'ক' আৰু 'গ'তো কোনো প্ৰভেদ নাই। সেয়ে, 'বিপ্লৱ' অর্থত 'কমিং' বা 'গমিং' দুয়োটাই শুদ্ধ।

● দ্বিতীয় খণ্ড সমাপ্ত ●